শারদীয় সংখ্যা

প্রতিক সাময়িকী

অসমীয়া সাহিত্যৰ ভঁৰাললৈ আমাৰ পূজাৰ নৈবেদ্য

একাৰেঁকা বৃত্ত ।।	চৈয়দ আব্দুল মালিক	(উপন্যাস)	৬·০০
সূৰুযমুখীৰ স্বপ্ন ।।	”	”	১২·০০
ন হন্যতে ।।	মৈত্রেয়ী দেৱী	”	১৫·০০
(অসমীয়া অনুবাদ)	অনুবাদঃ মনু সেন		
নৰেশ,মালতী আৰু ।।	যোগেশ দাস	”	৬·০০
যুদ্ধ-পৰৰ আখৰা আৰু			
পিতৃ বিয়োগ ।।	অৰুণ গোস্বামী	”	৫·০০
সুৰাগমণি ।।	প্রফুল্ল বৰা	”	৪·৫০
মিঠা জেংৰাই ।।	উপেন কাকতি	”	৫·০০
ৰাজধানী এক্সপ্রেছ ।।	অমিতাভ শইকীয়া	(ডিটেকটিভ)	৪·০০০
বীভৎস বেদনা ।।	চৈয়দ আব্দুল মালিক	(গল্প সংকলন)	৬·০০
অন্ধকূপ	”		৬·০০
ৰহযজ্ঞ ।।	সত্যেন বৰকটকী	(ৰম্য গল্প সংকলন)	৮·০০
পথ হেৰোৱাৰ পথ ।।	নিত্যানন্দ তামুলী	(গল্প সংকলন)	৪·৫০
সোঁত সলনি হৈছে ।।	প্রফুল্ল বৰা	”	৪·৫০
জীৱন স্মৰণ ।।	নন্দ তালুকদাৰ	(জীৱন চৰিত)	৫·৫০
অচিনাকি চীন ।।	মৈত্রেয়ী দেৱী	(ভ্রমণ কাহিনী)	২০·০০
	অনুবাদঃ মনু সেন		

আমাৰ বঙলা কিতাপ

শৃংখল ।।	ভবেন্দ্রনাথ শইকীয়া	(গল্প সংকলন)	৯·০০
	অনুবাদঃ মনু সেন		

ভৱানী পাবলিচিং কনছাৰ্ণ

১/এইচ, ৰাধানাথ মল্লিক লেন * কলিকতা ৭০০ ০১২

OKDISCD

সাম্প্রতিক সাময়িকী

সাহিত্য সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী

সূচীপত্র

সম্পাদকীয় ॥
জাতীয়তাবাদ— কাৰ স্বাৰ্থত ? ॥ ৫
কৃষ্ণণ চেট্টি— আৰু এক ৰাজনৈতিক হত্যা ॥ ৭

সাংস্কৃতিকী ॥
অব্যবসায়িক নাট্য গোষ্ঠীৰ আন্দোলন ॥ নিজস্ব প্ৰতিনিধি ॥ ৯

কবিতা ॥
শগুণ ॥ ৰবীন্দ্ৰ সৰকাৰ ॥ ১১
ৰাজীকৰ ॥ হেমন্ত বৰ্মণ ॥ ১৩
শলিয়া শইকীয়াৰ উজাগৰী এৰাতি ॥ দিলীপ ফুকন ॥ ১৫
যি সকলে তাঁত বয় ॥ হাইন্ৰিখ হাইনে (জাৰ্মান) ॥ ১৭

ফ'কাছ ॥
অসম প্ৰকাশন পৰিষদৰ অকথিত কাহিনী (২) ॥ বিশেষ প্ৰতিনিধি ॥ ২৫

উপন্যাস ॥
গণদেবতা ॥ কৃষণ চন্দৰ ॥ ৩৩

প্ৰসংগক্ৰমে ॥
ভোজপুৰত সন্ত্ৰাসৰ ৰাজত্ব ॥ বিষ্ণু শৰ্মা ॥৪৩

প্ৰবন্ধ ॥
হাস্য আৰু ব্যংগ ॥ নলিনীধৰ ভট্টাচাৰ্য ॥ ১৮
গান্ধী আৰু ছেক্স (৩) ॥ প্ৰসেনজিৎ চৌধুৰী ॥ ৪৭
চীনা সাহিত্য জগতত ভূত-প্ৰেতৰ নৃত্য ॥ লু-চুন ॥ ১০৪
মাৰ্ক্সবাদ আৰু জাতিসমস্যা (৫) ॥ ড° হীৰেণ গোঁহাই ॥ ১২০

গল্প ॥
মন্ত্ৰী মাৰ্জাৰ কথা ॥ মূল : কৃষণ চন্দৰ ॥ অনু : অনুজ ৰৰকটকী ॥৫৫
নিমখ হাৰাম ॥ মূল : আৰুল মনচুৰ আহমেদ ॥ অনু : ৰত্নেশ্বৰ মেধি ॥ ৫৮
ডিম্ব খুড়াৰ হাস্যৰসত সমাজ আৰু সত্য ॥ পূৰ্ণানন্দ চুতীয়া ॥ ৬৯
গণতন্ত্ৰৰ সাধু ॥ মৃণাল দেউৰী ॥ ৯২
বিক্ষোভ ॥ উদয়াদিত্য ভৰালী ॥ ৯৭
ধনী দুখীয়া জ্ঞানী মুৰ্খ ইত্যাদি ॥ প্ৰশান্ত আচাৰ্য ॥ ১১৩
অংকৰ উত্তৰ ॥ সত্যসুন্দৰ বৰুৱা ॥ ১২৯
এই প্ৰস্তাৰ গ্ৰহণ কৰক ॥ মহেন্দ্ৰ ৰঠাকুৰ ॥ ১৩৮
মনত ৰাখা ॥ অতুল গোস্বামী ॥ ১৪২
ছজন প্ৰাক্তন সমাজবাদীৰ সন্ধানত এজন খেতিয়ক ॥ মদন শৰ্মা ॥ ১৪৫
জিৎ ॥ অৰুণ গোস্বামী ॥১৫২
মাছ ॥ মুনীন ভূঞা ॥ ১১০

এখন একাংকিকা ।
কুকুৰ ॥ তৰুণ শইকীয়া ॥ ১৫৯

আন্তৰ্জাতিক ৰাজনীতি ॥
দুই বৃহৎ শক্তিৰ ৰণভূমি আফ্ৰিকা ॥ ভাৰ্গৱ গোস্বামী ॥ ৭৭

সাময়িক প্ৰসংগ ॥
ৰাজপেয়ীৰ আগন্তুক চীন ভ্ৰমণ প্ৰসংগত ॥ বিশেষ প্ৰতিনিধি ॥ ৮৩

শিল্প প্ৰসংগ ॥
চিত্ৰ আৰু ভাস্কৰ্য প্ৰদৰ্শনী ॥ হেমন্তকুমাৰ দাস ॥ ২৩

ৰম্য ৰচনা ।
অথ পাঠ্যপুথি সংবাদ ॥ হেম গোস্বামী ॥১৩৫

সংবাদ ॥
নামৰূপত শ্ৰমিক সমাবেশ ॥ ২২
প্ৰগতিশীল ইন্দিৰা মাইজী ! ॥ ৮৫
প্ৰশ্নোত্তৰ কলম ॥ ডঃ হীৰেণ গোঁহাই ॥ ৮৬
কলিকতাৰ ডায়েৰী ॥ শ্যামল সেনগুপ্ত ॥ ৯৩

মতামত ॥
নিঃকিন সাহিত্যিক অতুলচন্দ্ৰ হাজৰিকা ॥ চৈতালী হাজৰিকা ॥ ১৭৩
অসম প্ৰকাশন পৰিষদৰ অকথিত কাহিনী ॥ নন্দ তালুকদাৰ ॥ ১৭৫

প্ৰচ্ছদপট ॥ বেণু মিশ্ৰ
অংগসজ্জা ॥ ভাৰত কামান, তুষাৰ স্থানাল
সম্পাদক : নিত্য বৰা ॥ সহযোগী সম্পাদক : জ্ঞান পূজাৰী

OKDISCD

।। গুৱাহাটী বুক ষ্টলৰ শাৰদীয় নিবেদন ।।

সাহিত্য আৰু চেতনা (প্ৰবন্ধ) ডঃ হীৰেণ গোহাঁই	১৫·০০
বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি (জীৱনী) তিলক দাস—	১২·০০
অশান্ত প্ৰহৰ (উপন্যাস) কাঞ্চন বৰুৱা	১০·০০
ৰদোৱা-গুৰুচৰিত (প্ৰবন্ধ) ডঃ মহেশ্বৰ নেওগ	১২·০০
বণ্ডুকাবেহাৰ (উপন্যাস) মেদিনী চৌধুৰী	১০·৫০
হস্তৰেখা আৰু জ্যোতিষ-বিজ্ঞান (বিজ্ঞানসম্মত) ভুবন নাথ	২০·০০
অসীমত যাৰ হেৰাল সীমা (উপন্যাস) কাঞ্চন বৰুৱা	১৫·০০
মন আৰু মন (সাহিত্য আলোচনা) ৰাম গোস্বামী	৮·০০
হিমানী হিল্লোল (উপন্যাস) কুমাৰ কিশোৰ	৮·০৫
জতুগৃহ (উপন্যাস) ৰুনু বৰুৱা	৮·৫০
মেডিকেল কলেজ (উপন্যাস) প্ৰণব কুমাৰ শৰ্মা	৮·০০
গধূলি লগ্ন (উপন্যাস) ঘন হাজৰিকা	৮·০০
উপমা কালিদাসস্য (প্ৰবন্ধ) মুকুণ্ডমাধৱ শৰ্মা	৭·০০
সাহিত্য সংস্কৃতিৰ প্ৰবাহ (প্ৰবন্ধ) যজ্ঞেশ্বৰ শৰ্মা	৭·০০
অঘৰী আত্মাৰ কাহিনী (উপন্যাস) চৈয়দ আব্দুল মালিক	৬·৫০
মঞ্চকলা (মঞ্চ আৰু অভিনয় সম্পৰ্কে) কুমাৰ কিশোৰ	৬·০০
সৃজন আৰু মনন (প্ৰবন্ধ) ইমদাদ উল্লাহ	৬·০০
বহাগতে পাতি যাওঁ বিয়া (ৰম্য ৰচনা) ভদ্ৰ ববা	৬·০০
মণি-কাঞ্চন (উপন্যাস) সন্তোষ কুমাৰ শৰ্মা	৬·০০
মাটিৰ মানুহ (উপন্যাস) দেবী দাস নেওগ	৬·০০
ৰাজপথৰ নায়ক (উপন্যাস) কামাখ্যা সভাপণ্ডিত	৬·০০
শিশুৰ প্ৰতিপালন (বিজ্ঞানসম্মত) চন্দ্ৰপ্ৰভা দেবী	৬·০০

লগতে

বিবাহ আৰু জীৱন ৫·০০।। ৰোমন্থন ৫·০০।। অভিনেত্ৰী ৫·০০ ।।বলম—৫·০০।। অঙ্কুৰ—৫·০০।। সম্পূৰ্ণ ডাকৰ বচন—৫·০০।। ছিণ্ডিয়ো কৰ্ম্ম বন্ধন—৫·০০।। উ খুন জংঙা—৫·০০।। মুছাফিৰখানা—৫·০০।। শিল জুৰিৰ সাকোঁ—৫·০০।। অচিন নায়ক—৪·০০।। গ্ৰহণান্ত—৪·০০ প্ৰিয়ঙ্গু—৪·০০।। উত্তাপ—৪·০০।। দেবী ইন্দ্ৰানী—৪·০০।। জৰাসন্ধৰ নৃত্য—৪·০০।। শেষ ক'ত?—৩·৫০।। ৰঙা জিয়াঁ—৩·০০।। মণ্টু সংবাদ —৩·০০।। কুঁৱলী—৩·০০।। সোণালী চুলি—৩·০০।। ফুলি থকা সূর্য্যমুখী ফুলটোৰ ফালে—২·৫০।। ৰামধেনু কাৰ ধেনু?—২·০০।। পলৰীয়া প্ৰতিধ্বনি—৪·০০ ইত্যাদি।

গুৱাহাটী বুক ষ্টল

শিলপুখুৰী গুৱাহাটী—৭৮১০০৩

সম্পাদকীয়

জাতীয়তাবাদ— কাৰ স্বাৰ্থত ?

".....অসমৰ প্ৰকৃতিজ সম্পদৰ সুফল অসমে পোৱা নাই। চাহৰ কৰ লাভ কৰে কেন্দ্ৰ চৰকাৰ আৰু পশ্চিমবংগ চৰকাৰে। অসমৰ তেলৰ অধিকাংশ শোধিত হয় বিহাৰৰ বাৰাউনিত আৰু পশ্চিমবংগৰ হালদিয়াত। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান বেলৰেত অসমীয়া চাকৰিয়ালৰ সংখ্যা অসমতে ২০ শতাংশতকৈয়ো কম। তেনেদৰেই থলুৱা লোক বঞ্চিত হৈছে তেল উদ্যোগ, ৰাষ্ট্ৰীয়কৃত বেংক আৰু বিভিন্ন চৰকাৰী বাণিজ্যিক প্ৰতিষ্ঠানত। অসমত বহিৰাগতই বনজ সম্পদৰ ধ্বংসযজ্ঞ পাতি মাটি বেদখল কৰিছে আৰু তেনেক্ষেত্ৰত কৰ্তৃপক্ষই মৌনতা অৱলম্বন কৰিছে, অথচ থলুৱা বানপ্ৰপীড়িতই, মাটিহীনে মাটি পোৱা নাই।

বাণিজ্যৰ ক্ষেত্ৰত ঐতিহাসিকভাবে অসমৰ বাহিৰৰ মানুহৰ প্ৰভাব স্পষ্ট। ইংৰাজৰ দিনত যি দুই এজন বাণিজ্য আৰু শিল্পৰ লগত জড়িত ব্যক্তি ওলাই আহিছিল, ইংৰাজৰ বিদ্বেষ-নীতিৰ ফলত তেওঁলোকৰ কঁকাল ভাগিল। '৪৭ চনৰ পিছত শক্তিশালী ভাৰতীয় দালাল শ্ৰেণীৰ প্ৰতিযোগিতাৰ সম্মুখত এওঁলোকে গা-কৰি উঠাৰ সম্ভাবনাও লোপ পালে। বহিৰাগতৰ শিল্প আৰু বাণিজ্যত পুঁজিৰ মুনাফালোভী বিনিয়োগৰ ফলত অসম একপ্ৰকাৰ চৰণীয়া পথাৰত পৰিণত হ'ল।

অকল বাণিজ্যিক আৰু শিল্প পুঁজিয়েই নহয়, ভাৰতৰ বাহিৰৰ আৰু ভাৰতৰ ভিতৰৰ প্ৰব্ৰজনকাৰী ব্যক্তিসকলৰো অসম চৰণীয়া পথাৰত পৰিণত হৈছে। ভাৰতৰ বাহিৰৰ বাংলাদেশ আৰু নেপালৰ, ভাৰতৰ ভিতৰৰ বিহাৰ, পশ্চিম বংগ, উত্তৰ প্ৰদেশ আদিৰ ভাগি অহা লোকৰ দাপটত অসমৰ শ্ৰমিক-কৃষক ঘৰতে অঘৰী হোৱাৰ উপক্ৰম হৈছে। ইতিমধ্যে, ত্ৰিপুৰাত স্থানীয় মানুহ সংখ্যালঘু হোৱাৰ দৰেই অসমৰ থলুৱা মানুহ অসমতে সংখ্যালঘু হোৱাৰ ভয়ে দেখা দিছে। অসমৰ চৰ অঞ্চল, পতিত মাটি আদিত লাখে লাখে বহিৰাগতই বেদখল কৰি একপ্ৰকাৰ উপনিবেশ (কলোনী) স্থাপন কৰিছে। এইবোৰ জলন্ত সমস্যাৰ বিৰুদ্ধে এতিয়াও কোনো ৰাজনৈতিক দল আগবাঢ়ি অহা নাই। অসমৰ ভৌগোলিক-ৰাজনৈতিক সীমাৰ ভিতৰত অসমৰ অৰ্থনীতিৰ লগত ওতঃপ্ৰোতভাবে জড়িত, অসমৰ সাংস্কৃতিক উপাদানসমূহৰ স্ৰষ্টা সাহসী কৃষক সমাজ, শ্ৰমিক আৰু সৰু সৰু উপজাতিৰে অসমীয়া জাতি গঠিত হৈছে। গতিকে এই মানুহখিনিৰ স্বাৰ্থই প্ৰকৃত অৰ্থত অসমৰ জাতীয় স্বাৰ্থ। এই জাতীয় স্বাৰ্থ বিপন্ন হৈছে অসমৰ বাহিৰৰ বাণিজ্যিক পুঁজি, শিল্পপুঁজিৰ গৰাকী ভাৰতীয় আৰু বিদেশীসকল, বাহিৰৰ পৰা ভাগি অহা দালাল-শ্ৰেণীৰ সহযোগী (collaborator) অস্থায়ী বসুৱাসকল আৰু অসমৰ মাটিত অবাধ বেদখল কৰা বাংলাদেশৰ ভগনীয়াসকলৰ দ্বাৰা। আনহাতে অসমৰ ভিতৰৰ ৰঘুমলা জাতীয় একশ্ৰেণীৰ দালাল ব্যবসায়ী শিল্পপতি ৰাজনীতিবিদ এই শত্ৰুশ্ৰেণীৰ বহতীয়াত পৰিণত হৈছে। সেয়ে, অসমৰ বাহিৰৰ আৰু ভিতৰৰ—এই উভয় শ্ৰেণীৰ শত্ৰুৰেই জাতীয় স্বাৰ্থৰক্ষী মানুহৰ শত্ৰু। জাতীয় স্বাৰ্থ ৰক্ষা কৰিবলৈ যোৱাৰ অৰ্থই হ'ল এই সকলৰ বিৰুদ্ধে সংগ্ৰাম কৰা.....।"

অসমৰ সমস্যাসমূহ জল-জল পট-পট। তথ্য-পাতিৰে গধুৰ কৰি আৰু কাৰো চকুত আঙুলি টোঁৱাই দেখুৱাই নিদিলেও চলে। সাম্ৰাজ্যবাদৰ অনুপ্ৰবেশে অসমৰ আওপুৱণি অৰ্ধ-সামন্তীয় আৰু অৰ্ধ-জনজাতীয় স্থবিৰ জীৱন পদ্ধতিত কঁকাল ভাগি যোৱাকৈ মাধমাৰ সোধালে। সামন্তবাদ অদ্য পৰিমিত অ-উচ্ছেদিত, পুঁজিৰ বিকাশ নিতান্ত জৰাগ্ৰস্ত, সেয়ে অৰ্থনৈতিকভাবে আজিও অসমৰ পুঁজিপতিশ্ৰেণীয়ে জাতি (Footing) হিচাপে নিজকে সুদৃঢ় কৰিব নোৱাৰিলে। অসমৰ পুঁজিপতিৰ বাবে সেয়ে মুখ্য সমস্যা হ'ল বজাৰ দখলৰ। (চাহৰ নীলাম বজাৰ কলিকতাৰ পৰা গুৱাহাটীলৈ স্থানান্তৰিত কৰাত কলিকতাৰ দল-বৰ্ণ-নিৰ্বিশেষে আটায়ে বিৰোধিতা কৰিছিল।) অসমৰ সমগ্ৰ পণ্যদ্ৰব্যৰ বজাৰ নিয়ন্ত্ৰিত হয় বাহিৰৰ পুঁজিপতিৰ দ্বাৰা। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ বাবে ওকালতি কৰাসকলে নুবুজে যে ৰাজ্যৰ হাতত অধিক ক্ষমতা প্ৰদান কৰিলেও ৰাজ্য চৰকাৰসমূহ—বিশেষকৈ সেই সেই ৰাজ্যসমূহৰ পুঁজিপতিৰ দ্বাৰা—অধ্যুষিত—নিৰাকাৰ ৰায়ৰীয় পদাৰ্থ নহয়। কোনো অসমীয়া পুঁজিপতিৰে বৃহৎ দালাল একচেটীয়া পুঁজিপতিৰ বাণিজ্য চক্ৰৰ ভিতৰ চ'ৰাত সোমাবৰ এক্তিয়াৰ নাই। সেয়ে অসমীয়া পুঁজিপতিয়ে বিছাৰে অন্ততঃ নিজৰ ঘৰৰ বজাৰখন (The market is the first school in which the bourgeoisie learns its nationalism.)।

কিন্তু সমস্যাসমূহৰ সমাধানৰ পথ ঠেকছিগা চহৰকেন্দ্ৰিক আৰু প্ৰতিক্ৰিয়াশীল তথাকথিত জাতীয়তাবাদী দলবোৰৰ হাততো নাই (সকলো প্ৰতিক্ৰিয়াশীল দলৰ ঘাটি হ'ল চহৰবোৰ)। কাৰণ, এই তথাকথিত জাতীয়তাবাদী দলসমূহৰ অসমৰ শতকৰা নব্বৈ ভাগ দৰিদ্ৰ কৃষকক একত্ৰিত কৰিব পৰাকৈ কোনো নিৰ্দিষ্ট কাৰ্যসূচী নাই। যিবোৰ জ্বলন্ত সমস্যা অসমৰ মানুহৰ বাবে আতংকস্বৰূপ হৈ উঠিছে—সেই সমস্যাসমূহত জৰ্জৰিত জনসাধাৰণক সংগঠিত কৰি ভাৰত চৰকাৰৰ নেগুৰত ওলমা অসমৰ শাসকশ্ৰেণীৰ বিৰুদ্ধে এই সংগ্ৰামক বিকশিত কৰি তোলাৰ দৃষ্টিভংগী তেওঁলোকৰ নাই।

কিন্তু যেনেদৰে এই সমস্যাসমূহক লৈ তথাকথিত জাতীয়তাবাদী দলসমূহৰ চহৰাঞ্চলত প্ৰতিক্ৰিয়াশীল কাৰ্যকলাপ দোপতদোপে গা-কৰি উঠিছে, তাৰ পৰিবৰ্তে বামপন্থী দলসমূহৰ হাততো এই সমস্যাসমূহক কেন্দ্ৰ কৰি জ্বলি উঠা ক্ষোভ, হতাশাক শাসকশ্ৰেণীৰ বিৰুদ্ধে নিৰ্দিষ্ট কৰাৰ কাৰ্যপন্থাৰো অভাব। বৰঞ্চ ক'ব পাৰি, সংসদীয় নাগপাশত বন্দী বামপন্থীদলসমূহৰ নেতৃত্ব চূড়ান্তভাবে উদাসীন—বিশেষকৈ আনকি যেতিয়া বামশিবিৰৰ বিৰুদ্ধে এই সমস্যাসমূহকে মূলধন হিচাপে লৈ "জাতীয়তাবাদী" দলসমূহে আক্ৰমণ আৰম্ভ কৰি দিয়ে সেই সময়তো বামপন্থী নেতৃত্বই নিজকে ৰক্ষণাবেক্ষণ দিবলৈহে থৰকাছুটি হেকৰাই। এইয়া নিশ্চয় এক পুতৌলগা প্ৰহসন। (...মিজোৰাম, নগালেণ্ডৰ জাতীয় অভ্যুত্থানৰ প্ৰতি সৌ সিদিনালৈকে থকা তেওঁলোকৰ দৃষ্টিভংগীৰ কথা নকলোৱেইবা!) মেদফীতি হোৱাটোৱেই সুস্বাস্থ্যৰ লক্ষণ নহয়।

ভাৰতবৰ্ষৰ দৰেই অসমৰো মূল সমস্যা কৃষিকেন্দ্ৰিক। অসমৰ শতকৰা নব্বৈ ভাগ কৃষকৰ আধাভাগেই ভূমিহীন। বানপানীৰ ক্ষতি কোটি টকাৰ অংকতহে হিছাপ হয়। এনে অবস্থাত চৰকাৰী হিছাপমতেই ১৬ লাখ বহিৰাগত ভগনীয়াই

যদি প্ৰত্যক্ষভাবে চৰকাৰৰ সহযোগতে, অসমৰ পতিত মাটি, আৰু বনাঞ্চল দখল কৰেহি আৰু স্বাভাবিকতেই এই বহিৰাগত ভগনীয়াই (যাক জ্যোতি বসুয়েও মেদিলে !) অসমৰ কৃষি সমস্যাক আৰু অধিক জটিলতৰ কৰি তুলিব। অসমৰ, কেবল অসমৰ কৃষি ব্যৱস্থা এতিয়াও যিহেতু semi-tribal, সংগত কাৰণতেই পশ্চিমৰ পৰা অহা অধিক উন্নততৰ কৃষি পদ্ধতি (means of production) আৰু ব্যবসায়—বাণিজ্য পদ্ধতিৰে সমৃদ্ধ বহিৰাগতৰ লগত অসমৰ থলুৱা মানুহৰ স্বাভাবিক ঐতিহাসিক-সাংস্কৃতিক assimilation হ'ব এক দুৰূহ প্ৰক্ৰিয়া। ফলত এতিয়াও দেখা যায় যি অঞ্চলত বহিৰাগতসকলে ঘাটি পাতিছে, সেই অঞ্চলসমূহ থলুৱা মানুহৰ বাবে একে নিষিদ্ধ এলেকাস্বৰূপ। কেবল মাথো ন্যস্তস্বাৰ্থজড়িত মহলে ভোট খেলৰ স্বাৰ্থতেই এই অঞ্চলসমূহ ব্যবহাৰ কৰে।

কিন্তু তথাকথিত জাতীয়তাবাদীসকলৰ বাবে এটা কৃষক জাগৰণ মুঠেই কাম্য নহয়। তেওঁলোকৰ সীমিত কাৰ্যকলাপৰ ভিতৰত পৰে চহৰৰ নিবন্ধুৱাসকলৰ নিয়ুক্তিকৰণহে; গাঁৱৰ লাখ লাখ কৃষি নিবন্ধুৱা এই 'জাতীয়তাবাদী'সকলৰ অসৎ উদ্দেশ্যৰ প্ৰতি মুঠেই আকৰ্ষিত নহয়। এই আন্দোলনে এক বৃহত্তৰ জাতীয় আন্দোলনৰ ৰূপ ললে তথা এটা mass character ললে তেওঁলোকৰ ভোটবুজৰ(জাতীয়তাবাদৰ) যে ভিকাছন ভাগিব !

কেম্বোদিয়া, নাগালেণ্ড, মিজোৰামৰ দৰে অসমতো এনে এক জাতীয় জাগৰণৰ সম্ভাবনা আছেনে নাই, অসমৰ সংখ্যাধিক্য জনসাধাৰণক এই জাতীয় জাগৰণৰ মূল ভেটি কৰিব পৰাৰ সম্ভাবনা আছেনে নাই—আমাৰ বাবে সেয়া হ'ব আশু অথচ নিশ্চয় এক দীৰ্ঘকালীন তাত্ত্বিক আৰু প্ৰায়োগিক বিৰ্তকৰ বিষয়।

কিন্তু আটাইতকৈ পুতৌলগা অবস্থা হৈছে অসমৰ বামশিবিৰৰ। তেওঁলোকে এই সমস্যাৰ ওপৰত বৈজ্ঞানিকভাবে চিন্তা কৰাতকৈ সমস্যাটোক 'উগ্ৰজাতীয়তাবাদ' আৰু 'অসমীয়া ফেছিবাদ' (!) আদি লেবেল লগাই নিশ্চন্ত মনে উটপক্ষীৰ দৰে বালিত মূৰ গুজি শুই আছে। তেওঁলোকে এতিয়াও কি বুজা নাই যে জাতীয়তাবাদৰ নামত এচাম প্ৰতিক্ৰিয়াশীলে চৰকাৰ, পুঁজিপতি আৰু দেশী বিদেশী ন্যস্তস্বাৰ্থ মহলৰ সহযোগত সমগ্ৰ বামশিবিৰৰ বিৰুদ্ধে কুটাঘাতমূলক ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে ? অসমৰ দৰে sensitive অঞ্চলত শোষণত নিপিষ্ট সাধাৰণ মানুহ যেতিয়া স্বাভাবিক কাৰণতে বামপন্থী আদৰ্শৰ প্ৰতি আকৃষ্ট হৈছে, সেই সময়ত শোষকশ্ৰেণীৰ বাবে আতংক বাঢ়িছে। অসমত এতিয়া কাঙালী বতৰ। ঘৰে ঘৰে অভুক্ত, অৰ্দ্ধভুক্ত মানুহৰ যন্ত্ৰণা, মাৰি মৰক। এই সময়ত সমগ্ৰ বামপন্থী শিবিৰৰ সংগঠন কেন্দ্ৰীভূত হ'ব লাগিছিল অভাব আৰু মাৰি মৰকৰ বিৰুদ্ধে। প্ৰতিক্ৰিয়াশীল মহল এই বিষয়ে কিন্তু সজাগ—সেয়ে সিহঁতে 'সময়ৰ শৰ' মাৰিছে। মূল সমস্যাৰ পৰা সাধাৰণ মানুহৰ দৃষ্টি ঘুৰাই আনিছে। বামপন্থী আদৰ্শৰ প্ৰতি সমগ্ৰ বিদ্বেষৰ উদ্‌গীৰণ ঘটাইছে। কিন্তু বামপন্থী শিবিৰৰ দ্বিধাগ্ৰস্ত নেতৃত্বই এই অশুভ শক্তিক প্ৰত্যাহ্বান জনাব পৰা নাই, প্ৰত্যাহ্বান জনাইছে অসমৰ জনসাধাৰণৰ স্বতস্ফূৰ্ত শ্ৰেণী-সচেতনতাইহে। সেয়ে বিভিন্ন ৰংবিৰঙৰ 'নিৰ্ভীক জাতীয়তাবাদী' কাকতে নানান প্ৰৰোচনাৰে ইন্ধনযোগোৱা সত্বেও ১৯৬০-৬৮-৭২ৰ ঘটনাৰ পুনাবাবৃত্তি ১৯৮৮ত ঘটাৰ সম্ভাবনা কলিতে মৰহি গ'ল। 'সাম্প্ৰতিক সাময়িকী'য়ে অসমৰ শ্ৰেণীসচেতন মানুহলৈ সংগ্ৰামী অভিনন্দন জনাইছে।++

কৃষ্ণণ চেট্টি— আৰু এক ৰাজনৈতিক হত্যা

যোৱা ২৫ জুলাইৰ দিনা পুৱতি নিশা তামিলনাড়ুৰ ক'ইম্বাটোৰ জেলত 'স্বাধীন' ভাৰতৰ ইতিহাসৰ আন এক জঘন্যতম হত্যাকাণ্ড অনুষ্ঠিত হ'ল। তামিলনাড়ুৰ আন্না ডি. এম. কে চৰকাৰ আৰু কেন্দ্ৰৰ মোৰাৰজী দেশাই চৰকাৰৰ ঘৃণ্য ষড়যন্ত্ৰৰ নিৰ্মম বলি হ'ল ৩০ বছৰীয়া কৃষক যুবনেতা কৃষ্ণণ চেট্টি। ১৯৭০ চনত কেৰেলা আৰু তামিলনাড়ুৰ সীমান্ত অঞ্চলত ৭ জন জমিদাৰ আৰু মহাজনৰ হত্যাৰ ষড়যন্ত্ৰত লিপ্ত বুলি কৃষ্ণণ চেট্টিক আৰু ৬ জন ৰাজনৈতিক কৰ্মীৰ লগত গ্ৰেপ্তাৰ কৰা হয়। ক'ইম্বাটোৰৰ জিলা আদালতত গোৰা বিচাৰত চেট্টিক মৃত্যুদণ্ড দিয়া হয় আৰু বাকী ৬ জনে মুক্তি পায়। ১৯৭৫ চনত মাদ্ৰাজ উচ্চন্যায়ালয়ে এই মৃত্যুদণ্ডত সম্মতি জ্ঞাপন কৰে। ১৯৭৮ চনত উচ্চতম ন্যায়ালয়েও মাদ্ৰাজ উচ্চন্যায়ালয়ৰ আদেশ অনুমোদন কৰে। তেতিয়া মাদ্ৰাজ নাগৰিক অধিকাৰ ৰক্ষা কমিটিয়ে ৰাষ্ট্ৰপতিৰ ওচৰত চেট্টিৰ জীৱন ৰক্ষাৰ্থে আবেদন কৰে। কিন্তু ৰাষ্ট্ৰপতিয়ে যাবজ্জীৱন কাৰাদণ্ডৰ বিনিময়তো কৃষ্ণণ চেট্টিৰ জীৱন ৰক্ষা কৰাৰ অনুৰোধ নাৰাখিলে। ২৫ জুলাইত কৃষ্ণণ চেট্টিক কাৰাগাৰৰ অন্ধকাৰৰ মাজত ফাঁচিত ওলমোৱা হ'ল।

শতিকাৰ এই ঘৃণনীয়তম হত্যাকাণ্ডৰ কথা ইমান গোপনে ৰখা হ'ল যে চেট্টিৰ মৃত্যুৰ দুমাহৰ পিছতো ভাৰতৰ সৰহখিনি মানুহেই এই কথা নাজানে। চেট্টিৰ মৃত্যুৰ দুসপ্তাহ পিছতহে বাংগালোৰৰ DECCAN HERALD নামৰ কাকতখনে এই বাতৰি পৰিবেশন কৰে। ইয়াৰ পিছত THE TIMES OF INDIA, BLITZ আদি দুই এখন কাকতে কৃষ্ণণ চেট্টিৰ মৃত্যুৰ বাতৰি পৰিবেশন কৰিলেও 'স্বাধীন, সৎ আৰু নিৰপেক্ষতাৰ' নামত বেশ্যামী কৰা ভাৰতবৰ্ষৰ মুখাপিন্ধা সাংবাদিকদল, তথাকথিত কমিউনিষ্ট দলসমূহ, 'বামপন্থী' বুদ্ধিজীৱীদল আজিও নীৰবে আছে। 'মানৱ অধিকাৰ আৰু নাগৰিক স্বাধীনতা'ৰ নামত ইমাৰ্জেন্সী উঠি যোৱাৰ পিছতে সভা-সমিতিবে তোলপাৰ লগোৱা 'স্বাধীনতাকামী মানবদৰদী' নেতাসকলৰ এই নীৰবতা ধিক্কাৰজনক।

১৯৭৫ চনৰ ১ ডিছেম্বৰ তাৰিখে জৰুৰীকালীন অৱস্থাৰ সন্ত্ৰাসময় সময়তো স্বৈৰতন্ত্ৰী ইন্দিৰা গান্ধীৰ চৰকাৰে যেতিয়া মুৰ্চিদাবাদ জেলত ৰাজনৈতিক কৰ্মী কিষ্টা গৌড় আৰু ভূমাইয়াক ফাঁচি দি হত্যা কৰে তেতিয়াও দেশৰ চাৰিওফালে প্ৰতিবাদৰ ঢৌ উঠিছিল। কিন্তু আজি 'গণতান্ত্ৰিক' জনতা চৰকাৰৰ এই বীভৎস অপৰাধত ন্যস্ত স্বাৰ্থৰ ওচৰত বিবেক বন্ধকত থৈ তথাকথিত বুদ্ধিজীৱীৰ দল কাপুৰুষৰ দৰে নীৰবে আছে।

কিন্তু ইতিহাসে ঘৃণ্য ষড়যন্ত্ৰকাৰী এই শাসকগোষ্ঠী আৰু বিবেকহীন, কাপুৰুষ বুদ্ধিজীৱী দলক কোনো দিনেই ক্ষমা নকৰে। জনগণৰ আদালতৰ কাঠগড়াত সিহঁত এদিন থিয় দিব লাগিব। ইতিহাসৰ অমোঘ নিয়ম মতেই কিষ্টা গৌড়, ভূমাইয়া, কৃষ্ণণ চেট্টি আৰু শত সহস্ৰ বিপ্লবী বীৰৰ হত্যাৰ প্ৰতিশোধ লবলৈ ভাৰতৰ গণদেবতা আগবাঢ়ি আহিব।++

সাংস্কৃতিক

অব্যবসায়িক সাংস্কৃতিক গোষ্ঠীৰ আন্দোলন

নিজস্ব প্ৰতিনিধি

যোৱা জুন মাহত গুৱাহাটীৰ এঘাৰটা সাংস্কৃতিক গোষ্ঠীয়ে স্থানীয় প্ৰগতি সংঘৰ অফিছত মিলিত হৈ আমোদকৰ বেহাই, চৰকাৰী প্ৰেক্ষাগৃহৰ ভাড়া বৃদ্ধি, পৌৰ কৰ বৃদ্ধি আদিৰ পৰিপ্ৰেক্ষিতত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰাৰ অসুবিধাৰ বিষয়ে আলোচনা কৰি ইয়াৰ বিৰুদ্ধে বিহিত ব্যবস্থা কাৰ্যকৰী কৰাৰ অৰ্থে অব্যবসায়িক সাংস্কৃতিক গোষ্ঠীসমূহৰ এখন যুটীয়া সংগ্ৰাম সমিতি গঠন কৰে।

যোৱা ২৬ জুনলৈকে তেওঁলোকৰ স্মাৰকপত্ৰৰ কোনো সদুত্তৰ চৰকাৰীপক্ষৰ পৰা নাপাই সংগ্ৰাম সমিতিয়ে আন্দোলনৰ পথ ল'বলৈ বাধ্য হয়। সমিতিৰ দ্বাৰা উত্থাপিত দৈধ্যটা দাবীৰ ভিত্তিত পোষ্টাৰিং, ৰাটৰ নাটক, সভা-সমিতি কৰি অসমত সামাজিক-সাংস্কৃতিক দিশত এই সংগ্ৰামৰ ইতিবাচক দিশ কিমান গুৰুত্বপূৰ্ণ আৰু অব্যবসায়িক সাংস্কৃতিক গোষ্ঠীসমূহৰ ভূমিকা কিমান সৎ উদ্দেশ্যপ্ৰণোদিত এই সম্পৰ্কে সাধাৰণৰ মাজত জাগৰণৰ জোৱাৰ সৃষ্টি কৰিব পৰাকৈ ব্যাপক প্ৰচাৰ চলায়।

তৎসত্ত্বেও অসমৰ সংস্কৃতিপ্ৰাণ (!) মন্ত্ৰীমহলৰ পৰা কোনো সৌজন্যসূচক সঁহাৰি নোপোৱাটো অতিশয় পৰিতাপৰ কথা। আনহাতে মহাৰাণা ক্লাবে আয়োজন কৰা মালয়ুঁজৰ প্ৰদৰ্শনীৰ বাবদ চৰকাৰে ১ লাখ ২৫ হাজাৰ টকা আজি কিছুদিনৰ আগেয়ে বেহাই দিছে বুলি বিশ্বস্ত সূত্ৰে জানিব পৰা গৈছে।

সম্প্ৰতি চতুৰ্থ পৰ্যায়ত এই আন্দোলন অধিক বলিষ্ঠ আৰু সফল কৰি তুলিবলৈ যোৱা ৯ আৰু ১২ ছেপ্তেম্বৰ তাৰিখৰ দিনা শোভাযাত্ৰা আৰু ৰাজহুৱা সভাৰ আহ্বান কৰা হৈছিল। কিন্তু গুৱাহাটীত বৰ্তমান ১৪৪ ধাৰা বলবৎ হৈ থকাৰ পৰিস্থিতিত এই আহ্বান কাৰ্যকৰী কৰিব পৰা হোৱা নাই।

অব্যবসায়িক সাংস্কৃতিক গোষ্ঠীসমূহৰ এই সংগঠন দিনকদিনে অধিকতৰ সাংস্কৃতিক সম্ভাৰ অংশগ্ৰহণে বলিষ্ঠ কৰি তুলিছে। জনসাধাৰণৰ ব্যাপক অংশকো আকৰ্ষিত কৰিব পৰাকৈ এই সংগঠনৰ দৃষ্টিভংগী আৰু কাৰ্যপন্থা অগ্ৰগামী হ'ব—যাতে তেওঁলোকে এদিন চৰকাৰী নাট্যমঞ্চৰ দেৱালি আঁতি মুকলি পথাৰত নাটক মঞ্চস্থ কৰি জনগণৰ সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰাত আত্ম-নিয়োগ কৰিব পাৰে, —এয়ে আমাৰ কাম্য।

১৫/৯/৭৮

With best compliments of

Gram : CANDIDDRUG

Phone : 27401

Candid Drug Distributors

PANBAZAR : GAUHATI-781001
(ASSAM)

Distributors For :

CADILA DISTRIBUTORS, AHMEDABAD-5
G. W. CARRIK CO (P) LTD. BOMBAY
DIAMOND DRUGS AND CHEMICAL WORKS, CALCUTTA
ARISTO PHARMACEUTICALS PVT. LTD. BOMBAY
TREATMENT HOME PRODUCTS, CALCUTTA-14
SERUM INSTITUTE OF INDIA
QUALITY PHARMACEUTICALS PVT. LTD.

Stockist For .

MULLER & PHIPPS INDIA (P) LTD.
SARABHAI CHEMICALS
SUHRID GEIGY LTD.
WARNER HINDUSTAN LTD.
RICHARDSON HINDUSTAN LTD.
ORGANON (INDIA) LTD.
MARTIN & HARRIS (P) LTD.

কবিতা

শগুণ/ৰবীন্দ্ৰ সৰকাৰ

মৰা শ' দেখিলেই গা শিৰপিৰায় ;
জেট বিমানৰ দৰে
জাকে জাকে ৰণোন্মত্ত শগুণ উৰে,
লোভাৰ্ত দৃষ্টিৰে
ওখ ওখ সৌধৰ পৰা মাটিৰ মানুহলৈ চায়।

ডেউকাৰ শৰত বুকু কঁপে,
শগুণজাকৰ খঁক দোঁখ
ৰঙা মেঘ আঁতৰি পলায় ;
ডেকা বুঢ়া অজস্ৰ শগুণে
আইজনীৰ জঁকাটো লৈ
টনা-আজোৰা কৰে,
ৰাজপাটত, ইজনে সিজনৰ গাত
গেলা বোকা চটিয়ায়।

মৰা শ' দেখিলেই শগুণজাক আহে ;
হিলৈ ফুটা দেখিলেই ৰৰণ সলায়
আমি বাঘৰ তেল খোৱা
চেৰেলা কুকুৰবোৰে
অকণ উচ্ছিষ্টৰ বাবে
চুৰাপাতনিত যুঁজ দিওঁ
আৰু মহ ডাঁহৰ আহাৰ হৈ
গেলা-বোকাৰ মাজত বুৰ গৈ
ডাঙৰীয়াৰ বাবে গঢ়ি তোলো ৰূপৰ পৃথিবী !

OKDISCD

With best compliments of

CENTRAL TEA WAREHOUSE

ZOO ROAD, GAUHATI-781005

বাজীকৰ/হেমন্ত বৰ্মণ

ৰ'দ জিলমিল
এইবাৰ মুক্ত আকাশত
নতুন পখীৰ খেল
খেল চাই চাই "মানুহৰ কবিয়ে"
পাতিছে মানব মুক্তিৰ মেল।

চিঞৰিছে
বাজীকৰে
কুৰিটা পখীৰ পাখিত জিলমিল
নতুন দিন
উজ্জলতৰ নতুন দিন।
বাজীকৰৰ আঙুলি মূৰ্তহৈ
উঠে জীৱন বীণ।

জিলমিল সেয়া জানো
নতুন দিন
ঝিম ঝিম সেয়া জানো কাজিছে
জীৱন বীণ

ভাবি চাওঁ খেল যদি
আৰম্ভ হয় এইদৰে
কুৰিটা পখীৰ ঠোঁটত হালিজালি
যদি বাজীৰৰ 'কটিৰ'
কাপোৰ উৰে
খেল চোৱা 'মানুহৰ কবিৰ' যদি
মুখৰ মাত হৰে
লেংটা বাজীকৰে যদি কেঁকোৱাগাঁত
বিচাৰি ফুৰে

আৰু
সহস্ৰ দৰ্শকৰ মুখ যদি হাঁহিৰে
উপচি পৰে ! ++

OKDISCD

কঠোৰ শ্ৰমেই আমাৰ ঐতিহ্য

কৃতিত্বই আমাৰ সংস্কৃতি

১৯৫৮ চনত আমাৰ জন্মৰ দিনৰে পৰা আমি বহুদূৰ আগুৱাই আহিলোঁ। তেতিয়া আমাৰ বিদ্যুৎ উৎপাদন ক্ষমতা আছিল মাত্ৰ ১৪,০৩৫ কিলোৱাট। ১৯৭৫ চনত সংযুক্ত অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ বিভাজনৰ ফলস্বৰূপে আমি যথেষ্ট ক্ষতিৰ সম্মুখীন হলেও এতিয়া ১৯৭৮ চনত আমাৰ বিদ্যুৎ উৎপাদন ক্ষমতা হ'ল ১৪১·৫ মেগাৱাট।

বিদ্যুতৰ ক্ৰমবৰ্দ্ধমান চাহিদালৈ লক্ষ্য ৰাখি আমি বঙাইগাওঁ তাপ-বিদ্যুৎ প্ৰকল্প,লাকুৱা তাপ-বিদ্যুৎ প্ৰকল্প আৰু নামৰূপৰ ৰেষ্ট হিট প্ৰকল্প প্ৰতিষ্ঠা কৰিবলৈ লৈছোঁ। ভৱিষ্যতে সম্প্ৰসাৰণৰ সুবিধা থকা এইকেইটা প্ৰকল্পত ১৮৭ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদিত হ'ব। এইবিলাকৰ উপৰিও ১৫০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ ক্ষমতা-সমৃদ্ধ নামনি ৰৱাপানী জলবিদ্যুত প্ৰকল্প আৰু ৰৱগোলাই তাপ বিদ্যুৎ প্ৰকল্পৰ 'প্ৰজেক্ট ৰিপোৰ্ট' ইতিমধ্যে দাখিল কৰা হৈছে আৰু সেইবিলাকত অনুমোদনলৈ আমি অধীৰ আগ্ৰহেৰে বাট চাইছোঁ।

ইতিমধ্যে কৰা এইখিনি আৰু ভৱিষ্যতে যিখিনি কৰিম সেইখিনিও আপোনালোকৰ প্ৰয়োজন পূৰাবলৈ আপোনালোকৰ সহযোগিতাৰেই কৰা হৈছে, আৰু কৰা হৈছে আমাৰ নিষ্ঠা আৰু কঠোৰ শ্ৰমেৰে।

অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ড

অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ জনসম্পৰ্কৰক্ষীবিষয়াৰ দ্বাৰা প্ৰচাৰিত।

শলিয়া শইকীয়াৰ উজাগৰী প্ৰৰাতি/দিলীপ ফুকন

১. চকুৰ পচাৰতে খনে খনে নাট·····
একান্ত বিনম্ৰভাবে
বোন্দাই জোপ লোৱাৰ দৰে
নাকৰ ওপৰলে' সঘন চশমা উজাই
দুগুলা মহাজনে অংক মিলাই
চোপলৈ··· চোপলৈ···
ধৰেগৈ শলিয়াক···

গ'ল অ' মাটি-ভেটি, ভেটি উচন!
বোপাই অ' কোনেনো এইবোৰ উলিয়ালে ফাং—
গেণ্ডেৰী দিওঁ বুলিলেই ঈশ্বৰৰ দোহাই
কামিহাড় থামুচি বহি থাক বহি থাক
ভাগ্যক ধিয়াই !···

২. বুকুৰ ভিতৰত ভাহে কুৰুৱাৰ ডাক···
হৃদয়ে হৃদয়ে ৰৈ ৰৈ···
বনকুকুৰাৰ মাত

কেতপৰ কেতপৰ পুৰাবলৈ বাকী ?
ঘনে ঘনে ভাব হয়
ওলাই যাওঁ শলিয়া
নাকী ছিঙা গোনা ম'হ···
কাৰ পিঠি ছিৰি
তেজেৰে লুভুৰি
আকাশত আঁকি দিওঁ
ৰাঙলী পোহৰ···

++

আমাৰ শাৰদীয় অৰ্ঘ্য

অভিশপ্ত চম্বল ।। খগেন্দ্রনাৰায়ণ দত্তবৰুৱা	১০·০০
বিলকিচ বেগম ।। খগেন্দ্রনাৰায়ণ দত্তবৰুৱা	১০·০০
অনন্য প্রান্তৰ ।। মেদিনী চৌধুৰী	১৫·০০
জন্ম (নাটক) ।। মহেন্দ্রনাথ ৰৰঠাকুৰ	৩·০০
আনন্দৰাম ঢেকীয়াল ফুকন ।। নন্দ তালুকদাৰ	১৫·০০
ৰত্নকান্ত ৰৰকাকতিৰ গদ্য সম্ভাৰ ।। যোগেন্দ্রনাৰায়ণ ভূঞা	৩০·০০
জীৱনৰ বাটত (উপন্যাস) ।। বীণা বৰুৱা	১২·০০
বাসনাৰ অতীত (অনুবাদ) ।। প্রণীতা দেৱী	৩০·০০
জ্ঞানানন্দ শর্মা পাঠকৰ সাহিত্য আলোচনা	১৫·০০
পুৰণি অসম বুৰঞ্জী ।। পণ্ডিত হেমচন্দ্র গোস্বামী	১৫·০০
অসমীয়া কথা সাহিত্য(পুৰণি ভাগ) ।। বিৰিঞ্চিকুমাৰ বৰুৱা	৪·০০
বিচিত্রনাৰায়ণ দত্তবৰুৱাৰ স্মৃতি গ্রন্থ ।।	১০·০০
কবিতাৰ ৰ'দ ।। হীৰেণ ভট্টাচার্য	৩·০০
প্রেমৰ গান ।। হীৰেণ ভট্টাচার্য	৩·০০
এৰি অহা দিনবোৰ ।। নলিনী বালা দেৱী	১৮·০০

Threads woven : Ideals, Principles and Administration : B. P. Singh 30·00

Anglo-Assamese Relations, (Ph.D.Thesis,University of London) S.K.Bhuyan 50·00

The Pronouncing Anglo-Assamese Dictionary : B. N. Bhattacharjee 26·00

Milton : Tradition and Paradise Lost : A Heretical View : [Ph. D. Thesis, Cambridge University] Dr. Hiren Gohain 65·00

Human Sacrifice and Head Hunting in North Eastern India : B, Gohain 30·00

Assamese its Formation : and Development : Dr. B, K. Kakati 30·00

লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী-৭৮১০০১

ফোন : ২৩৭৯৯

যি সকলে তাঁত বয়/হাইন্‌ৰিখ হাইনে

চকুত সিঁহতৰ গোট মাৰে অন্ধ অশ্রুপাত।
তাঁতৰ পাতত বহি দাঁতত চেপি দাঁত ॥
আমি তোমাৰ কফন বওঁ, হে জার্মানী।
তোমাৰ বাবে তিনিটা অভিশাপ বওঁ ॥
আমি বওঁ তাঁত, বওঁ তাঁত !

এটা অভিশাপ ঈশ্বৰক দিওঁ যাৰ ওচৰত কান্দো।
শীতৰ জাৰত কঁপি আৰু ভোকত কাউ বাউ ॥
আশা-আকাংক্ষাৰ ভিক্ষা লৈ কাষলৈ মিছাই গ'লো।
ঠগন খালো যাতনা পালোঁ হাঁহিয়াতৰহে পাত্র হ'লো ॥
আমি বওঁ তাঁত, বওঁ তাঁত !

এটা অভিশাপ ৰজাক দিওঁ ধনৰ প্রভু যি।
নাৰাজ হয় গৰীব দুখীয়াৰ দুখ কষ্ট শুনি ॥
আকাশ দেখা মুধচৰ ওপৰত লগায় যি কৰ।
কুকুৰৰ দৰে গুলি কৰে ভিকহু কৰে পথৰ ॥
আমি বওঁ তাঁত, বওঁ তাঁত !

এটা অভিশাপ এই দেশক দিওঁ আপোন ভাবোঁ যাক।
য'ত আজি সোঁচৰে কেবল ভেনামাখিৰ জাক ॥
কুঁহিপাত ফুলাৰ আগেই ছাৰখাৰ হয় য'ত।
পোকবোৰ শকত হয় উঁইহাফলুৰ বুকুত ॥
আমি বওঁ তাঁত, বওঁ তাঁত !

খট্‌খট্ তাঁত লৰে মাকো কাঠিত লাগে বাঁচ।
দিনে ৰাতিয়ে আমি বওঁ তোমাৰ সর্বনাশ ॥
আমি তোমাৰ কফন কাপোৰ বওঁ।
বুঢ়া জার্মানী, তিনিটা অভিশাপ বওঁ ॥
আমি বওঁ তাঁত, বওঁ তাঁত !

প্ৰবন্ধ

হাস্য আৰু ব্যংগ

নলিনীধৰ ভট্টাচাৰ্য

হাস্য-কৌতুকৰ মূলত আছে অসংগতি। এনে অসংগতিৰ উৎস-ভূমি কি এই কথাটো হাস্যৰসিকসকলে বৰকৈ মন-কাণ কৰা দেখা নাযায়। আচলতে এনে অসংগতিৰ জন্ম দিয়ে এটা সমাজ-ব্যবস্থাই। আমাৰ হাস্য-কলাৰ ইতিহাস ঘাইকৈ বিচ্ছিন্ন ব্যক্তিৰ দোষ-ত্ৰুটিৰ ছবিৰে ভৰা। এনে প্ৰচেষ্টা প্ৰশংসনীয় হ'লেও এই দৃষ্টি মনোধৰ্মী। বস্তুনিষ্ঠ ভাব-চিন্তাৰে চালে দেখা যায় এটা বিশেষ সমাজ-ব্যবস্থাই জীৱনৰ বিভিন্ন দিশত বিভিন্ন টাইপ-ব্যক্তিৰ সৃষ্টি কৰে। এই যোগসূত্ৰ পাঠকৰ চকুলৈ আনিব নোৱাৰিলে ব্যংগ সাহিত্যই হাঁহিৰ খোৰাকহে যোগাব পাৰিব, পাঠকৰ চকু মেল খুৱাব নোৱাৰে। কোনোৱে ক'ব পাৰে, এই অসংগতি বিচাৰি আমি সমাজ-ব্যবস্থাৰ মাজলৈ যাব নালাগে। মানুহ অমৃতৰ পুত্ৰ হৈও দেখোন মৰণৰ চিন্তা আৰু যন্ত্ৰণাত ডেকাউৰিয়াই থাকে। এইটোৱেই ডাঙৰ অসংগতি। এনে ধৰণৰ মনোধৰ্মী দৃষ্টিৰে চোৱা বাবেই বেছিভাগে হাস্যৰসিকেই ব্যক্তিৰ ভাগ্যৰ পৰিহাস কৰে। দৰাচলতে প্লেটো, এৰিষ্টটল, এৰিষ্টফেনছৰ দিনৰে পৰা ঘাইকৈ ব্যক্তিৰ কুৰূপতা বা আঁসোৱাহক কটাক্ষপাত কৰি অহা হৈছে। হাস্য-কৌতুকৰ পথ বহুমুখী, তাৰ ভিতৰত ৰং, তামাচা, ঠাট্টা-বিদ্ৰুপ, পৰিহাস, ব্যংগ, ৰসিকতা, ভেঙুচালি, ফুচৰি আদি স্থূল, সুক্ষ্ম প্ৰকাৰভেদ আছে। সাধাৰণতে কিন্তু ৰচনাৰ বৈশিষ্ট্যলৈ চাই হাস্য, ব্যংগ আৰু উইট, এই তিনিবিধ প্ৰকাশ-ৰীতিৰ কথাহে সমালোচকসকলে উল্লেখ কৰা দেখা যায়। ইংৰাজীত যাক হিউমাৰ বোলে তাক বিমল হাস্য বুলিব পাৰি। ৰবীন্দ্ৰনাথে ইয়াকে কৌতুক-হাস্য বুলিছে। ব্যংগক বোলা হৈছে ছেটায়াৰ। ই সাধাৰণতে তীক্ষ্ম আৰু ক্ষুৰধাৰ। উইটক বুদ্ধিদীপ্ত—হাস্য আখ্যা দিয়া হৈছে। এনেদৰে ভাগ কৰা হলেও ভালেমান সমালোচকৰ মতে এই তিনিওটাকে পানী-নসৰকা কোঠাত ভাগ কৰিব নোৱাৰি। পাশ্চাত্য সমালোচকে হাস্য-ব্যংগৰ বিশ্লেষণ এনেকৈয়ে কৰি আহিছে। আমাৰ সংস্কৃত আলংকাৰিকসকলে হাস্য-ৰসক স্বীকৃতি দিছে যদিও তাৰ প্ৰাধান্য মানি লোৱা নাই। যি কি নহক, প্ৰাচ্য অথবা পাশ্চাত্য দুয়োবিধ সাহিত্যতে হাস্য-ব্যংগৰ প্ৰয়োগ আছে। ভল্‌টেয়াৰ, ছাৰ্ভেণ্টিছৰ ছেটায়াৰ তীক্ষ্ম। এওঁলোকে সমাজৰ কুৰূপতাক থকা-সৰকা কৰিছে। ইংৰাজী সাহিত্যতো ড্ৰাইডেন, ছাৰ্লছ ডিকেন্স, ছেক্সপীয়েৰ, শ আদিয়ে হাস্য-কলাৰ যোগান ধৰিছে।

আমাৰ ওচৰ-চুবুৰীয়া বংগদেশৰ বংকিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ আদিৰ হাস্য-কৌতুকৰ লগতো আমি পৰিচিত। এনেবোৰ ঐতিহ্যই আমাৰ সাহিত্যলৈকো এটা সময়ত হাস্যৰসৰ ঢল বোৱাই আনিছিল।

হেমচন্দ্ৰ বৰুৱাৰ সামাজিক ব্যংগই নিৰ্মম ৰূপত আত্মপ্ৰকাশ কৰিছিল। ই বহুপৰিমাণে বেদনাদায়ক। বেজবৰুৱাৰ হাস্য-ৰসৰ আহি হ'ল পিকউইক পেপাৰছ, সাম্ৰাজ্যবাদী ইংৰাজৰ স্পৰ্শত ইতিমধ্যে বংগদেশত গঢ় লোৱা নতুন মধ্যবিত্ত সংস্কৃতিৰ তুলনাত অসমীয়া মধ্যবিত্তৰ মানসিকতা মান্ধাতাযুগীয়া হৈ থকাটো বেজবৰুৱাই সহ্য কৰিব নোৱাৰিছিল। তেওঁৰ আকাংক্ষা আছিল পাশ্চাত্য উদাৰনৈতিকতাবাদৰ পোহৰত অসমীয়া মধ্যবিত্ত সংস্কৃতিক নিটোলকৈ গঢ় দিয়া। তেওঁৰ এই আকাংক্ষা আন্তৰিক আছিল বাবেই ইংৰাজৰ অন্ধ অনুকৰণ (তেওঁৰ ভাষাত হনুকৰণ) আৰু সামন্তযুগীয় কুসংস্কাৰৰ পৰা অসমীয়া মধ্যবিত্তক বচাব খুজিছিল। তেওঁৰ লেখনী উৰৰ সঁচা, কিন্তু তেওঁৰ হাস্যৰসত সুক্ষ্ম-কৌশলৰ অভাব অনুভব কৰিব পাৰি। বেজবৰুৱাৰ আটাইবোৰ হাস্যৰসাত্মক ৰচনাৰে সাহিত্যিক মূল্য আছে বুলি কোৱা টান। তথাপি বেজবৰুৱাৰ পাতলীয়া অথচ চোকা হাস্যৰসৰ সমল হোৱা মানুহখিনিক তেওঁ নিজে ভালকৈ চিনি পাইছিল আৰু এক অপূৰ্ব নমনীয় ভাষা-ৰীতিৰ সহায়ত দোষ-ত্ৰুটিবোৰ উদঙাই দিছিল। তেওঁৰ প্ৰহসনবোৰ ভেঙুচালি বা ফুচৰিজাতীয় ৰচনা। গহীন নাটবোৰত সৃষ্টিকৰা 'গজপুৰীয়া', 'ভুমুক বহুৰা' আদি চৰিত্ৰৰ উৎস ছেক্সপীয়েৰৰ নাট হ'লেও ছেক্সপীয়েৰৰ সূক্ষ্ম দৃষ্টি সেইবোৰ চৰিত্ৰত নাই। তথাপি ভুমুক বহুৰাৰ উক্তি মনকৰিবলগীয়া:

> দুখীয়াক দুখ দি বং পায়, প্ৰজাক কৰে ঘিণ
> সেইঘৰ বজা, সেইখন দেশৰ আয়ুস কেইদিন?

ইয়াত শোষণ-ধৰ্মী ৰাজনীতিৰ মৃদু সমালোচনা আছে। অবশ্যে এনে ধৰণৰ ৰচনা মন্যাত্ৰ বিৰল। পিছৰ হাস্যৰসিক ৰলিনাৰায়ণ বৰা, সত্যনাথ বৰা, লক্ষ্মীদৰ বৰা, দণ্ডীনাথ কলিতা, মহীচন্দ্ৰ বৰা আদিয়ে বেজবৰুৱাক অনুসৰণ কৰিছিল বুলিব পাৰি। গোহাঞিবৰুৱাৰ গাওঁবুঢ়া উল্লেখযোগ্য প্ৰহসন। ইংৰাজ প্ৰশাসনৰ দুৰ্নীতি ইয়াৰ বিষয় বস্তু। 'ভোগমন'ৰ সৰল-সহজ অপৰিশীলিত ব্যবহাৰ স্বাভাবিক, কিন্তু নাটখনত সিয়েই হাঁহিৰ খোৰাক হৈছে। পীড়নৰ নিৰ্মমতাই নিৰীহ সাধাৰণ মানুহৰ মনুষ্যত্বক শক্তিহীন কৰি পেলায়। ভোগমন তাৰেই উদাহৰণ। বিখ্যাত চীনা লেখক লু চুনৰ গল্পৰ চৰিত্ৰ 'আহ্ কিউ'ৰ লগত ভোগমন তুলনীয়। সামন্তযুগীয় জমিদাৰ আৰু আমোলাৰ অত্যাচাৰ আৰু শোষণৰ ফলস্বৰূপে 'আহ্ কিউ'ৰ দুখে কুলাই পাচিয়ে নধৰা হৈছিল। তাৰ আচৰণ হাস্যকৰ হৈ পৰিছিল। কিন্তু গোহাঞি বৰুৱা আৰু লু চুনৰ দৃষ্টিভংগীৰ পাৰ্থক্য আছে। লু-চুনে সাধাৰণ মানুহৰ দুৰ্দশাক শ্ৰেণী বিভক্ত সমাজৰ পটভূমিত চাইছে, যিটো গোহাঞিবৰুৱাৰ ৰচনাত নাই। ১৯১১ চনত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লবত কৃষকৰ প্ৰতি নিৰ্মম অবহেলা এই গল্পত দেখুওৱা হৈছে। প্ৰহসনজাতীয় ৰচনা চন্দ্ৰধৰ বৰুৱা, পদ্মধৰ চলিহা, মিত্ৰদেৱ মহন্ত, লক্ষ্মীধৰ শৰ্মা, সুৰেন শইকীয়া, হৰি ভট্টাচাৰ্য, প্ৰবীণ ফুকনৰো আছে। সমাজৰ খন্তীয়া-খুচুৰীয়া আসোঁৱাহবোৰ এইবোৰত দাঙি ধৰা হৈছে। ৰেডিঅ' নাটৰ হাস্য-ব্যংগও এই ধৰণৰে। ডাঃ হেমৰুৱা, মহেশ চন্দ্ৰ গোস্বামী, তিলক হাজৰিকা,

ললিত বৰা, ভদ্ৰ বৰা আদিৰ ব্যক্তিনিষ্ঠ বস বচনাবোৰো 'ববৰকৰাৰ ভাবৰ বুৰবুৰণি' পৰ্যায়ৰ। বেজবৰুৱাৰ কাঁহী'ৰ পিছত ভালেমান আলোচনীত (জয়ন্তী, আৱাহন, আমাৰ প্ৰতিনিধি, নবযুগ, বিহলঙনি, সমকালীন আদি) হাস্য-ব্যংগৰ ব্যবহাৰ হৈছিল। 'অসমীয়া'ত মেমেৰা মেধি, 'অসমবাণীত' ভলভলীয়াই' হাঁহিৰ সমল যোগান ধৰিছিল। এইবোৰতো সমাজ-সংস্কৃতি সম্পৰ্কীয় আসোঁৱাহৰ প্ৰতি কটাক্ষপাত কৰা হৈছিল। ৰাজনীতি বা অৰ্থনীতি কেতিয়াবাহে তাৰ মাজলৈ আহিছিল।

এইবোৰ কিন্তু এতিয়া ইতিহাস হ'ল। আমাৰ অগ্ৰজসকলে যেনেকৈ বুজিছিল, তেনেকৈ সৃষ্টিও কৰিছিল। তেওঁবিলাকৰ সৃষ্টিত যদি কিবা কামত অহা বস্তু থাকে, আমি তাক গ্ৰহণ কৰিম, নহলে একাষৰীয়াকৈ থৈ অন্যত্ৰ অন্বেষণ কৰিম। আজিৰ পটভূমি বেলেগ। এই পটভূমিত আমাৰ আবেগ অনুভূতিবোৰো সলনি হৈছে। আমিও ওৰাদানিকৈ সাৰ্থক হাস্য-ৰসৰ সৃষ্টি কৰিব লাগিব। অবশ্যে আমাৰ দৃষ্টিভংগী হ'ব লাগিব বস্তুনিষ্ঠ। ইমানদিনে মূলতঃ সামাজিক সংস্কাৰৰ নামত হাস্য-কৌতুক হৈছিল যদিও ইয়াৰ লক্ষ্য ঘাইকৈ আছিল বিচ্ছিন্ন ব্যক্তিহে। এতিয়া আমি ব্যক্তিক সামাজিক পটভূমিত থিয় কৰাই লৈহে চাব লাগিব। ব্যক্তি আৰু সমাজৰ সম্পৰ্ক ঘনিষ্ঠ। ব্যক্তিৰ চিন্তা, অনুভূতি, বন্ধুত্ব, ভালপোৱা, দুৰ্বলতা, সবলতা আদিয়ে আৰ্থ-সামাজিক ৰূপটোহে নিৰ্ণয় কৰে। প্ৰবলতৰ সামাজিক শক্তিৰ অংশীদাৰ ব্যক্তিৰ (আনকি কেতিয়াবা মহৎ বুলিব পৰা সকলবো) উদ্দেশ্য আৰু উপায়ৰ মাজত অসংগতি সুক্ষ্ম বক্ৰোক্তিৰ সহায়ত দাঙি ধৰিব পৰাতেই আজিৰ কৌতুকৰ সাৰ্থকতা। মহৎ কাৰ্য কৰিম বুলি ফটোৱা জাৰি কৰি গোপনে ৰাজনৈতিক চালাকী খটুৱাই আপোন স্বাৰ্থ সিদ্ধি কৰাৰ যি কন্‌ট্ৰাডিকচন চলি আছে তাকহে পাঠকৰ সম্মুখলৈ আনিব লাগে। এই কমেডি হ'ব লাগিব মানবতাৰ কমেডি। মানুহৰ কল্যাণ আৰু উজ্জ্বল ভবিষ্যতৰ পিনে অভিযান ইয়াৰ মূলধন। মেক্সিম গোৰ্কীয়ে তেওঁৰ 'ক্লিম চেমগিন' উপন্যাসত প্ৰাক্-বিপ্লব যুগৰ ৰুচদেশীয় বুদ্ধিজীৱীৰ মেৰুদণ্ডহীন 'ফিলিষ্টিনিজম' উদঙাই দেখুৱাইছে। বিপ্লবো নালাগে, প্ৰতি-বিপ্লবো নালাগে, তাৰ মাজতে এটা 'তৃতীয় পন্থা' বিচৰা বুদ্ধিজীৱীক ইয়াত এইবুলি সতৰ্ক বাণী শুনোৱা হৈছে—"প্ৰশ্নৰ উত্তৰ দুটাই—'হয়' বা 'নহয়'। এই দুটাৰ মাজত 'তৃতীয় পন্থা' এটা থাকিব নোৱাৰে। চীনা লেখক লু-চুনৰ "লষ্ট লভ" নামৰ কবিতাৰ ছেটায়াৰ মনকৰিবলগীয়া। ব্যৰ্থ প্ৰেমৰ পেনপেননিত বুৰ গৈ থকা কবিসকলক ব্যংগ কৰি তেওঁ দেখুৱাইছে যে শ্ৰেণী-বৈষম্য থকা সমাজত মানবীয় মৰ্যাদাবোধৰ ভিত্তিত প্ৰকৃত প্ৰেমৰ পৰিবেশ নাথাকে। লু-চুনে তেওঁৰ পূৰ্বসূৰী এজনৰ 'স্কলাৰছ' নামৰ ব্যংগাত্মক উপন্যাসৰ আলোচনা-প্ৰসংগত কৈছে যে বক্ৰোক্তি আৰু সুক্ষ্ম-প্ৰকাশভংগী-ব্যংগৰ ধৰণীস্বৰূপ। অভিজ্ঞতা আৰু পৰ্য্যবেক্ষণ হাস্য-ৰস সৃষ্টিত ডাঙৰ সহায়। তেওঁৰ মতে অত্যাধিক অতিৰঞ্জন আৰু অশালীন ভাষাৰ ব্যবহাৰে হাস্য-ৰসৰ সাহিত্যিক মূল্য কমায়।

কিন্তু গোৰ্কী অথবা লু-চুন যিয়েই নহওক—এনেবোৰ বিদেশী লেখকৰ সংস্পৰ্শহে আমাক দৰকাৰ, তেওঁলোকৰ আধিপত্য নহয়। দুখৰ বিষয়, আমাৰ সাহিত্যত পাশ্চাত্য সংস্কৃতিৰ সংস্পৰ্শতকৈ তাৰ আধিপত্যহে বেছি। আমাৰ দেশৰ বতাহ-পানী বিদেশৰ

বতাহ-পানীৰ লগত সম্পূৰ্ণভাবে নিমিলে। বিদেশী লেখকৰ বচনা তেওঁলোকৰ সমসাময়িক সামাজিক পৰিস্থিতিৰ প্ৰতিক্ৰিয়া। এইখন দেশৰ পৰিস্থিতি আৰু পৰিবেশৰ পোতাশালৰ পৰা মুক্তি লাভ কৰাত যি সংস্কৃতি সহায়ক হ'ব পাৰে, তেনে এক সংস্কৃতি নিৰ্মাণৰ অংগীকাৰ আমাৰ থাকিব লাগিব। দেশী-বিদেশী সংস্কৃতিয়ে আমাক এই বিষয়ত প্ৰেৰণা যোগাব পাৰিব। সেইবাবে দেশীয়েই হওক বা বিদেশীয়েই হওক—ঐতিহ্য গ্ৰহণ কৰোঁতে আমি সতৰ্ক হোৱা উচিত। পাঠকৰ দিশটোও আমি বিবেচনা কৰা দৰকাৰ। দেশৰ পৰিস্থিতি আৰু পৰিবেশৰ বিৰুদ্ধে থিয় দিব পৰাকৈ, নৈৰাশ্য, অনীহা আৰু দুৰ্বল মনুষ্যত্বৰ পৰা নিজক উদ্ধাৰ কৰিব পৰাকৈ আমি তেওঁলোকক সাংস্কৃতিক সমল যোগাব লাগিব। আমাৰ এই কাৰ্যত যি ঐতিহ্য প্ৰেৰণাদায়ক, সেই ঐতিহ্যকে আমি গ্ৰহণ কৰা উচিত।

আমাৰ সমাজ শ্ৰেণীবিভক্ত সমাজ, এই কথা কোনে অস্বীকাৰ কৰিব? দৃষ্টি যাৰ গভীৰতৰ তেওঁ নিশ্চয় দেখিছে, ইয়াত জীৱনৰ কিদৰে গৰাখহনীয়া চলি আছে, মানবতা কেনেকৈ চৰম অপমানত জৰ্জৰিত হৈছে। এই পাশবিকতা ধনতান্ত্ৰিক আৰু অৰ্ধ-সামন্ততান্ত্ৰিক সমাজৰ অভিশাপ। এনে নেতিবাচক দিশৰ ওচৰত জানি-শুনি আমি আত্ম-সমৰ্পণ কৰিম নে? এই স্থূল অমাৰ্জিত বৰ্বৰতাৰ পৰা নিৰাপদ দূৰত্বত থাকি জীৱন-বিমুখিতা আৰু ইয়াৰ পাশবিকতাক ওপৰে ওপৰে পতিয়ন-যোগ্য কৰাটো আমাৰ পক্ষে উচিতনে? ইয়াৰ অৰ্থ হ'ল অন্তঃসাৰশূন্য সৌকুমাৰ্যৰ মাজলৈ পলায়ন কৰা। যুক্তি, বিবেক, প্ৰশান্তহৃদয়, সচেতন আবেগৰ সহায়ত যিজন লেখকে জীৱনৰ স্বৰূপ প্ৰত্যক্ষ কৰিছে, তেওঁ কেবল নেতিবাচক দিশটোকে লৈ থাকিব নোৱাৰে। জীৱনৰ এটা ইতিবাচক দিশো আছে। এই দুই-দিশৰ সংঘৰ্ষই নান্দনিক ধ্যানৰ বিষয়-বস্তু হোৱা উচিত। তদুপৰি এই সংঘৰ্ষৰ পৰিণতিত মানুহৰ মৌলিক সততাৰ জয় অনিবাৰ্য সেই কথাবো ইংগিত আমাৰ বচনাত প্ৰয়োজন। এনে বিশ্বাস নোহোৱা বাবেই আধুনিক সাহিত্য ক্ষতিগ্ৰস্ত হৈছে।

এই দৃষ্টিভংগী হাস্য-ৰসিকসকলকো লাগিব। নিটোল কলা-ৰূপত তেওঁলোকে সমাজ-ব্যবস্থাৰ অন্তৰ্নিহিত দ্বন্দ্বত এডাল মমবাতিৰ দৰে পোহৰ পেলাই পাঠকক তাৰ প্ৰতি সজাগ কৰিব লাগিব। সমস্যাৰ সঠিক আকৰ্ষণীয় উপস্থাপন হ'লে মানুহে আপোনা-আপুনি তাৰ ব্যাখ্যা কৰি ল'ব পাৰিব। তাৰ বাবে লেখকৰ একাংপতীয়া চেষ্টা, অভিজ্ঞতা আৰু উপলব্ধিৰ প্ৰয়োজন। ইতিহাসৰ গতিবেগ বৃদ্ধি কৰাই আমাৰ লক্ষ্য। বৰ্তমানৰ সমাজ-ব্যবস্থা ইতিহাসৰ সুদীৰ্ঘ পথ পৰিক্ৰমাৰ এটা অংশহে। ইয়াৰ পিছতো ইতিহাস আগ বাঢ়িব। পুঁজিবাদৰ অৱক্ষয়ৰ যুগত কৰ্ণধাৰসকলে চালাকীৰ আশ্ৰয় লৈছে। এই অমানবীয় নীচ চতুৰালি ব্যংগৰ লক্ষ্য হ'ব লাগে। বিড়াল তপস্বীসকলৰ কমণ্ডলু যে ঐতিহাসিক পাপেৰে পৰিপূৰ্ণ তাক আমি উদঙাই দেখুৱাটো উচিত। সুক্ষ্ম সংযত শিল্পসম্মত বক্ৰোক্তিৰে এনে কাম কৰিব পাৰি। ইয়াত যদি ৰাজনীতি আহে, আহিব। কাৰণ কৰ্ণধাৰসকলৰ ৰাজনৈতিক সিদ্ধান্তই কৌটি কৌটি মানুহৰ জীৱন আৰু মানবীয় কাৰ্য-কলাপৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে। মানবতাৰ কবৰ খন্দা এইবোৰ সামাজিক শক্তিয়েই আমাৰ ব্যংগৰ লক্ষ্য হোৱা প্ৰয়োজন।++

সংবাদ

নামৰূপত শ্ৰমিক সমাবেশ

যোৱা ২৬ আৰু ২৭ আগষ্টত নামৰূপত বিৰাট সমাৱোহেৰে হৈ যোৱা শ্ৰমিক অভিবৰ্তনত প্ৰায় ৪৫ টা শ্ৰমিক সংঘৰ ৩০০তকৈ অধিক প্ৰতিনিধিয়ে যোগদান কৰে। ২৭ আগষ্টত হোৱা মুকলি সভাত চাহ-শ্ৰমিকৰ বিপুল সমাগমে এটা আনন্দমুখৰ পৰিবেশ সৃষ্টি কৰে।

মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি ডিব্ৰুগড় জিলাৰ J. C. T. U.ৰ আহবায়ক শ্ৰীগংগেশ্বৰ গগৈয়ে অধিবেশনৰ আহ্বায়কৰ প্ৰতিবেদন পাঠ কৰে; লগতে ভাৰতীয় শ্ৰমিক সংঘৰ সংক্ষিপ্ত ইতিহাস দাঙি ধৰি বৰ্তমান পৰ্যায়ত J. C. T. U.ৰ অধীনত সংঘবদ্ধ হোৱা বিভিন্ন শ্ৰমিক ইউনিয়নৰ অন্যান্য দাবীৰ পৰিপ্ৰেক্ষিতত হোৱা বিভিন্ন আন্দোলনবিলাকৰ বিষয়ে কয়। তেখেতে আৰু কয় যে, শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামৰ একমাত্ৰ হাতিয়াৰ হ'ল ঐক্যসাধন। কৃষি উদ্যোগ, উন্নতকৰণ নোহোৱালৈকে ভাৰততে নিবনুৱা সমস্যা সমাধান নহ'ব। অসমত বৰ্তমান ২৫ লাখ নিবনুৱা আছে। কৃষিৰ লগতে বৃহৎ উদ্যোগ গঢ়ি নুঠিলে কোনোপধ্যেই নিবনুৱা সমস্যা সমাধান নহ'ব। জনতা চৰকাৰে গণতান্ত্ৰিক অধিকাৰ ঘুৰাই দিয়াৰ বাবে তেওঁ চৰকাৰৰ শলাগ লয়; সেইদৰে জনতা চৰকাৰৰ অধীনত ভাৰতৰ বিভিন্ন ঠাইত শ্ৰমিক নিৰ্যাতন আৰু গুলি চালনাৰ বাবে জনতা চৰকাৰক সমালোচনা কৰে।

স্বাধীনতাৰ ত্ৰিছ বছৰত শ্ৰমিকৰ নিম্নতম দৰ্মহা ধাৰ্য কৰা হোৱা নাই। শ্ৰমিকৰ আন্দোলনত দৰ্মহাৰ নিম্নতম নিৰিখ ৬০০ টকা দাবী কৰা হয়। জনতা চৰকাৰৰ ভূতলিংগম কমিটিৰ দ্বাৰা শ্ৰমিকৰ উৎপাদানৰ নিৰিখ ১ঃ২০ নকৰাত ধনিকশ্ৰেণী বেছি লাভবান হৈছে বুলি সভাত আলোচনা কৰা হয়। কংগ্ৰেছী শাসনকালৰ পৰা অসমত Infrastructure তৈয়াৰ নোহোৱাৰ বাবে শ্ৰীগগৈয়ে চৰকাৰক তীব্ৰ সমালোচনা কৰে। আচলতে অসমত Infrastructure facilities তৈয়াৰ নোহোৱাৰ বাবেই অসমত কোনো উদ্যোগ গঢ়ি উঠা নাই।

নিৰ্দিষ্ট বক্তা, অসম বিধান সভাৰ মাৰ্ক্সবাদী সদস্য শ্ৰীবিপিন হাজৰিকাই ভাৰতীয় শ্ৰেণীবিভক্ত সমাজৰ কথা কৈ শ্ৰেণী-সংগ্ৰামৰ জৰিয়তে সমাজবাদ প্ৰতিষ্ঠা কৰিব নোৱৰালৈকে শ্ৰমিক শ্ৰেণীৰ কাহানিও মুক্তি নাহিব বুলি ঐতিহাসিক যুক্তি দৰ্শায়। অসমৰ অৰ্থনীতি সুদৃঢ় কৰিব পৰা Plywood Factory আৰু Woodcraft Product বিলাকত বিৰলা আদি পুঁজিপতি সকলৰ নিষ্ঠুৰ শোষণৰ কথা কয়। এই উদ্যোগ-বিলাকত শ্ৰমিকৰ নিম্নতম দৰ্মহা ৫'৩০ মাত্ৰ। চৰকাৰে এইবিলাক জাতীয়কৰণ কৰিব লাগে বুলি সভাত দাবী জনোৱা হয়।

সভাত আন আন বক্তাৰ ভিতৰত অসম বিধান সভাৰ মাৰ্ক্সবাদী সদস্য শ্ৰীনুকুল হুদা আৰু ৰে'লৱে কৰ্মী সংঘৰ অন্যতম নেতা শ্ৰীহৰমোহন দাসে বক্তব্য দাঙি ধৰে।++(প্ৰাপ্ত)

শিল্প প্ৰসংগ

ন-শিকাৰু শিল্পীৰ চিত্ৰ আৰু ভাস্কৰ্য প্ৰদৰ্শনী

চিত্ৰকলা আৰু ভাস্কৰ্যৰ প্ৰাচুৰ্যতাৰ ঐতিহ্যৰে মণ্ডিত অসমত অতি সাম্প্ৰতিক কালত চিত্ৰকলা আৰু ভাস্কৰ্যৰ প্ৰতি জনসাধাৰণ আৰু দৰ্শকৰ অনুৰাগ যেনেদৰে আপেক্ষিকভাবে কম দেখা যায় তেনেদৰে চিত্ৰশিল্পী বা ভাস্কৰসকলকো ন-ন অনুসন্ধানত ব্ৰতী হোৱা বৰকৈ দেখা নাযায়। সৰহভাগ শিল্পীয়েই আংগিকৰ ক্ষেত্ৰত abstraction ৰ মোহত পৰি বিষয়বস্তুত প্ৰাণ প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হয়, ফলত আংগিকৰ ক্ষেত্ৰত তেওঁলোকৰ abstraction হৈ পৰে dehumanised. আচলতে পশ্চিমৰ দেশত গঢ় লোৱা চিত্ৰশিল্প আন্দোলনসমূহৰ ভিত্তি আৰু তাৰ প্ৰায়োগিক দিশটো আয়ত্ব নকৰাকৈ কেবল অনুকৰণ কৰিবলৈ যোৱাৰ ফলতেই এনে হ'বলৈ পায় বুলি আমাৰ ধাৰণা।

এই পৰিপ্ৰেক্ষিতত, যোৱা সাতবছৰে অসমৰ চিত্ৰশিল্প আন্দোলন আৰু ইয়াৰ বিকাশশীল দিশটোৰ সতে ওতঃপ্ৰোতভাবে জড়িত অসম ফাইন আৰ্টছ এণ্ড ক্ৰাফটছ ছচাইটিয়ে পঞ্চম বছৰত ভৰি দি ফোৱা ১ ছেপ্তেম্বৰৰ পৰা ৫ ছেপ্তেম্বৰলৈ বাজ্যিক শিল্প-শালাত ন-শিকাৰু শিল্পীবৃন্দৰ চিত্ৰ আৰু ভাস্কৰ্যৰ যি পাঁচদিনীয়া প্ৰদৰ্শনীৰ আয়োজন কৰিলে সি নিশ্চয় এক প্ৰশংসনীয় প্ৰচেষ্টা। ছচাইটিৰ দুই প্ৰধান উদ্যোক্তা নীলপবন বৰুৱা আৰু অতুল বৰুৱাৰ তত্বাবধানত চিত্ৰশিল্প আৰু ভাস্কৰ্যৰ শিক্ষা গ্ৰহণ কৰা স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়ৰ দেওনা পাৰ নোহোৱা এই শিল্পীসকলৰ সৃষ্টিয়ে দৰ্শকসকলক আনন্দ দিয়ে।

প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা বেছিভাগ শিল্পীয়েই ৰং আৰু ৰেখাৰে নৈসৰ্গিক শোভাৰ সন্ধান কৰা যেন অনুভব হ'ল। ৰং আৰু ৰেখাৰ সুক্ষ্ম প্ৰয়োগেৰে এই শিল্পীসকলে এক অভিনব সৌন্দৰ্য-চেতনা ফুটাই তুলিছে আৰু দৰ্শক হৃদয়লৈ তাক প্ৰসাৰিত কৰাত সক্ষম হৈছে। নতুন শিল্পীৰ ক্ষেত্ৰত এই সফলতা নিশ্চয় অভিনন্দনযোগ্য।

দিলীপ তামুলীয়ে তেওঁৰ 'দুৰণিৰ গাঁৱলৈ,' 'সমাজোহ' আৰু 'কম্পজিচন' আটাইকেইখন ছবিতেই কম্পজিচন আৰু তুলিৰ আঁচোৰত যথেষ্ট সফলতাৰ স্বাক্ষৰ ৰাখিছে। একেদৰেই এই ছচাইটিৰ মজিয়া গৰকি গৈ বৰ্তমান শান্তিনিকেতনৰ ছাত্ৰ হোৱা উৎপল বৰুৱাইও তেওঁ 'স্কেছ' ছবিখনেৰে সফলতা অৰ্জন কৰিছে। নন্দিনী হাজৰিকাৰ 'সেন্দুৰী আলি' ছবিখনে আমাৰ মনলৈ শান্ত-কোমল ভাব কঢ়িয়াই আনে; ইৰি ৰাভাৰ 'জোনাক' ছবিয়ে একাকী নিৰ্জনতা অনুভব কৰায়।

চন্দন হাজৰিকা, বৈকুণ্ঠ গোস্বামী, ৰতন ৰায়, ননী ভট্টাচাৰ্য, কপিলমুনি আদি শিল্পীয়েও তেওঁলোকৰ 'গাঁৱলীয়া হাট,' 'লেণ্ডস্কেপ,' 'শিল্পী' আদি ছবিত বিষয়বস্তু নিৰ্বাচন আৰু অংকণত যথেষ্ট নিষ্ঠাৰ পৰিচয় ৰাখিছে।

অৰূপ ৰবঠাকুৰৰ ভাস্কৰ্য——'নাৰীমূৰ্তি' আৰু 'মাতৃমূৰ্তি'ৰ আবেদন দীৰ্ঘস্থায়ী

নহলেও নতুন প্রচেষ্টা হিচাপে ই নিশ্চয় প্রশংসনীয়। বাহ কাটি কৰা আকৰ্ষণীয় ভাস্কৰ্যকেইটাই শিল্পী যোগেন শীলৰ কলাসুলভ কল্পনা আৰু প্রায়োগিক দক্ষতাৰ পৰিচয় বহন কৰিছে।

সময়ৰ গতিত এই শিল্পীসকলে জীৱন আৰু জগতৰ জীৱন্ত সান্নিধ্যৰে নিজৰ শিল্পবোধ সজীব কৰিব, এক সজীব প্রেৰণাই তেওঁলোকৰ শিল্পশৈলীক দিব ন ন ভাষা— প্রতিজন শিল্পীপ্রাণ মানুহে এই কামনাই কৰে।

ন-শিকাকৰ এনে প্রদর্শনীৰ আয়োজন কৰা বাবে ছচাইটিলৈ আমাৰ ধন্যবাদ জনাইছোঁ। ভবিষ্যতলৈও এনে প্রচেষ্টা অব্যাহত ৰাখিব বুলি আমি আশা কৰিছোঁ।

নতুন শিল্পীদললৈ আমাৰ অভিনন্দন থাকিল। ++

—হেমন্তকুমাৰ দাস

(১৪৪ পৃষ্ঠাৰ পিছৰ অংশ)

ৰাজধানী পাওঁতে দুদিন দেৰি হ'ব। কিন্তু তাৰ পিছত চব একেই থাকিব। তেৰেঁ মন্ত্রীৰহে মানুহ।" ককাৰ মুখখন অলপ মুকলি হ'ল। কিবা এটা চিন্তা কৰিলে মনতে। জানো, তেনেহলে গৈয়েই আহোচোন।" এই বুলি কৈ জপনাখন থেলি, ককা ওলাই গ'ল। ময়ো ৰক্ষা পালোঁ।

গধুলি ঘৰলৈ নাহিলো। ভয় লাগিল। মই আগতেই চব গম পাওঁ। ডি, ছি নাহিল। আইন-শৃংখলা ৰক্ষা কৰিব লগা পৰিস্থিতিত লাগি ধৰিলে। ওচৰৰে এছ ডি, ছিয়ে ভাষণ দিলে। স্কুলৰ উন্নতিৰ কল্পে বহুমূলীয়া পৰামৰ্শও দিলে— ককাৰ চকুৰ কুটা দাঁতৰ শাল হেড-মাষ্টৰে। টাউন স্কুলৰ হেড মাষ্টৰে! ৰাইজেতো প্রস্তাব ল'বই। সঁজাতী দল এটা ৰাজধানীলৈ পঠোৱাৰ সিদ্ধান্তও কৰিলে। ভাবিলো, আজি ককাৰ লগত দেখা নহ'লেই ভাল। যেনে তেনে সাৰিব লাগিল। দেৰিকৈ ঘৰ সোমাই থাকিম, গধুলি নাযাওঁ।

ৰাতি এঘাৰ বজাৰ পিছত ঘৰ ওলালোগৈ। ঘিটমিটিয়া আন্ধাৰ। চোতালৰ আন্ধাৰৰ মাজৰ পৰাই আৱাজ আহিল,"কত মৰিছিলিগৈ?"কি মাত! মই উত্তৰ নিদিলোঁ।

"চাকৰি নাই, ৰাতি দুপৰলৈকে ঘুৰি ফুৰ।" তথাপি নামাতিলো। ভিতৰ সোমাই গ'লো। মোৰ পিছে পিছে ভুতৰ ভৰিৰ খোজ। আমাৰ কোঠালিটোত লেম এটা জ্বলিছে। বৰ পোহৰ! ককাই মোক আগচি ধৰিলেহি। "কি অ' ডেকা! চাকৰি নাপাই গান্ধী হ'লি হ'বলা?" আ— আ!

এটা এটাকৈ মানুহ ওলাই আহিল। ঘৰত কোনো শোৱা নাছিল। কোঠালিটো ভৰি গ'ল। কাৰো মুখত মাত নাই। নিঃশব্দ। এখন হাতে মোক হেঁচুকিলে। নীৰৱে মোক খাৱলৈ পঠালে। ককাক শুৱাবলৈ যত্ন কৰিলে— সকলোৱে।

মই খাবলৈ বহিলো। মনটো থিৰ কৰি ল'লো। তাৰ পিছত ভাবিবলৈ চেষ্টা কৰিলো। ভাবিলো। দকৈ, দীঘলকৈ ভাবি গ'লো। শেষত নিজকে ক'লো:

"দুখ নকৰিবি। একো লাভ নাই। বুঢ়াৰ জীৱন শেষ হৈ আহিছে।— আমাৰতো গোটেই জীৱনেই বাকী। সংসাৰলৈ বহুত আহিবলৈকো আছে। —কিন্তু আজি? বুঢ়াৰো যে পৰিক্ষিতি লৰিছে! এই কথাটো মনত ৰাখা!"++

ফঁকাছ/

অসম প্রকাশন পৰিষদৰ অকথিত কাহিনী [২]

বিশেষ প্রতিনিধি

অসম প্রকাশন পৰিষদ ৰাজহুৱা সম্পত্তি নে ব্যক্তিগত সম্পত্তি ঃ

—দুলাল চন্দ্র বৰুৱা

১৯৭৩ চনৰ ২৮ জুন তাৰিখে অসমৰ বৰ্তমানৰ জনতা চৰকাৰৰ অন্যতম শক্তিশালী মন্ত্রী আৰু সেই সময়ৰ অসম বিধান সভাৰ বিৰোধী দলৰ উপদলপতি শ্রীদুলাল চন্দ্র বৰুৱাই বিধান সভাৰ মজিয়াত দিয়া ভাষণৰ একাংশৰেই অসম প্রকাশন পৰিষদৰ এইবাৰৰ অকথিত কাহিনী আৰম্ভ কৰিছোঁ ঃ

".....এই চৰকাৰে কিছুমান 'বগাহাতী'ৰ বাবে অজস্র ধন ব্যয় কৰিছে। এইবিলাক কি? প্রথমতে মাধ্যমিক শিক্ষা পৰিষদ, তাৰ পিছত প্রকাশন পৰিষদ আৰু তৃতীয়তে পাঠ্যপুথি প্রণয়ন নিগম.....। এই তিনিটা অনুষ্ঠানে একো ভাল কাম কৰিবলৈ সমর্থ হোৱা নাই; কিন্তু আমি ইয়াৰ বাবে লাখ লাখ টকা খৰছ কৰিছোঁ। সেয়ে এই তিনিটা অনুষ্ঠানক মই 'বগাহাতী' বুলি আখ্যা দিছোঁ। অসম প্রকাশন পৰিষদত অজস্র খেলি-মেলি ঘটিছে। এই অনুষ্ঠানৰ মুৰব্বীজনৰ প্রতি মোৰ কোনো ব্যক্তিগত আক্রোশ নাই; কিন্তু এই অনুষ্ঠানটোৱে কেনেভাবে কার্যনির্বাহ কৰিছে সেই কথাৰ প্রতিহে মই অনুসন্ধিৎসু। মোৰ বন্ধু শ্রীচহৰীয়াই যোৱা কালি সদনত প্রকাশন পৰিষদে প্রকাশ কৰা কিছুমান কিতাপৰ সম্পর্কত সন্তোষ প্রকাশ কৰিছে; কিন্তু মোৰ মতে প্রকাশন পৰিষদ এটা প্রহসন। এই পৰিষদৰ বিৰুদ্ধে এটা তদন্ত সমিতি বহুওৱা হৈছিল; তাৰ ফলাফল আজিলৈকে প্রকাশ নহল। .....প্রকাশন পৰিষদ মানে এক বিশেষ ব্যক্তিহে। প্রকাশন পৰিষদক ৰাজহুৱা সম্পত্তি হিচাপে নহয়, ব্যক্তিগত সম্পত্তি হিচাপেহে ব্যবহাৰ কৰা হৈছে। পৰিষদে প্রকাশ কৰা কিছুমান কিতাপ অনাৱশ্যকীয়; কেইখনমানৰ বাহিৰে সেইবিলাক অত্যন্ত সাধাৰণ

কিতাপ। আনকি পৰিষদৰ সচিব গৰাকীৰ নিয়োগো নিয়মমতে হোৱা নাই। আৰু এই অনুষ্ঠানটোক চৰকাৰে ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যবহাৰ কৰিছে। বিশেষ ব্যক্তিক নিয়োগ কৰিবলৈ আৰু বিশেষ ৰাজনৈতিক নেতাৰ ইচ্ছা চৰিতাৰ্থ কৰিবলৈ সচিবৰ পদটো পূৰণ কৰোতে এনে অনিয়ম হৈছে। অভিযোগ উঠিছে, এই সচিব জনাৰ কাৰ্যই অসমৰে নহয় সমগ্ৰ দেশৰে সুনাম ক্ষুণ্ণ কৰিছে। অভিযোগটো এনেধৰণৰ ঃ ১৯৬৫-৬৬ চনত বিদেশ ভ্ৰমণলৈ যাওঁতে এই সচিবজনে মুগা কাপোৰ দিব বুলি এজন আমেৰিকান ভদ্ৰলোকৰ পৰা এশ ডলাৰ লৈছিল, সেই ভদ্ৰলোকজনে পিছত সচিবগৰাকীলৈ চিঠি লেখি একো উত্তৰ নাপালে। অবশেষত তেওঁ আমেৰিকাৰ ভাৰতীয় দূতাবাসৰ ওচৰ চাপে। ভাৰতীয় দূতাবাসে তেতিয়া এই বিষয়টো চৰকাৰক জনায় আৰু অবশেষত পুলিছ লগাই সচিব গৰাকীৰ পৰা টকা আদায় কৰিব লগা হয়। এইটো এটা বেয়া উদাহৰণ। এই কথা লৈ ভাৰতীয় দূতাবাস অতি অসুবিধাজনক পৰিস্থিতিত পৰিছিল। যদি কথাটো এনেধৰণৰ হয়েই, মই বুজি নাপাওঁ কেনেকৈ এই মানুহজনক প্ৰকাশন পৰিষদৰ নিচিনা দায়িত্বশীল অনুষ্ঠানৰ মুৰব্বী হৈ থাকিবলৈ দিয়া হৈছে। এইজন মানুহে সমগ্ৰ দেশ আৰু সমগ্ৰ জনসাধাৰণৰ বাবে কালিমা কঢ়িয়াই আনিছে। মই বুজি নাপাওঁ সচিবজনে কেনেকৈ এই কামটো কৰিব পাৰিলে ?—"

১৯৭৩ চনৰ ২৮ জুনত শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই অভিযুক্ত কৰা এই ভদ্ৰলোকজনে এতিয়া ১৯৭৮ চনৰ শেষ ভাগতো অসম প্ৰকাশন পৰিষদৰ সচিবৰ আসনখনি অলংকৃত কৰি আছে। তেখেতেই শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া। যোৱা পাঁচটা বছৰত অসমৰ সামাজিক-সাংস্কৃতিক তথা ৰাজনৈতিক জীৱনলৈ বিস্তৰ পৰিবৰ্তন আহিছে। জৰুৰীকালীন অবস্থাৰ অমানিশাৰ অন্ধকাৰত হাবু-ডুবু খাই, জেলত পচি পংগু হৈ সেই সময়ৰ বিৰোধীদলৰ উপনায়ক শ্ৰীদুলাল চন্দ্ৰ বৰুৱা এতিয়া জনতা চৰকাৰৰ দায়িত্বশীল মন্ত্ৰী। তেখেতে কৰা অভিযোগৰ উত্তৰ তেখেতে পালেনে নাই সেই কথা তেখেতলৈকে এৰি আমি অসম প্ৰকাশন পৰিষদৰ ভিতৰ চ'ৰাত 'অনুপ্ৰবেশ' (!) কৰিম। এই 'অনুপ্ৰবেশ' একান্ত ৰাজহুৱা স্বাৰ্থৰ খাতিৰত। যি সময়ত অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ চূড়ান্ত সংকটকাল উপস্থিত হৈছে বুলি আশংকা কৰা হৈছে, সেই সময়ত অসম প্ৰকাশন পৰিষদৰ নিচিনা যিৰিলাক অনুষ্ঠানে অসমৰ জাতি-ভাষা সংস্কৃতিৰ গুৰি বঠা ধৰা বুলি সগৌৰবে দাবী কৰে—অসমীয়া ৰাইজৰ স্বাৰ্থতে এই অনুষ্ঠানসমূহৰ ভিতৰ চ'ৰাৰ বহু-কথা ৰাইজৰ ওচৰত ডাঙি ধৰা প্ৰয়োজন।

অসম প্ৰকাশন পৰিষদৰ পকীঘৰ নে 'ময়দানবৰ কাৰেং' ?
ভবন নিৰ্মাণ সমিতি নে 'ময়দানব সংঘ' ?

পৰিষদৰ দ্বাৰা প্ৰকাশিত "অসম প্ৰকাশন পৰিষদ" নামৰ সৰু পুস্তিকাখনিত পৰিষদৰ নিজা ভবনটোৰ সম্পৰ্কত কোৱা হৈছে—"ৰাজ্যচৰকাৰৰ প্ৰত্যক্ষ উদ্যোগত ৰাজ্যখনৰ সাহিত্য-সংস্কৃতিৰ উন্নয়ন আৰু বিকাশৰ অৰ্থে এই প্ৰকাশন অনুষ্ঠান গঠন কৰা হয়। এসময়ৰ অনাড়ম্বৰ আৰু অনুষ্ঠুপীয়া অনুষ্ঠানে উত্তৰোত্তৰ উন্নতি লাভ কৰি আজি এক

কৰ্মবাস্ত সাংস্কৃতিক অনুষ্ঠানৰ ৰূপ লৈছে। পৰিষদৰ নবনিৰ্মিত ভবন পৰিষদৰ ক্ৰমোন্নয়ন আৰু কৰ্মবিস্তাৰৰ প্ৰতীক।" নিজকে সংস্কৃতিসেবী বুলি ঢাক-ঢোল কোবোৱা শান্তিনিকেতনী পোছাকপৰিহিত ফোপোঁলা ৰোমান্তিক বিলাসী কোনোবা প্ৰাণীয়ে মহেঞ্জদাৰোত আবিষ্কৃত ৰাজহুৱা স্নানাগাৰটোৰ দৰে এই তিনিমহলীয়া পকীঘৰটোৱেই অসমীয়া সংস্কৃতিৰ প্ৰতীক হিচাপে ইতিহাসৰ বুকুত অমৰ হৈ ৰ'ব বুলি কল্পনা কৰিব পাৰে; কিন্তু প্ৰকৃত সংস্কৃতিসেবীয়ে এটা পকীঘৰক সংস্কৃতিৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিব পাৰিবনে ? "পৰিষদৰ ক্ৰমোন্নয়ন আৰু কৰ্মবিস্তাৰৰ প্ৰতীক" স্বৰূপ এই ঘৰটো নিৰ্মাণ কৰিবৰ কাৰণে লাখ লাখ টকা খৰচ কৰাটো পৰিষদৰ মূল লক্ষ্যৰ সৈতে বজিতা খোৱা বিধৰ কাৰ্য হৈছেনে ? পৰিষদৰ এই ভবনটো নিৰ্মাণৰ কাৰণে যিমান লাখ টকা খৰচ কৰা হ'ল সিমান লাখ টকাৰ কিতাপ বেহাই দৰত দুখীয়া অসমীয়া পাঠকক যোগান ধৰা হৈছেনে ? নে অসমৰ জনসাধাৰণে ইতিমধ্যে প্ৰকাশিত 'হস্তিবিদ্যাৰ্ণৱ' 'প্ৰাচাশাসনাৱলী' আৰু বৰ্তমান ভ্ৰূণ অবস্থাতে থকা 'কামৰূপ শাসনাৱলী' আৰু 'শ্ৰীহস্তমুক্তাৱলী' নামৰ গ্ৰন্থ চাৰিখন ধুই পানী খাই অথবা থাপনাত ৰাখি সংস্কৃতি সেৱা কৰিব ? ইতিমধ্যে দেউগীয়া হোৱা সাহিত্যিকসকলৰ কিল্লা স্বৰূপ এই ভবনটো চাই নয়ন সাৰ্থক কৰাটোৱেই যদি সংস্কৃতিসেৱা হয় অসমীয়া সংস্কৃতিৰ সেৱাৰ নিচিনা এটা মহান কাৰ্যৰ অংশীদাৰ অসমৰ জনসাধাৰণৰ লগতে অসমত থকা বান্দৰবোৰো হ'ব পাৰিব।

পৰিষদৰ ভবনটো নিৰ্মাণৰ "এক মহৎ সপোনৰ ৰূপায়ন"ৰ কামত দিহা-পৰামৰ্শ দিবলৈ নিম্নলিখিত সদস্যসকলেৰে এখন ভবননিৰ্মাণ সমিতি গঠন কৰা হৈছিল ঃ—(১) শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, (২) শ্ৰীসতীশচন্দ্ৰ কাকতি, (৩) ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, (৪) শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া। উল্লেখযোগ্য যে, এইসকল ব্যক্তিৰ এজনো কাৰিকৰী বিদ্যা বা কাৰিকৰী শিক্ষাৰ ডিগ্ৰী নাছিল। অবশ্যে ময়দানবৰো কোনো কাৰিকৰী শিক্ষাৰ ডিগ্ৰী নাছিল, সিও সত্য। সেইফালৰ পৰা এই সমিতিটোক 'ময়দানব সংঘ' বুলি ক'ব পৰা হয়। এই 'ময়দানব সংঘৰ' দিহা পৰামৰ্শ অনুসাৰেয়েই ভবনটো নিৰ্মাণৰ কাৰণে লাখ লাখ টকাৰ হেতালি খেলা হৈছিল আৰু ভবনটো এটা ময়দানবৰ কাৰেঙত পৰিণত হ'ল। এতিয়া কথা হ'ল—কিমান লাখ টকাৰ হেতালি খেলা হ'ল ? উত্তৰটো কাৰোপক্ষে চমুকৈ দিয়া সম্ভৱপৰ নহয়।

এই ভবনটোৰ মজিয়াৰ মুঠ কালি হ'ল ২১০০০ (একৈশ হাজাৰ) বৰ্গফুট। প্ৰতি বৰ্গফুটৰ বাবে খৰছৰ বৰ্তমান হাৰ ৪০ (ছল্লিছ টকা) হিচাপত ভবনটোৰ মুঠ ব্যয়ৰ পৰিমাণ হ'ব লাগে ২১০০০×৪০=৮৪০০০০ বা প্ৰায় চাৰে আঠ লাখ টকা। কিন্তু যিমানদূৰ আমাৰ মনত পৰে ভবনটো উন্মোচনৰ সময়ত "আসাম ট্ৰিবুন"ত ষোল্ল লাখ টকাৰ হিচাব এটা ঘোষণা কৰা হৈছিল। কিন্তু এতিয়া পৰিষদৰ সচিব গৰাকীয়ে ভবনটোৰ নিৰ্মাণত চাৰে দহ লাখ টকা খৰচ পৰিছিল বুলি কয় বুলি শুনা যায়। কথাষাৰ প্ৰকৃততে হয় যদি সুখৰে কথা। কিন্তু এই চাৰে দহ লাখ টকাৰ অংকটো কেবল মূল ভবনটোৰ নিৰ্মাণৰ খৰছটোহে নে ইয়াৰ ভিতৰত প্ৰাংগন আদিৰ

কামৰ খৰছটোও অন্তৰ্ভুক্ত কৰা হৈছে? প্ৰাংগনৰ কাম, চতুৰ্থ শ্ৰেণীৰ কোৱাৰ্টাৰ আদি কামৰ বাবে পাঁচ, ছয় লাখ টকাৰ সুকীয়া টেণ্ডাৰ আছিলনেকি? এই সন্দেহৰ সুকুড়াটো পৰিষদৰ সচিবগৰাকীয়ে বন্ধ কৰাটো বাঞ্ছনীয়।

ময়দানবৰ কাৰেঙত লাখটকীয়া বিজুলী বাতি

প্ৰকাশন পৰিষদৰ এই নতুন কাৰেংঘৰত বিজুলী বাতি জ্বলাওঁতে বোলে একলাখতকৈ অধিক টকা ব্যয় হয়। ইলেকট্ৰিফিকেচনৰ মূল estimate বোলে আছিল ছাপন্ন হাজাৰ টকা। কিন্তু সচিব গৰাকীক সহজ সৰল হোজা যেন পাই ইলেকট্ৰিফিকেচনৰ ঠিকা লোৱা অনা-অসমীয়া ব্যবসায় প্ৰতিষ্ঠানটোৱে একলাখ দহ হাজাৰৰো অধিক টকাৰ এখন বিল দাখিল কৰে। শুনা যায় কাৰ্যবাহী সমিতিৰ এজন সদস্য, সেই সময়ৰ শিক্ষা সচিব শ্ৰীমদন বেজবৰুৱাই এই বিলখন মঞ্জুৰ কৰাত আপত্তি কৰিছিল। কিন্তু পিছত কাৰ্যবাহী সমিতিয়ে কি কাৰণত মূল estimateৰ প্ৰায় দুগুণ টকাৰ বিলখন মঞ্জুৰ কৰিলে আমাৰ নিচিনা কম বুদ্ধিৰ মানুহৰ বাবে সি ৰহস্যজনক হৈয়ে থাকিল।

সচিব গৰাকীৰ ছেম্বাৰ নিৰ্মাণত মাত্ৰ আধা লাখ টকা

পৰিষদৰ ভবনটোৰ তৃতীয় মহলাত পৰিষদৰ ৰাজদণ্ডধাৰী সচিব গৰাকীৰ কোঠাটো অবস্থিত। সচিবৰ সুশোভিত কোঠাটোৰ প্ৰকৃত বৰ্ণনা দিব পাৰিলেহেঁতেন জাহাঙ্গীৰৰ ৰাজদৰবাৰৰ বৰ্ণনা কৰা ইটালীয় পৰ্যটক মেন্থচিয়েহে। সেয়ে আমি কেঁচা হাতেৰে তাৰ বৰ্ণনা কৰি এই সুশোভিত কোঠাটোৰ সৌষ্ঠব নষ্ট নকৰাই বাঞ্ছনীয়। কোঠাটোৰ দুৱাৰখন ঠেলা মাৰি সোমায়েই আপোনাৰ মনত ভাব হ'ব— ময়ুৰ সিংহাসনত উপবিষ্ট ছাহজাহানক কেনে দেখাইছিল বাৰু? কোনো চিত্ৰকৰেই

ময়ুৰ সিংহাসনত উপবিষ্ট ছাহজাহানৰ চিত্ৰ আঁকা নাছিলনেকি বাৰু? আমাৰ 'হস্তিবিদ্যাৰ্ণৱ'ৰ শিল্পী দিলৰুৰ আৰু দোচাই এতিয়া থকা হলে স্বৰ্গদেউ শিবসিংহৰ চিত্ৰৰ লগতে আৰু এখন ভাল চিত্ৰ আঁকি থৈ যাব পাৰিলেহেঁতেন। দুৱাৰৰ পৰা পোন্ধৰ হাতমান দূৰৈত উপবিষ্ট অবস্থাত সচিবগৰাকীক দেখা পোৱা যায়। এই পোন্ধৰহাত দূৰত্বৰ পথ অতিক্ৰম কৰোঁতে আপোনাৰ ক্লান্তি ভাব আহিলে

বিষ্ণুৰাভাৰ গ্ৰন্থাৱলীৰ প্ৰতি অৱহেলা?

অসমীয়া সাহিত্য-সংস্কৃতিৰ একনিষ্ঠ পূজাৰী হিচাপে অসম প্ৰকাশন পৰিষদৰ সচিব গৰাকীয়ে বাতৰি কাকতত বহু বিজ্ঞপ্তি-বিবৃতি আদি ছপাই আছে। এই উদ্দেশ্যে তেওঁ হাতত লোৱা কেৰাটাও আঁচনিৰ ব্যয় লাখৰ হিচাপতহে হয়। আচৰিত কথা যে বিষ্ণুৰাভাৰ ৰচনাৱলী প্ৰকাশ কৰিবৰ বেলিকা মাত্ৰ পাঁচহেজাৰ টকাৰ বাবেই সচিব গৰাকীয়ে এই গুৰুত্বপূৰ্ণ কামটোকে বন্ধ কৰি দিলে।

বিষ্ণুৰাভা যে কেবল অসমৰ প্ৰগতিশীল চিন্তাধাৰাৰ এজন নায়ক আৰু প্ৰগতিশীল সংস্কৃতিৰ এজন পথপ্ৰদৰ্শক—তেনে নহয়। তাৰ উপৰিও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ শোষিত আৰু সংগ্ৰামী জনগণৰ বাবে তেওঁ আছিল বুকুৰ কুটুম। এনে এজন লোকৰ স্মৃতিৰ প্ৰতি অমৰ্যাদা প্ৰকাশ কৰাৰ অধিকাৰ অসমৰ বাইজে কাকো দিব নোৱাৰে।

বিষ্ণুৰাভাৰ পৰিয়ালে তেওঁৰ ৰচনাৱলীৰ সমস্ত স্বত্বৰ বিনিময়ত বিচাৰিছিল মাত্ৰ পোন্ধৰ হেজাৰ টকা। দৰভাঙা খেলি প্ৰকাশন পৰিষদ দহ হেজাৰলৈ উঠিল। শ্ৰীমতী ৰাভা সেই দৰভাঙত সন্মত নোহোৱাত ৰচনাৱলীৰ প্ৰকাশকে বন্ধ কৰা হ'ল বুলি শুনা যায়।

যেতিয়া সচিব মহাশয়ৰ কক্ষটো সাজোঁতেই অনুমান ৫০,০০০ টকা খৰচ কৰা হৈছে, তেতিয়া বিষ্ণুৰাভাৰ পবিত্ৰ স্মৃতি ৰক্ষাৰ বাবে ৫০০০ মাত্ৰ টকা বেছিকৈ দিবলৈ প্ৰকাশন পৰিষদ কিয় ৰাজী হব নোৱাৰে, অসমৰ সকলো সংস্কৃতিপ্ৰেমী মানুহে সেই প্ৰশ্নটোৰ উত্তৰ বিচাৰিছে।

জিৰণি লবৰ কাৰণে বাটত এখন দামী কাৰ্পেটৰ ওপৰত এটা সুন্দৰ ছোফা ছেট সজোৱা আছে। আপোনাৰ ক্লান্তিভাব দূৰ হ'লে এইবাৰ সচিব গৰাকীক সাক্ষাৎ কৰক। সচিবৰ কেউফালে সজোৱা আছে সুন্দৰ ৰংবিৰঙৰ বাকলিৰ কিছুমান দামী

কিতাপ। কিতাপ পঢ়া মানুহৰ অসম মুলুকত মিহে অভাব, এজন কিতাপ পঢ়া মানুহ লগ পালে স্বাভাবিকতেই আপোনাৰ ভাল লাগিব। আপোনাৰ বায়ুৰ দোষ থাকিলে কিন্তু বেচিপৰ নবহিব। কাৰণ পূবে-পশ্চিমে, উত্তৰে-দক্ষিণে, কেউফালৰপৰা ছখন ফেনে সচিবৰ কোঠাটোত উনপঞ্চাছ বায়ুৰ সৃষ্টি কৰি আছে। (প্ৰসংগতঃ অসমীয়া বিশ্বকোষৰ সাধাৰণ সম্পাদক হৈ থকা সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাৰ নিচিনা এজন প্ৰবীণ শিক্ষাবিদৰ কাৰণে এখন ফেনৰ যোগান ধৰিবলৈও বোলে পৰিষদৰ পুঁজিৰ অভাব ঘটিছিল)। এই উনপঞ্চাছ বায়ুৱে আপোনাক ৰৰকৈ অসুবিধা কৰিলে কাষতে থকা সচিবৰ ৰম্য কোঠাত (Retiring Room) আপুনি অলপ জিৰণি লওক।

সচিবৰ মূল কোঠাটোৰ কালি হ'ল ২৪ × ৩৪ = ৮১৬ বৰ্গফুট। ৰম্যকোঠাটো অন্তৰ্ভুক্ত কৰিলে মুঠ কালি হব প্ৰায় ১২০০ বৰ্গফুট। ১২০০ বৰ্গফুটৰ এটা ঘৰৰ খৰচ পৰে অন্ততঃ ৪৮,০০০ টকা। কি নিৰিখত এজন বিষয়াই ইমান ঠাই অধিকাৰ কৰিব পাৰে? অথচ 'হাউছিং' বিভাগে তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ পৰিয়াল এটাৰ কাৰণে সজা ঘৰৰ কালি চাৰিশ বৰ্গফুটৰ অধিক নহয়। এজন বিষয়াৰ আৰামৰ কাৰণে ইমান ৰাজহুৱা ধন ভাঙিবলৈ চৰকাৰে অধিকাৰ পালে ক'ৰ পৰা?

দিছপুৰত অসম চৰকাৰৰ উচ্চতম পদত অধিষ্ঠিত যি কোনো এজন বিষয়াই আমাৰ এই সচিবগৰাকীৰ, বাবে নিৰ্মিত এই আটকধুনীয়া কোঠাটো দেখিলে তেওঁলোকৰ 'ছেম্বাৰ' নামৰ সৰু কোঠালীটোলৈ মনত পেলাই হুমুনিয়াহ কাঢ়িব।

হস্তিবিদ্যাৰ্ণৱ ঃ পৰিষদৰ বৃহত্তম বগাহাতী

প্ৰকাশন পৰিষদে প্ৰকাশ কৰা আটাইতকৈ ব্যয়বহুল গ্ৰন্থখন হ'ল হস্তিবিদ্যাৰ্ণৱ। পৰিষদৰ অন্যতম উদ্দেশ্য হ'ল দুষ্প্ৰাপ্য গ্ৰন্থৰ প্ৰকাশৰ ব্যবস্থা কৰা। সেইদিশৰ পৰা প্ৰাচীন অসমীয়া চিত্ৰকলাৰ নিদৰ্শনস্বৰূপ 'হস্তিবিদ্যাৰ্ণৱ' গ্ৰন্থখন প্ৰকাশ কৰাৰ যুক্তিযুক্ততা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এই গ্ৰন্থখনক কেবল হাতী চিকিৎসাৰ পুথি বুলি ভাবিলে ভুল কৰা হ'ব। গ্ৰন্থখনৰ প্ৰধান সম্পদ হ'ল, গ্ৰন্থখনত সন্নিবিষ্ট চিত্ৰসমূহ। কিন্তু গ্ৰন্থখন প্ৰকাশৰ লগে লগে চিত্ৰকলাৰ বিশ্বদৰবাৰত প্ৰাচীন অসমীয়া চিত্ৰকলাই ৰৱপীৰা পাৰি বহিব বুলি যি আশা কৰা হৈছিল, সেই আশা পূৰণ হ'লনে? যদি সেই আশা পূৰণ নহ'ল তাৰ বাবে দায়ী কোন? নিশ্চয় গ্ৰন্থখনৰ শিল্পী-দ্বয়ক দায়ী কৰিব নোৱাৰি। গ্ৰন্থখনৰ সম্পাদনা আৰু অনুবাদত থকা ত্ৰুটিসমূহ আলোচনা কৰিবলৈ এটা পৃথক সম্পূৰ্ণ প্ৰবন্ধ লেখাৰ আবশ্যক। সেয়ে এই আলোচনা আমি পিছলৈ ৰাখিলো। বৰ্তমান আলোচনাটোত গ্ৰন্থখনৰ প্ৰকাশৰ ক্ষেত্ৰত হোৱা ব্যয়ৰ বিৰাট অংকটোৰ বিষয়টোয়েই বিশেষ গুৰুত্বপূৰ্ণ। দুখীয়া অসমীয়া ৰাইজৰ গাঁঠিৰ ধন ভাঙি এই গ্ৰন্থখন প্ৰকাশ কৰি জাতীয় দায়িত্ব পালন কৰোঁতে কেইলাখ টকা খৰচ হ'ল তাৰ হিচাব এটা পৰিষদৰ সচিব গৰাকীয়ে নিঃসংকোচে দাঙি ধৰিব পাৰিবনে?

১৯৭৬ চনৰ ৮ জানুৱাৰীৰ দিনা নতুন দিল্লীত বিশেষভাবে আয়োজিত অনুষ্ঠানত

ভাৰতৰ তেতিয়াৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদ চাহাবে হস্তিবিদ্যাৰ্ণৱ গ্ৰন্থখন উন্মোচন কৰে। সেই 'অনাড়ম্বৰ অনুষ্ঠান'ত যোগদান কৰিবলৈ সচিবৰ লগত অন্য কোনো ছেংকো পাঞ্জা গৈছিলনেকি? সেই ছেংকো পাঞ্জাৰ ভ্ৰমণ বনাছ আদিৰ খৰছ পৰিষদেই বহন কৰিছিলনে? গ্ৰন্থখন প্ৰকাশ হোৱা দুবছৰৰো অধিক কাল পাৰ হৈ গ'ল। কিন্তু ৰসস্য আৰু ৰহস্যৰ কথা হ'ল— এই আঠেবছৰ কাল অতিক্ৰান্ত হোৱাৰ পিছতো সংশ্লিষ্ট প্ৰেছটোৰ চূড়ান্ত বিলখন এইপৰ্যন্ত সম্পূৰ্ণভাবে পৰিশোধ কৰা হোৱা নাই বোলে। এতিয়া এই ৰহস্যৰ পম খেদি চোৱা যাওক। বিশ্বস্তসূত্ৰে জানিব পৰা গৈছে যে— গ্ৰন্থখনৰ প্ৰকাশৰ নিমিত্তে প্ৰথমতে একলাখ আৰু কেইহাজাৰমান টকাৰ estimate এখন যুগুত কৰা হৈছিল আৰু কাৰ্যবাহী সমিতিয়ে সেই estimate খন গ্ৰহণ কৰিছিল। সেই অনুসৰি কেইটামান নিৰ্বাচিত প্ৰেছৰপৰা নিবিদা আহ্বান কৰা হয় আৰু এন, কে, গোছেইন এণ্ড কোম্পানী নামৰ এটা কলিকতীয়া প্ৰেছক গ্ৰন্থখন ছপা কৰাৰ দায়িত্ব দিয়া হয়। কিন্তু ইমানখিনি হৈ যোৱাৰ পিছত আশ্চৰ্যজনকভাবে পূৰ্বৰ estimate খন কিবা শুভংকৰী কায়দাৰে সংশোধন কৰি চাৰে তিনিলাখ টকাৰ এখন নতুন estimate প্ৰস্তুত কৰা হয় আৰু কাৰ্যবাহী সমিতিয়েও এই নতুন estimate খন অনুমোদন কৰিলে। কিন্তু এই নতুন estimate খন প্ৰস্তুত আৰু অনুমোদিত হোৱাৰ পিছত নতুনকৈ নিবিদা আহ্বান কৰা নহ'ল আৰু পূৰ্ব উল্লেখিত কলিকতীয়া প্ৰেছটোকে ছপাৰ দায়িত্ব দিয়া হ'ল। গ'ল কথা গুছিল বুলিয়েই বাকী আমি ধৰি ল'লো। কিন্তু সংশ্লিষ্ট প্ৰেছটোৰ বিলখন এই পৰ্যন্ত পৰিশোধিত নহল কিয়? তাৰ মানে সংশোধিত estimate খনো চেৰ পেলাই প্ৰেছটোৱে দাখিল কৰা চূড়ান্ত বিলখন চাৰে চাৰিলাখ মান টকাৰ অংক এটাৰে গাভিনী হ'লনেকি? গ্ৰন্থখনৰ কিছুমান কপিত আধুনিক অসমীয়া সংস্কৰণ এটাও সংযোজিত কৰি দিয়া হৈছে। এই আধুনিক অসমীয়া সংস্কৰণটোৰ ছপাৰ বাবদ পৃথক বিল আছেনেকি আকৌ? গ্ৰন্থখনৰ বন্ধাকামৰ বাবদ মুগা কাপোৰ ক্ৰয় কৰা হৈছিল আৰু এই কামটোৰ কাৰণেও পৃথক বিল আছেনেকি? গ্ৰন্থখনৰ বহুল প্ৰচাৰৰ কাৰণে বিভিন্ন বাতৰিকাকতত প্ৰচুৰভাবে বিজ্ঞাপন দিয়া হৈছিল। তাৰ বাবদ কিমান খৰচ পৰিল বাৰু? এই সকলোবিলাক খৰছ বিবেচনা কৰিলে গ্ৰন্থখনৰ বাবে পাঁচ ছয় লাখ টকা ব্যয় হ'ল বুলি অনুমান কৰিব পৰা যায়। এতিয়া কথা হ'ল গ্ৰন্থখনৰ কাৰণে কিমান খৰছ হ'ল তন্নতন্নকৈ ফঁহিয়াই সচিবে হিচাব এটা ডাঙি ধৰিব পাৰিবনে? গ্ৰন্থখনৰ কিমান কপি ছপা কৰা হৈছিল, কিমান কপি এই পৰ্যন্ত বিক্ৰী হ'ল, কিমান কপি উপহাৰ স্বৰূপে দিয়া হ'ল, কিমান কপি এতিয়া পৰিষদৰ গুদামত আছে তাৰো হিচাপ এটা ৰাজহুৱাভাবে ব্যক্ত কৰাটো বাঞ্ছনীয় বুলি আমি ভাবোঁ।

অসমীয়া বিশ্বকোষ ঃ আঠ লাখ টকা খৰছ কৰি কেই পৃষ্ঠা লেখা হ'ল?

প্ৰকাশন পৰিষদৰ এটা অন্যতম ঘোষিত লক্ষ্য হ'ল অসমীয়া ভাষাত বিশ্বকোষ প্ৰণয়ন

কৰা। বিশ্বকোষ প্ৰণয়নৰ আঁচনিখন গ্ৰহণ কৰাৰ আগে আগে কোনো কোনো চিন্তাশীল ব্যক্তিয়ে এই কঠিন-সাধ্য আঁচনিখন গ্ৰহণ কৰাৰ সময় এতিয়াও হোৱা নাই বুলি পৰিষদক বাৰে বাৰে সকিয়াই নিছিল। কিন্তু সম্মুখত ত্ৰিছ লাখ টকাৰ চৰকাৰী অনুদান ৰইনা লৈ ছপাবলৈ নাযাব কোন? বিশ্বকোষৰ আঁচনিখন গ্ৰহণ কৰা হয় ১৯৭১ চনত অৰ্থাৎ আঁচনি গ্ৰহণ কৰা সাতবছৰ হ'ল। কিন্তু এই পৰ্যন্ত প্ৰস্তাবিত অসমীয়া বিশ্বকোষখনৰ বাৰটা খণ্ডৰ এটা খণ্ডও অসমীয়া ৰাইজৰ হাতত পৰাহি নাই। এই আঁচনি খনৰ বাস্তব ৰূপায়নৰ শামুকীয়া গতিৰ অন্তৰালত কি গোপন ৰহস্যই কাম কৰি আছে?

অসমীয়া বিশ্বকোষ প্ৰণয়নৰ আঁচনিখনৰ কাৰণে চৰকাৰে আগবঢ়োৱা ত্ৰিছ লাখ টকাৰ অনুদানৰ পৰা পৰিষদে ইতিমধ্যে আঠলাখ টকা সৰকালেই বোলে। বিশ্বকোষ খনৰ প্ৰাথমিক পৰ্যায়ৰ কিছু কাম-কাজকে ধৰি বৰ্তমান প্ৰথম খণ্ডৰ চলি থকা কামৰ বাবে এই আঠলাখ টকাৰ পৰা পাঁচ লাখৰো কিছু অধিক টকা খৰছ হোৱা দেখুওৱা হৈছে। বাকী আঢ়ৈলাখ টকা ক'লৈ গ'ল? সেই টকা বেংকত জমা হৈ আছেনে? অথবা সেই টকাখিনি অন্য কোনো কামত খটুওৱা হ'লনেকি? বিশ্বকোষ আঁচনিৰ টকা অন্য কামত খটুওৱা হৈছে যদি তাৰবাবে চৰকাৰ বা পৰিষদৰ অনুমতি লোৱা হৈছেনে? বিশ্বকোষৰ টকা অন্যকামত খটুওৱাৰ ফলত আঁচনিৰ অগ্ৰগতি শামুকীয়া হৈ পৰা নাইনে? ইয়াৰ অন্তৰালত কি গোপন আভসন্ধি আছে? এই আঁচনি খনৰ কাৰণে লাখ লাখ টকা খৰছ হোৱাৰ পিছত কিয় এই আঁচনিখনৰ কাম এবাৰ নহয় দুবাৰো সাময়িকভাবে স্থগিত ৰখাৰ অপচেষ্টা কৰা হৈছিল বুজি পোৱা নাযায়। বাজেটত এই আঁচনিখনৰ অধীনত যিমান কেইজন কৰ্মচাৰী নিযুক্তি দিয়া দেখুওৱা হৈছে, প্ৰকৃততে তেওঁলোক বিশ্বকোষৰ কামত নিয়োজিত হৈছেনে অন্যকামত নিয়োজিত হৈছে? যদি অন্যকামত নিয়োজিত কৰা হৈছে তেওঁলোকক বিশ্বকোষৰ আঁচনিৰ ধনেৰে দৰমহা দিয়াটো আঁচনিখনৰ প্ৰতি অন্যায় হোৱা নাইনে? ১৯৭৫ চনত প্ৰখ্যাত শিক্ষাবিদ এসময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাক অসমীয়া বিশ্বকোষৰ সাধাৰণ সম্পাদক হিচাপে নিযুক্ত কৰা হৈছিল। কিন্তু দুবছৰ কাল থাকিয়েই তেখেতে কি পৰিস্থিতিত পদ ইস্তফা দিবলগীয়া হ'ল? তেখেতে পদত্যাগ পত্ৰত দেখুওৱা কাৰণৰ উপৰিও পদ ইস্তফা দিয়াৰ অন্য কাৰণো আছে নেকি? বিশ্বকোষৰ সাধাৰণ সম্পাদক হৈ থকা কালছোৱাত গৰমকালিও শ্ৰীৰাজখোৱাক এখন ফেন দিয়া হোৱা নাছিল। কাম চলাবৰ বাবে এজন পিয়নো তেখেতৰ নাছিল বোলে। কোঠাত এখন মেজ আৰু এখন চকীৰ বাহিৰে তৃতীয় এক পদ বস্তুও পোৱা নাছিল। অন্য হাতে বিশ্বকোষ প্ৰণয়ন পৰিষদৰ এটা অন্যতম উদ্দেশ্য হিচাপে উল্লেখিত থকা সত্ত্বেও পৰিষদে বিশ্বকোষৰ আঁচনিখন গ্ৰহণ কৰাৰ পিছত কি যুক্তিত এসময়ত দুবছৰমান ধৰি বিশ্বকোষৰ ওপৰঞ্চি দায়িত্ব পালন কৰাৰ নামত সচিব গৰাকীয়ে তেওঁৰ মূল বেতনৰ বিছ শতাংশ বিশেষ ভাট্টা হিচাপে গ্ৰহণ কৰিছিল? কি যুক্তিত পৰিষদে এই বিশেষ ভাট্টা অনুমোদন কৰিছিল? বিশ্বকোষৰ নামত চলা এই সমস্ত কাণ্ডটোৰ বিতং তদন্ত হোৱা আবশ্যক। ৰাজহুৱা ধন বিশ্বকোষৰ কাৰণে কি হিচাপে, কেনে ধৰণে ব্যয় হৈছে সেই কথা জনাৰ অধিকাৰ ৰাইজৰ আছে।++

সাপ্তাহিক

ধাৰাবাহিক উপন্যাস

গণদেবতা

(মহান তেলেংগানা কৃষক বিদ্রোহৰ পটভূমিত ৰচিত কৃষণ চন্দৰৰ উৰ্দু উপন্যাস 'যব খেত জাগে'ৰ অসমীয়া অনুবাদ।)

অনুবাদ—সুৰেন্দ্ৰকুমাৰ শৰ্মা

(ন)

ফাঁচিছেলৰ দুৱাৰখন আকৌ খোলখালে। দুৱাৰমুখত তাৰ দেউতাকৰ মুখখন দেখা গ'ল। তেওঁৰ পাছত বৃদ্ধ ওৱাৰ্ডাৰজন। দেউতাকৰ গভীৰ ক'লা চকুহাল পানীৰে চলচলীয়া হৈ গৈছে।

ভেৰাইয়াই ধীৰে ধীৰে তাৰ ফাললৈ আগুৱাই গৈ থমকি ৰ'ল। ৰঘুৰাৱে ধীৰে ধীৰে তাৰ মুখখন ঘুৰাই ক'লে, "দেউতা, বহা।" ৰঘুৰাও আৰু ভেৰাইয়া দুয়ো ফাঁচিছে'লৰ পকী মজিয়াত বহি পৰিল।

ভেৰাইয়াৰ ওঁঠদুটা কঁপিছিল। তেওঁৰ মুৰটোও এক অদ্ভুত তথা আগেয়ে নেদেখা ধৰণে ধীৰে ধীৰে কঁপিছিল। বহুকথাই তেওঁৰ ক'বলগা আছিল। কিন্তু তেওঁ হয়তো কোনো কথাই ক'বলৈ সক্ষম নহ'ব। তেওঁৰ এনে অদ্ভুত অবস্থা দেখাৰ লগে লগে ৰাওৰ প্ৰাণটোৱে হাঁহাকাৰ কৰি উঠিল। কিন্তু অতি কষ্টেৰে নিজকে সংযত কৰি সি দেউতাকক সুধিলে, "গাঁৱৰ খবৰ কি?"

"গাঁৱত এতিয়া আৰু কোনো নাই। চৰবোৰ ডেকাকেই গ্ৰেপ্তাৰ কৰা হৈছে। যিবোৰ পুলিছৰ হাতত নপৰাকৈ আছিল, সিহঁতো জংঘললৈ পলাই গৈছে। তাৰ অহৰ্নিশে পুলিছ-মিলিটাৰি যায় সিহঁতক ধৰিবৰ বাৰে। কেতিয়াবা আকৌ গভীৰ নিশা জংঘলৰ ফালৰ পৰা গুলিৰ শব্দ আহে। আৰু বৃদ্ধা পুলস্মাই চিঞৰে, 'আৰু এটা গ'ল ঐ।' তাৰপাছতে তাই অট্টহাস্য কৰি উঠে।"

"পুলস্মা আইতা?" ৰাৰে সুধিলে।

"পুলস্মা আই পাগল হৈ গৈছে।"

কেইমুহূর্তমান স্তব্ধ হৈ থাকি ৰাৰে সুধিলে, "আৰু জগন্নাথ ৰেডডী?"

"জমিদাৰতো হাউলিৰ পৰা নোলায়েই। পুলিছ-মিলিটাৰিয়ে গড় আৰু চাৰি-আলিটোত ৰৈ সকলো সময়তে পহৰা দিয়ে। ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ যাবলৈ হলে প্ৰতিজন কৃষকক খানাতালাচ কৰা হয়।" আৰু কিছুপৰ নীৰবতা বিৰাজ কৰিলে। ভেৰাইয়াৰ ওঁঠ কঁপি উঠিল। তেওঁ ধীৰে ধীৰে সুধিলে, "আপীল নামঞ্জুৰ হৈছে?"

"এৰা!"

"ৰংডু ধুবীয়ে কৈছিল যে জগন্নাথ ৰেডডীয়ে হেনো কৈছে, ৰঘুৰাৱে ক্ষমা প্ৰাৰ্থনা কৰা হ'লে তাৰ এই শাস্তি নহ'লহেঁতেন!"

"কিহৰ বাবে মই ক্ষমা ভিক্ষা কৰিম?" ৰাৰে খঙেৰে সুধিলে।

"মইতো একোৱেই কোৱা নাই। ৰংডুৱেহে এনেদৰে কৈছে।" ভেৰাইয়াই কোমল কণ্ঠেৰে ক'লে।

"আৰু দেউতা, তোমাৰ মনোভাবনো কি?"

ভেৰাইয়াই ধীৰে ধীৰে ৰৈ ৰৈ ক'লে "মোৰ কেতিয়াবা কেতিয়াবা ভাব হয় তেই যি কৰিছ ঠিকেই কৰিছ। আৰু কেতিয়াবা কেতিয়াবা ভাবোঁ, তই যে মোৰ একমাত্ৰ পুত্ৰ সন্তান।" ভেৰাইয়াই তলমূৰ কৰিলে।

ৰাৰে তাৰ হাত এখন ভেৰাইয়াৰ কান্ধত থৈ ক'লে, "দেউতা, এদিন তুমিয়েই মোক গড়ক ঘৃণা কৰিবলৈ শিকাইছিলা। আজি কি তুমি মোক সেইকথা পাহৰি যাবলৈ কৈছা?"

"ওঁহো।" ভেৰাইয়াৰ মুখৰ পৰা হঠাতে ওলাল। "কিন্তু বোপা, মই হলোঁ এক অশিক্ষিত মূৰ্খ কৃষক। মই কেতিয়াবা কেতিয়াবা ভাবি নেপাওঁ, মোৰ একমাত্ৰ পুত্ৰক কিজৰ বাবে মোৰ বুকুৰ মাজৰ পৰা কাঢ়ি নিয়া হ'ল। কেতিয়াবা কেতিয়াবা

আৰু' গভীৰ নিশা জংঘলৰ মাজৰ পৰা গুলিৰ শব্দ আহিলে নিশাটো আৰু বেছি জয়াৰ যেন লাগে।"

ৰঘুৰাৱে হাতখন দেউতাকৰ কান্ধৰ পৰা আঁতৰাই নানি আৰু জোৰেৰে ধৰিলে। লাহে লাহে সি তাৰ প্ৰতিটো কথাই দেউতাকক বুজাব ধৰিলে।

"দেউতা, সেই মেলাৰ কথা তোমাৰ মনত আছেনে য'ত ৰামায়া শেঠীৰ দোকানৰ সমুখত ৰৈ মই ৰেছমৰ কাপোৰখানত হাত দিয়াৰ বাবে ৰামায়া শেঠীয়ে অশ্লীল ভাষাৰে গালি পাৰিছিল? তুমি হয়তো সিদিনা কাপোৰৰ খানৰ পৰা হাত-খন সভয়ে আঁতৰাই আনিছিলা। তুমি হয়তো সিদিনা তোমাৰ পুত্ৰৰ মনোভাব বুজিছিলা যে জগন্নাথ ৰেডডীৰ ল'ৰা প্ৰতাপ ৰেডডীৰ নিচিনাকৈ ময়ো ৰেছমৰ চোলা পিন্ধিব বিচাৰোঁ। কিন্তু তুমি মনে মনে জানিছিলা যে বেগাৰৰ বাবে ৰেছম নহয়। ৰেছম সিপক্ষৰ বাবেহে। সমস্ত ক্ষুধা ইফালে আৰু চৰবোৰ শস্যই সিফালে। সমস্ত অপমান আমাৰ বাবে, আৰু চৰ সন্মান সিহঁতৰ বাবে। কিন্তু দেউতা, ৰেছমৰ থান স্পৰ্শ কৰাৰ চেষ্টা আৰু যি যুগৰ লোকে ৰেছম, ক্ষুধা আৰু মখমলৰ বাবে কান্দিব লগা নহ'ব, সেই যুগটোক সোনকালে আনিবলৈ চেষ্টা কৰাৰ বাহিৰে তোমাৰ ল'ৰাৰ অপৰাধ অকণো বেছি নহয়। এই একাগ্ৰ লক্ষ্যৰ বাবেই তোমাৰ পুত্ৰক কাইলৈ পুৱা সাতটাত ফাঁচি দিয়া হ'ব। বচ, ইয়াৰ বাহিৰে মোৰ আন অপৰাধ নাই।"

ভেৰাইয়াই কান্দিব ধৰিলে। ৰঘুৰাওৱে ক'লে, "দেউতা, তুমি কান্দিলে মানুহে কি ক'ব? গাঁৱৰ মানুহবোৰে কি ক'ব? জমিদাৰৰ গড়ে তোমাক এনে অবস্থাত দেখিলে কিমানেই যে আনন্দিত নহ'ব!"

ভেৰাইয়াই চকুপানী মোহাৰি পেলালে। ভালেমানপৰ ধৰি ৰঘুৰাৱে দেউতাকক জালে। আজি সি যিদৰে দেউতাকক মনৰ মাজৰ পৰা সকলো উজাৰি দিব ধৰিলে নেদৰে ইমান গভীৰ মমতা আৰু দৰদেৰে সি কোনো দিনেই ভেৰাইয়াৰ সতে কথা পতা নাছিল।

তাৰ যি সম্বল আছিল, সি যিবোৰ চিন্তা কৰিছিল, সি যিবোৰ কৰিব নোৱা-ৰিলে কিন্তু এতিয়াও কৰিব বিচাৰে সেই সকলোবোৰ মন উজাৰি দেউতাকক দি বিদায় দিয়াৰ ইচ্ছা হ'ল ৰঘুৰাওৰ। ৰেছমৰ চোলাটোৰ কথা ভেৰাইয়াই বুজিছিল। সেয়ে ৰঘুৱে তাৰ দেউতাকক হায়দৰাবাদৰ কথা কৈছিল। কিদৰে জানো ৰেছমৰ চোলাৰ বাবে তাৰ মন চটফটাইছিল। সেই চোলাৰ বাবে অতি যত্নেৰে সি কিছু ধন সঁচাৰ চেষ্টা কৰিছিল। কিন্তু কিবা নহয় কিবা এটা সদায়েই ঘটি আহিছিল যাৰ ফলস্বৰূপে ৰঘুৰ জীৱনৰ এই আকাংক্ষা কাহানিও পূৰ হোৱা নাছিল। কথাটো নিতান্তই সাধাৰণ। কিন্তু এই তুচ্ছাতিতুচ্ছ কথাৰ বাবে, ৰেছমৰ মাথোঁ এটি চোলাৰ বাবে, শস্যৰ এটি কণিকাৰ বাবে, অলপ আনন্দৰ বাবে, সৌন্দৰ্যৰ এটি ৰশ্মিকণাৰ বাবেই যে বেগাৰহঁতৰ পৃথিবী বন্ধ্যা হৈ আছে! পৃথিবীত সেই বন্ধ্যাত্ব আৰু কিমান দিনলৈ থাকিব? হঠাতে বাহিৰৰ কোনেও সিহঁতৰ অবস্থা সলনি নকৰে। হাজাৰ হাজাৰ বছৰ ধৰি চলি অহাৰ নিচিনাকৈ সদায়েই ৰেছম সিফালে থাকিব আৰু অন্যায় তথা অত্যাচাৰ ইফালে ৰ'ব।

ঘনুৱাৰে কেউতাকক ভালেমান সময়জুৰি বুজাব ধৰিলে। ভেৱাইয়াই তাৰ কথা গভীৰ মনোযোগেৰে শুনি থাকিল। পিতা-পুত্ৰ দুয়োজনে ইমানেই ওচৰা-ওচৰিকৈ নিৰুদ্বেগচিত্তেৰে কথা পতাত মগ্ন আছিল, তেওঁলোকে গাঁৱৰ চণ্ডীমণ্ডপতহে যেন বহি আলোচনা কৰি আছে! হঠাতে ফাঁচিছেলৰ দুৱাৰত কোনোবাই যেন খুন্দাহে মাৰিলে আৰু লগে লগে ঘনুৱাও আৰু ভেৱাইয়া উৎকৰ্ণ হৈ উঠিল। দুৱাৰমুখত বৃদ্ধ ওৱাৰ্ডাৰজনে পহৰা দি আছিল। সি ক্ষমা বিচাৰি ক'লে, "মোৰ ডিউটি শেষ হ'ব এতিয়া। সেয়ে ভেৱাইয়া যাব লাগিব। নতুন ওৱাৰ্ডাৰে দেখিলে বেয়া হ'ব।"

ভেৱাইয়া থিয় হ'ল। ঘনুৱাৰে তেওঁক আলিংগন কৰিলে। আলিংগনাবদ্ধ অবস্থাতে ভেৱাইয়াই ক'লে যে তেওঁ পুৰা গাঁৱৰ পৰা আকৌ জে'লৈ আহিব।

"কিন্তু তুমি এতিয়া কিয় গাঁৱলৈ যাব লাগে? এই চহৰতে থাকা অথবা জেলৰ বাহিৰত ক'ৰবাত শুই থাকা।" ঘনুৱে ক'লে।

'ওহোঁ, মই গাঁৱলৈকে যাওঁ। ৰাতিপুৱাতে আহিম। আজি গোটেই নিশাটো যদি খোজ কাঢ়োঁ, তেতিয়াহে পাম। নহলে.....।"

ভেৱাইয়াই কথাষাৰ সম্পূৰ্ণ নকৰাকৈ সেই ঠাই পৰা আঁতৰি গ'ল।

ভেৱাইয়া যেতিয়া গাঁও পালেগৈ, সেই সময়ত সকলোবোৰ শুই নিঃপালি দিছিল। কেবল পুলস্মাৰ পঁজাৰ দুৱাৰখন সেই সময়ত খোলা আছিল। ভিতৰত চাকি এটা জ্বলি আছিল। ধীৰে ধীৰে ভেৱাইয়া পুলস্মাৰ দুৱাৰ মুখত গৈ ব'ল। পুলস্মাক দেখি ভেৱাইয়াই বিব্ৰতবোধ কৰিলে। পাগলী পুলস্মা এতিয়াও সাৰে আছে। তাইৰ চকু-মুখত ভয় আৰু বিভ্ৰান্তিৰ স্পষ্ট চিহ্ন আছিল। ভেৱাইয়াক দেখাৰ লগে লগে তাই খাটৰ পৰা নামি তেওঁৰ কাষলৈ গ'ল। ইফালে সিফালে এবাৰ চাই তাই ভেৱাইয়াৰ কাণৰ কাষলৈ মুখ নি ফুচ ফুচাই সুধিলে, "কেনে আছে মোৰ সোণটো?"

"ভালেই আছে। তোমাক সি প্ৰণাম জনাইছে।"

"জীয়াই থাকক মোৰ সোণটো। যুগ যুগ ধৰি বাঁচি থাকক সি।"

পুলস্মাৰ মুখৰ পৰা হঠাতে কথাকিষাৰ ওলাল। পিছমুহূর্ততে তাই অট্টহাস্য কৰি উঠিল। ভেৱাইয়াই পৰম উৎকণ্ঠাৰে তাইলৈ চাই থাকিল। পুলস্মাই হাঁহি হাঁহি এটাসময়ত বৈ গ'ল আৰু ভেৱাইয়াৰ মুখলৈ চাই ক'লে "ভেৱাইয়া, মই পাগলী নহওঁ। ওঁ, মাজে মাজে মোৰ মনটো ইমান হতাশ হৈ পৰে যে মই হাঁহিবলৈ বাধ্য হওঁ। নাহাঁহিলে যে মই মৰি যাম।"

ভেৱাইয়া মনে মনে থাকিল। পুলস্মাই তেওঁৰ মুখলৈ চাই ক'লে, "তোমাৰ মনৰ মাজত কিবা এটাই নিশ্চয় খেলা কৰিছে। মই তোমাক জানো। তোমাৰ মনৰ মাজত থকা কিবা কথাই নিশ্চয় তোমাক কষ্ট দিছে। কোৱা, কি সেই কথা?"

ভেৱাইয়াই ক'লে, "নাই নাই, কোনো কথাই নাই।"

"নিশ্চয় আছে।" পুলস্মাই ধমক দি উঠিল, "কোৱা, নহলে মই চিঞৰি চিঞৰি হাঁহিম।"

ভেৱাইয়াই কণ্ঠ মকণ্ডৈকৈ ক'লে, "মোৰ ভাব হৈছে, ল'ৰাটোৱে বোধকৰো ৰেছমৰ চোলা পিন্ধিৰ বিচাৰে।"

"ৰেছমৰ চোলা?" পুলস্মাই হাঁহিলে। "ৰেছমৰ চোলা!—কি কথা কৈছা তুমি? ঘনুৱে নিজেই কৈছেনে তোমাক?"

"নাই, সিতো একোকেই নকয়। কিন্তু মোৰ অনুমান হ'ল যদি তাক ৰেছমৰ চোলা পিন্ধাব পাৰো, মৰাৰ সময়ত সি ধৰ সুখী হ'ব।"

পুলস্মাই সজাৰে হাঁহি উঠিল। "ৰেছমৰ চোলা! হাঃ হাঃ হাঃ। ৰেছমৰ চোলা! হিঃ হিঃ হিঃ। ভেৱাইয়া তুমিতো আগৰে পৰা মূৰ্খ। ৰেছমৰ চোলা! হাঃ হাঃ হাঃ। এই গাঁৱত কাৰ ৰেছমৰ চোলা আছে? ভেৱাইয়া, তুমি একেবাৰে মূৰ্খ।" পুলস্মাই আকৌ হাঁহিলে ভয়লগা শব্দ কৰি।

ভেৱাইয়াই কোমল কণ্ঠেৰে ক'লে, "তুমি বুজিব পৰা নাই পুলস্মা। তুমি ল'ৰাটোৰ মনটোক বুজিব পৰা নাই। মোৰ কথা এটাকৈ মনত পৰে, মই যেতিয়া তাহানিখন তালপাতৰ ছাতি এটা তাক কিনি দিছিলোঁ, সি বৰ আনন্দেৰে মোলৈ চাইছিল। তাৰ প্ৰতিটো খেলনাৰ কথাই মোৰ মনত পৰে। তুমিতো জানাই, বেগাৰৰোৰে নিজৰ সন্তানক বেছি খেলনা দিব নোৱাৰে। অতি কম সংখ্যক বেগাৰৰ সন্তানেহে খেলনা পাইছে। খেলনাৰ আকাংক্ষা আমাৰ শিশুহঁতৰ মনত বেছি পৰিমাণে থাকি যায়। আজি যেতিয়া মোৰ ল'ৰা, ডেকাল'ৰা বাইছ বছবীয়া ঘনুৱে ৰেছমৰ চোলাৰ কথা কৈছিল, মই তেতিয়া তাৰ চকুত সেই শিশুসুলভ উজ্জ্বলতা দেখিছিলোঁ, সেই চখ দেখিছিলোঁ, যি পিতৃহৃদয়ক হাতৰ মুঠিৰ মাজত ৰাখি থয়। পুলস্মা, তুমিতো মাতৃ, তুমি জানো এইবোৰৰ একোকেই নাজানা?"

পুলস্মাই তলমূৰ কৰি ক'লে, "মোৰতো সকলোৱেই মৰি গৈছে। এটাও নাই। কোনোটো মৰিছে ৰোগত, কোনোটো হৈছে প্লেগৰ চিকাৰ। কোনোটো আকৌ গুলীত মৰিছে। আৰু বাকী যিবোৰ আছিল, সিহঁতক জমিদাৰেই খাইছে। মোৰযে কোনোবোৰ মৰিছে ভেৱাইয়া! মই আৰু এতিয়া একোৰেই নাজানো।" পুলস্মাই আৰ্তনাদ কৰি উঠিল।

ভেৱাইয়াই ক'লে, গাঁৱৰ কাৰোবাৰ তাত ৰেছমৰ চোলা আছেনে?"

পুলস্মাই অট্টহাস্য কৰি উঠিল। পুলস্মাৰ হাঁহিৰ শব্দ শুনি ওচৰে-পাজৰে থকা দুই চাৰিজন কৃষকে ভয়ে ভয়ে ঘৰৰ পৰা ওলাই আহিল বাহিৰলৈ। ভেৱাইয়াক দেখি সিহঁতে উৎকণ্ঠাৰে সুধিলে, "কি হ'ল, পাগলীজনীয়ে হাঁহিছে কিয়?"

পুলস্মাই ধমক দি উঠিল, "পাগলী মই নহওঁ, যিবোৰে মোক পাগলী বোলে, সিহঁতহে পগলা। মোৰ ল'ৰাটোৰ বাবে ৰেছমৰ চোলা এটা লাগে।"

ভেৱাইয়াই সমস্ত ঘটনা সিহঁতক ক'লে। সিহঁতে ভয়ে ভয়ে ক'লে, "ভেৱাইয়া, তোমাৰ মনৰ অৱস্থা আমি বুজিছোঁ। কিন্তু এনে সময়ত ৰেছমৰ চোলা ক'ত পাব? ৰেছমৰ চোলাৰ বাবে মিছায়ে আলোচনা কৰিছা। পুৱাই ৰাওৰ ফাঁচি হ'ব আৰু এতিয়া তুমি ৰেছমৰ চোলা বিচাৰি ফুৰিছা। ৰাৱে যদি শুনে তাৰ দেউতাকে তাৰ মৃত্যুৰ সময়ত কেনে ধৰণৰ গোলমাল লগাইছে, তেনেহলে সি খং কৰিব।" এজন কৃষকে ক'লে। "গোৰুমাৰ বিয়া হ'ব অহা মাহত। ব'লা বাৰু তাইৰ দেউতাকক সোধোঁ। বিয়াৰ বাবে সি ৰেছমৰ কাপোৰ আনিবও পাৰে হয়তো।

ভেৰাইয়াৰ মনৰ ইচ্ছাও পূৰণ হ'ব।"

আন এজন কৃষকে ক'লে "তুমিতো বেছ মূৰ্খ হে। গোৰম্মাৰ বাপেকৰ হাতত ৰেছমৰ কাপোৰ কিনাৰ পইচাই বা ক'ত? বুৰক নহ'বা মিছাকৈ।"

ভেৰাইয়াই কুণ্ঠিত স্বৰেৰে ক'লে, "যিয়েই নহওক, সোধাত দোষ ক'ত?" কেইজনমান কৃষক ভেৰাইয়াৰ সতে গোৰম্মাৰ ঘৰলৈ যাবলৈ ওলাল। এজন বৃদ্ধই ক'লে, "কিন্তু পুলিছ যদি আহি যায় আৰু যদি সোধে ইমান ৰাতিখন কিহৰ ফুচফুচিয়া মেল পাতিছ বুলি, তেতিয়া কি হ'ব?" আন এজন কৃষকে লগে লগে ক'লে, "সেয়া বাৰু পাছত দেখা যাব। এতিয়া বলা গোৰম্মাৰ ঘৰলৈ।"

তেওঁলোক যিবোৰ ঠাইৰ মাজেদি গ'ল, সেইবোৰ ঠাইৰ কৃষকসকল শেতেলীৰ পৰা উঠি বাহিৰলৈ ওলাই আহিব ধৰিলে। আৰু এওঁলোকেও ভেৰাইয়াহঁতৰ দলত যোগ দিব ধৰিলে। ইতিমধ্যে ৰেছমৰ চোলাৰ বাতৰি সমগ্ৰ গাঁৱতেই বনজুইৰ নিচিনাকৈ বিয়পি পৰিল। গোৰম্মাৰ দেউতাকেও ভেৰাইয়াহঁত গৈ পোৱাৰ আগেয়ে খবৰটো পালে। তেওঁ হাতজোৰ কৰি দলটোক কলে, "গোৰম্মাৰ বিয়াৰ বাবে মই যিবোৰ কাপোৰ-কানি কিনিছোঁ, সেই সকলোবোৰ এই খাটখনতে আছে। চোৱাহঁক ইয়াত এডোখৰো ৰেছমৰ কাপোৰ নাই। মোৰ গোটেই ঘৰটোও খানাতালাচ কৰিব পাৰা। ৰঘুৱাওৰ বাবে অকল ৰেছমৰ কাপোৰ কিয়, লাগিলে জীৱটোও দিবলৈ প্ৰস্তুত আছোঁ।"

গোৰম্মাহঁতৰ ঘৰৰ পৰা দলটো ওলাই আহি ইফালে সিফালে আন কৰবাত ৰেছমৰ কাপোৰ পায়নেকি বিচাৰিব ধৰিলে। অলপ সময়ৰ ভিতৰতে প্ৰতিঘৰতেই কাপোৰ বিচৰা হ'ল। আৰু এতিয়া গাঁৱৰ প্ৰতিজন ব্যক্তিয়েই যিকোনো উপায়ে যিকোনো ঠাইৰ পৰা ৰেছমৰ কাপোৰ সংগ্ৰহ কৰিবলৈ উদগ্ৰীব হৈ পৰিল। তেওঁলোকে পগলা কুকুৰৰ নিচিনাকৈ ঘৰে ঘৰে ৰেছমৰ কাপোৰ বিচাৰি ফুৰিব ধৰিলে।

মৃত্যুৰ সময়ত ৰঘুৱে ৰেছমৰ কাপোৰ পিন্ধিব। যি ৰঘুৱে শৈশৱত ৰেছমৰ কাপোৰ ছুই ৰামায়া শেঠীৰ ধমক খাইছিল, যি ৰঘুৱে কেবাবাৰো পইচা সাঁচিও ৰেছমৰ চোলা এটা কিনিব পৰা নাছিল, যি ৰঘুৱে ৰেছমৰ চোলা পিন্ধাৰ বাবে মনে মনে হামৰাও কাঢ়িছিল, সেই শ্ৰীপুৰুম গাঁৱৰ ৰঘুৱে মাখনৰ নিচিনা কোমল তথা মাৰ্বল পাথৰৰ নিচিনা মসৃন ৰেছমৰ চোলা পিন্ধি ফাঁচিশালৈ আগবাঢ়ি যাব—এই কথাষাৰ বৃদ্ধসকলে অন্তৰেৰে সমৰ্থন কৰিছিল। অথচ যিসকল চেঙেলীয়া ল'ৰা আছিল, সিহঁতো ৰেছমৰ কাপোৰ বিচৰাসকলৰ লগ লাগিল।

ঘৰে ঘৰে দুৱাৰৰ আঁৰত ৰেছমৰ ছোলা ক'ত পোৱা যায় আলোচনা চলিল। এনেতে ৰামালু ধুবী দৌৰি দৌৰি ভেৰাইয়াৰ কাষলৈ আহিল। তাৰ হাতত এখন লেতেৰা কাপোৰেৰে মেৰিওৱা সৰু ঠোপোলা এটা আছিল। টোপোলাটো সি ভেৰাইয়াৰ আগত খুলি ক'লে, "ইয়াত দুটা ৰেছমৰ কামিজ আছে, এটা জগন্নাথ ৰেড্ডীৰ আৰু এটা প্ৰতাপ ৰেড্ডীৰ।'

ভেৰাইয়াই প্ৰচণ্ড ঘৃণাৰে ক'লে, "মোৰ ল'ৰাই জমিদাৰৰ কাপোৰ পিন্ধিব? ৰামালু, তুমি কেনেধৰণৰ কথা কৈছা?"

ৰামালুৱে ইতস্ততঃ কৰি ক'লে, "তেনেহলেনো আৰু এই গাঁৱত ক'ত ৰেছমৰ চোলা পাবা?"

ভেৰাইয়া মনে মনে থাকিল। ভাগ্যমান ডেকা ল'ৰা নিজৰ নিজৰ ঘৰলৈ উলটি গ'ল। হঠাতে কিবা এটা মনত পৰাৰ লগে লগে ভেৰাইয়া তেওঁৰ ঘৰলৈ লৰ ধৰিলে।

ধানখেৰ এসোপাৰে ঢাকি থোৱা কাঠৰ পুৰণি পেৰাটো খুলি ভেৰাইয়াই কাপোৰবোৰ উলিয়ালে। পেৰাটোৰ তলিত তেওঁৰ পত্নীৰ কাপোৰ-কানিবোৰ সযত্নে থৈ দিয়া অবস্থাত আছিল। এই কাপোৰবোৰ ভেৰাইয়াৰ শহুৰেকে বিয়াৰ সময়ত জীয়েকক যৌতুক হিচাপে দিছিল। ইতিমধ্যে যৌতুকত দিয়া আন কাপোৰবোৰ ফাটি গৈছে। মাথোঁ ৰেছমৰ ওৰণা এখনহে ৰৈছেগৈ। এই ওৰণাখন ৰঘুৰ মাকে বোৱাৰী-য়েকৰ বাবে সযতনে থৈ দিছিল। ৰঘুৰ মাকে মাজে মাজে ওৰণাখন ভেৰাইয়াক দেখুৱাই অহংকাৰ কৰি কৈছিল, "আন কোনোবা বেগাৰৰ ঘৈণীয়েকৰ এনে সুন্দৰ ওৰণা আছেনেকি? মই এইখন মোৰ ল'ৰাৰ বিয়াৰ সময়ত বোৱাৰীক দিম?"

ভেৰাইয়াই আলফুলকৈ পেৰাটোৰ তলৰপৰা ওৰণাখন উলিয়াই আনিলে। হাতেৰে সজা চুমকিৰে ভৰা ৰঙা সুন্দৰ ওৰণা। বিশুদ্ধ ৰেছমৰ বাবে ইমানদিনলৈ বেয়া নোহোৱাকৈ আছে ওৰণাখন। চাকিৰ পোহৰত ওৰণাখনে সকলোৰে চকু চাৎ-মাৰি ধৰিছিল। ভালেমান চেঙেলীয়া ডেকাই মনৰ উলাহতে এনেদৰে চিঞৰ-বাখৰ কৰিলে, যেন সিহঁতে এইমাত্ৰ এখন ডাঙৰ যুদ্ধ জয়হে কৰি আহিল। সিহঁতে উলাহতে চিঞৰিলে, "চোলা পালোঁ, চোলা পালোঁ।"

ভেৰাইয়াই সুধিলে, "এই ওৰণাখনেৰে চোলা এটা হ'বনে?"

এজন কৃষকে ক'লে,—"নহ'ব কিয়? সোমাপ্পা দৰ্জিক এতিয়াই মাতা। ৰ কম।"

আন এজন কৃষক সোমাপ্পা দৰ্জিক মাতিবলৈ দৌৰি গ'ল। কিছুপৰৰ পাছতে সি সোমাপ্পাক লৈ আহিল। কাপোৰ চাই সোমাপ্পাই ক'লে, "চোলাতো নহ'ব এই কাপোৰেৰে। ফতুৱা হয়তো হ'ব পাৰে।"

ডেকাহঁতে সমস্বৰে চিঞৰি উঠিল, 'তেনেহলে ফতুৱাকেই বনোৱা। কিন্তু সোনকাল কৰা।'

সোমাপ্পাই ক'লে, 'মইতো চিলাইকলটো ঘৰতে এৰি আহিলোঁ।' 'কোনোবা এজনে আকৌ চিলাইমেচিনটো আনিবলৈ সোমাপ্পাৰ ঘৰলৈ লৰ ধৰিলে। এই সময়ত ডোখৰতে সোমাপ্পাই কাপোৰডোখৰৰ ভাঁজ খুলি পৰীক্ষা কৰিব ধৰিলে। কেবা ঠাইতো পোকে কুটিছে। ভেৰাইয়াই হতাশ হৈ সুধিলে, 'এতিয়া কি হব? সোমাপ্পাই মিচিকিয়া হাঁহি মাৰি ক'লে, 'একো চিন্তা নকৰিবা। এনেদৰে কাটিম যে পোকে ফুটা অংশবোৰ বাদ পৰি যাব। ৰঘুৱাওৰ চোলাত অকণো ছিদ্ৰ নাথাকিব বুলি জানিবা।'

ইতিমধ্যে মেচিন আহি গ'ল। সোমাপ্পাই অতিযত্নেৰে ওৰণাখন কেঁচিৰে কাটি মেচিনতো সুঁতা ভৰাই চলাবলৈ ধৰিলে। গাঁৱৰ প্ৰায় আধাখিনি মানুহে সোমাপ্পাই

কাপোৰ চিলোৱা চাই থাকিল। এনেধৰণৰ আচৰিত তথা অপূৰ্ব চোলা তেওঁলোকে ইয়াৰ আগেয়ে কেতিয়াও দেখা নাছিল। তেওঁলোকৰ এনে লাগিল যেন ৰেছমৰ প্ৰতিভাল সুঁতাৰ সতে তেওঁলোকৰ শ্বাস-প্ৰশ্বাসো চিলাই হৈ যাব ধৰিছে। তেওঁলোকৰ সমগ্ৰ আশা তথা প্ৰাৰ্থনাই ৰেছমৰ চুমকিৰ আশে-পাশে ভ্ৰমি ফুৰিবলৈ ধৰিলে। এবাৰ মেচিন চলাই থকা অবস্থাত সোমাপ্পাৰ হাত লাগি ৰেছমৰ সুঁতা এডাল ছিণ্ডি গ'ল। লগে লগে শত শত অন্তঃকৰণৰ পৰা 'আঃ' শব্দটি এনেদৰে ওলাল যেনিবা ৰেছমৰ সুঁতাডালৰ লগে লগে তেওঁলেকেৰ প্ৰাণবোৰো ছিগি গ'ল!

ইয়াৰ পাছত সোমাপ্পাই অতি সাবধানেৰে মেচিন চলাই গ'ল। এগৰাকী নাৰীয়ে উৎকণ্ঠাৰে ক'লে, 'সোমাপ্পা, সোনকাল কৰা। তোমাৰ চোলা চিলোৱা হোৱাৰ পাছত মই তাৰ ওপৰত সুঁতাৰে ফুল বাছি দিম।' ডেকাহঁতে আচৰিত হৈ নাৰীগৰাকীৰ মুখলৈ চালে। তেওঁ অবিচলিত কণ্ঠেৰে ক'লে, 'স্ত্ৰীসভাই এই সিদ্ধান্ত লৈছে।'

ইয়াৰ পাছত আৰু এই চোলাটো অকল ভেৰাইয়াৰ ল'ৰাৰ হৈ নাথাকিল, সমগ্ৰ গাঁৱৰ ল'ৰাৰ হৈ গ'ল। গাঁচগৰাকী মহিলাই গান গাই গাই চোলাটোত ফুল তুলিব ধৰিলে। কিছুসংখ্যক মহিলাই ইতিমধ্যে ফুলৰ মালা গাঁথি পেলাইছিল। চোলাটো ফুলৰ মালাৰ ভিতৰত আলফুলকৈ লোৱা হ'ল। এনেতে কোনোবা এজনৰ ভাব হ'ল সকলোৱেইতো কৰা হ'ল, কিন্তু চোলাটো যে ইস্ত্ৰি কৰা নহ'ল!

লোৰ ইস্ত্ৰি আক' সোমাপ্পাৰো নাই। সেইটো আছে কেবল জমিদাৰৰ দৰ্জিৰ কাষত। গড়ৰ পিচফালে তাৰ ঘৰ। পিচে তালৈ যাবনো কোন? কাৰণ তাৰ নিচেই ওচৰতে পুলিছে পহৰা দি আছে। আৰু এই সময়ত যদি পুলিছে কিবা গম পায়—! হয়তো ইতিমধ্যে সিহঁতে গম পাইছেই! আৰু হয়তো সিহঁতে কৃষকসকলৰ ফালৰ পৰা আক্ৰমণৰ প্ৰত্যাশাও কৰিছে!

দুজন কৃষকে গড়ৰ পিছফালে গৈ জমিদাৰৰ দৰ্জিৰ পৰা ইস্ত্ৰিটো আনিবলৈ গ'ল। সিহঁত যোৱাৰ পাছত ৰঙড়ু বেগাৰে ক'লে 'জংঘলত খবৰ দিয়া। গাঁৱে গাঁৱে খবৰ দিয়া। আমি সকলো মিলি ৰেছমৰ চোলাটো লৈ জেলখানালৈ যাম।'

নিচেই কম সময়ৰ ভিতৰতে চণ্ডীমণ্ডপত গাঁৱৰ সকলোবোৰ আহি গোট খালে। এডাল দুডাল কৰি অসংখ্য জোৰ জ্বলি উঠিল। কৃষকসকলে ক্ষণে ক্ষণে ধ্বনি দিবলৈ ধৰিলে। এতিয়া আৰু জমিদাৰ বা তেওঁৰ বহতীয়া গুণ্ডাবোৰলৈ কাৰোৱেই ভয় নোহোৱা হৈ গ'ল।

সেই লোক দুজনে যেতিয়া ইস্ত্ৰিটো আনিছিল গড়ৰ পিছফালে চুচৰি চুচৰি যোৱাৰ ফলত সিহঁতৰ আঁঠুত ঘা লাগিছিল। এই সময়তে গাঁওবাসীৰ আনন্দৰ মাত্ৰা অভাবনীয়ভাবে বাঢ়ি গ'ল। গাঁৱৰ ইমুৰৰ পৰা সিমুৰলৈ আনন্দময় কণ্ঠস্বৰ ধ্বনিত হ'ব ধৰিলে। আৰু এই শব্দ আন আন গাঁৱলৈকো বিয়পি গ'ল। সেইবোৰ গাঁৱৰপৰাও উত্তৰ স্বৰূপে ধ্বনি ভাহি আছিল।

ইস্ত্ৰি কৰাৰ পাছত চোলাটো ফুলৰ মালাৰে সজোৱা হ'ল। ইতিমধ্যে পাতি-পাড় গাঁৱত বুৰ্ৰা কথা-গায়ন, চুলীয়া আৰু আন আন কৃষকসকল ইজনৰ পাছত সিজনকৈ গোট খাব ধৰিলে আৰু ক্ষণে ক্ষণে তেওঁলোকৰ উৎসাহ বাঢ়ি যাব ধৰিলে।

সেই নিশাৰ কথা কোনেও কোনোদিনে নাপাহৰে। সেই নিশা হাতে হাতে জোৰ লোৱা পাঁচ হাজাৰ কৃষক-বন্ধুৰাৰ সমদলে যেতিয়া জমিদাৰৰ গড়ৰ কাষ পালে, তাৰ কিছু আগেয়ে জমিদাৰ সদলবলে গাঁও এৰি পলাই গৈছিল। যোৱাৰ পথত যিবোৰ গাঁও আছিল সেইবোৰ গাঁৱৰ মানুহবোৰেও এই আচৰিত তথা অপূৰ্ব মিছিলত যোগ দিব ধৰিলে আৰু জমিদাৰসকলে প্ৰতিখন গাঁও এৰি চহৰলৈ পলাব ধৰিলে। জনতাৰ কণ্ঠস্বৰ উচ্চৰ পৰা উচ্চতৰ হ'ব ধৰিলে আৰু সমদলটো জয়যাত্ৰাৰ নিচিনাকৈ জেলৰ ফাললৈ খৰখোজেৰে আগবাঢ়িল। কাৰাগাৰ মাথোঁ এনিশাৰ পথহে!

কাহিলি কাহিলি পোহৰ। নিচেই পু�ৰাতে ৰঘুৰাৰে চোলাটো লৈ দেউতাকৰ মুখলৈ অতি বিস্ময়ভৰা চাৱনিৰে চালে। বিস্ময়, মমতা, উল্লাস আৰু উদ্দীপনাৰে তাৰ বুকু ফুলি উঠিল। কিদৰে এই চোলাটো চিলোৱা হ'ল আৰু কিদৰে দহহেজাৰ কৃষকে এই চোলাটো লৈ জেলৰ দুৱাৰমুখলৈকে আহিছে, সেই বিষয়ে দেউতাকৰ মুখে শুনাৰ পাছত ৰাওৰ মন উৎফুল্লিত হৈ উঠিল। সি আবেগৰ ভৰত সৰু ল'ৰা এটাৰ নিচিনাকৈ ভেৰাইয়াৰ ক্ষান্ধত মুৰ থলে। আৰু দেউতাকে তাক সজোৰে বক্ষত চেঁপামাৰি ধৰিলে।

এটা সময়ত ভেৰাইয়াই ক'লে, "সময় আৰু নাই। মোৰ ইচ্ছা, তুমি এই চোলাটো পিন্ধা। গাঁওবাসীৰো সেয়েই ইচ্ছা। আৰু তুমি যদি বিচাৰা, তেনেহলে ইয়াৰ ওপৰত জেলৰ কাপোৰ পিন্ধিব পাৰা।"

ৰাৰে এক মিচিকিয়া হাঁহিৰে জেলৰ কাপোৰ খুলি পেলালে আৰু অতি যত্নসহকাৰে ধীৰে ধীৰে ৰেছমৰ ফটুৱাটো পিন্ধিব ধৰিলে। দেউতাকে সস্নেহে তাৰ চোলা পিন্ধা দৃশ্যটোলৈ চাই থাকিল। ৰঘুৰ মনত ৰেছমৰ চোলা পিন্ধাৰ সময়ত অনেক ভাবে দোলা দি থাকিল। ৰঙা ৰেছমৰ চোলা পিন্ধি তাৰ এনে লাগিল, সি যেন চোলা এটাই পিন্ধা নাই,—তাৰ নিজৰ পতাকা,—যুদ্ধ, অন্যায়, অত্যাচাৰ শোষণৰ বিৰুদ্ধে সি কৰা জেহাদৰ এক অপূৰ্ব পতাকাহে পিন্ধিছে! সি যেন তাৰ তেজহে পিন্ধিছে; পিন্ধিছে নিজৰ মাটি, বাৰী, আৰু পিন্ধিছে সি তাৰ দেউতাকৰ স্নেহ তথা মাকৰ আদৰ!

ৰঘুৰাওৰ বক্ষ গৌৰৱত ফুলি উঠিল। সি ৰেছমৰ ৰঙচুৱা মসৃণতাক আঙুলিৰ মুৰেৰে চুই অনুভৱ কৰিলে। তাৰ এনে লাগিল, সি যেনিবা মকৰাৰ জালৰ নিচিনা মানুহৰ মনৰ হাজাৰ কামনা-বাসনাকহে স্পৰ্শ কৰিছে।

ৰঙা ৰেছমৰ চোলাত হাত বুলাই বুলাই অত্যন্ত মনোযোগ আৰু প্ৰীতিৰে দেউতাকলৈ চাই ৰাওৰ ভাব হ'ল যেন পু�ৰাৰ উজ্জ্বলতাই নিশাৰ গালত এক প্ৰচণ্ড চৰ শোধাইছে যি আঘাতত কাৰাগাৰৰ সমস্ত লো গলি মাটিৰে বৈ গৈছে! আৰু মাথোঁ কেডালমানহে লোৰ গৰাদ গলিবলৈ বাকী আছে!

পিছমুহূৰ্ততে সি প্ৰাচীৰৰ ওপৰেদি আকাশৰ বক্ষত সূৰ্যটো উঠি অহা দেখিলে। মাতৃৰ কোলাৰ পৰা শিশুটোৱে জঁপিয়াইহে নামিল যেনিবা। আৰু লগে লগে ৰঘুৰাৰে ভেৰাইয়াক চিঞৰি চিঞৰি ক'লে, "দেউতা চোৱা, চোৱা জেলৰ লোহাৰ শলখায়ো সুৰুযক ধৰি ৰাখিব পৰা নাই।"

ভেৰাইয়াৰ চকুহাল পানীৰে উপচি পৰিল। তেওঁ এই পবিত্ৰ অশ্ৰু নমচিলে। নিজৰ শীৰ্ণ দেহৰ ওপৰেদি অশ্ৰুধাৰাক তেওঁ বৈ যাবলৈ দিলে। ওৱাৰ্ডাৰ পৰিবেষ্টিত তেওঁৰ একমাত্ৰ পুত্ৰ ৰঘুৰাৰে শিৰত পুৰাৰ নিয়ৰৰ টোপাল আৰু মনৰ মাজত এক নতুন সূৰ্য লৈ ফাঁচীকাঠৰ ফাললৈ অগ্ৰসৰ হ'ল। বাহিৰত কৃষকৰ মিছিলৰ প্ৰচণ্ড শব্দই কাৰাগাৰৰ প্ৰাচীৰ টুকুৰা টুকুৰ কৰি শূণ্যত ধ্বনি তুলিলে—

চোৱা সমগ্ৰ তেলেংগানা, উঠিছে জাগি, বজ্ৰোৱা মাদল, জয়যাত্ৰাৰ পথপ্ৰদৰ্শক হোৱা,
যুদ্ধ কৰা জয়, আহা সবে অন্ধ্ৰৰ তনয়।

কাৰাগাৰৰ বাহিৰত যি গীতৰ সুৰ গুঞ্জৰি উঠিছিল, কাৰাগাৰৰ ভিতৰতো ভেৰাইয়াৰ ওঁঠত সেই গীত ফুটি উঠিল। গীত গাই গাই ভেৰাইয়াৰ এনে লাগিল, যেন তেওঁৰ ভিতৰতো এখন পতাকা উত্তোলিত হৈছে য'ত সোণালী শস্যৰ শীহৰ নিচিনাকৈ শ্বহীদসকলৰ মুখবোৰ উজলি উঠিছে। গান গাই গাই ভেৰাইয়াৰ মনৰ মাজত এই ধাৰণা বদ্ধমূল হৈ পৰিল যে যিমানদিনলৈ অন্ধ্ৰৰ কৃষক জীয়াই থাকিব, তেওঁলোকৰ হৃদয়ত পতাকা আৰু গানো জীয়াই থাকিব; সিমানদিনলৈকে তেওঁৰ পুত্ৰ ৰঘুৰাৰো জীয়াই থাকিব। আৰু ৰঘুৰাওঁতৰ গাঁৰলৈ দেশমুখবোৰৰ কেতিয়াও প্ৰত্যাবৰ্তন নহব।+

সমাপ্ত



প্ৰসংগ ক্ৰমে

তোজপুৰত সন্ত্ৰাসৰ ৰাজত্ব
খেতিয়ক ৰাইজৰ প্ৰতিৰোধ (২)

বিষ্ণু শৰ্মা

মে' সংখ্যা 'সাপ্তাহিক সাময়িকী'ত প্ৰকাশ পোৱা বিহাৰৰ বন্যাৰৰ ওচৰত গাঁৱত হোৱা হত্যাকাণ্ডৰ নিচিনা ঘটনা ভাৰতৰ চুকেকোণে অহৰহ ঘটিয়েই আছে। এনেবোৰ ঘটনা মাজে মাজে বুৰ্জোৱা কাগজবোৰেও ছপা কৰি প্ৰগতিশীলতাৰ ভাও জোৰে। কিন্তু আন এনে কিছুমান ঘটনাও নঘটা নহয়, য'ত শোষিত শ্ৰেণীৰ লোকে গণতান্ত্ৰিক আৰু সাংবিধানিক উপায়েৰে শোষণৰ বিৰুদ্ধে যুঁজাৰ অসাৰ্থকতা লক্ষ্য কৰি সশস্ত্ৰ প্ৰতিৰোধৰ পথ বাছি লৈছে। চল্লিছৰ দশকৰ শেষৰ ফালে অন্ধ্ৰ প্ৰদেশৰ টেলেংগানা বা ষাঠিৰ দশকৰ শেষৰ ফালে পশ্চিম বংগৰ নক্সালবাৰী আৰু অন্ধ্ৰ প্ৰদেশৰ শ্ৰীকাকুলাম অঞ্চলত হোৱা ঘটনাসমূহ এনে সশস্ত্ৰ প্ৰতিৰোধৰে একোটা ব্যাপক প্ৰকাশ। কিন্তু এনে ধৰণৰ ঘটনাবোৰ জাতীয় বুৰ্জোৱা কাকতসমূহত ছপাব পৰা বাতৰি নহয়, কাৰণ শাসকচক্ৰৰ বিৰুদ্ধে সশস্ত্ৰ প্ৰতিৰোধ এঠাইত হলে একে ধৰণৰ শোষণে জৰ্জৰিত হৈ থকা দেশৰ প্ৰতিটো চুকে কোণে থকা নিষ্পেষিত লোকক এনে বাতৰিয়ে যে অনুপ্ৰাণিত কৰিব। কাৰণ শাসকশ্ৰেণীয়ে কংগ্ৰেছৰ ভাৰতে হওক বা জনতাৰ ভাৰতেই হওক, এতিয়া মজুৰি বৃদ্ধি, মাটি বিতৰণ আৰু সামাজিক বৈষম্য দূৰীকৰণৰ নামত উচ্চস্বৰে চিঞৰ-বাখৰ লগাইছে, আৰু ছি, পি, আইকে ধৰি সকলো সংশোধনবাদী, প্ৰতিক্ৰিয়াশীল আৰু ৰাজনৈতিক দলৰ নেতাই চৰকাৰৰ সুৰত সুৰ মিলাইছে। তথাপি দেখা যায়, য'তেই ভূমিহীন কৃষকে বা শ্ৰমিকে হাতত অস্ত্ৰ লৈ ওলাই আহিছে, তাতেই এইবোৰ দল আৰু নেতাই পুলিছ, মিলিটেৰীৰ সহায়ত কৃষক আৰু শ্ৰমিকৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰোৱাইছে। সেয়েহে শ্ৰমিক কৃষকৰ এতিয়া আৰু বুজিবলৈ বাকী নাই যে এইবোৰ নেতাৰ আচল মতলব হ'ল নিজৰ শ্ৰেণীৰ স্বাৰ্থৰ হকে সশস্ত্ৰ শ্ৰমিক জনতাক নিৰস্ত্ৰ কৰি পূৰ্বৰ শোষণ অবাধে চলাই থকা।

শ্ৰমিক-কৃষকৰ প্ৰতিৰোধৰ এনেবোৰ ঘটনা প্ৰায়েই অগোচৰ হৈয়েই ৰয়। কেতিয়াবা কোনো অজলা সাংবাদিকে এনে বাতৰি পৰিবেশন কৰিলেও প্ৰতিৰোধত লিপ্ত থকা শ্ৰমিক-কৃষকক খুনী, ডকাইত, সমাজবিৰোধী ব্যক্তি আদি আখ্যা দি তেওঁলোকৰ প্ৰকৃত স্বৰূপ ঢাকি ৰাখে। ক্ৰমাৎ সংখ্যাগতভাবে বাঢ়ি যোৱা এনেকুৱা

ঘটনাসমূহে দুটা কথা স্পষ্টকৈ বুজাই দিছে: অর্ধ-সামন্ততান্ত্রিক, অর্ধ-ঔপনিবেশিক ভাৰতৰ ৰাষ্ট্রযন্ত্রই স্বাভাবিক শ্রেণীচৰিত্র অনুসৰি সামান্ততন্ত্র আৰু পুঁজিপতিৰ সাহায্যাৰ্থে আগুৰাই আহে। আনহাতে এনে ঘটনাত প্রকাশ পোৱা ৰাষ্ট্রশক্তিৰ দমন নীতিৰ হিংস্রতা আৰু নির্মমতাই এইটোও দেখুৱায় যে নির্যাতিতৰ এনে সংগ্রামী কার্যকলাপৰ ভয়ত সন্ত্রস্ত হৈ শাসক শ্রেণীয়ে নির্মমভাবে প্রতিআক্রমণ চলাইছে। আনহাতে প্রকৃততে মালিক আৰু জমিদাৰ শ্রেণীৰ স্বার্থ ৰক্ষা কৰি অহা ট্রেডইউনিয়নৰ কর্মকর্তাসকলো এনে অভ্যুত্থানত আতংকিত হৈ উঠিছে। যোৱা দহবছৰৰ ভিতৰত ঘটা এনে ধৰণৰ বহুতো ঘটনাৰ পৰা ইয়াত দুটা ঘটনাৰ কথা উল্লেখ কৰা হৈছে।

জগদীশ মাহাতো:

পশ্চিমবংগত যেতিয়া নক্সালবাৰী অভিযান আৰম্ভ হয় বিহাৰতো সিংভূম, মজফৰপুৰ, চম্পাৰণ আৰু মুংগেৰৰ কোনো কোনো ঠাইত ভূমিহীন দুখীয়া খেতিয়কে একেদৰেই জাগৃত হৈ উঠিছিল, আৰু প্রায় লগে লগেই ৰাষ্ট্রযন্ত্রৰ কঠোৰ শাসন এইবোৰ ঠাইত পৰিছিল। কিন্তু ১৯৭১ চনলৈকে দুই এখন বৈপ্লবিক পোষ্টাৰৰ বাহিৰে ভোজপুৰত নক্সালবাৰীৰ প্রভাব থকা ঘটনা ঘটা নাছিল। ১৯৭১ চনৰ মার্চ মাহত পোনপ্রথমবাৰৰ বাবে একৰাড়ী গাঁৱৰ সোণ নদীৰ খাল এটাৰ কাষত শেউপূজন সিং নামৰ জমিদাৰৰ সামৰিক লোক এজনৰ মৃতদেহ পোৱা গ'ল। তাৰ পাছৰ পৰা ভোজপুৰৰ এই অঞ্চলটোত যি সশস্ত্র অভিযান আৰম্ভ হ'ল, এতিয়াও ইয়াৰ জুমুৰা নাই। ছি, পি, আই (এম) ৰ বিহাৰ ৰাজ্যিক কমিটিৰ পৰা ওলাই অহা ছজনীয়া সদস্যৰ দলটোৱে আটাইকেইজনেই ১৯৭১ চনৰ ভিতৰতে নক্সালপন্থী কার্যকলাপৰ পৰা বিৰত হৈছিল! তাৰ পাছত যি সকলে এই অভিযানৰ গুৰি ধৰিছিল তাৰ ভিতৰত একৰাড়ী গাঁৱৰ দুখীয়া খেতিয়কৰ ল'ৰা জগদীশ মাহাতোৱেই প্রধান। আৰাৰ কোনোবা এখন স্কুলৰ বিজ্ঞান শিক্ষক হৈ থকাৰ গুণে মানুহে এওঁক মাষ্টৰ বুলি মাতিছিল।

জগদীশ মাহাতোৰ জীৱনৰ এটা অবিস্মৰণীয় দিন হ'ল, ১৯৬৭ চনৰ ১১ ফেব্রুৱাৰী—বিহাৰ বিধানসভাৰ ভোটৰ দিনটো। সাহাৰ সংৰক্ষিত সমষ্টিত ঘাইকৈ দুজন প্রার্থীৰ মাজত ভোটৰ যুদ্ধ বাৰুকৈ লাগিছিল। তাৰে এজন ছি, পি, আইৰ ৰাম নৰেশ ৰামক ঘাইকৈ নিম্নবর্ণৰ খেতিয়ক আৰু শ্রমিকে সমর্থন জনাইছিল আৰু আনজনে সমর্থন পাইছিল উচ্চবর্ণৰ ধনী জমিদাৰবিলাকৰ পৰা। ভোটৰ দিনা ভোটৰ বুথত জাল কৰিবলৈ অহা গাঁৱৰ আটাতকৈ পৰাক্রমী জমিদাৰজনক বাধা দিয়াৰ অপৰাধত জগদীশ মাহাতোৱে বাৰুকৈয়ে এপিটন খালে; ফলত পূৰা পাঁচ মাহলৈ তেওঁ শয্যাশায়ী হৈ ৰ'ল।

পুৰুষানুক্রমে নিষ্ঠুৰ ব্যবহাৰ পাই অহা দুখীয়া খেতিয়কৰ ল'ৰা জগদীশে এই ঘটনাত বিচলিত নহ'ল। ৰঞ্চ পূৰা উদ্যমেৰে তেওঁ এটা ষ্ট্রাইক পৰিচালনা কৰিলে এখন কাগজ উলিয়ালে নিষ্পেষিত জনতাক শোষণৰ বিৰুদ্ধে সচেতন কৰি তুলিবলৈ জমিদাৰৰ অত্যাচাৰী শোষণৰ বিৰুদ্ধে মূৰ দাঙি উঠাবলৈ। সাংবিধানিক, গণতান্ত্রিক

উপায়েৰে পৰিচালনা কৰা এই সকলোবোৰ কামেই যেতিয়া নিষ্ফল হ'ল, সেই সময়তে চাৰু মজুমদাৰৰ নেতৃত্বত ঘটা নক্সালবাৰীৰ ঘটনাৱলীয়ে তেওঁৰ মনত গভীৰ চাপ বহুৱালে।

দুখীয়া খেতিয়কৰ লগত একাত্ম হৈ যেতিয়া একৰাড়ী গাঁৱৰ ঘৰে ঘৰে গৈ জগদীশ মাহাতোৱে শোষণৰ বিৰুদ্ধে সুশস্ত্র অভিযানৰ কথা প্রচাৰ কৰিবলৈ আৰম্ভ কৰি দিলে, তেতিয়া একৰাড়ী গাঁৱত যেন এটা সামাজিক ভূঁইকপহে সৃষ্টি হ'ল। অবিবাহিতা গাভৰু আৰু বিবাহিতা তিৰোতাই কামুক জমিদাৰহঁতৰ ধর্ষণত বাধা দিব পৰা হ'ল, আধা নঙঠা শিশুৱে অভিজ্ঞ চোৰাংচোৰাৰ কাম কৰিব পৰা হ'ল। আনকি ডকাইত হ'বলৈ গৈ প্রাক্তন সামৰিক বাহিনীৰ লোক ৰামেশ্বৰ আহীৰৰ মাজতো সম্পূর্ণ এটা নতুন মানুহে জন্ম ললে; তেওঁ হৈ পৰিল জগদীশ মাষ্টৰৰ বিশ্বস্ত লগৰীয়া। শেউপুজন সিঙৰ পাছত আৰু তিনিজন অত্যাচাৰী জমিদাৰেও প্রাণ হেৰুৱায় আৰু জগদীশ মাহাতোৱে ৰামেশ্বৰ আহীৰৰ লগত একেলগে পলাতক অবস্থাত খেতিয়কৰ মাজত সংগঠনৰ কামত আত্মগোপন কৰিলে।

জগদীশ মাহাতোৰ চুটি অথচ ত্যাগী জীৱনৰ ওৰ পৰিল নিচেই সোনকালে। কোনো এক ৰাজপুত জমিদাৰৰ অত্যাচাৰত শ্রমিক খেতিয়কৰ তিৰোতাৰ সম্মান নষ্ট হৈছে বুলি শুনি কেইজনমান লগৰীয়াৰে সৈতে আহি জগদীশ মাহাতোৱে ১৯৭২ চনৰ ডিছেম্বৰ মাহৰ কোনোবা এটা দিনত ৰাজপুত জমিদাৰক হত্যা কৰি পলাই যায়। পিছদিনা পুৱা বিহিয়া বজাৰৰ দোকানত তেওঁক দেখা পাই জমিদাৰৰ এজন লগুৱাই যেতিয়া ডকাইত ডকাইত বুলি চিঞৰ-বাখৰ লগালে, জগদীশ মাহাতোৱে লৰমাৰি মুছাহৰ টোলৰ হৰিজনবস্তিত সোমাল। পাছে ডকাইত বুলি ভুল কৰি হৰিজন বাইজে তেওঁক হত্যা কৰে। পাছত যেতিয়া তেওঁলোকে গম পালে যে তেওঁলোকে প্রিয় মাষ্টৰকহে হত্যা কৰিলে, লাজ আৰু অনুশোচনাত ম্রিয়মান হৈ মুছাহৰটোলৰ হৰিজনসকলে তিনিদিনলৈকে ভাত পানী মুখলৈ নিনিলে। ইমানেই আছিল জগদীশ মাহাতোৰ জনপ্রিয়তা।

মৃত্যুৰ ডেৰ বছৰমানৰ আগতে তেওঁৰ পুৰণি সহকর্মী এজনৰ আগত মাষ্টৰে কৈছিল: "মই যি কোনো দিনতে মৰিব লাগিব। কিন্তু মই আংশিকভাবে সুখী হৈয়ে মৰিব পাৰিম। কিয়নো, আমাৰ অভিযানৰ ফলতেই কোনো জমিদাৰে খেতিয়কৰ জিয়াৰী-বোৱাৰীৰ গাত হাত দিবলৈ সাহস নকৰা হ'ল।" এই সামাজিক উৎপীড়নৰ ওৰ পেলোৱাটো নক্সালপন্থী অভিযানৰ সঁচাকৈয়ে অভূতপূর্ব কৃতিত্ব।

জগদীশ মাহাতো মৰি গ'ল হয়, কিন্তু তেওঁ একৰাৰী গাঁও আৰু ইয়াৰ ওচৰে-পাজৰে থকা গাঁৱৰ ভূমিহীন, দুখীয়া নিষ্পেষিত মানুহৰ অন্তৰত জগাই তুলিলে দুৰন্ত এক সংগ্রামী চেতনা; মানুহৰ মর্যাদাৰে শোষণমুক্ত সমাজ এখনৰ বাসিন্দা হোৱাৰ কামনাৰে উদ্বুদ্ধ কৰিলে শোষণ আৰু অত্যাচাৰৰ বলি হৈ থকা এদল লোকক। 'পুৰণি সমাজ ভাঙি নতুন সমাজ গঢ়াৰ সপোন' কৃষকক দেখুৱাৰ পৰা-জনেই যদি বিপ্লবী হয়, একৰাড়ী গাঁৱৰ জগদীশ মাহাতো যথার্থতে এজন বিপ্লবী আছিল।

কৃষক বাৰ গম্ভীৰা ঃ

বিহাৰৰ আন আন জিলাৰ দৰেই চম্পাৰণ জিলাতো শ শ বছৰ ধৰি একেই ৰূপত জমিদাৰ, জোতাদাৰৰ অত্যাচাৰ, উৎপীড়ন চলি আহিছে। অতি কম পাৰিশ্রমিকত খেতি পথাৰত দীর্ঘসময় ধৰি কামত খটুওৱা, ঘৰৰ তিৰোতা আৰু গাভৰু ছোৱালীৰ ওপৰত হাত দিয়া আদি অমানবীয় উৎপীড়ণ ভূমিহীন খেতিয়ক আৰু শ্রমিকে সহ্য কৰি আহিছে। ভূস্বামীহঁতৰ প্রকোপত এইবোৰ অঞ্চলত ইমানদিনে কোনো সংগঠন গঢ় লোৱা নাছিল। কিন্তু চৌন্দাদেন থানাৰ মহৰা গাঁৱৰ গম্ভীৰাৰ একাগ্রতীয়া পৰিশ্রম আৰু চেষ্টাত এই সকলোবোৰৰ ওৰ পৰিল। সামাজিক উৎপীড়ণ আৰু অর্থনৈতিক শোষণৰ বিৰুদ্ধে সংগঠন কৰি অতি কম সময়ৰ ভিতৰতে তেওঁ খেতিহাৰ কিষাণ মজদুৰ সংঘৰ জৰিয়তে নিপীড়িত জনগণক নিজৰ সামাজিক মর্যাদা প্রতিষ্ঠা কৰাত সহায় কৰিলে। আনহাতে, কৃষিশ্রমিকৰ ন্যায্য পাৰিশ্রমিক প্রাপ্তিৰ কাৰণে সকলো খেতমজুৰক জমিদাৰৰ বিৰুদ্ধে অহৰহ সংগ্রাম কৰিবলৈ একত্রিত কৰিলে। অবশ্যে গম্ভীৰাৰ কাম এনে বিশুদ্ধ অর্থনৈতিক সংগ্রামৰ মাজতে আবদ্ধ থকা নাছিল। বিপ্লবৰ কথা কবলৈ গম্ভীৰাই আৰম্ভ কৰিলে। ধর্মৰ বিৰুদ্ধে চিধাচিধি আক্রমণ নচলালেও গম্ভীৰাই অন্ধবিশ্বাস আৰু ধর্মীয় আচৰণসমূহৰ বিৰুদ্ধে পূৰ চম্পাৰণ জিলাৰ ভূমিহীন খেতিয়কক জগাই তুলিবলৈ সমর্থ হ'ল। গম্ভীৰাৰ লগত জড়িত লোকসকলে লাভ কৰিলে এক সচেতন মানসিকতা যাৰ ফলত তেওঁলোকে কব পৰা হ'ল নির্বাচনত কোনো ভাগ লওবলৈ; কোনো কাজিয়াপেচালৰ মিতমাত কৰিবলৈ মন্ত্রী, এম এল এৰ ওচৰ নাচাপিবলৈ। গাঁৱেভূঞে গম্ভীৰাই ব্যাপকভাবে প্রচাৰ কৰিলে, "আমাৰ ঘাই শত্রু হৈছে জমিদাৰবিলাক। ইহঁতৰ লগত সংগ্রাম কৰি আমি মাটি দখল কৰিব লাগে।" উৎপীড়িত জনগণে নতুনকৈ পোৱা এই প্রচণ্ড সাহসত ভোজপুৰৰ সামন্ততন্ত্রৰ অন্তৰাত্মা কঁপি উঠিল। চিৰাচৰিত নিয়ম অনুসৰি সামন্ততন্ত্র সাহায্যার্থে ৰাষ্ট্রযন্ত্র অতি তৎপৰতাৰে আগবাঢ়ি আহিল।

গম্ভীৰাৰ প্রভাব ধ্বংস কৰিবলৈ দর্পমঠৰ অধিকাৰী প্রায় ৪০০ একৰ মাটিৰ মালিকে তেওঁৰ তলত কাম কৰা প্রায় ২০০ খেতমজুৰক কামৰ পৰা বিদায় দিলে। কর্মসংস্থানহীন খেতমজুৰে গম্ভীৰাৰ নেতৃত্বত পুনৰ সংস্থাপনৰ দাবী কৰিলে। এই মানুহখিনিয়ে যাতে ওচৰে পাজৰে ক'তো কাম কৰিব নোৱাৰি থাকিলে নেপাই মৰিব লগা হয়, যিটো দৃষ্টান্তত আন আন অঞ্চলৰ খেতমজুৰবোৰে পূর্ব শোষণ নির্বিবাদে গ্রহণ কৰিবলৈ বাধ্য হ'ব, আন আন জমিদাৰৰ লগ লাগি ইয়াৰো দিহা কৰা হ'ল। আনহাতে কর্মপুনৰসংস্থাপনৰ দাবীত সংগ্রামৰত খেতমজুৰক খাদ্যৰ যোগান ধৰিবলৈ'খেতিহাৰ কিষাণ মজদুৰ সংঘ'ৰ প্রভাবাধীন বিভিন্ন গাঁৱৰ ৰাইজক গম্ভীৰাই আবেদন জনোৱাৰ ফলত অভূতপূর্ব সঁহাৰি পোৱা গল। দর্পৰ মজদুৰবস্তি খাদ্যশস্যৰে ভৰি পৰিল। শোষণৰ বিৰুদ্ধে একগোট হৈ যুজিবলৈ সাহস কৰা খেতমজদুৰক শুকুৰাই মাৰিবলৈ পতা এই ফন্দি নিস্ফল হোৱাত জমিদাৰশ্রেণী আতংকগ্রস্ত হৈ পৰিল। ইয়াৰপাছত কর্মসংস্থানৰ দাবী জনাই দর্পমঠত গোট খোৱা বহুৰাৰ ওপৰত মঠাধিকাৰীয়ে গুলিচালনা কৰিলে। আন

(শেষাংশ ৪৮ পৃষ্ঠাত চাওক)

ভৱন্তা

গান্ধী আৰু ছেক্স (৩)

প্রসেনজিৎ চৌধুৰী

কৃত্রিম জন্ম-নিয়ন্ত্রণ পদ্ধতিৰ ক্ষেত্রত গান্ধীৰ বিজ্ঞান-বিৰোধিতাৰ কথা আমি ইতিমধ্যে উল্লেখ কৰিছো, এইবাৰ তেওঁৰ বিজ্ঞান-অজ্ঞতাৰ কথা আলোচনা কৰা যাওক। জন্ম-নিয়ন্ত্রণৰ বিৰুদ্ধে গান্ধীৰ অভিযোগবোৰৰ আলোচনা প্রসংগত কৈ অহা হৈছে যে তেওঁৰ বিশ্বাস অনুসৰি কৃত্রিম পদ্ধতিৰে জন্ম-নিয়ন্ত্রণ কৰিলে মানুহৰ যৌন-ক্ষুধা বাঢ়ি যাব আৰু তাৰ ফলত মানুহে হেৰুৱাব সেই মূল্যবান শক্তি যাৰ ওপৰত নির্ভৰ কৰে মানুহৰ শৰীৰ, মন আৰু আত্মাৰ সমৃদ্ধি। গান্ধীৰ ছেক্স-চিন্তাৰ সঘনে উল্লেখিত এই মূল্যবান যৌন-শক্তি আচলতে বীর্যৰ বাহিৰে আন একো নহয়। এই বীর্যক্ষয়ভীতি সম্পর্কে গান্ধীয়ে নিজৰ বক্তব্য কোনো দিনেই ঢাকি ৰাখিবলৈ চেষ্টা কৰা নাই: 'It is my faith based on my experience that bodily and mental health increases in the same ratio as bodily and mental chastity. Nor is it to be wondered at. A substance that is capable of producing such a wonderful being as man cannot but, when properly conserve, be transmuted into matchless energy and strength' (২৯) গান্ধীৰ মতে প্রজনন-সক্ষম যৌন-শক্তিৰ সংৰক্ষণ আৰু উদগমণেই সকলো শক্তিৰ উৎস; প্রাচীন হিন্দু শাস্ত্রত যি বীর্যক্ষয়-ভীতিৰ উল্লেখ পোৱা যায় সি আচলতে অজ্ঞতা-প্রসূত কু-সংস্কাৰ নহয়। সর্বশক্তিৰ আধাৰ হিচাপে বীর্যৰ ওপৰত গান্ধীৰ বিশ্বাস ইমান দৃঢ় যে যৌন-কামনাক সন্তান-কামনাৰ পৰা বিচ্ছিন্ন কৰিব বিচৰা তত্ত্বৰ প্রচাৰৰ বিৰোধিতা কৰি তেওঁ লিখিছে: 'I venture to suggest that this a most dangerous doctrine to preach anywhere; much more so in a country like India, where the middle class male [!?] population has become imbecile through abuse of the creative function.' (P. 178) অর্থাৎ; ভাৰতৰ মধ্যবিত্তৰ দৌর্বল্যৰ বাবে দায়ী যৌন-শক্তিৰ অপচয়। এই উদ্ভট বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ বেছ জোৰ দি ঘোষণা কৰা দেখা যায়: those who want to perform natinal service.....must lead a celibate life, no matter if married or unmarried.' (৩০) উল্লেখযোগ্য যে কিছু ক্ষেত্রত ব্রহ্মচার্যই সাময়িকভাবে মানুহক অধিক কর্মপ্রিয় ——কর্মসক্ষম অবশ্য নহয়——কৰি তোলাৰ সম্ভাবনা থাকে। একমাত্র কর্মৰ মাজত আত্মগোপন কৰিলেহে প্রবল প্রবৃত্তিৰ

আক্রমণৰ পৰা ৰক্ষা পাব পাৰি——এই ধৰণৰ ধাৰণা বহুতৰেই মনত থকাটো অস্বাভাবিক নহয়।

ধর্মীয় শাস্ত্র, আধ্যাত্মিক উন্নয়ন, স্বাস্থ্য, মধ্যবিত্তৰ শক্তি, দেশসেৱা আদিৰ লগত যদিও গান্ধীয়ে বীর্য-সংৰক্ষণক সম্পর্কিত কৰিছে তথাপি তেওঁৰ এই বীর্য-চিন্তাই স্বাভাবিকতে সমাজ-বিকাশৰ আদিম স্তৰত প্রচলিত কিছুমান ধ্যান-ধাৰণাৰ কথা মনত পেলাই দিয়ে। সাংস্কৃতিক নৃতত্ত্বৰ ছাত্রসকলে জানে যে আদিম অজ্ঞ মানুহৰ বাবে সন্তান উৎপাদনকাৰী যৌন ক্ষমতা এক প্রকাৰৰ বিস্ময়কৰ শক্তি। নির্দয়, কৃপন প্রকৃতিৰ বিৰুদ্ধে যুঁজ কৰোতে আদিম মানুহে এই বিস্ময়কৰ শক্তিক ব্যবহাৰ কৰিছিল প্রকৃতিৰ ওপৰত নিজৰ নিয়ন্ত্রণ কায়েম কৰিবলৈ। এই ব্যবহাৰ দুই ধৰণৰ বিশ্বাসৰ ওপৰত প্রতিষ্ঠিতঃ উর্বৰ যৌন-শক্তি শৰীৰত সংৰক্ষণ কৰিলে প্রকৃতিৰ বিৰুদ্ধে যুঁজ নিস্ফল নহয় কিম্বা এই উর্বৰ যৌন-শক্তিৰ সংস্পর্শ বা উর্বৰ যৌন-কর্মৰ অনুকৰণ

(৪৬ পৃষ্ঠাৰ পৰা)

এটা ঘটনাত বজাৰলৈ যোৱা বনুৱাক মঠাধিকাৰীৰ ভাড়াতীয়া গুণ্ডাই মাৰধৰ কৰি কোঠা এটাত সুমুৱাই ৰাখিলে। ১৯৭৭ চনৰ ২০ জুনৰ দিনা এজন স্থানীয় জমিদাৰৰ নিহত অবস্থাত পোৱা গ'ল। লগে লগে ভূস্বামীবোৰ গভীৰাৰ বিৰুদ্ধে ষড়যন্ত্রত লিপ্ত হ'ল আৰু শুই থকা অবস্থাৰ পৰা ধৰি আনি অশেষ অত্যাচাৰ কৰি গভীৰাক হত্যা কৰিলে।

গভীৰাৰ মৃতদেহ নিজৰ গাঁৱলৈ অনাৰ লগে লগে ওচৰ পাজৰৰ পৰা দল বান্ধি অহা ১০,০০০ দুখীয়া খেতিয়কেৰে চোতাল ভৰি পৰিল। ইয়াৰ ভিতৰত আছিল ৩০০০ কৈয়ো অধিক মহিলা—যিটো দৃশ্য ভাৰততে অতি বিৰল। চম্পাৰণ জিলাৰ প্রথমবাৰৰ বাবে দুখীয়া আৰু ভূমিহীন খেতিয়কক সংগঠন কৰি গৰীবৰাজ গঢ়ি সপোন দেখুওৱা, নির্বাচন বয়কট কৰি সংসদীয় ভেকোভাওনাৰ মুখা খুলি দিবলৈ সশস্ত্র প্রতিৰোধৰ আহ্বান জনাই দুখীয়া খেতিয়কৰ সামাজিক মর্যাদা স্থাপন কৰা তেওঁলোকৰ প্রিয় কমৰেডৰ মৃতদেহ আগতে লৈ চকুপানী টুকি টুকি ৰাইজে প্রতিজ্ঞা কৰিলে—"আমি গৰীবৰাজ গঢ়ি তুলিমেই।"

গভীৰাৰ হত্যাৰ পাছত এই সংক্রান্তত আন দুটা ঘটনা ইতিমধ্যে ঘটিল। ৰামজী মাহাতো নামৰ দর্পমঠৰ বহতীয়া এজন গভীৰাৰ হত্যাত লিপ্ত আছিল। মজদুৰবাস্তত ছেপ্টেম্বৰ মাহৰ কোনো এটা দিনত তেওঁৰ ক্ষতবিক্ষত শ'টো পোৱা গ'ল—প্রিয় নেতাৰ হত্যাৰ প্রতিশোধতেই নিশ্চয় এই হত্যাকাণ্ড অনুষ্ঠিত হৈছিল। কিন্তু নতুন চেতনালব্ধ দুখীয়া শ্রমিক খেতিয়কৰ এনে কার্যত জমিদাৰ আৰু ভূস্বামী হঁতে ইমান ভয় খাইছিল যে ৰামজী মাহাতোৰ মৃত্যুৰ ঘণ্টাদিয়েকৰ ভিতৰতে ওচৰ পাজৰে থকা জমিদাৰ জোটদাৰ আহি দর্পমঠত লগ লাগিলহি, আৰু নিজৰ বহতীয়া ৰখীয়াৰে আহি মজদুৰবস্তি ঘেৰি পেলালেহি। অবাধ লুণ্ঠন চলোৱাৰ পাছত তিনিজন জীয়াই জীয়াই পুৰি মৰা হয়, আৰু দুজনক গুলিয়াই হত্যা কৰা হয়। অথচ এই নিষ্ঠুৰ লুণ্ঠন আৰু হত্যাকাণ্ড সংঘটিত হয় ওচৰত থকা আৰক্ষী চাউনিৰ নিচেই কাষতেই।

দ্বাৰা প্রাকৃতিক সফলভাবে বশলৈ অনা যায়। প্রথমবিধ বিশ্বাসৰ পৰিণাম যৌন-কৃচ্ছ্রসাধন, দ্বিতীয় বিধৰ পৰিণাম যৌনতা-প্রধান আচাৰ-অনুষ্ঠান। উল্লেখ কৰা উচিত হ'ব যে আদিম সমাজৰ কৃচ্ছ্র সাধনৰ উদ্দেশ্য সমাজ-জীৱনৰ বাস্তব তাগিদ, পৰবর্তী কালৰ দৰে তাৰ উদ্দেশ্য ইহলোক বিমুখ আত্মমুখী আধ্যাত্মিক উন্নয়ন নহয়। আদিম সমাজৰ যৌন-কৃচ্ছ্রসাধনৰ কৌতুহলোদ্দীপক দৃষ্টান্ত কিছুমান জেমছ্ ফ্রেজাৰৰ লিখনিত পোৱা যায়। (৩১) মধ্য আমেৰিকাৰ ইণ্ডিয়ানসকলে বিশ্বাস কৰে যে যৌন-সংযমে পথাৰৰ শস্য লহপহকৈ বঢ়াত সহায় কৰে; ট্রেনছিলভেনিয়াৰ কিছুমান জার্মানৰ মাজত গুটি সিঁচাৰ সময়ছোৱাত স্ত্রীৰ সান্নিধ্যৰ পৰা আঁতৰত থকাৰ ৰীতি প্রচলন আছে। মধ্য অষ্ট্রেলিয়াৰ কেইটিছ্ জনজাতিৰ মুৰব্বীসকলে উর্বৰতা-কেন্দ্রিক ঐন্দ্রজালিক আচাৰ-অনুষ্ঠানৰ সময়ত এই সংযম পালন কৰে। অসমৰ লোঠা নগা-সকলৰ মাজতো মাছ ধৰিবলৈ যোৱাৰ আগনিশা যৌন-সম্ভোগৰ পৰা বিৰত থকাৰ ৰীতিৰ কথা এই প্রসংগত উল্লেখ কৰিব পাৰি। পৃথিবীৰ অন্যান্য কিছু জনজাতিৰ মাজতো মাছ ধৰাৰ কালছোৱাত এই ধৰণৰ যৌন-কৃচ্ছ্রসাধনৰ নিয়ম প্রচলিত থকাৰ কথা জনা যায়। অকল শস্য-বৃদ্ধি বা সফল চিকাৰৰ বাবেই নহয়, যুদ্ধ-জয়ৰ বাবেও এই ধৰণৰ যৌন-সংযমৰ ৰীতি বহুতো আদিম সমাজত প্রচলিত থকা দেখা যায়। শক্তিশালী পুৰুষক বীর্যবান বোলাৰ লগত এইবোৰ বিশ্বাসৰ সম্পর্ক থকাটো খুবেই স্বাভাবিক। এইখিনিতে উল্লেখ কৰাটো অপ্রাসংগিক নহ'ব যে তিব্বতৰ বৌদ্ধতন্ত্রই 'থিগ-লে' বা বীর্য-শক্তিৰ সংৰক্ষণৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। (৩২) আমাৰ দেশৰ তন্ত্রতো যৌন-শক্তিৰ সংৰক্ষণ আৰু উদ্গমনৰ কথা আছে। উল্লেখযোগ্য যে বহুতো পণ্ডিতৰ মতে যৌনতা-প্রধান উর্বৰতা-কেন্দ্রিক কৃষি-ইন্দ্রজালৰ পৰাই তন্ত্রৰ জন্ম, আৰু আদিম সমাজত এই উর্বৰতা বৃদ্ধিকাৰী আচাৰ-অনুষ্ঠানৰ লগত যে যৌন-শক্তিৰ সংৰক্ষণ কিছুক্ষেত্রত নিবিড়ভাবে সম্পর্কিত সেই কথা আমি ইতিমধ্যে উল্লেখ কৰিছোঁ। ইয়াৰ দ্বাৰা আমি এই কথা কব বিচৰা নাই যে গান্ধীৰ ব্রহ্মচর্য ধর্মৰ ওপৰত আদিম সমাজৰ ধ্যান-ধাৰণা কিম্বা তান্ত্রিক বিশ্বাসৰ প্রত্যক্ষ প্রভাব আছে, কিন্তু যিবোৰ প্রাচীন ৰীতি-নীতি আৰু বিশ্বাসৰ ওপৰত গান্ধীৰ বীর্য-সংৰক্ষণ তথা উদ্গমনৰ তত্ত্ব প্রতিষ্ঠিত সেইবোৰৰ লগত কিছুক্ষেত্রত আদিম মানুহৰ চিন্তা আৰু আচাৰ-অনুষ্ঠানৰ পৰোক্ষ সম্পর্ক থকাটো অচৰিত একো নহয়। অবশ্যে স্বীকাৰ কৰি-বই লাগিব যে এই বিষয়ে বিতং আৰু তথ্যপূর্ণ আলোচনা কৰাৰ ক্ষমতা আমাৰ নাই। পিছে এটা কথা সহজেই লক্ষ্য কৰা যায় যে আদিম যৌন-সংযমৰ লগত ব্রহ্মচর্যৰ এটা সাদৃশ্য আছে, যদিও উদ্দেশ্যৰ ফালৰ পৰা দুইটাৰ মাজত বিস্তৰ ব্যবধান। সাদৃশ্যটো হ'ল বীর্য-সংৰক্ষণ। এই ব্রহ্মচর্যৰ প্রভাব কিছুক্ষেত্রত ইমান গভীৰ যে এতিয়াও কিছু ব্রাহ্মণে আত্মিক ক্ষতিৰ ভয়ত আনকি পত্নীৰ লগতো যিমানদূৰ সম্ভব কম সহবাস কৰাৰ কথা শুনা যায়। (৩৩) গান্ধীৰ চিন্তাত ইয়াৰ প্রভাব কিমান ব্যাপক আৰু গভীৰ সেই বিষয়ে ইতিমধ্যে কিছু অলোচনা কৰা হৈছে। এই ক্ষেত্রত শাস্ত্রীয় নির্দেশক গান্ধীয়ে নির্দ্বিধায় মানি লৈছে। মজাৰ কথা এই যে ১৯২৫ চনলৈকে ফ্রয়েডেও হেনো বিশ্বাস কৰিছিল যে 'অস্বাভাবিক উপায়েৰে বীর্যস্খলন ঘটিলে বা

ঘটালে মানসিক স্বাস্থ্য নষ্ট হোৱাৰ সম্ভাবনা থাকে। (৩৪) বীর্যক্ষয়ভীতিৰ আৰু উদাহৰণ খৃষ্টান ধর্মাধ্যায়িত পাশ্চাত্যত পোৱা যায়। এলিজাবেথ ব্লেকৱেল নামৰ এগৰাকী চিকিৎসকে বিশ্বাস কৰিছিল যে কম বয়সৰ যৌন-সংযমে স্বাস্থ্যৰ উন্নতি, ইচ্ছা শক্তিৰ ক্ষমতা আৰু মানব জীৱনৰ মহৎ লক্ষ্যসমূহৰ প্রতি বৌদ্ধিক শক্তিক কেন্দ্রীভূত কৰাত সহায় কৰে। (৩৫) প্রসংগতঃ এটা গুৰুত্বপূর্ণ কথা উল্লেখ কৰা যায় হিন্দু ব্রহ্মচর্য মূলতঃ বীর্য কেন্দ্রিক—অর্থাৎ, এই ব্যবস্থা প্রধানকৈ পুৰুষসকলৰ, কাৰণেহে গান্ধীৰ ব্রহ্মচর্য চিন্তাতো এই পুৰুষ-প্রাধান্যৰ আভাস স্পষ্ট। সেইবাবে তেওঁ 'সংযমহীন' যৌন-সম্ভোগৰ ফলত পুৰুষ বেচিকৈ ক্ষতিগ্রস্ত হোৱাৰ সম্ভাবনাৰ ইংগিত দিছে সৃষ্টিশীল যৌন শক্তিৰ অপচয়ৰ ফলত ভাৰতীয় মধ্যবিত্তৰ কেবল পুৰুষসকলেহে দুর্বল হৈ পৰাৰ কথা কৈছে। শেষ বিচাৰত, প্রাচীন হিন্দু ব্রহ্মচর্যৰ দৰে, গান্ধীৰ ব্রহ্মচর্যও পুৰুষ কেন্দ্রিক।

আমাৰ এই আলোচনাত আমি কেইবাবাৰো গান্ধী আৰু ফ্রয়েডৰ মাজ থকা কিছু সাদৃশ্যৰ কথা উনুকিয়াই আছিছোঁ। গান্ধীৰ বীর্য-সংৰক্ষণ আৰু উদগমন তত্ত্বৰ আলোচনা প্রসংগত পুনৰ মনলৈ প্রশ্ন আহেঃ এই ক্ষেত্রতো গান্ধীৰ লগত ফ্রয়েডৰ কিবা মিল আছে নেকি? সমাজ-সভ্যতা-সংস্কৃতি গঠনত ফ্রয়েডে যৌন-শক্তি অবদমন আৰু ভিন্নমুখী গতিক প্রাধান্য দি অহাৰ কথা আমি বহুতেই শুনিছোঁ। এই অবদমন আৰু ভিন্নমুখী গতি বা উদগমনৰ লগত জানো গান্ধীৰ ব্রহ্মচর্য তথাকথিত গঠনমূলক দিশটোৰ সাদৃশ্য নাই? ফ্রয়েডে স্পষ্টভাবে কৈছে যে আমি সভ্যতা প্রবৃত্তিৰ অবদমনৰ ওপৰত প্রতিষ্ঠিত। (৩৬) গান্ধীয়ে এই ধৰণৰ কথা কোৱা নাই যদিও সর্বশক্তিৰ আধাৰ হিচাপে যৌন-ক্ষমতাৰ উদগমনৰ ওপৰত তেওঁৰ বিশ্বাস অত্যন্ত দৃঢ়ঃ 'All power comes from the preservation and sublimation of the vitality that is responsible for the creation of life.' (P. 134) গান্ধী আৰু ফ্রয়েডৰ এই মতামতবোৰ পর্যালোচনা কৰিলে এই সিদ্ধান্তলৈ অহা যায় যে—শেষ বিচাৰত—তেওঁলোকৰ মতে,সমাজ আৰু মানুহৰ অগ্রগতি লগত যৌন শক্তিৰ সংৰক্ষণ বা অবদমন ওতঃপ্রোতভাবে জড়িত। অবশ্যে স্বীকাৰ কৰিবই লাগিব যে এই ক্ষেত্রত দুয়োৰে মাজত কিছু গুৰুত্বপূর্ণ পার্থক্য আছে। মূলতঃ সামন্ত ভাবাদর্শৰ দ্বাৰা অধ্যায়িত ধর্মীয় কৃচ্ছ্র সাধনৰ পৰিবেশত ডাঙৰ-দীঘল হোৱা গান্ধীয়ে অস্বাভাবিক আত্ম-সংযমকেই মানুহৰ আদর্শ নৈতিকতা বুলি প্রচাৰ কৰিছে; আনহাতেদি ধনতান্ত্রিক ভাবাদর্শৰ মুখপাত্র ফ্রয়েডৰ চিন্তাও দেখা যায় উগ্র ব্যক্তিস্বাতন্ত্র্যবাদৰ প্রকাশ, যত আত্মমুখী ভোগস্পৃহা মানুহৰ অপৰিবর্তনীয় প্রকৃতি হিচাপে প্রতিভাত। (৩৭)

গান্ধীৰ ব্রহ্মচর্যৰ বিষয়ে আলোচনা কৰোঁতে আমি দেখিছোঁ যে যৌন-সংযমৰ উদ্দেশ্য এনে এটা অবস্থাত উপনীত হোৱা, য'ত বহির্বাস্তবৰ উদ্দীপকে ব্রহ্মচাৰীৰ স্নায়ুতন্ত্রত কোনো ধৰণৰ কু-প্রতিক্রিয়াৰ সৃষ্টি নকৰে: প্রকৃত ব্রহ্মচাৰীৰ ক্ষেত্রত, গান্ধী মতে, মৃত দেহৰ দৰে পৃথিবীৰ শ্রেষ্ঠা সুন্দৰীৰ সংস্পর্শই কোনো ধৰণৰ উত্তেজনাৰ সৃষ্টি কৰা উচিত নহয়। কিন্তু প্রবৃত্তিৰ ওপৰত এই আধ্যাত্মিক বিজয় যে বিশুদ্ধ, দৃঢ় আ

স্থায়ী তাৰ প্রমাণ কেনেকৈ পোৱা যাব? এই বিষয়ত গান্ধীয়ে নিজৰ ব্রহ্মচর্য ব্রতৰ বিশুদ্ধতা পৰীক্ষাৰ উদ্দেশ্যে বেছ দুঃসাহসক উপায় লোৱা দেখা যায়: তেওঁ নিশা নিবিড় নাৰী-সান্নিধ্যৰ দ্বাৰা নিজৰ চিত্তৰ পবিত্রতা পৰীক্ষা কৰি চাইছিল। অবশ্যে এই ধৰণৰ পৰীক্ষাক গান্ধীৰ ব্রহ্মচাৰী আচৰণৰ স্বকীয় বৈশিষ্ট্য বুলি কোৱা নাযায়। জনা যায় যে কিছু খৃষ্টান ধার্মিক পুৰুষে এসময়ত এই পদ্ধতিৰে নিজৰ সংযম পৰীক্ষা কৰিছিল; বিবাহক নাকচ কৰা কিছু সম্প্রদায়ে মধ্যযুগত প্রলোভনৰ দ্বাৰা নিজৰ সংযম-ক্ষমতাক পৰীক্ষা কৰাৰ কথাও শুনা যায়। (৩৮) গান্ধীৰ ব্রহ্মচর্য সম্পর্কে অনুসন্ধিৎসু এজন লিখকৰ পৰা জনা যায় যে নোৱাখালিত তেওঁৰ শয্যাসংগী আভা গান্ধীক সম্পূর্ণ নাঙঠ হৈ নিজৰ লগত শুবলৈ গান্ধীয়ে হেনো অনুৰোধ কৰিছিল। এই বিষয়ে লিখকজনে আৰু প্রশ্ন কৰাত আভা গান্ধীয়ে কয় যে যিমানদূৰ মনত পৰে তেওঁ সম্পূর্ণ নাঙঠ হোৱা নাছিল; গান্ধীৰ গাত সেই সময়ত কাপোৰ আছিল নে নাই সেই কথা তেওঁৰ মনত নাই আৰু সেই বিষয়ে বিশেষ চিন্তা কৰাৰ ইচ্ছাও তেওঁৰ নাই। (৩৯) মহিলাক লৈ গান্ধীয়ে মাজনিশা চলোৱা ব্রহ্মচর্যৰ এই পৰীক্ষা-নিৰীক্ষাবোৰ সহ্য কৰাটো সকলোৰে পক্ষে সম্ভব নহয়। সেইসময়ত গান্ধীৰ লগত থকা শ্রীনির্মল কুমাৰ বোসে এই পৰীক্ষা-বোৰক সমর্থন কৰিব পৰা নাছিল। গান্ধীৰ ব্রহ্মচর্য পৰীক্ষা সম্পর্কীয় আলোচনা প্রসংগত এবাৰ বোসে গান্ধীলৈ লিখা চিঠিত ফ্রয়েডীয় ব্যাখ্যাৰ কথা উল্লেখ কৰি কৈছিল যে ফ্রয়েডৰ মতে আমি বহুসময়ত নিজৰ অবচেতন বাসনাৰ দ্বাৰা নিয়ন্ত্রিত হওঁ। ইয়াৰ উত্তৰত গান্ধীয়ে বোসলৈ লিখিলে যে তেওঁ ফ্রয়েড আৰু তেওঁৰ চিন্তাধাৰাৰ বিষয়ে একো নাজানে আৰু ইয়াৰ আগতে তেওঁ মাত্র এবাৰহে কোনোবা এজন অধ্যাপকৰ মুখত ফ্রয়েডৰ নাম শুনিছে। (৪) উল্লেখযোগ্য যে গান্ধীয়ে নিজে কোৱা মতে তেওঁ হেভলক এলিছ, বার্ট্রান্ড ৰাছেলৰ দৰে বিখ্যাত লিখকৰ কিতাপ পঢ়িছে। ৰাছেল, এলিছৰ কিতাপ পঢ়া গান্ধীয়ে ফ্রয়েদ সম্পর্কে একো নজনাটো জানো বিশ্বাসযোগ্য হব পাৰে নহয়? গান্ধীয়ে খুব সম্ভব ৰাছেলৰ 'মেৰেজ এণ্ড মৰেলছ'খন পঢ়াৰ কথা কৈছে। সেইখন কিতাপত ৰাছেলে উদ্‌গমন তত্ত্বৰ আলোচনা প্রসংগত 'ফ্রয়েডীয় লাইন'ৰ কথা উল্লেখ কৰা আৰু বোসে লিখা ফ্রয়েডীয় ব্যাখ্যাৰ কথা পৰোক্ষভাবে আলোচনা কৰাৰ কথা আমি জানো। বোসৰ লগত মতবিৰোধ হোৱাৰ পাছতহে যদি গান্ধীয়ে এই কিতাপবোৰ পঢ়িছিল তেন্তে অবশ্যে তেওঁৰ ফ্রয়েড-অজ্ঞতা অকৃত্রিমতা সম্পর্কে সন্দেহৰ অবকাশ নাই।

যৌন-নৈতিকতা সামাজিক ভাবাদর্শৰেই গুৰুত্বপূর্ণ অংশ আৰু মানুহৰ আবেগ চিন্তা তথা আচৰণৰ ওপৰত ইয়াৰ প্রভাবক কোনো মতেই অস্বীকাৰ কৰিব নোৱাৰি। আমি জানো, ইতিহাসৰ অগ্রগতিৰ লগে লগে যৌন-নৈতিকতাৰ চৰিত্রও সলনি হয়। সমাজ-বিকাশৰ সহায়ক শক্তি হিচাপে যেতিয়া এই নৈতিকতাৰ বিকাশ হয় তেতিয়া ইয়াৰ ভূমিকা হৈ পৰে প্রগতিশীল। সামন্ত-পৰিবেশত ব্যক্তিগত যৌন-প্রণয়ৰ দাবীৰ ভূমিকা এই প্রসংগত স্মৰণ কৰিব পাৰি। প্রথাশাসিত পিতৃতান্ত্রিক সামন্ত সমাজত এই দাবীয়ে আচলতে স্থিতাবস্থাৰ ন্যায্যতাকেই প্রশ্ন কৰে। এতিয়া প্রশ্ন হ'ল, গান্ধীৰ যৌন-নৈতিকতাই জানো এইধৰণৰ কিবা ভূমিকা পালন কৰিবলৈ সক্ষম

হৈছে? গান্ধীৰ মতামতবোৰ ভালদৰে বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁৰ যৌন নৈতিকতাই ক'তো আৰ্থ-সামাজিক স্থিতাবস্থাৰ মূল ভিত্তিক অকণো আঘাত কৰা নাই। অসবৰ্ণ বিবাহ সম্পৰ্কে তেওঁৰ মন্তব্য পঢ়ি ভাব হয় যে যৌন-প্ৰণয়ৰ দাবীয়ে যাতে ধৰ্মীয়-সামাজিক স্থিতাবস্থাক আঘাত নকৰে তাৰ বাবেহে তেওঁ যেন পৰোক্ষ ভাবে চেষ্টা কৰিছে। এক কথাত কোৱা যায়, সমাজ-প্ৰগতিৰ লগত তেওঁৰ অবদমনমূলক আত্মশুদ্ধিব্যস্ত যৌন-নৈতিকতাৰ কোনো সম্পৰ্ক নাই। এই বিষয়ে বিশদ আলোচনা ইয়াত সম্ভব নহয়। বৰ্তমান আমি সংক্ষেপে তেওঁৰ অবদমনমূলক যৌন-নৈতিকতাৰ বিষয়গত সামাজিক ফলাফল—যি ফলাফলৰ বিষয়ে গান্ধী নিজেও হয়তো সদায় সজাগ নাছিল—তাৰ কিছু আভাস দিবলৈ যত্ন কৰিম: (১) গান্ধীৰ ব্ৰহ্মচৰ্য তত্ত্বই জনসাধাৰণৰ মাজত অবৈজ্ঞানিক চিন্তাৰ প্ৰসাৰ ঘটাব: বীৰ্যক্ষয়কেই মানুহৰ স্বাস্থ্য হানি—আনকি শ্ৰেণী দৌৰ্বল্যৰ—বাবে দায়ী কৰিব। আকৌ যিবোৰ উপায়েৰে গান্ধীয়ে আত্ম-সংযমৰ অভ্যাস কৰিবলৈ নিৰ্দেশ দিছে তাৰ সৱহভাগেই মানুহৰ ধৰ্মবিশ্বাসক দৃঢ়, গভীৰ আৰু সৰ্বব্যাপী কৰিব। এই পৰিণতি সমাজ-প্ৰগতিৰ বাবে নিশ্চয় মংগলজনক নহয়। (২) ব্ৰহ্মচাৰী বিবেক আৰু শক্তিশালী সহজাত যৌন প্ৰবৃত্তিৰ বিৰোধৰ ফলত মানুহৰ মন অস্বাভাবিক অন্তৰ্দ্বন্দ্বে ভৰি পৰাৰ সম্ভাবনা প্ৰচুৰ; সৱহক্ষেত্ৰত মানুহ নিষ্ক্ৰিয় আৰু আত্মমুখী হৈ পৰিব পাৰে আৰু অন্তৰ্দ্বন্দ্বৰ দ্বাৰা অতিপীড়িত হলে কেতিয়াবা মস্তিষ্কৰ কাৰ্যিক বিশৃংখলাও ঘটিব পাৰে। তাৰ মানে গান্ধীৰ অতিসংযম মানসিক স্বাস্থ্যৰ বাবে হিতকৰ নহয়। (৩) গান্ধীৰ এ ব্ৰহ্মচৰ্য তত্ত্বই—গান্ধীৰ ইচ্ছাৰ বিৰুদ্ধেই হয়তো—একপ্ৰকাৰৰ নাৰী-বিদ্বেষ কিম্বা অস্বাভাবিক নাৰী-বিমুখতাৰ জন্ম দিব পাৰে। প্ৰবৃত্তিৰ ওপৰত নিয়ন্ত্ৰণ নথকা মানুহে আনকি ধাতুৰে গঢ়া নাৰী মূৰ্ত্তিৰ পৰাও দূৰত থাকিবলৈ যি নিৰ্দেশ গান্ধীয়ে এঠাইত দিছে তাৰ মাজতেই নাৰী-বিমুখতাৰ সম্ভাবনা বিদ্যমান। (৪) স্বাভাবিক প্ৰণয়ৰ অস্বাভাবিক অবদমনৰ পৰিণতি স্বাভাবিক নোহোৱাটো একো আচৰিত নহয়। অতিসংযমে যৌন-বাসনাক উৎখাত কৰাৰ পৰিবৰ্তে আৰু বঢ়াইহে তুলিব—এইধৰণৰ অনুমান কিছু পণ্ডিতৰ লিখনিত পোৱা যায়। এইবাবেই নিশ্চয় মধ্যযুগৰ খৃষ্টান মঠবোৰ ব্যভিচাৰৰ কেন্দ্ৰ হৈ পৰিছিল; ভাৰতৰ বৌদ্ধ মঠবোৰতো এটা সময়ত বুদ্ধ-নিৰ্দেশিত নৈতিক সংযমৰ অভাব দেখা গৈছিল। ব্ৰহ্মচৰ্যৰ ফলাফল আলোচনা প্ৰসংগত এই কথাখিনি মনত ৰখা উচিত হ'ব। (৫) নিও-ফ্ৰয়েডীয়ান তাত্ত্বিক এৰিক ফৰ্মে এঠাইত লিখিছে যে যৌন-সুখক পাপ জ্ঞান কৰা অবদমনমূলক যৌন-নৈতিকতাই মানুহৰ মনত অপৰাধবোধৰ জন্ম দিয়ে। (৪১) ফৰ্মৰ নিও-ফ্ৰয়েডীয়ান ব্যাখ্যাবোৰৰ লগত বস্তুবাদীসকল একমত হ'ব নোৱাৰিলেও গান্ধীৰ অবদমনমূলক নৈতিকতাৰ বিষয়গত ফলাফল বুজাৰ ক্ষেত্ৰত ফৰ্মৰ এই উক্তিয়ে নিশ্চয় কিছু সহায় কৰিব। এই অপৰাধবোধৰ ফলত মানুহৰ আনুগত্যপ্ৰীতি বাঢ়ি যায়, প্ৰচলিত সমাজ-সংস্কৃতিৰ প্ৰতি মানুহৰ দৃষ্টিভংগী হয় ভোটা। আকৌ, আনহাতেদি জীৱনৰ সমস্ত দুখ-যন্ত্ৰণাক মানুহে যৌন অপৰাধৰ শাস্তি হিচাপে মুৰ পাতি লয়, অভাব অনাটন, অত্যাচাৰ, অবিচাৰৰ সামাজিক উৎস সম্পৰ্কে মানুহ হৈ পৰে নিস্পৃহ

এইফালৰ পৰা বিচাৰ কৰি চালে দেখা যায় যে সাধাৰণ মানুহৰ মনত অস্বাভাবিক অন্তৰ্দ্বন্দ, আত্মমুখী শুদ্ধিচিন্তা, অপৰাধবোধ, ধৰ্মানুগত্য ইত্যাদিৰ সৃষ্টি কৰা গান্ধীৰ ব্ৰহ্মচৰ্যতত্ত্ব—শেষ বিচাৰত, বিষয়গতভাবে—আৰ্থ-সামাজিক স্থিতাবস্থাৰেই সুদক্ষ প্ৰহৰী।

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে গান্ধীয়ে এঠাইত আত্ম-সংযমৰ প্ৰয়োজনীয়তাৰ কথা নাস্তিক কিম্বা বস্তুবাদীক বুজোৱাটো সহজ কাম নহয় বুলি স্বীকাৰ কৰিছে। আমাৰ এই আলাচনাতো আমি গান্ধীৰ আত্ম-সংযমৰ তত্ত্বক সমালোচনা কৰিবলৈ যত্ন কৰিছোঁ বস্তুবাদী দৃষ্টিভংগীৰে। স্বাভাবিকতে বহুতৰে মনত এটা প্ৰশ্ন জাগিব পাৰে: বস্তুবাদীসকলে কি বিশৃংখল যৌন-জীৱনক সমৰ্থন কৰে? এই বিষয়ে বিতং আলোচনা ইয়াত প্ৰাসংগিক নহ'ব, যদিও গান্ধীৰ অস্বাভাবিক কৃচ্ছ্ৰসাধন, ধনতান্ত্ৰিক সমাজৰ অসুস্থ অবাধ-যৌনতা আৰু সমাজতান্ত্ৰিক জীৱন-দৰ্শনৰ সুস্থ, মানবিক যৌন-প্ৰণয়ৰ তুলনামূলক আলোচনাৰ প্ৰয়োজন আছে বুলি আমাৰ মনত হয়। বৰ্তমান আমি মাত্ৰ দুই এজন বস্তুবাদী—অতএব নাস্তিক—চিন্তাবিদৰ মতামত উল্লেখ কৰিয়েই ক্ষান্ত থাকিম। এংগেলছে আধুনিক ব্যক্তিগত যৌন প্ৰণয়ৰ বৈশিষ্ট্য-সমূহৰ আলোচনা প্ৰসংগত স্থায়িত্ব আৰু গভীৰত্বৰ কথা বিশেষভাবে উল্লেখ কৰিছে।(৪২) এই স্থায়িত্ব—যাৰ স্বতস্ফূৰ্ততাৰ ওপৰত বহুপৰিমাণে নিৰ্ভৰ কৰে প্ৰেমৰ প্ৰকৃত গভীৰত্ব—সেই স্থায়িত্বৰ কথাই জানো প্ৰমাণ নকৰে যে এংগেলছ বৰ্ণিত যৌন প্ৰণয়ৰ লগত গান্ধী নিন্দিত 'dog's love'ৰ কোনো সম্পৰ্ক নাই? আন এজন বস্তুবাদী চিন্তাবিদ আগষ্ট বেবেলে যৌন প্ৰণয়ৰ ভবিষ্য সম্পৰ্কে আলোচনা কৰোঁতে মন্তব্য কৰিছে যে ভবিষ্যৎ সমাজৰ নাৰী-পুৰুষৰ আত্মশৃংখলা আৰু আত্ম-জ্ঞানৰ পৰিমাণ বৰ্তমান সমাজৰ নাৰী-পুৰুষতকৈ বহু বেছি হ'ব। (৪৩) অৱশ্যে কোৱা বাহুল্য যে বস্তুবাদীসকলে যুক্তিহীন আত্মপীড়নমূলক আত্মসংযমৰ কথা কোৱা। লেনিনে স্পষ্টভাবে কৈছে যে কমিউনিজমে সন্ন্যাসধৰ্ম অনা উচিত নহয়—কমিউনিজমে মনা উচিত জীৱনৰ আনন্দ আৰু শক্তি, যাৰ এটা উৎস হ'ব পৰিতৃপ্ত প্ৰেমৰ জীৱন। (৪৪) কিন্তু পৰিতৃপ্ত প্ৰেমৰ জীৱনৰ কথা কলেও লেনিনে দ্বিধাহীন ভাবে ঘোষণা কৰিছে যে আত্মসংযম আৰু আত্মশৃংখলাৰ অৰ্থ দাসত্ব নহয়—আনকি প্ৰেমৰ ক্ষেত্ৰতো নহয়। যুগ যৌন জীৱনৰ ক্ষেত্ৰত সামাজিক আৰু সাংস্কৃতিক দিশটোৰ ওপৰত তেওঁক বিশেষভাবে গুৰুত্ব দিয়া দেখা যায়। তেওঁৰ মতে যৌন লাম্পট্য বুৰ্জোৱাশ্ৰেণীৰ বৈশিষ্ট্য—অবক্ষয়ৰ লক্ষণ। এই উক্তিবোৰৰ পৰা এই কথাই পৰিষ্কাৰ হয় যে গান্ধীৰ ব্ৰহ্মচৰ্য আৰু ধনিক-নৈতিকতাৰ অবাধ যৌনতাৰ বাদেও সংঘাট আৰু সাধনাৰ মাজেৰে পৃথিবীত ইতিমধ্যে তৃতীয় এবিধ সুস্থ, স্বাভাবিক আৰু মানবিক যৌন নৈতিকতাৰ জন্ম আৰু বিকাশ হৈছে। এই বিষয়ে গান্ধীৰ স্পষ্ট কিবা ধাৰণা আছিল বুলি মনত নহয়।

পৰিশেষত গান্ধীৰ তাৎৰ্যপূৰ্ণ উক্তি এটা উদ্ধৃত কৰা উচিত হ'ব বুলি বোধ হৈছে। বিজ্ঞানৰ অবিশ্বাস্য অগ্ৰগতি আৰু বিপুল ভবিষ্যৎ সম্ভাবনাই গান্ধীক কেতিয়াও উৎসাহিত কৰা নাই, কাৰণ পশ্চাদমুখীনতাই তেওঁৰ চিন্তা আৰু সামাজিক স্বপ্নৰ অন্যতম প্ৰধান বৈশিষ্ট্য। এবাৰ কৃত্ৰিম বৈজ্ঞানিক পদ্ধতিৰে সন্তানোৎপাদন

কৰা সম্পৰ্কে তেওঁক প্ৰশ্ন কৰোঁতে তাৰ বিৰোধিতা কৰি অবশেষত গান্ধীয়ে স্বীকাৰ কৰিছিল'...I belong to an age that is perhaps dying.' (190) এ উক্তিটো 'perhaps' শব্দটো বাদ দি পঢ়িলে স্বীকাৰ কৰিবই লাগিব যে এ ক্ষেত্ৰত গান্ধীৰ 'সত্যান্বেষণ' সম্পূৰ্ণ সাৰ্থক হৈছে। সন্দেহ নাই, ক্ষয়মান বন্ধ্যা পশ্চাদমুখীনতাৰ এই স্বীকাৰোক্তিয়েই গান্ধীবাদৰ যোগ্যতম এপিটাফ্। ++

(২৯) M. K. Gandhi, Birth Control, P. 94 (এই সংকলনৰ পৰা দিয়া উদ্ধৃতিৰ শেষৰ পৃষ্ঠাৰ উল্লেখ আছে।)
(৩০) M. K. Gandhi, The Role of Women, P. 62
(৩১) Frazer, Golden Bough (Abridged) P. 182
(৩২) Philip Rawson, The Art of Tantra, P. 31
(৩৩) Ibid, P. 31
(৩৪) Brecher, The Sex Researchers, P. 88
(৩৫) Ibid, P. 173
(৩৬) Freud, Civilization and Its Discontents.
(৩৭) Caudwell,Freud, Studies in a Dying Culture, P. 179
(৩৮) W. G. Sumner, the Mores Can Make Anything Right Anthropology (Ed. Rappord & Wright), P. 216 ; The Encyclopedia Americana (vol-vI) P. 169.
(৩৯) Blitz, Oct. 8, 1977.
(৩০) Blitz, Oct. I, 1977.
(৪১) E. From, The Crisis of Psychoanalysis, P. 137.
(৪২) Engels, The Origin of the Family, Private Property & the State, P. 77.
(৪৩) Bebel, Society of the Future, P. 118
(৪৪) Lenin, On the Emancipation of Women, P. 107 ++

ফাচী বজাৰৰ দৰ

১৫ আগষ্ট,—১৯৭৭		১৫ আগষ্ট,—১৯৭৮
মণ্ড দাইল কেজি	২.৫০	৪.২০
মচুৰ	২.০০	৪.১০
ৰহৰ	২.০০	৪.৭০
বুট	১.৭৫	২.৮০
মিঠাতেল	৬.২৫	৯.৫০
হালধি	৬.০০	১২.০০
ফলামুগ	২.৫০	৪.২৫

(সূত্ৰ : দৈনিক অসম ১৫ আগষ্ট ১৯৭৮)

গল্প

মন্ত্ৰী-মাজাৰ কথা

মূল : কৃষণ চন্দৰ
অনুবাদ—অন্‌জু বৰকটকী

মন্ত্ৰী হোৰাটো উপাধ্যায়ে আনকি সপোনতো দেখা নাছিল। তেওঁ আছিল এজন সাধাৰণ হেকিম। নানা টনিক, কামোদ্দীপক ঔষধ আৰু এক বিশেষ মাত্ৰ বিষ বেচা তেওঁৰ এখন ঔষধৰ দোকান আছিল।

ঘটনাটো ঘটিল এনেদৰে। মুখ্যমন্ত্ৰীৰ ভাগিনীয়েকজন উপাধ্যায় থকা ঠাইৰ কাষতে আছিল আৰু এবাৰ তেওঁ ডিছেণ্ট্ৰীত ভোগোতে সৌভাগ্যবশতঃ উপাধ্যায়ৰ ঔষধৰ বলত আৰোগ্য হ'ল। আৰু তাৰপাছত এদিন উপাধ্যায়ক তেওঁ মুখ্যমন্ত্ৰীৰ সৈতে চিনাকি কৰি দিলে। মুখ্যমন্ত্ৰী আকৌ বহুদিনৰ পৰা অৰ্শৰোগত ভুগিছিল আৰু কোনোপধ্যেই আৰোগ্য হোৱা নাছিল। কিন্তু উপাধ্যায়ে মুখ্যমন্ত্ৰীৰ বেমাৰ ছমাহৰ ভিতৰতে দূৰ কৰিলে।

লগে লগেই উপাধ্যায়ৰ ভাগ্যও খোল খালে বুলিব পাৰি। তেওঁ লগে লগেই মুখ্যমন্ত্ৰীৰ ঘৰৰা ডাক্তৰ নিযুক্ত হ'ল আৰু মুখ্যমন্ত্ৰীয়ে তেওঁক নিজৰ মানুহ বুলি ঘোষণা কৰিলে। উপাধ্যায়ৰ প্ৰেষ্টিজ ফুলি উঠিল। তেওঁ বাসস্থান সলালে সুন্দৰ এটা নতুন ঘৰলৈ, গৰাকী হ'ল টেলিফোন আৰু এখন নতুন গাড়ীৰ, লগে লগে বেংকত খুলি ললে এটা একাউণ্ট। এইদৰে মুখ্যমন্ত্ৰীৰ লগত হোৱা বন্ধুত্বই তেওঁৰ জীৱনৰ ৰাস্তা ঘুৰাই দিলে।

কথাতে কয় বোলে—এজন ৰাজনীতিবিদে কাৰোবাৰ ওপৰত চকুদিলে তেওঁক আৰু সহজে এৰি নিদিয়ে। উপাধ্যায়ৰ ক্ষেত্ৰতো ঘটিল একেটাই।

এদিনাখন মুখ্যমন্ত্ৰীয়ে তেওঁক মাতি পঠিয়ালে আৰু ক'লে—"তুমিতো মোৰ নিজা মানুহ। গতিকে তুমি জনতা মণ্ডলৰ চেক্ৰেটাৰীৰ পদ গ্ৰহণ কৰিলে মই সুখী হম।"

উপাধ্যায়ে আচৰিত হৈ প্ৰশ্ন কৰিলে "মই ? মোৰ ভীষণ সময়ৰ নাটনি। বৰ্তমান মই দ্ৰাক্ষাশৱ (Drakshasava) আৰু মাউহলাম (Mauhlam) সংমিশ্ৰণত এক নতুন ঔষধ উদ্ভাবনৰ চেষ্টাত আছোঁ। অৰ্থাৎ মই উইনানি প্ৰথাক ভাৰতীয় প্ৰথাৰ ওপৰত প্ৰয়োগ কৰিছোঁ আৰু বৰ্তমান ফলাফলৰ অপেক্ষাত আছোঁ।"

মুখ্যমন্ত্ৰীয়ে সুধিলে—"ফলাফল কি হব ?"

OKDCD

উপাধ্যায়ে স্বীকাৰ কৰিলে—"সেই সম্পৰ্কে মই বৰ্তমান অন্ধকাৰত আছোঁ। প্ৰকৃততে কথাটো হৈছে এনে ধৰণৰ। পাশ্চাত্য প্ৰথামতে ৰোগ নিৰ্ণয় কৰি তাৰ পাছতহে তাৰ ঔষধ প্ৰস্তুত কৰা হয়; কিন্তু আমাৰ প্ৰথামতে প্ৰথমতে ঔষধ প্ৰস্তুত কৰি তাৰ পাছত কি ৰোগ নিৰাময়ৰ বাবে তাক ব্যৱহাৰ কৰিব পাৰি তাৰ চোৱা হয়।"

"এইটোৱেই সমাধানৰ উপায়।" মুখ্যমন্ত্ৰীয়ে কলে "তুমি প্ৰথমতে ছেক্ৰেটাৰীৰ পদ গ্ৰহণ কৰা, তাৰ পাছত দেখা যাব তোমাৰ ওপৰত কি দায়িত্ব দিব পৰা যায়।"

গতিকে উপাধ্যায় হৈ পৰিল জনতা মণ্ডলৰ ছেক্ৰেটাৰী। ইয়াত কোনো আপত্তি নুঠিল, কাৰণ উপাধ্যায় মুখ্যমন্ত্ৰীৰ নিজৰ মানুহ।

ইয়াৰ পাচত সময় আহিল ৰাজ্যত বিধানসভা নিৰ্বাচনৰ আৰু মুখ্যমন্ত্ৰীয়ে উপাধ্যায়ক লৈ জনতাৰ মাজলৈ ওলাল।

"উপাধ্যায়জী"—মুখ্যমন্ত্ৰীয়ে কলে—"জনতা তোমাৰ ওপৰত খুব সন্তুষ্ট। তুমি তেওঁলোকৰ বাবে যি কৰিলা তাৰ বাবে তেওঁলোকে তোমাৰ প্ৰশংসা কৰিছে।"

উপাধ্যায় আচৰিত হ'ল—"কিন্তু মই আনকি জনতা মণ্ডলৰ অফিছত এবাৰো ভৰিয়েই দিয়া নাই।"

"সেইটোৱেই প্ৰকৃত কাৰণ, যাৰ বাবে তুমি জনতাৰ প্ৰিয় হৈছা." মুখ্যমন্ত্ৰীয়ে কলে—"এতিয়া শুনা—বিধান সভাৰ নিৰ্বাচন অলপতে হ'ব। তুমি এখন আসনত প্ৰতিদ্বন্দিতা কৰিবই লাগিব। অতি সোনকালে তোমাৰ মনোনয়ন পত্ৰ দাখিল কৰা। তুমিতো জানাই তুমি আমাৰ এজন মানুহ আৰু……।"

উপাধ্যায়ৰ মুখৰ মাত হৰিল। শেষত তেওঁ কলে—"মই বৰ্তমান অতি ব্যস্ত। আপোনাৰ বাণিজ্য বিভাগৰ যুটীয়া ছেক্ৰেটাৰী শ্ৰীগৰ্গ নাথৰ চিকিৎসাত মোৰ সকলো সময় গৈছে।"

মুখ্যমন্ত্ৰীয়ে প্ৰশ্ন কৰিলে—"তোমাৰনো অসুবিধা কি?"

উপাধ্যায়ে উত্তৰ দিলে—"তেওঁ এনে এটা বেমাৰত ভুগিছে যিটো তেওঁৰ পত্নীয়েও শুনিবলৈ লাজ পাব। আপুনি নিজেই ভাবি লওক।"

মুখ্যমন্ত্ৰীৰ চকু তিৰবিৰাই উঠিল। তেওঁ প্ৰায় ফুচফুচাই সুধিলে—"মই আশা কৰোঁ তুমি তেওঁৰ চিকিৎসা ভালদৰেই কৰিছা।"

উপাধ্যায়ে কলে—"মই যথাসাধ্য চেষ্টা কৰিছোঁ। কিন্তু কামটো কিদৰে কৰিব লাগিব, মই প্ৰকৃততে ভালদৰে নাজানো।"

আৰ্ছেনিকৰ দ্বাৰা তেওঁক শুশ্ৰূষা কৰিব লাগে কিন্তু আৰ্ছেনিকৰ দ্বাৰা বেমাৰটো এনেদৰে মাৰিব লাগিব যাতে মানুহজন নমৰে। সেয়ে মই বৰ্তমানে আৰ্ছেনিকৰ শুদ্ধমাত্ৰাটো ঠিক কৰাত ব্যস্ত। ইয়াৰ বাবে বহু পৰীক্ষাৰ প্ৰয়োজন হৈছে।"

মুখ্যমন্ত্ৰীয়ে হামিয়াই কলে—"জীৱন-মৰণ ভগবানৰ হাতত, কিন্তু নিৰ্বাচন আমাৰ হাতত। আপত্তি নকৰি আসনৰ বাবে থিয় হোৱা। তুমিতো আমাৰ এজন নিজা মানুহ।"

গতিকে উপাধ্যায় নিৰ্বাচনত থিয় হ'ল আৰু জিকিলো। ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে

তেওঁৰ বিশ্বাসী মানুহৰ দ্বাৰা মন্ত্ৰীসভা গঠণত ব্যস্ত হৈ পৰিল। তেওঁৰ বাছনিত উপাধ্যায়ো উঠিল। গতিকে স্বাস্থ্যবিভাগৰ মন্ত্ৰী পদটোৰ লগতে বনবিভাগৰ দায়িত্বও পৰিল উপাধ্যায়ৰ ওপৰত। মুখ্যমন্ত্ৰীৰ ধাৰণা উপাধ্যায় ইয়াৰ বাবে উপযুক্ত। অৰণ্যৰোৰ ভৰ্তি নানা ঔষধ গছ-লতাৰে। গতিকে উপাধ্যায়ে এই পদ ভাল পাবই কিন্তু ইমান গধুৰ দায়িত্ব লবলৈ উপাধ্যায় প্ৰথমে মান্তি হোৱা নাছিল। তদুপৰি এঘাৰ নম্বৰ সন্তানটোৰ পিছত তেওঁৰ পত্নী পুনৰ সন্তানসম্ভবা হৈছে আৰু উপাধ্যায়পত্নীক চাবলগীয়া হৈছে। লগতে এজন ডাক্তৰ শিল্পপতিৰ বাবে তেওঁ মুক্তা আৰু আন বহু মূল্যবান পাথৰৰ পৰা এটা বিশেষ ঔষধ প্ৰস্তুত কৰি উলিওৱাৰ চেষ্টাত আছে।

কিন্তু মুখ্যমন্ত্ৰীয়ে তেওঁক ইমান সহজে ৰেহাই নিদিলে। তেওঁ ক'লে, "চোৱা মই মোৰ মন্ত্ৰীসভাত ষাঠি বছৰৰ তলত কাকোৰেই লোৱা নাই আৰু তেওঁলোকৰ কোনোৰেই সুস্থ স্বাস্থ্যৰ নহয়। এটা নহয় এটা অসুখত তেওঁলোক ভুগি আছে গতিকে তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি নজৰ ৰাখিবলৈ এজন চিকিৎসকৰ প্ৰয়োজন। তদুপৰি মই তোমাক নিজা মানুহ বুলি ভাবিছোঁ……।"

গতিকেই আৰু কোনো আপত্তি নকৰাকৈ উপাধ্যায় মন্ত্ৰী হ'ল। কিন্তু নতুন পদত তেওঁ সন্তুষ্ট নহ'ল। প্ৰথম কথা হ'ল তেওঁ ইংৰাজী ভাষা নাজানে, আনহাতে ই দেশখনৰ সাধাৰণ মাধ্যমৰূপে স্বীকৃত। তাতোকৈ ডাঙৰ কথা হৈছে তেওঁ হিন্দী বা উৰ্দুও নাজানে ভালদৰে। গতিকে ৰাজ্যৰ সকলো কাম তেওঁ চেক্ৰেটেৰীৰ ওপৰত এৰি দি নিজে সঙ্গী মন্ত্ৰীসকলৰ স্বাস্থ্যৰ প্ৰতি নজৰ ৰখাত ব্যস্ত হ'ল।

এদিনাখন আবেলি যেতিয়া উপাধ্যায় তেওঁৰ খুন্দনাত কিছুমান মূল্যবান বনৌষধি আৰু গুটি গুড়ি কৰাত ব্যস্ত আছিল, তেনেতে হঠাৎ চীফ চেক্ৰেটেৰী তেওঁৰ কমলৈ সোমাই আহি কলে—"অনুগ্ৰহ কৰি অলপ আহক। মুখ্যমন্ত্ৰীয়ে আপোনাৰ লগত অলপ কথা হব বিচাৰে আৰু ই অতি জৰুৰী।"

উপাধ্যায়ে প্ৰশ্নবোধক দৃষ্টিৰে চাই সুধিলে—"হাৰ্ট এটেক নেকি?"

"নহয়, নহয়, হাৰ্ট এটেক নহয়।"

"তেন্তে কি? কি বেমাৰ হৈছে মই জানিব লাগিব, নহলে মই ঠিক ঔষধ নিম কি দৰে?

চীফ চেক্ৰেটেৰীয়ে কিছু উষ্মা মিহলি কণ্ঠেৰে কলে—"তেখেতৰ কোনো বেমাৰ হোৱা নাই। কিছু চৰকাৰী কামহে।"

তেওঁৰ জৰুৰী কামত আমনি দিয়াৰ বাবে বিৰক্ত হৈ উপাধ্যায়ে কলে—"তেন্তে কিয় মোক বিৰক্ত কৰিছা? মোৰ বিভাগৰ চেক্ৰেটেৰী যতীন্দ্ৰ নাথ কুন্দ্ৰক মাতি পঠোৱা। তেওঁ সকলো জানে। মোৰ উপস্থিতিৰ কোনো প্ৰয়োজন নাই। তুমি দেখা নাই মই মোৰ কামত ব্যস্ত?"

কিন্তু অবশেষত উপাধ্যায় যাবলৈ বাধ্য হ'ল মুখ্যমন্ত্ৰীৰ কাষলৈ। মুখ্যমন্ত্ৰীয়ে গহীন হৈ কলে—"মন্ত্ৰীসভাৰ ভীষণ বিপদ উপস্থিত।" "কাৰ মন্ত্ৰীসভা? আপোনাৰ নে মোৰ?" উপাধ্যায়ে তৎক্ষণাত প্ৰশ্ন কৰিলে। "আমাৰ মন্ত্ৰীসভা" মুখ্যমন্ত্ৰীয়ে কিছু

(৬৫ পৃষ্ঠাত চাওক)

গল্প

নিমখ হাৰাম

আবুল মনচুৰ আহমদ

নিমখৰ সেৰে ষোল্ল টকা ! ষোল্ল পইচাৰ বস্তুত ষোল্ল টকা ! লোনৰ অভাৰ গোটেই দেশতে হাহাকাৰ ! ৰাজধানীত হৈ-হাল্লা। অবশেষত এম-এল-এ আ পাৰ্লামেণ্টাৰী ছেক্রেটাৰীসকলে মন্ত্রীসকলক লগ ধৰিলে। দেশক যে আৰু ৰক্ষা কৰি নোৱাৰি ; অর্থাৎ জনগণক আৰু সপক্ষে ৰাখিব নোৱাৰি ! ফলত মন্ত্রীসকলৰ গাদী থৰক্-বৰক্ হৈ পৰিছে। কিবা এটা নকৰিলে আৰু ৰক্ষা নাই।

কেবিনেট ৰুমত মন্ত্রীসভাৰ বৈঠক বহিল। আটাইৰে মুখ মলিন আৰু গোমোটা মুখ্যমন্ত্রীয়ে যোগান মন্ত্রীক ধমক দিলে : কি কৰিছে আপুনি ? নিমখৰ দাম বৰ বে আঠ বা দহ টকা হ'ব পাৰে, কি বুদ্ধিত একেবাৰে ষোল্ল টকালৈ উঠাই দিলে ?

যোগান মন্ত্রীয়ে সেমেনা-সেমেনি কৰি কলে : মই খুব চেষ্টা কৰিছোঁ ছাৰ ; কি একো কৰিব পৰা নাই। কৰাচীৰ পৰাও কম নিমখ অনা নাই ; কিন্তু জাহাজখন আ পালেই নিমখ নাই।

মুখ্য মন্ত্রী : কণ্ট্রোল কৰা নাই কিয় ?

যোগান মন্ত্রী : কণ্ট্রোলো কৰিছোঁ ছাৰ। কিন্তু কণ্ট্রোল দামত নিমখ বিচাৰি এচিকতাও নিমখ নাই ; অথচ ষোল্ল টকা দিলে আপোনাক কিমান লাগে !

মুখ্য মন্ত্রী : তেনেহলে বুজা গৈছে যে নিমখবোৰ হাৰা হৈ উৰি যোৱা নাই বেপাৰীহঁতৰ গুদামত আছে ; কিন্তু উদ্ধাৰ কৰিব পৰা নাই কিয় ?

স্বাস্থ্য মন্ত্রী : নিমখৰ বেপাৰীয়ে মেজিক জানে ছাৰ।

মুখ্য মন্ত্রী : সেইবাবে আমাৰ মন্ত্রীত্বৰ স্থিতিটোৱেই যে ট্রেজিক হৈ পৰিছে। কি এটা নকৰিলে এতিয়া মন্ত্রীত্ব ৰখাটোৱেই টান হৈ পৰিব।

ছিফ ছেক্রেটাৰী : ছাৰ, কালিলৈ ইউনিভাৰছিটিৰ ছাত্রসকলে বিক্ষুব্ধ জনতাৰ মিছি এটা বাহিৰ কৰিব। গাঁৱৰ পৰা ইতিমধ্যে লাখ লাখ মানুহ ৰাওনা হৈছে আৰু আপোনা প্রাসাদৰ সম্মুখত বিক্ষোভ প্রদর্শন কৰিবলৈ সিহঁতে সিদ্ধান্ত কৰিছে। মাত্র বিক্ষোভে নহয়, কিবা সাংঘাটিকো ঘটি যাব পাৰে, এই চিন্তাতে মোৰ টোপনি অহা নাই।

মুখ্য মন্ত্রী : ৰ'বাহে, তুমি মাত্র টোপনিৰ নিচাত আছা। মই তোমালোক গাদী ঠিক ৰাখোঁ আৰু তোমালোক থাকা শোওঁ শোওঁ কৈ। বাহ ! কিন্তু এতিয়া কি কৰোঁ ? দিওঁ নেকি ১৪৪ ধাৰা জাৰি কৰি ?

শিক্ষা মন্ত্রীয়ে মুখ বিকটাই কলে : আজি কালিৰ ছাত্র-ছাত্রীহঁত যেনেকৈ কমিউনিষ্ট হৈ উঠিছে, ১৪৪ ধাৰা যে মানিব মোৰ সন্দেহ।

গৃহ মন্ত্রী : তেনেহলে গুলি চলোৱাৰ হুকুম দিওঁনোক ? ছাৰে কি কয় ?

মুখ্য মন্ত্রী : নহয় নহয়, প্রথমেই গুলি চলাব নালাগে। হাতৰপাচতো এইটো থাকিবই, আগতে বেলেগ কিবা এটা কৰিব লাগিব। আপোনালোকে যেনেকৈ পাৰে আজিৰ ভিতৰতে ফন্দি এটা বাহিৰ কৰক। মোৰ বাতৰ অসুখটো খুব বাঢ়ি হৈছে ; নহলে কিবা নহয় কিবা এটা ময়েই কাৰলোঁহেঁতেন। বাতৰ বেদনা যে কি ভয়ানক, আপোনালোকেতো তাক নাজানে। এতিয়া আপোনালোক যাওক। সন্ধিয়াৰ আগতে পুনৰ হয়াত লগ হ'ব লাগিব, প্রত্যেকেই উপায় এটা চিন্তা কাৰ আহিব, বুজিছেতো ?

সান্ধ্যা। মুখ্য মন্ত্রীৰ প্রাসাদত সভা। মন্ত্রীসকল আৰু বিভিন্ন দপ্তৰৰ মুৰব্বীসকলৰ উপৰিও বিভিন্ন দলৰ নেতা-উপনেতাবোৰো আহিছে। আটাইৰে মুখবোৰ ক'লা।

মুখ্য মন্ত্রীয়ে কলে : মোৰ বাতৰ বিষটো ক্রমান্বয়ে বাঢ়ি হৈ আহিছে। গোটেই দিনটো মই ছটফটাই আছোঁ, একো ভাৱিবই নোৱাৰিলোঁ। আশাকৰোঁ আপোনালোকে কিবা এটা নিশ্চয় ভাবি আহিছে। কাৰণ, অপোনালোকৰ বাত বিষ নাই।

যোগান মন্ত্রী : মুৰৰ বিষতে মই মুৰটো চিধা কৰিব নোৱাৰা হৈছোঁ।

মুখ্য মন্ত্রী : থৈ দিয়ক হোৱঁ মুৰৰ বিষটো ; বাত বিষৰ তুলনাত দহটা মুৰৰ বিষো একো নহয়। বাত বিষত কোনোদিনে ভোগা নাইতো ! মুৰৰ বিষ ! সেইটো এটা ল'ৰা-ছোৱালীৰ অসুখ। বাৰু, এতিয়া কওঁকচোন, কোনে কি পাঁড়ি আহিছে ?

কাৰো মুখত মাত নাই। মাত্র হজনে সিজনৰ মুখলৈ চোৱা-চুই কৰিলে।

মুখ্য মন্ত্রীয়ে খঙেৰে কলে : বুজিলোঁ, আপোনালোকে ঘোঁৰাৰ ঘাঁহ কাটি আহিছে। আপোনালোকৰ কোনো যোগ্যতা নাই। এনেকুৱা অপদার্থ কিছুমানক লগত লৈ মই হৈ থাকিব নোখোজোঁ ; মই ৰাজাহন দিয়াটোকে সিদ্ধান্ত কৰিছোঁ।

এটা কোণত বহি থকা সুন্দৰ চেহেৰাৰ মানুহ এজনে থিয় হৈ কলে : মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ লগত মোৰ চাক্ষুষ পৰিচয় নাই। মোৰ নাম খকচাৰ কেৰামত উল্লাহ। মানুহে মোক মুফাত বুলিয়ে মাতে। মই এটা প্রার্থনা কৰিব খোজোঁ।

মুখ্য মন্ত্রীয়ে বিৰক্তিৰে কলে : হয়, আপোনাৰ কথা মই বহুত শুনিছোঁ ; কিন্তু এতিয়া মই খুব ব্যস্ত, আপোনাৰ কোনো কাম কৰিব নোৱাৰিম, পিছত আহিব।

মুফতিয়ে হাঁহি মাৰি কলে : হজুৰ, মই নিজা মতলবত ইয়ালৈ অহা নাই। অহা কালিৰ বিক্ষোভ ধ্বংস কৰা বুদ্ধি এটা দিবলৈ আপোনাৰ ছেক্রেটাৰীৰ আত্মীয় ফিৰোজ চাহাবে মোক মাতি আনিছে।

মুখ্য মন্ত্রীয়ে অবিশ্বাসৰ হাঁহি মাৰি কলে : বে-আদবি মাফ কৰিব। আপুনি মোল্লা মানুহ, এইবোৰ ৰাজনীতিৰ কথা কি জানে ?

মুফতি চাহাবে প্রবল আত্মবিশ্বাসেৰে কলে : হয় হুজুৰ, আগতে জনা নাছিলোঁ ঠিকেই ; কিন্তু লীগত সোমাই কিছুদিন মন্ত্রী মেম্বাৰৰ লগত থাকি বেলেগ হৈ গৈছোঁ। এতিয়া ৰাজনীতিও কিছু বুজা হৈছোঁ।

মুখ্য মন্ত্রী : বেচ বেচ তেনেহলে কওক, আপুনি কি ফন্দি পাঁড়িছে ?

মুফতি : মিছিলৰ ওপৰত একোঃ৪৪ধাৰা দিব নালাগে। কালিলৈআপোনাৰ প্ৰাসাদ মাইক লগাই গোটেই চহৰখনৰ দোকানে পোহাৰে, ৰাষ্টাই ঘাটে লাউড্ স্পীকাৰ লগাই দিয়ক।

মুখ্য মন্ত্রী : সেইটো কৰিলো বাকু। তাৰপিছত মই কি ঘোষণা কৰিম ? ঘোষণা কৰিবলৈতো একোৱেই নাই।

মুফতি : আপোনাৰ কব লগা বিশেষ একো নাই। মাত্ৰ এইখিনিয়ে কব যে আপোনাৰ হকে মুফতি মৌলানা অমুকে নিমখৰ সমস্যাৰ ওপৰত এটা বক্তৃতা দিব।

মুখ্য মন্ত্রী : আৰু আপুনি কি কৰ ? আমি সেয়া আগতে জনা দৰকাৰ।

মুফতি : মই যুক্তি-তৰ্কৰ দ্বাৰা, হাদিচ-কোৰাণৰ উদ্ধৃতি দি প্ৰমাণ কৰি দিম যে ভাল মানুহে, বিশেষকৈ মুছলিম মানুহে, নিমখ খোৱা উচিত নহয় বাবেই আমাৰ জনপ্ৰিয় চৰকাৰে ইচ্ছা কৰিয়ে নিমখৰ দাম বঢ়াই দিছে।

মুখ্য মন্ত্রীয়ে হাঁহি এটা মাৰি কলেঃ এই বাজে কথাবোৰ মানুহে বিশ্বাস কৰিব কিয় ?

মুফতি : সেই দায়িত্ব হজুৰ মোৰ ওপৰত দিয়ক। আপোনালোকেতো ওচৰৰ বহি দেখি শুনিয়ে থাকিব। আপোনালোকে চাই থাকিব মাত্ৰ। মোৰ কথা শুনি যদি জনতা ক্ষান্ত নহয়, যদি সিহঁতে মন্ত্রীসভা জিন্দাবোদ নিদিয়ে, তেনেহলে মোৰ নামটো ওভোটাকৈ ৰাখিব। আৰু যদি জিন্দাবাদ দিয়ে, আপুনি মোক কি দিব ?

মুখ্য মন্ত্রী : যদি সঁচাকৈয়ে বিক্ষোভক আপুনি চম্ভালিব পাৰে, আপুনি যি বিচাৰে তাকে দিম। আচলতে অৰ্দ্ধেক ৰাজ্য আৰু ৰাজকন্যাই আপোনাৰ প্ৰাপ্য। কিন্তু মোৰ ছোৱালী নাই বাবে ৰাজকন্যা দিয়াটো সম্ভব নহ'ব। মুখ্যমন্ত্রীৰ গাদীখনে আধা আধাকৈ ভাগ কৰিব নোৱাৰি। গতিকে এই দুটাৰ বাহিৰে যি বিচাৰে তাক দিম, আনকি কাজীগিৰি পৰ্যন্ত।

মুফতি : নাই হজুৰ, মই কাজী হ'ব নোখোজোঁ; আজি-কালি কাজীগিৰিত লাভ নাই। তাতকৈ কেৰাচিন তেলৰ পাৰমিট এখনকে দিব।

মুখ্য : কিয়, নিমখৰ পাৰমিট এখন নলয় কিয় ?

মুফতি : নহয় হুজুৰ, কালিলৈৰ মোৰ বক্তৃতাৰ পিছত মানুহে নিমখ খাবলৈ এৰি দিব। গতিকে নিমখৰ পাৰমিট লৈ মই ঠগ খাব নোখোজোঁ।

মুখ্য মন্ত্রীৰ প্ৰাসাদৰ সন্মুখত বিস্তীৰ্ণ মুকলি পথাৰ। সেই পথাৰত মানুহ ঠাহ খাই পৰিছে। চাৰিওফালৰ ৰাষ্টাবোৰেৰে পকৰাৰ পালৰ দৰে মানুহ আগবাঢ়িছে এই পথাৰলৈ। "নিমখ লাগে : নহলে মন্ত্রীৰ মাথা লাগে," "নিমখ দিয়া : নহলে গাদী এৰি দিয়া", "নিমখ চোৰৰঃ ঘাৰ ভাঙিম" আদি শ্লোগানেৰে আকাশ বতাহ মুখৰিত।

মুখ্য মন্ত্রীৰ গাড়ী ৰখা বাৰান্দাৰ ছালত মাইক ফিট কৰা হৈছে। মুখ্য মন্ত্রী অন্যান্য মন্ত্রী আৰু নেতাবোৰে গোলাকাৰ হৈ মাইকৰ চাৰিওফালে বহি লৈছে। তেওঁলোকৰ মাজত বগা বিৰাট পাগুৰিৰে মুফতি চাহাবকো দেখা গৈছে।

মুখ্য মন্ত্রী মাইকৰ সন্মুখত থিয় হ'ল। বিৰাট জনতাই "ছেম" "ছেম" "ৰিজাইন" "ৰিজাইন" বুলি চিঞৰি উঠিল। মুখ্যমন্ত্রীয়ে কি কলে একো শুনা নগ'ল, চাৰিওপিনে আকাশ কঁপাই বাজিউঠা শুনা গ'ল : "আমাক নিমখ লাগে,বক্তৃতা নালাগে।"

মুখ্য মন্ত্রীয়ে জনগণৰ পিনে হাতযোৰ কৰিলে। জনগণ কিছু শান্ত হ'ল। দুটা কাহ মাৰি মুখ্য মন্ত্রীয়ে এই সুযোগ গ্ৰহণ কৰিলে : আপোনালোকৰ কথা মই শুনিলোঁ, মোৰ কথাও শুনক। নিমখৰ সমস্যাটোৰ কথা আমিও খুব ভাবিছোঁ। বিশ্ববিখ্যাত আলেম মুফতি কেৰামতুল্লা চাহাবৰ কেৰামতিৰ বাবে এটা সিদ্ধান্তও উলিয়াব পাৰিছোঁ। মোৰ পৰা সেইটো শুনাতকৈ মুফতি চাহাবৰ মুখৰ পৰাই শুনক। তেখেতৰ কথা শুনাৰ পিছতো আপোনালোকৰ আপত্তি থাকিলে, আপোনালোকৰ ইচ্ছানুযায়ী কাম কৰিব পাৰিব।

জনতা সঁচাকৈয়ে এইবাৰ নিশ্চুপ হ'ল। মুফতি চাহাবে এক মুহূৰ্তও নষ্ট নকৰি একে জাপে গৈ মাইকৰ সন্মুখত থিয় হ'ল আৰু বাওঁহাতেৰে মাইকৰ খুটিটোত ধৰি গম্ভীৰ স্বৰেৰে আৰম্ভ কৰিলে : বেৰাদৰাগে মিল্লাত, আচ্ চালামু আলায়কুম।

জনতাই এতিয়া কি কৰে ? "ওৱা আলায়কুম" কব লাগে বুলি কোৰাণৰ নিৰ্দেশ আছে, গতিকে অত্যন্ত অনিচ্ছা সত্বেও তেওঁলোকৰ মুখৰ পৰা ওলাই আহিল : ওৱা আলায়কুম চালাম।

মুফতি চাহাবে অলপো সময় নষ্ট নকৰি কবলৈ ধৰিলে : আপোনালোকে, এইমাত্ৰ আল্লাৰ নামত হৰফ কৰি কলে—আপোনালোকৰ চালাম, অৰ্থাৎ আপোনালোকে শান্তি বিচাৰে। গতিকে শান্তিৰে আপোনালোকে মোৰ কথা শুনিব বুলি মই নিশ্চয় দাবী কৰিব পাৰোঁ।

জনতাই বিৰক্তিৰে কলে : কি কব খুজিছে সোনকালে কওক।

মুফতি : নিমখৰ বাবে আপোনালোকে এনেকৈ হৈ-হাল্লা কৰি অহা দেখি মই তাজ্জপ মানিছোঁ। আপোনালোকে কি হদিচ নামানে ? আপোনালোক কি মুছলমান নহয় ?

জনতা : হয়, আমি মুছলমানো হয়, হদিছো মানো ; কিন্তু সেই কথা ইয়াত কিয় ?

অলপ লৰচৰ কৰি পোন হৈ মুফতি চাহাবে কলে : হদিছ ছৰিফত আছে নিমখ হাৰাম। কথাটো কি আপোনালোকে কোনো দিনে শুনা নাই ? হদিছ ছৰিফত মুছলমানৰ বাবে নিমখ কিয় হাৰাম কৰা হ'ল সেয়া কি আপোনালোকে কোনোবা দিনা ভাবি চাইছে।

জনতা হঠাতে নিস্তব্ধ হ'ল। তাৰপিছত ক্ৰমান্বয়ে সৃষ্টি হোৱা এটা গুণগুণনি শুনা গ'ল : নিমখ হাৰাম ? মৌলানা চাহাবে এয়া কি কবলৈ আহিছে ? সেই কথাৰ কি অৰ্থ এই ?

মুফতি চাহাবে নিজৰ মাতটো আৰু স্পষ্ট আৰু গম্ভীৰ কৰি কলে : ছৰিফ কি তেন্তে ভুল ? নাউযুবিল্লাহে মিন খালেক। আচতাগ-ফেৰুল্লাহ। হদিছ কেতিয়াও ভুল হ'ব নোৱাৰে। আপোনালোকে ভাবি চাওক কি কাৰণত মমিন-মুছলমানৰ বাবে, কব গলে সমস্ত ইনচানৰ বাবে, নিমখ হাৰাম কৰা হ'ল।

মুখ্য মন্ত্রীৰে সৈতে আটাইবোৰ মন্ত্রী আৰু নেতাৰ চকুবোৰ কপালত উঠিল ; কিন্তু তথাপি তেওঁলোক যথেষ্ট খুছি হ'ল।

জনতাই কলে : কি কাৰণত হাৰাম কৰা হ'ল আপুনিয়েই কওক।

মুফতি চাহাবে পুনৰ লৰচৰ কৰি বুকু ফিন্দাই কবলৈ আৰম্ভ কৰিলে: হদিছবিফত আছে নিমখ নোখোৱাৰ উপকাৰ তিনিটা। প্ৰথম উপকাৰটো হ'ল যি মানুহে নিমখ নাখাই তেওঁৰ ঘৰত কোনোদিনে চুৰি হ'ব নোৱাৰে।

মন্ত্ৰীবৃন্দই পৰস্পৰে পৰস্পৰক চাবলৈ ধৰিলে।

জনতাই বিস্ময়েৰে সুধিলে: চুৰি নহয়? এয়া সঁচা জানো?

মুফতি: নিশ্চয় সঁচা। আৰু দ্বিতীয়তে শুনক, যিয়ে নিমখ নাখায় তেওঁ কোনো দিনে কুকুৰে কামুৰিব নোৱাৰে।

মন্ত্ৰীসকলে ইজনে সিজনৰ পেটত আঙুলিৰে খুঁচি ইংগিত দিবলৈ ধৰিলে। জনতাৰ মাজত বিস্ময় আৰু উত্তেজনা পৰিলক্ষিত হ'ল। তেওঁলোকে ইজনে সিজনৰ কান্ধত ধাক্কা মাৰি কবলৈ ধৰিলে: মৌলানাই এইবোৰ কি বকিবলৈ আহিছে। এইবোৰ কথাও সঁচা হ'ব পাৰেনে?

মুফতি: মোৰ কথা অসত্য হলে, আপোনালোকে দিয়া যি কোনো শাস্তি গ্ৰহণ কৰিবলৈ মই প্ৰস্তুত। কিন্তু তৃতীয় উপকাৰটোৰ কথাও শুনক।

বিৰাট জনসমাবেশটো হঠাতে শান্ত হৈ গ'ল।

মৌলানা চাহাবে এইবাৰ আৰু বেছি জোৰে কলে: নিমখ নোখোৱাৰ তৃতী উপকাৰটো এই যে, যি মানুহে নিমখ নাখায় তেওঁৰ দাঢ়ি চুলি নপকে, দাঁত নসৰে

বিস্ময় আৰু আনন্দৰ গুঞ্জনেৰে জনতা মুখৰ হৈ উঠিল। তেওঁলোকৰ বি মুখত হাঁহিৰ ৰেখা বিৰিঙি উঠিল। তেওঁলোকে কলে: কিন্তু এই কথাবোৰ সঁচা তাৰ প্ৰমাণ? আমাক প্ৰমাণ দিব লাগিব।

মুফতি: যি কোনো প্ৰমাণ দিবলৈ মই প্ৰস্তুত। মামুলি প্ৰমাণৰ কথা বাদে একেবাৰে বৈজ্ঞানিক প্ৰমাণ দিবলৈয়ো মই সাজু আছোঁ। দাঁত আৰু দাঢ়ি-চুলি কথাটো ডাক্তৰসকলে জানে, চুৰি ডকাইতৰ কথা পুলিছে জানে আৰু কুকুৰে কামে কথাটো ভেটেৰিনাৰি-ডাক্তৰসকলে জানে। তেওঁলোকে যদি মোৰ কথাকেইটা বুলি কয়, তেনেহলে আপোনালোকে বিশ্বাস কৰিবনে?

জনতা: হয়, কৰিম। কিন্তু বিশ্বাসী মানুহ লাগিব; ঘোছখোৱৰ দ্বাৰা নহব

মুখ্যমন্ত্ৰী মাইকৰ কাষলৈ আহিল। মুফতি চাহাব আঁতৰি গৈ ঠাই উলিয়া দিলে। মুখ্যমন্ত্ৰীয়ে কলে: ভাইসকল, নিমখৰ অভাবত সম্প্ৰতি দুই-চাৰি দিনম আমি কষ্ট পালেও মোৰ চৰকাৰে সেৱত যোল্ল পইচাৰ পৰিবৰ্তে কি কাৰণ ষোল্ল টকা কৰিলে সেয়া ইতিমধ্যে আপোনালোকে নিশ্চয় বুজিব পাৰিছে। আম ৰাষ্ট্ৰ ইছলামী ৰাষ্ট্ৰ। ইয়াত আমি আলেমসকলৰ উপদেশ মতে নিজাজী ইছলা কায়েম কৰিব খুজিছোঁ। ইয়াৰ মানুহে যাতে লাহে লাহে নিমখ খাবলৈ এ দিয়ে সেই উদ্দেশ্যৰে নিমখ ইমান দুল ভ কৰি দিছোঁ। মুফতি চাহাব বিশ্ববিখ্যা আলেম, তেখেতৰপৰা আপোনালোকে হদিছৰ নিৰ্দেশ আৰু সেই নিৰ্দেশ পা কৰিলে পোৱা উপকাৰৰ কথাও শুনিলে। তেখেতে আমাকো এইবোৰ কথা কৈছে তেখেতৰ কথা বিশ্বাস কৰিয়ে আমি নিমখৰ দাম বঢ়াই দিছোঁ। মই মুখ্যমন্ত্ৰী সম্পূৰ্ণ ক্ষমতা আৰু দায়িত্বৰে এই বিপুল জনতাৰ আগত ঘোষণা কৰিব খুজিছে

যে আমাৰ দেশৰ সৰ্বশ্ৰেষ্ঠ ডাক্তৰ, মেডিকেল কলেজৰ প্ৰিন্সিপাল ডাঙৰীয়াক চেয়াৰমেন আৰু পুলিছৰ ডি-আই জি, চি-আই-ডি আৰু ভেটেৰিনাৰী হস্পিটালৰ ছুপাৰিণ্টণ্ডেণ্টক সদস্য হিচাপে লৈ এটা কমিছন নিয়োগ কৰিলোঁ। মুফতি চাহাবৰ যুক্তিবোৰ সঁচা নে মিছা এই কমিছনে বৈজ্ঞানিকভাবে ইন্‌কোৱাৰি কৰিব। মুখ্যমন্ত্ৰী হিচাপে আৰু ঘোষণা কৰিব খুজিছোঁ যে, যদি মুফতি চাহাবে এই কমিছনৰ সন্মুখত তেখেতৰ কথাৰ সত্যতা প্ৰমাণ কৰিব নোৱাৰে তেনেহলে তেখেতক গুৰুতৰ ধৰণৰ শাস্তি দিয়া হ'ব। আজিৰ নিচিনা এনেকুৱা বিৰাট জন-সমাবেশ আহ্বান কৰি ৰাজহুৱাভাবে তেখেতক ফাঁচি দিয়া হ'ব। মুফতি চাহাব, আপোনাৰ কিবা কব লগা আছেনে?

মুফতি চাহাবে সহজভাবেই মাইকৰ ওচৰলৈ আহি কলে: একো নাই। মোৰ কথা মিছা বুলি প্ৰমাণিত হলে শাস্তি মই নিজেই মূৰ পাতি দিম।

জনতাৰ মাজত উল্লাসৰ ভাব পৰিলক্ষিত হ'ল। কিন্তু কোনোবাই চিঞৰি চিঞৰি কলে: আমি জানিব বিচাৰোঁ, কমিছনৰ ৰায় কেতিয়া ওলাব?

মুখ্যমন্ত্ৰীয়ে মুফতি চাহাবৰ পিনে লক্ষ্য কৰি মাইকৰ সন্মুখলৈ গৈ কলে: মুফতি চাহাব, এইটো প্ৰমাণ কৰোতে আপোনাক কিমান দিন লাগিব?

মুফতি চাহাবে সম্পূৰ্ণ আত্মবিশ্বাসেৰে কলে: মই যি কোনো মুহূৰ্ততে প্ৰস্তুত। কাইলৈয়ে আপোনালোকে প্ৰমাণ লব পাৰে।

মুখ্যমন্ত্ৰীয়ে জনতাক সম্বোধন কৰি কলে: শুনিলেনে ভাইৰন্ধুসকল, মুফতি চাহাব কাইলৈয়ে সাক্ষ্য দিবলৈ প্ৰস্তুত। তেনেহলে পৰহিলৈ ৰাতিপুৱাতে আপোনালোকে খবৰৰ কাগজত কমিছনৰ ৰিপোৰ্ট সম্পৰ্কীয় চৰকাৰী প্ৰেছনোট পঢ়িবলৈ পাব। যদি মুফতি চাহাবে কমিচনক স্পষ্ট কৰিব নোৱাৰে, তেনেহলে সেই প্ৰেছনোটত মুফতি চাহাবৰ ফাঁচিৰ দিন ঘোষণা কৰা হ'ব। আপোনলোকে নির্দ্ধাৰিত সময় [illegible] আহি সমবেত হ'ব। আপোনালোকৰ সন্মুখত প্ৰকাশ্যে তেওঁক ফাঁচি দিয়া হ'ব। চাওক, আপোনালোকে এতিয়া সন্তুষ্ট হ'ব পাৰিছেনে?

সমুহ জনতাই উল্লাস আৰু উত্তেজনাত জয়ধ্বনি দিবলৈ: মুখ্যমন্ত্ৰী: জিন্দাবাদ, মন্ত্ৰীসভা: জিন্দাবাদ, আমাক নিমখ নালাগে, নিমখ আৰু নাখাওঁ। আল্লা আকবৰ।

মানুহবোৰ মথাউৰি ভঙা নদীৰ পানীৰ দৰে হো-হোকৈ যাবলৈ ধৰিলে। মন্ত্ৰীসকলে আনন্দতে দাঁত নিকতাই হাঁহিলে। নেতাবোৰে মুফতি চাহাবক বুকুৰ মাজত সুমুৱাই আলিংগণ কৰিলে।

মুখ্যমন্ত্ৰীয়ে দীঘলকৈ এটা নিশ্বাস এৰিলে আৰু তাৰপিছত চোলাৰ বুটাম খুলি বুকুখন ফুৰাই ফুৰাই কবলৈ ধৰিলে: সদ্যহতে অবশ্যে বাচিলোঁ, কিন্তু ইয়াৰ শেষ ক'ত? মুফতি চাহাবক অবশেষত গৈ ফাঁচিয়ে দিব লাগিব; কিন্তু তেতিয়াও আমাৰ বক্ষা নাই। কি হ'ব মুফতি চাহাব?

মুফতি চাহাবে হাঁহি মাৰি কলে: চিন্তা নকৰিব হজুৰ। কিন্তু কেৰাচিন তেলৰ লাইছেন্সৰ কথাও যাতে পাহৰি নাযায়।

কমিছনৰ বেঠক। ছেয়াৰমেন হিচাপে মেডিকেল কলেজৰ প্ৰিন্সিপাল মাজত

মুফতি চাহাবে পুনৰ লৰচৰ কৰি বুকু ফিন্দাই কবলৈ আৰম্ভ কৰিলে: হদিছখিনি আছে নিমখ নোখোৱাৰ উপকাৰ তিনিটা। প্ৰথম উপকাৰটো হ'ল যি মানুহে নিমখ নাখাই তেওঁৰ ঘৰত কোনোদিনে চুৰি হ'ব নোৱাৰে।

মন্ত্রীবৃন্দই পৰস্পৰে পৰস্পৰক চাবলৈ ধৰিলে।

জনতাই বিস্ময়েৰে সুধিলে: চুৰি নহয়? এয়া সঁচা জানো?

মুফতি: নিশ্চয় সঁচা। আৰু দ্বিতীয়তে শুনক, যিয়ে নিমখ নাখায় তেওঁ কোনো দিনে কুকুৰে কামুৰিব নোৱাৰে।

মন্ত্রীসকলে ইজনে সিজনৰ পেটত আঙুলিৰে খুঁচি ইংগিত দিবলৈ ধৰিলে।

জনতাৰ মাজত বিস্ময় আৰু উত্তেজনা পৰিলক্ষিত হ'ল। তেওঁলোকে ইজনে সিজনৰ কান্ধত ধাক্কা মাৰি কবলৈ ধৰিলে: মৌলানাই এইবোৰ কি বকিবলৈ আহিছে? এইবোৰ কথাও সঁচা হ'ব পাৰেনে?

মুফতি: মোৰ কথা অসত্য হলে, আপোনালোকে দিয়া যি কোনো শাস্তি গ্ৰহণ কৰিবলৈ মই প্ৰস্তুত। কিন্তু তৃতীয় উপকাৰটোৰ কথাও শুনক।

বিৰাট জনসমাবেশটো হঠাতে শান্ত হৈ গ'ল।

মৌলানা চাহাবে এইবাৰ আৰু বেছি জোৰে কলে: নিমখ নোখোৱাৰ তৃতীয় উপকাৰটো এই যে, যি মানুহে নিমখ নাখায় তেওঁৰ দাঢ়ি চুলি নপকে, দাঁত নসৰে।

বিস্ময় আৰু আনন্দৰ গুঞ্জনেৰে জনতা মুখৰ হৈ উঠিল। তেওঁলোকৰ কি মুখত হাঁহিৰ ৰেখা বিৰিঙি উঠিল। তেওঁলোকে কলে: কিন্তু এই কথাবোৰ যে সঁচা তাৰ প্ৰমাণ? আমাক প্ৰমাণ দিব লাগিব।

মুফতি: যি কোনো প্ৰমাণ দিবলৈ মই প্ৰস্তুত। মামুলি প্ৰমাণৰ কথা বাদে একেবাৰে বৈজ্ঞানিক প্ৰমাণ দিবলৈয়ো মই সাজু আছোঁ। দাঁত আৰু দাঢ়ি-চুলি কথাটো ডাক্তৰসকলে জানে, চুৰি ডকাইতৰ কথা পুলিছে জানে আৰু কুকুৰে কামুৰ কথাটো ভেটেৰিনাৰি-ডাক্তৰসকলে জানে। তেওঁলোকে যদি মোৰ কথাকেইটা বুলি কয়, তেনেহলে আপোনালোকে বিশ্বাস কৰিবনে?

জনতা: হয়, কৰিম। কিন্তু বিশ্বাসী মানুহ লাগিব; ঘোছখোৱৰ দ্বাৰা নহব।

মুখ্যমন্ত্রী মাইকৰ কাষলৈ আহিল। মুফতি চাহাব আঁতৰি গৈ ঠাই উলিয়াই দিলে। মুখ্যমন্ত্রীয়ে কলে: ভাইসকল, নিমখৰ অভাৱত সম্প্রতি দুই-চাৰি দিনমান আমি কষ্ট পালেও মোৰ চৰকাৰে সেৱত ষোল্ল পইচাৰ পৰিবৰ্তে কি কাৰণে ষোল্ল টকা কৰিলে সেয়া ইতিমধ্যে আপোনালোকে নিশ্চয় বুজিব পাৰিছে। আমি ৰাষ্ট্ৰ ইছলামী ৰাষ্ট্ৰ। ইয়াত আমি আলেমসকলৰ উপদেশ মতে নিজাজী ইছলাম কায়েম কৰিব খুজিছোঁ। ইয়াৰ মানুহে যাতে লাহে লাহে নিমখ খাবলৈ এৰি দিয়ে সেই উদ্দেশ্যেৰে নিমখ ইমান দুৰ্লভ কৰি দিছোঁ। মুফতি চাহাব বিশ্ববিখ্যাত আলেম, তেখেতৰপৰা আপোনালোকে হদিছৰ নির্দেশ আৰু সেই নির্দেশ পালন কৰিলে পোৱা উপকাৰৰ কথাও শুনিলে। তেখেতে আমাকো এইবোৰ কথা কৈছে। তেখেতৰ কথা বিশ্বাস কৰিয়ে আমি নিমখৰ দাম বঢ়াই দিছোঁ। মই মুখ্যমন্ত্রী সম্পূৰ্ণ ক্ষমতা আৰু দায়িত্বেৰে এই বিপুল জনতাৰ আগত ঘোষণা কৰিব খুজিছোঁ

যে আমাৰ দেশৰ সৰ্বশ্রেষ্ঠ ডাক্তৰ, মেডিকেল কলেজৰ প্রিন্সিপাল ডাঙৰীয়াক চেয়াৰমেন আৰু পুলিছৰ ডি-আই জি, চি-আই-ডি আৰু ভেটেৰিনাৰী হস্পিটালৰ ছুপাৰিণ্টেণ্ডেণ্টক সদস্য হিচাপে লৈ এটা কমিছন নিয়োগ কৰিছোঁ। মুফতি চাহাবৰ যুক্তিবোৰ সঁচা নে মিছা এই কমিছনে বৈজ্ঞানিকভাবে ইন্‌কোৱাৰি কৰিব। মুখ্যমন্ত্রী হিচাপে আৰু ঘোষণা কৰিব খুজিছোঁ। যে, যদি মুফতি চাহাবে এই কমিছনৰ সম্মুখত তেখেতৰ কথাৰ সত্যতা প্ৰমাণ কৰিব নোৱাৰে তেনেহলে তেখেতক গুৰুতৰ ধৰণৰ শাস্তি দিয়া হ'ব। আজিৰ নিচিনা এনেকুৱা বিৰাট জন-সমাবেশ আহ্বান কৰি ৰাজদ্রোহাভাবে তেখেতক ফাঁচি দিয়া হ'ব। মুফতি চাহাব, আপোনাৰ কিবা কব লগা আছেনে?

মুফতি চাহাবে সহজভাবেই মাইকৰ ওচৰলৈ আহি কলে: একো নাই। মোৰ কথা মিছা বুলি প্ৰমাণিত হলে শাস্তি মই নিজেই মূৰ পাতি দিম।

জনতাৰ মাজত উল্লাসৰ ভাব পৰিলক্ষিত হ'ল। কিন্তু কোনোবাই চিঞৰি চিঞৰি কলে: আমি জানিব বিচাৰোঁ, কমিছনৰ ৰায় কেতিয়া ওলাব?

মুখ্যমন্ত্রীয়ে মুফতি চাহাবৰ পিনে লক্ষ্য কৰি মাইকৰ সম্মুখলৈ গৈ কলে: মুফতি চাহাব, এইটো প্ৰমাণ কৰোতে আপোনাক কিমান দিন লাগিব?

মুফতি চাহাবে সম্পূৰ্ণ আত্মবিশ্বাসেৰে কলে: মই যি কোনো মুহূৰ্ততে প্ৰস্তুত। কাইলৈয়ে আপোনালোকে প্ৰমাণ লব পাৰে।

মুখ্যমন্ত্রীয়ে জনতাক সম্বোধন কৰি কলে: শুনিলেনে ভাইবন্ধুসকল, মুফতি চাহাব কাইলৈয়ে সাক্ষ্য দিবলৈ প্ৰস্তুত। তেনেহলে পৰহিলৈ ৰাতিপুৱাতে আপোনালোকে খবৰৰ কাগজত কমিছনৰ ৰিপোৰ্ট সম্পৰ্কীয় চৰকাৰী প্ৰেছনোট পঢ়িবলৈ পাব। যদি মুফতি চাহাবে ৰামচনক স্পষ্ট কৰিব নোৱাৰে, তেনেহলে সেই প্ৰেছনোটত মুফতি চাহাবৰ ফাঁচিৰ দিন ঘোষণা কৰা হ'ব। আপোনলোকে নির্দ্ধাৰিত সময়ত আহি সমবেত হ'ব। আপোনালোকৰ সম্মুখত প্ৰকাশ্যে তেওঁক ফাঁচি দিয়া হ'ব। চাওক, আপোনালোকে এতিয়া সন্তুষ্ট হ'ব পাৰিছেনে?

সমূহ জনতাই উল্লাস আৰু উত্তেজনাত জয়ধ্বনি দিবলৈ: মুখ্যমন্ত্রী: জিন্দাবাদ, মন্ত্রীসভা: জিন্দাবাদ, আমাক নিমখ নালাগে, নিমখ আৰু নাখাওঁ। আল্লা আকবৰ।

মানুহবোৰ মথাউৰি ভঙা নদীৰ পানীৰ দৰে হো-হোকৈ যাবলৈ ধৰিলে। মন্ত্রীসকলে আনন্দতে দাঁত নিকতাই হাঁহিলে। নেতাবোৰে মুফতি চাহাবক বুকুৰ মাজত সুমুৱাই আলিংগণ কৰিলে।

মুখ্যমন্ত্রীয়ে দীঘলকৈ এটা নিশ্বাস এৰিলে আৰু তাৰপিছত চোলাৰ বুটাম খুলি বুকুখন ফুৰাই ফুৰাই কবলৈ ধৰিলে: সদ্যহতে অবশ্যে বাচিলোঁ, কিন্তু ইয়াৰ শেষ ক'ত? মুফতি চাহাবক অবশেষত গৈ ফাঁচিয়ে দিব লাগিব; কিন্তু তেতিয়াও আমাৰ ৰক্ষা নাই। কি হ'ব মুফতি চাহাব?

মুফতি চাহাবে হাঁহি মাৰি কলে: চিন্তা নকৰিব হজুৰ। কিন্তু কেৰাচিন তেলৰ লাইছেন্সৰ কথাও যাতে পাহৰি নাযায়।

কমিছনৰ বেঠক। ছেয়াৰমেন হিচাপে মেডিকেল কলেজৰ প্রিন্সিপাল মাজত

বহিছে। তেওঁৰ সোঁহাতে ডি-আই-জি, ছি-আই-ডি, আৰু বাওঁহাতে ভেটেৰিনা
ছুপাৰ। কমিছনে ছিগাৰেট পুৰি সময় কটাইছে, কাৰণ মুফতি চাহাবৰ দেখা-দে
নাই। তেওঁলোকে তাম্‌চা-স্ফূৰ্তি কৰিছে।

প্ৰিন্সিপাল ডাঙৰীয়াই কলে: মইতো আগতেই কৈছিলোঁ, মুফতি চাহাব নাহিব
আহিব কোন সাহসত? আমাক সি পাগল পাইছেনেকি? মই বুজি নাপাওঁ, মাননী
মুখ্যমন্ত্ৰী মহোদয়ে পাগলটোৰ দ্বাৰা যা-তা কোৱাই এই সমস্যাটো বঢ়াই ললে কিয়

ডি-আই-জি: মই মাননীয় মুখ্যমন্ত্ৰীক কৈছিলোঁ, বেটাক হাজোতত ভৰা
থওঁ। ফাঁচি যাৰ নিশ্চিত সি নপলাব কিয়?

ভেটেৰি ছুপাৰ: কিন্তু মোল্লাটোক ফাঁচি দিলেই জানো মন্ত্ৰীসকল সাৰি
পাৰিব? খুব জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে। মই কোনো উপায়ে দেখা নাই।

মেডিকেল: সেইদিনাই জানো উপায় আছিল? যিমান মানুহ গোট খাইছি
আৰু মানুহবোৰ ইমান সাংঘাটিকভাবে উত্তেজিত হৈ পৰিছিল যে এনেকুৱা এ
ফন্দি কৰাৰ বাহিৰে আন উপায় একোৱেই নাছিল।

ডি-আই-জি: হয়, আন উপায় নাছিল; কিন্তু অকণমান ইংগিত পালে
বেটাহঁতক একেবাৰে গুলি কৰি শেষ কৰিলোঁহেঁতেন। পিছে মুখ্যমন্ত্ৰীয়ে বান্দৰ নচুৱা
বলৈ ধৰিলে। এতিয়া সেই বান্দৰক ক'ত পাব?

"এই যে বান্দৰ আহি গ'ল" বুলি চিঞৰি চিঞৰি মুফতি চাহাব কোঠাটো
সোমাই আহিল আৰু হিঃ হিঃ কৈ হাঁহিবলৈ ধৰিলে। কিছুপৰ পিছত হাঁহি বন্ধ ক
কলে: মোল্লা মানুহ, ঘড়ীৰ লগত সম্পৰ্ক নাই। দুই-চাৰি মিনিট পলম হৈছে, ক্ষমা কৰি

মেডিকেল: বাৰু বাৰু, যি হ'ব লগা, হৈ গৈছে। এতিয়া আমাৰ কাম আ
কৰা হওক। মেম্বাৰসকল, আপোনালোকে প্ৰশ্ন কৰক।

ডি-আই-জি: কওকচোন মুফতি চাহাব, নিমখ নাখালে চুৰি নহ'ব কিয়?

মুফতি: নিমখ নাখালে যক্ষ্মা-কাহ হোৱাটো নিশ্চিত; হয়নে নহয়
চাহাবেই কওকছোন।

ডাক্তৰ চাহাবে অৰ্থাৎ প্ৰিন্সিপালে সন্মতিসূচকভাবে মূৰ দুপিয়ালে।

মুফতি: যক্ষ্মা-কাহ হলে মানুহে গোটেই ৰাতি কাহি থাকিব লাগিব! সেই কা
শব্দত চোৰে ঘৰ সোমাবলৈ সাহস নকৰিব। কৰিবনে?

ডি-আই-জি: (বিস্ময়াভিভূত হৈ) হয়োতো! এতিয়াহে আপোনাৰ কথাৰ তাৎ
বুজি পালোঁ।

ভেটেৰিনাৰী: কিন্তু নিমখ নাখালে কুকুৰে নাকামুৰিব কিয়?

মুফতি: যক্ষ্মা-কাহত মানুহ দুৰ্বলহৈ কুঁজা পৰিব। লাখুটি নোহোৱাকৈ তেওঁলো
চলিব নোৱাৰিব। হাতত লাখুটি থাকিলে কুকুৰে কামুৰিব নোৱাৰে, এই কথাটো
নবুজিলেনে?

কামছনৰ সদস্যসকলৰ মুখবোৰ আনন্দত উজ্জ্বল হৈ উঠিল। আটাইকেইজ
কলে: কথাবোৰ সঁচা যেনেই লাগিছে!

সাম্প্ৰ

মেডিকেল: কিন্তু দাঢ়ি-চুলি নপকিব, দাঁত নসৰিব. এয়া কোনো প্ৰকাৰে
সম্ভব নহয়।

মুফতি: এইটোও সম্ভব। যক্ষ্মা-কাহত মানুহ কম বয়সতে মৰি যাব, ত্ৰিছ-পয়ত্ৰিছৰ
ওপৰলৈ কোনো বাচি নাথাকিব। এই বয়সত চুলি দাঢ়ি পকা আৰু দাঁত সৰাৰ
সময় হয় জানো?

চূড়ান্ত বিস্ময়ত কমিছনৰ সদস্যসকল স্তম্ভিত হ'ল। তেওঁলোকৰ বিস্ময় আঁতৰি
যোৱাত মুফতি চাহাবক ধন্যবাদ জনালে, প্ৰবল উৎসাহেৰে তেওঁলোকে কৰমৰ্দন কৰিলে।

পিছদিনা চৰকাৰী প্ৰেছ নোটত প্ৰকাশ হ'ল: কমিছনে সৰ্বসন্মতভাবে ৰিপোৰ্ট
দিছে যে বৈজ্ঞানিকভাবে প্ৰমাণিত হৈছে— যিয়ে নিমখ নাখাব: (১) তেওঁৰ ঘৰত চুৰি
নহ'ব, (২) তেওঁক কুকুৰে নাকামোৰে (৩) তেওঁৰ দাঢ়ি চুলি নপকে আৰু দাঁত নসৰে।

গতিকে মৌলানা মুফতি কেৰামতুল্লা চাহাবৰ মতটো সঠিক। গতিকে সঁচাকৈয়ে
হাৰাম নিমখৰ দাম সেৰে প্ৰতি ষোল্লটকা কৰি মন্ত্ৰীসভাই ঠিক কামেই কৰিছে।□□

অনুবাদ: ৰত্নেশ্বৰ মেধি

(৫৭ পৃষ্ঠাৰ পৰা)

তিক্ত কণ্ঠেৰে কলে— "যদি তুমি মোৰ কাষত থিয়নোহোৱা তেন্তে মন্ত্ৰীসভা ডুবিব।"

উপাধ্যায়ে হাতজোৰ কৰি কলে— "মই আপোনাৰ সেৱাতে নিযুক্ত। বিপদৰ
সময়ত যদি আপোনাৰ কাষত মই থিয় হ'ব নোৱাৰো, মই কিয় আছো? মোক সেই
ৰাস্কেলৰ নাম কওক— যি আপোনাক বিপদত পেলাইছে। চহৰৰ বহুত গুণ্ডাক মই
চিনি পাওঁ। এখন চুৰী এবাৰ বতাহত জিলিকি উঠিব আৰু……।"

তেওঁৰ কথাৰ মাজতে বাধাদি মুখ্যমন্ত্ৰীয়ে কলে— "নহয়, নহয় উপাধ্যায়।
গ্ৰহ কৰি বুজিবলৈ যত্ন কৰা। এইটো গুণ্ডাৰ কাম নহয়, তুমি নিজে কৰিব লাগিব।"

ভয়ত কঁপি কঁপি উপাধ্যায়ে কলে— "কিন্তু মই মোৰ গোটেই জীৱনত এখন চুৰিও
হাতেৰে চুই পোৱা নাই— জীৱন লোৱাটো বাদেই।

"তুমি অদ্ভুত মানুহহে"— মুখ্যমন্ত্ৰীয়ে কলে। "মই তোমাক মানুহ মাৰিবলৈ
কোৱা নাই। মই তোমাৰ লগত দপ্তৰ সম্পৰ্কীয় কথা পাতিব বিচাৰোঁ, প্ৰকৃততে
জাতীয় সঞ্চয় সম্পৰ্কে।"

শূণ্য দৃষ্টিৰে তেওঁলৈ চাই উপাধ্যায়ে কলে—"জাতীয় সঞ্চয়?" মুখ্যমন্ত্ৰীয়ে দো-
হাৰিলে—"অঁ জাতীয় সঞ্চয়। বৰ্তমান আমাৰ কেন্দ্ৰীয় চৰকাৰে ইয়াৰ ওপৰত অধিক
গুৰুত্ব দিছে। প্ৰতিমাহে মই নতুন দিল্লীৰ পৰা চিঠি আৰু ট্ৰাংককলৰ উপৰি ট্ৰাংককল
পাইছো। তেওঁলোকে ভয় দেখুৱাইছে যদি চৰকাৰী ব্যয় কমোৱা নহয়, মোৰ
মন্ত্ৰীসভাৰ ঠাই লব আন মন্ত্ৰীসভাই।"

"জাতীয় সঞ্চয় কি?" উপাধ্যায়ে প্ৰশ্ন কৰিলে। আনকি চৰকাৰৰ কাৰ্যনো
কি সেই সম্পৰ্কেও তেওঁৰ বিন্দুমাত্ৰও ধাৰণা নাই।

মুখ্যমন্ত্ৰীয়ে ক'লে—"অতি সহজ কথা! ব্যয় কমাই দিয়া, হৈ যাব। এতিয়া
য'ত তুমি দহ টকা খৰছ কৰিছা তাত ৫ টকা খৰছ কৰা। যদি এতিয়া এটা এণ্টাৰ-

প্রাইজত দহজন মানুহে কাম কৰিছে দুজনেৰে কাম চলোৱা। এনে ধৰণৰ কাঁ
জাতীয় সঞ্চয় বুলি কয়।"

কিছুপৰ চিন্তা কৰি উপাধ্যায়ে উৎফুল্ল কণ্ঠে কলে—"মন্ত্রীৰ দৰমহা কম
নিদিয়ে কিয় ?"

মুখ্যমন্ত্রীয়ে কলে—"ইতিমধ্যেই মই সেইটো কৰিলো। এতিয়া তুমি কিম
দৰমহা পাইছা তুমি নাজানা,যিয়েই নহওক আমি আৰু আমাৰ দৰমহা কমাব নোৱাৰো

"তেতিয়াহলে আপুনি মন্ত্রীৰ সংখ্যা কমাই সমস্যাটো সমাধান কৰিব পাৰে
পোনপ্রথমে ময়েই পদত্যাগ পত্র দিবলৈ বিচাৰো।"—উপাধ্যায়ে কলে।

মুখ্যমন্ত্রীয়ে তেতিয়া কলে—"কিন্তু এজন মন্ত্রী কমাই কিবা লাভ হ'ব
বুলি তুমি ভাবানে ?"

মোৰ বিভাগত পোন্ধৰজন ছিনিয়ৰ অফিচাৰ অছে,তাৰে আঠজনক বাদ দিয়ক
মুখ্যমন্ত্রীয়ে মুৰ জোকাৰি কলে—"ওহোঁ। সমস্যা অধিক জটিলহে হ'ব।" "তে
আমি চুপাৰিণ্টেণ্ডেণ্টৰ সংখ্যা কমাব পাৰো"—উপাধ্যায় পৰামর্শ আগবঢ়ালে'

"কিন্তু সি সমস্যাটোৰ নিচেই সামান্যহে সমাধান কৰিব পাৰিব। আ
তললৈ যাব লাগিব।"

উপাধ্যায়ে লাহে লাহে তলতীয়া পদবোৰ ধৰি আহিল। যেতিয়াই তেওঁ কেৰাণী
পদত ধৰিলে, মুখ্যমন্ত্রীয়ে তেওঁলৈ আশাৰে চালে। যেতিয়া উপাধ্যায়ে পিয়নবোৰ
বিষয়ে উল্লেখ কৰিলে, তেতিয়া মুখ্যমন্ত্রীয়ে আনন্দেৰে কলে—"এতিয়াহে তুমি জ্ঞা
দৰে কথা কৈছা। প্রকৃততে সদায়েই ৰাস্তাৰ মানুহৰ শাৰীৰ পৰা সক
বস্তুকে চাবলৈ শিকিবা। এতিয়া এটা কাম কৰা। এটা অফিছিয়েল
সকলো কথা নিজে চাবলৈ ওলাই যোৱা। তাত চিন্তা কৰিব পাৰিবা-ভালদৰ
আন আন মন্ত্রীবোৰে কয়, তুমি হেনো তেওঁলোকৰ দৰে সঘনাই টুৰত নোযো
এইটো বেয়া উদাহৰণ।"

উপাধ্যায়ে তিন তালৈ যোৱাটোকে ঠিক কৰিলে। বনবিভাগৰ মুখ্য সংৰক্ষ
ঠাকুৰ মনবন্ত সিং এজন সুদক্ষ চিকাৰী। তেওঁ অতি আনন্দেৰে উপাধ্যায়ক অভ্যৰ্থ
জনালে। তেওঁ বোট ক্লাবত উপাধ্যায়ৰ সম্মানার্থে এটা পার্টি দিলে আৰু তে
পুৰণি ভাৰতীয় চিকিৎসক চৰক আৰু সুশ্রুতৰ লগত তুলনা কৰিলে। বন্দীপু
ৰাণীয়েও তেওঁৰ বাবে বিশেষ নৃত্যৰ ব্যবস্থা কৰিলে আৰু গোলামপুৰৰ ৰজাই তেওঁ
সংগী কৰিলে মাছ মৰাত।

উৎসবৰ কার্যসূচী যেতিয়া শেষ হ'ল, উপাধ্যায়ে তেৰাইৰ অৰণ্য পৰিদর্শন কৰ
ইচ্ছা প্রকট কৰিলে। টেণ্ডৰ ঠাকুৰ চাহাবে বন্দীপুৰৰ ৰজাৰ পৰা হাতী এটা আ
ৰাজকীয় গাম্ভীর্যৰে উপাধ্যায়ক অংঘল পৰিদর্শনলৈ নিলে। বৃটিছ ৰাজত্বত মুখ্য নিৰীক্ষ
এনেদৰে হাতীত বন পৰিদর্শন কৰিছিল। কিন্তু স্বাধীনতাৰ পিছত ব্যয় সংকো
স্বাৰ্থত এই প্রথা উঠাই দিয়া হ'ল। মানবন্ত সিং অতি অসন্তুষ্ট হৈছিল আৰু সেই দুখ
পুনৰ পাবলৈ বহু চেষ্টা কৰিছিল। আনকি মুখ্যমন্ত্রীকো ধৰিছিল কিন্তু সকলো ব্যর্থ হ'

চিকাৰত উপাধ্যায়ৰ কোনো আগ্রহ নাই। কিন্তু মনবন্ত সিং আছিল চি

বুলিলে পাগল। এটা নাহৰকুটকী ব ঘ দেখি তেওঁ ৰাইফল উঠাই লওঁতেই হঠাৎ উপাধ্যায়ে চিঞৰি উঠিল—"চোৱা চোৱা"। "অলপ ৰ'ব"—মনবন্ত সিঙে তেওঁক বাধা দি কলে। "সৌ জোপোহাটো দেখিছা ?" উপাধ্যায়ে সুধিলে। ইতিমধ্যে নাহৰ ফুটুকী জোপোহাৰ আঁৰত লুকাল। মনবন্ত সিঙে দাঁত কামুৰি কোনোমতে খংটো কমাই সুধিলে, 'কোনটো ?'

"সেই সোণালী ফুলৰ সৈতে জোপোহাটো ?

উপাধ্যায়ে হাতী ৰখাবলৈ কৈ নামি গৈ অলপ পাত আৰু লতা ছিঙি আনি মনবন্ত সিঙৰ সম্মুখত দেখুৱাই কলে— "প্রাকৃত ভাষাত ইয়াক কোৱা হয় কডিকুট, সংস্কৃতত ইয়াক কোৱা হয় ৰূপডিকর্ক আৰু পার্চী ভাষাত ইয়াক কোৱা হয় ব্যাজকালীলা।'

"কিন্তু ই মাত্র মাইৰো বালান। এনে অদ্ভুত নাম কিয় দিছে ?" ঠাকুৰে সুধিলে।

উপাধ্যায়ে কিন্তু মনবন্ত সিঙলৈ ভ্রূক্ষেপ নকৰি কৈ গ'ল "অঁ বৰ উপকাৰী বস্তু।" তাৰ পাচত তেওঁ গছজোপাৰ ওপৰত আৰু ইয়াৰ উপকাৰিতাৰ ওপৰত এটা দীঘল বক্তৃতা দিলে। ঠাকুৰ চাহাবে মাত্র টোপনিয়াই টোপনিয়াই শলাগি গ'ল।

উপাধ্যায়ে আৰু নানা ধৰণৰ গছ বাচি উলিয়ালে আৰু তাৰ উপকাৰিতাৰ বক্তৃতা দিলে। লাহে লাহে মনবন্ত সিঙৰ সহ্যৰ সীমা পাৰ হৈ আহিল। কিন্তু তবু তেওঁ শান্ত হৈ ৰ'ল, কাৰণ তেওঁ জানে কি দৰে এজন মন্ত্রীৰ লগত ব্যবহাৰ কৰিব লাগে।

সাতদিন তেওঁ তেৰাই অৰণ্যত ফুৰিলে। এই যাত্রাত তেওঁৰ স্বাস্থ্যৰ কিছু উন্নতি হ'ল আৰু অসংখ্য ঔষধি উদ্ভিদ সংগ্রহ কৰিলে।

উপাধ্যায় ঠকুৰ চাহাবৰ ওপৰত অতি সন্তুষ্ট হ'ল। তেওঁ কলে— "ঠাকুৰ চাহাব, মই ভাবো তুমি তোমাৰ চাকৰিত সন্তুষ্ট। কিবা অসুবিধা হলে মোক কবা।"

ঠাকুৰ চাহাবে কলে—"মোৰ মাত্র অলপমান অসুবিধা আছে। আপুনি দেখিছেই অৰণ্য কিমান ডাঠ হৈ আহিছে। যেতিয়া মই তালৈ যাওঁ কিছু অসুবিধা পাওঁ।"

"কিন্তু মইটো একো অসুবিধা নাপালো"—উপাধ্যায়ে আচৰিত হৈ কলে।

ঠাকুৰে ব্যাখ্যা কৰিলে— "আপুনি গৈছিল হাতীত ; মই এইটো আপোনাৰ বাবে বন্দীপুৰৰ ৰজাৰ পৰা ধাৰ কৰি আনিছো। মই পৰিদর্শনলৈ যাব লাগে— ঘোঁৰাৰ পিঠিত। হাতী নোহোৱাকৈ ইমান ডাঠ অৰণ্যলৈ ঘোৱাটো অতি শাস্তিৰ কথা।"

উপাধ্যায়ে কলে— "তোমাকতো বাধা দিয়া নাই। কিয় হাতীত নোযোৱা ?"

"কিন্তু চৰকাৰে মোক এটা হাতী দিয়া নাই"— এইটোৱেই অসুবিধা।

কিছুপৰ চিন্তা কৰি উপাধ্যায়ে প্রশ্ন কৰিলে— "কিমান পৰিব বাৰু এটা হাতীত ?"

ঠাকুৰে উত্তৰ দিলে— "প্রায় দহ হাজাৰ। কিন্তু সৌভাগ্যক্রমে বন্দীপুৰৰ ৰজা পাঁচ হাজাৰতে মান্তি হৈছে। হাতীটোও অতি ভাল হাতী।

"তেন্তে তুমি কিনি আনা উপাধ্যায়ে কলে— "মই খৰছ ছেঙচন্ কৰি দিম।

ঠাকুৰ কিন্তু সাজু হৈয়ে আহিছিল। তেওঁ কিছুমান আখৰ লিখি থোৱা কাগজ উলিয়াই উপাধ্যায়ক দিলে। আনকি নিজৰ কলমটোও দি উপাধ্যায়ক কলম উলিওৱা কষ্টৰ পৰাও ৰেহাই দিলে। প্রায় একমিনিটৰ ভিতৰতে গোটেই কামটো শেষ হৈ গ'ল।

তাৰ পিছত উৎসবৰ আৰু এক পর্যায় আৰম্ভ হ'ল। প্রায় এসপ্তাহজুৰি হোৱা এই উৎসব অনুষ্ঠানৰ মাজত উপাধ্যায়ে তেওঁৰ টুৰ'ত অহা উদ্দেশ্য পাহৰি গ'ল।

তাত থকা শেষ ৰাতি হঠাৎ উপাধ্যায়ৰ এই উদ্দেশ্য মনত পৰিল। আৰু তৎক্ষণ
ঠাকুৰ চাহাবক ফোনত মাতি আনি তেওঁৰ বিভাগৰ চাকৰিয়ালৰ লিষ্টখন আনি
কলে। তেওঁ ব্যাখ্যা কৰিলে অন্ততঃ কিছু পৰিমাণৰ জাতীয় সম্পদ সঞ্চয় কৰিবই লাগি

ঠাকুৰে লিষ্ট লৈ আহিল। কিন্তু উপাধ্যায়ে তাৰ মাথা-মুণ্ড একো বুজি নাপালে
তেওঁ ক'লে— "গোটেই বস্তুটো মোক যথাসম্ভব চুটিকৈ পৰিষ্কাৰকৈ বুজাই দিয়ক।"

"যদি বিচাৰে মোক আপুনি চাকৰিৰ পৰা বাদ দিব পাৰে"। ঠাকুৰে কলে।

উপাধ্যায়ে মিচিকিয়া হাঁহিৰে ক'লে— "এজনক বাদ দি পাৰ্থকাটো কি হব

ঠাকুৰে ক'লে— "মোৰ তলত দুজন উপ-নিৰীক্ষক আছে, তেওঁলোকে প্ৰত্যে
ছটাকৈ ৰেঞ্জৰ তদাৰক কৰে।"

"ওহোঁ সেয়াটো যথেষ্ট কাম। তেওঁলোকক বাদ দিব নোৱাৰি। তুমি নি
তললৈ যোৱা।"

"তেতিয়াহলে মোৰ চাৰিজন সহায়কাৰী উপ-নিৰীক্ষক আছে।"

"তুমি আৰু তললৈ যোৱা।"

"বাৰজন ৰেঞ্জ অফিছাৰ আছে।"

"আৰু তললৈ যোৱা।"

"ওঠৰ জন ফৰেষ্ট অফিচাৰ আছে।"

"আৰু তললৈ।"

"ষাঠিজন ফৰেষ্ট গার্ড আছে।"

"আৰু কি আছে?"

"সাতজন ৰেকর্ড ক্লার্ক আছে।"

"সেয়েইনে?"

"ইয়াৰ পিছত আছে গাখীৰৰ দাম। মাহে ন টকা।"

"কিহৰ বাবে এই গাখীৰ?" আচৰিতহৈ উপাধ্যায়ে সুধিলে।

"হজুৰ! আমাৰ ৰেকর্ড অফিছত চোঁকা দাত থকা জন্তুৰ অতি উৎপাত। ওচ
হাবিৰ পৰা এই জন্তুবোৰ আহে আৰু আমাৰ ফাইলবোৰ ধ্বংস কৰে। গতিকে আ
চৰকাৰীভাবে এটি মেকুৰী পুহিছোঁ, তাৰ বাবে লগা গাখীৰতে মাহে ন টকা পৰে

উপাধ্যায় জ্বলি উঠিল—'যেতিয়া আমাৰ সাতজন ক্লার্ক আছে,তেতিয়া এটা মেকুৰ
প্ৰয়োজন কি? ন টকা! আচৰিত! তোমাৰ চকুৰ আগতে তাৰমানে এটা মেকুৰ
ওপৰত ইমান টকা অদৰকাৰী খৰছ হৈছে? ওহোঁ, মই এইটো হ'বলৈ দিব নোৱাৰো
মেকুৰীটো প্ৰথমেই খেদাব লাগিব।

"ভাল বাৰু চাৰ।" কাগজ পত্ৰবোৰ গোটাই গোটাই ঠাকুৰে ক'লে।

হঠাৎ দুৱাৰৰ কাষৰ পৰা এটা মাত ভাঁহি আহিল। উপাধ্যায় জপিয়াই চৰ
ওপৰত উঠিল।

"মি মাঁউ"— এটা মেকুৰী দুৱাৰমুখত থিয়হৈ কৌতুহলী দৃষ্টিৰে মন্ত্রীমহোদয়
চাই আছে। □□

অনুবাদ ঃ অনজু ববকটকী

গল্প

ডিম্ব খুড়াৰ হাস্যৰসত সমাজ আৰু সত্য

পূর্ণানন্দ চুতীয়া

হাঁহচৰাৰ ডম্বৰ কেওঁট সকলোৱে বাবে 'ডিম্বখুড়া'। প্ৰচলিত সম্বোধনৰ ব্যাকৰণ
অমান্য কৰি ল'ৰা-বুঢ়া-ডেকা সকলোৱে তেওঁক 'ডিম্বখুড়া' বুলি মাতে। এই সম্বোধনটো
সাধাৰণ হৈ পৰাৰ মূলতে এটা কাহিনী আছে।

ডিম্বখুড়াৰ প্ৰথম ল'ৰাটোৱে (চেঙেলীয়া বয়সতে ল'ৰাটো ঢুকাইছিল) বাপেক
ডিম্বধৰক 'খুড়া' বুলি মাতিছিল। আচলতে একেখন ঘৰতে থকা ডিম্বধৰৰ ককায়েকৰ
ল'ৰাহতে তেওঁক ডিম্ব খুড়া বুলিছিল। সিহঁতক অনুকৰণ কৰিয়েই নিজৰ বাপেকক
ল'ৰাটোৱেও ডিম্বখুড়া বুলি মাতিবলৈ শিকিছিল। সৰুতে তাক কোনেও বাধা দি 'পিতাই'
বা 'দেউতা' বুলিবলৈ শিকোৱা নাছিল। পিচত যেতিয়া সি বুজাটো হ'ল নিজৰ বাপেকক
খুড়া বুলি কবলৈ লাজ পোৱা হ'ল। ইফালেদি অনভ্যাসৰ ফলত 'পিতাই' বা 'দেউতা'
বুলি কবলৈয়ো বেয়া পোৱা হ'ল। ফলত সি বাপেকক পোনপতীয়াকৈ নমতাই হ'ল।
কিবা দৰকাৰ হলে মাকৰ যোগেদিয়েই তাৰ কথা বাপেকৰ কাণত পেলাইছিল। সেয়ে
তাৰ আৰু বাপেকৰ মাজত যোগাযোগৰ নিৰ্ভৰযোগ্য সূত্ৰ আছিল একমাত্ৰ মাকজনী।

এদিন বাপেকে বাৰীত কিবা এটা কৰি থকা অবস্থাত মাকে তাক কলে, মইনা
ঘৰক ভাত খাবলৈ মাত।' সি দস্তৰমত সমস্যাত পৰিল। সি ক্ষন্তেক চিন্তা কৰিলে
আৰু অলপ আগবাঢ়ি গৈ ডাঙৰকৈ চিঞৰিবলৈ ধৰিলে— ওচ্-ওচ্ ধৰ-ধৰ ওচ-ওচ
কিবা এটা কাটি থকাৰ পৰা মূৰ ডাঙি বাপেকে সুধিলে 'কি হ'ল ঔ মইনা?' তেতিয়া
সি তপৰাই মাত লগালে, 'তোক আয়ে ভাত খাবলৈ মাতিছে।'

বাৰবছৰ বয়সত ডিম্বধৰৰ এই লৰাটো কিবা এটা বেমাৰ হৈ মৰিল। ইতিমধ্যে
এই ল'ৰাটোৰ পিছত জন্ম হোৱা তেওঁৰ তিনিটা ল'ৰা আৰু দুজনী ছোৱালী উপজিয়েই
ঢুকাইছিল সেয়ে ডিম্বধৰৰ একমাত্ৰ আশা আছিল এই ল'ৰাটোৰ ওপৰতে। সিয়ো যেতিয়া
মৰি থাকিল ডিম্বধৰ শোকত কাতৰ হৈ পৰিল। বাপেকক 'খুড়া' বুলি মতা আৰু শেষলৈ
একো বুলি নমতা মৰমৰ পুতেকক তেওঁৰ স্মৃতিত জীয়াই ৰাখিবলৈকে বোধহয়
ডিম্বধৰে সকলোকে পিছত কৈছিল, তহঁত সকলোৱে মোক ডিম্ব খুড়া বুলিয়েই মাতিবি।
সেইদিন ধৰি ডিম্বধৰ কেওঁট হৈ পৰিল সকলোৱে বাবে ডিম্ব খুড়া।

সৰুৰে পৰা ডিম্ব খুড়া আছিল অতি ধেমেলীয়া প্ৰকৃতিৰ। লগত তেওঁৰ আছিল
এক অদ্ভুত গুণ। কেতিয়াৰ পৰা তেওঁ ইয়াৰ অনুশীলন কৰিছিল নাজানো, কিন্তু
আমাৰ মনত পৰাৰ দিন ধৰি খুড়াৰ এই গুণটো দেখি আহিছোঁ। আৰু খুড়াৰ কথা

মনত পৰিলেই অথবা তেওঁৰ কিবা প্ৰসংগ ওলালেই খুড়াৰ এনে এটা মুখ-ভংগী আমাৰ চকুৰ আগত ভাহি উঠে আৰু আমাক নিৰ্মল হাস্যৰসে আপ্লুত কৰি তোলে।

ডিম্ব খুড়াৰ সেই হাস্যৰসিক গুণটো হ'ল আনক অবিকল অনুকৰণ কৰিব পৰাতো। অন্য মানুহৰ মাত, আচৰণ-ভংগী, চৰাইৰ মাত, গৰু-ছাগলীৰ মাত— মুঠতে তেওঁ যদি কেতিয়াবা খন্তেকৰ বাবেও কাৰোবাক মাত শুনিছে— তেনেহলে পিচমুহূৰ্তত বিনা কষ্টে তেওঁৰ তাক অবিকল অনুকৰণ কৰি মানুহক পাৰেমানে হহুঁৰাইছে।

এই গুণটোৰ অথবা শক্তিটোৰ অধিকাৰী হোৱাৰ বাবে আমি কিছুৰে তেওঁক হিংসাই কৰিছিলো আৰু আমিও তেওঁৰ দৰে কৰিবলৈ বিফল চেষ্টা চলাইছিলো।

তেওঁ নিজে কোৱামতে ডেকা কালত বোলে খুড়াৰ এই আকৰ্ষণীয় গুণটোৰ মুগ্ধ হৈ বহুতো ইজনী গাভৰু তেওঁৰ প্ৰতি আকৃষ্ট হৈছিল। কিন্তু তেওঁ বোলে তেনেবোৰ গাভৰুক অকণো প্ৰশ্ৰয় দিয়া নাছিল। কাৰণ তেওঁ জানিছিল সেইবোৰ উপৰুৱা পাতল প্ৰেম, খন্তেকীয়া। খুড়াৰ মতে ভালপাব লাগিব মনৰ ফুলনিত ফুলা গোলাপ ফুলহে, ডিঙিত আঁৰি লোৱা বকুল ফুল নহয়। গোলাপ ছিঙোতে কাঁইটেও বিন্ধিব পাৰে।

সেয়ে বোধকৰো এপাহি খুড়ীহে শেষত ডিম্বখুড়াৰ জীৱনলৈ নিগাজীকৈ আছিল। এপাহি খুড়ীয়ে খুড়াৰ কণ্ঠত ধ্বনিত হোৱা কৃত্রিম কুলিৰ মাততো ভোল যোৱা নাছিল আৰু সাইলাখ বাঘৰদৰে গোঁজৰোতেও ভয় খোৱা নাছিল। খুড়াৰ হৃদয়ত ফুলি থকা তেজী গোলাপ ফুলৰ নিমজ পাহিৰোৰ দেখি খুড়ী মুগ্ধ হৈছিল। কিন্তু আহোমৰ ছোৱালী এপাহি খুড়ীয়ে বৰ সহজে ডিম্ব খুড়াৰ লগ লাগিব পৰা নাছিল। গোলাপৰ গোন্ধ নাকৰ ওচৰত লৰলৈ ফুল ছিঙোতে এপাহিৰ হাতত কাঁইটে বিন্ধিছিল। এফোটা তেজ বিৰিঙিছিল, অলপ বিষাইছিল। কিন্তু তথাপি সেইফোটা তেজ এপাহি খুড়ীয়ে নিজৰ শিৰত পিন্ধিছিল আৰু যিকণ বিষাইছিল পিছৰ জীৱনত ডিম্ব খুড়াই তাত চেনেহৰ মলম ঘঁহিছিল।

হাইস্কুলত পঢ়োতে পাঠ্যপুথিত পাইছিলো—বিপদত ধৈর্য ধৰিবা, দুখতো হাঁহি থাকিবা, সদায় প্ৰসন্ন মন লৈ ফুৰিবা। কিতাপত এই উপদেশৰ উদাহৰণ পোৱা নাছিলো। কিন্তু বাস্তব ক্ষেত্ৰত দেখিছিলো ডিম্ব খুড়াই যেন ইয়াৰ এটা জীৱন্ত উদাহৰণ। ডিম্ব খুড়া মানেই হাঁহিৰ থুনপাক। কিন্তু আচৰিত নহৈ নোৱাৰি, খুড়াৰ ব্যক্তিগত জীৱনত হাঁহিৰ উৎস তেনেই তৰাং। সাধাৰণ মানুহৰ বাবে ডিম্ব খুড়াৰ জীৱনত হতাশ আৰু বিষাদ-বেদনাৰ এক ক্লান্তিকৰ অভিজ্ঞতা। দুখ দৈন্যৰ দুৰ্বিসহ বোজা ভাৰ বোৱা জীৱনৰ প্ৰতিনিধিত্ব কৰিছে যেন একমাত্ৰ ডিম্ব খুড়াই। কিন্তু তথাপিয়ে ডিম্ব খুড়া আছিল সদাহাস্য। ব্যক্তিগত জীৱনৰ দুখ-বেদনাই তেওঁৰ চকুলৈ লোতক অনাৰ দৃশ্য আমি কাহানিও দেখা মনত নপৰে। বৰং মানুহৰ জীৱনত হাস্যৰসে যে কি অফুৰন্ত প্ৰাণচাঞ্চল্য সৃষ্টি কৰিব পাৰে, তাক খুড়াৰ কাহিনী নজনা মানুহে ভাবিবলৈকে টান পাব।

আচুতীয়া জেগা হাঁহচৰাৰ বুকুলৈয়ো ভাৰতৰ স্বাধীনতা যুঁজৰ পবিত্ৰ আহ্বান আহিছিল। পয়ত্রিছ বছৰীয়া তজবজীয়া ডেকা ডিম্ব খুড়াও এই ৰণত জঁপিয়াই পৰিছিল। দৈনীয়েক এপাহি আৰু একমাত্ৰ জীয়াই থকা ল'ৰাটোক ককায়েক-ভায়েকহঁতৰ লগতে

এৰি তেওঁ গাঁৱে গাঁৱে কেতিয়াবা হাবিয়ে বনবিয়ে ঘুৰি স্বাধীনতা ৰণৰ আখৰা চলাইছিল। ১৯৪৫ চনৰ পৰা '৪৭ চনলৈকে পুলিছৰ হাতত ধৰা পৰি তেওঁ দুবছৰ কাৰাবাসো খাতিছিল। তেওঁ জেলত সোমোৱাৰ কেইদিনমানৰ পিছতে এপাহি খুড়ীৰ পুত্ৰ সন্তান এটা উপজিছিল। কিন্তু ক্ষন্তেকৰ বাবে পৃথিবীলৈ আহিয়েই পুনৰ সি গুচি গৈছিল। সেই মুহূৰ্তত এফালেদি জন্ম-যন্ত্ৰণাপিষ্ট, অথচ আশাভৰা তৃপ্তিৰ আমেজত আপ্লুত, কিন্তু পুনৰ পিছ মুহূৰ্ততে ভয়াবহ মৃত্যুৰ কাতৰতাত চট্‌ফটাই থকা এপাহি খুড়ী আৰু আনফালে ওখ শিলৰ প্ৰাচীৰৰ মাজত আবদ্ধ ডিম্ব খুড়া, যাৰ হৃদয়তো অনুভূত হৈছিল অন্য এক যন্ত্ৰণা—এক স্বাধীনতাৰ জন্ম-যন্ত্ৰণা। এপাহি খুড়ীৰ সন্তান জন্ম হৈছিল, লগে লগেই সি মৰিছিল। ডিম্ব খুড়াহঁতেও স্বাধীনতাৰ জন্ম দিছিল, কিন্তু ইয়ো জীয়াই আছেনে?—এই কথা পিছলৈ যাওক। ডিম্ব খুড়াৰ কথাৰেই আমি ইয়াৰ বিচাৰ কৰিম।

এটা এটা কৰি ডিম্ব খুড়াৰ সাতোটা সন্তানৰ মৃত্যু হৈছিল। জন্ম আৰু মৃত্যুক মুহূৰ্তৰ পাৰ্থক্যত প্ৰত্যক্ষ কৰিয়ো কিন্তু পিছ দিনাখনেই এপাহী খুড়ীয়ে হাঁহিছিল। কাৰণ ডিম্ব খুড়াই হাঁহিছিল। ডিম্ব খুড়াৰ লগত থাকিলে কাৰ সাধ্য কান্দে। খুড়াৰ মতে তেওঁলোকে সংসাৰ কৰিছে, প্ৰকৃতিৰ নিয়ম পালন কৰিছে, সন্তান উপজিছে বচ। তেওঁলোকৰ কৰ্তব্য সিমানতে শেষ হৈছে। সন্তান জন্ম মৰে বাচে সেইটো সিহঁতৰ কথা। অবশ্যে এয়া আছিল ডিম্বখুড়াৰ হাস্যৰসৰ কথা। তেওঁ নুযুজা নহয় যে উপযুক্ত চিকিৎসা ব্যবস্থা থকা হলে, প্ৰসবৰ সময়ত এপাহিৰ ওচৰত ডাক্তৰ-নাৰ্ছ থকা হলে হয়তো ডিম্বখুড়াৰ সাতোটা সন্তানৰ মৃত্যু নহ'লহেঁতেন।

আঠ নম্বৰ সন্তান জন্ম হৈছিল—এজনী ছোৱালী। চিৰাচৰিত নিয়ম মতেই সন্তানটো ভূমিষ্ঠ হবলৈ কোৰ জুমুঠি লৈ ডিম্বখুড়া সাজু হৈ আছিল, কিন্তু আচৰিত কথা ছোৱালীজনী চিৰাচৰিত সময়ৰ ভিতৰত নমৰিল। ৰাতিটো পাৰ হ'ল, দিনটো পাৰ হ'ল, এমাহ পাৰ হ'ল, তাই নমৰিল।

হঠাৎ এদিন ডিম্ব খুড়াৰ মনত পৰিল—'দৈবকীৰ গৰ্ভজাত অষ্টমসন্তানে… … …।' হাঁ… … … …? অ' ঠিকেই দৈবকীৰ অষ্টম সন্তান আছিল কৃষ্ণ—ল'ৰা। কিন্তু তেওঁলোকৰ সন্তানটো ছোৱালীহে। সেয়ে বোধহয় খুড়া-খুড়ী দুয়ো মিলি তাইৰ নাম দিলে 'যোগমায়া'।

কেতিয়াবা ডিম্ব খুড়াই জীয়েক যোগমায়াক সোধে; 'হেৰ' যোগ, তই বাৰু সঁচাই জীয়াই আছনে? তোৰ আগতে সাতোটা ল'ৰা-ছোৱালী গ'ল। এই নিয়ম মতে তয়ো যে জীয়াই আছ, মোৰ হলে সন্দেহ।'

যোগমায়াই কয়, 'জীয়াইনো ক'ত আছোঁ। জীয়াই থকা মানুহে জানো ভাত-পানীৰ অভাবত বনৰীয়া জন্তুৰ দৰে ঘাঁহ-পাত, আলুকচু খাই থাকে? জীয়াই থকা মানুহৰ দেহাবোৰ জানো উদং-মুদং হৈ থাকে?'

প্ৰত্যুত্তৰত ডিম্ব খুড়া মৌন হৈ থাকে। কিবা যেন এটা গভীৰ শোকৰ ছাঁয়াই তেওঁৰ সমগ্ৰ মনপ্ৰাণ আচ্ছন্ন কৰি তোলে। আঁৰে আঁৰে তেওঁ জীয়কলৈ লক্ষ্য কৰে। যোগমায়াৰ বিয়াৰ বয়স হৈছে। নিয়মমতে তাইক ল'ৰা এটা বিচাৰি

বিয়া দি দিব লাগে। তেওঁলোকৰ লগত তাইৰ দুখ হৈছে, নিয়ম মতে দুসাজ খাবলৈ পোৱা নাই। বিয়াখন হলে তাইৰ হয়তো অলপ সুখ হ'ব। কিন্তু খুড়াই তাৰ চিন্তা কৰিব পৰা নাই। খুড়া-খুড়ীৰ নিৰালম্ব অকলশৰীয়া জীৱন দুটাক জীয়ে যোগমায়াই এনেদৰে আবদ্ধি ৰাখিছে যেন জীয়েকৰ পৰা বিচ্ছিন্ন হোৱাটো তেওঁ লোকে কল্পনাই কৰিব নোৱাৰে!

ব্যক্তিগত জীৱনত সুখ-সুবিধা বুলিলে যি বুজা যায়, তেনে সুখৰ স্বাদ খুড়ায় জীৱনলৈ নাহিল। কিন্তু সুখৰ তেওঁ এটা ৰাজহুৱা সংজ্ঞা উলিয়াই লৈছিল। দীঘলীয়া সমাজ-জীৱনৰ বিচিত্ৰ অভিজ্ঞতাই তেওঁক শিকাইছিল— আনৰ কথা চিন্তা কৰি জানিলে নিজৰ কথা পাহৰি-থকা যায়, আনৰ সুখ-দুখৰ খবৰ লব পাৰিলে নিজৰ দুখৰ বোজা পাতল হৈ যায়। তাতে খুড়াই আহৰণ কৰিছিল সেই এটা আকৰ্ষণীয় গুণ তেওঁৰ সেই হাস্যৰসৰ ভাণ্ডাৰ ৰাজহুৱা স্বাৰ্থতেই ব্যবহাৰ হৈছিল।

উনৈছ শ পঞ্চাছ চনৰ কথা। বৰ ভুঁইকপৰ পিছত হাইঁচবা অঞ্চল বানপানীত বুৰাই পেলালে। মানুহৰ খেতিবাতিতো নষ্ট হলেই, বহুতৰ ঘৰদুৱাৰো ভাগিল। আচ্ছ ভয়ংকৰ বিপদ আহিল পানী শুকাই যোৱাৰ পিছহে। মানুহৰ ভঁৰালত ধান মাহে নাছিলেই আনকি পিন্ধত পিবলৈ এটোপা পৰিষ্কাৰ পানীৰো অভাব হ'ল। গাঁৱৰ দুইমুৱে থকা নাদ দুটাৰ পানী খাব নোৱৰা অবস্থা। সেয়ে গাঁৱৰ ডেকা ল'ৰা খিনিয়ে অতি সোনকালে দুটা নলীনাদ দিবলৈ চৰকাৰৰ বি-ডি অ'ৰ ওচৰত দৰখাস্ত দিলে। পিচে কেইবাদিনো গৈয়ো ডেকাকিজনে বি-ডি-অ'ৰ পৰা বিশেষ সহায় নাপালে। শেহত ওলাল ডিম্ব খুড়া। তেৱোঁ যে বিশেষ সুবিধা আদায় কৰিব পাৰিম সেইটো বিশ্বাস নাছিল। তথাপি বি-ডি-অ' চাহাবৰ চাহাবী কায়দা চাই আহোঁ বুলিয়ে ডিম্ব খুড়াই অফিছলৈ বুলি খোজ ললে। অফিছ গৈ পাই তেওঁ চাহাবৰ দুৱাৰ মুখত অলপ ৰ'ল। কিবা ফাইল চোৱাত চাহাব ব্যস্ত। 'ছাৰ সোমাব পাৰোনে?' কৈ ডিম্ব খুড়াই ভৰি এখন ভাঙিলেই। প্ৰাথমবাৰ স্বাধীন ভাৰতৰ ভাৰতীয় চাহাবে কৰ্ণপাতেই নকৰিলে। এইবাৰ ডাঙৰকৈ গল্ হেকাৰি এটা মাৰি ডিম্ব খুড়াই আকৌ ভিতৰলৈ যোৱাৰ অনুমতি বিচাৰিলে। এইবাৰ একতীয়াকৈ চাই চাহাবে সুধিলে, 'কি হ'ল, কি লাগে?' ডিম্ব খুড়ায়ো পাতনি নতৰাকৈ ক'লে, 'চাৰ, হঁহচবা গাঁৱত পানীৰ অভাব হৈছে। এই বিষয়ে আপোনাক দৰখাস্ত দিয়া হৈছে। অতি সোনকালে অন্ততঃ নলীনাদ এটাৰ ব্যবস্থা নকৰিলে মানুহবোৰ সুদা পেটে মৰাতকৈ ঘোলাপানী খাইহে মৰিব এতিয়া।'

—হঠাৎ চাহাবৰ খং উঠিল। তেওঁ চাহাবী মেজাজেৰে ধমক দি ক'লে "তোমালোকে কি মানুহহে? সিবাৰ দৰখাস্ত আনোতেই মই কৈছো নহয়, এ বিষয়ত ছেংচ নাই, দিব পৰা নাযায় বুলি। কি বাৰে বাৰে আমনি কৰি থাকা বৰ বাবুৰে কৈছে বোলে হাঁহচৰাত ইমুৰে এটা সিমুৰে এটা পকানাদ পাইছে আকৌ তাৰ মাজতে নলীনাদটো কেলেই লাগেহে?"

ডিম্ব খুড়াও চুপ হৈ ওলাই অহা বিধৰ মানুহ নহয়। গৰম সুৰত তেৱোঁ কব ধৰিলে 'ছাৰ ইমুৰে এটা সিমুৰে এটা পকানাদ আছে ঠিকেই। কিন্তু আমাৰ মানুহবো

বতাহ-পানী খাইহে এইকিদিন জীয়াই আছে। 'বতাহ'ৰ বাবে যেনিবা কোনো চাহাবৰ ওচৰত খাতিৰ কৰিব নালাগে কিন্তু পানী পোৱাত মস্কিল হৈছে। ইমানবোৰ মানুহ, দুটা নাদৰ পোক লগা পানী যথেষ্ট নহয়। সেইবাবে ... ...।' ডিম্ব খুড়াৰ কথা শেষ নহ'ল। খঙত চাহাবে ৰঙাচিঙা পৰি কৈ উঠিল 'হেৰা কাক ঠাট্টা কৰিবলৈ আহিছাহে। ইউ গেট আউট ... ... মোক চিনি পোৱা নাই?'

ডাঙৰকৈ হাঁহি এটা মাৰি ডিম্ব খুড়াই হেনো ক'লে, 'হেৰি ছাৰ, আপোনাক চিনি নাপামনে? আপুনি জানো সেই বিহগুৰীয়াৰ গঙাই বৰুৱাৰ সৰুটো ভায়েক নহয়? গঙাই আৰু মই একেলগে জেলত আছিলো। যি কি নহওক মই বাৰু 'গেট্ আউট' হমেই কিন্তু পাৰিলে নলীনাদ এটা দিব। বৰ অসুবিধা হৈছে ছাৰ। চাউলৰ অভাবত মানুহবোৰে বনৰীয়া আলুকচু খাইছে। সেয়ে তেওঁলোকৰ পেটৰ খেলিমেলি। বিশেষকৈ মাইকী মানুহবোৰৰ পেটবোৰ বৰ ঢিলা। একেবাহে পায়খানাকে কৰি থাকে। সেয়ে গাঁৱৰ মাজতে নলীনাদ এটা থাকিলে পায়খানা কৰি খৰধৰকৈ পানী লবলৈকে অন্ততঃ সুবিধা হয় ... ...।' কথাখিনি শেষ কৰি মিচিক মিচিক হাঁহি চাহাবক দীঘল নমস্কাৰ এটা দি ডিম্ব খুড়া গুচি আহিছিল।

সমাজৰ বাস্তব ছবিখন দেখি ডিম্ব খুড়াই পিছলৈ বুজি পোৱা হৈছিল যে তেওঁলোকে পুলিছৰ লাঠি-চৰ, লঘু-লাঞ্ছনা সহ্য কৰি দেশলৈ যি স্বাধীনতা আনিলে সেই স্বাধীনতাই আচলতে দৰিদ্ৰ মানুহক জীয়াই ৰাখিব নোৱাৰে। সেয়ে মাতৃভূমিক মুক্ত কৰাৰ যি প্ৰতিজ্ঞাই তেওঁলোকক অসীম প্ৰেৰণা দিছিল আজি বিদেশী শাসন-মুক্ত মাতৃভূমিৰ অগৰ্ণন মানুহৰ এলাই এথানিৰ কৰুণ দৃশ্যই ডিম্ব খুড়াহঁতক হতাশ কৰি তুলিছিল। তেওঁ দেখিছিল বৃটিছ ৰাজত্বত নানা ব্যবসায় কৰি ধন গোটোৱা হৰবিলাস শৰ্মাহঁতৰ দৌলত বৃদ্ধিহে হৈছে কমা নাই। আনফালে গাঁৱৰ বাকীখিনি মানুহক দাৰিদ্ৰই জুকলা কৰিছে। হৰবিলাস শৰ্মাৰ মাটি সম্পত্তি ক্ৰমে বাঢ়ি বাঢ়ি গৈ এতিয়া বাৰশ বিঘা হৈছেগৈ। বাম ঠাইৰ পৰা দ ঠাইলৈ পানী বৈ যোৱাৰ দৰে সমাজৰ সকলো সম্পত্তি শৰ্মাৰ নিচিনা মানুহৰ ভঁৰাললৈ গৈছে আৰু আনফালে বাকী মানুহবোৰে জীয়াই থকাৰ ন্যূনতম আবশ্যকীয়খিনি হেকৰাই পথৰ ভিক্ষাৰীত পৰিণত হৈছে। সেয়ে বোধহয় ডিম্ব খুড়াৰ চেতনাত এক আশু পৰিবৰ্তনৰ অবশ্য-ম্ভাবিতাই দোলা দি উঠিছিল। সমাজ পৰিবৰ্তনৰ সূত্ৰনিবদ্ধ তেওঁ অধ্যয়ন কৰা নাছিল, কিন্তু বাস্তব জীৱনৰ নানা সংঘাতপূৰ্ণ অভিজ্ঞতাই তেওঁৰ চেতনাক শুদ্ধ ৰূপ দিছিল। পিছলৈ আমি লক্ষ্য কৰিছিলো তেওঁৰ হাস্যৰস প্ৰদৰ্শনৰ সুকীয়া এক বৈশিষ্ট্য য'ত মানুহৰ শক্তি আৰু ইয়াৰ প্ৰয়োগে কৰিব পৰা পৰিবৰ্তনৰ প্ৰচ্ছন্ন ইংগিত স্পষ্ট।

এবাৰ গাঁৱৰ ডেকাখিনিয়ে এখন নাট মেলিছিল। নাটকৰ নাম আছিল কঙ্কিনী হৰণ। নাটকৰ আদিৰে পৰা অন্তলৈকে ডিম্ব খুড়া ওতঃপ্ৰোতভাবে জড়িত। বয়স আৰু শক্তিৰ বিপৰীতে ডিম্ব খুড়াৰ সজীবতা আৰু উৎসাহৰ লগত আমি ইমান বঢ়িয়াকৈ চিনাকি আছিলো যে আন্ধাৰে-মুন্ধাৰে লাখুটিৰ খটক্-খটক্ শব্দ কৰি তেওঁ যেতিয়া নামসৰত সোমায়হি আমি অকণো আচৰিত নহৈছিল।

অভিনয়ৰ দিনা খুড়া 'ফুচুৰি' ওলাইছিল। তেওঁৰ আছিল এইটো এটা

চিৰাচৰিত নিয়ম। গাঁৱত ভাওনা থিয়েটাৰ হলে খুড়াৰ বাবে আচুতীয়াকৈ সময় অ
থোৱা হৈছিল। সেই সময়কণতে খুড়াই নানা হাস্যৰস ভৰা কৌতুকে
দৰ্শকক অলপ হঁহুৱাইছিল। বহুতৰ বাবে ডিম্ব খুড়াই আছিল ভাওনা থিয়েটাৰৰ বেলে
এটা আকৰ্ষণ। অভিনয় উপভোগ্য নহলেও ডিম্ব খুড়াৰ কৌতুক চাই যাওঁ বুলিয়ে
বহু দৰ্শকে উচ্ পিচ্ কৰি শেহলৈকে ৰৈ থাকে। কাৰণ অভিনয় বেয়া হলে টে
লৰাইতেঁ 'ডিম্ব খুড়াক' পিছলৈ থয়। তেওঁ নহলে যেন গাঁৱৰ গোটেই কাৰ্যক্ৰমণিকা
নিৰস হৈ যায়। 'নলনীপাম'ৰ ৰাসলীলাত বসুদেবে কেচুৰা কৃষ্ণক লৈ ফেন ফোটোকা
বাঢ়ি অহা যমুনা নৈ পাৰ হোৱাৰ বেলিকা শিয়ালৰ 'হোৱাটো' নিদিলে, কৃষ্ণ ওপজা
সময়ত ডিম্ব খুড়াই কেঁৱা কেঁৱা কৰি কান্দি নিদিলে অথবা কৃষ্ণৰ কালিয়দমনৰ সময়
কালিনাগৰ ফোঁচ ফোঁচনি; হিচ্ হিচনি তুলি নিদিলে ৰাসেই নহয়।

সেইদিনাও নাটকৰ শেষৰফালে ডেকা এজনে ঘোষণা কৰিলে, 'ৰাইজ, এতি
আপোনালোকলৈ আগবঢ়াইছোঁ 'ডিম্বখুড়া'। ঘোষণাৰ লগে লগে মৃদুভাবে হাঁহিৰ জাউ
এটা চাৰিওফালে বিয়পি পৰিল। পৰ্দা উঠাৰ লগে লগে দেখা গ'ল অদ্ভুত এটা পোচাক
পিন্ধি হাতত লাখুটিডালেৰে ডিম্বখুড়া। নিতে নতুন উদ্ভাবনেৰে তেওঁ মানুহক হঁহুৱা
তেওঁ কি ক'ব বা কি দেখুৱাব আগেয়ে কোনেও নাজানে। পৰিস্থিতিৰ লগত ইমান
ধুনীয়াকৈ খাপ খুৱাই তেওঁ কৌতুক প্ৰদৰ্শন কৰে, ভাবিলে আচৰিত লাগে।

বিশেষ এটা ভংগীত তেওঁ ক'বলৈ আৰম্ভ কৰিলে—'শ্ৰদ্ধেয় ৰাইজ, মই কি
ধেমেলীয়া কথাৰে আপোনালোকক হঁহুৱাব পাৰিম বুলি মোলৈ বাট চাই আছে
কিন্তু ৰাইজ বয়সৰ লগে লগে মোৰ হাস্যৰসৰ ভাণ্ডাৰটোৰ তলি উদং হৈ আহিছে
আনফালেদি আমাৰ জীৱনবোৰ দিনে দিনে ইমান কঙাল হৈ যাব ধৰিছে যে আজি
সময়ত অকণমান হঁহাৰ উৎসও শুকাই গৈছে। দিন ৰাত ভাত-কাপোৰ চিন্তাত আদি
প্ৰত্যেকে ইমান ব্যস্ত যে হাঁহিবলৈয়ো আমি পাহৰি গৈছোঁ। চিন্তা আৰু চকুলে
আমাৰ দৈনিক জীৱন এনেভাবে আগুৰি ধৰিছে যে মানুহৰ মানবীয় আশা অনুভূ
পৰাও আমি বঞ্চিত হ'ব ধৰিছোঁ..... ।'

বহুদৰ্শকেৰে নামঘৰটো ভৰি আছিল যদিও এটা গভীৰ নীৰবতাই হঠাৎ
যেন নামঘৰটো আবৰি থকা ৰাতিৰ অন্ধকাৰক আৰু গভীৰ কৰি তুলিলে। হাঁহিবলৈ
প্ৰস্তুত হৈ থকা মানুহৰ মনবোৰ যেন হঠাৎ নিষ্ঠুৰভাবে কোনোবাই মুচৰি দিলে।
এই মানুহবোৰৰ প্ৰত্যেকৰে সংসাৰলৈ নামি অহা কঠোৰ বাস্তবতাৰ একো একোখন
পূৰ্ণ-প্ৰতিচ্ছবিয়ে তেওঁলোকক যেন গ্ৰাস কৰি পেলালে!

'.....কিন্তু তথাপি আমি হাহোঁ। দুখৰ চকুলো ভেদ কৰি কেতিয়াবা আনন্দৰ
এমোকোৱা হাঁহি আমাৰ চকু মুখত বিৰিঙি উঠে। আমাৰ দুখীয়া জীৱনৰ
আনন্দৰ এই ক্ষন্তেকীয়া মুহূৰ্তবোৰেই আমাক জীয়াই থকাৰ প্ৰেৰণা দিছে। সেয়ে বুঢ়া
হলেও, শক্তি শেষ হৈ আহিলেও মই মানুহক অলপ হঁহুৱাবলৈ চেষ্টা কৰোঁ—
নিজেও হাঁহো। কিন্তু আজি কি ধেমেলীয়া দৃশ্য দেখুৱাই আপোনালোকক হঁহুৱাও
মই..... ।' হঠাৎ ডিম্ব খুড়া মনে মনে থাকিল আৰু কিবা এটা শুনিবলৈ যেন উৎকৰ্ণ
হৈ ৰ'ল। তেওঁৰ উৎকৰ্ণতাৰ উমান লৈ মানুহবোৰেও শুনিলে অদূৰত এটা কুকুৰ

ভৌ-ভৌৰনি। তাৰ ভৌ-ভৌ শব্দৰ ভয়ত আতুৰ হৈ যেন ৰাতিৰ আন্ধাৰবোৰ নামঘৰৰ ফালে দৌৰিছে! কাৰো বুজিবলৈ বাকী নাথাকিল যে সেইটো মহাজন হৰবিলাস শৰ্মাৰ ভয়ংকৰ বিলাতী কুকুৰটো। কুকুৰটো যেন শৰ্মাৰ দ্বিতীয় সংস্কৰণ। কুকুৰটোক ভয় কৰাৰ দৰেই মানুহে শৰ্মাকো ভয় কৰে। সময় বিশেষে শৰ্মা কুকুৰটোতকৈ ভয়ংকৰ হৈ পৰে। উল্লেখযোগ্য যে আমন্ত্ৰণক্ৰমে শৰ্মাও সেইদিনা নাট্যানুষ্ঠানত উপস্থিত আছিল।

কিছু সময় ডিম্ব খুড়াই কুকুৰটোৰ ভৌ-ভৌৰনিলৈ কাণ পাতি ৰ'ল। তাৰপিছত এসময়ত নিজেও সাইলাখ কুকুৰৰ দৰে মৃদুস্বৰত ভুক্‌ভুক্ কৰি ভুকিবলৈ ধৰিলে। মানুহবোৰ বুজি পালে যে খুড়াৰ অভিনয় আৰম্ভ হৈছে। লগে লগে বিচ্ছিন্ন ভাবে মানুহবোৰে হাঁহিবলৈ ধৰিলে। ক্ৰমে ক্ৰমে খুড়াৰ ভুক্ ভুকনি বেচি হ'বলৈ ধৰিলে। মানুহবোৰেও সমস্বৰে হাঁহিবলৈ আৰম্ভ কৰিলে। ক্ষন্তেক পিছতে ভৌ-ভৌ ভুক্ ভুক্, কেং-কেং— এনে কিছুমান কুকুৰৰ ভুকনি-গেঙনি আৰম্ভ কৰি দিলে যে মানুহবোৰৰ বুজিবলৈ বাকী নাথাকিল যে শৰ্মাৰ বিলাতী কুকুৰটোক গাঁৱৰ অন্য কেইবাটাও চেৱেলা কুকুৰে যুগপৎ আক্ৰমণ কৰিব ধৰিছে। সিহঁতৰ ভুকনি-গেঙনি ধপ্ ধপনিত বিলাতী কুকুৰৰ ভয়লগা শব্দ তল পৰিছে। লাহে লাহে সি আত্মৰক্ষামূলক গেঙনি আৰম্ভ কৰিছে। এটা সময়ত ডিম্ব খুড়াই এনে কিছুমান জান্তব ধ্বনি আৰু ভংগীত প্ৰস্থান কৰিলে যে অতি সহজে বুজি পোৱা হ'ল— শৰ্মাৰ কুকুৰ প্ৰাণ লৈ পলায়ন কৰিছে।

লেঠৈৰি নিছিগা উত্তাল হাস্যধ্বনিয়ে নিশাৰ অন্ধকাৰ ফালি গোটেই গাঁওখন মুখৰিত কৰি তুলিলে। ঘটনাৰ সাদৃশ্য, অনুকৰণৰ পটুতা আৰু পৰিস্থিতি সাপেক্ষতা ইমান মূৰ্ত হৈ উঠিছিল যে মানুহবোৰ যেন পেটত ধৰি ধৰি আজীৱন হাঁহিয়ে থাকিব।

হৰবিলাস শৰ্মা চতুৰ মানুহ। ডিম্ব খুড়াৰ প্ৰচ্ছন্ন ইংগিত তেওঁ বুজিছিল। সেয়ে প্ৰকাৰ অপমানিত হৈয়ে তেওঁ আসনৰ পৰা উঠি ঘৰলৈ যাবলৈ ওলাইছিল। তেওঁ বিন্ হোৱা দেখি মানুহবোৰে আকৌ হাঁহিলে। কোনোবাই আঁৰৰ পৰা চিঞৰিলে, 'বিলাতী কুকুৰ পলাল। মাংস অলপ বেচিকৈ খুৱাব।' আন এটাই চিঞৰিলে, 'আমাৰ কুকুৰবোৰ চেৱেলা, কিন্তু দাঁতবোৰ চোকা।'

ইয়াৰ আগেয়ে কোনো মাত মাতিবলৈ সাহ নকৰা শৰ্মাক কোনেও ইমান ডাঙৰ অপমান কৰা নাছিল। ডিম্বধৰক তেওঁৰ এজন ডাঙৰ শত্ৰু বুলি ভাবিলে। 'বাকু দেখা যাব'— এনে এটা ভাবেৰে তেওঁ গপ্ গপাই নামঘৰৰ পৰা ওলাই গ'ল।

এই এটা আছিল সামান্য ঘটনা। ডিম্ব খুড়াই জীৱনত এনে বহু হাস্যপূৰ্ণ দৃশ্যৰ অবতাৰণা কৰি মানুহক হঁহুৱাইছে। এনে দৃশ্য দেখি মানুহে হাঁহে আৰু বুজে যে ডিম্ব খুড়াৰ হাস্যৰসে মানুহক কেবল হাঁহিৰ সমলকে নোযোগায়, ই হালোৱা-জালোৱা খাতি-খোৱা মানুহৰ বাবে গভীৰ অৰ্থও কঢ়িয়াই আনে।

ডিম্ব খুড়া বুঢ়া হৈছে। বয়সৰ লগে লগে, জীৱনৰ সংঘাট আৰু অভিজ্ঞতা পূৰ্ণ তেওঁৰ মনত এক পৰিবৰ্তনৰ দৰ্শনে ক্ৰিয়া কৰিছে। ভাৰতক স্বাধীন কৰিবলৈ যুজ কৰিছিল বুলি কোনোবাই সোঁৱৰাই দিলে ডিম্ব খুড়া বিমৰিষ হৈ পৰিল। কিবা এটা যেন অপূৰাবোধে তেওঁক আঘাট দিয়ে। কেতিয়াবা প্ৰসংগ ওলালে তেওঁ

কয়, 'আমি স্বাধীন হবলৈ যুঁজিছিলো। হলোঁ, কিন্তু স্বাধীন দেশৰ মানুহে ভা
কাপোৰৰ অভাৱত মৰিব লগা হয় কিয়?' গাঁৱৰ কোনোবাই যদি কয়, 'বৃটিছ
দিনেই ভাল আছিল'—তেতিয়া ডিম্ব খুড়াই শুকান ওঁঠৰ মাজেদি বিষণ্ণ হাঁহি এ
ফুটাই কৈছিল, 'তেনেদৰে নকৰা। বিদেশী শাসন কেতিয়াও ভাল হ'ব নোৱাৰে
বিদেশীক খেদাটো অতি ভাল কামেই হৈছিল। কিন্তু বিদেশী যোৱাৰ পিছতে
স্বাধীন হোৱাৰ পিছতো যেতিয়া আমাৰ অবস্থা নেয়াৰ ফালেহে গল—সেয়ে বোধকৰো
আমি আকৌ এখন যুঁজ কৰিবই লাগিব।'

হাঁহচৰালৈ এবাৰ এজন মন্ত্রী আহিছিল। স্বাধীনতা যুঁজাক এজন আছে বুলি
কোৱাত মন্ত্রী মহোদয়ে ডিম্ব খুড়াক মাতি চিনাকি হৈছিল। সুধিছিল, তেওঁ স্বাধীনতা
যুঁজাকৰ পেঞ্চন পাইনে নাপায়। স্বভাবসুলভ হাঁহিটো মাৰি ডিম্ব খুড়াই কৈছিল,
'দেশৰ বাবে কাম কৰিলে আকৌ কিহৰ পেঞ্চন? দেশসেৱা মানেই সমাজ সেৱা।
সমাজ সেৱা মানেই আত্ম সেৱা। আত্ম সেৱা কৰিলে কিহৰ প্রতিদান বিচাৰিব লাগে।'
কুটিল মুখভংগীৰে ডিম্ব খুড়াই আকৌ কৈছিল, 'ছাৰ, এতিয়ালৈ চাগৈ স্বাধীনতা-যুঁজাৰু
বুলি পেঞ্চন বিচৰা বীৰৰ সংখ্যা আঙুলিৰ মূৰত লেখিব নোৱৰা হৈছেগৈ। কি
স্বাধীন হোৱাৰ পিছত আমাৰ নিচিনা বহুত মানুহৰ বুকুৰ কামিহাড় কেইডাল সহজে
লেখি পেলাব পৰা হৈছে।'

সিদিনা হেনো মন্ত্রীয়ে ডিম্ব খুড়াৰ ব্যংগ উক্তিত কিবা চৰকাৰ বিৰোধী গো
পাইছিল। আমাৰ গাঁৱৰ ডেকাখিনিৰ ওপৰত ডিম্ব খুড়াৰ অগাধ বিশ্বাস। গাঁৱৰ ৰক্ষ
শীল দুই এক লোকে ডেকাখিনিৰ কাম-কাজৰ বিৰুদ্ধে মাত মাতিলে ডিম্ব খুড়াই কঠ
গাম্ভীর্য সানি কয়, 'আমি বুঢ়া হৈছোঁ। আমাৰ জীৱনলৈ একো সুখ-সুবিধা নাহিল
ভেকুৰী কাটি চাকা কৰিবলৈ যাওঁতে কোট কোৰা গজিল। সিহঁতে হাতত দা-কুঠাৰ
লৈ কোট কোৰা কাটি ৰাস্তা উলিয়ালে আমিয়ো পিছে পিছে যাব লাগিব। আমা
দেহত দা-কুঠাৰ ধৰাৰো শক্তি নোহোৱা হ'ল।'

ডিম্ব খুড়া জীয়াই আছে। হাজাৰ দুখৰ মাজতো আমাৰ ওঁঠত ক্ষণিক হাঁ
বিৰিঙাবলৈকে যেন সময়ে তেওঁক জীয়াই ৰাখিছে। ডিম্ব খুড়া আৰু বহুদিন জীয়াই
থকা আমি বিচাৰোঁ; কাৰণ তেওঁ আমাৰ বাবে হা-হুতাশৰ মৰুভূমিত আশাৰ নিজৰা
স্থবিৰ সমাজত গতিৰ ইংগিত, বিভেদ বিশৃংখলতাৰ মাজত ঐক্যৰ প্রতীক আৰু অশ্র
নদীৰ পাৱত হাঁহিৰ সঁফুৰা। □□

প্লেটি নিবেদন

'সাম্প্রতিক সাময়িকী'ৰ বহুকেইজন শুভানুধ্যায়ী ব্যক্তিৰ পৰা আমি বিভি
টকা পাব লগা আছে। চিঠি লেখিও সেইসকলৰ পৰা আমি উত্ত
পোৱা নাই। অক্টোবৰ মাহৰ ভিতৰত তেখেতসকলৰ পৰা সহাৰি নাপালে
নবেম্বৰ '৭৮ সংখ্যাত তেখেতসকলৰ নাম প্রকাশ কৰিবলৈ আমি বাধ্য হ'ম।

—ছার্কুলেচন মেনেজাৰ,— সাপ্তাহিক

আন্তর্জাতিক বাজনীতি

দুই বৃহৎ শক্তিৰ ৰণভূমি আফ্রিকা

ভার্গৱ গোস্বামী

মার্কিন সাম্রাজ্যবাদ আৰু ছোভিয়েট সামাজিক সাম্রাজ্যবাদৰ মাজত বিশ্বক পুনৰ ভাগ-বাটোৱাৰা কৰা আৰু প্রভাৱৰ পৰিধি লৈ যি তীব্র প্রতিদ্বন্দ্বিতা চলিছে সি বিশ্ব-পৰিস্থিতি উত্তেজনাপূর্ণ আৰু সংকট ক্রমে ঘনীভূত কৰি তুলিছে। বজাৰ দখল, সম্পদশালী অথচ পশ্চাদপদ দেশসমূহক লুণ্ঠন, মূলধনী পুঁজিৰ শোষণ, ৰণকৌশলৰ দিশৰ পৰা গুৰুত্বপূর্ণ অঞ্চলবোৰক নিজৰ আধিপত্যৰ পৰিসীমাত বন্ধন, প্রতিদ্বন্দ্বী শক্তিক পৰ্য্যদস্ত কৰি নিজা নিজা স্থল ৰক্ষণ আৰু সম্প্রসাৰণ আৰু সেই প্রক্রিয়াত জাতীয় মুক্তি সংগ্রাম আৰু বিপ্লবী শক্তিক প্রতিহত কৰা আদি উদ্দেশ্য এই ক্ষেত্রত ক্রিয়াশীল। সম্প্রতি আফ্রিকা মহাদেশ এই দুই বৃহৎ শক্তিৰ প্রতিদ্বন্দ্বিতা আৰু সাম্রাজ্যবাদী হিংসা আৰু প্রতিক্রিয়াৰ কেন্দ্রভূমি হৈ পৰিছে।

প্রচুৰ প্রাকৃতিক সম্পদেৰে সমৃদ্ধ ৰণকৌশলৰ দিশৰ পৰা গুৰুত্বপূর্ণ (strategic) [illegible] দুৰাৰ স্বৰূপ আফ্রিকা প্রায় চাৰি শতিকাৰ আগৰ পৰাই ইউৰোপীয় শক্তিসমূহৰ [illegible] সম্পদ আহৰণৰ অন্যতম উৎস হৈ আহিছে। পুঁজিবাদৰ উষালগ্নত আফ্রিকা হৈ পৰিছিল 'কলা চামৰা'ৰ ব্যবসায়ৰ প্রধান চিকাৰ-স্থল। উপকূল অঞ্চলত এই শক্তি-সমূহে তেতিয়াৰ পৰাই খোপনি পুতিলেও আৰু বাণিজ্যিক প্রতিদ্বন্দ্বিতা ক্রমে বৃদ্ধি পাই গৈ থাকিলেও আফ্রিকাৰ বাবে আচল খোৱাকামোৰা আৰম্ভ হয় উনৈশ শতিকাৰ শেষ ভাগৰ পৰাহে। উল্লেখ কৰিব পাৰি যে এই কালছোৱাৰ বৈশিষ্ট্যই হ'ল বিশ্বক চূড়ান্তভাবে ভাগ-বাটোৱাৰা কৰা। পুঁজিবাদী দেশসমূহৰ ঔপনিবেশিক নীতিয়ে বিশ্বৰ অনধিকৃত অঞ্চলবোৰ অধিকাৰ কৰাৰ প্রক্রিয়া এই কালছোৱাতে সম্পূর্ণ কৰে। প্রাক-একচেটীয়া পুঁজিবাদে ১৮৬০ৰ পৰা ১৮৭০ ভিতৰত চূড়ান্ত পর্য্যায় পায়গৈ আৰু ইয়াৰ পিচৰ পৰাই ঔপনিবেশিক বিজয় অভিযান তীব্র গতিত চলে, বিশ্বক ভাগ-বাটোৱাৰা কৰাৰ যুঁজ তীব্র হৈ পৰে।

বৃটেইন, ফ্রান্স, পর্টুগাল, জার্মানীকে ধৰি ইউৰোপীয় শক্তিসমূহে নিজৰ নিজৰ শক্তি অনুপাতে আফ্রিকাৰ অঞ্চলবোৰ দখললৈ আনে। ফ্রান্স আৰু পর্তুগালৰ লগত বেলজিয়াম নিয়ন্ত্রিত কংগো আন্তৰাষ্ট্রীয় সত্তাৰ লগত অঞ্চল দখল লৈ বিবাদৰ সূত্রপাত হয় আৰু ১৮৮৪-৮৫ চনত বার্লিন আফ্রিকা সম্মিলন অনুষ্ঠিত হব লগা হয়। ইয়াৰ

OKBCD

ফলশ্রুতিত প্রণয়ন কৰা হয় বার্লিন আইন— য'ত স্বাক্ষৰ কৰে আটাইকেইটা প্রধান ইউৰোপীয় শক্তিয়ে। এই আইনত ব্যবহাৰ কৰা 'ভদ্ৰ' ভাষা আটাইবোৰ ঔপনিবেশিক শক্তিয়েই সাধাৰণতে প্রয়োগ কৰে। বাণিজ্য আৰু সভ্যতা বৃদ্ধি কৰা, স্থানীয় জনসাধাৰণৰ নৈতিক আৰু বৈষয়িক কল্যান সাধন কৰা।' ১৯১০ চনৰ ভিতৰত আফ্রিকাৰ ভগাই লোৱাৰ প্রক্রিয়া সম্পূর্ণ হয়। পর্তুগাল, ইংলেণ্ড, ফ্রান্স, হলেণ্ড, জার্মানী, ইটালি, বেলজিয়াম আদি দেশে কম বেছি পৰিমানে আফ্রিকাৰ অঞ্চলবোৰ নিজ শাসন-শোষণৰ অধীনলৈ আনে। ইংলেণ্ড আৰু ফ্রান্সেই সিংহ ভাগ গ্রাস কৰে। প্রথম বিশ্বযুদ্ধত জার্মানীয়ে নিজৰ উপনিবেশ হেৰুৱায় আৰু সেইবোৰ বৃটেইন, ফ্রান্স, বেলজিয়াম আৰু দক্ষিণ আফ্রিকাৰ কর্তৃত্বলৈ (mandate) আহে।

কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পৰাই সাম্রাজ্যবাদী শাসন-শোষণৰ বিৰুদ্ধে জাতীয় মুক্তি সংগ্রাম তীব্র হৈ পৰিবলৈ ধৰে। প্রথম বিশ্বযুদ্ধৰ পিছৰ অক্টোবৰ বিপ্লব আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পিছত চীন বিপ্লবে জাতীয় মুক্তি সংগ্রামত তেজাল উদ্দীপনা আগবঢ়ায়। সাম্রাজ্যবাদ বিৰোধী সংগ্রাম দ্রুত আৰু সম্প্রসাৰিত হৈ পৰে। এই কালছোৱাতে কমিউনিজমৰ প্রসাৰণ ৰোধ কৰাৰ নতুন সাম্রাজ্যবাদী কৌশলেও ৰূপ পায় আৰু পৰোক্ষভাবে শাসণ-শোষণ বৰ্তাই ৰখাৰ কৌশলৰ প্রধান অংশ হিচাপে এচিয়া আফ্রিকাৰ বহু দেশক 'শান্তিৰ বাতাবৰণেৰে' স্বাধীনতা 'দান' কৰা হয়। ১৯৫০ৰ দশকৰ শেষ ভাগৰ পৰাই আফ্রিকাৰ দেশবোৰে স্বাধীনতা লাভ কৰে আৰু ১৯৬০ৰ দশকত সৰ্বোচ্চ সংখ্যক দেশ স্বাধীন হয় আৰু সেইবোৰেই ১৯৬০ক আফ্রিকাৰ বছৰ বুলি আখ্যায়িত কৰা হয়। আফ্রিকাত প্রথম উপনিবেশ পতা পর্তুগালে একেবাৰে শেষত ১৯৭৫ চনত উপনিবেশ ত্যাগ কৰে। কিন্তু তৎসত্বেও নতুন কৌশলৰ অর্থাৎ নব্য ঔপনিবেশিক জালৰ পৰা প্রায়বোৰ দেশ মুক্ত হোৱা নাই।

মার্কিন যুক্তৰাজ্যৰ আফ্রিকা-অভিযান ইউৰোপীয় শক্তিসমূহৰ বহু পিছত। কিন্তু পাৰি প্রধান সাম্রাজ্যবাদী দেশ কেইখনৰ যুদ্ধ-বিধ্বস্ত অবস্থানৰ সুযোগত আৰু বিশ্বক ৰক্ষা কৰাৰ নেতৃত্বৰ দায়িত্বত আফ্রিকাত মার্কিন যুক্তৰাজ্য লিপ্ত হৈ পৰে। অবশ্যে এই শতিৰ্কাৰ আৰম্ভণিতে কংগো, লাইবেৰিয়া, ইথিঅ'পিয়া, দক্ষিণ আফ্রিকা আৰু ৰোডেছিয়াত সামান্যভাবে মার্কিন পুঁজিয়ে প্রবেশ কৰে। লাইবেৰিয়াত সস্তা শ্রম খটুৱাই, প্রায় দাস-শ্রমৰ যোগেদি মার্কিন একচেতীয়া ব্যবসায়ে ৰবৰ বাগিছাৰ অর্থনীতি বিস্তৃত ভাবে গঢ়ি তোলে আৰু দ্বিতীয় বিশ্বযুদ্ধৰ ভিতৰত এই দেশখনক পশ্চিম আফ্রিকাৰ গুৰুত্বপূর্ণ নৌ ঘাটি হিচাপে গঢ়ি তোলে। দ্বিতীয় বিশ্বযুদ্ধৰ কালত উত্তৰ আফ্রিকাত আধিপত্য স্থাপন কৰে আৰু তাৰ পিচৰ সময়ৰ পৰা লেনদেন বৃদ্ধি পায়। কিন্তু সামগ্রিকভাবে আফ্রিকাৰ লগত তেতিয়াও মার্কিন অর্থনীতি সামান্য ভাবেহে জড়িত আছিল। সেই পর্যন্ত বিদেশত খটুৱা মার্কিন ব্যক্তিগত পুঁজিৰ ২ শতাংশ আৰু সমগ্র ব্যবসায় বাণিজ্যৰ ৫ শতাংশহে আফ্রিকাৰ লগত, তাকো লাইবেৰিয়া আৰু দক্ষিণ আফ্রিকাৰ মাজতে প্রায় সীমায়িত আছিল। কিন্তু সেয়ে হলেও সামগ্রিক ভাবে সাম্রাজ্যবাদী স্বার্থৰক্ষাৰ বিশ্বজোৱা কৌশলৰ পৰা আফ্রিকাক বাদ দি যোৱা হোৱা নাছিল। উত্তৰ আফ্রিকা আৰু ভূমধ্যসাগৰ অঞ্চলত সমৰবাহিনী সম্প্রসাৰিত

কৰা আৰু তাৰ যোগেদি 'নাটো' গোষ্ঠীৰ অঞ্চলবোৰ, নিকট প্রাচ্যৰ তৈলক্ষেত্র আৰু সংযোগ পথ নিৰাপদভাবে আগুৰি ৰখা আৰু সেই উদ্দেশ্যে বিশেষ সামৰিক আৰু ৰাজনৈতিক স্বার্থ দৃঢ়বদ্ধ কৰা আদি উদ্দেশ্য ক্রিয়াশীল আছিল।

আফ্রিকাত সশস্ত্র জাতীয় মুক্তি সংগ্রাম জোৰদাৰ হৈ পৰাৰ কালত ঔপনিবেশিক শক্তিসমূহক মার্কিন যুক্তৰাজ্যই সাম্রাজ্য ৰক্ষা কৰাত সহায় কৰিছিল আৰু তাৰ যোগেদি নিজৰ স্বার্থ সংবর্দ্ধন কৰাৰ সুযোগ উলিয়াইছিল। মিছৰ, কেনিয়া, আলজিৰিয়া, মাদাগাস্কাৰ আদি বিভিন্ন আফ্রিকীয় দেশৰ সাম্রাজ্যবাদ বিৰোধী সংগ্রাম ৰবদাস্ত কৰিবলৈ 'নাটো' মিত্র পক্ষক অর্থনৈতিক আৰু সামৰিক অস্ত্র-শস্ত্র আদিৰ যোগান ধৰিছিল। মার্কিন সাহার্য অবিহনে ফ্রান্সে আলজিৰিয়াত চাৰে সাত বছৰ মুক্তি সংগ্রামৰ বিৰুদ্ধে তিষ্ঠি থাকিব নোৱাৰিলেহেঁতেন। কিন্তু মুক্তি সংগ্রাম যিমানেই দ্রুত আৰু সশস্ত্র হবলৈ ধৰিলে যিমানেই বিশ্ব পৰিস্থিতিৰ ভাৰসাম্যও সাম্রাজ্যবাদৰ বিৰুদ্ধে নির্দ্দিষ্ট হবলৈ আৰম্ভ কৰিলে। ১৯৫৬ চনত মার্কিন ছিনেটৰ এক অধ্যয়নত কোৱা হৈছিল : আন ঠাইৰ দৰে আফ্রিকাতো ঔপনিবেশিক ৰাজত্বৰ দিন উকলিল। মুক্তি সংগ্রামৰ ক্ষেত্রত শত্রুতামূলক সংঘর্ষৰ পৰা বিৰত থকাই শ্রেয়ঃ, স্বয়ং শাসনলৈ (self government) উত্তৰণ যিমানেই শান্তিপূর্ণ হয়, পশ্চিমৰ প্রতি থকা বর্তমানৰ প্রবণতা বজাই ৰখাৰ সম্ভাবনাও সিমানেই বিদ্যমান।

নতুনকৈ স্বাধীনতা প্রাপ্ত দেশসমূহত ঔপনিবেশিক শাসন নাথাকিলেও ইউৰোপীয় সাম্রাজ্যবাদী দেশসমূহৰ মূলধনী পুঁজিৰ, অসম বাণিজ্যৰ শোষণ প্রায় একেই থাকিল। ক্রমে মার্কিন যুক্তৰাজ্য আফ্রিকা পৰিক্রমাত গভীৰভাবে লিপ্ত হ'ল। বিভিন্ন ঠাইত সামৰিক ঘাটি, মূলধনী পুঁজি, সাহায্য আদিৰ মাৰফৎ নব্য-ঔপনিবেশিক শোষণৰ বিচিত্র প্রতিক্রিয়াই গুৰুত্ব লাভ কৰিলে। সামগ্রিকভাবে বিশ্ব পৰিস্থিতিৰ পৰিপেক্ষিতত মার্কিন যুক্তৰাজ্যই মুক্ত বিশ্বৰ পৰিসীমা ৰক্ষা আৰু সম্প্রসাৰিত কৰাৰ নেতৃত্বলৈ আফ্রিকাত সামৰিক, অর্থনৈতিক আৰু ৰাজনৈতিক জাল বিস্তৃত কৰিলে। মাটিৰ তলৰ বিচিত্র সম্পদ, সস্তা শ্রম আৰু গুৰুত্বপূর্ণ অবস্থান—এই সকলোবোৰ কাৰণত আফ্রিকাহে পৰিল সাম্রাজ্যবাদৰ শোষণ আৰু হিংসা আৰু প্রতিক্রিয়াৰ বিচৰণ ভূমি। মূলধনী পুঁজিৰ ক্ষেত্রতো ইংলেণ্ড, ফ্রান্স আদি দেশ পিচ পৰি গ'ল। ১৯৬৩ চনত আফ্রিকাত বিদেশী পুঁজিৰ পৰিমাণ আছিল প্রায় ২০ বিলিয়ন ডলাৰ, তাৰ ভিতৰত বৃটেইনৰ ৭·৫ বিলিয়ন, ফ্রান্সৰ ৬ বিলিয়ন আৰু মার্কিন যুক্তৰাজ্যৰ আছিল মাত্র ৩ বিলিয়ন ডলাৰ। কিন্তু তাৰপিচত মার্কিন পৃষ্ঠপোষিত বিভিন্ন আন্তৰাষ্ট্রীয় বিত্তদানকাৰী প্রতিষ্ঠানৰ পুঁজিকে ধৰি মার্কিন পুঁজিয়ে প্রথম স্থান অধিকাৰ কৰে। ১৯৫৭ চনত বিদেশত খটুৱা মার্কিন ব্যক্তিগত মূলধনী পুঁজিৰ মাত্র ২ শতাংশহে আফ্রিকাত বিনিয়োগ কৰা হৈছিল, কিন্তু ১৯৬৭ চনত তাৰ পৰিমাণ হয়গৈ ৩·৮ শতাংশ, ১৯৭০ চনৰ ভিতৰত হয়গৈ ৪·৪ শতাংশ। খনিজাত সম্পদেৰে সমৃদ্ধ অঞ্চলবোৰতহে গুৰুত্ব দিয়া হয়। এইক্ষেত্রত বিশেষ উল্লেখযোগ্য হ'ল দক্ষিণ আফ্রিকা, জায়েৰ, নামিবিয়া, জাম্বিয়া, ৰোডেছিয়া-কাৰণ আফ্রিকাৰ তিনি-চতুর্থাংশ খনিজাত সম্পদ এই কেইটা অঞ্চলতে সীমাবদ্ধ আছিল। প্রায় ৫০০ টা মার্কিন কোম্পানীয়ে আফ্রিকাল

কাছিংগা (cassinga) খনিৰ পৰা বছৰি ৮ লাখ টন লোৰ আকৰ (iron ৰপ্তানি কৰা হয়। ইয়াৰ ভিতৰত কাছিংগা খনিত উন্নত মানৰ ১ হাজাৰ টন লোৰ আকৰ জমা আছে বুলি সন্ধান পোৱা হয়। ১৯৭১ চনত মেংগানিজ ৰপ্তানি কৰা হয় ২০ হাজাৰ টন।

আনহাতে তেল সম্পদো প্ৰচুৰ। কাবিন্দাতে (cabinda) আটাইতকৈ তেলৰ পুং আছে। সৰ্বমুঠ অন্ততঃ ২০০ নিযুত টন তেলৰ ভাণ্ডাৰ আছে নিৰ্দ্ধাৰণ কৰা হয়। দিনে ১৭০ হেজাৰ বেৰেল তেল উৎপাদন কৰা হয় আৰু লগত জড়িত আছিল বেলজিয়াম আৰু মাৰ্কিন যুক্তৰাজ্যৰ বৃহৎ কোম্পানী— টেক্সাক' মবিল। আনহাতে কফি, চেনি আৰু ছিছল উৎপাদন নিয়ন্ত্ৰণ কৰিছিল ইউৰে পুঁজিয়ে। জলবিদ্যুৎ উৎপাদনৰ নিহিত সম্ভাবনাও প্ৰচুৰ। দক্ষিণ আফ্ৰিকা জায়েৰৰ স্বাৰ্থও ইয়াত জড়িত আছিল। কিন্তু এনে প্ৰচুৰ সম্পদ সত্বেও এংগে সমৃদ্ধ কৰাৰ কোনো উদ্যোগ নাছিল। মাত্ৰ লুণ্ঠনৰ মৃগয়া ক্ষেত্ৰহে কৰি ৰখা হৈ

মাৰ্কিন যুক্তৰাজ্যই পশ্চিম প্ৰশান্ত মহাসাগৰৰ পৰা দক্ষিণ এছিয়া, উপসাগৰ আৰু দক্ষিণ আটলাণ্টিক পৰ্যন্ত এক বিস্তৃত অঞ্চলত নৌ আৰু শক্তিৰ বৃদ্ধিৰ ব্যবস্থা লৈ আহিছে। পাৰস্য উপসাগৰ আৰু ভাৰত মহাসাগৰ গুৰুত্বপূৰ্ণ; কিয়নো পুঁজিবাদী দেশৰ প্ৰায় ৬০ শতাংশ তেলৰ ভাণ্ডাৰ এই আছে। তাৰ পৰা ইউৰোপ, জাপান আৰু মাৰ্কিন যুক্তৰাজ্যলৈ তেল যায়। প্ৰা তেলবাহী আধুনিক টেংকাৰ ছুয়েজ খালেদি যাব নোৱৰা হেতু ভাৰত মহাস যাব লগা হয়। দক্ষিণ পূব এছিয়াৰ পৰা মাৰ্কিন যুক্তৰাজ্যলৈ ৮০ শতাংশ ৰবৰ আৰু টিন যোগান ধৰা হয় আৰু সেইবোৰ মালাক্কা প্ৰণালী আৰু মহাসাগৰ পাৰ হৈ যাব লাগে। ভাৰত মহাসাগৰ অঞ্চলৰ ডাইগো গাৰ্চিয়াৰ লগত সংযুক্ত আছে প্ৰশান্ত মহাসাগৰ অঞ্চলৰ এলানি ঘাটি আৰু তাৰপৰা আফ্ৰিকা পৰ্যন্ত মিত্ৰ পক্ষৰ ঘাটি আছে। তদুপৰি ডাইগো গাৰ্চিয়াৰ পৰা পূব উপকূল পৰ্যন্ত বৃটেইন আৰু ফ্ৰান্সৰ ঘাটি আছে। দক্ষিণ আফ্ৰিকাৰ নিয়ন্ত্ৰণত ভাৰত মহাসাগৰলৈ দুৱাৰ স্বৰূপ গুৰুত্বপূৰ্ণ সাগৰীয় পথ কেপ কৰ্ট। এই ৰুট হৈয়ে ইউৰোপৰ ৮০ শতাংশ পেটলিয়াম নিয়া হয়।

তদুপৰি মাৰ্কিন যুক্তৰাজ্য আৰু পশ্চিম ইউৰোপীয় শক্তিসমূহৰ বিস্তৃত জড়িত থকা দক্ষিণ আফ্ৰিকা আৰু জায়েৰৰ লগত এংগোলাৰ সুদীৰ্ঘ সীমান্ত গতিকে এংগোলাত ছোভিয়েটৰ অবস্থানে দক্ষিণ আফ্ৰিকা, নামিবিয়া, ৰোডেছিয়া, আদিৰ স্থিতাবস্থা সেই দেশৰ অনুকূলে সলনি কৰিব বুলি কৰা আশংকা স্বাভা এনে সামগ্ৰিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুক্তিসংগ্ৰাম চলি থকা, সংখ্যালঘু শাসিত দক্ষিণ আফ্ৰিকা, নামিবিয়া আৰু ৰোডেছিয়াত শান্তিৰ বাতাবৰণৰ সংখ্যাগৰিষ্ঠ কৃষ্ণাংগৰ হাতলৈ ক্ষমতা হস্তান্তৰৰ বাবে বিশেষভাবে মাৰ্কিন যুক্ত 'উদ্বিগ্নতা' মনকৰিবলগীয়া। চূড়ান্ত বিচাৰত মাৰ্কিন যুক্তৰাজ্য আৰু ছো এটা বিষয়ত চলোৱা প্ৰচেষ্টাৰ উদ্দেশ্য একেই— মুক্তি সংগ্ৰাম ব্যৰ্থ কৰা। দিশত প্ৰয়োগ কৰা কৌশলৰহে তাৰতম্য বৰ্তমান। ++

সাময়িক প্ৰসংগ

বাজপেয়ীৰ আগন্তুক চীন ভ্ৰমণৰ প্ৰসংগত

সুদীৰ্ঘ পোন্ধৰ বছৰৰ মুৰত পুনৰ ৰাষ্ট্ৰদূত নিযুক্ত কৰাৰ দুবছৰৰ ভিতৰত ৰতৰ বৈদেশিক মন্ত্ৰীয়ে চীন ভ্ৰমণ কৰিব— এইটো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত সন্দেহ ই। জনতা চৰকাৰে এই সিদ্ধান্ত লৈ চীনৰ লগত সম্পৰ্ক স্বাভাবিক কৰাৰ গ্ৰহ প্ৰকাশ কৰিছেনে বৰ্তমানৰ আন্তৰাষ্ট্ৰীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আগৰ স্থান সাল সলনি কৰিবলৈ বাধ্য হৈছে সেই বিষয়ে অনুমান কৰিবহে পাৰি। শ্চিত সিদ্ধান্তত উপনীত হব নোৱাৰি। আগতীয়া সিদ্ধান্ত সকলো ক্ষেত্ৰতে ভিযোগ্য নহয়। সেয়ে হলেও বৈদেশিক নীতি যিহেতু গৃহনীতিৰ পৰা বিচ্ছিন্ন নহয়— তিকে সাধাৰণভাবে এই বিষয়ে ৰূপৰেখা এদাল আঁকি চাব পাৰি নিশ্চয়।

চীনৰ লগত সম্পৰ্ক স্বাভাবিক কৰাৰ প্ৰশ্নত জনতা চৰকাৰৰ নেতৃবৃন্দ, বুদ্ধি- ী, ৰাজনীতিক ব্যক্তি আৰু সংবাদপত্ৰ আদিয়ে যথেষ্ট প্ৰগলভতাৰে ভিন ভিন ৰে মত-অমত প্ৰকাশ কৰি আহিছে। আনহাতে বিশেষকৈ জনতা চৰকাৰৰ াবা এই দুয়ো দেশৰ মাজত কম পৰিমাণে হলেও বেপাৰ-বাণিজ্য চলিবলৈ ছে, বাণিজ্য প্ৰতিনিধিদল, বেচৰকাৰী মৈত্ৰীদল, সংবাদসেৱা আৰু সংস্কৃতিসেৱা দিব আহ-যাহ চলিছে আৰু সম্ভাবৰ পৰিবেশ এটা গঢ়ি উঠাৰ অনুকূল লক্ষণ লক্ষিত হৈছে। কিন্তু সেয়ে হলেও খন্তীয়া-খুচুৰীয়াকৈ কিছু কিছু মহলত ন-বিৰোধিতাৰ উমাত্ততাত পুনৰ লাগনি খৰি জাপি দিয়াৰ অভিলাস প্ৰকাশ োহোৱাকৈ থকা নাই। বেচৰকাৰী প্ৰতিনিধিদলৰ আহ-যাহ দেখি অতিশয় শংকিত ন জাতীয় সংবাদ-পত্ৰইতো এনে আহ-যাহৰ মাজত চীনৰ চক্ৰান্তকে দেখা ছে: সীমান্ত বিবাদ মীমাংসা নোহোৱা পৰ্যন্ত চীনৰ লগত প্ৰকৃত বন্ধুত্বপূৰ্ণ ৰ্ক গঢ়ি নুঠিব বুলি দঢ়াই দঢ়াই কৈ থকা প্ৰধানমন্ত্ৰীয়ে ৰাজহুৱা মতৰ হেঁচাত ত শেষত সেই অবস্থান বৰ্তাই ৰাখিব নোৱাৰেগৈ তাৰ বাবেই চীনে বোলে ভাৰতৰ হুৱা মত হাত কৰিবৰ বাবে পৰিকল্পিতভাবে এনে কাৰচাজি কৰিছে! কিন্তু ানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰীয়ে সংসদৰ ভিতৰে বাহিৰে, ৰাছিংটন আৰু মস্কো পৰ্যন্ত ান্ত বিবাদ সম্পৰ্কে দঢ়াই দঢ়াই যি নীতিকথা কৈ আছে তাৰ পৰা চীনৰ এনে ন্তত' ভীত হোৱাৰ কাৰণ নাই।

য়িকী

চীন-ভাৰত সম্পৰ্কৰ এই শেহতীয়া পৰিস্থিতিৰ সংক্ৰান্তত স্বাভাবিকতে ভাৰ
শাস্ক শ্ৰেণীৰ আভ্যন্তৰীণ অবস্থা আৰু সামগ্ৰিকভাবে বিশ্বত, বিশেষভাৱে দ
এছিয়াত দুই বৃহৎ শক্তিৰ প্ৰতিদ্বন্দ্বিতাৰ কথা উল্লেখযোগ্য। ছোভিয়েট কছি
যে ভাৰতক প্ৰকাৰান্তৰে চীন-বিৰোধিতাৰ পুৰণি উন্মত্ততাকে সাবটি থাকিবলৈ সহি
আছে সেই বিষয়ে সন্দেহৰ অবকাশ নাই। চীনৰ নতুন নীতিত (ছোভিয়েটৰ ক
ছোভিয়েট যে খৰ্গহস্ত সেইবিষয়ে ভাৰত চৰকাৰো আবিদিত নহয়। এই ব
মাৰ্চ মাহতে নেপালত ছোভিয়েট ৰাষ্ট্ৰদূতে ভাৰতলৈ চীনৰ শুভেচ্ছামূলক
নিৰিদল অহাৰ সন্দৰ্ভত অতিশয় কষ্ট হৈ ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ কথাও সো
দিবলৈ দ্বিধাবোধ কৰা নাছিল আৰু তেনে ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিৰুদ্ধে যে
বেছি দিন ক্ষমতাত থাকিব নোৱাৰিব বুলিও আওপকীয়াকৈ এই অঞ্চলটোৰ
গোষ্ঠীক চীনৰ লগত সম্পৰ্ক স্বাভাৰিক কৰাৰ 'বিপদৰ' বিষয়ে টাঙনি দিছি
আনহাতে চীন-জাপান চুক্তিৰ পৰা এই পৰ্যন্ত চীনৰ নেতৃবৃন্দই যতেই ছোভিয়
আধিপত্য বিস্তাৰৰ (Hegemonism) কৌশল-ছতুৰালিৰ কথা ব্যক্ত কৰিছে- ত
সংশ্লিষ্ট দেশ এই বৃহৎশক্তিৰ লম্ফজম্ফৰ সম্মুখীন হৈছে। উল্লেখ কৰিব পাৰি
ভাৰত-ছোভিয়েট মৈত্ৰী চুক্তিৰ এঠাইত আছে: এই চুক্তিটোৰ লগত খাপ নোৱে
এখন বা একাধিক দেশৰ ক্ষেত্ৰত গোপন কিম্বা খোলাখুলি কোনো চুক্তি (co
mitment) ভাৰতে কৰিব নোৱাৰিব। মুঠকথাত ভাৰত-চীন বন্ধুত্বপূৰ্ণ স
ছোভিয়েটৰ বাবে 'উপাদেয়' নহয় এই কথাত ধনিষ্ঠ মানো সন্দেহ নাই।

ভাৰত চৰকাৰটোৰ বিষয়ে কব পাৰি মাৰ্কিন ছোভিয়েটৰ আধিপত্যৰ দ
উঠা নমা কৰাৰ লগত বৈদেশিক পৰিক্ৰমাৰ নীতিকথা জড়িত হৈ আছে। তাৰ ল
শাসক শ্ৰেণীৰ দৰদাম কৰাৰ ক্ষমতাকণ (bargaining power) যোগ কৰি
লাগিব অবশ্যে। সৰলীকৰণৰ দোষ থাকিলেও, সেই হিচাপত দেখা
মোৱাৰজীহঁতৰ মাজত থকা আগৰ কালৰ প্ৰতিক্ৰিয়াশীলতাৰ ছাব-মোহৰ
ছোভিয়েটে মোহাৰি লৈ নতুন ৰং সনাৰ উদ্যোগ ললেও মাৰ্কিন যুক্তৰাজ্যৰহে আছা
দিন, ছোভিয়েটৰ মুঠিৰ জোৰ কিছু কমিছে বুলি অনুমান কৰিব পাৰি।
হিচাপতে, চীনৰ লগত ভাৰতৰ কিছু সদ্ভাব হোৱাৰ সম্ভাবনা নথকা নহয়
লক্ষণ ইতিমধ্যে পোৱা গৈছে। সন্দেহ নাই চূড়ান্ত অৰ্থত মাৰ্কিন যুক্তৰাজ্যও ভা
আৰু চীনৰ মাজত সম্পৰ্ক একান্ত বন্ধুত্বপূৰ্ণ হোৱাৰ পক্ষপাতী নহয়।

আফগানিস্থান, আফ্ৰিকা আদিয়ে মাৰ্কিন ছোভিয়েট প্ৰতিদ্বন্দ্বিতাৰ ৰূপ চ
আঙুলি কটিয়াই দেখুৱাই দিছে। এই বৃহৎ শক্তিৰ মাজৰ দ্বন্দ্ব চীনে ব্যবহাৰ কৰি
চীনৰ মতে মাৰ্কিন যুক্তৰাজ্য আৰু ছোভিয়েট কছিয়া জঘন্য আন্তৰাষ্ট্ৰীয় শোষক,
জনগণৰ উমৈহতীয়া শত্ৰু। ইয়াৰ ভিতৰত ছোভিয়েট বেছি জঘন্য, বেছি ভ
আৰু বেছি বিপদজনক হৈ পৰিছে। (অবশ্যে প্ৰতিখন দেশৰ জনগণে নিজৰ দে
বিশেষ ৰাস্তব অবস্থাৰ পৰিপেক্ষিতত নিৰ্ণয় কৰিব এই দুই বৃহৎ শক্তি কিম্বা সাম্ৰা
বাদী শক্তিৰ কোনটো তেওঁলোকৰ বাবে পোনে পোনে অধিক বিপদজনক) গঠি
ইয়াৰ বিৰুদ্ধে বিশ্বৰ একগোট কৰিব পৰা সকলক একগোট কৰিব লাগিব এই

বৃহৎ শক্তিৰ মাজৰ সৰু সুৰা দ্বন্দ্বকণো আনকি ব্যবহাৰ কৰিব পাৰিব লাগিব। এই পৰিপ্ৰেক্ষিতত বিশেষকৈ তৃতীয় বিশ্বৰ দেশবোৰৰ লগত চীনৰ সম্পৰ্কৰ প্ৰশ্নটো বিচাৰ কৰিলে বহুকথা পৰিষ্কাৰ হৈ পৰে।

মুঠকথাত ভাৰত আৰু চীন এছিয়াৰ এই দুখন ডাঙৰ দেশৰ মাজত সত্তাৰ আৰু স্বাভাবিক সম্পৰ্ক গঢ়ি উঠা বাঞ্ছনীয়। সীমা বিবাদৰ প্ৰশ্নটো আলাপ-আলোচনাৰ মাজেদি সমাধান কৰিব পাৰি। চীনে বাৰম্বাৰ এই কথা কৈ আহিছে। ভাৰত চৰকাৰে আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ স্বাৰ্থসিদ্ধিৰ মেৰপাকত চীনক অৰি হিচাপে গণ্য কৰি অতদিন মুজুৰা মাৰি থাকিবলৈ বাধ্য হেছিল আৰু চীনক ঘেৰি এখন বিৰাট দেৱাল গঢ়াৰ অভিসন্ধিত হাত মিলাইছিল। বৰ্তমানে আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ মেৰপাকতে চীনৰ লগত কিছু সম্ভাব, গঢ়ি তুলিবলৈ জনতা চৰকাৰে কুৰুংকাৰাং কৰিছে তৎসত্বেও এনে মাধ্যমেদি দুই দেশৰ জনগণৰ মাজত বন্ধুত্ব আৰু সহৃদয়তা শক্তিশালী হব সেই কথাত সন্দেহ নাই। ভাৰত আৰু চীনৰ জনগণৰ স্বাৰ্থ একেদাল সুতাতে বন্ধা। ++

—বিশেষ প্ৰতিনিধি

সংবাদ

প্ৰগতিশীল ইন্দিৰা মাইজী !!

শ্ৰীজ্যোতিময় বসুৰ এক প্ৰশ্নোত্তৰত যোৱা ১৪ জুনত সংসদত কেন্দ্ৰীয় আইন আৰু কোম্পানী দপ্তৰৰ মন্ত্ৰীয়ে জনায় যে, ইন্দিৰা গান্ধীৰ পৰিয়ালৰ খেয়াৰ আছে ইউনিয়নৰ কাৰ্বাইডৰ দৰে বহুজাতিক নিগমত, দেশীয় একচেতীয়া পুঁজিৰ প্ৰতিষ্ঠান টাটা আয়ৰন ষ্টিল ইণ্ডাষ্ট্ৰিত। শ্ৰীমতী ইন্দিৰা গান্ধীৰ নামত টাটা আয়ৰন, বাজাজ ইলেকট্ৰিকেলছ, টাটা হাইড্ৰো-ইলেকট্ৰিকেলছ ছাপ্পাই, ফিলিপছ্ ইণ্ডিয়া আৰু ৰেষ্টাৰ্ণ ইণ্ডিয়া টানাৰিজত মুঠ ১১৬৫ টা ইকুইটি খেয়াৰ আছে। 'যুব সূৰ্য' শ্ৰীসঞ্জয় গান্ধীৰ নামত ইউনিয়ন কাৰাইড, ফিলিপছ্, বাজাজ ইলেকট্ৰিকেলছ্, টাটা হাইড্ৰো-ইলেকট্ৰিকেলছ আৰু মাৰুতি আদি মুঠ ১১ টা শিল্প প্ৰতিষ্ঠানত ১৮, ৪৩৪ টা খেয়াৰ আছে।

ইয়াৰ বাহিৰেও ৰাজীব গান্ধী আৰু চোনীয়া গান্ধীৰ নামত ৪ ঠাইত ৪৪১৬ টা খেয়াৰ আছে। এই সকলো কোটি কোটি মুনাফা লুটাৰ কোম্পানীসমূহত ইন্দিৰা পৰিয়ালৰ মুঠ ২৪১১৫ টা খেয়াৰ আছে।

এই কোম্পানীসমূহে ড্ৰাফ্ট ইত্যাদিৰ মাধ্যমত ষ্টেট বেংক অব ইণ্ডিয়া; এল. আই. চি; আই. ডি. বি. আই. আদিৰ দৰে প্ৰতিষ্ঠানৰ পৰা লক্ষ লক্ষ টকাৰ ঋণ লৈ পৰিশোধ কৰাৰ নাম নলয়।

ইয়াৰ পিছতো শ্ৰীমতী ইন্দিৰা গান্ধীয়ে কব যে, তেওঁ বহুজাতিক নিগম আৰু দেশীয় একচেতীয়া পুঁজিৰ বিৰুদ্ধে যুজিছে !! (সূত্ৰ: অনীক আগষ্ট ১৯৭৮)

প্রশ্নোত্তৰ কলম

ডঃ হীৰেণ গোহাঁই

[কোনো কোনো আলোচনীত দেখা যায় বিভিন্ন পাঠক-পাঠিকাৰ বেমাৰ, আজাৰৰ বিষয়ে প্রশ্নোত্তৰৰ জৰীয়তে ডাক্তৰে পৰামর্শ আগবঢ়াইছে। কেতিয়াবা আকৌ চিত্রতাৰকাসকলৰ জীৱন সম্পর্কে কোনো সাংবাদিকে প্রশ্নোত্তৰৰ মাধ্যমেৰে বহুতৰে কৌতুহল চৰিতার্থ কৰিছে। এই দুইধৰণৰ প্রশ্নোত্তৰতে প্রশ্নকর্তা অজ্ঞ আৰু অসহায়, উত্তৰদিওঁতা প্রায় সৰবজানৰ শাৰীৰ।

মোৰ 'প্রশ্নোত্তৰ কলম'ত তেনে মনোভাব লবৰ উপায় নাই। সকলো প্রশ্নৰ উত্তৰ মই নাজানো। শুদ্ধ বুলি ভবা উত্তৰটোও ভুল প্রমাণিত হব পাৰে। সামাজিক আৰু ৰাজনৈতিক ঘটনাৱলীৰ যথাযোগ্য বিশ্লেষণ সহজ কাম নহয়।

কিন্তু এই শিতানৰ জৰীয়তে পাঠকসকলে এটা অভাব পূৰণ কৰিব পাৰে। ভাৰতৰ আন ঠাইত কি হৈছে নাজানো—কিন্তু অসমৰ বাস্তবিকাকতৰ জগতত ইমার্জেন্সিৰ ৰাহুগ্রাস এতিয়াও শেষ হোৱাই নাই যেন লাগে। বহুবিষয়ৰ খা-খবৰ প্রকাশ নহয়, আনকি চিঠিও প্রকাশ কৰা নহয়। মুক্ত আলোচনাৰ বাবে এনে পৰিবেশ শুভ নহয়। 'সাম্প্রতিক সাময়িক'ৰ এই শিতানৰ জৰীয়তে পাঠকসকলে মুক্ত আলোচনাৰ এফেৰি সুযোগ পাব পাৰে। —হীৰেণ গোহাঁই]

ৰঞ্জন শর্মা, ভজো, শিৰসাগৰ জিলা

আদর্শৰে পেট ভৰে নে নভৰে?

* পেট নভৰিব পাৰে, কিন্তু প্রাণ ভৰে।

অৰণি বৰুৱা, জু বোড, গুৱাহাটী-২৪

মাতৃ মুক্তি বাহিনী আৰু অসম জাতীয়তাবাদী পার্টি দুটাৰ উদ্দেশ্য কি বুলি আপুনি ভাবে? এই পার্টি দুটাৰ পৰা অসমীয়া জনসাধাৰণে কিবা আশা কৰিব পাৰেনেকি?

* মাতৃ মুক্তি বাহিনীৰ কার্যসূচী জনা নাযায়। কার্যকলাপো বিশেষ চকুত পৰা নাই। অসম জাতীয়তাবাদী দলে আঞ্চলিক দল গঠন কৰি থলুৱা অসমীয়াৰ স্বার্থ ৰক্ষা কৰিব খোজে। কার্যক্ষেত্রত অসমীয়া মধ্যবিত্তৰ স্বার্থক তেওঁলোকে প্রাধান্য দিছে। অসমীয়া মাটিগিৰি, সৰু ব্যবসায়ী, চাকৰিয়াল, বুদ্ধিজীৱীৰ আর্থিক

অবনতি যাতে নঘটে, সেয়ে তেওঁলোকক কার্যকলাপৰ আশু লক্ষ্য যেন লাগে। কোনো দীর্ঘকালীন অর্থনৈতিক বিশ্লেষণ আৰু তাৰ ভিত্তিত সংগ্রামৰ ৰণনীতি তেওঁলোকৰ নাই। জনগণৰ প্রধান শ্রেণীশত্রুক চিহ্নিত কৰি তাক পৰাস্ত কৰাৰ লক্ষ্যও তেওঁলোকৰ নাই। সেয়ে মোৰ ধাৰণাত ইয়াৰ ৰাজনীতি উপৰুৱা আৰু তৰল হবলৈ বাধ্য। এটা উদাহৰণ দিওঁ। সকলো বহিৰাগত চাকৰিয়ালক খেদি তাত অসমীয়া চাকৰিয়াল ল'লেও অসমৰ বিপুলসংখ্যক নিবনুৱাৰ বাবে সি মৰুভূমিত এবাতি পানী ঢলাৰ দৰে হব। আর্থিক বিকাশৰ মূল কাৰণবোৰ সবল কৰিব নোৱাৰিলে এই সমস্যাৰ কোনো সমাধান নহব। তদুপৰি ভাৰতৰ সংবিধান মানি ল'লে কেন্দ্রীয় পৰিকল্পনাৰ দাবীও মানি লব লাগিব আৰু অসমৰ পৰা উঠা ৰাজহ আদিৰ সবহভাগ কেন্দ্রই নিজৰ হাতলৈ নিয়াও পৰিকল্পনাৰ স্বার্থত মানি লব লাগিব। জাতীয়তাবাবাদী দলে ভাৰতৰ সংবিধান মানি লৈছে।

কেন্দ্রৰ বিৰুদ্ধে যুঁজ দিবলৈ হলে কেন্দ্রৰ শ্রেণীচৰিত্র বুজিব লাগিব আৰু কেন্দ্রৰ শ্রেণীশত্রুৰ লগত মিত্রতা স্থাপন কৰিব লাগিব। সাম্রাজ্যবাদৰ দালাল, ভাৰতীয় বৃহৎ পুঁজিৰ হাতিয়াৰ, সামন্তবাদৰ মিত্র কেন্দ্রীয় চৰকাৰৰ চৰম শত্রু ভাৰতৰ সকলো ঠাইৰে অভুক্ত, অর্দ্ধভুক্ত, আধানাঙঠ জনগণ। জাতীয়তাবাদী কৌশল হ'ল এই জনগণৰ মাজতে তীব্র খবিয়াল লগোৱা। সেয়ে জাতীয়তাবাদী দলক অসমৰ জনগণৰ ত্রাণকর্তা বুলি মানিব নোৱাৰো। মহাৰাষ্ট্রত এনেকৈ কেইবছৰমান প্রতাপ দেখুৱাই 'শিৱসেনা' তাপ মাৰিলে। এই উদাহৰণৰ পৰা সকলোৱে শিক্ষা লব পাৰে।

দীপেন গগৈ, মেজেঙা, নাজিৰা

(১) এক পয়ছা নিজে আর্জন নকৰাকৈ মই এজন আজি কলেজ পর্যায়ৰ ছাত্র। অভিভাবকৰ ইচ্ছা, পঢ়ি-শুনি মই এটা ভাল চাকৰি লওঁ আৰু সুখ-সম্ভোগত জীৱন কাটওঁ। কিন্তু অভিভাবকৰ মনৰ গতিৰ লগত মোৰ মনৰ গতি একে নোহোৱাত মই এটি বামপন্থী ছাত্রসংগঠন আৰু ৰাজনীতিৰ লগত জড়িত হৈ পৰিছোঁ। অথচ মোৰ অভিভাবকে সেইটো কেতিয়াও নিবিচাৰে। এতিয়া মোৰ পথ কি? সংগ্রাম নে সম্ভোগ? অলপ বহলাই ক'বনে?

(২) বাস্তবি আৰু আলোচনীৰ পাত ভৰাই ভৰাই লেখিলেই জানো এজন কমিউনিষ্ট বিপ্লবী হ'ব পাৰি? তেওঁলোকৰ প্রকৃত কর্তব্য কি, যি সাধাৰণ জনসাধাৰণকো আকর্ষণ কৰিব?

* (১) এই প্রশ্নৰ উত্তৰ তুমি আনৰ পৰা বিচাৰিছা কিয়? জীৱনৰ লক্ষ্য বা আদর্শৰ দ্বন্দ্বৰ সমাধান নিজেই কৰিব লাগিব। আনৰ পৰা অন্ধভাবে লোৱা আদর্শ অলপ বিঘিনিতে উটি ভাহি যায়। তাৰ শিপা দলে নাযায়। আনে আদর্শলৈ আঙুলিয়াব পাৰে—গ্রহণ কৰা নকৰাৰ দায়িত্ব সম্পূর্ণ তোমাৰ।

(২) তোমাৰ দেখিছোঁ ধাৰণা যে অসমৰ আলোচনী আৰু বাস্তবিকাকতবোৰে কমিউনিষ্ট বা বিপ্লবী মনোভাবৰ লেখামেলা প্রকাশ কৰিবলৈ দুৱাৰ মুকলি কৰি থৈছে। মনত ৰখিবা যে কথাটো তেনে নহয়। এই আদর্শৰ পৰা লেখা বস্তু যিমান উক্ত আলোচনী বা কাকতসমূহে পায় তাৰ এশভাগৰ এভাগহে যদি প্রকাশ কৰে। বহুতে প্রথমতে

OKBD

"বাতৰি কাকতৰ স্বাধীনতা"ৰ ভাও জুৰি পিছত সশব্দে দুৱাৰ বন্ধ কৰি দিয়ে তেওঁলোকে বেছ বুজে যে এনে ধৰণৰ লেখা বেছিকৈ প্ৰকাশ কৰিলে মালিক শ্ৰেণী বিপদ। অথচ এনেবোৰ ৰচনা প্ৰকাশৰ প্ৰয়োজন আমাৰ বহু বিপ্লবী বন্ধুক বুজিব নে খোজে। লেখা-মেলাৰে সকলো কাম নিসিজে, ঠিকেই। কিন্তু লেখালে বন্ধ কৰিলেও বিশেষ কাম নহব। কামকাজ আৰু বিশ্লেষণ তথা আলোচনা সমাজ চলিলেহে বিপ্লবী কৰ্মধাৰা সম্পূৰ্ণ হয়।

আমাৰ তথাকথিত বিপ্লবী মহলৰ মাজত এতিয়াও বিভিন্ন বিষয়ৰ খোলা আলোচনাৰ প্ৰয়োজন আৰু অবকাশ আছে। তাকে নুবুজাসকলে কণা হাঁহক পত দিয়াৰ দিহা কৰিছে।

কুতুব আহমেদ, মথুৰাপুৰ, শিৰসাগৰ

আধুনিক যুগত শিক্ষাৰ ক্ষেত্ৰত বংশানুক্ৰম আৰু পাৰিপাৰ্শ্বিকতাৰ মাজত কোনটো শ্ৰেষ্ঠ বুলি ভাবে?

* আমি যিটো বংশানুক্ৰম বুলি ভাবোঁ সিও একধৰণৰ পাৰিপাৰ্শ্বিকতাহে। উদাহৰণ স্বৰূপে মধ্যবিত্তৰ পৰিয়ালত প্ৰতিযোগিতাৰ ভাব তীব্ৰ হয়, মাক বাপেকেও প্ৰতিযোগিতা উদগনি দিয়ে। তেনে পৰিয়ালত পঢ়া শুনা, নাচগান আদিৰ চৰ্চাও আনশ্ৰেণীৰ মানুহৰ পৰিয়ালতকৈ বেছি হয়। সেয়ে তেনেবোৰ পৰিয়ালৰ পৰাই আমাৰ সমাজত এইবো বিষয়ৰ সৰহভাগ আগৰণুৱা ওলাইছে। তুলনাত গৰীবৰ ঘৰত এই পৰিবেশৰ অভ বহুতৰে আৰ্থিক দুৰ্গতি ইমান বেছি যে আন চৰ্চা-চিন্তাৰ সময়েই নাই। সেয়ে গৰীবৰ ঘৰৰ বহু প্ৰতিশ্ৰুতিসম্পন্ন ল'ৰা-ছোৱালী বাটতে থমকি ৰৈ যায়।

ব্যক্তিগতভাবে মই ভাবোঁ যে সমাজৰ সকলো জাতিৰে সকলো শ্ৰেণীৰে সন্তান বিজ্ঞানৰ পৰা কলালৈ, ৰাজনীতিৰ পৰা সমাজসেৱালৈ সকলো বিষয়তে কৃতিত্ব দেখুৱা পৰা জন্মগত ক্ষমতা আছে। পৰিবেশৰ অভাৱেই এইবোৰ প্ৰতিভাৰ বিকাশ হ নিদিয়ে। আৰু পৰিবেশ মানে কেবল টকা পইচা নহয়—মাক বাপেকৰ মানসিক স্ত মনোভাব, স্কুল-কলেজ, ওচৰচুৱৰীয়া,——সকলোকে বুজায়।

ধৰণীধৰ দাস, ২নং ছাত্ৰাবাস, গুৱাহাটী মেডিকেল কলেজ

(১) বৰ্তমান ভাৰতৰ পুঁজিবাদী সমাজব্যবস্থাত কোনো ৰাজনৈতিক দলে সৰ্বহাৰা শ্ৰেণীৰ সৰ্বাংগীণ উন্নতি সাধিব নোৱাৰে। এনেস্থলত মাৰ্ক্সবাদী কমিউনিষ্ট দলে সমাজব্যবস্থাৰ সম্পূৰ্ণ পৰিবৰ্তন আনিবলৈ চেষ্টা নকৰি নিৰ্বাচনত জয়লাভ কৰি শাসনৰ বাগজৰী ধৰাৰ প্ৰয়াস কৰাটো জানো সমীচিন হৈছে? শাসনৰ বাগজৰ লৈহে জানো সমাজৰ পৰিবৰ্তন আনিব পাৰি?

(২) বিভিন্ন গেছৰ সংমিশ্ৰণত হোৱা বায়ুৰ কৃপাত পৃথিবীৰ জীৱজন্তু জীয়াই থকাৰ দৰেই বিভিন্ন মতলবী নীতিৰ সংমিশ্ৰণত সুবিধাভোগী শ্ৰেণী জীয়াই থাকে। এনেকুৱা শোষক-সুবিধাভোগীক নিপাত কৰিবলৈ বৈপ্লবিক গল্প, কবিতা প্ৰবন্ধ লেখিলেই হ'ব জানো?

* (১) মাৰ্ক্সবাদী কমিউনিষ্ট দলে ক'তো কোৱা নাই যে শাসনৰ বাগজৰী হাতত লৈ তেওঁলোকে সমাজব্যবস্থাৰ আমূল পৰিবৰ্তন সাধিব পাৰিব। তেওঁলোকে কৈছে যে ইয়াৰ দ্বাৰা তেওঁলোকে (ক) জনগণক কিছু সকাহ দিব পাৰিব আৰু (খ) জনগণৰ বৈপ্লবিক প্ৰস্তুতিত ইন্ধন যোগাব পাৰিব। (ক) ৰ ক্ষেত্ৰত তেওঁলোকৰ সাফল্য আমাৰ চকুত পৰিছে। (খ) ৰ ক্ষেত্ৰতহে আমাৰ সন্দেহ আছে।

(২) "বৈপ্লবিক গল্প-কবিতা লেখিলেই নহ'ব" বুলি বহুৰৰ পিছত বহুৰ পাৰ কৰি দিয়া বিপ্লবী জানো তোমাৰ চকুত পৰা নাই? তেওঁলোকৰ মতলবৰ আকৃতি প্ৰকৃতি কেনে বিধৰ? এই কথা ঠিক যে বিপ্লবী গল্প-কবিতাৰ ৰচকসকল বিপ্লবী ৰাজনীতিৰ লগত, জনগণৰ সংগ্ৰামৰ লগত জড়িত থাকিব লাগিব। নহলে সেইবোৰ গল্প-কবিতাৰ অন্তঃসাৰশূন্যতা অনিবাৰ্যভাবে ধৰা পৰিব। কিন্তু বিপ্লবী গল্প-কবিতাৰ প্ৰয়োজন আছে—যিদৰে আছে মেল-মিটিং, মিছিল, বিক্ষোভ, সংগঠন, সংগ্ৰামৰ।

নীলমণি মজুমদাৰ

আপুনি এজন ভাৰতীয় নাগৰিক হিচাপে ভাৰতৰ কোনটো ৰাজনৈতিক দল শুদ্ধ বুলি ভাবে?

* এটাকো নাভাবো। কাৰোবাৰ ৰাজনৈতিক তত্ত্ব আকৰ্ষণীয়, সাংগঠনিক কাৰ্যকলাপ ভ্ৰান্ত আৰু ক্ষতিকৰ। কাৰোবাৰ সাংগঠনিক কাৰ্যকলাপ সুন্দৰ, কিন্তু ৰাজনৈতিক লক্ষ্য ভ্ৰান্ত। বৰ্তমান পৰিবেশত বৈপ্লবিক পথেৰে সমাজ পৰিবৰ্তনত বিশ্বাসী সকলো ৰ মধ্যপন্থী দলৰ ঐক্য প্ৰয়োজনীয় বুলি মোৰ ধাৰণা। এইবোৰ দলৰ যোগাযোগ আৰু বিতৰ্কৰ মাজেদিহে প্ৰকৃত পথ ওলাই আহিব।

বেণীমাধৱ বৰা, ইটাখোলা, দৰং

(১) মই ভাবো বিশ্বাস শব্দটোৰ অন্তৰালত সংশয় লুকাই থাকে। "মই গভীৰ বিশ্বাস কৰোঁ যে" এই বুলি ক'লে সন্দেহজনক বিষয় এটা সঁচা বুলি ভাবি লোৱাৰ অপচেষ্টা কৰা যেন লাগে। আপুনি কি ভাবে?

(২) এই বিশ্বত এজন কৰ্তা আছে। তেৱেঁই ইশ্বৰ। এই চিন্তাধাৰা সমাজৰ ঈশ্বৰ বাবে বিপজ্জনক হয়নে? (৩) জ্যোতিপ্ৰসাদ আগৰৱালা আৰু অম্বিকাগিৰি ৰায়চৌধুৰী——কোনজনৰ লিখনিত দীনদুখীসকলে উচিত স্থান পাইছে?

* (১) গভীৰ বিশ্বাস মানে অন্ধ বিশ্বাস নহয়। কোনো বিশ্বাস মানুহৰ অভিজ্ঞতাই নাকচ কৰিলে তাক বৰ্জন কৰাৰ সৎ-সাহস থকা প্ৰয়োজন। এই অৰ্থত হয়তো বিশ্বাসৰ সিপিঠিত কিছু পৰিমাণে সংশয়ো থাকে। কিন্তু সংশয় যেতিয়া বেছি হৈ বিশ্বাস সোলোক-ঢোলোক কৰি পেলায় তেতিয়া সেই বিশ্বাসৰে মূল্য নোহোৱা হয়। কথাৰ দ্বাৰা বিশ্বাসৰ পৰীক্ষা নহয়, হয় কামৰ দ্বাৰা। সেয়ে জোৰ দি কোৱা কথাৰ পিছত ভণ্ডামিও থাকিব পাৰে।(২) হয়, কাৰণ সমাজৰ বিকাশ মানুহেই ঘটায়। কিন্তু বিশ্বনিয়ন্তাত বিশ্বাস কৰিলে সেই বিকাশৰ প্ৰচেষ্টা কৰিবলে মানুহৰ সাহস নজন্মে।

(৩) কিছু পৰিমাণে জ্যোতিপ্ৰসাদৰ ৰচনাত। অবশ্যে এয়েই দুয়োৰে তুলনাত্মক বিচাৰৰ উপযুক্ত মাপকাঠি নহ'ব। ভবানন্দ দত্তৰ "অসমীয়া কবিতাৰ কাহিনী" পঢ়ক।

গহীন চন্দ্ৰ হাজৰিকা, ধেমাজি

(১) চৰকাৰখন যদি এখন গাড়ী হয়, তেতিয়া হলে কোন যাত্ৰী আৰু কোন চালক হ'ব? যদি ৰাইজৰ প্ৰতিনিধিয়ে চালক হয় আৰু গাড়ীখন তেওঁলোকৰ

ইচ্ছামতে নষ্টপথে চলাই নিয়ে, তেতিয়া আমি গাড়ীখন মূল পথেৰে নিবলৈ
পোনচাটেই হেওলত ধৰিম নে চালকক কাৰো কৰিম?

* চালকে যদি নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ভুল বাটে নিছে তেন্তে কাৰো-কোকা
কাম নিসিজে। যদিহে অজ্ঞাতসাৰে ভুল কৰিছে তেন্তে কাৰো-কোকালি বা
বিশেষে দাবি-ধমকিত কাম দিব। পিছে পৰিস্থিতি আচলতে কোনটো?

মুকুল ৰাজকোঁৰৰ, লক্ষীপথাৰ, ডিগবৈ

(১) সৰহাৰা শ্রেণীয়ে বিচাৰিছে ৰক্তাক্ত বিপ্লব, মুক্তি সংগ্রাম। অকল লিখি থাকি
সেই উদ্দেশ্য সাধন হ'বনে? নে বিপ্লবৰ কিবা বিকল্প আছে? আপোনাৰে
জনগণৰ সংগ্রামত আগভাগ লয় কিয়?

* অকল লিখি থাকিলে নিশ্চয় একো নহয়। কিন্তু অকল বিচাৰিলেই বিপ্লব হয় বুলি
ক'ৰ-নোৱাৰি। তাৰ প্রচেষ্টা দীঘলীয়া,তাত আন্দোলনৰ লগতে লেখা-মেলাৰো স্থান
প্রকৃত নেতৃত্বই বৈপ্লবিক আদর্শৰ বাহন হিচাপে সকলো ধৰণৰ কামকাজকে ব্যৱ
কৰিব। আমি আগভাগ এই বাবেই লোৱা নাই কাৰণ সেই নেতৃত্ব দিয়
যোগ্যতা আমাৰ নাই। মানুহক আন নহলেও ঠগোৱাৰ চেষ্টা নকৰাকৈ আছো।

ৰুমী মহন্ত, তেজপুৰ

(১) ভাৰতবর্ষ যদি অহিংসা নীতিত চলা দেশ তেন্তে ১৯৬৯ৰ পৰা ১৯৭৩লৈ নক্সাল
শ্রমিক-কৃষকৰ ওপৰত চলোৱা অত্যাচাৰৰ ব্যাখ্যা কি? মুখেৰে অহিংসানীতি
কৰি কাৰ্যত সম্পূর্ণ ওলোটা পথ গ্রহণ কৰাটো কেনে নীতি?

(২) যিখন দেশৰ জনসাধাৰণ খাবলৈ নাপাই মৰিলেও তাৰ ব্যবস্থা কৰাতকৈ
বোমা, উপগ্রহ, ৰকেট মহাকাশলৈ পঠোৱা কথাহে চিন্তা কৰা হয় তথা কোটি
টকা খৰচ কৰা হয়, সেইখন দেশৰ প্রধানমন্ত্রীয়ে বোমা-বুলেটৰ সলনি কিতাপ-
বাবে পুঁজিৰ কথা ৰাষ্ট্রসংঘত কোৱাটো হাস্যকৰ নহয়নে?

(৩) ভাৰতবর্ষত জাতি-ধর্ম-বর্ণ নির্বিশেষে সকলো সমান; ইয়াত উচ্চনীচ জাতি
আদিৰ স্থান নাই। সেইকথা সংবিধান স্বীকৃত। কিন্তু কার্যক্ষেত্রত দেখা যায়
এক ভুৱা। চৰকাৰেই জাতিভেদ, উচ্চনীচ ভাবক প্রশ্রয় দিছে। নহলেনো স্বাধীন
ত্রিশবছৰৰ পাছতো অনুসূচীত জাতি, অনুসূচীত জনজাতি আদি ভাগ আৰু তেওঁলো
বাবে সুকীয়া ব্যবস্থা কিহৰ বাবে? এই সুকীয়া ব্যবস্থা নীতিৰেই বিষময় ফল
ভাৰতৰ বিভিন্ন প্রান্তত ঘটা উচ্চবর্ণৰ হিন্দু আৰু হৰিজন আদিৰ সংঘর্ষ নহয়?

* (১) এইটো ময়ো বুজি নাপাওঁ। হয়তো গান্ধীৰ মৃত্যুৰ পিছত অত্যাচা
অহিংসাৰ পদ্ধতি বুলি নতুন তত্ত্ব উলিওৱা হৈছে। (২) হাস্যকৰ হলে কি হ'ব
সকলোৱেতো আৰু সকলো কথাতে সমানে ৰস নাপায়। (৩) ভাগ-বিভাগ
মানে শাসকশ্রেণীৰ জয়জয় ময়ময়। সেয়ে জাতিভেদ আৰু বৈষম্য নির্মূল কৰি
ত্রিছবছৰে চৰকাৰে চেষ্টা নকৰিলে। ৰৱং প্রতিবছৰে এমুঠি অনুসূচীতক অলপ
সা-সুবিধা দি সমগ্র অনুসূচীত ৰাইজক মোহগ্রস্ত কৰিবলৈ বিচাৰিছে।
অনুসূচীতসকলৰ অবস্থা ভাল বুলি ভবাসকলেও আন এবিধ অন্ধতাৰ পৰা ভুগিছে।

ত্রৈলোক্যনাৰায়ণ বেজবৰুৱা কলিয়াবৰ

(১) মোৰাবজী দেশায়ে নিৰস্ত্রীকৰণৰ প্রশ্নটো প্রথমতে উলিওৱাৰ কাৰণটো কি?
মই ভাবো, তেওঁ ভাৰতবর্ষক পূর্ণ সমাজতন্ত্রৰ দেশ বুলি বিশ্বৰ আগত চিনাকি দিব
বিচাৰিছে। আপুনি কি ভাবে?

(২) প্রকৃত জ্ঞানী কোন? মই ভাবো যিজনে এই পৃথিবীৰ জড় আৰু জীৱ জগতক তন্নতন্নকৈ
বিশ্লেষণ কৰি জ্ঞানসঞ্চয়ৰ যোগেদি ব্যক্তিগত জীৱন তথা সামাজিক জীৱনত সুস্থ সবলভাবে
খটুৱাব পাৰিছে তেৱেঁই প্রকৃত জ্ঞানী। উক্তিটো যদি ভুল শুদ্ধ উত্তৰটো দিব।

* (১) বিভিন্ন দেশ বা ৰাষ্ট্রৰ মাজত যুদ্ধবিগ্রহৰ কাৰণ কি? অস্ত্র থকাৰ বাবে
মানুহে যুদ্ধ কৰে নে যুদ্ধ কৰাৰ বাবে অস্ত্র তৈয়াৰ কৰে? পৃথিবীত সাম্রাজ্যবাদ
আৰু বিভিন্ন ৰাষ্ট্রৰ মাজত সম্পদ অধিকাৰৰ বাবে যিমানদিন প্রতিযোগিতা চলিব
সিমানদিন যুদ্ধও থাকিব। সেয়ে বিশ্ব জুৰি সমাজবাদৰ আগমনেহে দেশ আৰু জাতি
সমূহৰ মাজত যুদ্ধবিগ্রহ বিলোপ কৰিব পাৰে। প্রধানমন্ত্রী দেশাইৰ উক্তি বর্তমান
পৰিস্থিতিত একধৰণৰ ভাববিলাস। (২) আপুনি কোৱা কথাখিনি শুদ্ধ। তাৰ লগতে
মই পিছে এজন মহান জ্ঞানীপুৰুষৰ মন্তব্য জুৰি দিব খোজোঁ। তাহানিখনতে ছক্রেটিছে
কোৱা নাছিলনে, "মই জ্ঞানী, কাৰণ মই কিমান অজ্ঞ সেইটো মই বুজোঁ"।

কমলাকান্ত সন্দিকৈ, নিমনাগড় শিৰসাগৰ

(১) অর্থনৈতিক সমতাৰ ফুলজাৰি মৰা পশ্চিমবংগৰ বামপন্থী চৰকাৰেও শ্রমিক-
কৃষকক শোষণৰ কবলৰ পৰা মুক্ত কৰিব পৰা নাই। তেনেক্ষেত্রত এইচাম লোকৰ
কেতিয়া কিদৰে মুক্তি হ'ব বুলি আপুনি ভাবে?

* শ্রমিক-কৃষকৰ মুক্তিৰ পথ সাধাৰণভাবে শ্রেণীসংগ্রাম বুলি জানো। কিন্তু
ভাৰতৰ বর্তমান পৰিস্থিতিত শ্রেণীসংগ্রামে কি কি ধৰণৰ ৰূপ লব পাৰে, সংসদী
নীতিৰ বাবহাৰ কিমান দুৰলৈ হ'ব পাৰে, সশস্ত্র সংগ্রাম ক'ত কেনেকৈ হ'ব
পাৰে—এইবোৰ সম্পর্কে মোৰ স্পষ্ট ধাৰণা নাই। বর্তমান চলিথকা পৰীক্ষাবোৰৰ
পৰাই নিশ্চয় স্পষ্ট উত্তৰ এদিন ওলাব।

দিলীপ বৰুৱা, জামুগুৰি, নগাঁও

..... শ্রেণীসংগ্রাম উত্তৰণত যি সাহিত্যই সর্বতোভাবে অবিহণা যোগায় সেই
সাহিত্যহে প্রকৃতার্থত প্রগতিশীল সাহিত্য নেকি? আনবিধ সাহিত্যৰ লগত তাৰ
আন কোনো মৌলিক প্রভেদ নাইনেকি?

* দুই শ্রেণীভিত্তিক সাহিত্যৰ মৌলিক প্রভেদ ঘটে শ্রেণীগত দৃষ্টিভংগীৰ বাবে।
অর্থাৎ বক্তব্যই প্রভেদৰ মূল। কিন্তু এইকথাও পাহৰিলে নচলিব যে সাহিত্যৰ বক্তব্য সচে-
তন মনে সম্পূর্ণ নিয়ন্ত্রণ কৰিব নোৱাৰে। সেয়ে প্রতিক্রিয়াশীল লেখকৰ ৰচনাতো
কেতিয়াবা প্রগতিৰ অনুকূল বা শ্রেণীসংগ্রামৰ অনুকূল বক্তব্য আওপকীয়াকৈ ফুটি উঠে।

প্রশ্নোত্তৰত প্রকাশ পোৱা চিন্তা বা দৃষ্টিভংগী ডঃ হীৰেন গোহাঁইৰ নিজস্ব।
অবশ্যে প্রশ্নোত্তৰত কোনো গুৰুত্বপূর্ণ প্রসংগ উত্থাপন হ'লে তাৰ ওপৰত সুস্থ বিতর্কৰ
পাতনি মুকলি কৰিবলৈ আমি আগ্রহী। —সম্পাদক, 'সাম্প্রতিক সাময়িকী'।

গল্প

গণতন্ত্রৰ সাধু

মৃণাল দেউৰী

এসময়ত এজন অতিকায় মানুহ, এটা শিয়াল, এজনী কাউৰী আৰু এটা মহ
এখন নাৱত এনাও সোণ লৈ অসমৰ পশ্চিম মুলুকত বেপাৰ কৰিবলৈ গ'ল। ৈ
গৈ ভোক লাগিলত শিয়াল, কাউৰী আৰু মহটোৱে ভাবিলে আমাৰ কোনো
এটা যদি নাৱত থাকো তেনেহলে কোনোবা দুৰ্বৃত্তই আহি আমাৰ চৰ ধন-সোণ কা
লৈ যাব। মানুহেই যিহেতু সিহঁতৰ ভিতৰত আটাইতকৈ বগী, গজি
মানুহজনকে নাওখনত ধন-সোণৰ ৰখীয়া পাতি সিহঁতে আহাৰ বিচাৰি ওলাল।

ভালেমান পৰৰ পিছত সিহঁতে মানুহজনলৈ আহাৰ গোটাই মেলি আ
আগৰ জেগাডোখৰ পাই দেখিলে, মানুহজন ধন-সোণৰ সৈতে উধাও হৈ
সিহঁতে মানুহজনক বিচাৰি চলাথ কৰিলে, কিন্তু ক'তো আৰু বিচাৰি নাপালে

ইতিমধ্যে মানুহজন গৈ জ্ঞাতি-কুটুম্বৰ লগ লাগিল। এতিয়া শিয়াল, কাউ
আৰু মহ এটায়ো ভয়ত মানুহজনৰ ওচৰ চাপিব নোৱৰা হ'ল।

সেয়ে আজিকালি দেখা যায়, শিয়াল মানুহৰ ওচৰ চাপিব খুজিলে যেতি
মানুহে ওলোটাই খেদা লয়, সি দূৰৰ পৰা গেঙেৰি দি ঘুৰি ঘুৰি চায়—কিজা
সেইজন মানুহৰ হাতেতেই বেপাৰত হেৰুওৱা সোণখিনি আছে।

কাউৰীয়ে উৰি আহি পোনছাটেই নাৱৰ টিঙত পৰে। নাৱৰ টিঙখনত
কাউৰীয়ে সোণ বুলি ভাবে। আৰু মহে মানুহৰ কাণে কাণে গোঁ-গোঁৱাই 'গো
'সোণ' বুলি চিঞৰি চিঞৰি মানুহক বিব্ৰত কৰে।

কিন্তু কোনোদিনেই সিহঁতে আৰু সিহঁতৰ সোণ ঘুৰাই পোৱা নাই।

টোকাঃ এই শতিকাৰ প্ৰখ্যাত আৰু প্ৰখৰ ব্যংগ লিখক জৰ্জ বাৰ্ণাৰ্ড শ্বই তেঁ
অনুকৰণীয় বাক-ভংগীমাৰে কৈছিল; 'Socialism is like a cap which it
lost its shape because everyone puts it on'.

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি নিৰ্দেশিকাঃ শ্ৰেণীত সাধুটোৰ ভাবাৰ্থ বুজিব
কষ্টৰ লাঘব কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে সাধুটোত বৰ্ণিত 'সোণৰ' ঠাইত 'গণ
শব্দটো বহুৱাই লব পাৰে।++



কলিকতাৰ ডায়েৰী

শ্যামল সেনগুপ্ত

মাত্ৰ কেইদিনমানৰ আগেয়ে মৃণাল সেন আৰু তেওঁৰ পৰিবাৰ গীতা সেন চীনদেশৰ পৰা উভতি আহিছে। তেওঁলোকৰ চীন ভ্ৰমণৰ অভিজ্ঞতা জানিবৰ বাবে যেৰা ৩১ আগষ্টত কলিকতাৰ মহাবোধি ছছাইটি প্ৰেক্ষাগৃহত চীন-ভাৰত মৈত্ৰী সমিতিৰ পশ্চিমবংগ শাখাৰ উদ্যোগত এখনি সভা অনুষ্ঠিত হয়। সেইদিনা গোটেই দিনছুৰি কলিকতাত ধাৰাসাৰ বৰষুণ হয় আৰু ফলত যানবাহনৰ চলাচল বিপৰ্যস্ত হৈ পৰে। কিন্তু সমস্ত বাধা উপেক্ষা কৰিও আমন্ত্ৰিত অতিথি আৰু উৎসাহী শ্ৰোতাসকল যথাসময়ত সভাস্থলিত উপস্থিত হয়। সভাত সভাপতিত্ব কৰে শ্ৰীমতী মৈত্ৰেয়ী দেবীয়ে। তদুপৰি শ্ৰীহেমাংগ বিশ্বাস সভাত উপস্থিত থাকি সভাৰ কাম-কাজ সুস্থভাবে পৰিচালনা কৰে।

মৃণাল সেনে প্ৰথমেই কৈছিল যে, খুব সজাই মেলি কোৱাৰ মানসিক প্ৰস্তুতি তেওঁৰ নাই। টুকুৰা টুকুৰা নানান বিচিত্ৰ অভিজ্ঞতাৰ কথা তেওঁ বিবৰি ক'লে।

প্রথমতেই তেওঁ আমাক চীনৰ জনসাধাৰণ সম্পৰ্কে তেওঁৰ over all impressio
কেনেধৰণৰ জনালে। শ্ৰীসেন পৃথিবীৰ বহুতো দেশলৈ গৈছে, কিন্তু আদৰ্শ মানুহ
সন্ধান পালে তেওঁ চীনদেশত। চীনৰ মানুহ যেনেদৰে শিক্ষিত, মাৰ্জিত, ৰুচিসম্পন্ন
তেনেদৰেই বিনয়ী; চীনৰ জনসাধাৰণৰ মাজত গোড়ামী বুলি কোনো কথা নাই
মুকলি মনেৰে যিকোনো বস্তু বিচাৰ কৰিব জানে, আদৰ্শগত সহ্যগুণ খুব ভালদৰে
তেওঁলোকৰ মাজত বিদ্যমান।

চীনদেশৰ চৰকাৰে তেওঁলোকৰ দেশৰ জনসাধাৰণক কি আশ্চৰ্যজনক ভাৱে
বিশ্বাস কৰে, ইয়াৰ উদাহৰণ স্বৰূপে তেওঁ কয় যে চীনৰ কোনো হোটেলতে
তলা-চাবি আদিৰ ব্যবস্থা নাই; এইবোৰৰ কোনো প্ৰয়োজন নাই। কোৱা বাহুল্য
যে চীনদেশৰ জনসাধাৰণেও ইয়াৰ পূৰ্ণ মৰ্যাদা দিয়ে। ইয়াৰ উপৰিও আৰু এ
আশ্চৰ্যজনক কথা হ'ল চীনৰ বিমান বন্দৰবোৰত security checking বুলি এ
নাই, কিয়নো ইয়াৰ প্ৰয়োজন আৰু তাত নাইকিয়া হৈ গৈছে।

আমাৰ দেশৰ সৈন্যবাহিনীৰ লগত চীনদেশৰ সৈন্যবাহিনীৰ তুলনা কৰিবলৈ
গৈ শ্ৰীসেনে কয়, আমি ইয়াত 'মিলিটাৰী' বুলিলে বুজি পাওঁ এনে এচম মানুহৰ
যাৰ কাম হ'ল, কঠিন ব্যায়াম কৰি সুঠাম স্বাস্থ্য তৈয়াৰী কৰা, যুদ্ধ আৰম্ভ হ'লে
যুদ্ধ কৰা, আৰু কেতিয়াবা বানপানী হ'লে সাহায্য কৰা। চীনদেশত কিন্তু ছবিখন
বেলেগধৰণৰ। তাত প্ৰত্যক্ষভাবে দেশগঠনৰ কামত People's Liberation Army
অত্যন্ত সক্ৰিয় ভূমিকা আছে। ৰাষ্টা নিৰ্মাণ কৰা, দলং সজা, ঘৰ-বাৰী সজা আদি নানান
কাম-কাজত সৈন্যদলৰ সক্ৰিয় ভূমিকা আছে। পৰিকল্পনাৰ বাবে Technocrat—
সকলো আছে আৰু ৰূপায়নৰ বাবে আছে জনগণ আৰু জনগণৰ সৈন্যবাহিনী।

আৰু যিটো বস্তু দেখি শ্ৰীসেন অত্যন্ত বিস্মিত হৈছিল সেইটো হ'ল, আকুপাংচাৰ
এনাস্থেছিয়া। চীনদেশৰ এখন হস্পিটেলত এই পদ্ধতিৰে এগৰাকী মহিলাৰ থাইৰয়
গ্লেণ্ড অপাৰেচন কৰা তেওঁলোকে দেখিছিল। সেয়া এক অতীব আশ্চৰ্যজনক ব
অপাৰেচনৰ সময়তো ৰোগীজনীয়ে হাঁহি আছিল আৰু অপাৰেচন শেষ হোৱাৰ কেই
মিনিটমান পিছতেই তেওঁ কথা কোৱা আৰম্ভ কৰিছিল, হাঁহি-তামাছাৰে ৰুমৰ ভিতৰখন
ঘুৰি ফুৰিছিল। চীন ভ্ৰমণৰ অন্তত শ্ৰীসেন পেনে-পেনেই আমেৰিকালৈ গৈছিল
তাত এজন বিখ্যাত ডাক্তৰৰ লগত এই বিষয়ে কথা পাতিছিল। ডাক্তৰজনে
শ্ৰীসেনক জনালে যে আকুপাংচাৰ পদ্ধতিৰ দ্বাৰা হাৰ্ট অপাৰেচন চিকিৎসা জগতৰ
এক অত্যাশ্চৰ্য ঘটনা। সাধাৰণ ছাৰ্জাৰিতকৈ সম্পূৰ্ণ বেলেগ। পৃথিবীৰ নানান
দেশৰ বুজোৱা মহলত চীন দেশৰ এটা বদনাম আছে— চীন দেশত সৰু ল'ৰা-ছোৱালীকে
ৰাজনীতি শিকোৱা হয়; কথাটো শিশুৰ পক্ষে মুঠেই স্বাস্থ্যকৰ নহয়! শ্ৰীসেনে কিন্তু
দেখিলে যে ল'ৰা-ছোৱালীক যি শিকোৱা হয়, সেয়া civic-sense হে, ৰাজনীতি
বুলিলে ভুল হ'ব। তদুপৰি entertainmentৰ মাধ্যমেৰে ল'ৰা-ছোৱালীৰ কৰ্তব্য
বোধ কেনেদৰে জাগ্ৰত কৰিব পাৰি তাৰ উদাহৰণ দিবলৈ গৈ তেওঁ এখন কিণ্ডাৰ
গাৰ্টেন স্কুলৰ কথা কয়—"যি আগে শ্ৰেণীলৈ আহিব তেৱেঁই চকী-মেজ সজাই
লাগিব।" মন কৰিবলগীয়া কথা হ'ল, আগেয়ে ক্লাছলৈ আহিলে prize পোৱা

পৰিবৰ্তে কাম কৰিবলৈ লাগে; কিন্তু চকী-মেজ সজোৱা কথাটোৱেই এই ক্ষেত্ৰত
ল'ৰা-ছোৱালীৰ পক্ষে পুৰস্কৃত হোৱাৰ দৰে কাম কৰে আৰু সেই বাবেই আগেয়ে
ক্লাছলৈ আহিবলৈ সকলোৰে হুৰ-দুৰা লাগে।

Children film চীন দেশত হৈছেনে নাই শ্ৰীসেনে সঠিককৈ নাজানে। চীন-
দেশৰ children palace-লৈ তেওঁ গৈছিল। ল'ৰা-ছোৱালীৰ বাবেতো হয়েই
অন্যান্যৰ বাবেও palace টো অত্যন্ত আকৰ্ষণীয়।

চীনদেশৰ খাদ্য সম্পৰ্কেও শ্ৰীসেনে দুই এটা ৰসাল মন্তব্য কৰিলে। তেওঁ
কলে, আমি কলিকতাত (বা ভাৰতৰ অন্যান্য চহৰত) যি "চীনা খাদ্য" খাওঁ সেয়া
আচলতে চীনদেশৰ খোৱা বস্তু নহয়। চীনদেশৰ ৰন্ধন প্ৰণালী সম্পূৰ্ণ পৃথক তেওঁ-
লোকৰ খাদ্য যেনেদৰে সুস্বাদু তেনেদৰে সহজলভ্য। চীনৰ বাহিৰে পৃথিবীৰ অন্যান্য
দেশৰ মাজত একমাত্ৰ আমেৰিকাৰ ছান-ফ্ৰাঞ্চিকো চহৰতহে এই ধৰণৰ খাটি চীনা
বস্তুৰ সন্ধান পোৱা যায়। চীন দেশৰ film সম্পৰ্কে আমি শ্ৰীসেনৰ পৰা বহু কথা
জানিব বুলি আশা কৰিছিলোঁ। কিন্তু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত filmৰ বিষয়ে তেওঁ
আলোচনা কৰিবলৈ বেছি সময় নাপালে। চীন দেশৰ film তেওঁ বেছি দেখা নাই কিন্তু
যি কেইখন দেখিছে, বৰ সন্তোষজনক নহয়। চীনা film technical দিশত কেচা
বুলি তেওঁ ভাবে। উদাহৰণস্বৰূপে ১৯৬০ চনত পিকিং ষ্টুডিঅ'-নিৰ্মিত এখন ছবিৰ
productionৰ নানা ৰকম ত্ৰুটিৰ কথা তেওঁ আমাক ক'লে। পিকিঙতো এই কথা
তেওঁ কৈছিল, তেওঁলোকে শ্ৰীসেনৰ অভিমতৰ যুক্তিযুক্ততা স্বীকাৰ কৰিলে।

চীন দেশৰ film কিয় অনুন্নত তাৰ কাৰণ হিচাপে শ্ৰীসেনে ক'লে, 'gang
of four' এ সেই দেশৰ Film Industryৰ অগ্ৰগতিত যথেষ্ট বাধা প্ৰদান কৰিছিল।
কোনো ধৰণৰ modernization তেওঁলোকে হাতত লোৱা নাছিল! Film Industry-
ৰ ওপৰত নানাধৰণৰ repression হৈছিল। 'gang of four'ৰ আমোলত
'Hai-Hsia' ছবিখন আটক হৈ আছিল, এই ছবিৰ পৰিচালকসকলক প্ৰায় ১০
(দহ) বছৰ ছবিৰ কাম-কাজ কৰিবলৈ দিয়া হোৱা নাছিল। সম্প্ৰতি তোলা কেই-
খনমান ছবিৰ ৰাছ-প্ৰিণ্ট তেওঁ দেখিছে, Technical কাম-কাজ সন্তোষজনক।
তেওঁ আশা কৰে অনতিপলমে তাত উন্নত মানৰ ছবি হ'ব। কেবল পিকিং
ষ্টুডিঅতেই চাৰিটা colur analiser machine আছে, ভাৰতবৰ্ষত মাত্ৰ দুটাহে
আছে, তাৰ ভিতৰত মাত্ৰ মাদ্ৰাজৰ colour analiser machine টোহে কামত
আহে। সামগ্ৰিকভাবে কব পাৰি চীনদেশৰ নাটক ফিল্ম সকলোতে technology ৰ
প্ৰভাব ক্ৰমশঃ বাঢ়িছে।

চীন দেশত film schoolও আছে কিন্তু star system বুলি কোনো বস্তু
নাই, আনকি কোনো star-এই নাই। অভিনেতাসকলে জনগণৰ অকুণ্ঠ মৰম আৰু
শ্ৰদ্ধা পায় ঠিকেই কিন্তু বিশেষ সুযোগ সুবিধা দি তেওঁলোকক জনগণৰ পৰা পৃথক
কৰা নহয়। কৃত্ৰিম glamourৰ মোহ তেওঁলোকৰ নাই। শ্ৰীসেনে ইয়াৰ একাধিক প্ৰমাণ
পাইছে। চীনদেশৰ চলচ্চিত্ৰ জগতৰ এটা কথা কথা তেওঁৰ কাৰণে বৰ অস্বস্তিকৰ,
সেইটো হ'ল-চীনদেশৰ ছবি completely cut off from the rest of the world.

আফ্রিকা বা লেটিন আমেৰিকাৰ ছবি সম্পৰ্কে তেওঁলোকে কোনো খা-খবৰ নাৰাখে
এইটো বৰ ভাল কথা নহয় বুলি তেওঁ কৰ্তৃপক্ষক জনাইছিল, এইবাৰো শ্ৰীসেনৰ বক্তব্য
যথাৰ্থতা তেওঁলোকে স্বীকাৰ কৰিলে। তেওঁ আশা কৰে অবিলম্বে তেওঁলোকে
ভুলৰ সংশোধন কৰিব। অবশ্যে ৰাছিয়ান ছবি প্ৰদৰ্শিত হৈছে। শ্ৰীসেনে দেখি অভি
আইজেনষ্টাইনৰ "বেটলশ্বীপ পোটেমকিন" তাত চলি আছে। এটি প্ৰশ্নৰ উত্তৰত শ্ৰী
ক'লে যে চীনদেশৰ formal approach সম্পৰ্কে তেওঁৰ আপত্তি আছে
তেওঁলোকৰ ছবি ভীষণভাবে অপেৰা-প্ৰভাবিত। ফিল্মৰ ক্ষেত্ৰত এই প্ৰভাব ক
নহয়। তেওঁলোকৰ ছবিৰ চৰিত্ৰসমূহৰ ভিতৰত middle tone প্ৰায় নাথাকে
তেওঁলোকৰ কিছুমান খুব ভাল আৰু কিছুমান নিম্ন মানদণ্ডৰ। ফলত credibi
gap বাঢ়ি যায়। ছবিৰ উদ্দেশ্য যিমানেই মহৎ নহওক লাগে দুৰ্বল উপস্থা
বাবে উদ্দেশ্য সাধন হোৱা দুষ্কহ।

পৰিশেষত শ্ৰীসেনে কয় যে, চীন সম্পৰ্কে তথ্যচিত্ৰ কৰাৰ ইচ্ছা তেওঁৰ আ
সেইক্ষেত্ৰত আৰু এবাৰ তালৈ যাব লাগিব। তদুপৰি ইমান এখন বিশাল দে
বিষয়ে বহু চিন্তা-চচাৰো প্ৰয়োজন আছে। এই প্ৰসংগতে এণ্টনিয়'নিৰ "চাৰ
তথ্যচিত্ৰখনৰ কথা ওলালত তেওঁ কয় যে ছবিখন দেশৰ জনসাধাৰণৰ মনঃপুত হো
নাই ঠিকেই, কিন্তু এই তথ্যচিত্ৰখন লৈ gang of four ৰ আমোলত যি প্ৰ
হৈ-চৈ কৰা হৈছিল, সেয়া সংগতিপূৰ্ণ আছিল বুলি তেওঁলোকে নাভাবে। বৰঞ
চীনদেশত এণ্টনিয়'নিক একেবাৰে বাতিল কৰা হোৱা নাই। কিছুদিনৰ আগ
স্বয়ং এণ্টনি'য়নিৰ লগত এই সম্পৰ্কে তেওঁৰ আলোচনা হৈছিল। এণ্টনিয়নিৰ পৰ
ঘটনাটো একপ্ৰকাৰ বিভ্ৰান্তিকৰ আছিল। পৰিতাপৰ সুৰত শ্ৰীসেনক তেওঁ কৈছিল
"মই সৎভাবেই film খন আৰম্ভ কৰিছিলো। মহতো ভাবিবই পৰা নাছিলো
মই ৮০ কোটি মানুহৰ শত্ৰুতাহে কৰিমগৈ।"

বিদেশী চিত্ৰ পৰিচালকৰ ভিতৰত Yoris Evens ক চীনদেশৰ
ভীষণ শ্ৰদ্ধা কৰে। Evens এ চীনদেশৰ পটভূমিত একাধিক film নিৰ্মাণ কৰি

শ্ৰীসেনৰ বক্তৃতাৰ পিছত হেমাংগ বিশ্বাসৰ অনুৰোধক্ৰমে গীতা সেনেও আলে
অংশ গ্ৰহণ কৰে। বিশেষকৈ তেওঁৰ বক্তব্য চীনদেশৰ নাৰী জাতিৰ ওপৰতে
আছিল। বিয়াৰ পিছত ছোৱালীয়ে surname সলাবলগীয়া নহয়। অবশ্যে তেওঁলো
সতি-সন্ততিয়ে পিতৃৰ surname গ্ৰহণ কৰে। আমাৰ দেশত যেনেদৰে স্বামীয়ে
এটা প্ৰসংশনীয় কাম কৰিলে পৰিবাৰেও সেই গৌৰৱতে উঠলি উঠে চীন
এইবোৰ দেখা নাযায়। মহিলাসকল সাধাৰণতে স্বামী সম্পৰ্কে ভীষণ শ্ৰদ্ধা
আৰু বিশ্বাসী। তেওঁলোকৰ সমাজত মৰম চেনেহ ভীষণভাবে বৰ্তমান। শ্ৰীমতী
কয় যে তেওঁলোক যেতিয়া চীনলৈ গৈছিল তেতিয়া আছিল অত্যন্ত গৰম। আবেলি
সন্ধ্যা তেওঁলোকে বহু ল'ৰা-ছোৱালীক পাৰ্কত বহি গল্প কৰি থকা দেখা পাইছি
এওঁলোকৰ ভিতৰত বহুতেই যে প্ৰেম-সূত্ৰে আবদ্ধ তেওঁ ভালদৰে উপলব্ধি
পাৰিছিল। কিন্তু বিন্দু মাত্ৰও কোনো অশালীন ঘটনা তেওঁৰ চকুত নপৰিল। চীন
লগত আমাৰ জীবন যাত্ৰাৰ পাৰ্থক্য হয়াৰ পৰাও পৰিষ্কাৰ হৈ পৰে। ++

গল্প

বিস্ফোৰণ

উদয়াদিত্য ভৰালী

" .... আৰু অলপ ওচৰলৈ আহান। অলপমান। প্লিজ।.... "

কথাকেইষাৰ কৈয়েই ৰঙচঙীয়া শাৰীখনৰ আগএটাত ধৰি কৰবীক গাৰ কাষলৈ টান মাৰি আনিব খোজোতেই ফটা ঢোলৰ মাতৰ নিচিনা ঘেৰঘেৰীয়া হটঙা মাত এষাৰে টোপনি ভাঙি দিলে।

" .... আৰে ইয়াৰ, হুৱাট ডা হেল ইউ আৰ ডুইং ? লাইন এটা চোজা টানিব নোৱাৰ, জাতি উদ্ধাৰ কৰিব যাবি ? একদম বেইকুব বে ! .... "

লগে লগে মোৰ কোঠাৰ আলিৰ পিনৰ বেৰখনত কিহবাই আঁচুৰিবলৈ ধৰিলে। গাৰ নোমবোৰ সিয়ৰি উঠিল। আধা টোপনি-আধা সাৰ পোৱা অৱস্থাৰে কাণপাতি শুনিবৰ চেষ্টা কৰিলো। বেৰ লিপাৰ দৰে চৰপ্ চৰপ্ শব্দ।

" মাওঁ বে, হ'ব দে।"

" অলপ ৰহ। 'পিন্ধক' দীৰ্ঘ 'ঈ'কাৰ নে হ্ৰস্ব 'ই'কাৰ বে ?"

" দুৰ গুলি মাৰ, কিবা এটা পিন্ধাই দে। বিৰাট টোপনি ধৰিছে।"

" দীৰ্ঘ 'ঈ'কাৰ দি দিওঁ, জোৰ বুজাব।" ....

বেৰত আকৌ আঁচোৰৰ শব্দ। অলপ পৰৰ পিছত কাৰোবাৰ খোজ লাহে লাহে দুৰলৈ গুচি গ'ল। লগে লগে সকলো নিস্তব্ধ।

জিকাৰ খাই উঠা গাৰ নোমবোৰ লাহে লাহে পৰি আহিল। এবাৰ ভাবিলো বেৰাৰ সিপাৰে মানুহকেইটাই কি কৰিছে উঠি গৈ চাওঁনেকি ? কিন্তু এলাহে হেঁচা মাৰি ধৰিলে। বেটাইঁতৰ আৰু কাম নাই, ধুনীয়া টোপনিটো ভাঙি দিলে। কিয়ে সপোন দেখিছিলো ! কৰবী আহি ইমান ওচৰ পাইছিলহি ! একেবাৰে গাতে গা লগাই বহিছিল ! কুৰ্চুতীয়া কেইটাই সপোনটো ভাঙি নিদিয়া হলে আৰু বা কিমান কায চাপিলহেতেন।

কথাখিনি ভবাৰ লগে লগে গাটো কিবাখন লাগিল। গাৰুকেইটাকে সাবট মাৰি ধৰিলো। বিচনাৰ অকলশৰীয়া উমাল আমেজখিনিয়ে মোক আগুৰি ধৰিলে। সপোনে লাহে লাহে জপাই আনিলে চকুৰ পতাকেইটা।

ঊঃ ! ক'ৰ নোৱৰাকৈয়েই বাওঁখন হাতেৰে বাওঁ গালত চৰ এটা সোধাই আঙুলি এটাৰে কাণ এখন খৰকিয়াই খৰকিয়াই ধৰমৰাই উঠিলো। কাণৰ ওচৰত অতপৰে গুণগুণাই হঠাৎ কাণৰ ফুটাৰে সোমাই টোপনি আৰু সপোনত

আকৌ ওচৰলৈ আহি থকা কৰবীক খেদি পঠিয়ালে। এই মহৎগুনৰ উৎপাতত আৰু ৰক্ষা নাই! ইতেতে এই মহনগৰীত টোপনি আৰু কৰবী কাকো মোৰ ওচৰলৈ আহিব নিদিব যেন পাইছো! কৰবীৰ কথা মনত পৰাৰ লগে লগে টেঙাই অহা মনটো আকৌ ভাল লাগি গ'ল।

কৰবী ৰকৰা। এগ্রিকালচাৰৰ ডাইৰেক্টৰ সোমেন ৰকৰাৰ মাজু জীয়েক। বি. এ পঢ়ে। আমাৰ পাৰালৈ অহা আজি প্রায় তিনিমাহ হ'ল। আমাৰ ঘৰটোৰ বাজুতে নতুনকৈ সজা দুমহলীয়া প্রকাণ্ড পকী ঘৰটোৰ বাসিন্দা। তাইক প্রথম দিনা দেখিয়েই মোৰ হৃৎপিণ্ড হঠাৎ অলপ পৰৰ বাবে স্তব্ধ হৈ গৈছিল। মই হেৰাই গৈছিলো এজোৰা বহল নীলা চকুৰ গভীৰত। মই যেন বিচাৰি পাইছিলো জীৱনৰ অর্থ। সেই সুগভীৰ নীলাম্বু সমুদ্রৰ বুকুৰ পৰা মই এতিয়াও মুক্তি পোৱা নাই। পুষ্টিকৰ আৰু নিয়মীয়া খাদ্যৰ অভাৱত আজি বহুদিনৰে পৰা মোৰ পেটত বাহলোৱা গেষ্ট্রিক বেমাৰটোৰ দৰেই। প্রতিদিনে ভাবো তাইৰ সতে চিনাকি হ'ম। বহুকথা ক'ম। বহুত কথা। কিন্তু সেইবোৰ ভাষ হৈয়েই আছে, কথা আৰু হোৱা নাই। তিনিআলিৰ মুৰত থকা হামিদৰ দোকানৰ সমুখত থিয় দি আজি দুমাহে প্রতেক আবেলি তাইৰ লগত চিনাকি হোৱাৰ আকাংক্ষাৰে ছিগাৰেট হুপি হুপি অন্ততঃ এঘণ্টা সময় খৰচ কৰিছো। আবেলি তাই আলিলৈ ওলালেই চিনাকি হোৱাৰ মৰণপণ যুজ জিকাৰ সকলো সাহস বুকুত বান্ধি মই তাইৰ পিনে আগবাঢ় যাওঁ। কিন্তু সদায়েই আমাৰ মাজত দুৰত্ব যিমানেই কমি আহে মোৰ বুকুৰ ধপধপনি সিমানেই বাঢ়ি যায়। কাণ দুখন অস্বাভাৱিক ধৰণে তপত হৈ আহে। আৰু একেবাৰে ওচৰ চপাৰ লগে লগে মোৰ মুৰটো এক অভাবনীয় লাজৰ ভৰত নিজে নিজে দোঁ খাই পৰে। লয়লাস ভংগীৰে গাৰ তেনেই কাষেৰে পাৰ হৈ যায় কৰবী। আমাৰ চিনাকি অচিনাকি হৈয়েই ৰয়। মাথোন মোৰ কলিজা দুফাক কৰি ওলাই আহে এটা তপত হুমুনিয়াহ!

আজি আবেলি কৰবী আহি হঠাৎ হামিদৰ দোকানৰ পৰা কেইনলমান দুৰৈত ৰৈ গৈছিল। মই থিয় দি থকা ঠাইটুকুৰাৰ পৰা কিছু নিলগত। লগে লগে থমকি ৰৈছিল মোৰ কলিজাৰ ৰেলগাড়ী। তাই যেন মোৰ পিনেই চাইছে! মোকেই মাতিব খুজিছে নেকি? এনে এটা সুমধুৰ আশংকাত মই প্রায় মুচকচ গৈছিলো। পিছ মুহূর্ততে ঝংকাৰিত হৈছিল মিঠা মিঠা মাতৰ তিনিটা শব্দ:

"কাম জিম, কাম।"

মই থিয় দি থকা আলিটোৰ কাষত লাইট পোষ্টটোৰ গাত নিত্যকর্মৰ এফেৰি সমাধা কৰি তাইৰ লগত সান্ধ্য ভ্রমণৰ বাবে ওলাই অহা সিহতৰ চাপৰ, দীঘল, নোদোকা, নোমাল কুকুৰটো তাইৰ ওচৰলৈ ল'ৰি গৈছিল। মোৰ বুকুত যেন কোনোৱাই শেলহে মাৰি দিলে! নাই, নাই, এনেকৈ আৰু কিমান দিন—মোৰ মনটোৱে বিদ্রোহ ঘোষণা কৰিলে। পেটটো হঠাৎ গ্রেষ্ট্রিকে খামোচ মাৰি ধৰিলে। গাৰ'ক্কে ওলাই অহা উগাৰটোৱে টেঙা কৰি পেলালে গোটেই জিভাখন। ভেটেৰনাৰীত প্রল, ডি গিৰি কৰি কৰবীৰ লগত চিনাকি হোৱাৰ কথা ভবাটো

তাইৰ প্রতি এক বিৰাট অসম্মান হে দেখোৱা হৈছে। তাইৰ বলগতা চিনাকি হোৱাৰ আগতে মই নেই চিনাকি হোৱাৰ যোগ্যতা অর্জন কৰা উচিত। মানুহ হোৱা উচিত উচ্চাভিলাষী।—মনটোৱে সকিয়ালে।

লগে লগে ভাই-ভনীকেইটাৰ ওপৰত মোৰ ভীষন দুখ উঠি গ'ল। সিহঁতক পোহপাল দিয়াৰ দায়িত্ব ল'ব লগা হৈছে আজি মোৰ এই দুর্দশা!! দেউতায়ো মোক বাৰু এনেকৈ ঠগাব লাগেনে? ছাগলীজাকিৰ দৰে এজাকা ল'ৰা-ছোৱালী ফকাই, পোহ-পালৰ দায়িত্ব ল'বৰ বেলিকা এই পৃথিবী এৰি পলালা!! দিয়াৰ ভিতৰত মাত্র দি গ'ল বেমাৰী বিধবা মা আৰু পেনপেনিয়া এজাক ভাই-ভনীক ডাঙৰ দীঘল কৰাৰি দায়িত্ব আৰু এটা বিৰাট অভাৱৰ বোজা! নাই, নাই, এনেকৈ নহ'ব! মই আকৌ পঢ়িম। বি-এটো কমপ্লিট কৰি এ-ছি-এছটো ল'ব লাগিব! পঢ়াত অসুবিধা হ'লে চাকৰিকে বাদ দিম। অবশ্যে ঘৰখন অলপ বিপদত পৰিব পাৰে। পৰিলেও পৰক, সিহঁতৰ কাৰণে মই মোৰ জীৱনটো ধ্বংস কৰিব নোৱাৰো! কৰবীক আপোন কৰাৰ যোগ্যতা মই অর্জন কৰিবই লাগিব। মনে মনে শপত খাইছিলো।

কথাবোৰ পাণ্ডুলি থাকোতে এটা সময়ত কৰবী আকৌ মোৰ কাষ চাপিল। ওচৰলৈ। আৰু ওচৰলৈ।....

দীঘলীত আলিত লগা এটা বিৰাট হৈ চৈত ৰাতিপুৱা টোপনি ভাগিল।।

"অ'ই বঙাল' বেৰত সেয়া কি লিখি থৈছে দেখিছ?? এতিয়াৰো পৰা বুজি বাজি চলিবি। বাণ্টি গুচা।।"

"ভোৱেই আমি প্রথমে লাইনে বালতি বেখেছি, সৰাব কেনা??"

"কি ক'লি, মুগুচাৰ! বেটা বঙালৰ বাহাদুৰী চাচোন!!"....

লগে লগে আলিৰ কাষত কোনোবাই কিবা বস্তু থেকেচা মাৰি দিয়াৰ বিকট শব্দ উঠিল। ক্রিনো হ'ল চাবলৈ মই বিচনাৰ পৰা উঠি আঁঠুৰাৰ ভিতৰৰ পৰাই হাত মেলি আলিৰ পিনৰ খিৰিকীখন খুলি দিলো।।

আমাৰ ঘৰটো আলিৰ গাতে লগা। মোৰ কোঠাৰা খিৰিকীখনৰা সমুখতেই আছে এটা ৰাজহুৱা পানীৰ টেপ। ৰাতিপুৱা সদায়েই ঘৰত টেপা নোহোৱা কাষৰ মানুহখিনিয়ে পানী নিবলৈ আহি হুলস্থুল কৰিবই। এই হাই-উকমিখিনি মোৰ কাৰণে ৰাতিপুৱা সাৰ পোৱাৰ এলাৰ্মৰ দৰেহে হৈছে। কেতিয়াবা কেতিয়াবা বৰ বিৰক্তি লাগে। অবশ্যে বন্ধৰ দিনকেইটাত বাদে বাকী দিনকেইটাত এই অভিশাপটো মোৰ কাৰণে বৰৰ নিচিনাই। অন্ততঃ ঠিক সময়ত অফিছ কৰিব পৰাকৈ জাই দিয়ে। বাহত জুইলগা কাউৰীৰ লেখিয়া হুলস্থুল লগোৱা মানুহ খিনিৰ আজিৰ বেহুদ্রূপ অলপ বেলেগ যেন লাগিল। "কলিতা ষ্টোৰছ"ৰ মালিক বুজত কলিতাই ভাঁতিনাৰ বকাসুৰটোৰ দৰে চেণ্ড এটা লৈ খাওঁ খাওঁ মূতিৰে থিয় দি আছে। ওচৰতে ডেৰা লাগি বৈ আছে পেৰাণ পানীৰালী—অর্থাৎ পেৰাণ চেটার্জী। টেপটোৰ কাষৰ গেলা নলাটোত কেৰাচিন তেলৰ টিং

কাটি সজা এটা পানী নিয়া টিং পেৰাণৰ দৰেই অসহায় হৈ পৰি আছে। টিংটো নিশ্চয় পেৰাণৰেই। কাৰণ তাৰ কাষতে আছে তেনে আন এটা টিং আৰু এপাত বাংকা। পানীৰ কাৰণে লাইন দিওঁতে সম্ভব কিবা কথা কটা-কটি হোৱাত তাৰ টিনটো কোনোবাই কাষৰ নলাত পেলাই দিলে। ঘটনাৰ ৰেহৰূপলৈ চাই কামটো ৰজত কলিতাৰ কামেই হ'ব। খোলা খিৰিকীৰে মই সিঁতৰ কাণ্ড-কাৰখানাবোৰ চোৱাত লাগিলো।....

"হেৰি, আপোনালোকে কাজিয়া কৰি থাকিব, নে আমাক পানী নিবলৈ দিব?"

"এই ৰঙালটোৰ ফলীয়া তুমি আকৌ ক'ৰ উকীল ওলালাহে? তোমালোকৰ নিচিনাবোৰৰ কাৰণেইতো আজি বাহিৰৰ মানুহবোৰ আমাৰ বুকুত বহিছে। শত্রু আহি ঘৰ সোমাল তোমালোকে ৰমভোলা হৈ বহি থাকা! বেৰত কি লিখিছে দেখিছা?"

"এহ, দেখিছো দিয়ক। আমি কি কৰিব লাগে? 'হৰলাল্‌কা হৌৰছ'ৰ পৰা বস্ত্ৰ নিকিনি আপোনাৰ দোকানৰ পৰা কিনিলে সস্তাত দিব নেকি? চালা বস্তুৰ দামৰ চুতত লেংটি ঢিলা হৈ গৈছে, দাম কমোৱাৰ বাবে কিবা কৰাৰ কোনো খবৰ নাই, ক'ৰ পৰা কিনিম তাক লিখিবলৈ আহিছে! পইছাই নাই কিনিম কেনেকৈ।"

"তোমালোকৰ দৰে ঘৰ শত্রুবোৰেই আমাৰ জাতিক খালী বুজিছা! হেৰা আমি পালে তোমালোকক নিদিম নেকি?"

"এহ কিমান দিব গম পাওঁ দিয়ক। কেতিয়াবা এদিন বাকী খুজিলেও দিছেনে? আৰু এইযে শাৰী এৰি মেখেলা পিন্ধিব দিছে, আমাৰ গাঁৱৰ পিনে কোনে শাৰী পিন্ধে? মেখেলাৰ সুতা কিনিবলৈকে পইছা নাই, কেইদিনমান পিছত লেংটা হৈ থাকিব লাগিব। অবশ্যে আমাৰ তাত মোহন শইকীয়াৰ ঘৰৰ বেৰত লিখি দিব পাৰে। তাহাতৰ কলেজত পঢ়া জীয়েকেকেইজনীয়ে পিন্ধেই আমাৰবোৰে এল, পি-কেই দেখা নাই, কি শাৰী পিন্ধিব! সেই কুকুৰ মোহন মহাজনে আমাৰ চৰৰে মাটি বন্ধকী লৈ ধুনি দিলে। নহ'লেনো মই ইয়াত পানীভাখী হৈ মৰিবলৈ আহোঁনে? সি বেটাই অসমীয়া বুলি দৰদ দেখুৱাইছে নেকি?"

"হেৰা, তুমি দেখোন বৰ আংবাং কথাবোৰহে উলিয়ালা! এই ৰঙালটোৰ হৈ ওকালতি কৰিবলৈ গৈ অসমীয়াৰেই চৈধ্যপুৰুষ উদ্ধাৰ কৰিছা! তুমি কি ৰকম মানুহ হে?"

"মই একো বেলেগৰকমৰ মানুহ নহয়, সচা কথাবোৰ কৈছো। মই কাৰো চৈধ্যপুৰুষ উদ্ধাৰ কৰিবলৈ যোৱা নাই আৰু কাৰোৰ হৈ ওকালতি কৰিবলৈকো যোৱা নাই। পেৰাণো পানীৰালা, ময়ো পানীৰালা। কাজিয়া কৰি থাকিলে আমাৰ পেট নভৰে। টেপত পানী থাকোতেই ঘৰে ঘৰে দুয়োটাই পানী দি আহিব লাগিব। নহ'লে ভাৰো আধ্যা, মোৰো আধ্যা। প্ৰবীণ দত্তৰ ঘৰত এতিয়াই পানী দি আহিব লাগে। কথা চেলাই থাকি পানী দিব নোৱাৰিলে অসমীয়া বুলি দত্তই সুদাই এৰিব নেকি? সেইদিনা অলপ পলম হওঁতেই গেৰগেৰাই উঠিছে। আপোনালোকৰ ধান্দা আছে, আপোনালোকে সেইবোৰ কৰি থাকক। আপোনাৰ দোকানৰ বিক্রি বাঢ়িব।

কম দামত দিলে ক'ব আমিও যাম। এতিয়া আমাৰ দুটাক পানী লৈ যাবলৈ দিয়ক। নহ'লে সিও মৰিব, ময়ো মৰিম। অ'ই পেৰাণ টিংটো উঠাই আন, পানী যাবই এতিয়া।"

"হেৰা তোমাৰ দেখোন বৰ কথাহে। গাত নাই চাল বাকলি মদ খাই তিনি টেকেলী! আপদে বিপদে মোৰ তাতেইতো হাত পাতিবা, দেখিম নহয়!"

"অ' জগৰ মইহে লগালো। আপুনি দেখিছো মোকো নেৰিব। জাতি-ভাই প্রেম ক'লৈ গ'ল? আমি চালবাকলি নোহোৱাবোৰক একে লগেই থাকিবলৈ দিয়ক, আপোনালোক চালবাকলি থকাবোৰতো সদায় গোট বান্ধিয়েই থাকে। গাঁৱত ক্লাছ ফাইভলৈ পঢ়িলো, মোহন মহাজনৰ উৎপাতত আৰু পঢ়া নহ'ল। এইবাৰ দেখিছো আপোনালোকে আমাৰ পানী কঢ়িয়াই অৰ্জা ভাত মুঠিবো মুদা মাৰিব।"

নৰেশ্বৰৰ কথাত ৰজত কলিতাই খতমত খালে। নৰেশ্বৰ বৰাৰ সেইখন মুখ যেন মুখ নহয়, একেবাৰে জলা জুইহে। অঞ্চলটোত সেয়েহে তাৰ লগত কোনেও চুপতি নামাৰে। মুখৰ ওপৰতে যি পাই তাকে কৈ দিয়ে। একেবাৰে ভয় ভীত নোহোৱা ল'ৰা। বাজিয়ালৈ পৰোৱাই নকৰে। ৰজত কলিতাৰ লগত তৰ্কাতৰ্কি কৰি থাকোতে মোৰ ভয়েই লাগিছিল। ঠিকতো নাই, ক'ৰবাত জক্ উঠিব বাংকাৰে হাতোৰ হাতোৰ লগাই দিব। আজি কিছুদিন আগতে ছেলটেক্স ছুপাৰইনটেন-ডেণ্ট ৰাজীৰ ফুকনৰ ডাঙৰটো পুতেক ৰমেনে আমাৰ কিনাৰতে থকা গাখীৰ বিকা কাঞ্চীজনীৰ সৰু ছোৱালীজনীক সন্ধিয়া বাটত ধৰি অসৎ ব্যবহাৰ কৰোতে সি গৈ একে ঘোচাই ৰমেনৰ দুটা দাঁত সোলোকাই দিলে। মই চকুদুটা বহলকৈ মেলি তাৰ সুঠাম দেহটোলৈ এবাৰ চালো। ইমান বহল বুকুখনত সোমাই থকা কলিজাটো বা কিমান ডাঙৰ! ক'ৰ নোৱৰাকৈ মই বাওঁখন হাতৰ তলুৱাৰে মোৰ বুকুখন মোহাৰিবলৈ ধৰিলো।

"এই ৰজত, তোমাৰ কাজ হ'লো?"

ভাষা লৈ লাগি থকা কাজিয়াৰ মাজত কাৰোবাৰ বঙলুৱা মাত শুনি চকখাই উঠিলো। অ' এয়া দেখোন ছাপ্লাই ছুপাৰইনটেনডেণ্ট প্রদীপ বেনার্জী। নিশ্চয় প্রাতঃভ্রমণৰ পৰা ঘূৰি আহিছে। প্রাতঃভ্রমণ তেওঁৰ অভ্যাস। ৰাড প্রেছাৰৰ গণ্ডগোল, তাতে আকৌ হার্টৰ ট্রাবোল আছে। তেওঁৰ মাত শুনাৰ লগে লগে ৰজত কলিতাৰ খং কোনোবাখিনি পালেগৈ। এমুখ হাঁহিৰে প্রার্থনাৰ ভংগীত হাত দুখন মোহাৰি মোহাৰি তেওঁ বেনার্জীৰ ওচৰ চাপিল।

"না ছাৰ, হয় নাই। আপনি যদি দয়া কৰে কিছু একটা না কৰেন তাহ'লে মৰে যাবো!"

"হবে, হবে, আজকে অফিছে যাবে। দেৱালে ওগুলো কে লিখেছে?"

"জানি না ছাৰ, কোন বদমাচ চোকৰা হ'বে! ওদেৰ আৰ কাজ নেই! তাহলে ছাৰ, আজকে আমি অফিছে যাব?"

"হ্যাঁ, যেতে পাৰ। তবে শুন্...."

কথাখিনি কৈ বেনার্জীয়ে খোজ লৈ। বেনার্জীৰ লগত অহা কুকুৰটোক ভৰিৰে আঁতৰাই কুকুৰ আৰু মালিকৰ মাজত অকমান ঠাই উলিয়াই ৰজত কলিতা

বেনাৰ্জীৰ কাষে কাষে যাবলৈ ধৰিলে।

"হুহ বেটা অসমীয়াপ্ৰেমী! চুৰা চেলেকিবলৈ যত ফন্দি! অ'ই পেৰাণ তইঁতৰ কলিজাবোৰ মুৰ্গীৰ নেকি অ'? ভয়েই তইঁতক মাৰিব বাপ্পেকে!"— ৰজতইঁত গুচি যোৱাৰ লগে লগে নৰেশ্বৰে গেৰগেৰাই উঠিল।

"কি কৰবো বল? ঐ যাচ্ছে দেখ্ একটা বাঙালীপ্ৰেমী ব্যানাৰ্জীৰ বাচ্ছা! শালা, ওৰ বাড়িতে গেলেই শুনতে পাবি বাঙালী প্ৰেমেৰ লেকচাৰ। শুনলে মনে হয় যেন বাঙালীৰ জন্যে বেটা নিজেৰ জান দিতেও ৰাজী আছে। অথচ গতমাসেও আমাৰ বোনকে শালা পূৰো বেতন দেয়নি। জানিসতো আমাৰ বোনটি ওৰ বাড়িতে ঝিয়েৰ কাজ কৰে। কাজ ঠিকমতে হয়নি এই অজুহাতে পয়সা কেটেছে। শালাৰ আবাৰ বাঙালী প্ৰেম! এইৰকম স্বজাতি প্ৰেমিকেৰ কাপালে ঝাটা মাৰতে ইচ্ছা কৰে।"

"অঁ এতিয়াৰ পৰা মাৰিয়েই দিবি, বুজিছ। আমাৰনো হেৰুৱাবলৈ কিডাল আছে? আমাৰ মাজত কাজিয়াখন লগাই সিহঁতে খালি মাত্ৰ নিজৰ ধান্দা কৰিব চাল্লা। দেখিছো নহয় অতদিনে। সিহঁতৰ মতে চলিলে আনি গুৰ কছু গুতেই পচি থাকিম।"

পেৰাণক ভোৰভোৰাই নৰেশ্বৰে তাৰ পানীভাৰ লৈ গুছি গ'ল। টেপৰ মুখত পেৰাণে তাৰ টিংটো পাতি দিলে। সিহঁতৰ কথাবোৰ শুনি শুনি মোৰ গাতো কিবাখন লাগিল। কিবা এটা ভাবি দূৰলৈ চাওঁতেই চকু পৰিল কৰবীহঁতৰ ঘৰত। নাইট গাউনটো পিন্ধি তাই বাহিৰৰ ল'নখনত পাইচাৰী কৰি আছে। ধৰমৰকৈ বিচনাৰ পৰা উঠি দাঁতোন এডাল লৈ মই ওলাই আহিলো।

দাঁতোনডালেৰে দাঁতকেইটা ঘহি ঘহি মই পদুলি মুখলৈ ওলাই আহি চোৰ চকুৰে কৰবীলৈ চালো। তাই তেতিয়া আপোনভোলা হৈ জিমিৰ লগত খেলি আছে। যেন কোনোবা সৰগৰ অপেশ্বৰী হে! কিহৰ কাৰণেনো ইহঁত গণ্ডগোল লাগিছিল তাক জানিবৰ বাবে মই মোৰ কোঠাৰ আলিৰ পিনৰ বাহিৰৰ বেৰখনলৈ চালো। যোৱা ৰাতি কাউৰীৰ ঠেং যেন আখৰেৰে তাত কোনোবাই দুটা শ্লোগান লিখিছে: "অনা অসমীয়া দোকান বৰ্জন কৰক!" "শাৰী এৰক মেখেলা পীন্ধক!" 'প'ত দীৰ্ঘঈকাৰ লগা 'পীন্ধক'টো দেখি মোৰ চকুকেইটা খচ খচাই উঠিল। টোপনিৰ জাল কাটিবলৈ চকুকেইটা মোহাৰি আকৌ চালো। হয়তো, 'পীন্ধক'কেই লিখিছে! এনেতে জিমিৰ ভুকভুকনি আহি মোৰ কাণত পৰিল। মই কৰবীৰ পিনে দৃষ্টি ঘূৰালো। হঠাৎ মোৰ মনটোৱে জিনিকৈ মাৰিলে। সঁচাতো, মই দিয়াবাৰ এ-ছি-এছত যদি কোনো অনা-অসমীয়া কেণ্ডিডেট নাথাকে তেন্তে কৰবীক আপোন কৰাৰ মোৰ এটা সুচল ওলাল। আপোনা-আপুনি মোৰ ওঁঠত এটা কুটিল হাঁহি ফুটি উঠিল।

"মানুহবোৰ বাৰু নৰেশ্বৰৰ নিচিনা নহয় কিয়?"

পানী নিবলৈ যোৱা মোৰ আপচু সৰুভনীজনীয়ে কাৰোবাক সোধা প্ৰশ্নটো শুনি মই থতমত খালো।

"তব ইয়ে দুনীয়া, দুচৰী দুনীয়া হোতা।"

ভনীজনীৰ কাষতে মাটিৰ কলহ এটা লৈ থিয় দি থকা ৰামলাল খৰিৱালাৰ ঘৈণীয়েকে দিয়া উত্তৰ আহি মোৰ কাণত পৰিল। মোৰ কাণ দুখন অকস্মাত ৰঙা পৰি উঠিল। মূৰ তুলি আকৌ এবাৰ কৰবীহঁতৰ ঘৰলৈ চালো। নাইট গাউনটো পিন্ধি তাই জিমিৰ লগত দৌৰি ফুৰিছে। গাউনটো ৰৰ লাজ লগাকৈ দাং খাইছে। মোৰ নিজৰে লাজ লাগি গ'ল। হঠাৎ হাতৰ দাঁতোনডালে দাঁতৰ আলুত খোঁচ মাৰি দিলে। দাঁতোনডাল সমুখৰ নলাটোলৈ দলি মাৰি দি মই পিছ চোতাললৈ তলমূৰকৈ সোমাই আহিলো। অকিছু ধৰিবলগীয়া আছে।++

অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড্,
পাণবজাৰ: গুৱাহাটী।

ৰাজ্যৰ লক্ষাধিক ছাত্ৰ-ছাত্ৰীৰ উপৰিও চুবুৰীয়া কেবাখনো ৰাজ্যই আমাৰ প্ৰকাশিত পাঠ্যপুথি বিচাৰে, কাৰণ আমাৰ পাঠ্যপুথি অভিজ্ঞ শিক্ষকসকলে সময়ৰ সতে ৰজিতা খুৱাই লেখে গুণে উন্নতমানৰ হয়। তদুপৰি ইয়াৰ দামো আনৰ তুলনাত নিচেই কম। দুখীয়া অভিভাৱকেও সহজে কিনিব পাৰে।

এইবাৰো আমাৰ পাঠ্যপুথিবোৰ আটকধুনীয়াকৈ ছপাবলৈ হাতত লোৱা হৈছে। অহা শিক্ষাবছৰ আৰম্ভ হোৱাৰ আগে আগেই আমি পাঠ্যপুথিৰ যোগান ধৰিব পাৰিম বুলি আশা ৰাখিছোঁ। ইচ্ছুক গ্ৰাহকসকলক নতুন বছৰৰ বাবে গ্ৰাহক হবলৈ এতিয়াই কাৰ্য্যালয়ৰ সতে যোগাযোগ কৰিবলৈ জনোৱা হ'ল।

পৰিচালন সঞ্চালক।

প্ৰবন্ধ

চীনা সাহিত্য জগতত ভূত-প্ৰেতৰ নৃত্য

লু চুন

[ৰচনাঃ ১৯৩৪ চনৰ নবেম্বৰ মাহ। চীন দেশৰ তৎকালীন ৰাজনৈতিক-সাংস্কৃতিক পটভূমিৰ লগত বৰ্তমান আমাৰ দেশৰ যি সহজ সাদৃশ্য এই ৰচনাটিত আছে— তাৎপৰ্যপূৰ্ণ।]

কুৱোমিণ্টাংহঁতে কমিউনিষ্টসকলৰ লগত সহযোগিতা কৰাৰ সলনি তেওঁলোকৰ ধ্বংস কৰাৰ নীতি গ্ৰহণ কৰাৰ পিছত এনেদৰে কোৱা হৈছিল যে আগতে সিহঁতে তেওঁলোকক মাথোন ব্যবহাৰহে কৰিছিল আৰু আৰম্ভনিৰে পৰা সিহঁতৰ পৰিকল্পনা আছিল— উত্তৰাভিযানৰ শেষ পৰ্যায়ত উপনীত হোৱাৰ পিছত কমিউনিষ্টসকলক ধ্বংস কৰা। মই অৱশ্যে এই কথা বিশ্বাস নকৰো। কুৱোমিণ্টাংহঁতৰ মাজত প্ৰভাৱশালী খুব এক কম সংখ্যক সদস্য কমিউনিজমৰ সমৰ্থক নাই। ছোভিয়েট ইউনিয়নলৈ সিহঁতৰ ল'ৰা-ছোৱালীক লেখাপঢ়াৰ বাবে পঠোৱা কথাটোৱেই সিহঁতৰ আগ্ৰহৰ প্ৰমাণ দিছে। কিয়নো, চীনা মাক-বাপেকহঁতে সকলোৰে ওপৰত তেওঁলোকৰ সন্তানহঁতক স্থান দিয়ে। আৰু সেয়ে, তেওঁলোকে কেতিয়াও নিজৰ সন্তানক ধ্বংসৰ শিক্ষা গ্ৰহণ কৰিবলৈ নপঠায়। কিন্তু ভাব হয়, এই প্ৰভাৱশালী ব্যক্তিসকলে ভুল কৰিছে। তেওঁলোকে ভাবিছিল, চীন যদি কমিউনিষ্ট হৈ যায়, তেনেহলে তেওঁলোকৰ ক্ষমতা, উপপত্নীৰ সংখ্যা আৰু সম্পত্তি বৃদ্ধি হৈয়ে থাকিব —অন্ততঃ আগৰ তুলনাত হ্ৰাস নহ'ব।

আমাৰ দেশৰ এটি প্ৰাচীন উপকথাত আছে যে প্ৰায় দুই হাজাৰ বছৰৰ আগেয়ে লিউ নামেৰে এজন লোকে প্ৰচণ্ড অধ্যবসায়ৰ গুণত অমৰত্ব আৰু স্ত্ৰীৰ লগত স্বৰ্গলৈ উৰি যাবৰ ক্ষমতা লাভ কৰে। কিন্তু তেওঁৰ স্ত্ৰী ৰাজী নহ'ল। কাৰণ, তেওঁলোকৰ পুৰণি ঘৰ-বাৰী, হাহঁ-কুকুৰা আৰু কুকুৰক এৰি তেওঁ জীয়াই থাকিব নোৱাৰিব। সেয়ে, লিউৱে দেৱতাৰ ওচৰত পুনৰ প্ৰাৰ্থনা কৰিব লগীয়া হ'ল— যাতে সিহঁতৰ পুৰণি ঘৰ-বাৰী, হাঁহ-কুকুৰা, কুকুৰ আদি লগত লৈ যাব পাৰে। তাৰপিছতো তেওঁলোকে অমৰত্ব লাভ কৰিলে। ফলত যদিও এই পৰিবৰ্তন আহিল, আচলতে কোনো পৰিবৰ্তনেই নহ'ল। যদি এখন কমিউনিষ্ট ৰাষ্ট্ৰত এই জাতীয় মানুহে তেওঁলোকৰ পুৰণি ঐশ্বৰ্য্য অটুট ৰাখিব পাৰে, আৰু

ব্যয়বহুল জীৱন যাপন কৰিব পাৰে, তেতিয়া নিশ্চয় তেওঁলোকে সেই ৰাষ্ট্ৰকে পছন্দ কৰিব। কিন্তু পৰৱৰ্তী ঘটনাসমূহে যেতিয়া প্ৰমাণ কৰিলে যে, সাম্যবাদ দেৱতাৰ দৰে উদাৰ নহয়, তেতিয়া ঠিক কৰিলে যে, কমিউনিষ্টহঁতক ধ্বংস কৰিব লাগিব। তেওঁলোকৰ ল'ৰা-ছোৱালীক যদিও তেওঁলোকে সবাৰে আগত স্থান দিয়ে, তথাপি তেওঁলোকৰ নিজৰ জীৱনক মূল্য দিয়ে সবাৰে ওপৰত।

অতএব, সৰ্বত্ৰই কমবয়সী ল'ৰাহঁতক কমিউনিষ্ট বা যিসকলক কমিউনিষ্ট বুলি সন্দেহ কৰা হ'ল,—বামপন্থী বা যিসকলক বামপন্থী বুলি সন্দেহ কৰা হ'ল তেজ দি পৰিষ্কাৰ কৰিবলগা হ'ল তেওঁলোকৰ আত্মত্ৰুটি আৰু মহৎ ব্যক্তি সকলৰ ভুল। যিহেতু মহৎ ব্যক্তিসকলে ভুল কৰিছিল যুবকহঁতৰ দ্বাৰা প্ৰৰোচিত হৈ, সেয়ে মহৎ ব্যক্তিসকলৰ অৱশ্যেই যুবকসকলৰ ৰক্তৰ বিনিময়ত নিজকে পবিত্ৰ কৰি তোলাটো দৰকাৰী হৈ উঠিছিল। কিন্তু বহুতো যুবকে এই কথা জানিবই পৰা নাছিল আৰু তেওঁলোকে ছোভিয়েট ইউনিয়নত পঢ়া-শুনা শেষ কৰি অত্যন্ত আনন্দেৰে ঘৰলৈ উভটিছিল, মংগোলিয়াৰ পৰা উটৰ পিঠিত উঠি। মোৰ মনত আছে, এজন বিদেশী পৰ্যটকে এই ঘটনা দেখি দুখ কৰি কৈছিল— এওঁলোকে বুজিবই পৰা নাই যে নিজৰ দেশত এওঁলোকৰ বাবে কেনেদৰে ফাঁচিৰ ৰছী ওলমি আছে।

হয়, অনেক ফাঁচিকাঠেই তৈয়াৰী হৈ আছে। কিন্তু ফাঁচিকাঠ খুব এটা বেয়া বস্তু নহয়। আপোনাৰ গলাত সামান্য এডাল ৰছীৰে ফাঁচি দিয়াটো বেছ ভদ্ৰ ব্যবহাৰ। তদুপৰি প্ৰত্যেকেইতো আৰু ফাঁচিকাঠতেই শেষ হোৱা নাই, বহুতেই ফাঁচিকাঠত ওলমি ৰোৱা বন্ধুক ধৰাই দি বাছি যোৱাৰ পথ উলিয়াব পাৰিছে। এয়া নিশ্চয় তেওঁলোকৰ অনুতাপৰ এক জ্বলন্ত প্ৰমাণ। আৰু যিসকলে অনুতাপ কৰিব পাৰে, তেওঁলোক অতিকে মহান।

দুই

অনুতাপ কৰাত অনিচ্ছুক চীনৰ সমস্ত কমিউনিষ্ট ইয়াৰ পিছতেই সমাজবিৰোধী হৈ গ'ল আৰু স্বাভাৱিকতেই তেওঁলোকৰ প্ৰাপ্য শাস্তি হ'ল মৃত্যু। আৰু এই সমস্ত সমাজবিৰোধীসকলে অন্যান্যক অশেষ সুযোগ কৰি দিলে। তেওঁলোক বিক্ৰী যোগ্য পণ্যলৈ পৰিণত হ'ল আৰু অনেকৰ বাবে নতুন জীৱিকাৰ পথ মুকলি কৰি দিলে। স্কুলত গণ্ডগোল বা প্ৰেমৰ প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰত বিৰোধীপক্ষক কমিউনিষ্ট বা সমাজবিৰোধী আখ্যা দিব পাৰিলে সমাধানৰ পথটো সহজেই ওলাই পৰে। কোনো ধনী কবিৰ লগত আপুনি তৰ্ক কৰিলে তেওঁ সিদ্ধান্ত কৰিব: কমিউনিষ্টে বুৰ্জোৱাৰ বিৰোধিতা কৰে। মোৰ টকা আছে বাবেই সি মোৰ বিৰোধিতা কৰিছে। অতএব সি নিশ্চয় কমিউনিষ্ট। তাৰপিছত প্ৰতিভাধৰ ব্যক্তিজনে সোণ-ৰূপৰ ৰথ যাত্ৰাত প্ৰত্যাবৰ্তন কৰিব লাগিব।

কিন্তু এই তৰুণ বিপ্লবীসকলৰ ৰক্তই আগৰ তুলনাত আৰু বিপ্লবী কৰি গঢ়ি বিপ্লৱী সাহিত্যৰ অংকুৰকেই সমৃদ্ধতৰ কৰিছে। যিহেতু চৰকাৰৰ হাতত বিদেশত বা

চীনত শিক্ষাপ্রাপ্ত খুব কম সংখ্যক যুবকহে আছে, সেয়ে চৰকাৰ এই বিষয়ত স্বাভাবিকতে সচেতন। প্ৰথমে চৰকাৰে ব্যবহাৰ কৰিলে কিছুমান সাধাৰণ পদ্ধতি—কিতাপ নিষিদ্ধ কৰা, লেখকৰ ওপৰত অত্যাচাৰ কৰা আৰু সদৌশেষত তেওঁলোকক হত্যা কৰা। পাঁচজন বাঁওপন্থী লেখকক হত্যা কৰা হ'ল ইয়াৰ দৃষ্টান্তৰ বাবে। এইবোৰ অবশ্যে প্ৰকাশ্যভাবে কোৱা হোৱা নাই, কিয়নো তেওঁলোকে জানে—এইবোৰ কাম কৰিব পাৰি কিন্তু কোৱাটো ঠিক নহয়। তেনেদৰে প্ৰাচীনপন্থীসকলে বহু আগেয়ে কৈ গৈছে— 'ঘোৰাৰ পিঠিত উঠি তুমি ৰাজ্য জয় কৰিব পাৰিলেও ঘোৰাৰ পিঠিত উঠি তুমি ইয়াক শাসন কৰিব নোৱাৰিবা।' বিপ্লবী সাহিত্য ধ্বংস কৰিবৰ বাবে তেওঁলোক এইবাৰ বাধ্য হ'ল সাহিত্য সংক্ৰান্ত অস্ত্ৰসমূহ ব্যবহাৰ কৰিবলৈ।

প্ৰথমেই যিটো হাতিয়াৰ তেওঁলোকে আমদানি কৰিলে, তাৰ নাম হ'ল জাতীয়তাবাদী সাহিত্য; এই লেখকসকলে বিভিন্ন লোকৰ দেহৰ ৰং পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হ'ল যে একে দেহৰ ৰং থকা ব্যক্তিসকলে ঐক্যবদ্ধ কৰ্মসূচী গ্ৰহণ কৰা উচিত। যেনে, হালধীয়া চামৰাৰ সৰহাৰাৰ কেতিয়াও হালধীয়া চামৰাৰ মালিকৰ লগত যুঁজ কৰা ঠিক নহয়, সিহঁতৰ বৰঞ্চ উচিত বগা চামৰাৰ সৰ্বহাৰাৰ লগত যুঁজ কৰা। তেওঁলোকে সেয়ে চেংগিছ খাঁক তেওঁলোকৰ মডেল হিচাপে থিয় কৰালে। আৰু বৰ্ণনা কৰিলে— চেংগিছৰ নাতি বাটু খাঁই কিদৰে হালধীয়া চামৰাৰ দলবল লৈ ৰাছিয়াৰ সভ্যতাক ধ্বংস কৰিছিল, আৰু ৰাছিয়াৰ অভিজাত আৰু সাধাৰণ মানুহবোৰক দাসত্বৰ বন্ধনেৰে আবদ্ধ কৰিছিল। যুঁজ কৰা সম্পৰ্কত এজন মোগলে বাটু খাঁক অনুসৰণ কৰাটো চীনা জাতিৰ বাবে বিশেষ গৌৰবজনক নহলেও, ৰাছিয়াক নিঃশ্চিহ্ন কৰিবৰ উদ্দেশ্যত কৰিবই লগা হ'ল। কিয়নো, আমাৰ মাতব্বৰসকলে জানে যে পুৰণি ৰাছিয়া ৰূপান্তৰিত হৈছে আজিৰ ছোভিয়েট ইউনিয়নলৈ, যাৰ নীতিসমূহে তেওঁলোকৰ ক্ষমতা, সম্পদ বা উপপত্নীৰ সংখ্যা বৃদ্ধি কৰাত মুঠেই সাহায্য নকৰিব।

১৯৩১ চনৰ ছেপ্তেম্বৰত জাপানে আমাৰ দেশৰ উত্তৰ-পূব অঞ্চলৰ তিনিখন প্ৰদেশ দখল কৰা ঘটনাটোৱে ছোভিয়েট ইউনিয়নক ধ্বংস কৰা সংক্ৰান্তত চীনে অন্য শক্তিক অনুসৰণ কৰাৰ পথ প্ৰশস্ত কৰি দিলে। আৰু আমাৰ 'জাতীয়তাবাদী' লেখকসকলৰ ইয়াতেই সন্তুষ্ট থকা উচিত আছিল। কিন্তু যি কোনো এজন সাধাৰণ মানুহৰ ওচৰত উত্তৰ-পূবৰ তিনিখন প্ৰদেশ হেৰোৱাৰ ঘটনাটোৱে ছোভিয়েট ইউনিয়ন ধ্বংস হোৱাতকৈও বেছি গুৰুত্ব পালে আৰু তেওঁ উত্তেজিত হৈ উঠিল। স্বাভাবিকতেই জাতীয়তাবাদীসকলেও তেতিয়া হাৱা বদলাই কন্দাকটা আৰু শোক প্ৰকাশ কৰিব লগা হ'ল। বহুতো উৎসাহী তৰুণে নানকিঙত গৈ হাজিৰ হ'ল—বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ আৰু লগে লগে সশস্ত্ৰ প্ৰতিৰোধ কৰাৰ বাবে দাবী জনাবলৈ। তেওঁলোক কিন্তু প্ৰচণ্ড অগ্নিপৰীক্ষাৰ মাজেৰে যাব লগা হ'ল। উন্মুক্ত পথাৰত কেইদিনমান কটোৱাৰ পিছতহে নানকিঙলৈ যোৱাৰ বেলত উঠিবলৈ অনুমতি পালে। বহুতেই খোজকাঢ়ি যাব লগা হ'ল। তদুপৰি, নানকিঙত তেওঁলোক আক্ৰান্ত হ'ব লগা হ'ল বিপুল সংখ্যক নাগৰিকৰ দ্বাৰা—যিসকলে লাঠি, চাবুক আৰু পিস্তল লৈ তেওঁলোকৰ ওপৰত জপিয়াই পৰি মাৰপিট কৰিলে আৰু প্ৰহাৰেণ ধনঞ্জয়

তৰুণসকল উভটি আহিব লগা হ'ল। তেওঁলোক কিছুমান অদৃশ্য হ'ল, বহুতকে ডুবাই মৰা হ'ল। অবশ্যে সংবাদ পত্ৰসমূহৰ মতে, তেওঁলোক নিজেই ডুবি মৰিছিল।

ইয়াৰ পিছতেই জাতীয়তাবাদী লেখকসকলৰ কন্দাকটা আৰু শুনিবলৈ পোৱা নগ'ল আৰু কোনোধৰণৰ চিন-চাব নৰখাকৈয়ে তেওঁলোক অদৃশ্য হৈ গ'ল—শৰযাত্ৰাত ভাৰাতীয়া শোকাকুল ব্যক্তিসকলৰ দায়িত্ব শেষ হ'ল। ঠিক চাংহাইৰ শৰযাত্ৰাৰ দৰেই। এদল ভাৰাতীয়া গায়ক আৰু শোকাৰ্ত লোকক লৈ এই শৰযাত্ৰা আৰম্ভ হয় আৰু এওঁলোকে ঠিক গান গোৱাৰ দৰে কন্দাকটা কৰি শৰযাত্ৰাত যোগ দিয়ে। আচলতে কিন্তু তেওঁলোকৰ কাম হ'ল দুখক হেঁচা মাৰি ৰখা, যাতে মানুহে দুখৰ কথা পাহৰি যায়। এই কামটো সম্পন্ন হোৱাৰ পিছতে তেওঁলোক যেনিতেনি গুছি যায় আৰু শোকযাত্ৰাও অদৃশ্য হৈ যায়।

তিনি

কিন্তু তথাপি উজুটি নোখোৱাকৈ বিপ্লবী সাহিত্যই আৰু বিকাশ লাভ কৰিলে, আৰু ফলত পাঠকৰ আস্থাও বাঢ়ি গ'ল।

ইয়াৰ পিছত অন্য একপক্ষই তথাকথিত 'তৃতীয় পক্ষৰ' জন্ম দিলে। এওঁলোক কোনোমতেই বামপন্থী নহয়, আৰু তেওঁলোকক দেখি সোপন্থী যেনো নালাগে। এওঁলোকে গা বছাই চলিছিল। তেওঁলোকৰ বাবে সাহিত্য অবিনশ্বৰ আৰু ৰাজনৈতিক ঘটনাৰাজি সাময়িক। গতিকে সাহিত্যিক ৰাজনীতিৰ লগত কোনোপধ্যেই লেটি-পেটি কৰিব নোৱাৰি। সেয়ে যদি কৰা হয় সাহিত্যই ইয়াৰ চিৰায়ত মূল্য হেৰুৱাব; চীনত আৰু অমৰ কীৰ্তি সৃষ্টি নহ'ব। তথাপি কিন্তু সাহিত্যৰ প্ৰতি ইমান বিশ্বস্ত এই 'তৃতীয় গোষ্ঠীৰ' ব্যক্তিসকলে কোনো অমৰ সৃষ্টি কৰিব নোৱাৰিলে। কিয়? কাৰণ সাহিত্যৰ একো নুবুজাকৈয়ে বামপন্থী সমালোচকসকলে তেওঁলোকৰ শ্ৰেষ্ঠ আদানসমূহক অতি কঠোৰ আৰু বেঠিক সমালোচনা কৰিবলৈ ধৰিলে, যেতিয়ালৈকে তেওঁলোকে লেখা বন্ধ নকৰিলে। এই সমস্ত বামপন্থী সমালোচকসকল আচলতে চীনা সাহিত্যৰ হত্যাকাৰী

বহুতো প্ৰকাশনৰ ওপৰত চৰকাৰী নিষেধাজ্ঞা বা লেখকসকলক কৰা হত্যাৰ বিৰুদ্ধে এই সমস্ত 'তৃতীয় গোষ্ঠীৰ' ভদ্ৰলোকসকলে কোনো মন্তব্যও নকৰিলে—কিয়নো এইবোৰ হ'ল ৰাজনৈতিক ব্যাপাৰ। এই সম্পৰ্কে কিবা লেখা মানে তেওঁলোকৰ লেখাৰ চিৰস্থায়ী মূল্য ধ্বংস কৰা। তদুপৰি 'চীনা সাহিত্যৰ হত্যাকাৰী' সকলক যিসকলে অত্যাচাৰ আৰু হত্যা কৰিছে, তেওঁলোকে আচলতে 'তৃতীয় গোষ্ঠীৰ' মহান আৰু চিৰস্থায়ী লেখাসমূহকে ৰক্ষা কৰিছে।

তেওঁলোকৰ দুৰ্বল আৰু পেনপেনীয়া আবদাৰসমূহ যদিও একধৰণৰ অস্ত্ৰ, কিন্তু তথাপি বিপ্লবী সাহিত্যক ধ্বংস কৰাত সেইবোৰ আছিল নিতান্তই দুৰ্বল। সেয়ে

OKRICD

'জাতীয়তাবাদী সাহিত্যৰ' যেতিয়া স্বাভাৱিক মৃত্যু ঘটিল আৰু 'তৃতীয় গোষ্ঠী'ও খোৱোঙত সোমাল, কৰ্তৃপক্ষই আকৌ এবাৰ সিহঁতৰ প্ৰকৃত অস্ত্ৰসমূহৰ আশ্ৰয় লবলৈ বাধ্য হ'ল।

১৯৩৩ চনৰ নবেম্বৰত এদল লোকে চাংহাইৰ ইউহিয়া ফিল্ম কোম্পানী আক্ৰমণ কৰিলে আৰু ইয়াক ধ্বংসস্তূপত পৰিণত কৰিলে। আক্ৰমণকাৰীহঁত সুসংঘবদ্ধ আছিল। দুইছেল বজাৰ লগে লগে সিহঁতে কাম আৰম্ভ কৰিলে, আৰু দুইছেল বজাৰ লগে লগে পুনৰ বায়ুৰ লগত মিলি গ'ল। সিহঁতৰ প্ৰচাৰপত্ৰত এই শাস্তিমূলক অভিযানৰ কাৰণ হিচাপে জবাব দিলে—কমিউনিষ্টহঁতে এই কোম্পানী ব্যৱহাৰ কৰিছিল। আচলতে সিহঁতৰ এই শাস্তিমূলক অভিযান এটিমাত্ৰ ফিল্ম-কোম্পানীতেই আবদ্ধ থকা নাছিল—বিয়পি পৰিছিল কিতাপৰ দোকানসমূহতো। কোনো কোনো ক্ষেত্ৰত এটা সশস্ত্ৰ দল উধাও হৈছে সকলোবোৰ লণ্ড-ভণ্ড কৰি। ক'ৰবাত ক'ৰবাত শিল দলিয়াই ভঙা হৈছে খিৰিকীৰ আয়না, যাৰ এখনৰ দামেই দুশ ডলাৰ। অবশ্যেই এইক্ষেত্ৰতো যুক্ত হ'ল,—কমিউনিষ্টহঁতে এইবোৰ দোকান ব্যবহাৰ কৰে। এই দামী দামী খিৰিকীবোৰৰ ওপৰত আক্ৰমণৰ সম্ভাবনাই মেনেজাৰসকলক বৰ বিপদত পেলাইছে। কেইদিমানৰ পিছতেই কেই-জনমান 'লেখকে' তেওঁলোকৰ 'মহান ৰচনা' বিক্ৰী কৰিবলৈ আহিল। কোনেও এইবোৰ নপঢ়ে বুলি জানিও প্ৰকাশকসকলে পাণ্ডুলিপি কিনি ৰাখিলে। কাৰণ, খিৰিকীৰ আয়নাতকৈ ইয়াৰ খৰছ কম আৰু পুনৰ আক্ৰমণৰ হাত সাৰিবলৈ ইয়াৰ বাহিৰে কোনো উপায়ো নাছিল।

চাৰি

অতএব কিতাপৰ দোকানৰ ওপৰত অত্যাচাৰেই সকলোতকৈ ভাল কৌশল হৈ পৰিল। অবশ্যে মাত্ৰ কেইবাৰমান পাথৰ দলিওৱাই যথেষ্ট নহয়। কেন্দ্ৰীয় প্ৰচাৰ কমিটিয়ে ১৪৯ খন কিতাপ নিষিদ্ধ কৰাৰ এখন বিৰাট তালিকাও প্ৰকাশ কৰিলে। প্ৰকৃতাৰ্থত বহুল প্ৰচাৰিত প্ৰায় সকলো কিতাপকেই এই তালিকাত সন্নিবিষ্ট কৰা হ'ল। কোৱা বাহুল্য, বামপন্থী চীনা লেখকসকলৰ অধিকাংশ কিতাপেই নিষিদ্ধ কৰা হ'ল আৰু অনুবাদ গ্ৰন্থসমূহো বাদ নপৰিল। উদাহণৰস্বৰূপে, গৰ্কি, লুনাচাৰস্কি, ফেদিৰ, ফাদায়েভ, চেৰাফেমোভিচ আৰু আপ্ টন ছিনক্লেয়াৰ। তাৰ উপৰিও আছে মেটাৰলিংক, ছোলোগাব আৰু ষ্ট্ৰীণ্ডবাৰ্গ।

ফলত, প্ৰকাশকসকল যথেষ্ট অসুবিধাত পৰিল। কিছুমানে লগে লগে এই কিতাপবোৰ পুৰি পেলালে। কোনো কোনোৱে অবস্থাটো চ'ত্ৰালিবলৈ বুলি অফিছাৰৰ লগত দৰ কটাকটি আৰম্ভ কৰিলে আৰু কোনো কোনো ক্ষেত্ৰত শেষ পৰ্যন্ত তেওঁলোকৰ দয়া লাভ কৰিবলৈ সক্ষম হ'ল। ভবিষ্যতে প্ৰকাশনৰ অসুবিধা দুৰ কৰিবলৈ অফিছাৰৰ আৰু প্ৰকাশকসকলৰ এখন মিটিং হ'ল। পত্ৰিকা সম্পাদক হিচাপে 'তৃতীয় গোষ্ঠীৰ' বহুতেই প্ৰকাশকৰ মূলধন আৰু বিশুদ্ধ লেখাসমূহ বছাবৰ বাবে

জাপানী প্ৰথা গ্ৰহণৰ বাবে চুপাৰিছ কৰিলে। অৰ্থাৎ প্ৰকাশৰ পূৰ্বেই পাণ্ডুলিপি পৰীক্ষা কৰা—যাতে প্ৰকাশৰ পিছত বামপন্থী লেখক হোৱাৰ অপৰাধত কিতাপ নিষিদ্ধ নহয় আৰু প্ৰকাশ হোৱাৰ পিছত নিষিদ্ধ কৰাৰ ফলত প্ৰকাশকসকলে আৰ্থিক ক্ষতি স্বীকাৰ কৰিব লগা নহয়। সকলো পক্ষকে খুচি কৰা এই প্ৰস্তাব গ্ৰহণ কৰা হ'ল, যদিও এইটো পূৰ্বৰ বাটু খাঁৰ গৌৰবময় পদ্ধতিৰ সদৃশ নহ'ল।

লগে লগে এই ব্যবস্থা কাৰ্যকৰী কৰা হ'ল। যোৱা জুলাই মাহত চাংহাইত পত্ৰ-পত্ৰিকা আৰু কিতাপ পৰীক্ষা কৰিবৰ বাবে এখন কমিটি প্ৰস্তুত কৰা হৈছে। ফলত, অনেক 'পণ্ডিতেই' বেকাৰিত্বৰ পৰা মুক্তি লাভ কৰিলে। পৰীক্ষকৰ আসনত দেখা গ'ল অনেক অনুতপ্ত প্ৰাক্তন বিপ্লবী লেখক আৰু 'তৃতীয় গোষ্ঠীৰ' লেখক সকলক— যি সকলে সাহিত্য আৰু ৰাজনীতিৰ লেটি-পেটিৰ বিৰোধিতা কৰিছিল। এওঁলোক সাহিত্য জগতৰ লগত ভালদৰে পৰিচিত, আমোলাসকলতকৈ বহুতো কম বুদ্ধিমান আৰু ব্যংগ-বিদ্ৰুপৰ অৰ্থ ভালদৰে বুজি পায়। যি কি নহওক, এজন লেখকৰ বাবে সৃষ্টিধৰ্মী ৰচনাতকৈ কলমৰ ঘহা-পিহা কৰাটো অধিক সহজ কাম আৰু মই শুনিবলৈ পাইছো—ইয়াৰ পৰা হেনো অপূৰ্ব ফলাফল পোৱা গৈছে।

জাপানক উদাহৰণস্বৰূপে দেখুৱাবলৈ গৈ এওঁলোকে অবশ্যেই ভুল কৰিছে। এইটো সত্য যে জাপানত শ্ৰেণী-সংগ্ৰামৰ কথা কোৱাটো নিষিদ্ধ, কিন্তু পৃথিবীত শ্ৰেণী-সংগ্ৰাম আছে, এইটো তেওঁলোকে অস্বীকাৰ কৰা নাই। অন্যহাতে, চীনত এওঁলোকে শ্ৰেণী-সংগ্ৰামৰ অস্তিত্বকেই অস্বীকাৰ কৰে। কয়—এইটো কাৰ্ল মাক্স'ৰ অনীক কল্পনা, সেয়ে সত্য ৰক্ষাৰ খাতিৰত এনে জাতীয় কথা নিষিদ্ধ কৰা উচিত। এইটোও সত্য যে, জাপানতো কিতাপ-পত্ৰ পৰীক্ষা কৰা হয়, কিন্তু বাদ দিয়া অংশবোৰ তাত খালি ৰখা হয়, যাতে পাঠকে তৎক্ষণাৎ বুজি পায়—কোন অংশটি বাদ দিয়া হৈছে। অন্যহাতে চীনত কোনো খালি জেগা ৰাখিবলৈ দিয়া নহয়। পাঠ্যবস্তু চিধাচিধি আগ বাঢ়ে, ফলত পাঠকে ভাবে-লেখাটি সম্পূৰ্ণ, কেবল লেখকেহে আজে বাজে বলকিছে। আৰু বৰ্তমান চীনা পাঠকৰ ওচৰত আজে বাজে কোৱাৰ অপৰাধৰ পৰা ফ্ৰিচ, লুনাচাৰস্কি আৰু অন্যান্য লেখকেও অব্যাহতি পোৱা নাই।

অতএব, বৰ্তমান প্ৰকাশকসকলৰ মূলধন নিৰাপদ আৰু 'তৃতীয় গোষ্ঠীৰ' পতাকাও অদৃশ্য, কাৰণ তেওঁলোক এতিয়া অন্য লেখকসকলক ফাঁচিৰ পিনে ঠেলি দিয়াত ব্যস্ত। আৰু তেওঁলোকৰ প্ৰতিনিধিত্ব কৰিব পৰা কোনো লেখাও প্ৰকাশ হোৱা নাই। কাৰণ, তেওঁলোকে পৰীক্ষকৰ কলম লৈ উঠোৱা-নমোৱা বেপাৰত তেওঁলোকৰ ক্ষমতা দেখুৱাৰ কাৰ্যত প্ৰচণ্ড ভাবে ব্যস্ত। পাঠকসকলে নিশ্চয় লক্ষ্য কৰিছে যে, সমস্ত পত্ৰ-পত্ৰিকাই জহান্নামলৈ গৈছে, সমস্ত লেখাই ক্ৰমশঃ অধো-গমন কৰিছে আৰু অন্যদেশৰ বিখ্যাত প্ৰগতিশীল লেখকো হঠাৎ বুৰক হৈ গৈছে।

বাস্তবিকতে কিন্তু পূৰ্বৰ তুলনাত সাহিত্যৰ জগত আৰু তীব্ৰভাবে দ্বিধা-বিভক্ত হৈ পৰিছে। কোনো চল-চাতুৰিয়েই আৰু বেছি দিন ধৰি চলি থাকিব নোৱাৰে। আৰু এখন নিশ্চিত যুদ্ধ আসন্ন হৈ উঠিছে।++

বন্য ৰচনা

মাছ

শ্ৰীমুনীন ভূঞা

পানীত মাছ বিচৰণ কৰি ফুৰা দেখিলে সৰু ল'ৰাছোৱালী বাদেই ডাঙৰ মানুহৰো চাই থাকিবৰ মন যায়। পানীত ইহঁতে বুৰবুৰণি তুলি ফুৰে।

মাছ দুবিধঃ— (১) সঁচা মাছ
(২) মিছা মাছ

মিছা মাছকো আকৌ ভাগ কৰিব পাৰিঃ— (১) নামটোৱেই মিছা
আৰু (২) সঁচা মাছৰ গুণ নথকা আনবোৰ মাছ।

সঁচা মাছ— যি বিলাক মাছৰ তেজটোপা ৰঙা, গাত কাঁইট আছে আৰু গোটেই জীৱন জুৰি পানীতে কটায় সিহঁতক সঁচা মাছ বোলে।

মিছা মাছ— নামটোৱেই মিছা বিধ মাছ তেজ নোহোৱা ধেলধেলীয়া। গতিকে গোটেই জীৱন পানীত থাকিলেও হাড় (বা কাঁইট) আৰু তেজ নথকাৰ বাবে সিহঁতৰ জীৱন মিছা। গতিকে ইহঁতৰ বন্ধুবোৰো মাছ নহয় —যদিও সিহঁতৰ নামবোৰ ধুনীয়া, যেনে— জেলি মাছ, তৰা মাছ, কাটল মাছ ইত্যাদি।

সঁচা মাছৰ কাণত ধৰি আমি চাওঁ। যদি তেজ ৰঙা হৈ থকা পাওঁ তেন্তে পাকঘৰৰ সামগ্ৰী হিচাপে কিনি আনো।

আমাৰ নিচিনা বিলাকে মাছ বুলিলে বেছি দ' পানীৰ মাছ খাবলৈ নাপাওঁ। কুঢ়ি, বৰালী, চেনিপুঠি, আদি অবশ্যে সহজে পায়। গৰৈ, চেঙা, শ'ল আদি বজাৰত ওচৰত মানুহ নাথাকিলেহে কিনা হয়। মাগুৰ, শিঙি আদি ঘৰত বেমাৰী মানুহ থকাতহে কিনিব লগীয়া হোৱাৰ অজুহাতটো ওচৰৰ গ্ৰাহক আৰু বেপাৰীক জনাই দিয়া হয়। অবশ্যে ৰৌ-চিতল আদি মাছৰ নাম আমি শুনো। কাগজে-পত্ৰইও পঢ়ো। আৰু বজাৰত ধনী মানুহে যিমান দাম সিমানতে কিনাও দেখোঁ। কেতিয়াবা নতুনকৈ বিয়া কৰোৱা ঘৰৰ শহুৰ আহিলে এনে দ' পানীৰ মাছ যদি কিনা হয় তেনেহলে এৰোপ্লেনেৰে যাওঁতে বেগত লগাই দিয়া তাৰ নিচান টিকটটো ফালি নেপেলাই যিমান পাৰি সিমান দিনলৈ সযন্তে ৰাখি থোৱাৰ দৰে চবকে কৈ ফুৰিবলৈ মন যায়।

বিধে বিধে পোৱা মাছৰ ভিতৰত চেঙেলী, গৰৈ, চেঙা, শ'ল, শাল আদি এক শ্ৰেণীৰ; চেলকনা, দৰিকনা এক শ্ৰেণীৰ; কান্ধুলী, চিতল আদি এক শ্ৰেণীৰ আৰু ৰৌ-বাহু আদি এক শ্ৰেণীৰ। এনেদৰে মাছৰ শ্ৰেণীয়ে শ্ৰেণীয়ে ভাগ কৰিব পাৰি।

চেঙেলীঃ তেনেই বাম পানীৰ মাছ। আনকি পানী নাথাকিলেও বোকাত লেটিপেটি হৈ মাটিত জপিয়াই ফুৰে। বৰষুণ দিলে চোতালতে আহি ওলায়হি। বৰশি টোপাবই নোৱাৰি। টোপ দেখিলেই মুখত দি বৰশিত লাগে।

গৰৈঃ চেঙেলীতকৈ কিছু ডাঙৰ। বেমাৰী মানুহে জোল বনাই খালে গাত শক্তি পায়। পোৱালীবোৰ অৰ্থাৎ পোনাবোৰ সোণালী বৰণৰ। মাক-বাপেকে চৰাই ফুৰে। বৰশি দিলে চেঙেলীতকৈ অলপ ভাবি চিন্তি খোঁট দিয়ে। অবশ্যে পোনা চৰাই ফুৰোতেও কেতিয়াবা বৰশিৰ টোপত খোঁট দি পিছ মুহূৰ্ততে জ্ঞান পায় আৰু কেঁট কেঁট কৰে। লগৰটোৱে তেতিয়া পানীৰ পৰা ওপৰলৈ জাপ মাৰি দিয়ে বচাবলৈ।

চেঙা-শ'ল-শালঃ এইবোৰ কাঠ মাছ। চেঙাৰ গা নীল বৰণীয়া। অপূৰ্ব ধুনীয়া। গৰৈতকৈ ডাঙৰ। বৰশিত খোঁট দিয়াবলৈ সময় লাগে। শ'ল আৰু শাল সাধাৰণতে দলনীত থাকে। শাল মাছ কোনো কোনো উচ্চ জাতৰ হিন্দুৱে জাতৰ পৰা খহি পৰে বুলি ভয়তে নাখায়। শ'ল-শালৰ ডাঙৰবিধ হোটেলত খুব ভালকৈ ভাজি ৰৌ মাছ বুলি গ্ৰাহকক খুৱায়। ইহঁতক ধৰিবলৈ বৰ বৰশি লাগে। বেং এটা বৰশিত লগাই লৈ বহুত দূৰলৈ বৰশিটো মাৰি পঠাই আৰু পানীৰ ওপৰে ওপৰে বৰশিটো টানি আনি থকা হয়। তেতিয়াই টোপটো মাছৰ চকুত পৰে।

মাগুৰ, শিঙিঃ ইহঁত কেট কেটকৈ ক'লা। নাকৰ ওচৰত গোঁফ কেইডালমান থাকে। অবশ্যে গোঁফকেইডাল মানুহৰ দৰে চুলিৰ নহয়। মঙহৰে। পিছে কাণৰ ওচৰত লুকুৱাই থোৱা কাঁইটকেইডালৰ বাবে ইহঁত বৰ ভয় লগা। ইহঁতক ডাঙৰ মাছ বুলিব পাৰি। সেয়ে ইহঁতে ঘোলা পানী ভাল পায়। অবশ্যে পানীখিনি কিছু দ' হয়। বৰশিৰ টোপেৰে ইহঁতক সহজে ভুলোৱা টান। পল আদিৰে ঘেৰাও কৰিহে ইহঁতক ধৰিবলৈ ভাল।

কান্ধুলি, চিতলঃ ইহত চেপেতা মাছ। দেখিবলৈ ৰূপোৱালী বৰণৰ। চিতলৰ পিঠিত আকৌ ৰঙা ভাগ কটা থাকে। দুয়োৰে স্বভাব চিতলং পতলং। ঠাইতে লুটি মাৰে। তাকে যেনিবা কান্ধুলি অলপ কম পানীৰ, চিতল দ পানীৰ।

ৰৌ-বাহুঃ ইহঁত বৰ দ পানীৰ। বুঢ়া ৰৌৰ গাত আনকি শেলুৰৈ পৰা দেখা যায়। এইবোৰ মাছে এলাপেছা টোপক টোপ বুলিয়েই নাভাবে। নিজে দামী কাৰণে দামী মানুহৰ বৰশিত লাগে।

ইমানখিনি কলো যদিও মাছৰ অন্ত পৰাই নাই। ধৰক দৰিকনা; ইহঁতে ক'ৰবাত পানী এচলু পালেই নাচি ফুৰেহি—মাছ যে পানীত ফুৰে তাকে মানুহক মনত পেলাবৰ কাৰণেই যেন ইহঁতে এনে কৰে। গাত দীঘল দীঘল আঁচ পৰা বিধক আমাৰ ভাষাত দেওদৰিকনা আৰু ইংৰাজী ভাষাত জেব্ৰা মাছ বোলে। ইহঁত দ্ৰয়িং ৰুমৰ একুৰিয়ামৰ বস্তু।

চন্দা, পুঠি, চেনি, কুঢ়ি, পাভ, ভেটেকী, গেদগেদী, খলিহনা, পুঙা, গৰুৱা—

বিধে বিধে মাছৰ নাম কৈ শেষ কৰিব নোৱাৰি। আমি সাগৰৰ দৰে মগজ ঘ বি যোৱাকৈ গভীৰ পানীৰ মাছৰ কথা কোৱাই নাই। আচলতে এনেকৈ মাছৰ বিষয়ে কৈ থাকিলে শেষ নহ'ব। গতিকে শেষ কৰি দিয়াৰ আগতে কৈ থোৱা ভাল যে— মাছ ধৰাৰ বিধে বিধে নিয়ম থাকিলেও ৰৱশিত টোপ দি ধৰাতহে আটাইতকৈ মজা বেছি। গতিকে মাছ খকুৱা হ'বই লাগিব। খকুৱা নহলে সিহঁতে টোপত মুখ নিদিব। আৰু টোপত মুখ নিদিলে ৰৱশিত নুঠিলে কিহৰ মাছ! চৰকাৰে অবশ্যে মাছ ধৰাৰ কায়দা জানে। মাছ ধৰা শাখা এটাই আছে।

এইখিনিতে গংগাটোপৰ কথা নকলে মাছৰ বিষয়ে আধৰুৱা হৈ ৰব। ইয়াৰ পেটটো মহাজনৰ দৰে গোল হোৱাত ডিঙিটো নাইকিয়া হৈ মুখখন পেটতে লাগি থাকে। ফিছা অকনমান অবশ্যে দেখা যায়। মুখখনত বতাহ অকনমান লাগিলেই গংগাটোপ ফুলি গৈ থাকে। অবশ্যে শেষ মুহূৰ্তত ই ফুটি থাকেগৈ।

গতিকে আৰম্ভনিৰ মাছৰ সংজ্ঞা বাদ দি আমি শেষ সিদ্ধান্তত উপনীত হৈছো যে— পানীত বুৰবুৰণি তুলি ফুৰা, ৰঙা কিন্তু শীতল তেজৰ, আনৰ ভোজন সামগ্রী হোৱা এবিধ খকুৱা প্রাণীকে মাছ বোলে।

মাছৰ বিষয়ে মই য'ত শেষ কৰিলো তাতে আনে আৰম্ভ কৰিবও পাৰে। ++

সাম্প্রতিক সাময়িকীলৈ শাৰদীয় ওলগ সহ

বি, এন, দে এণ্ড কোং

পাণবজাৰ, গুৱাহাটী-৭৮১০০১ ॥ ফোন ঃ ২৬৯৭৯

গুৱাহাটী মহানগৰত ভাৰতৰ বিখ্যাত বাতৰিকাকত আৰু আলোচনীসমূহৰ যোগান আমিয়েই ধৰোঁ।

দি ষ্টেটছমেন্, জুনিয়ৰ ষ্টেটছমেন্, টাইমছ্ অব্ ইণ্ডিয়া, নৰভাৰত টাইমছ্, ইকনমিক্ টাইমছ্ ইলাষ্ট্রেটেড্ উইক্‌লী, ফিল্ম ফেয়াৰ, ধর্মযুগ, ফেমিনা, মাধুৰী, ইভছ্ উইক্‌লী, স্প'টছ্ উইক্, ষ্টাৰ্ এণ্ড ষ্টাইল, অনলুকাৰ, ছান দে' ॥

ধনী-দুখীয়া জ্ঞানী-মুখ ইত্যাদি

প্রশান্ত আচার্য

চহৰত যদিও সভা-সমিতি বেছিকৈ হয় তথাপি গান বাজনাৰ বন্দোবস্ত নাথাকিলে সাধাৰণ মানুহ এইবোৰলৈ প্রায় নাযায়েই। আজিকালি পিচে চহৰৰ চুবুৰীয়া গাঁও-বোৰতো বহাগী বিদায়ৰ নিচিনা একশ্রেণী অনুষ্ঠান সঘনাই হয়; চহৰৰ বা-বতাহ গোৱা এশ্রেণী গঞ্জাৰ উদ্যোগতে সাধাৰণতে এইবোৰ অনুষ্ঠিত হয়। এনেবোৰ অনুষ্ঠানৰ মেল-মিটিঙত পঞ্চায়তৰ মেম্বৰে বিছগীতৰ মাজে মাজে চহৰত মাটিৰ হাকিম কুৰা ডাঙৰীয়ৰ মণ্ডলৰ পুতেকৰ যশস্যাও গায় আৰু নতুন চৰকাৰে গাঁৱৰ ৰাইজৰ সুবিধাৰ কাৰণে কেনেকৈ কুটিৰ শিল্পক আগস্থান দিছে তাৰ সংগীতো ৰাইজক গাই শুনায়। গাঁৱৰ এনে অনুষ্ঠানবোৰত ৰাজনীতি আৰু অ-ৰাজনীতি মিহলি হৈ এক নতুন ধৰণৰ সংস্কৃতিৰ সৃষ্টি হয় আৰু এই ন-সংস্কৃতিক শিখণ্ডী কৰি ৰাজনীতি-বিদসকলে ইলেকচনৰ আগেয়ে ভোট চিকাৰত নামে। চহৰৰ মানুহবোৰ অলপ 'সংস্কৃতিবান' হোৱাৰ কাৰণে ইয়াত ভোট-ৰাজনীতি প্রয়োগৰ কৌশল অলপ সুকীয়া হলেও আচলতে কিন্তু বালিলৈ যিপাত কাঁড় সুগ্রীৱলৈও সেই একেপাতেই!

এইখন চহৰত 'মানৱতাবাদী যুবক সংঘ' নামৰ এটা অনুষ্ঠান আছে। অনুষ্ঠানৰ উদ্যোক্তাসকলে দাবী কৰে যে তেওঁলোকৰ সংঘৰ একমাত্র উদ্দেশ্য হ'ল জাতি-ধর্ম, ভাষা-গোষ্ঠী নিৰ্বিশেষে মানুহৰ সেৱা কৰা। এই সংঘটো হলি চকিদাৰৰ মৃত্যুৰ পিছৰ পৰাই চহৰৰ ভিতৰতে এটা বিখ্যাত সংঘলৈ পৰিণত হয়। দুবছৰ পেটৰ কিবা অচিন ৰোগত ভুগি হলি সিদিনা মৰিল। পেন্দুকণা ল'ৰাটোৰ সৈতে গাভৰু মৈণীয়েকে শ'টোৰ ওপৰত পৰি ইনাই-বিনাই কান্দি থাকোঁতেই 'মানৱতাবাদী যুবক সংঘ'ৰ প্রতিনিধিসকল ঘটনাস্থলি পালেগৈ আৰু এতেপৰেও সৎকাৰৰ ব্যৱস্থা নোহোৱা দেখি পচা সামাজিক ব্যৱস্থাক গালি পাৰি চান্দাৰ বহী এখন হাতত লৈ চেনেহীৰামৰ কেঞ্জাৰ গোলা পালেগৈ। ল'ৰাহঁতে জানে চেনেহীৰামে এনেবোৰ মানৱতাবাদী কাৰ্যত

দান-বৰঙনি দিবলৈ কেতিয়াও কাৰ্পণ্য নকৰে । তেওঁলোকৰ এই গৌৰৱময় ঐতিহ্যৰ ওপৰত ভিত্তি কৰি ‘১৮২৭ চনৰ পৰাই মোৰ বংশ অচমত আছে । অচমীয়া মানুহক বিজিনেছ কৰিবলৈ শিকাইছে’ বুলি আমিয়েই চিকাৰ্লো । পিতাজীয়ে মোৰ নাম দিছিল চেনীলাল আগৰৱালা কিন্তু মই হলো অচমীয়া, মই ৰাজস্থানী নাম লম কিয় ? মোৰ নাম মই চলাই নিম, ক’ৰবাত গৰীব অচমীয়া মানুহ মৰিলে খবৰ দিবা, শ্ৰাদ্ধৰ কাৰণে যি পাৰো দিম কৰিম, অচমীয়াই অচমীয়াক চহায় নাকৰিলে কি বিদেশী লোকে কৰিব ?’

লুইতপৰীয়া সংঘৰ সদস্যাৰুন্দৰ বেছিভাগেই মহিলা, এওঁলোকৰ কোনো ই, ডিৰ এক্‌জিকিউটিভ ইঞ্জিনিয়াৰৰ পত্নী, কোনো এজ পিৰ পত্নী । ৰানপানীৰ বহু এওঁলোকৰ কৰ্মচাঞ্চল্য মনকৰিবলগীয়া । নিজৰ নিজৰ দেহত বোকাৰ দৰে থকা মেদ কোনে কিমান কমাব পাৰিছে এই কেইদিনত তাৰে প্ৰতিযোগিতা এওঁলোকে ৰানপানী সাহায্য পুঁজিৰ বাবে জ্যোতি সঞ্জিয়া পাতে (হাঁয় জ্যোতিপ্ৰসাদ চাহ-মিঠাইৰ প্ৰদৰ্শনী পাতে আৰু গিৰিয়েকহঁতৰ গাড়ীবোৰ এদিনৰ বাবে লৈ ৰানপানী অধ্যুষিত অঞ্চললৈ ঢোল-খোল বজাই যাত্ৰা কৰে ।

এইবোৰ ভব্য-গব্য অনুষ্ঠানৰ বাহিৰেও প্ৰকৃততেই কিবা এটা কৰাৰ তাড়না (ডেকাসকলৰ কিবা এটা কৰাৰ তাড়না সদায়েই থাকে) কেতিয়াবা কেইজনমান সংঘবদ্ধ হয় । ভব্য-গব্য অনুষ্ঠানবোৰে যেতিয়া প্ৰকাণ্ড জাহাজ একোখনৰ সৰ্বগ্ৰাসী ব্যবসায়িক অৰ্থনীতি আৰু সাংস্কৃতিক জোৱাৰত ৰাজহংসৰ দৰে সাঁতুৰি নাদুৰি কেলি কৰে, এই সৰু সৰু আশাৰ টোপোলাবোৰে টুলুঙা নাও একোখনৰ দৰে টুলং-ভটং কৰি কথমপি ওপঙি থাকে । এইবোৰ টুলুঙা নাৱৰ যিবোৰে বহুজাতিক ব্যবসায়িক অৰ্থনীতি আৰু হিন্দী চিনেমাৰ প্ৰচণ্ড সাংস্কৃতিক জোৱাৰৰ বিৰুদ্ধে ঠিয় হোৱাৰ প্ৰয়াস কৰে, সেইবোৰক নিমিষতে ঘূৰ্ণায়মান চাকনৈয়াই তললৈ লৈ যায় ।

বৰ্তমান দেশত ৰাজনৈতিক অস্থিৰতাই দেখা দিয়াত আৰু যুবকসকল ক্ৰমান্বয়ে ভুল-ভ্ৰান্তিৰ মাজেৰে মাৰ্ক্সীয় চিন্তাধাৰাৰে অনুপ্ৰাণিত হ’বলৈ ধৰাত এই ‘অ-নীতিক’ সন্তাৰ উদ্যোক্তাসকলে দুৰৈত ধোঁৱা দেখা পালে । এওঁলোক দূৰদৰ্শী ব্যক্তি এওঁলোকে জানে য’তেই ধোঁৱা ত’তেই জুই লগাৰ সম্ভাবনা । গতিকে কাল বিলম্ব নকৰি এওঁলোকে বাওঁ আৰু সোঁ, দিন আৰু ৰাতি, বগা আৰু ক’লা ইত্যাদি বিপৰীত ধৰ্মীগুণবোৰৰ পৰস্পৰ মিলন ঘটাই এক আকৰ্ষণীয় লাড়ু প্ৰস্তুত কৰাৰ সিদ্ধান্ত ললে । এই আকৰ্ষণীয় ৰঙীণ লাড়ুৰ স্বাদ জনসাধাৰণক দিবলৈ এওঁলোক ধনী-দুখীয়া, ৰোগী-নিৰোগী, জ্ঞানী-মূৰ্খ, বিপ্লবী-অবিপ্লবী বিভিন্ন মানুহক আমন্ত্ৰণ জনাই এখন মহাসম্মিলনৰ আয়োজন কৰিলে ।

নিৰ্দিষ্ট দিনত ধনী, নিৰোগী, জ্ঞানী আৰু বিপ্লবীসকল পৰম উৎসাহেৰে সভাস্থলিত উপস্থিত হ’লহি । সভাস্থলি জ্ঞানীসকলৰ জ্ঞানগৰ্ভ বাক্য বিনিময়েৰে মুখৰিত হৈ উঠিল । কিন্তু সভাৰ সময় উকলি যোৱাতো এজনো দুখীয়া, ৰোগী, মূৰ্খ বিপ্লবী অবিপ্লবী উপস্থিত নোহোৱাত উদ্যোক্তাসকল চিন্তিত হ’ল । উপায়হীন হৈ এওঁলোকে ‘খোলে’ নামৰ হিন্দী ছিনেমাখনৰ গান লগাই

সাম্প্রতিকী

সংসাৰ মৰুভূমিত সংঘৰ

সবোবৰ, এই সত্য ৰাস্তাৰ দাঁতিত মাৰ্বল খেলি থকা, নাকেদি শেঙুন উজোৱা ল’ৰা-কেইটামানে বুজি পালে । সিহঁতে সুৰৰ পম খেদি দুৰাৰ মুখত ভুমুকা-ভুমুকি কৰিবলৈ ধৰিলে । উদ্যোক্তাসকল হতাশ হ’ল, বিশিষ্ট অতিথিসকল অহাৰ সময়ো ইতিমধ্যে পাৰ হৈ গৈছে—যি কোনো মুহূৰ্ততে ওলাব পাৰে । এই সংকট মুহূৰ্তত এই দুৰূহ কামটো কিদৰে সমাধা কৰিব পৰা যায় সেই বিষয়ে সকলোৱে আলোচনা কৰিবলৈ ধৰিলে ।

আলোচনা প্ৰথমে মৃদু সুৰতেই আৰম্ভ হৈছিল কিন্তু যুক্তিৰ প্ৰাবল্য বাঢ়ি অহাৰ লগে লগে ই ক্ৰমে প্ৰবল বাক-বিতণ্ডাত পৰিণত হ’লগৈ । কোঠাৰ বায়ু বিভিন্ন বক্তাই পৰস্পৰৰ প্ৰতি নিক্ষেপ কৰা শব্দৰ ঘৰ্ষণত উত্তপ্ত হৈ উঠাত সম্মিলনৰ সভাপতি ইন্দ্ৰেশ্বৰ বৰুৱাই কলিং দিবলৈ বাধ্য হ’ল ।

বৰুৱা ওখ হটঙা মানুহ, চকুৰ চাৰিওফালৰ ক’লা ৰেখাবোৰে তেখেতৰ অভিজ্ঞতাৰ হিচাপ দিয়ে । মূলতঃ দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পৰাই তেখেতৰ জীৱনৰ অভিজ্ঞাই এক নতুন ভাঁজ লয় । যুদ্ধৰ আগেয়ে তেখেত কেঞ্চাৰ গোলাৰ গোমস্তা আছিল, যুদ্ধৰ সময়ত মিলিটেৰীৰ ঠিকা ললে, দেশ স্বাধীন হোৱাৰ পিছত কংগ্ৰেছী হ’ল, ফলত ব্যবসায় বাণিজ্যৰ জালখন আৰু বহলকৈ মেলিব পৰা হ’ল । বৰ্তমানে বৰুৱাই জনতাদলৰ কৰ্মকৰ্তাসকলৰ লগত এক মধুৰ সম্পৰ্ক গঢ়ি তুলিছে আৰু দূৰদৃষ্টি সম্পন্ন অভিজ্ঞ ব্যক্তি হিচাপে খাবলৈ নোপোৱা মানুহবোৰে কেতিয়াবা আন্দোলন কৰিলে শোষক-শোষিত, সমাজবাদ ইত্যাদিৰ কথাও মেলে-মিটিঙে কয় । এনে একোখন মিটিঙত বক্তৃতা দিয়াৰ পিছত কোনোবাই ফুচফুচাই কথা পাতিলে বৰুৱাই প্ৰায়ে কাণ উনাই ৰয় । সিহঁতৰ মুখৰ পৰা ‘কমিউনিষ্ট’ শব্দটো উফৰি আহি যদি কেনেবাকৈ তেখেতৰ কাণত পৰে তেন্তে এক বুজাব নোৱৰা ভয়, আনন্দ আৰু বিস্ময় অনুভব কৰি বৰুৱা পুলকিত হয় ।

প্ৰবল বাক-বিতণ্ডাৰ মাজতো ধূমুহাই আচাৰি যোৱা শিল এচটাৰ দৰে থিয় হৈ বৰুৱাই গল হেকাৰি এটা মাৰি কলে,—‘আমাৰ ভিতৰতে এনেকৈ কাজিয়া-পেচাল হলে বহিঃশত্ৰুৰ আক্ৰমণৰ পৰা দেশ ৰক্ষা পাব কেনেকৈ ? পদ্মেশ্বৰ আৰু বিনয় !’ বৰুৱাই গহীনাই মাতিলে । পদ্মেশ্বৰ আৰু বিনয় বহাৰ পৰা একেজাঁপে থিয় হ’ল । পদ্মেশ্বৰ লুইতপৰীয়া সংঘৰ সভ্য আৰু বিনয় মানবতাবাদী সংঘৰ ‘ছিনিয়ৰ মেম্বাৰ’ ।

সিহঁত দুয়োটাই চাকৰিৰ মহঙা বজাৰত পাঁচ বছৰেও চাকৰি এটা যোগাৰ কৰিব নোৱাৰি ইন্দ্ৰেশ্বৰ বৰুৱাৰ শৰণাপন্ন হোৱাত বৰুৱাই দুয়োটাকে ৰানপানীৰ সময়ত ছিমেণ্টৰ বস্তা যোগান ধৰাৰ ঠিকা দুটাৰ বন্দোবস্ত কৰি দিছে । তদুপৰি অহাবাৰৰ ৰানপানীত বাঁহৰ বুকুজ তৈয়াৰ কৰাৰ ঠিকাটোও সিহঁতকেই দিয়াৰ বুলি কোৱাত পোহনীয়া কুকুৰৰ দৰে দুয়োটাই বৰুৱাৰ পিচে পিচে নেজ জোকাৰি ঘুৰি ফুৰে । এবেহাৰ ভাগ লৈ দুয়োটাৰে মাজত সেয়েহে মাজে মাজে থকাথুন্দাও লাগে । মুখামুখিকৈ দুয়োটাই বেচ অন্তৰংগ বন্ধুৰ দৰেই কথা পাতে কিন্তু চকুৰ আঁৰ হলেই পদ্মেশ্বৰে বিনয়ক ‘সৰ্বভাৰতীয়’ আৰু বিনয়ে পদ্মেশ্বৰক ‘জাতীয়তাবাদী’ বুলি কয় ।

OKDISCD

ইন্দ্ৰেশ্বৰ বৰুৱাই সিহঁত দুয়োৰে মাজৰ গোপন শত্ৰুতাৰ কথা জানিও কি
দুয়োকে একেলগে মাতিছে সেইটো সম্পূৰ্ণকৈ বুজি নাপালেও এটা কথা বু
দুয়োৰো মুঠেই পলম নহ'ল যে বৰুৱাই নিশ্চয় 'দুই বিপৰীতৰ ঐক্য' ধৰণৰ
সহায় লৈহে সিহঁতক আহ্বান কৰিছে। সেয়েহে দুয়োৰে একেলগে থিয় হৈ
মেৰে কলে 'ছাৰ!' ইন্দ্ৰেশ্বৰ বৰুৱাই দুয়োৰে নোমৰ গুৰি পৰ্যন্ত জানে, সে
সিহঁতৰ বিনয়ক আওকাণ কৰি কাঠ-চিতিয়াৰ দৰে কলে, 'বিনয় আৰু পদ্মে
তোমালোকক কেলেই মাতিছো বুজিছাতো? অতি শীঘ্ৰে কেইজনমান দুখীয়া মা
বিচাৰি আনাগৈ। মনত ৰাখিবা দুখীয়া মানুহ, বেমাৰী হলে আৰু ভাল। শীঘ্ৰে
বৰুৱাই বাক্যটো শেষ কৰিবলৈ নাপালেই পদ্মেশ্বৰ আৰু বিনয়ে টোপাকাঁড় যো
গৈ ৰাস্তা পালেগৈ। মহাসাগৰৰ অসংখ্য ঢৌৰ মাজেদি সৰু ঢৌ দুটাৰ দৰে বি
ধৰণৰ পথচাৰিৰ মাজেদি পদ্মেশ্বৰ আৰু বিনয়ে খুন্দা-খুন্দলি খাই যাবলৈ ধৰি

বিকট শব্দ কৰি ট্ৰাক আৰু ছিটিবাছবোৰ সিহঁতৰ গাৰ কাষেদিয়েই পা
গৈছে, কিন্তু পদ্মেশ্বৰে সেইবোৰলৈ বৰকৈ মন দিয়া নাই, কিয়নো কালি সন্ধ্যাৰ প
সি অন্তৰত এক বুজাব নোৱৰা বিষাদ অনুভৱ কৰিছে। পদ্মেশ্বৰে কালি 'মু
নামৰ হিন্দী ছিনেমা এখন চালে। সি যেই কোনো ছিনেমা নাচায়, ট্ৰেজেদিহে চা
'মুক্তি' ছিনেমা চোৱাৰ পিছৰে পৰাই ছিটিবাছৰ খিৰিকীয়েদি মূৰ উলিয়াই
মানুহবোৰক আৰু ফুটপাথেদি ছেণ্ডেল চোঁচোৰাই যোৱা মানুহবোৰক তাৰ বিষা
টোপোলা একোটা যেন লাগিল, মানুহবোৰ যেন হাড়-মঙহেৰে ভৰা চলমান
বস্তা একোটাহে। 'মুক্তি'ৰ কাহিনীটো ষষ্ঠবাৰৰ কাৰণে সি আকৌ মনত পেলা
এজন ধনী মানুহ। মানুহজনৰ ধনৰ আকাল নাই; উত্তৰে-দক্ষিণে, পূবে পশ্চি
সোঁৱে-বাঁৱে কেবল ধন ধন আৰু ধন। কিন্তু ইমানবোৰ ধন থকা সত্বেও মা
জনৰ পত্নীয়ে প্ৰথম পতিৰ চিন্তা মনৰপৰা আঁতৰাই নিদিয়াত তেওঁৰ দুখত টো
নহা হ'ল, ঘিউ-মউহে নুশুজা হ'ল আৰু শেষত আত্মহত্যা কৰি এই পৃথিৱীৰ
'মুক্তি' লভিলে। হিন্দী ছিনেমা চাই পদ্মেশ্বৰৰ ধন সম্পদ, ধনী দুখীয়া ইত্যাদি
বোৰৰ অৰ্থ বুজি নোপোৱা যেন লাগিল, পৃথিৱীখন তাৰ কঁপি-কঁপি জীন
কাঁহৰ বাতি এটা যেন লাগিল।

'মুক্তি'ৰ কাহিনীটোকে পাগুলিয়াই থাকোতে বিনয়ৰ মাতত সি চক খাই উঠি
'সৌটো চোৰ নেকি?' জোতাৰ ব্ৰাছৰ কুচিৰ নিচিনা ক'লা ঠৰঙা এ
দাড়িৰ মানুহ এটাই লেংকুচিয়াই লেংকুচিয়াই গৈ থকা দেখি বিনয়ে পদ্মেশ্ব
ক'লে। পদ্মেশ্বৰে তাৰ পিনে চোঁচা লোৱাত বিনয়ে ভেঙুচালি কৰি ক'লে
'ক'ৰবাৰ গাঁৱলীয়া হাঁহ চোৰহে চাগৈ এইটো! গাঁওবোৰ উদং হোৱাত চহৰত
কৰিবলৈ আহিছে! কেনেকৈ বুৰ্বকৰ দৰে ইফালে সিফালে চাই গৈছে দেখা নাই
ৰেটাই মানুহ যেন এয়াহে প্ৰথম দেখিছে।'

পদ্মেশ্বৰে তাৰ কথা আওকাণ কৰি মানুহটোৰ ওচৰ পালেগৈ! 'মুক্তি'ৰ
তাৰ তেতিয়াও আছিল— অসমীয়া দুখীয়া মানুহটো দেখাৰ লগে লগে নিচাৰ চোক

আৰু বৃদ্ধি পালে। বহুদিনৰ মূৰত লগপোৱা বাল্যবন্ধুৰ দৰে মানুহটোক সম্বোধন কৰি সি ক'লে—'ককাই গাঁৱৰ পৰা কেতিয়া পালাহি পিছে? মানুহটোৱে উত্তৰ নিদি লেংকুচিয়াই লেংকুচিয়াই গৈ থকা দেখি সি লৰালৰিকৈ জেপৰ পৰা পঁচিশ পইচাৰ মুদ্ৰা এটা উলিয়াই মানুহটোৰ হাতত গুজি দি ক'লে— 'আৰু পাবা, সৌ তালৈ গলেই হ'ব', বুলি বাওঁহাতৰ তৰ্জনী আঙুলিটোৰে সভা মণ্ডপৰ পিনে আঙুলিয়াই দেখুৱালত মানুহটোৱে মহাসন্মিলন অনুষ্ঠিত হোৱা মণ্ডপৰ পিনে সিহঁতৰ পিচে পিচে যাবলৈ ধৰিলে!

বিনয়ে বিহাৰী বা বঙালী দুখীয়া মানুহ এটাৰ সন্ধানত চাৰিওফালে এবাৰ চকু ফুৰাইছিল, কিন্তু পদ্মেশ্বৰে সময়ৰ অজুহাতত তাক সেই কাৰ্যৰ পৰা বিৰত কৰালে। সিহঁতৰ অলপ পলমেই হৈছিল, কিয়নো লেঙেৰা মানুহটোক মঞ্চৰ ওচৰলৈ উঠাওঁতেই মন্ত্ৰী সদলবলে আহি উপস্থিত হ'লহি।

যি ৰাজনৈতিক দলৰে নহওঁক লাগে আমাৰ দেশৰ মন্ত্ৰীবোৰৰ এটা স্বভাবজাত গুণ আছে, মন্ত্ৰী হোৱাৰ পিছতেই তেওঁ আগৰ সকলোবোৰ দোষ হেৰুৱাই হঠাৎ এজন সংস্কৃতিবান ব্যক্তিলৈ উত্তীৰ্ণ হয়। ফলত খং উঠিলে আগেয়ে যদি দাঁত-মুখ নিকতাই পেলালেহেঁতেন এতিয়া তিৰ্যক হাঁহি এটাৰে নিজৰ সংযমী গুণৰ পৰিচয় দিয়ে, কিবা উত্তেজক বিষয়ৰ আলোচনা কৰোতে আগেয়ে যদি মুখৰ কথা আৰু হাতৰ অংগী-ভংগী সমানে চলালেহেঁতেন এতিয়া হাত দুখনৰ অসভ্যালি বন্ধ কৰি ওঁঠ, তালু, জিভা আৰু দাঁতৰ ঘৰ্ষণৰ দ্বাৰা নিৰ্গত টুকুৰা টুকুৰ শব্দৰ ব্যৱহাৰৰ দ্বাৰাই তেওঁৰ প্ৰবল ইচ্ছাশক্তিৰ পৰিচয় দিয়ে। আত্মসন্তুষ্টিৰ হাঁহি এটা মাৰি পৰম সত্যৰ দৰে মন্ত্ৰী ডাঙৰীয়া গৌণ সত্যৰূপী কিছুমান বিশিষ্ট আমোলাৰ দ্বাৰা বেষ্টিত হৈ ধীৰ খোজেৰে মঞ্চত উঠাৰ লগে লগে চহৰৰ সাংস্কৃতিক কৰ্ণধাৰ অধ্যাপক নবীন শইকীয়াই এধাৰি ফুলৰ মালা মন্ত্ৰী ডাঙৰীয়াক পিন্ধাই দিলে। অধ্যাপক শইকীয়া ছুটি চাপৰ মানুহ, মুখত অনবৰতে হাঁহি এটা লাগি থাকে। চহৰখনক কেন্দ্ৰ কৰি প্ৰায় ত্ৰিশ মাইল ব্যাসাৰ্ধৰ এটা বৃত্ত আঁকিলে যিমানবোৰ ঘোকোট গাঁও আৰু চহৰৰ অলপ-অচৰপ বতাহ লগা গাঁও পৰে সেই সকলোবোৰ গাঁৱত মেলে-মিটিঙে শইকীয়াই সন্মানৰ আসন এখন পায়। সাংস্কৃতিক কৰ্ণধাৰ হিচাপে তেখেতে 'বিহুগীতত হাঁচটিৰ স্থান,' 'মানবতাবাদ আৰু হুচৰি', 'উগ্ৰ জাতীয়তাবাদ নে সমাজতান্ত্ৰিক জাতীয়তাবাদ?' নামৰ কেইটামান মৌলিক প্ৰবন্ধ ৰচনা কৰি যথেষ্ট সুখ্যাতি আৰ্জিছে। বিশেষকৈ তেওঁৰ শেষোক্ত প্ৰবন্ধটোৱে কি বাওপন্থী কি সোঁপন্থী দুয়ো মহলতে প্ৰচুৰ উত্তেজনাৰ সৃষ্টি কৰিছিল, কিয়নো প্ৰবন্ধটো বোলে ৰাজনীতি ৰাজনীতি গোন্ধাইছিল, যাৰ গোন্ধ লৈ দুয়ো মহলতে বেচ কিছুদিনলৈ বাক বিতণ্ডা চলিছিল।

মন্ত্ৰী ডাঙৰীয়াই ডিঙিৰ মালাধাৰ হাতত লৈ জলদগম্ভীৰ দৃষ্টিৰে চাৰিওপিনে চালে। হঠাৎ মঞ্চৰ এচুকত পৰি থকা দঢ়িয়া, ধূলি ধূসৰিত মানুহটো চকুত পৰাত ক্ষন্তেকৰ কাৰণে তেওঁৰ চকুৰ মণি দুটা তিৰবিৰাই উঠিল। মন্ত্ৰীৰ দৃষ্টি অনুসৰণ কৰি ইতিমধ্যে উপস্থিত সকলোৱে তেওঁলোকৰ দৃষ্টি এইবাৰ মানুহটোৰ ওপৰত

গ্রলে আৰু নতুন দৃষ্টিৰে তাৰ দাড়িকোচা, ধূলিৰে জঁট বন্ধা চুলিবোৰ, ফটা
খন আৰু পচিবলৈ আৰম্ভ কৰা ভৰিৰ গেলা ঘা টুকুৰা পৰ্যবেক্ষণ কৰিবলৈ ধৰি
মানুহটোৰেও একান্তমনে তাৰ ভৰিৰ ঘা টুকুৰা চিকুতি আছিল, কিন্তু মন্ত্ৰীয়ে
হাতৰ মালাধাৰ তাৰ ডিঙিত পিন্ধাই দিলে আন এটুকুৰা ঘাৰ দৰে সি
পিটিকি মোহাৰি চাবলৈ ধৰিলে। মন্ত্ৰী আৰু মানুহটোৰ কাৰ্যত গোটেই
ক্ষন্তেকৰ কাৰণে কাঁহ পৰি জীনযোৱাৰ দৰে হ'ল, কিন্তু ক্ষন্তেক পিছতেই তুমুল
ধ্বনি আৰু কৰধ্বনিৰ শব্দত সভাগৃহ গুম্‌গুমাই উঠিল। আত্মতৃপ্তিৰ হাঁহি
মুখ উজলাই মন্ত্ৰী এইবাৰ মাইক্ৰ'ফনৰ আগলৈ গ'ল। কেমেৰামেনবোৰে ফটা
বলৈ আগুবি ধৰাত দুচকুত খং ভাব লৈ তেখেতে বাঁওহাতৰ তলুৱাৰে বাধা দি
সোঁহাতৰ তৰ্জনী আঙুলিটোৰে এচুকত পৰি থকা অসমীয়া দুখীয়া মানুহটোলৈ
লিয়াই দিলে। ফলত আকৌ এবাৰ সভাগৃহ তুমুল হৰ্ষধ্বনি আৰু কৰধ্বনিৰ
গুমগুমাই উঠিল।

মন্ত্ৰীয়ে মাইক্ৰ'ফনৰ আগলৈ গৈ কবলৈ ধৰিলে: 'গুণী জ্ঞানী সভাসদসক
মই আপোনালোকক জনাবলৈ পাই অতি সুখী হৈছোঁ যে আপোনালোকৰ
দুখীয়া, ৰোগী-নিৰোগী আৰু জ্ঞানী-মূৰ্খ সন্মিলনে কৃতকাৰ্যতা লাভ
সমৰ্থ হ'ল, এই কৃতকাৰ্যতাৰ বাবে আপোনালোকে গৌৰৱ অনুভব কৰিব
গৌৰবত সভাসদসকলে আকৌ এবাৰ কৰধ্বনি কৰিলে। মন্ত্ৰীয়ে কৈ
'আটাইতকৈ গধুৰ বোজা সেইসকলৰ ওপৰতেই পৰে যিসকলে তাক বহন
পাৰে। প্ৰকৃতিৰ এই নিয়ম অলংঘনীয় জনগণে আমাৰ পাৰ্টিক ভোট দি প্ৰকৃ
এই নিয়মকেই আকৌ এবাৰ সু-প্ৰতিষ্ঠিত কৰিলে। ৰাইজ! আমাৰ ওপৰত
বোজা পৰিছে, আৰু এই বোজা জাপি দিছে এইসকল লোকেই—', মন্ত্ৰীয়ে মিলিটে
কায়দাত ঘা চিকুটি থকা মানুহটোলৈ আঙুলিয়াই দিলে।

'আপোনালোকে চাওঁক, সি কেনেকৈ আমাৰ মুৰৰ ওপৰত গধুৰ বোজাটো
দি ঘাঁ চিকুটিব লাগিছে।'

মন্ত্ৰীৰ কথা আৰু দৃষ্টি অনুসৰণ কৰি মানুহবোৰে আকৌ ঘা-চিকুটি
মানুহটোলৈ চালে। সকলোৰে চকুৰ আগত সি যেন এটা সাধৰলৈ ৰূপান্তৰিত

উদাৰ কণ্ঠেৰে মন্ত্ৰীয়ে কৈ গ'ল 'এই প্ৰকৃতিয়ে ধনী আৰু দুখীয়াক
ছাপ দিয়া নাই। আপোনালোকে চাওক, তাৰো এখন মুখ আছে, মোৰো
তাৰো এটা পেট আছে, মোৰো আছে, তাৰো দুখন হাত আছে মোৰো
মইও ধনীৰ দুলাল নাছিলো। কিন্তু মোৰ এই হাত দুখনেই মোক আজি
অবস্থানলৈ আনিছে। কিন্তু তাৰ হাত দুখনেৰে সি কি কৰি আছে চাওক।
মনত ৰাখিব আমি তাক ঘিণ কৰিলে নহব। আমি সংস্কৃতিবান ব্যক্তি, সংস্কৃতি
ব্যক্তি মাত্ৰেই জানে পাপ কি বস্তু আৰু পাপী কি বস্তু। আমাৰ দেশৰ মানু
বোৰ অজলা, বৰ সৰল; আপোনালোকে চাওক নুমলীয়া পুত্ৰই পিতৃৰ আগত নি
মনেৰে খেলি থকাৰ দৰে সি আমাৰ চকুৰ আগত কেনেকৈ ঘা পিটিকি আ

আবেগেৰে মন্ত্ৰীয়ে কৈ গ'ল—'আমাৰ পুত্ৰসকলৰ নিৰাপত্তাৰ ভাৰ আমাৰ ওপ-
মতে ন্যস্ত। তেওঁলোকৰ নিদ্ৰাত যাতে কোনেও বিঘিনি ঘটাব নোৱাৰে এই বিষয়ত
আমি সদা সতৰ্ক দৃষ্টি ৰাখিব লাগিব। আমাৰ সাহিত্য, সংস্কৃতি আৰু অৰ্থ-
নীতিক এইসকল লোকৰ সৰল সহজ শান্তিৰ জীৱনটোক আৰু প্ৰগাঢ় আৰু শান্তি-
ময় কৰি তুলিবলৈ ন, ন-ৰূপ দিব লাগিব। গাঁৱে, গাঁৱে আমাৰ জাতীয় শিক্ষাৰ
বিস্তাৰ ঘটাব লাগিব যাতে আত্মা আৰু পৰমাত্মাৰ মাজৰ অহিংস মিলনৰ শিক্ষাৰে
তেওঁলোকে নিজেই নিজক চাবলৈ শিকে আৰু পৰম দৰিদ্ৰতাৰ মাজতো নিজৰ নিজৰ
ভাৰতীয় আত্মাবোৰৰ মহত্ত্ব উপলব্ধি কৰিব পাৰে। ভাৰতবৰ্ষ কোনো কালেই
বিষয়ৰ আন আন ৰাষ্ট্ৰৰ তুলনাত পিচ পৰা নাছিল, আজিও নাই। দৰিদ্ৰতাৰ
মাজতো ভাৰতীয় চিন্তা আৰু দৰ্শন পৃথিবীৰ আন সকলো জাতিৰ দৰ্শনতকৈ শ্ৰেষ্ঠ,
আনকি বিশ্বৰ দুই উন্নত দেশ ৰাছিয়া আৰু আমেৰিকাইও ভাৰতীয় দৰ্শনৰ শ্ৰেষ্ঠ-
তাত মুগ্ধ হৈ বিভিন্ন ধৰণৰ সহায় আমালৈ আগবঢ়াই আছে।'

মন্ত্ৰীৰ ভাষণৰ অন্তত মানবতাবাদী সংঘৰ তৰফৰ পৰা সকলোৰে মাজত চাহ-
মিঠাই পৰিবেশন কৰা হ'ল, সেই হাড় ওলোৱা মানুহটোৰেও মিঠাইৰ ভাগ পালে।
শলাগৰ শৰাই আগবঢ়াই নবীন শইকীয়াই কলে—'ৰাজনীতি কৰা আমাৰ উদ্দেশ্য
নহয়, আমাৰ উদ্দেশ্য হ'ল মানৱ সেৱা কৰা। ৰাজনীতি কৰে কোনে? যাৰ ধন-
সোনৰ নিচিনা বিষ্ঠা সদৃশ পদাৰ্থবোৰৰ প্ৰতি লোভ আছে.....।' মন্ত্ৰীয়ে শইকীয়াৰ
পিনে কেৰাহিকৈ চোৱাত শুধৰাই কলে—'অবশ্যে বিশুদ্ধ ৰাজনীতি কৰা লোকসকলক
আমি সন্মান কৰা উচিত, কিয়নো বিশুদ্ধ ৰাজনীতি ৰাজনীতি নহয় লোকনীতিহে....।'

সভাৰ শেষত যেতিয়া 'জন-গণ-মন' গাৱৰ সময় হ'ল তেতিয়া কিঞ্চিত বিসংগ-
তিয়ে দেখা দিলে, কিয়নো 'জয় আই অসম সংঘ'ৰ সভ্যবৃন্দই প্ৰথমতে 'অ' মোৰ
আপোনাৰ দেশ' আৰু তাৰ পিছতহে 'জন-গণ-মন' গাবৰ বাবে হেঁচা দিলে। আন-
হাতেদি মানবতাবাদী সংঘৰ সভ্যবৃন্দই প্ৰথমতে 'জন-গণ-মন' আৰু তাৰ পিছতহে
'অ' মোৰ আপোনাৰ দেশ' গোৱাৰ সপক্ষে যুক্তি দাঙি ধৰিলে। সভাৰ মাজতে
হলস্থূল লগাত মন্ত্ৰী ডাঙৰীয়াই থিয় হৈ কলে—'ৰাইজ, এই অনুষ্ঠানৰ মূল উদ্দেশ্য
হ'ল বিপৰীতধৰ্মী গুণবোৰৰ মাজত ঐক্য স্থাপন কৰা। গতিকে আপোনালোকে
কানটো আগতে গাম আৰু কোনটো পাছত গাম বুলি কাজিয়া-পেচাল নকৰি একে-
লগেই আৰম্ভ কৰক।' মন্ত্ৰীৰ উপদেশ অনুসৰি মানবতাবাদী সংঘৰ সভ্যসকলে
'জন-গণ-মন' আৰু জয় আই অসম সংঘ আৰু লুইতপৰীয়া সংঘৰ সভ্যসকলে
'অ' মোৰ আপোনাৰ দেশ' একেলগে গাবলৈ আৰম্ভ কৰিলে। এইদৰে জাতীয় আৰু
ৰাষ্ট্ৰীয় চৰিত্ৰৰ মাজত ঐক্যস্থাপন কৰি সকলোৱে ঘা চিকুটি থকা দঢ়িয়া মানুহটোক
হাত লগাই থানৰ দেবতা থানলৈ যোৱাদি প্ৰস্থান কৰিলে।

এই মধ্যবিত্ত লিখকৰ জীৱনৰ অভিজ্ঞতা বৰ কম। সেয়েহে অতপৰে সেই
ঘা চিকুটি থকা মানুহটোৰে কিবা ভাবিছিলেনেকি আৰু যদি কিবা ভাবিছিলেও

(২১ পৃষ্ঠাত চাওক)

OKUSED

মার্ক্সবাদ আৰু জাতি সমস্যা (৫)

ডঃ হীৰেন গোহাঁই

মাজে সময়ে উদ্দেশ্যপ্ৰণোদিতভাবে শাসকশ্ৰেণীৰ হাতত থকা কাগজপত্ৰবোৰ
ৰৱ তোলা হয় যে, অসমীয়া জাতিৰ ভবিষ্যত সম্পৰ্কে অসমৰ মাৰ্ক্সবাদীসকল উদ
সীন। ইংগিত দিয়া হয় যে মাৰ্ক্সবাদীসকল তলে তলে অনা-অসমীয়াৰ দালাৰ
এনেধৰণে ৰৱ তোলাৰ পিছত দৈবৰ অনুগ্ৰহতে হওক বা চৰকাৰী মহলৰ
গ্ৰহতে হওক বা কোনো শক্তিশালী চৰকাৰবিৰোধী বুৰ্জোৱা মহলৰ অনুগ্ৰহতে
দুই চাৰিটা ঘটনা ঘটে আৰু তাৰ বিষয়ে উক্ত কাকত পত্ৰবোৰত ব্যাপক
চলে। অবশেষত ধ্বংসলীলা আৰু হত্যালীলা আৰম্ভ হয়। সেই দক্ষযজ্ঞৰ
ঘটাৰ পিছত অবশ্যে অসমীয়া জাতিৰ কোনোফালৰেপৰা বিশেষ উন্নতি
নাযায়। যিবোৰ সমস্যাক কেন্দ্ৰ কৰি জনমত উত্তেজিত কৰা হৈছিল, আনকি
বোৰ সমস্যাবো বিশেষ সমাধানৰ সম্ভাবনা দেখা নাযায়। এনে ঘটনাক্ৰমৰ বহু
ৰুত্তি ঘটাৰ পিছতো সেই চেষ্টা আকৌ নতুনকৈ চলা দেখি মাৰ্ক্সবাদীসকল আচৰি
হোৱা নাই।

সম্প্ৰতি বিশেষকৈ দুই তিনিটা কথাৰ বাবে অসমৰ এচাম মানুহে উৎ
প্ৰচাৰত সঁহাৰি দিছে। অসমৰ শিক্ষিত নিবনুৱাৰ হাৰ অত্যধিক বৃদ্ধি পাইছে।
নতুন পৰিস্থিতিত আমাৰ যুবকসকল খুব স্বাভাবিকভাবেই ক্ষুব্ধ আৰু হতাশ।
তাৰ মাজতে দেখা গৈছে যে ওপৰমহলাৰ দুৰ্নীতিৰ ফলত থলুৱালোকৰ প্ৰাপ্য চাক
বহিৰাগতৰ হাতত পৰিছে। দ্বিতীয়তে অসমত প্ৰব্ৰজনৰ মাত্ৰা সম্প্ৰতি অত্যধিক
পোৱা বুলি প্ৰকাশ। যদি এনেবোৰ বাতৰি অতিৰঞ্জিত নহয় (কাৰণ বস্তুনিষ্ঠ
আৰু তথ্যনিৰ্ভৰ সমীক্ষাতকৈ আবেগময় হাঁহাকাৰ একশ্ৰেণীৰ সাংবাদিকৰ
তেন্তে সি নিশ্চয় আমাৰ খেতিয়কৰ মাটিৰ ওপৰত নতুনকৈ চাপ সৃষ্টি কৰিব।
আমাৰ খেতিয়কৰ হাতত বেছি মাটি নাই, অসমতো ভৈয়াম অঞ্চলত কৃষিযোগ্য
পৰিমাণ তাকৰ। তৃতীয়তে কোনো কোনো লোকে আপত্তি কৰিছে যে থলুৱা
সংস্কৃতিৰ বিকাশত বঙলা ভাষাভাষীলোকে নানাপ্ৰকাৰে বিধিপথালি দিছে
বিশেষকৈ বিশ্ববিদ্যালয় পৰ্যায়ত আৰু চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱ
সংকুচিত কৰিবলৈ এওঁলোক দৃঢ়প্ৰতিজ্ঞ।

এইবোৰ আপত্তি সম্পৰ্কে সাধাৰণভাবে এই কথাকে কব পাৰি যে, সাম্প্ৰদায়িক মাৰপিটৰ জৰিয়তে এইবোৰৰ সমাধান নহয়। এনে মাৰপিটৰ পৰা লাভবান হয় ৰাজনৈতিক ন্যস্তস্বাৰ্থ। বৰ্তমান সময়ত ইয়াৰপৰা লাভবান হ'ব পাৰে তলত দিয়া মহলবোৰ ঃ

(১) অসমৰ জনতা চৰকাৰক বিপন্ন কৰিব খোজা শক্তিসমূহ। জনতা দল আৰু চৰকাৰৰ মাজতো সিহঁত পিপাই থাকিব পাৰে। (২) সামগ্ৰিকভাবে ভাৰতত জনতা দলৰ বিৰুদ্ধে শক্তিসঞ্চয় কৰিব ওলোৱা ইন্দিৰা কংগ্ৰেছ প্ৰমুখ্যে দলবোৰ। (৩) 'মাৰ্ক্সবাদ-অনা-অসমীয়া মতবাদ', এনে ধাৰণা বিয়পাই উঃ পূঃ ভাৰতত মাৰ্ক্সবাদৰ প্ৰচাৰ বন্ধ কৰিব খোজা মহলবোৰ। (৪) এনেবোৰ মহলক সুকৌশলে ব্যবহাৰ কৰি ক্ষমতাৰ পাশা-খেলত নিজৰ অবস্থা উন্নতি কৰিব খোজা ছি,আই,এ আৰু কে,জি,বি প্ৰভৃতি চক্ৰান্তকাৰী ৰাজনৈতিক শক্তি। (৫) অসমীয়া জাতীয়তাবাদৰ বা বঙালী জাতীয়তাবাদৰ আৰাজ দি নিজৰ নিজৰ বাবে নতুন সা-সুবিধা যোগাৰ কৰিবলৈ বিচৰা অসমীয়া পুঁজিপতি আৰু বাজনীতিবিদ আৰু বঙালী পুঁজিপতি আৰু ৰাজনীতিবিদ।

অৰ্থাৎ অসমীয়া আৰু বঙালী জাতীয়তাবাদৰ অন্তৰালত কে, জি, বি আৰু ছি, আই, এৰ নিপুণ পুতলানাচৰ হাত চলি থকা সম্ভব। তাৰ লগতে সহযোগী শক্তি হিচাপে ভাৰতীয় আৰু অসমৰ শাসক মহলৰ বিভিন্ন অংশৰ ছল-চক্ৰান্ত চলি আছে। অসমীয়া কাগজ পত্ৰত অসমীয়া নেতাসকলে ভীমাৰ্জুন হুংকাৰ দি সকলোবে পিলাই চমকাই আছে। বঙালী নেতাসকলেও বঙালী প্ৰধান ঠাইবোৰলৈ গৈ ফুচফুচীয়া মেল পাতি ফুৰিছে। কিন্তু এইবোৰ আয়োজনৰ শেষ পৰিণতি যি ধৰণৰ হত্যালীলা আৰু উপদ্ৰব তাৰ দায়িত্ব কোনেও কান্ধপাতি নলৰ নিশ্চয়। তাতোকৈ ডাঙৰ কথা হ'ল এয়ে যে সৰ্বসাধাৰণ অসমীয়া, বঙালী, বড়ো প্ৰভৃতি অসমবাসী ৰাইজৰ এনে উপদ্ৰবৰ পৰা কোনো লাভ নহব। যি জাতীয়তাবাদৰ পৰা জাতিৰ সাধাৰণ মানুহৰ কোনো লাভ নহয়, সেই জাতীয়তাবাদৰ আশ্ৰয় লোৱাটো সুবুদ্ধিৰ পৰিচায়ক নিশ্চয় নহয়।

আচৰিত কথা যে, এইবোৰ সমস্যা সৃষ্টি কৰাৰ বাবে সাধাৰণ অনাঅসমীয়া মানুহ যেনেদৰে দায়ী নহয়, সেইদৰে তাৰ সমাধানৰ ক্ষমতাও তেওঁলোকৰ হাতত

(১১৯ পিঠিৰ পিছৰ পৰা)

সেই ভাব কেনে ধৰণৰ হ'ব পাৰে লিখকৰ জানত নাই। কিন্তু তাৰ চকুৰ আগেৰে সৰব মন্তব্য দি যেতিয়া ৰঙীণ মানুহবোৰ লয়লাসেৰে পাৰ হৈ গ'ল সি ঘা টুকুৰাৰ পৰা চকু আঁতৰাই আনি সমুখৰ শূণ্যত থলে। বোধহয় চেতনা তাৰ তেতিয়াও আছিল, বোধহয় শূণ্যৰ মাজত সি তাৰ গাঁৱৰ শৰতৰ পৰশ পোৱা পখাৰবোৰৰ উমান পাইছিল, বোধহয় প্ৰকৃতিয়ে লাস্যময়ী এজনী গাভৰু আৰু লাজকুৰীয়া কন্যা হৈ দুহাত মেলি তাক আলিংগন কৰিবলৈ আগবাঢ়ি আহিছিল--সি সন্মুখলৈ হাত দুখন মেলি দিলে। ××

যে নাই—সেইকথা উয় জাতীয়তাবাদীসকলে বুজিব নোখোজে। এই ক্ষমতা বহুপবি
ৰাষ্ট্ৰৰ হাতত— অসম তথা ভাৰত চৰকাৰৰ হাতত। অসমৰ সকলো চাকৰিব
বহিৰাগতক খেদিও যদি তাত অসমীয়া মানুহ মকৰল কৰা হয় তথাপি নিৰ
সমস্যাৰ সমাধানত সি এপাহি শাকত এটা জাল্লুক হৈ থাকিব। আনহাতে ভবিষ্য
নিবনুৱাৰ সংখ্যা আৰু বৃদ্ধি পাব। চাকৰিৰ সৃষ্টি সম্পূৰ্ণ অৰ্থনৈতিক বিকাশ
ফল। এই বিকাশলৈ নজৰ নিদি জধেমধে চাকৰি সৃষ্টি কৰাটো অৰ্থনৈতিক অ
হত্যাৰ চামিল হব, তেনে ধাৰণাও সুস্থ নহয়। আধুনিক সমাজ এখনৰ সৰীংশ
জীৱিকানিৰ্বাহ আৰু বিকাশৰ বাবে যিমানবোৰ বিভিন্ন কামৰ প্ৰয়োজন সেই সকল
বোৰ আমাৰ যুবকসকলে কৰিবলৈ প্ৰস্তুত থাকিব লাগিব। কিন্তু তাৰ বাবে প্ৰাথমিক
চৰ্ত হ'ল অৰ্থনৈতিক বিকাশ।

কিন্তু অৰ্থনৈতিক বিকাশৰ বাবে প্ৰয়োজনীয় ব্যবস্থা লবলৈ "জাতীয়তাবাদ
বিলাকে জনমত গঠন কৰা নাই কিয়? থলুৱা লোকৰ চাকৰিৰ লগতে যদি সং
নিষ্ঠা আৰু উৎসাহেৰে নতুন নতুন শিল্প উদ্যোগ স্থাপন প্ৰভৃতিত তেওঁলোকে জে
দিলেহেঁতেন, তেতিয়া হলে তেওঁলোকৰ উদ্দেশ্যত আমি সন্দেহ নকৰিলোঁহেঁতেন। কি
তেওঁলোকৰ কাৰ্যসূচী বিভিন্ন প্ৰতিষ্ঠান আৰু উদ্যোগত অসমীয়া যুবকক নিয়ো
কৰাৰ বাবে বিক্ষোভ আৰু উত্তেজনা সৃষ্টিতে সীমাবদ্ধ। সেইদৰে খেতিবাদি
ক্ষেত্ৰত জলসিঞ্চন আদিৰ দাবী জনাই উৎপাদন আৰু কৰ্মসংস্থান বঢ়াবলৈ তেওঁ
লোকে কোনো ঐকান্তিক চেষ্টা কৰা আমাৰ চকুত পৰা নাই। অসমৰ বন
সম্পদৰ ভিত্তিত ১৯৬৬ চনতে NATIONAL COUNCIL FOR APPLIED
ECONOMIC RESEARCH (NCAER) এ উলিওৱা Techno-economic
Survey ত যি ধৰণৰ লঘু শিল্প স্থাপনৰ পৰামৰ্শ দিয়া হৈছিল, সেইবোৰ কাৰ্য
কৰী কৰিবলৈ আমাৰ জাতীয়তাবাদীসকলে বিশেষ জোৰ দিয়া নাই। এনেবো
কামৰ বাবে চৰকাৰৰ হাতত যি মূলধন লাগিব সেই মূলধন কেন্দ্ৰীয় চৰকাৰৰ পৰ
আদায় কৰিব পৰা যায়। বিশেষকৈ যেহেতু অসমৰ চাহ আৰু তেলৰ পৰা কেন্দ্ৰী
চৰকাৰে কৰা বিপুল উপাৰ্জনৰ কথা সকলোৱে জানে। কিন্তু তেনে ধৰণৰ দাবী
ধৈর্য, দৃঢ়তা, একাগ্ৰতাৰে জাতীয়তাবাদীসকলে কৰাৰ প্ৰমাণ সমূলি নাই।

ই কেবল চাকৰিৰ কথাই নহয়। যিখন ৰাজ্যৰ ১৩/১৪ লাখ লোক নিৰ
নুৱা, শতকৰা ৩০/৪০ টা কৃষক পৰিয়াল ভূমিহীন, তাৰ সাংস্কৃতিক বিকাশো সীম
বদ্ধ বা স্তব্ধ হ'বলৈ বাধ্য। মানুহক দেখুৱাই চৰকাৰে ওপৰতে সংস্কৃতিৰ বা
দুই এক কোটি টকা ঢালিলে এই সংকটৰ সমাধান নহ'ব। কিন্তু জাতীয়তাবাদী
সকলে এনে ভাব দেখুৱায় যেন অ'ত ত'ত বিভিন্ন চাকৰিত দুই চাৰিশ অসমী
লোকক সুমুৱাই দিব পাৰিলেই অসমীয়া ৰাইজ সংকটৰ পৰা মুক্ত হ'ব। ভা
ভাষা-সংস্কৃতিও তেনেকৈয়ে ৰক্ষা পৰিব।

অসমীয়া জাতীয়তাবাদীসকলে বৰ্তমান যিবোৰ চাকৰিৰ বাবে আন্দোলন কৰি
সেইবোৰ চাকৰিৰ সৰহভাগেই চহৰৰ সৰহীয়া আয়ৰ চাকৰি। কিন্তু গাৱঁ-ভূ

সিচৰতি হৈ থকা লক্ষ লক্ষ মেট্ৰিক পাছ বা আণ্ডাৰ মেট্ৰিক যুবক-যুবতীৰ তেনে
চাকৰিৰ বাবে অৰ্হতা নাই। অসমীয়া জাতিৰ মাজত এইসকল দুৰ্ভাগীয়া নপৰিব
নেকি? বড়ো, মিছিং, চাহবাগানৰ বনুৱা সম্প্ৰদায়ৰ মাজত অৰ্থনৈতিক সংকটে
চূড়ান্ত ৰূপ ধাৰণ কৰিছে। শিক্ষাদীক্ষাৰ আভাস নোপোৱা এইবোৰ সম্প্ৰদায়ৰ লক্ষ
লক্ষ লোকৰ ভাতমুঠি মোকলোৱাৰ কোনো উপায় নোহোৱা হৈছে। এইবোৰ সমস্যা
আওকাণ কৰি কেবল চহৰীয়া অসমীয়া মধ্যবিত্তৰ এটা ক্ষুদ্ৰ অংশৰ স্বাৰ্থ ৰক্ষা
কৰি জাতীয়তাবাদীসকলে ভবিষ্যতৰ মাৰাত্মক ভ্ৰাতৃঘাতী সংঘৰ্ষৰ বীজ ৰোপন কৰা
নাইনে?

এই সকলো সমস্যাৰ মূল কাৰণ অৰ্থনৈতিক স্থিতাবস্থা আৰু অবনতি। প্ৰব্ৰ-
জন অসমত আজিৰ সমস্যা নহয়, আগতেও হৈছিল। কিন্তু কৃষিৰ বিকাশৰ বাবে
তেতিয়া প্ৰব্ৰজনৰ পৰিণাম মাৰাত্মক হোৱা নাছিল। প্ৰব্ৰজনে আজিৰ পৰি-
স্থিতিত এটা তীব্ৰ সমস্যাক তৰাবহ কৰি তুলিছে। কিন্তু সমস্যাৰ মূল কাৰণ
প্ৰব্ৰজন নহয়। জাতীয়তাবাদীসকলে মূল কাৰণটোৰ ওপৰত আলোকপাত কৰিব
খোজা নাই কিয়? তেওঁলোকৰ ইও এক গূঢ় উদ্দেশ্য নেকি, যে অসমৰ অৰ্থ-
নৈতিক দুৰবস্থাৰ বাবে যিবোৰ শক্তি দায়ী সেইবোৰৰ সম্পৰ্কে তেওঁলোকে ৰাইজক
সজাগ কৰিবলৈ নিবিচাৰে? তেওঁলোকে মূল শত্ৰুক ৰাইজৰ পুঞ্জীভূত ক্ৰোধৰ পৰা
ৰক্ষা কৰিবলৈ বিচাৰিছে নেকি?

প্ৰব্ৰজনৰ ক্ষেত্ৰত এমুঠি অনা-অসমীয়াই চক্ৰান্ত কৰিব পাৰে নিশ্চয়। কিন্তু
অসমত বসবাস কৰি জীৱিকা নিৰ্বাহ কৰা অধিকাংশ অনা-অসমীয়া প্ৰব্ৰজন সম্পৰ্কে
অসমীয়াৰ দৰেই সচকিত আৰু শংকিত। আন যি নহওক তেওঁলোকৰ সন্ত-
সততিৰ ভবিষ্যত অবাধ প্ৰব্ৰজনে অন্ধকাৰ কৰি তুলিব। তদুপৰি যেহেতু প্ৰব্ৰজনৰ
ফলত তেওঁলোক অসমীয়া অসমীয়াসকলৰ অবিশ্বাসৰ পাত্ৰ হ'ব পাৰে, সেয়ে তেওঁ-
লোকেও প্ৰব্ৰজনৰ সোঁত বন্ধ হোৱাটো বিচাৰে। কিন্তু জাতীয়তাবাদীসকলে পাহৰি
গৈছে যে ইচ্ছা থাকিলেও এইসকল অনা-অসমীয়া অসমবাসীয়ে প্ৰব্ৰজন বন্ধ
কৰিব নোৱাৰে। এনে ক্ষমতা ৰাইকৈ ৰাজ্য তথা কেন্দ্ৰ চৰকাৰৰ হাততে আছে!
চৰকাৰে ইচ্ছা কৰিলেই প্ৰব্ৰজন নিয়ন্ত্ৰণ কৰিবলৈ কঠোৰ ব্যবস্থা লব পাৰে—কিন্তু
লোৱা নাই॥ এই বিষয়ে জাতীয়তাবাদীসকলে সুস্পষ্ট মত দাঙি ধৰি অসমীয়া
মানুহক বিভ্ৰান্ত কৰে আৰু অনা-অসমীয়াৰ জীৱনৰ নিৰাপত্তা ধ্বংস কৰে।

এইখিনিতে মাৰ্ক্সবাদে আমাৰ সমস্যা নিৰূপণ আৰু তাৰ সমাধান উদ্ভাবনৰ
সঠিক পথ দেখুৱাব পাৰে। যি কোনো ৰাষ্ট্ৰৰ শ্ৰেণী চৰিত্ৰ উদ্ঘাটন কৰিবলৈ
মাৰ্ক্সবাদে আমাক শিক্ষা দিছে। সেইদৰে যি কোনো আন্দোলনৰ বাগাড়ম্বৰৰ পিছত
থকা শ্ৰেণীস্বাৰ্থৰ প্ৰকৃত ব্যাখ্যাও মাৰ্ক্সবাদে দাঙি ধৰিব পাৰে। ভাৰতৰ বৰ্তমান
ৰাষ্ট্ৰৰ ওপৰত ক্ষয়িষ্ণু জমিদাৰ, মুনাফালোভী ব্যবসায়ী-পুঁজিপতি আৰু বিদেশী
সাম্ৰাজ্যবাদীৰ প্ৰভাব মাৰ্ক্সবাদে আঙুলীয়াই দিছে। অসমৰ দৰে অঞ্চলৰ অৰ্থনৈতিক
বিকাশৰ প্ৰতি এই ৰাষ্ট্ৰই যেতিয়া বিশেষ নজৰ নিদিয়ে—বিশেষকৈ যিসময়ত পৰি-

কল্পিত অৰ্থনৈতিক বিকাশৰ দায়িত্ব ৰাষ্ট্ৰই নিজ হাতত লৈছে—সেই সময়ত এই ৰাষ্ট্ৰৰ জনবিৰোধী চৰিত্ৰ উদ্ঘাটন নকৰি কেৱল কোনো কোনো সম্প্ৰদায়ৰ বিৰুদ্ধে আন সম্প্ৰদায়ক উচটাই দিয়াটো কেনে ধৰণৰ কথা বহলাই নকলেও চলে। আৰু যিবোৰ আন্দোলনৰ প্ৰধান কাৰ্যসূচীয়েই এনে বিধৰ, তাক যে উক্ত ৰাষ্ট্ৰই উদ্ভাৱন কৰা নাই, সেই সম্পৰ্কে নিশ্চিত হোৱা টান।

এই ৰাষ্ট্ৰই যে কেৱল diversionary tactics বা মনোযোগ বিভ্ৰান্তিকাৰী কৌশলৰ দ্বাৰা নিজৰ ব্যৰ্থতা চাকিবলৈ চেষ্টা কৰে তেনে নহয়। কিছুমান প্ৰতিক্ৰিয়াশীল আন্দোলনত সি ইন্ধন যোগায় গভীৰ ৰাজনৈতিক উদ্দেশ্যৰ দ্বাৰা প্ৰভাৱিত হৈ। কোৱা বাহুল্য যে বৰ্তমান পৃথিবীত শ্ৰমিক-কৃষকৰ বিপ্লৱী প্ৰচেষ্টাই শোষণৰ সকলো শক্তিৰ বিৰুদ্ধে তয়াময়া যুদ্ধ আৰম্ভ কৰিছে। বিপ্লৱী শ্ৰমিক কৃষকৰ হাতত যেনেকৈ আছে অস্ত্ৰ, সেইদৰে তেওঁলোকৰ মনত আছে মাৰ্ক্সবাদৰ মতাদৰ্শ—যাক আমি Ideological weapon বুলিব পাৰোঁ। এই মতাদৰ্শই শিক্ষা দিছে আৰু পৃথিবীৰ বিভিন্ন প্ৰান্তত সেই শিক্ষা কাৰ্যকৰী হৈছে যে সাম্ৰাজ্যবাদ, সামন্তবাদ, পুঁজিবাদৰ বিৰুদ্ধে শোষিত জনগণ ঐক্যবদ্ধ হৈ সংগ্ৰাম কৰিলে সিঁহতৰ পতন অনিবাৰ্য। বৰ্তমান কালছোৱাত মাৰ্ক্সবাদে জাতীয়তাবাদক সিমান দূৰলৈ সমৰ্থন কৰিব যিমান দূৰ শোষকৰ বিৰুদ্ধে ব্যাপক জনগণক সি ঐক্যবদ্ধ কৰাত সহায় কৰিব। আনহাতে য'তেই জাতীয়তাবাদৰ উগ্ৰতাই বিভিন্ন সম্প্ৰদায় আৰু জাতিৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰি শোষিত জনগণৰ ঐক্য গঢ়ি উঠাত বাধা দিয়ে তাতেই বিভিন্ন জাতিৰ মাজত গণতান্ত্ৰিক সমতা আৰু ঐক্যৰ নীতি বলিষ্ঠভাৱে প্ৰচাৰ কৰি শোষিত জনগণৰ সংগ্ৰামী ঐক্য প্ৰতিষ্ঠা কৰিবলৈ মাৰ্ক্সবাদীসকল উদ্যোগী হ'ব লাগিব।

আনহাতে শোষক শ্ৰেণীৰ ৰাষ্ট্ৰ জনগণৰ সংগ্ৰামী ঐক্যৰ বিৰোধী। যেহেতু মাৰ্ক্সবাদে তত্বগত আৰু ব্যৱহাৰিক দিশৰ পৰা এনে ঐক্যৰ ভিত্তি স্থাপন কৰিব পাৰে সেয়ে শোষক শ্ৰেণীৰ ৰাষ্ট্ৰই মাৰ্ক্সবাদৰ প্ৰচাৰত পাৰ্যমানে বাধা দিবলৈ চেষ্টা কৰে। সেয়ে সদায়েই দেখা গৈছে যে নেপথ্যৰ পৰা কিছুমান চৰকাৰী বা আধা চৰকাৰী মহলেই সাম্প্ৰদায়িক বিৰোধৰ সূত্ৰপাত কৰিছে আৰু তাত উদগনি দিছে। ব্ৰিটিছৰ দিনত এনে কৌশলৰ প্ৰয়োগ আৰম্ভ হয়। আজিৰ বিড়ালতপস্বীসকলে মুখত ঐক্যৰ জয়গান কৰি ফুৰিলেও সেই একে কৌশলৰ প্ৰয়োগ কৰি আছে। এই বিৰোধৰ পথাৰ সাৰুৱাকৈ ৰাখিবলৈকে মাৰ্ক্সবাদৰ তথা মাৰ্ক্সবাদীৰ, বিৰোধিতা কৰা হৈছে। পুলিছ বিভাগৰ কেতবোৰ শাখাত আজিকালি মাৰ্ক্সবাদ ৰীতিমতে চৰ্চা কৰা হয়—উদ্দেশ্য অৱশ্যে মাৰ্ক্সবাদৰ বিৰোধিতা কৰা।

কিন্তু জাতি সমস্যাৰ অন্তৰালত যেহেতু মাৰ্ক্সবাদৰ শত্ৰুবিলাক সক্ৰিয় হৈ আছে সেয়ে মাৰ্ক্সবাদীসকলেও সাম্প্ৰতিক আৰু দীৰ্ঘকালীন সমাধান সম্পৰ্কে স্পষ্ট বক্তব্য দাঙি ধৰিব লাগিব। কিন্তু এই বিষয়ত আমি আগতেই উল্লেখ কৰিছোঁ যে অসমৰ মাৰ্ক্সবাদীসকলে বলিষ্ঠ বক্তব্য দাঙি ধৰা নাই। তাৰ কাৰণ শত্ৰুপক্ষই ৰটনা কৰা দৰে ঔদাসীন্য নহয়। তাৰ কাৰণ এয়ে যে প্ৰায় প্ৰতিবাৰেই জাতিসমস্যা লৈ উত্তেজক পৰিস্থিতিৰ সৃষ্টি কৰিছে শাসক শ্ৰেণীয়ে। সেয়ে এই পৰিস্থিতি কৃত্ৰিম আৰু সমস্যা অবাস্তৱ বুলি ভবাৰ প্ৰৱণতা মাৰ্ক্সবাদী মহলত গঢ় লৈ উঠিছে। কিন্তু আমি আগৰ প্ৰবন্ধবোৰত উল্লেখ কৰিছোঁ যে গণতান্ত্ৰিক বিপ্লৱ সম্পূৰ্ণ নোহোৱা দেশ ভাৰতৰ বিভিন্ন প্ৰান্তত জাতিসমস্যাৰ গুৰুত্ব শেষ হৈ যোৱা নাই। এই সমস্যাৰ সন্মুখীন নহৈ বিশুদ্ধ শ্ৰেণী-ভিত্তিক সংগঠন আৰু মতাদৰ্শ গঢ়িবলৈ গ'লে মাৰ্ক্সবাদীসকলেই যথেষ্ট আহকালত পৰিব।

ব্ৰিটিছ ঔপনিবেশিক আমোলত উনবিংশ শতিকাৰ মাজভাগৰে পৰা অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। এই প্ৰক্ৰিয়া ব্ৰিটিছৰ কোনো পৰিকল্পনামতে হোৱা নাছিল। ব্ৰিটিছ আমোলত অসমখন আছিল কেৱল প্ৰশাসনীয় বিভাগ এটা। সুৰমা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত, পাহাৰ আৰু ভৈয়াম অঞ্চলৰ মাজত ঐতিহাসিক তথা সাংস্কৃতিক যোগসূত্ৰ আছিল ক্ষীণ। তথাপি অসমৰ বিস্তীৰ্ণ অঞ্চল জুৰি প্ৰশাসন বাণিজ্য, যান-বাহনৰ যোগাযোগে ঐক্যৰ ক্ষেত্ৰ প্ৰস্তুত কৰিলে আৰু তাতে ভাষাগত আৰু সাংস্কৃতিক ঐতিহ্যই ইন্ধন যোগালে। নৱশিক্ষিত অসমীয়া মধ্যবিত্তই জাতি গঠণৰ এই প্ৰকিয়াত নেতৃত্ব দিছিল।

কিন্তু আৰ্থিক আৰু সাংস্কৃতিক আৰু ৰাজনৈতিক দিশৰ পৰা এই প্ৰক্ৰিয়া সম্পূৰ্ণভাৱে কাৰ্যকৰী কৰিবলৈ অসমীয়া মধ্যবিত্তই কোনোকালেই ক্ষমতা অৰ্জন কৰিব নোৱাৰিলে। শোষণকাৰী ঔপনিবেশিক আমোলৰ ছত্ৰছাঁয়াত অসমীয়া মধ্যবিত্তৰ বিকাশ হ'ল নিতান্তই দুৰ্বল। অসমত অসমীয়া ভাষা সংস্কৃতিৰ একাধিপত্য স্থাপন কৰিবলৈ ১৯৪৮ চনলৈকে অসমত বিশ্ববিদ্যালয় এটাই নাছিল। জনজাতীয় অঞ্চলবোৰ ব্যাপক ভাৱে আধুনিক বেহাবেপাৰ, যোগাযোগ, শিল্প-বিজ্ঞানৰ পৰা বঞ্চিত হৈ আছিল। তদুপৰি সেইবোৰ ঠাইলৈ আধুনিক যুগৰ বাৰ্তা বহন কৰিব পৰা অসমীয়া সদাগৰ শিল্পপতি, শিক্ষক, বুদ্ধিজীৱী যথেষ্ঠ নাছিল। মাৰোৱাৰী মহাজনৰ জালত পৰিয়েই তেওঁলোকে আধুনিক যুগৰ মহিমাৰ খবৰ পাইছিল। তদুপৰি বেহাবেপাৰ আৰু শিল্পত পিছপৰা অসমীয়া মধ্যবিত্তই মধ্যযুগীয় ৰক্ষণশীল চিন্তাধাৰাৰ পৰা দ্ৰুতগতিৰে নিজকে মুক্ত কৰিব নোৱাৰিলে। সেয়ে বিভিন্ন জনজাতীয় লোকসকলক এক বহল অসমীয়া জাতিৰ অন্তৰ্ভুক্ত কৰাত তেওঁলোক ব্যৰ্থ হ'ল। তদুপৰি শ্ৰীহট্ট, কাছাৰ গোৱালপাৰা প্ৰভৃতি অঞ্চলত শিক্ষা-দীক্ষাৰ পিনৰপৰা উন্নত যিবিলাক বঙালী মধ্যবিত্ত আছিল তেওঁলোকে অসমীয়া জাতিৰ মাজত নিজক অবলুপ্ত কৰিবলৈ নিৰিচাৰিলে। ইতিমধ্যে বঙালী জাতিৰ মাজত যি জাতীয় চেতনাৰ বিকাশ হৈছিল তাৰ প্ৰৱণাত তেওঁলোকে অসমীয়া জাতীয়তাবাদৰ আকৰ্ষণত বাধা দিব পৰা অৱস্থাত আছিল। সেয়ে আমি দেখোঁ যে অসমৰ চাৰিসীমাৰ ভিতৰতে অসমীয়া জাতিয়ে জীণ নিয়াব নোৱৰা বহু উপাদান আজিলৈকে ৰৈ গ'ল আৰু সংখ্যাতো তেওঁলোক নগণ্য নহয়।

তাৰ উপৰিও ব্ৰিটিছ আমোলতে বহুদিন ধৰি অসমলৈ প্ৰব্ৰজনৰ সোঁত বৈ আছিল। গৃহযুদ্ধ আৰু মানৰ আক্ৰমণৰ ফলত অসমৰ বিস্তীৰ্ণ এলেকা জনবিৰল

হৈ আছিল। তদুপরি উনবিংশ শতিকাৰ শেষভাগত ক'লাজৰ প্ৰভৃতি মাৰি-মৰক অসমৰ জনসংখ্যা তালেখিনি কমাইছিল। নগাঁও জিলা আৰু কামৰূপৰ এক-তৃতীয়াংশ জনসংখ্যা মহামাৰীত এনেকৈ নিশ্চিহ্ন হৈছিল। সেইবোৰ খালি ঠাইত খেতি কৰিবলৈ বংগদেশৰ পৰা যেতিয়া পমুৱা মানুহৰ সোঁত বৱলৈ ধৰিলে তেতিয়া খাজনা লোভত ব্ৰিটিছে তাত সহায় কৰিলে। অসমীয়া মণ্ডল আৰু মাটিহাকিমে ঘোচ খাই সিবিলাকক নিগাজী পট্টা দিলে। আনকি অসমীয়া মাটিৰ মালিকেই আধি বা খণ্ডুৱা লগাবলৈ এইবিলাক মানুহক আদৰি আনি কোনো কোনো ঠাইত বহুৱালে। তদুপৰি ব্ৰিটিছ চাহবাগানত শ্ৰম দিবলৈ কেৰাটাও দশক ধৰি বহু লাখ "বহিৰাগত" আমদানি কৰা হয়। অৰ্থাৎ প্ৰব্ৰজন অসমৰ বাবে নতুন কথা নহয়। অৱশ্যে স্বাধীনতাৰ আগেপিছে বিভিন্ন ৰাজনৈতিক কাৰণত অসমীয়া নেতাসকলেই প্ৰব্ৰজনক সহায় কৰিলে। ছাৰ ছাদুল্লা আৰু গোপীনাথ বৰদলৈ—দুয়োৱে আমোলত এনেদৰে বহু বহিৰাগত অসমলৈ আহিছিল। আমি আগতে কৈ আহিছোঁ যে বিভিন্ন ক্ষুদ্ৰ জাতি-গোষ্ঠী একাকাৰ কৰি এটা জাতি গঠন কৰাৰ প্ৰক্ৰিয়া অসমত এনেয়ে আছিল শ্লেহেম আৰু দুৰ্বল। ব্যাপক প্ৰব্ৰজনে এই প্ৰক্ৰিয়াক আৰু অকামিলা কৰি পেলালে।

১৯৪৭ চনৰ পিছত ৰাজ্যিক প্ৰশাসনৰ ৰাঘজৰী হাতত পৰাৰ পিছত অসমীয়া জাতীয় চেতনাৰ বিকাশৰ বল কিছু বাঢ়িল। প্ৰশাসনৰ ক্ষমতা আৰু আৰ্থিক সম্বল কিছু বৃদ্ধি হোৱাত অসমীয়া মধ্যবিত্ত নেতাসকলে কেউফালে অসমীয়া জাতি ছাবমোহৰ মাৰিবলৈ ধৰিলে। স্কুল-কলেজৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত শিক্ষিত অসমীয়া মধ্যবিত্তৰ প্ৰভাব কিছু বাঢ়িল। চাকৰি-বাকৰিত অসমীয়াৰ হাৰ বাঢ়িল। ১৮৯০ ৰ পৰা ১৯৩১ চনলৈকে ছেঞ্চাছ বিপৰ্টত অসমীয়াৰ অনুপাত আছিল তাৰ অনুমান হয় যে বঙালী জাতীয় চেতনাৰ প্ৰেৰণাত বহু বঙালী গণনাকাৰে (enumerator) বঙালীৰ সংখ্যা কৃত্ৰিমভাবে বৃদ্ধি কৰিছিল। সেইদৰে জনজাতীয় আৰু চাহবাগানৰ ধনুৱা সম্প্ৰদায়েও নিজকে অসমীয়া ভাষাভাষী বুলি পৰিচয় দিয়াৰ প্ৰয়োজন বোধকৰা নাছিল। কিন্তু স্বাধীনতাৰ পিছত অসমীয়া জাতীয় চেতনাৰ জোৱাৰ আহিল, তাৰ ফলত আগৰ বঙালী গণনাকাৰবিলাকৰ কাৰচাজি ওভোটাই দি সকলোকে অসমীয়া কৰাৰ কাৰচাজি চলিল। ফলত একেজাঁপে ১৯৩১ চনৰ পৰা ১৯৫১ চনৰ ভিতৰত অসমীয়াৰ অনুপাত প্ৰবলভাবে বৃদ্ধি হয়। সমগ্ৰ জনসংখ্যাৰ মাজত শতকৰা ৩৫ জন অসমীয়া অৱশেষত শতকৰা ৫৭ জন অসমীয়া পৰিণত হ'ল !! ১৯৫৪ চনত ভাষাভিত্তিক ৰাজ্যগঠনে অসমীয়া জাতীয় চেতনাৰ বিকাশত বিশেষ অৰিহণা যোগালে। ১৯৬০ চনত এই প্ৰক্ৰিয়াৰ চৰম পৰিণতি হিচাপে অসমীয়া ৰাজ্যভাষা হিচাপে স্বীকৃতি প্ৰাপ্ত হয়।

মনকৰিবলগীয়া কথা এয়ে যে, এই প্ৰক্ৰিয়া সম্পূৰ্ণ স্বাভাবিক বা স্বয়ংস্ফূৰ্ত নহয়! প্ৰায় প্ৰতিবাৰেই চৰম ভাষাগত সাম্প্ৰদায়িক উত্তেজনাৰ বাবে ৰাজ্যখনত আইন শৃংখলাৰ সাময়িক অবনতি ঘটিছে, ভাষিক সংখ্যালঘুসকলৰ জীৱনৰ নিৰাপত্তা নোহোৱা হৈছে। প্ৰতিবাৰেই ৰাজ্যখনত ৰাজনৈতিক ক্ষমতাৰ জোৰত অসমীয়া

মধ্যবিত্তই বাকীবোৰ জাতি বা সম্প্ৰদায়ক একো একোটা ব্যবস্থা মানি লবলৈ বাধ্য কৰিছে।

অৱশ্যে এই কথা ক'ব নোৱাৰি যে সুবিধা পোৱা হলে বঙালী মধ্যবিত্তই অসমীয়া মধ্যবিত্ততকৈ বেছি উদাৰতা বা সাম্যভাব দেখুৱালেহেঁতেন। ব্ৰিটিছৰ বহুতীয়া হিচাপে তাহানি এচাম বঙালী মধ্যবিত্তই অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি চৰম অবজ্ঞা দেখুৱাইছিল, জাতি দম্ভৰ চূড়ান্ত অভিব্যক্তি প্ৰকাশ কৰিছিল। চাকৰি বাকৰি বা অন্যান্য ক্ষেত্ৰতো বৈষম্যৰ আদৰ্শ এওঁলোকেই দেখুৱাইছিল। আজিও অসমত এচাম বঙালী মধ্যবিত্তই বিষাক্ত উগ্ৰজাতীয়তা পোষণ কৰি আছে।

এই পটভূমিতে অসমৰ মাৰ্ক্সবাদীসকলে নিজৰ দায়িত্ব নিৰূপণ কৰিব লাগিব। অসমীয়া, বঙালী বা অন্যান্য মধ্যবিত্তই উগ্ৰজাতীয়তাৰ যি বিষবৃক্ষ ৰোপণ কৰিলে তাত সাৰ গোবৰ দিয়াটো কোনো মাৰ্ক্সবাদীৰ কৰ্তব্য হ'ব নোৱাৰে। কোনো জাতিৰ প্ৰতি বৈষম্য, অবজ্ঞা বা অসহিষ্ণুতা যি প্ৰচাৰ কৰে, সি মাৰ্ক্সবাদৰ শিক্ষাক বিশ্বাসঘাতকতা কৰিছে। পাহৰিলে নচলিব যে ষ্টালিনৰ নেতৃত্বত দ্বিতীয় মহাযুদ্ধৰ সময়ত যেতিয়া ৰুছদেশ নাৎছি জাৰ্মানিৰ লগত মৰণপণ সংগ্ৰামত ৰত, সেই সংকট মুহূৰ্ততো কছ দেশত জাৰ্মান ভাষা আৰু সংস্কৃতিৰ চৰ্চা আৰু সমাদৰ গুৰামাত্ৰাই চলি আছিল। মাৰ্ক্সবাদৰ ঐতিহ্য এই ধৰণৰে। অসম তথা ভাৰতৰ বিভিন্ন জাতিৰ জনগণৰ মাজত সাংস্কৃতিক আদান-প্ৰদানত উদগনি দিয়া প্ৰকৃত মাৰ্ক্সবাদী মাত্ৰৰে কৰ্তব্য। সকলো ধৰণৰ জাতিদম্ভৰ বীজ নিশ্চিহ্ন কৰিবলৈ মাৰ্ক্সবাদী সংস্কৃতিয়ে সচেতন প্ৰচেষ্টা চলাব লাগিব।

আনহাতে শ্ৰেণীগত সংস্কৃতিৰ নামত জাতীয় ঐতিহ্য আৰু জাতীয় সংস্কৃতিৰ অনাদৰ কৰাটো চূড়ান্ত মতান্ধ মূৰ্খামিৰ লক্ষণ। বিশ্ববিপ্লৱৰ এই স্তৰত জনগণক ঐক্যবদ্ধ আৰু অনুপ্ৰাণিত কৰাত জাতীয় চেতনাৰ ভূমিকা কোনোমতেই নুই কৰিব নোৱাৰি। মাৰ্ক্সবাদীয়ে কেবল প্ৰতিজাতিৰ ইতিহাস তথা সংস্কৃতিৰ মাজত শ্ৰমজীৱী জনগণৰ অৱদানক অধিক গুৰুত্ব দিব। তাৰ লগে লগে স্বাভাবিক আৰু সজীৱ দেশপ্ৰেমে যাতে আন জাতিৰ প্ৰতি বিদ্বেষ আৰু বিৰাগৰ ৰূপ নলয় তাৰ বাবে আন জাতিৰ ইতিহাস আৰু সংস্কৃতিৰ প্ৰতিও মৰ্যাদাৰ শিক্ষা দিব। সুখৰ বিষয় এই বিষয়ত হেমাংগ বিশ্বাসৰ গবেষণা আৰু প্ৰচাৰে নতুন দিশৰ বাটকটীয়া হৈ দেখা দিছে। মাৰ্ক্সবাদীসকলে তাৰ পৰাই নিজৰ সাংস্কৃতিক দিক নিৰ্ণয়ত সুবিধা পাব।

অসমৰ ক্ষেত্ৰত ৰাজ্যভাষাৰ প্ৰশ্নটো পুনৰ উত্থাপন কৰাৰ মই কোনো অৰ্থ নেদেখোঁ। ভবিষ্যতে যি নহওক, বৰ্তমান অৱস্থাত অসমত ৮/১০ টা ভাষাক ৰাজ্য ভাষাৰ মৰ্যাদা দিলে প্ৰশাসনীয় খেলি-মেলি বাঢ়িব, অৰ্থৰো অপব্যয় হ'ব। বিভিন্ন জোঠী আৰু ভাষিক সম্প্ৰদায়ৰ মাজত এই দাবী বা আন্দোলনে পুনৰ অতল ব্যবধান সৃষ্টি কৰিব। সেয়ে মাৰ্ক্সবাদী ব্যক্তি আৰু সংগঠনে আগু লক্ষ্য হিচাপে অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে দ্বিধাহীনভাবে মানি লব লাগে।

অসমীয়া ভাষা ৰাজ্যভাষা হ'লে অন্যান্য ভাষিক সম্প্ৰদায়ৰ যি যি আহকাল

বা অসুবিধা হয় তাক বিস্তৃতভাবে অধ্যয়ন কৰি তাৰ ভিত্তিত ভাষিক সংখ্যালঘুক কিছুমান ৰক্ষাবেক্ষণ (safeguards) দিব লাগে। তাৰ ভিতৰত নিজৰ ভাষাৰ শিক্ষাৰ মাধ্যম হিচাপে ব্যবহাৰ কৰাৰ অধিকাৰ, অসমীয়াৰ ভাষাৰ সৰ্বস্তৰত প্ৰচলন হোৱাৰ আগলৈকে ইংৰাজীক এটা বিকল্প ভাষা হিচাপে ব্যবহাৰৰ ব্যৱস্থা ল'ব লাগে। নহ'লে ভাষিক সংখ্যালঘুসকলো বহুদূৰ আগুসৰি হ'ব! অন্যান্য ভাষাক সংস্কৃতিৰ বাহন হিচাপে ব্যবহাৰ কৰাত অসমৰ ৰাজ্যিক চৰকাৰ আৰু বিশ্ববিদ্যালয় প্ৰভৃতিয়ে সহায় কৰিব লাগিব। কাছাৰৰ বঙালী লেখকসকলৰ কিতাপ ছপা কৰাত অসম প্ৰকাশন পৰিষদে সহায় কৰিব লাগিব। তেনেকৈ অসমৰ শিক্ষাবিভাগেই বড়োভাষাৰ পাঠ্যপুথি ৰচনাত আগৰণুৱা হ'ব লাগিব। মধ্যবিত্ত অসমীয়াই এনে দূৰদৃষ্টি দেখুৱাব পাৰিছে! সেই সজাগতা মাৰ্ক্সবাদী নেতৃত্বয়েই সৃষ্টি কৰিব লাগিব। কেইবছৰমান আগলৈ বঙালী ভাষাত ৰবীন্দ্ৰ সংগীত প্ৰচাৰ আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰত বন্ধ হৈ যায়। এনে লজ্জাজনক ঘটনাৰ যাতে পুনৰাবৃত্তি নহয়।

প্ৰব্ৰজন বন্ধ কৰাটো চৰকাৰ কৰ্তব্য। অৰ্থনৈতিক বিকাশ যি সময়ত স্তব্ধ বা পশ্চাৎমুখী, সেই সময়ত বহিৰাগত স্ৰোত অবাধিত হৈ থাকিবলৈ দিয়াটো অসমৰ কোনো সম্প্ৰদায়েই সমৰ্থন নকৰিব। বহিৰাগতৰ স্ৰোতে যে থলুৱা অসমীয়াৰে চাকৰিৰ সুবিধা কমাব এনে নহয়, থলুৱা বঙালী বা নেপালীকো বিপদত পেলাব। কিন্তু প্ৰব্ৰজন সাধাৰণ বঙালী বা নেপালী নাগৰিকে বন্ধ কৰিব নোৱাৰে। চৰকাৰ প্ৰশাসন আৰু পুলিছৰহে সেই ক্ষমতা আছে। এই ক্ষেত্ৰত চৰকাৰী ক্ষমতাৰ ব্যবহাৰত নীতিগত মাৰ্ক্সবাদীয়ে আপত্তি নকৰে।

কিন্তু প্ৰব্ৰজন বন্ধ কৰাৰ নামত যে নিৰীহ থলুৱা মানুহৰ ওপৰতো জুলুম চলিব পাৰে, থলুৱা লোকক চাকৰি দিয়াৰ নামত যে অৰ্থসম্পন্ন থলুৱা বঙালী লোককো বঞ্চিত কৰা হ'ব পাৰে—অভিজ্ঞ ব্যক্তি মাত্ৰেই সেইকথা নজনা নহয়। আইনগতভাবে তাৰ প্ৰতিকাৰ চিন্তা কৰি উলিওৱাও মাৰ্ক্সবাদীৰ কৰ্তব্য। কিন্তু স্বাৰ্থ জড়িত মহলে সামন্তবাদ আৰু বহতীয়া পুঁজিবাদৰ হেঁচাত কেনেকৈ অসম তথা ভাৰতৰ অৰ্থনৈতিক বিকাশ স্তব্ধ হৈছে তাক ঢাকি ৰাখি কেবল প্ৰব্ৰজনৰ দোহাই দিয়ে। সিহঁতৰ মুখাও আমিয়ে খলিব লাগিব।

নিখুত প্ৰিন্টিং, সুন্দৰ বাইণ্ডিঙৰ
বাবে নিৰ্ভৰযোগ্য ছপাশাল

সমকাল প্ৰিণ্টাৰ্স

জু ৰ'ড
গুৱাহাটী-২৪

অংকৰ উত্তৰ

—সত্যসুন্দৰ বৰুৱা

.....কুকুৰে নেৰে ছাই। যাৰ যি পৰিস্থিতি মৰিলেও হেনো লগতে যায়। কথাষাৰ কিমানদূৰ সত্য মই নাজানো। পিছে মানুহ মাত্ৰেই যে নিজস্ব এক স্বভাব বা প্ৰকৃতি থাকে সেয়া হ'লে ময়ো মানো। কিহে গঢ় দিয়ে এই স্বভাব? সাঁচত গঢ়া এটা স্বভাব বা প্ৰকৃতি জোৰ কৰি সলনি কৰিব পৰা যায়নে? বিশুদ্ধ (!) অহিংসাবাদীসকলে মানুহৰ হৃদয় পৰিবৰ্তন কৰাৰ কথা কোৱা শুনো। জয়প্ৰকাশ নাৰায়ণৰ কাষত হেনো চম্বলৰ ভালেমান দুৰ্দ্ধৰ্ষ ডকাইতে আত্মসমৰ্পণ কৰি হৃদয় পৰিবৰ্তনৰ প্ৰমান দেখুৱাইছে! পিছে ডকাইতৰ বংশ শেষ হোৱা নাই। অলপতে সেইফালৰে এজনী মাইকী ডকাইতৰ উলংগ মৃতদেহ ট্ৰাকত তুলি পুলিছে ৰাইজৰ আগত প্ৰদৰ্শন কৰাৰ খবৰ আৰু ছবি কোনোবা এখন কাকতত দেখিছিলো। গতিকে এইবোৰ আমাৰ দৰে ক্ষুদ্ৰ বুদ্ধিয়ে টুকি নোপোৱা গভীৰ বিষয়। তদুপৰি মানৱ প্ৰকৃতি, মনস্তত্ব বা জীৱনৰ আদৰ্শ ইত্যাদি জটিল বিষয়বোৰৰ মই কাহানিও মনোযোগ দি বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰা নাই অথবা সেই জাতীয় চিন্তা কৰাৰ কোনো প্ৰয়োজনো নাই। মই মাষ্টৰ মানুহ। কলেজীয়া শিক্ষা মাং নকৰাকৈ আধাতে এবি ওঁছ অহাৰ পাচৰে পৰা আজি প্ৰায় দহ বছৰ কাল মই এই মাষ্টৰী বৃত্তিতে কটাইছো। প্ৰথমতে দুই-চাৰিটা টিউচনো কৰিছিলো। মাজতে ঘৰৰ আঁতৰৰ হাইস্কুল এখনত কিছুদিন মাষ্টৰী কৰিলো। অবশেষত ঘৰুৱা অসুবিধা আদিৰ কাৰণে ঘৰ এৰিব নোৱাৰি গাঁৱৰে ৰাইজৰ লগলাগি এখন স্কুল পাতিলো আৰু এইখন স্কুলতে আজি তিনি-চাৰিবছৰে ল'ৰা-ছোৱালী পঢ়ুৱাই আছো। এই কেইবছৰে বহুত ধৰণৰ ল'ৰা-ছোৱালীৰ সান্নিধ্য মই পাইছো। পঢ়া-শুনাত মন থকা চোকা ল'ৰা-ছোৱালীক লগ পাই ভাল পাইছো। স্বাভাবিকতে সিহঁতৰ প্ৰতি কিছু সহানুভূতিশীল বা ইণ্টাৰেষ্টেড হৈ পৰিছো। সেইদৰে উদণ্ড, ধিতিঙালি কৰি ফুৰা ল'ৰা দেখিলে সিহঁতক খং কৰিছো, দাবী ধমকি দিছো। কিন্তু আজি অপ্ৰত্যাশিতভাবে হঠাৎ মোৰ এক ধাৰণা হৈছে। আৰু এই ধাৰণাই যোৱা দহবছৰে ল'ৰা-ছোৱালীৰ মাজত শিক্ষক হৈ কটোৱাৰ যি গৰ্ব মই কঢ়িয়াই ফুৰিছিলো তাত নিষ্ঠুৰভাৱে কুঠাৰাঘাত কৰিছে। ল'ৰা-ছোৱালীক জ্ঞান দিয়াটোৱেই যিহেতু মোৰ বৃত্তি গতিকে লৰা-ছোৱালী-

বোৰৰ মাজত থাকি মোৰ জ্ঞান বা বিজ্ঞতাৰ ওপৰত মই নিজে নিজে কেতিয়াবা প্ৰশ্ন কৰিবলৈ ইচ্ছা কৰাটো এক অস্বাভাবিক নিয়ম। গতিকে সিহঁতৰ মানত মই এজন শুদ্ধ জ্ঞানী আৰু বিজ্ঞ পুৰুষ। মাজে মাজে মই গল্প-কবিতা লিখো। কাকত আলোচনীত সেইবোৰ প্ৰকাশ হোৱাৰ জৰিয়তে দহজনে মোক সেই দৰেও চিনি পাইছে। মোৰ পঢ়ুৱৈ বিলাকৰ ধাৰণা, এই সূক্ষ্ম সুকুমাৰ কলাত যাৰ থকা এজন ব্যক্তি হিচাপে জীৱন আৰু জগত সম্বন্ধে, মানৱ মন আৰু মনস্তত্ত্ব আদিৰ সম্বন্ধে মোৰ গভীৰ অধ্যয়ন আছে আৰু আছে এটা বিশ্লেষণাত্মক দৃষ্টিভংগী। এই দৰেই অতদিনে মই এজন স্বয়ম্ভু নমস্য ঈশ্বৰ হৈ আলাসত ওপঙি আছিলো। অন্ততঃ আজি মোৰ সেইটো অনুভৱেই হৈছে। মনে মনে পবনৰ ওচৰত মই পৰাজয় স্বীকাৰ কৰিছো যদিও পেটে পেটে ধন্যবাদ জনাইছো। কিয়নো পবন নামৰ মোৰ উদ্ধত ধিতিঙা ছাত্ৰটোৱেহে সেই নতুন অভিজ্ঞতাৰ দুৱাৰখন মোৰ সন্মুখত আজি খুলি ধৰিলে।

সচাঁ কথা ক'বলৈ হ'লে পবন নামৰ এই লৰাটোৰ প্ৰতি মই কোনো দিন বিশেষ মনোযোগ দিয়াৰ প্ৰয়োজনীয়তা অনুভব কৰা নাছিলো। সি এটা সাধাৰণ ল'ৰা। উৎপতীয়া আৰু উদণ্ড। পঢ়া-শুনাত বৰ সুবিধাৰ নহয়। কেতিয়াবা ইস্কুললৈ নহাকৈ থাকে যেন লাগে। মই মাজে সময়ে তাক শাস্তিও দিছো। সি পিছে সেই সময়ত বৰ শান্ত-শিষ্টটো হৈ থাকে। এই সময়ত ল'ৰা অলপ উৎপতীয়া হোৱাটোৱেই নিয়ম। কিন্তু অতি দুষ্টামী দেখিলে কেতিয়াবা বৰ খং উঠে। দুই চাৰিটা ল'ৰাৰ বাপেক-ককায়েকে ওচৰৰ চাহ বাগিচাত মহৰী চাকৰি কৰাৰ বাহিৰে মোৰ স্কুলৰ বাকী বেচিভাগ ল'ৰা-ছোৱালীয়েই কাষৰ পাজৰৰ গাঁৱৰ খেতিয়কৰ ঘৰৰ পৰা অহা। পঢ়া-শুনা কৰিলে হাকিম মুফিপ হ'ব আৰু হাকিম মুফিপ হ'লে টকা-পিকা ঘটি সুখেৰে থাকিব পাৰিব—এই কথা ভাবিহে বাপেক-মাকে তহঁতক স্কুললৈ পঠাইছে। আৰু তহঁত গৰুহ'তে নপঢ়ি-নুশুনি ধিতিঙালি কৰি ফুৰিলে হ'বনে? কিবা এটা খণ্ডত এই পবন বোলাটোক এদিন ভালকৈ বকিলো। বোলো, 'এই গৰু, তোৰ বাপেৰে হাকিম কৰে নে উকীল কৰে?'

'খেতি কৰে', অলপ থতমত খাই সি উত্তৰ দিলে।

'মাটি চহাবলৈ ট্ৰেক্টৰ লগাবনে বঢ়া গৰু?'

সি অলপ সময় বৈ ভয়ে ভয়ে মোলৈ চাই ক'লে, 'গৰু এহাল আছে।' মোৰ খং উঠিল। অলপ বিৰক্ত হৈয়ে কলো, 'আহাহা, গৌৰবটো চোৱা। গৰু এহাল আছে হেৱৌ ঝাপেৰে তোক ইয়াত পঢ়িবলৈ পঠিয়াইছে নে চৰিবলৈ পঠিয়াইছে? এনেকে পঢ়াত মনকাণ নিদি ঘুৰি ফুৰিলে, তয়ে গৰু হৈ পথাৰত হাল টানিব লাগিব—সেই খবৰ ৰাখিছনে?

কিবাকিবি দুটামান আৰু কৈছিলো ক'বলা, পাহৰিলো। সি পিছে আনদিনা দৰে মাটিৰ পুতলা এটা থিয় হোৱাদি থিয় দি আছিল। মোৰ এনে লাগিল যে মোৰ কথা-বাৰ সি এখন কাণেৰে শুনি ইখন কাণেৰে উলিয়াই পঠিয়াইছে। অৰ্থাৎ হকতে মোৰ শক্তিহে অপব্যয় হৈছে। পবনৰ স্বভাবৰ কোনো পৰিবৰ্তন মোৰ দৃষ্টি

গোচৰ নহ'ল। তাৰ প্ৰতি দস্তুৰমত মই বিৰক্তি অনুভব কৰিলো। অথচ এই পবনেই আজি মোৰ মনত এনে এক অনুভূতিৰ জন্ম দিছে যে মই ভাবিবলৈ বাধ্য হৈছো। হয়ানদিনে কেবল মাষ্টৰীকে কৰিলো যদিও প্ৰকৃত অৰ্থত মই জানো 'মাষ্টৰ' হ'ব পাৰিছো?

চাৰলৈ গ'লে কথাটো বিশেষ একো নহয়। যি সামান্য কাৰ্যটোৱে মোৰ নতুন উপলব্ধিৰ উদ্ৰেক কৰিছে বুলি কৈছো, আপোনালোকে হয়তো কোনো গুৰুত্ব বিচাৰি নাপাব পাৰে। কিয়নো মোৰ এই গোটেই গল্পটোৰ গুৰিতে হ'ল আন এটা সৰু গল্প। এখন জনপ্ৰিয় মাহেকীয়া আলোচনীৰ সম্পাদকে 'ব্যংগ সাহিত্য সংখ্যা' হিচাবে আলোচনীখনৰ এটা বিশেষ সংখ্যা উলিয়াব খুজিছে আৰু তালৈ এটা ব্যংগ গল্প খুজি কেইদিনমানৰ আগতে মোলৈ এখন চিঠি দিছে। কি বিষয় বস্তুৰ ওপৰত গল্পটো লিখোঁ তাকে কেবাদিনো ধৰি চিন্তা কৰি থাকোতে হঠাৎ বাতৰি কাকতত প্ৰকাশিত খবৰ এটালৈ মনত পৰিল। দেশত ইমাৰ্জেন্সী ঘোষণা কৰাৰ আগতে কলিকতাৰ পৰা প্ৰকাশিত ইংৰাজী দৈনিক এখনত খবৰটো ওলাইছিল। কাকতখন সম্প্ৰতি লগত নাই। কিন্তু যিমানদূৰ মনত পৰিছে খবৰটোৰ সাৰাংশ চমুকৈ এই ঃ দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত কৰ্মৰত পৰা উৰি আহি প্ৰায় এহেজাৰমান পাৰ চৰায়ে বাহ সাজিলেহি। দিনে বাতিয়ে পাখি মাৰি মাৰি সিহঁতে ইটো কোঠাৰ পৰা সিটো কোঠালৈ উৰি ফুৰে। বাহিৰে ভিতৰে বিষ্ঠা ত্যাগ কৰি গোটেইখন অপবিষ্কাৰ কৰি তুলিলে। সমস্তৰে ৰুণ দি কোহাল কৰি গহীন-গম্ভীৰ ৰাষ্ট্ৰপতি ভৱনৰ শান্তিময় পৰিবেশ নষ্ট কৰি পেলালে। অতীষ্ঠ হৈ ৰাষ্ট্ৰপতিয়ে পাৰচৰাইবোৰক খেদাবৰ বাবে বিভিন্ন ব্যবস্থা হাতত ললে। প্ৰথমতে জাল পেলাই ধৰিবৰ যত্ন কৰিলে। অকৃতকাৰ্য হৈ নিজৰ গা-বক্ষীবোৰক লগালে। তেনেকৈ নোৱাৰি দেশৰ সৈন্যবাহিনীকো নিয়োগ কৰিলে। পিছে সৈন্যবাহিনীয়েও পাৰ চৰাইবোৰক খেদাৰ নোৱাৰিলে। অবশেষত বিদেশৰ পৰা কিছুমান বিশেষ যন্ত্ৰ-পাতি আৰু বিশেষজ্ঞ অনোৱাৰ ব্যবস্থা কৰা হ'ল আৰু তাৰ পাছতহে পাৰ চৰাইৰ উপদ্ৰৱৰ পৰা ৰাষ্ট্ৰপতি ভৱন ৰক্ষা পৰিল।

মই ভাবিলো, এই খবৰটোকে বিষয়বস্তু কৰিচোন এটা ব্যংগ গল্প লিখা যায়। গতিকে গল্পটো কেনেকৈ লিখিলে ভাল হয় তাকে দুদিনমান মনতে জুকিয়াই আছো। সঁচাতো অহৰহ মোৰ গল্প লিখাৰ চিন্তাকে আহি আছে। ক্লাচ ছেভেনত এটা বুৰঞ্জীৰ ক্লাচ আছিল। নিৰ্দিষ্ট শিক্ষকজন কিবা কাৰণত্ অনুপস্থিত থকাত হেডমাষ্টৰে ক্লাচটো লবলৈ মোক পঠিয়ালে। ল'ৰাহঁতক মই এটা ক্লাচৰ্ক দিলো যে পঞ্চলিচ মিনিটিয়া সময়খিনিত সিহঁতৰ যেয়ে যেনেকৈ পাৰে এটা গল্প বা সাধুকথা লিখি দাখিল কৰিব লাগে। সিহঁতক তেনেকৈ ব্যস্ত ৰাখি ময়ো মোৰ ব্যংগ গল্পৰ জকাঁটো মনতে জুকিয়াবলৈ ললো।

তেনেকৈয়ে জন্ম হ'ল এটা সৰু গল্প। গল্পটো পবনে লিখেছে। মোৰ সন্মুখৰ টেবুলত বত্ৰিশটা ল'ৰাৰ বত্ৰিশখন বহীৰ ভিতৰত মোৰ হাতত উঠিল পবনৰ বহীখন। গল্পটো সি নিজে ভাবি লিখিছে নে ক'ৰবাত সি তেনে এটা কাহিনী শুনিছে? মই

সচাঁকৈ আচৰিত আৰু অভিভূত হৈছো। এটা হাঁহি উঠা গল্প। সি নামকৰণ কৰা নাই। বোধহয় গল্পটোৰ কিবা এটা নাম দিব লাগে বুলি সি নাজানে অথবা দিব পৰাকৈ ভাল নাম এটা তাৰ মনত নেখেলালে। বহীখন মেলি আকৌ এবাৰ চকু ফুৰালো। সি লিখিছে—

এখন দেশত এজন ৰজা আছিল। দেশখন ৰৰ বিশাল। গোটেই দেশখনত কমেও সৰু ডাঙৰ ওঠৰ কুৰিখনমান ৰাজ্য আছিল আৰু এই ৰাজ্যবোৰৰ শাসনভাৰ চলাবৰ কাৰণে প্ৰতি ৰাজ্যতে একোজন প্ৰধানমন্ত্ৰী আছিল। ৰজাজন ৰৰ খঙাল আৰু আক্ৰোশী। মনটোও আছিল ভীষণ সন্দেহী। ৰাজপাট কণ্টকহীন কৰিবৰ কাৰণে বিভিন্ন ৰাজ্যৰ তেওঁ এনে কিছুমান প্ৰধানমন্ত্ৰীক নিযুক্তি দিছিল যিসকল তেওঁৰ একান্ত অনুগত আৰু বিশ্বস্ত। মাজে সময়ে ৰজাই কিছুমান কাম কৰিছিল বা কৰিবলে আদেশ কৰিছিল যে সেইবোৰৰ বাবে দেশৰ জনসাধাৰণে তেওঁৰ মঙ্গলৰ সুহুতাৰ ওপৰতো মনে মনে সন্দেহ প্ৰকাশ কৰিবলৈ প্ৰয়াস পাইছিল।

ৰজাই এবাৰ এটা অদ্ভুত আদেশ দিলে। তেওঁৰ মগজুত খেলালে যে গোটেই দেশখনত কিমান গৰু আছে তাৰ এটা হিচাপ উলিয়াব লাগে। এবাৰ মগজুত খেলালে যেতিয়া ৰক্ষা নাই। তেওঁ ভাবিলে গোটেই দেশখনৰ প্ৰতিখন ৰাজ্যত গৰুৰ হিচাপ নকৰি এখন নিৰ্দিষ্ট ৰাজ্য বাচি লোৱা যাওক। সেইখন ৰাজ্যৰ গৰুৰ হিচাপটো উলিয়াই দেশৰ মুঠ ৰাজ্যৰ সংখ্যাৰে পূৰণ কৰি দিলেই হ'ল। সেইমতে তেওঁ এখন ৰাজ্য নিৰ্বাচন কৰিলে আৰু তাৰ প্ৰধানমন্ত্ৰীজনক সেই ৰাজ্যখনৰ মুঠ গৰুৰ সংখ্যাটো উলিয়াবলৈ ভাৰ দিলে। মন্ত্ৰীজনে বহুত ভাবিচিন্তি এই হিচাপৰ ভাৰটো দিলে এজন জিলা অধিপতিক। তেওঁ ভাবিলে এখন জিলাৰ মুঠ গৰুৰ সংখ্যা উলিয়াই ৰাজ্যখনত থকা মুঠ জিলাৰ সংখ্যাৰে পূৰণ কৰি দিলেই হিচাপটো ওলাই পৰিব। শাসনৰ সুবিধাৰ কাৰণে প্ৰতিখন জিলা আকৌ মহকুমাৰ দৰে কিছুমান সৰু সৰু অঞ্চলত বিভক্ত। সেই জিলা অধিপতিজনেও একেটা বুদ্ধিকে খটুৱালে। তেওঁ জিলাখনৰ বিশেষ এটা অঞ্চল বাচি লৈ সেই অঞ্চলৰ মুৰব্বীজনক গৰুৰ হিচাপৰ অঙ্কটোৰ ভাৰ দিলে। এৰোঁ আকৌ তেওঁৰ অঞ্চলৰ এখন ডাঙৰ গাঁও বাচি ললে আৰু সেই গাঁৱৰ গাঁওবুঢ়াজনক অঙ্কটো উলিওৱাৰ ভাৰ অৰ্পণ কৰিলে। গাঁও বুঢ়া অংকত তেনেই কেঁচা। পঢ়াশালিত তেওঁ কাহানিও ভৰি দিয়ে পোৱা নাই। তেওঁ ৰৰ বিপাওত পৰিল। ভাবিচিন্তি অবশেষত তেওঁ গাঁৱৰে স্কুল এখনৰ এজন চোকা অংকৰ মাষ্টৰৰ কাম চাপিল আৰু গোটেইখিনি কথা ভাঙি-পাতি কৈ সুধিলে, "অংকটো জানিব পৰা হ'বনে মাষ্টৰ?" মাষ্টৰজনে মুৰটো খজুৱাই অলপ পৰ তলকা মাৰি থাকিল। তাৰ পিছত কলে, "হয়, হ'ব যেন পাইছো।"

মাটিকালিৰ অংকত পাকৈত মাষ্টৰজন স্কুলৰ সম্মুখৰ পথাৰখনলৈ ওলাই আহিল। চাৰিওফালে তেওঁ এবাৰ চাই সম্মুখত চৰি থকা গৰুকেইটা তৎক্ষণাৎ হিচাপ কৰি পেলালে। পথাৰখনত মুঠতে কিমান বৰ্গফুট মাটি হ'ব তেওঁ তাৰ আন্দাজ কৰিলে। তাৰ পিছত মনৰ ভিতৰতে অংক কৰি জুকিয়ালে, '——' বৰ্গফুট পথাৰখনত যদি '——' গৰু হয় তেন্তে গাঁওখনৰ '——' বৰ্গফুটত '——' গৰু হ'ব। গাঁওখনত যদি '——' হয় তেন্তে গোটেই অঞ্চলটোত হ'ব '——' আৰু সেই হিচাপত জিলাখন মুঠ গৰুৰ সংখ্যা হ'ব '——'। তাৰ পিছত তেওঁ ৰাজ্যখনত মুঠ কেইখন জিলা আছে আঙুলীৰ পাবত হিচাপ কৰিলে। এখন জিলাত যদি '——' গৰু হয়, তেন্তে গোটেই ৰাজ্যখনৰ মুঠ গৰুৰ সংখ্যাটো উলিওৱাত তেওঁৰ একো অসুবিধা নহ'ল। হিচাপত পোৱা এই সংখ্যাটোক তেওঁ এইবাৰ গোটেই দেশখনৰ মুঠ ৰাজ্যৰ সংখ্যাৰে পূৰণ কৰিলে। অংকৰ উত্তৰ ওলাই পৰিল। দেশখনৰ গৰুৰ হিচাপটো উলিয়াব পৰাৰ আনন্দত মাষ্টৰজনে হিচাপটো লৈ একেদৌৰে জিলা অধিপতিজনৰ ওচৰ পালেহি। জিলা অধিপতিজনে হিচাপটো চাই মাষ্টৰজনক কাগজখনৰে সৈতে ৰাজ্যৰ প্ৰধান মন্ত্ৰীৰ ওচৰলৈ পঠিয়াই দিলে।

বহুতপৰ বাহিৰত অপেক্ষা কৰি থকাৰ মূৰত এবাৰত ভিতৰলৈ যাবলৈ তেওঁক যেতিয়া অনুমতি দিয়া হ'ল, মাষ্টৰজনে হিচাপৰ কাগজখন হাতত লৈ মন্ত্ৰীৰ কাষত থিয় হ'ল। লাহেকৈ মাত লগালে, "ছাৰ, গৰুৰ হিচাপটো....." মূৰটো ডাঙি জোকে চকুহাল মেলি মন্ত্ৰীজনে এটা প্ৰশ্নবোধক দৃষ্টিৰে মাষ্টৰজনলৈ চাই সুধিলে, "কি?"

মাষ্টৰজনে পুনৰ ক'লে, "গৰুৰ হিচাপটো ওলাল ছাৰ।" মন্ত্ৰীজনে কঁপালখন কোচ খুবাই মাষ্টৰলৈ বহুপৰ নিমাতে চাই ৰ'ল। কিহৰ গৰুৰ হিচাপৰ কথা কোৱা হৈছে তেওঁ বুজা নাই। কিয়নো গৰুৰ সংখ্যাৰ হিচাপটো উলিয়াবলৈ ৰজাই তেওঁক অৰ্ডাৰ দিয়াৰ দিন ধৰি আজি উত্তৰ ওলোৱালৈকে ইতিমধ্যে কেবা বছৰো পাৰ হৈ গ'ল। গতিকে কথাটো ইমান দিনে তেওঁ পাহৰি পেলাইছে। মাষ্টৰজনে গোটেইখিনি কথা ভাঙিপাতি কোৱাৰ পাছতহে প্ৰধান মন্ত্ৰীৰ পুৰণি অংকটো মনত পৰিল আৰু ভীষণ ফূৰ্তি পোৱাৰ দৰে গোটেই গাটো জোকাৰি এটি হাঁহি মাৰি সুধিলে, "অ' সেই গৰুৰ হিচাপৰ অংকটো ওলাল নে? চাওঁ, চাওঁ কিমান পালেনো?"

মাষ্টৰে কলে, "ছাৰ, গোটেই দেশখনক সৰ্বমুঠ গৰু হ'ল সাতহাজাৰ সাতশ সাতাইছটা"

"কিমান?"

"সাতহাজাৰ সাতশ সাতাইছ।"

মন্ত্ৰীজনে এইবাৰ হিচাপৰ কাগজখন নিজৰ হাতত লৈ চকু ফুৰালে। তাৰ পিছত পুনৰ মাষ্টৰৰ হাতলৈ কাগজখন দি ক'লে, "ভালকৈ কৰিলেনে অংকটো? মইচোন অকণমান ভুল হৈছে যেন পাওঁ।"

মাষ্টৰজন আচৰিত হ'ল। তেওঁ ক'লে, "ছাৰ, মই ৰৰ ভালকৈ হিচাপ কৰিছো। ভুল হ'বই নোৱাৰে।"

মন্ত্ৰীয়ে দুনাই কলে, "ওঁহো। মোৰ মতে গৰুৰ সংখ্যাটো হ'ব লাগে সাতহাজাৰ সাতশ ত্ৰিছ। আপুনি অলপ ভুল কৰিছে।"

মাষ্টৰজনে জোৰ দি ক'লে, "নহয় ছাৰ। ভুল হয় বুলি একেটা অংককে

মই দহবাৰমান কৰি চাইছো।

এইবাৰ মন্ত্ৰীয়ে প্ৰায় কৰ্তৃত্বৰ সুৰত গহীন হৈ কলে, "নাই; ভুল হৈছে। তিনিটা গৰু আপুনি যোগ দিয়ক। মই কৈছো, সংখ্যাটো সাত হাজাৰ সাতশ ত্ৰিশ হ'ব লাগে।"

মন্ত্ৰীৰ হুকুম মাষ্টৰে কিদৰে অমান্য কৰে? তেওঁ একান্ত বাধ্য ছাত্ৰৰ দৰে নিজে উলিওৱা সংখ্যাৰ লগত আৰু তিনি যোগ দিলে। দশৰ সৰ্বমুঠ গৰুৰ সংখ্যা হ'ল সাতহাজাৰ সাতশ ত্ৰিশ। পিছে মাষ্টৰৰ মনৰ খোঁকোজা নুগুছিল। সময়ত মৰণত শৰণ দি ভেওঁ মন্ত্ৰীক ভয়ে ভয়ে সধিয়েই পেলালে, "ছাৰ, দোষ নধৰিলে কথা এটা সোধোঁ। বাকী তিনিটা গৰু মইচোন ইমানকৈ হিচাপ কৰিও নাপালো। আপুনিনো কেনেকৈ উলিয়ালে।?"

মন্ত্ৰীজনে কেৰাহীকৈ মাষ্টৰলৈ চাই এটি আমোদজনক হাঁহি মাৰিলে। তাৰ পিছত বেচ অবজ্ঞা ভাবেৰে কলে, "আপুনি সঁচাকৈয়ে এটা গৰু। এই সামান্য কথাটোও বুজি পোৱা নাইনে? কে'লৈ, গোটেই দেশখনৰ গৰুৰ হিচাপ উলিয়াবলৈ যিজনে মোক ভাৰ দিছিল তেওঁ, মই আৰু আপুনি—এই তিনিটা গৰু কেনি গ'ল? এই তিনিটাক ধৰি মুঠ গৰুৰ সংখ্যা সাতহাজাৰ সাতশ ত্ৰিশটা নহয় নে?"

মাষ্টৰজন তলমুৰকৈ কোঠাটোৰ পৰা ওলাই আহিল।

গল্পটোৰো ইমানতে শেষ। আপোনালোকে চাগৈ ভাবিছে যে ক্লাছ ছেভেনৰ লৰাএটাই এনেকুৱা এটা গল্প লিখিব পাৰেনে? কথাটো ময়ো চিন্তা নকৰা নহয় আৰু সেই ৰাবেই মই বেছি আচৰিত হৈছো। পৰনৰ প্ৰতি থকা মোৰ মাষ্টৰী ধাৰণা লগে লগে সলনি হৈ গৈছে। কিয়নো সি যদি কাৰোবাৰ পৰা কেতিয়াবা এনে এটা গল্প শুনিছে তেন্তে কওঁতাজনে নিশ্চয় নিজা উপলব্ধিৰে সজাই পৰাইহে গল্পটো কৈছে। সেইজন পৰনৰ দেউতাকো হ'ব পাৰে বা অন্য মানুহো হ'ব পাৰে। কিন্তু যেনে নহওক কিয়, মানুহজন গাঁৱলীয়া খেতিয়ক ধৰণৰ সাধাৰণ মানুহৰ বাহিৰে অন্য হ'ব নোৱাৰে। সেই মানুহজনৰ বা পৰনৰ মনৰ উপলব্ধি মই অথবা মোৰ মাষ্টৰী বুদ্ধিয়ে জন্ম দিয়া নাই। বিপৰীতে, মোৰ ছাত্ৰ-ছাত্ৰীবোৰৰ স্বভাব-চৰিত্ৰ, মনস্তত্ত্ব আৰু জীৱনৰ আদৰ্শবোৰ সিহঁত থিয় হৈ থকা পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাৰ পৰিপ্ৰেক্ষিততে বিচাৰ কৰিবলৈ মইহে এক নতুন অভিজ্ঞতা লাভ কৰিলো।

এটা ব্যংগ গল্পৰ যিটো পৰিকল্পনা মনে মনে মই কৰি আছিলো ইতিমধ্যে সেয়া খেলি-মেলি হৈ গৈছে। বোধহয় এইবাৰ আৰু ব্যংগ গল্প পঠোৱা হৈ নুঠিব পৰনৰ বহীখনত আকৌ চকু ফুৰালো। সি গল্পটোৰ নামকৰণ কৰা নাই। নাই নহলে গল্পটোৰ উদ্ধৃতি দিয়াৰো অসুবিধা। নাম এটা দিবলৈ মোৰ বৰ মন গৈছে। কি নাম দিয়া যায়? বহুত সময় ভাবিলো। অৱশেষত যিখন পাততে সি গল্পটি আৰম্ভ কৰিছে সেই পাতখনৰ ওপৰত গোট গোটকৈ মই লিখিলো—'অংকৰ উত্তৰ'।

ভঙা আয়নাৰ টুকুৰা

অথ পাঠ্য-পুথি সংবাদ

হেম গোস্বামী

সৰিয়হ তলীৰ ডেওনা ঃ ৰ'ব, জপনাখন পাৰ হোৱাৰ আগতে আমাৰ এফাঁকি বঢ়া বচন শুনি যাওক; নহ'লে জেওৰা ভাঙি মহাসুখে এৰাপাত খাই থকা আপোনাৰ দৰত মন নবহা পাঠাটো খৰ-ধৰকৈ খেদি নিবলৈ আহোঁতে গ হস্তই 'পঞ্চায়তী'ৰ পৰা আপোনাক 'নিবাপত্তা' দিয়াৰ দায়িত্ব কিন্তু আমাৰ নাথাকিব। ওৱা-পাণ দিয়াৰ পৰা ধৰি আঁঠু লোৱালৈকে সমস্ত ভকতীয়া কৰ্মফেৰা আপোনাৰ আৰু পৰিয়ালৰ লোকৰ দ্বাৰা সংৰক্ষিত হ'ব।

অলপতে এজন বৈয়াকৰণিক সাহিত্যিকে অসীম ধৈর্যৰে প্ৰণয়ন কৰা নতুন অসমীয়া ব্যাকৰণখনৰ গোটাচেৰেক শব্দৰ সংজ্ঞা ডাঙি ধৰা হ'ল। এই সম্পৰ্কতে প্ৰণেতা গৰাকীয়ে তেওঁৰ 'শ্ৰম সাৰ্থক' কৰিবলৈ সম্প্ৰতি পাঠ্য-পুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ লগত নিতৌ পুৱা-গধুলি দুবাৰকৈ ছাটোল ট্ৰেইন চলাই থকা দেখা গৈছে।

ইয়াত আগতীয়াকৈ প্ৰচাৰ কৰাৰ বাবে পঢ়াশলীয়া ছাত্ৰ-ছাত্ৰী বা পেটত পানী গামোচা বন্ধা আৰু নবন্ধা সকলো পৰ্যায়ৰ অভিভাবক (স্ত্ৰী-অভিভাবকনী) সকলে প্ৰতি বছৰে পাঠ্য-পুথি সালসলনি কৰি থকা হৈছে বুলি খুচি দিয়া ৰবল বাঁহৰ দৰে জাঙুল খাই উঠিব নালাগে; বৰং এইখন ব্যাকৰণ দ্ৰুত পাঠ্য হিচাপেহে গণ্য হ'ব আৰু শতকৰা ৯৯ ভাগ ছাত্ৰই পৰীক্ষাত উত্তৰ দিব নোৱাৰিলেও, পুলিছ-নিৰীক্ষক, গ্ৰাম-সেৱক, মহিলা সমিতিৰ সভানেত্ৰী বা অধুনা দিল্লীয়ে—দিছপুৰে পানী কাছদী যোৱা 'ভদানীন্তন' বিশেষ ৰাজনৈতিক দলটোৰ পাণ্ডাৰ যোগে নাইবা অন্য কোনো শেহতীয়া বিজ্ঞান সম্মত পদ্ধতিৰে কাণ-চোৱাই থকাৰ গণতান্ত্ৰিক ব্যবস্থা গ্ৰহণ কৰা হ'ব।— এতিয়া পঢ়ক ঃ

বৰ্ণ বা আখৰঃ—ডেকা-ডেকেৰীৰ মনৰ অফুৰন্ত ভাব প্ৰকাশ কৰিবলৈ নীলা লাইটিং পেড়ত যিবোৰ কথা লিখা হয়, আৰু টোপনি খতি কৰি কৰি কোনেও নেদেখাকৈ যিবোৰ কথা পঢ়া হয়, তাকে বৰ্ণ বা আখৰ বোলে। এই বৰ্ণ বা আখৰৰ জাত (cast & creed) নাই; ই-বৰ্ণ-শংকৰ।

শব্দঃ—ছাইকেলৰ চেইনৰ দৰে আখৰবোৰ এটাৰ পাছত এটাকৈ লগ-লাগি ৰেলৰ

মই দহবাৰম কৈ ইটোৰ লগত সিটোক সংলগ্ন কৰাকে শব্দ বোলে। স্থান-কাল-পা
এইবাৰ দৰাজিৰ ব্যুৎপতিগত অৰ্থৰ ব্যৱহাৰো সুকীয়া। এই বিষয়ে বিশদ বিবৰণ
কিনিটা গ কাত দিয়া হৈছে।

ভাষা—শিলঘাটলৈ ৰাজধানী স্থানান্তৰ কৰিবৰ কাৰণে নাইবা ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয় এখন দলং নিৰ্মাণৰ বাবে অথবা তেজপুৰৰ পৰা উঃ লক্ষীমপুৰলৈ অনিয়মিত আহ্নিক গতিৰে চলাচল কৰা নিগমৰ ডাক-গাড়ী (Mail) খনৰ সন্দৰ্ভত এতিয়ালৈকে ৰাজহুৱাভাবে যিমানবোৰ চিঞৰ-বাখৰ আৰু মেল-মিটিং কৰি বক্তৃতা কৰা হ'ব তাকে ভাষা বোলে।

ইয়াৰ স্বভাব অনুসৰি চাৰিভাগত বিভক্ত কৰা হৈছে ঃ যেনেঃ—(১) চকুৰ ভাষা (২) ওঁঠৰ ভাষা (৩) গোপনীয় ইংগিতিক ভাষা (৪) প্ৰিয়া বিৰহত উথলি উঠা বেদনা অব্যক্ত ভাষা ; ইয়াক অতিমাত্ৰাই কবিতাত ব্যবহাৰ কৰা হয়। উদাহৰণ স্বৰূপে—

মোৰ বুকুত
কণ্ঠত
ওঁঠত
কেবল বিপ্লবৰ নিৰংকুশ ভাষা—
এটা ক্ষয়িষ্ণু জল-ভৰ প্ৰাণ।

বিভক্তিঃ— গাঁৱে-ভুঞে আৰু নামঘৰে, কীৰ্তনঘৰে পৰম্পৰা ভাবে চলি অহা কেতবোৰ কেৱলীয়া ভকতিকে বিভক্তি বোলে। ইয়াৰ সমান্তৰালভাবে চলি-চলি জোতাৰ ছোলৰ (sole) দৰে ক্ষয় প্ৰাপ্ত হোৱা আৰু কেইবিধমান বিভক্তি দেখিবলৈ পোৱা যায়। ইয়াৰ ভিতৰত গুৰু আৰু শিষ্যৰ মাজত থকা ভকতি, স্থানে-অস্থানে বয়সস্থ লোকৰ প্ৰতি দেখুওৱা ভকতি, পুলিছ আৰু মেহনতী জনসাধাৰণৰ ধৈৰ্যৰ সীমাত থকা ভকতিৰ নাম পৰম সন্ত্ৰাসেৰে স্মৰণ কৰিব পাৰি।

যথাস্থানত বিভক্তিৰ স্বৰূপ আৰু প্ৰকাৰ দাঙি ধৰি ছাত্ৰ-ছাত্ৰীৰ মৰত সুমুৱাবলৈ 'কাক চেষ্টা' কৰা হ'ব।

(বিঃ দ্ৰঃ কেৱলীয়া নামৰ এবিধ কৰ্তাও আছে ; ই বেছিভাগ সময় ধৰ্ম আচৰি সত্ৰ সমূহত থাকে। কেতিয়াবা কেতিয়াবা গাঁৱৰ ঘৰ লও আহি গৈ থাকে।)

বচন ঃ—শীঘ্ৰে খাদ্য সামগ্ৰীৰ মূল্যমান হ্ৰাস কৰা হ'ব বুলি আৰু দশম শ্ৰেণী পৰ্যন্ত ফিজ মাফ দিয়াৰ সংক্ৰান্তত কোনো মন্ত্ৰীয়ে বাতৰি কাকত আৰু তেওঁৰ ভ্ৰমণ কালত ঠায়ে-ঠায়ে অনুষ্ঠিত জন-সভাত উদ্দাত্ত কণ্ঠে ঘোষণা কৰাৰ পাছত যেতিয়া সেইবোৰ একো নহয়, তাকে বচন বোলে।

বচন দুই প্ৰকাৰৰ। যেনে—অমিতাভ বচ্চন আৰু ভাৱৰীয়াৰ বচন। ইয়াৰ পাছৰ বিধক মূৰত চুলি সৰ্বস্ব কোনো কোনো দৰ্শকবিদে তেওঁলোকৰ 'পঢ়নাৰ' ইয়াক 'বকলা' বুলিও উল্লেখ কৰিছে।

অনুৰূপ শব্দ ঃ—একে অৰ্থ কৰা বিপৰীতধৰ্মী শব্দ সম্ভাৰক অনুৰূপ শব্দ

বোলে সময়ে-সময়ে এইবিধ শব্দৰ স্বৰূপ পৰিবৰ্তন হৈ থাকে। যেনে—(১) হোৱাইট হাউছৰ 'পদূলি-মূৰত' থকা ৱাটাৰ গেট কেলেংকাৰী-দিল্লীত নিৰ্মিত 'মোগল-ঈ-আজমৰ' টুৰ্কমেন-গেট কেলেংকাৰী। একালৰ শ্ৰীলংকাৰ প্ৰধান মন্ত্ৰী বন্দৰ নায়কৰ সমুদ্ৰে ভাসনং-ভাৰতৰ স্বৈৰাচাৰী প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ ৰসাতলে পতনং ইত্যাদি।

টীকা-ঃ

যুগে-যুগে শব্দৰ সম্প্ৰসাৰণ, সংকোচন আৰু হানয় বা ভিয়েটনামত সততে দলিওৱা-দলি কৰা নাপাম (য'ত 'পোৱাৰ' সম্ভাবনা নাথাকে) বোমাৰ দৰে বিস্ফোৰণ ঘটি থাকে। বিভিন্ন জনে, বিভিন্ন ঠাইত, বিভিন্ন ৰূপে, ভিন্ ভিন্ শব্দৰ বিবিধ প্ৰচলন কৰে।

গৰু-গাড়ী লগোৱাৰ নিচিনাকৈ কোনোবা হোটেলত সোমায়েই যদি নিৰ্দেশ দিয়া হয়,—'এগিলাচ পানী লগা, এটা চাহ দে', নাইবা 'এটা হাফ্ ভাত দে'—তেন্তে ইয়াৰ অৰ্থৰ সম্প্ৰসাৰণ ঘটিছে বুলি ঠিৰাং বুজিব লাগিব।

আন এটা বিবদমান (নে বিপদমান ?) শব্দ জলকীয়া ই মুনিহ-তিৰোতা নিৰ্বিশেষে সকলোৰে উদৰত স্থিতি লাভ কৰা সঞ্চিত গ্ৰহণীৰ আদি পুৰুষ ৰূপে পৰিচিত। কেবল এখন মেখেলাৰহে আঁতৰ। কিছুমানে এইবিধ 'সুখম' আহাৰৰ নাম দিছে ভজ্‌লুক আৰু কিছু সংখ্যকে ভোজন-ঠেলা।

ঠিক তেনেকৈয়ে হেঁচা-ঠেলা শব্দটো। ট্ৰেন্সপ'ৰ্ট ষ্টেচনত টিকট লওঁতে হোৱা ঠেলা-হেঁচাতকৈ বাছত মহা আৰামে বহি যাওঁতে বাছত উঠা যাত্ৰীৰ পৰা হোৱা ঠেল-হেঁচা, হোঁহোকা-পিছলাৰ ধৰণ সুকীয়া। তেনেকৈ বৰপেটা বা গুৱাহাটীৰ ছিটি বাছত হোৱা ঠেলা-ঠেলি, ধুম্-ধুপালতকৈ, পুলিছে জন-সমাবেশৰ ওপৰত কন্দুৱা গেছ বা লাঠী চালনা কৰাৰ সময়ত সৃষ্টি হোৱা হৈ-হাল্লা অথবা হেঁচা-ঠেলাৰ স্বৰূপ ভিন্ন প্ৰকাৰী।

এনে ধৰণৰ সমগোত্ৰীয় আৰু সমাৰ্থক কেতবোৰ শব্দৰ ব্যৱহাৰ বা বিক্ষিপ্ত অঞ্চলত গঢ় লোৱা সাংগঠনিক ঐক্য সাম্প্ৰতিক বিধান সভাত গঠিত ইউনাইটেড ফ্ৰন্টৰ দৰে। আগৰ কালত নাটকৰ শেষত গায়ক আৰু বাদ্যকাৰ বৃন্দই পৰিবেশন কৰা সুৰ-সমলয় জাতীয় ঐক্যতান প্ৰসংগত মন কৰিবলগীয়া।

ইয়াৰ অন্তৰ্গত স্মাগ্লিং (মন্ত্ৰীৰ দ্বাৰা সম্পাদিত গজদন্তৰ এবিধ চোৰাং ব্যৱসায়), ফেমিলি-প্লেনিং (নিজক সদায় বাদ দি আনৰ ওপৰত বলপূৰ্বকভাৱে চলোৱা এবিধ পাতলীয়া ধৰণৰ অস্ত্ৰোপচাৰ), এনেকৈ—ঔকিল—মস্কিল, লিভাৰপুল-নালীয়া-পুল, গেলা মাল-বিয়াৰ 'মাল', মাৰ্ক্সবাদ,-অপবাদ-বৰ্বাদ, নেতা-নেতৃত্ব-নৃতত্ব, মাতৃত্ব আৰু ধমনা পুত্ৰ (আদালতত পিতৃৰ নাম ক'ব নোৱাৰি খঙেৰে আস্তিন কোঁচোৱা এক কিচিম যুব-নেতা বিশেষ) আদি।

ব্যংগ ৰচনা

এই প্ৰস্তাৱ গ্ৰহণ কৰক

মহেন্দ্ৰ বৰঠাকুৰ

পৰম শ্ৰদ্ধেয় অসমৰ বাইজ,

জয় জয়তে আপোনাসবলৈ সেৱা যাচিলো। গ্ৰহণ কৰিব বুলি ধৰি ললোঁ।

আজিকালি কমিটিৰ যুগ। সকলো কথা কমিটিয়েহে সিদ্ধান্ত কৰে। তেনে স্থলত মই এটি প্ৰস্তাব মাথোন পেচ কৰিবলৈ আহিছোঁ। আলোচনা কৰি চাব। নাকচ নকৰিলে ভাল পাম। মই হওঁতে এক্সপাৰ্ট নহওঁ। মানুহজনীক কি বংৰ সাজে শুৱাব তাকেই নিজাকৈ ঠিৱাং কৰিব নোৱাৰো। ভালক্ষ বুলি কিবা এটা কিনি আনিম, 'ঔ এইটো ৰং' বুলি সিফালে মুখখন ঘুৰাই এনেকুৱা কৰি দিয়ে যে মই তেনেই লাজুকীলতা জঁয় পৰা দি জঁয় পৰি যাওঁ। এনে স্থলত বাজহুৱা সমস্যা এটাত খাটাং সিদ্ধান্ত দিবলৈ যোৱাটো বাওনাই চন্দ্ৰ পালো বুলি ভৰাৰ দৰে। তথাপি কওঁ, মোৰ প্ৰস্তাবটি ওপৰে ওপৰে পঢ়ি 'ওঁ, এইটো কথা' বুলি উৰাই নিদিব। ভাবক, ভালকৈ ভাবক, আলোচনা চক্ৰ পাতক, তৰ্ক প্ৰতিযোগিতা পাতক, সম্পাদকলৈ চিঠি লেখক, মেমোৰেণ্ডাম দিয়ক, মিটিং পাতক, প্ৰস্তাব লওক, তাৰপিছত এক্সপাৰ্ট কমিটিৰ হাতত বিষয়টো এৰি দিয়ক।

এতিয়া আচল কথালৈ আহোঁ— সাম্প্ৰতিক অসমত সকলোতকৈ ডাঙৰ আৰু গৰুত্বপূৰ্ণ সমস্যা হৈছে স্থায়ী ৰাজধানীৰ সমস্যা। স্থায়ী ৰাজধানী এখন পাতি লৰ নোৱাৰালৈকে আমি অন্যান্য কোনো গঠনমূলক কাম কৰিব নোৱাৰো। সেয়েহে বিষয়টো বৰ গুৰুত্বপূৰ্ণ।

অসমৰ স্থায়ী ৰাজধানী ক'ত হ'ব এই বিষয়ে আমি খৰচি মাৰি পৰীক্ষা কৰি চাইছো। গুৱাহাটীৰ দিছপুৰত ৰাজধানী থকাটো আমি পচন্দ নকৰো কিয়নো এনেয়ে গুৱাহাটীত জনসংখ্যা যথেষ্ট বাঢ়িছে। মাছ এচকলো পাবলৈ নোহোৱা হৈছে। ফিছাৰী ডিপাৰ্টমেণ্টক সহায় কৰা হ'ব বুলিয়েই যদিও মিউনিছিপেলিটি বা পি, ডব্লিউ, ডিয়ে টাউনৰ মাজৰ আলিবাট বিলাকত মাছ পুহিব পৰাকৈ পৰ্খা ৰখাৰ ব্যবস্থা কৰিছে, দেখা গৈছে এই ব্যবস্থা কাৰ্যকৰী হোৱাগৈ নাই। ইয়াত ৰাজধানী থাকিলে কেতিয়াবা ৰাহিৰৰ আলহী এজন আহিলেও আমি মাছ এচকল খুৱাব নোৱাৰিম। দ্বিতীয়তে দিছপুৰৰ ওচৰতে 'চিত্ৰবন' নামৰ চিনেমা ষ্টুডিঅ'। ক্লেপণ্টিক দিবলৈ মন্ত্ৰীসকলক টনা আজোঁৱা কৰি থাকিবহি পাৰে

ইয়াৰ দ্বাৰা তেখেতসকলৰ যথেষ্ট কাম ক্ষতি হোৱাৰ সম্ভাবনা। তৃতীয়তে— গুৱাহাটীত বিশ্ববিদ্যালয় আৰু ভালেকেইখন কলেজ আছে। তাত পঢ়া ল'ৰা-ছোৱালীবোৰৰ বেছিভাগেই ডেকা। সৰহ ডেকা মানুহ থুপ খায় থাকিলে গোলমাল লগাই থাকে, গুলীয়াই থাকিলেও বেয়া দেখি। সেয়েহে কদো বাঁহৰ তলত জিৰণি লোৱাৰ প্ৰয়োজন নাই। চন্দ্ৰপুৰৰ কথা নকবই, বাঘ ওলায়। চন্দ্ৰপুৰৰ বাঘিনী বাপৰে!

ৰৰপেটাতো ৰাজধানী পাতিৰ নোৱাৰি। তাত কীৰ্তনঘৰ আছে। ছেক্ৰেটৰীৰ প্ৰৰটো যদি কীৰ্তন ঘৰতকৈ ডাঙৰ হয় তেনেহলে যি অপমানজনক কথা হব। গতিকে আমি সেই চিন্তা বাদ দিবলৈ কওঁ।

নলবাৰীৰ কথাও চিন্তা কৰিছিলোঁ, কিন্তু দেখা গ'ল—কেতিয়াবা তাৰ পৰা সংস্কৃত ভাষাক ৰাজ্য ভাষা কৰিব লাগে বুলি দাবী উঠিব পাৰে। পিকেটিং কৰি ছেক্ৰেটৰীয়েট অচল কৰি দিব পাৰে। ঘৰতে আক' এবাৰ ভাষা লৈ গোলমাল লগাতো ভাল কথা নহয়।

শুৱালকুছিৰ কথাও চিন্তা নকৰা নহয়, পিছে তাতো সুবিধাজনক নহ'ব। 'তাঁতৰ দোৱেপতি চলায় ঘনে পতি, পলকত তোলোঠা ঘুৰে' বুলি যদি চৰকাৰৰ সকলো কৰ্মীয়েই গানত বহি যায় বৰ ভয়ানক কথা হ'ব। দ্বিতীয়তে সুলভ মূল্যত সূতা আদি নোপোৱাত ভালেমান তাঁতশাল বন্ধ হৈ আছে ধুলি অভিযোগ উঠিছেই। চৰকাৰী মানুহক ওচৰতে পালে তেওঁলোকে সত্যাগ্ৰহ কৰি দিব পাৰে। বাহিৰৰ মিলৰ পৰা মিলমিলাই থকা কাপোৰ আহিয়েই থাকে, এনে স্থলত শুৱালকুছিৰ কাপোৰ নহলেনো কি হ'ব? 'এই সমস্যাটোৰ প্ৰতি আমি যথেষ্ট সচেতন। সহানুভূতিৰে বিবেচনা কৰা হ'ব' ইত্যাদি কথাৰে বাৰু পাঁচ বছৰ ৰাখিলেই, ইয়াৰ পিছত? গতিকে বাদ দিয়ক।

বহুতে হয়তো তেজপুৰত ৰাজধানী পতাৰ কথা ক'ব পাৰে। কিন্তু এই চিন্তা বৰ ভয়ানক, বিপদজনক। চীনা সৈন্য যদি হঠাতে আহি যায়? ট্ৰেজাৰীৰ টকা পানীত পেলাৰ লগা হ'ব, পগলা ফাটেকৰ দুৱাৰ খুলি দিব লগা হ'ব, পগলা ফাটেকৰ মানুহখিনিয়ে আহি যদি সচিবালয় দখল কৰি পেলায়? নাই, নাই— এই বিষয়ে ভুলতো চিন্তা কৰিব নালাগে। বৰ সাংঘাতিক কথা।

কোনোবাই আঁক' গোৱালপাৰা-ধুবুৰীটো ৰাজধানী পতাৰ কথা ভাবিব পাৰে, বাপৰে নালাগে। তাত আকাল হয়। খাবলৈ নাপায় মানুহ মৰে। ইয়াৰ উপৰিও ৰাষ্টা ঘাট ৰটিছে এৰি থৈ যোৱাৰ চিনেৰেই আছে। বাৰিষা বোকা হয়। বাংলাদেশো নিচেই ওচৰত। ভগনীয়া সোমাই যাবহি পাৰে। দৰকাৰ নাই। বাংলাদেশৰ মানুহৰ বাবেওতো ঠাই এখন লাগে। আক' যদি য়াহায়া খাঁ ওপজে!

লক্ষীমপুৰলৈ যোৱাৰ কথা ভাবিছে নেকি বাৰু? অস্বাস্থ্যকৰ ঠাই। মেলেৰীয়াও হ'ব পাৰে। বৰ কষ্ট হ'ব। আজিকালি লক্ষীমপুৰলৈ মুগা পলু, এৰি পলু আনিবলৈকো কোনো নাযায়। কষ্ট হয়, ভয় লাগে। গতিকে লক্ষীমপুৰ ধান-মাছেৰেই

OKDCD

ভৱপুৰ হৈ থাওক। তাত হাত দিব নালাগে।

নগাঁও? কলিয়াবৰ? এইটো দাবী একেবাৰে উৰাই দিয়াই ভাল। প্ৰথম কথা—ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয় দলং এখন দিব লাগিব। ইমান টকা খৰছ কৰাৰ কি যুক্তি আছে? মৰাপাৰ্টৰ কলটোৱেই ভালদৰে চলা নাই, ৰাজধানী ক'ত চলিব। তাতে 'ৰজা খেদা নগঞা' বুলি বুৰঞ্জীয়ে বদনাম এটাও দি থৈছে। ভোটাই ডেকাৰ কথাও আমাৰ জনা আছে। নগাঁৱত ৰাজধানী পাতিলে কোনে ক'ত কেতিয়া খেদা খায় তাৰ ঠিক নাই। নতুন ৰজা পতাত নগঞা ৰাইজৰ অবদানো নিচেই কম নহয় দিয়কচোন। আপুনি ভালদৰেই ভাবি চালে গুৰি কথা বুজি যাব। মই নগাঁৱত ৰাজধানী পতাত কোনো গুণেই সন্মত হ'ব নোৱাৰোঁ।

তেনেহ'লে যোৰহাটত? ৰজা মৈদামত বোলে এতিয়াও ৰাতি কোনোবাই চিঞৰে। যোৰহাটত ৰাজধানী হ'লে অবশ্যে ভাল চাহপাতৰ চাহটোপা খাবলৈ পোৱা যাব পাৰে। চাহপাতৰ মালিকসব থাকে। কিন্তু টোকোলায়ে মাজে মাজে উৎপাত কৰে। কোনো জাননী নিদিয়াকৈ ফট্‌কৰে ওফন্দি পৰে। কেবল সেয়ে নহয়—টাউনৰ মাজলৈ কেতিয়াবা বাঘো চেকুৰি আহি মানুহৰ ঘৰ সোমায়হি। ভাবিবলৈকে ভয় লাগে। মতা মানুহবোৰ অফিছ পালেগৈ, টুবলৈ যোৱাবোৰ টুবলৈ গ'ল। ঘৰত মানুহজনী অকলে আছে। সোমাওকহি বাঘ! ইয়াৰ পিছৰ কথাখিনি ভাবিবই নোৱাৰি। টোকো-লাইৰ বাবুসকলে ধুনীয়া ঘৰ, বেলেগ মটৰ গাড়ী, ল'ৰা-ছোৱালীৰ বাবে আচুতীয়া বস্তু লোৱাৰ বাবেই এচামৰ চকু পুৰিছে। ৰাজধানীৰ বৰ বৰ কৰ্তাসকলৰ কাণ্ড-কাৰখানা দেখিলে আন্দোলনেই কৰিব। শিবসাগৰৰ কথাও আমি ভবা নাই। স্বৰ্গ-দেউসকলৰ আত্মাই এতিয়াও তাত বিচৰণ কৰি আছে। তালৈ গ'লে ঘোচখোৱ, ক'লা বেপাৰী, ঠগ, প্ৰবঞ্চকক চকু কাঢ়িবলৈ, আঁঠু ৰ ঘিলা নিবলৈ, চোৰাতেৰে পিঠি দমলা-দমল কৰিবলৈ মন যাব পাৰে। অহিংসাই পৰম ধৰ্ম, চোৰাং বেপাৰীক লাইটপ'ষ্টত আঁৰি থোৱাৰ পৰিকল্পনা আমি লগে লগেই বাদ দিছোঁ—অহিংসাৰ নীতি অনুসৰণ কৰি। শিৰসাগৰলৈ গ'লে মনটো লক্‌লকাব পাৰে। আৰু তেল ওলোৱা ঠাইত এই-বিলাক নথকাও ভাল। তাতে দিখৌখনৰো য়িহে থিয় গড়া। বামুণো খহি মৰে বোলে। হস্কিলে মস্কিলে কেতিয়াবা দিখৌৰ ফালে লৰ মাৰিব লগা হ'লে জুলুমখন হ'ব। অবশ্যে শিবৰাত্ৰি মেলা চোৱাৰ, পালন কৰাৰ সুবিধা এটা তাত ওলাব। পিছে আমিতো শিবৰাত্ৰিৰ প্ৰসাদ খোৱাৰ পিছৰ অৱস্থাটোত সদায় থাকোঁৱেই, গতিকে সেইকেৰা আশাত তালৈ নগলেও চলে।

এতিয়া তেনেহ'লে ডিব্ৰুগড়ৰ কথা পৰীক্ষা কৰি চোৱা যাওক। ডিব্ৰুগড় ভাল ঠাই। স্বাস্থ্যকৰ। মেডিকেল কলেজো আছে, ডাক্তৰ হাততে পায়, দান-বৰণি দিয়া মানুহো দেখাৰ। দানতে কলেজ হয়, বিশ্ববিদ্যালয় হয়, ৰাজধানীৰ খৰছো দান বৰণিতে ওলাই যাব পাৰে। ৰাজধানীখন পাতি দিব পৰা একোঘৰ মানুহো ডিব্ৰুগড়ত আছে। পিছে তাতো লেঠা নথকা নহয়— ব্ৰহ্মপুত্ৰই গড়া খহায়, বৰষুণ বেছি হ'লে গছৰ গাত দেৱতা ওলায়। গতিকে এইখন ঠায়ো নিৰাপদ নহয়। তাতে শুনিছো আজি

কালি বোলে কমিউনিষ্টো সৰহ হ'ল। এ, বি, ছি, কিমান ভাগত মানুহখিনিক ভাগ কৰিবলৈ চেষ্টা কৰা হ'ল। কিন্তু মূৰকত কি কৰিলে দেখিলে? বিশ্বাস নাই। তাত থাকিলে সদায় মূৰ কামোৰণি হ'ব।

তেনেহ'লে? দৰাচলতে অসমৰ ৰাজধানী অসমৰ বাহিৰত পতাই মংগল। কিন্তু তাতো একেবাৰে বিপদ নোহোৱা নহয়। ঘৰ-দুৱাৰ হৈ উঠাৰ পিছত, মানুহ দুনুহে থিতাপি লোৱাৰ পিছত ফট্‌কৈ খেদিও দিব পাৰে। সাতে পাঁচে ভাবি আমি ভাবোঁ আমাৰ ৰাজ্যৰ ভিতৰতেই আমাৰ ৰাজধানী পতাটো বেয়া নহ'ব। এই ক্ষেত্ৰত কেইটা-মান বিশেষ কথাৰ প্ৰতি লক্ষ্য ৰখাৰ প্ৰয়োজন। যথা—

(১) ৰাজধানীৰ স্থান সকলোৱে সহজে যাব নোৱৰাত হ'ব লাগে। সুতুক সুতুক ৰাইজ ৰাজধানীলৈ অহা যোৱা কৰি থাকিলে কামত যথেষ্ট অসুবিধা হয়। দায়িত্বশীলসকলে খাব-শুবলৈ চিন্তা চৰ্চা কৰিবলৈ জলপ সময় পাব লাগে— অন্যথা সুস্থিৰ ভাবে চিন্তা ক্ষমি কথা এষাৰ কবলৈকো নাপায়গৈ। ফলত ৰাজহুৱা সভাত য়িহকে তিহকে প্ৰতিজ্ঞা কৰি দিবলগা হয় আৰু মানুহবোৰেও সেইকথা সহজে নাপাহৰি তাকে কৰি দিবলৈ পেঘেনীয়াই থাকে তথা প্ৰতিজ্ঞা কৰা মতে কাম কৰিব নোৱাৰিলে ব্যংগ বিদ্ৰূপ কৰে।

(২) নতুন চহৰ এখন গঢ়ি উঠাত ৰাজধানীয়ে সহায় কৰিব লাগে, অৰ্থাৎ এক গুণীত দুই চৰাই মৰিব লাগে।

(৩) ঠাইখন অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ হোৱাৰ প্ৰয়োজন।

(৪) মাছ, গাখীৰ আৰু পানী এই কেইবিধ সহজে পোৱাত হ'ব লাগে। চাউলমুঠি অৰণ্যে বাহিৰৰ পৰাও আনি ল'ব পৰা যায়।

(৫) আমি ভাৰতীয় মানুহ। বৈষয়িক সুখ-শান্তিতকৈ পৰমাৰ্থিক চিন্তা-চৰ্চাৰ প্ৰতি আমাৰ ধাউতি বেছি। 'অথিৰ ধন-জন, জীৱন-যৌবন, অথিৰ এহ সংসাৰ'—এই কথা জানিয়েই আমাৰ দেশৰ বেপাৰীসকলে কৰ্তাসৰৰ আশীষ শিৰত লৈ আমাৰ আত্ম মুক্তিৰ চিন্তা কৰি থোৱা বস্তুৰ লগত খাব নলগা বস্তুও মিহলাই দি অনিত্য সংসাৰত দীঘদিন ধৰি লেকাত ভুজি থকৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰি আহিছে। এই পৃথিবীত আমাৰ বাবে হৰিনামেই সাৰ। গতিকে এই কথাষাৰ মনত থাকিব পৰা পৰিবেশ এটা হোৱা ভাল।

ইত্যাদি এশ এটা কথা চিন্তা কৰি যুক্তি তৰ্কৰ বিচাৰ কৰি, পৰীক্ষা নিৰীক্ষা কৰি আমি দেখিছো অসমৰ ৰাজধানী মাজুলীত হ'ব লাগে। আমাৰ এই বৃহৎ নদী দ্বীপটি ৰক্ষা কৰাৰ অন্য বিকল্প বাটো আমাৰ চকুত পৰা নাই। দেশৰ কৰ্ণধাৰ সকলক ৰক্ষা কৰিবৰ বাবেই, ৰাজধানীৰ ঘৰ দুৱাৰবোৰ ৰক্ষা কৰিবৰ বাবেই তেতিয়া অন্ততঃ মাজুলি ৰক্ষা পৰিব।

মনত ৰাখ

অতুল গোস্বা

আজি মন্ত্রী আহিব আৰু কালিৰ পৰা ককাৰ ধৰফৰনিত তৎ নাই। অ
ৰিত। আগতে ককা এনেকুৱা নাছিল। দহ বছৰৰ আগৰ কথা। মই তে
ক্লাচ নাইনত। গাঁৱত ভলণ্টিয়াৰৰ দৰে বনাই ফুৰো। মন্ত্রী আহিব বুলি শু
মোৰ তেতিয়া যিখনহে ধৰফৰনি উঠিছিল! ককাৱো আজি তেনেই হৈছে।
পৰ্‌কিতি ল'ৰিল। আটায়ে দেখিছে।

দহ বছৰৰ আগতে ককা এবাৰ ভোট দিবলৈ গৈছিল। বাটত কেইবাজ
বুঢ়াৰ লগত শাৰী পাতি গৈছিল। পুৱাতে ককাই চুৰিয়া চোলাজোৰ ধুই,
দিবলৈ ক'লে। বাকচৰ পৰা নতুন গামোচা এখনো উলিয়াই দিবলৈ ক'লে। কে
য়াবাই আনি থোৱা গঙ্গাজল অকনমান বটলৰ পৰা বাকি, শিৰত লৈহে
ওলাল। ৰ'দৰ পৰা আনিয়েই পিন্ধা কাপোৰজোৰৰ তাপেও গাত নোচোৱে।
স্কাৰ, খম্‌খমীয়া ভাৰত গোটেই মুখখন পোহৰ!

বুঢ়াকিজন শাৰীপাতি যাওঁতে বৰ নামঘৰলৈ যোৱা যেনহে লাগিছিল।
লিও ঘৰলৈ আহি সতীৰ্থৰ লগতে ককাই প্রসন্নমনে কথা পাতি আছিল।
পাততে বহোতে ককাইদেৱে কৈছিল, "ককা, হাতটো ভালকৈ ধুব লাগিছিল।
খিনিকে নগ'ল। চেঁকাটো থাকক বাৰু।' খণ্ডৰ ভমকত ককাই মিটো
কনি মাৰিলে আজিও মোৰ কাণত বাজি থাকে, "চেকা! হোঃ, চেকাহে
দেৱতাৰ কামত ভকতৰ হাতত চেকা লাগে? থাকক দে, তহঁতেই ধুই পাপ খ
হাতৰ ডাগটো ৰুকাই বহুত দিনলৈ যত্নেৰে ৰাখিছিল। মাজে মাজে তাক
পবিত্র বোধ কৰিছিল। বুঢ়াৰ সেই ৰূপ আজিকালি আৰু নাই! মাজৰটো ইং
চনত মই ঘৰত নাছিলো। ককাই হেনো ভোট দিছিলগৈ। মনত কিন্তু
দৰে উচাহ নাছিল।

তাৰ পিছৰ পৰা আমাৰ ঘৰত বহুত বিভ্রাট ঘটিছে। কলেজ ইউনিৰ্ভা
মোক বগাহাতী ৰাখোতে ঘৰ উদং হ'ল। মোৰ পিছৰটো এতিয়াও ক
বাকীকেইটা স্কুলে-ফিস্কুলে আছে। দাদাৰ আজিও বিয়া কৰোৱা হোৱা নাই
পি স্কুলৰ চাকৰি আৰু পথাৰৰ ডাঙৰি দুয়োটাকৈকে চকু দিও সি ঘৰ চলা

নাই। দেউতাৰ কাঠ-মিস্ত্রীৰ কাম নচলা হ'ল। গাঁৱৰ মানুহে "কাৰ্পেণ্টিত" হে
বত সজায়। নিমখ-দাইলৰ দোকান এখন দিলে। বিক্রী তাতো নহয়। কম দামৰ
দাইল আনিলে নিসিজা বাবে গালি খায়, উঠনা উঠাবলৈ গ'লে গ্রাহকেহে দোকান
চলে। এশ এবুৰি চিন্তাই দেউতাক ককাতকৈয়ো বুঢ়া কৰিলে। ককাৱো সমাজত
আগৰ দৰে ঠাই এডোখৰ নাই। নামঘৰৰ কালিকা গৈ পঞ্চায়তত সোমাল। ককাৱো
খন হেৰাল। মোৰ চাকৰি এটা হোৱা হ'লে ককাইদেউৰ বিয়াখন পাতিলো-
হেঁতেন, দেউতাক দোকানখন ভাল কৰি দিলোহেঁতেন, ভাই-ভনীকিটাৰো পঢ়া-
ছুনা হ'লহেতেন আৰু ঘৰখনেও হাঁহি দেখিলেহেতেন। পিছে এইখন আলা-
সৰ চাং।

ককাই সকলো কথা মতুনকৈ চাইছে। দেবতাকো মানুহ বুলি ভাবিবলৈ লৈছে।
আজি মনতে পাঙি আছে মন্ত্রীটোক মুখামুখিকৈ একেযাৰ কৈ আহিব। কালিৰে
পৰাই ধৰফৰাই আছে। চাকৰি নাই যদিও মই সিমান ধৰফৰোৱা নাই। মন্ত্রীয়ে
চাকৰি নিদিয়ে বুলি মই জানো। এইবোৰ কথা শিকিবলৈ ককাৰ এতিয়াও বাকী
আছে। তথাপি আজি মন্ত্রীদেৱতাক মানুহ বুলি ভাবিছে। সাজি-কাছি ওলাইছেও।
বুঢ়াক কোনে ৰাখে। মোৰ চাকৰিৰ কথটো ককাৰ মুৰত সুমালে দেউতাই। আজি-
কালি দেউতাৰ ভাবনা বেলেগ হৈছে। পাৰিলে পঞ্চায়তৰ ঠিকা-ঠুকলি দুটামান
লৈ 'বিজনেছ' কৰিব। দোকান বাদ দিব। ভিন্ ভিন্ মানুহক খাতিৰ নক-
ৰাও নহয়। মোৰ চাকৰিৰ কথাটো সেই একে লাইনৰে।

ককাৰ মুৰত আন বহুত কথা আছে। হেড মাষ্টৰৰ মাটিৰ কথাটো তাৰে
এক নম্বৰত। "সি জানো খেতিয়ক? তাৰ ২০-২২ বিঘা মাটি। দুটা হালোৱা।
দুটা পুতেকে নগৰত চাকৰি কৰে। সি হেনো এতিয়া আকৌ পট্টা কালি মাটিখিনি
পুতেক দুটাৰ নামতো লিখাই লয়। মৌজাদাৰৰ লগত কথা-বতৰা হৈছে। খাজনা
মাফ পাব। কেলৈ সেহেঁতেক মাটি, হোঃ? নোহোৱাক দি নিদিয়ে কেলেই? দহ
বিঘা মাটি কেইঘৰৰ আছে? হুঃ, হেডমাষ্টৰ! গাঁৱৰ স্কুলখন পাতি তাক হেড
মাষ্টৰ হ'বলৈ মাতিলে, সি নাহিল। তেতিয়াতো সি টাউনত হেড্‌মাষ্টাৰো হোৱা
নাছিল। এতিয়াও গাঁৱৰখন 'ভেঞ্চাৰ' হৈয়েই আছে। ইপিনে হেনো নগৰত তাৰ-
খনৰ ল'ৰাছোৱালীয়ে ফিজো দিব নালাগে। কেলৈ লাগিব? হাকিম ঠিকাদাৰৰ
পয়চা নাই নহয়। ভেঞ্চাৰবোৰ মৰক।" এনেবোৰ চিন্তাই ককাক জুকুলা কৰিছে।
তাকে দেখি মই এদিন ক'লো যে চৰকাৰে এতিয়াৰ পৰা নগৰৰ ১৬ মাইল
ৰাহিৰৰ চৰ স্কুলৰ ল'ৰাছোৱালীক দিনে এসাজকৈ খুৱাৰ আৰু কিতাপ-
পত্রও বিনামূলীয়াকৈ দিব। ককাই কথাটো শুনি বৰ তৃপ্তি পালে। দুই
এজনক ক'লেও। কিন্তু হ'ব কি? মোৰ লগৰে পামণ্ড এটাই আহি,
অঙ্ক কৰি, ককাক বুজালেহি যে নগৰৰ পৰা ষোল মাইল বাহিৰ মানে
হেনো কাজিৰঙা নামবৰহে। হাবিৰ মাজতহে স্কুল হ'ব। আকৌ জ্বৰ

উঠিল ককাৰ। মোৰ লগৰবোৰেই এনেকৈ আহি ঘৰে ঘৰে অশান্তি কৰি ফুৰে। মই সিহঁতক কৈছো বুঢ়াটোক শান্তিত মাৰিবলৈ দে। নাই, সিহঁতে নুশুনে।

মানুহক ঠগিবলৈকে মানুহে চৰকাৰ পতাৰ কথা ককাই ইতিমধ্যে গম পাইছে। সেয়েহে যোৱাবেলি কমিউনিষ্টক ভোট দিলে। "চকু থকা মানুহেহে চৰকাৰী ফন্দী ধৰা পেলাব। ৰাইজকো জনাই দিব। চাম নহয় চৰকাৰে কি কৰে। এইবাৰ আমি কমিনিষ্টকহে দিছো।" পিছে কমিউনিষ্ট হাৰিল। আজিহে কিছু শেনৰ এজাত।

ককাই মোৰ লগত বেচ কথা পাতে। দুয়োটাৰে কাম নাই। সময় অপাৰ। মই ককাক আজিলৈকে ভোট খেলৰ আচল মতলবটোহে বুজাব নোৱাৰিলো। আজি কথা আকৌ ওলাইছে। হেনো মন্ত্ৰীটোক পাৰিলে নিজৰ গাঁৱতে এখুন্দা দিয়েগৈ। উপায় নাই!

কিন্তু যেতিয়া মন্ত্ৰী নাহে বুলি শুনিলে, তেতিয়াহে ককাৰ গাঁৰপৰা টোপে টোপে ঘাম সৰিল। মুখখন কেচ্‌কেচ্‌কৈ ক'লা হ'ল, চকু দুটা দুপাত কাঁড় হ'ল আৰু জেঙৰ আঁচোৰৰ দৰে সোঁতোৰা সোঁতোৰ সাঁচবোৰ মুখত দ-হৈ ওলাল। 'কেলেই নাহিব সি?' মোক সুধিলে। মই বুজাই ক'লো। ককাই মোৰ কথা নামানে। 'নদীখন সিহঁতে বান্ধি লব নোৱাৰে? চীনাবোৰে সেইখন কেনেকৈ বান্ধিলে? ডিব্ৰুগড়ৰ পৰা দেখোন উৰা মটৰো চলে। উৰি আহিব নোৱাৰে কেলেই? চীনৰ চকুলো হোৱাংহোৰ কথা ময়ে ককাক কৈছিলো। ককাৰ মনত আছে!

মই বুজাই দিলো যে ডিব্ৰুগড়ত পানীয়ে মথাউৰি ভাঙো ভাঙো কৰিছে, মানুহবোৰ ব ল হ'বলৈ ধৰিছে, মাৰোৱাৰীৰ গুদামবোৰৰ বস্তুবোৰ নৰচালে নহয়, আইন শৃংখলাও ৰাখিব লাগে। সেয়েহে মন্ত্ৰী আহিব নোৱাৰে।

বুঢ়াই কিন্তু নুবুজে। 'সিহঁতৰ গুদামত নিসিজা দাইলসোপা ৰখি থাকিবলৈ কোনোবাই মন্ত্ৰী পাতিছিল নেকি?'

বুঢ়াটোৰ এনে উৎপতীয়া কথা শুনি মোৰহে ভয় লাগিল। এইটোৰ লগত কথা পাতি পাতি, ময়ে মুখখন বেয়া কৰিলো। এতিয়া মোৰ গালৈকে টান পৰিব যেন পাওঁ। কাইলৈ বুঢ়া মৰি থাকিব। আমিতো এনেকৈ সংসাৰখনকে আতায়ী কৰি ফুৰিব নোৱাৰো। কি কৰা যায়?

মই সুৰ সুৰকৈ আগফালে চোতাল পালোগৈ। অলপ পিছতে বুঢ়া মোৰ ওচৰ পালেহি।

'মন্ত্ৰীৰ সলনি কোন আহিব?'

'নৰ্থ লক্ষীমপুৰৰ ডি ছি আহিব।'

'নৰ্থ লক্ষীমপুৰৰ ডি ছি আহিলে কিবা হ'ব জানো?'

প্ৰশ্নটো শুনি মই ভালেই পালো। ক'লো 'হ'ব, হ'ব। কিয় নহ'ব? ডি ছি মন্ত্ৰীৰহে মানুহ। মন্ত্ৰীয়ে কৰিব পৰাবোৰ ডি ছিয়েও কৰিব পাৰে। ডি ছিৰ চিঠি

[২৪ পিঠিত চাওক]

গল্প

ছজন প্ৰাক্তন সমাজবাদীৰ সন্ধানত এজন খেতিয়ক

মদন শৰ্মা

[চৰিত্ৰসমূহ কাল্পনিক। হঠাৎ কোনোবা বাস্তব আৰু বৰ্তমান সমাজবাদীৰ লগত মিলি গ'লে লিখক নথৈ সুখী হ'ব।]

আৰম্ভণিতেই আমাৰ ৰচনাৰ শিৰোনামাৰ বিষয়ে কিছু কথা পাঠকৰ সুবিধাৰ বাবে স্পষ্ট কৰি দিয়া ভাল হ'ব। এজন দুখীয়া খেতিয়কৰ লগত 'প্ৰাক্তন' সমাজবাদীতকৈ বৰ্তমান সমাজবাদীৰ সম্পৰ্ক থকাটোহে অধিক-যুক্তিসংগত যেন লাগিব পাৰে। কিন্তু কথা হ'ল আমি উল্লেখ কৰা ব্যক্তি কেইজন আগতে 'মাত্ৰ' সমাজবাদীহে আছিল; এতিয়া সমাজবাদীৰ উপৰিও এওঁলোকে চিন্তা, কাৰ্যপদ্ধতি আৰু জীৱন দৰ্শনৰ ক্ষেত্ৰত আৰু এখোপ দেও দি ৰামৰাজ্যবাদী হৈ পৰিছে।

প্ৰথমতে আমাৰ কাহিনীৰ মূল চৰিত্ৰ ছটিৰ লগত পাঠক-পাঠিকাসকলক চিনাকি কৰি দিয়া প্ৰয়োজন। এই প্ৰাক্তন সমাজবাদী আৰু বৰ্তমান ৰামৰাজ্যবাদী নেতা-উপনেতা কেইজনে সৰুৰেপৰাই সমাজবাদী ঐতিহ্যৰ মাজত লহপহকৈ বাঢ়ি আহিছিল। তেওঁলোকৰ এজনৰ— ধৰা হওক, এওঁৰ নাম শ্ৰীঅ.চ— পিতৃদেৱতা (বৰ্তমান স্বৰ্গনিবাসী) আজি দহ-বাৰ বছৰ আগলৈকে এজন প্ৰকৃত সমাজবাদী নেতা হিচাপে লোকসমাজত খ্যাতি আছিল। প্ৰায় দুইদশক জুৰি একেৰাহে পুত্ৰ-ভাৰ্যা-পৰিজন সমন্বিতে সমাজবাদ কৰি কৰি তেৰাই নিতান্ত অনিচ্ছাসত্ত্বেও, বস্তুবাদী সমাজক তুচ্ছজ্ঞান কৰি আৰু প্ৰকৃত ভাৰতীয় ঐতিহ্য ৰক্ষা কৰি প্ৰায় তিনিলাখ টকাৰ স্থাৱৰ সম্পত্তি কৰি থৈ যায়। গতিকে তেৰাৰ সুযোগ্য সন্তান শ্ৰী অ. চ-ই সৰুৰেপৰা সমাজবাদৰ বাবে অতি উপযুক্ত বাতাবৰণৰ মাজত লালিত পালিত হৈ কালক্ৰমে আমাৰ এই অঞ্চলৰে এজন মূধাফুটা সমাজবাদী নেতা হিচাপে সুখ্যাতি-অৰ্জন কৰে। লগতে এৰোঁ পিতৃৰ মহৎ ভকতীয়া উদাহৰণ শিৰোধাৰ্য কৰি

OKDISCD

যথেষ্ট অনীহাৰে প্ৰায় একলাখ টকাৰ সম্পত্তি কৰিলে আৰু দুটামান ভাড়াঘৰ সাজি গৃহহীন ৰাইজৰ মহৎ সেৱাত ব্ৰতী হ'ল।

দ্বিতীয়জন ৰামৰাজ্যবাদী শ্ৰী ক. গ. জন্মসূত্ৰে ব্ৰাহ্মণ ; কিন্তু প্ৰকৃত সমাজ-বাদীৰ দৰেই ধৰ্মৰ প্ৰতি এচুলিমানো দুৰ্বলতা নাই। পিচে মস্কিল হ'ল ৰামৰাজ্যৰ ভিত্তিয়েই হ'ল ধৰ্ম। এই দ্বন্দ্বৰ সমাধান এখেতে সুন্দৰ বৈজ্ঞানিক-ভাবে কৰিছে। ঘৰত পুত্ৰ-ভাৰ্যা সমন্বিতে পূজা-পাতল কৰে। অন্তৰংগ বন্ধু বান্ধৱৰ আগত ব্যাখ্যা কৰে কেনেকৈ সাম্প্ৰদায়িক ৰাজনীতি কৰি ব্ৰাহ্মণ সকলক শোষণ কৰি অহা হৈছে। জাতি-বৰ্ণৰ বিভেদ নমনা দেখুৱাবলৈ মাজে মাজে এনেয়ে দুই-এক ৰামৰাজ্যবাদী নব্য সমাজবাদীৰ ঘৰত বহা পানীয় সভাত বন্ধুসকলৰ খোৱা গিলাছতে ফটিকা পান কৰে। আধাবোৱা চুৰটটোও টানি আনি হোঁপে। এখেতে এতিয়া উচ্চমাধ্যমিক বিদ্যালয়ত অধ্যা-পনা কৰে। মাজে সময়ে ছাত্ৰ-ছাত্ৰীক কয়— "ৰামৰাজ্যতো প্ৰতিষ্ঠা হ'বই, আন্দোলন-চান্দোলন কৰি পঢ়া-শুনা নষ্ট নকৰিবা। ৰামৰাজ্যত চাকৰি নোলালে অন্ততঃ তাৰ বাবে চাকৰিমেধ যজ্ঞ কৰি তপ জপ কৰি থাকিব পাৰিবা।" ল'ৰাহঁতে কেতিয়াবা সোধে— "ছাৰ, পঢ়ি শুনি কি হ'ব ? টিপ-চহী দিয়া গুণকান্ত বৰগায়নে দেখোন আমাৰ স্কুলৰ মেনেজিং কমিটিৰ সভাপতি হৈ ছাৱসকলৰ ইণ্টাৰভিউ লয়। নপঢ়া অথচ টকা পইচা থকা বোৱৰহে দেখোন অবস্থা ভাল। চৰবোৰ উল্টাপাল্টা হলেহে যদি কিবা এটা হয় ..। তেওঁ উচপখাই উঠে— "সৰ্বনাশ, তহঁতে একেবাৰে সন্ত্ৰাসবাদীৰ দৰে কথা কৈছ দেখোন অ"। উল্লেখ কৰা নিষ্প্ৰয়োজন যে সন্ত্ৰাসবাদী শব্দটো এখেতৰ লগতে বাকীবোৰ ৰামৰাজ্যবাদীৰো প্ৰিয়— যদিও 'ধৰ্মনিৰপেক্ষ' 'গণতন্ত্ৰ' আৰু 'সামাজবাদ'ৰ সমান প্ৰিয় নহয়!

তৃতীয়জন ৰামৰাজ্যবাদী কিছুদিন আগলৈকে অনুশাসনবাদী আছিল। এদিন এক ৰামৰাজ্যবাদী বন্ধুৰ ঘৰত এক পান-ভোজনৰ উৎসবত অত্যধিক ফটিকা পান কৰি বেছ হোৱাৰ আগমুহূৰ্তত এখেত শ্ৰীজ. কই অনুশোচনাত দগ্ধ হৈ কান্দি-কাটি ক'বলৈ ধৰে— "আস অ'দা ক'দা আপোনালোকে ভুল বুজিলে মৰি যাম। চাকৰিৰ মোহতহে অনুশাসনবাদীৰ গাড়ীত চুৰট ফুপি ঘুৰিলোঁ। তাতে অনুশাসনবাদী শ্ৰীৰ. ফ-ৰ ভনীয়েকৰ লগত.....মানে হেঃ হেঃ হেঃ।" পিছদিনাখনৰ পৰা জ. ক-ৰ ড্ৰইংৰুমত ৰামৰ ফটো আৰু মুখত ৰামভক্ত-হনুমান আৰু তেৱাৰ শিষ্যসকলৰ প্ৰশস্তি। এখেতে যি প্ৰতিষ্ঠানত চাকৰি কৰে তাৰ শান্তি-শৃংখলাৰ চিন্তাত এখেতৰ মাজে মাজে ৰাতি টোপনি নাহে। ধৰ্মঘট আদি শাস্ত্ৰবিৰুদ্ধ বুলি প্ৰমাণ কৰাত এওঁ সিদ্ধহস্ত। অবশ্যে একেবাৰে আঁকোৱগোজ মানুহৰ লগত পৰিলে এওঁ ৰামৰাজ্যৰ সশস্ত্ৰ বানৰ সেনাক নিমন্ত্ৰণ কৰি আনেগৈ।

চতুৰ্থ পুণ্যাত্মাৰ গৰাকী শ্ৰীন. ব. প্ৰকৃতাৰ্থত গান্ধীবাদী+সমাজবাদী+ ৰামৰাজ্যবাদী। এখেতে গান্ধীৰ 'trustyship'ৰ আদৰ্শ আখৰে আখৰে

সাম্প্ৰতিক

পালন কৰি চহৰৰ সুখ্যাত নাৰীপ্ৰিয় (নাৰীৰ প্ৰিয়) ব্যবসায়ী হুকুমচান্দ গোলাম চান্দৰ অধীনত নিয়োজিত হৈ দুখীয়া ৰাইজৰ সা-সম্পত্তিৰ ৰক্ষণাবেক্ষণ দিয়ে। এখেতে হুকুমচান্দ গোলামচান্দৰ গাড়ীত ঘুৰি, তাতেই ঘৰৰ প্ৰাংগনত সভা-পাতি পুঁজিপতিসকলক গালি-শপনি পাৰে, সন্ত্ৰাসবাদীবিলাকক শাওপাত দিয়ে আৰু দেশৰ সকলো প্ৰাকৃতিক দুৰ্যোগ, দাৰিদ্ৰ্য, কৰ্মসংস্থানহীনতা আদি দুৰ্ঘটনাৰ বাবে অনুশাসনবাদীকে দায়ী কৰে। উল্লেখযোগ্য, হিংসাত এখেতৰ বিশ্বাস আৰু আস্থা নাই। তথাপি অহিংসধৰণে শক্তি আহৰণৰ বাবে এখেতে ৰামভক্ত হনুমানৰ পূজাও নিষ্ঠা সহকাৰে কৰে।

পঞ্চমজন বহু প্ৰতিভাধৰ ৰামৰাজ্যবাদী শ্ৰীদ. ল. এজন সুখ্যাত খেলুৱৈ, বক্তা, ব্যবসায়ী আৰু শিক্ষক। অকল ৰাজনীতিৰ মঞ্চতে নহয় খেল-ধেমালি, ব্যবসায়-বাণিজ্য, প্ৰশাসন ব্যবস্থা সকলোতে এওঁ প্ৰকৃত ৰামৰাজ্যবাদীৰ দৰে শান্তি, শৃংখলা আৰু ঐক্যৰ ওপৰত গুৰুত্ব দিয়ে। সুমিষ্টভাষী এই নেতাজনে মুখামুখিকৈ কাকো ক্ষুণ্ণ নকৰে। গালি পাৰিব লাগিলে তেওঁ পিছত অকলে আপোনমনে ফটিকাৰ পিয়লা হাতত লৈহে গালি পাৰে। গতিকেই এওঁ সৰ্বজনপ্ৰিয়। কূটনৈতিক বিষয়ত যথেষ্ট প্ৰতিভা থকা সত্ত্বেও এওঁৰ এই প্ৰতিভা বিকাশৰ সুবিধা দিব নোখোজা বাবে চৰকাৰৰ ওপৰত চহৰবাসী যথেষ্ট বিতুষ্ট। শান্তিপূৰ্ণ উপায়েৰে, মিঠাভাষাৰে অথচ বৈপ্লবিক ধৰণে পুঁজি-বাদীহঁতক খেদিব খুজিলে এখেতৰ সহায় অপৰিহাৰ্য। আইনৰ প্ৰতি, মনুৰ বিধানৰ প্ৰতি এখেত ইমানেই অনুৰক্ত যে কোনোবাই কিবা প্ৰতিবাদ, ধৰ্মঘট আদি কৰিবলৈ ওলালে আইনৰ কিতাপ মেলি লৈ ক'ৰ কিমান দূৰ যাব পাৰি। শান্তিভংগকাৰী কিবা প্ৰস্তাবাদি লোৱা যেন দেখিলে এখেত সভাৰ পৰাই কামৰ তাগিদাত প্ৰস্থান কৰে আৰু মালিকপক্ষক শান্তিপূৰ্ণ উপায়েৰে ভয় খুৱায়। ফলত মালিকপক্ষই এখেতক বিপ্লবশিৰোমণি, অবিসম্বাদী ৰাম-ৰাজ্যবাদী নেতা বুলি স্বীকাৰ কৰি লয়।

ষষ্ঠজন ৰামৰাজ্যবাদী শ্ৰীছ. ঝ. ৰ নাম দেখিয়েই বুজিছে এওঁ নিশ্চয়কৈ 'ঝানু' ৰামৰাজ্যবাদী হ'ব। এওঁ কি কৰে বুলি শোধাতকৈ শোধক এওঁ কি নকৰে। ধৰক এওঁ যদি শিক্ষানুষ্ঠানত কাম কৰে, স্বকীয় বুদ্ধিমত্তা আৰু ঐকান্তিকতাৰে কেনেকৈ ৰাজহুৱা ধনৰ সদ্ব্যহাৰ কৰি দুই-চাৰি পইছা সাঁচিব পাৰি তাক শিক্ষণীয় ধৰণে দেখুৱাই দিব। তাৰ বাবে বাহিৰত দেখুৱাই মুৰব্বীসকলৰ অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে ভীষণ তৰ্জন-গৰ্জন কৰিব। —"অমুকাক চিনি পোৱা নাই" বুলি ধমকি দিব আৰু পিছত গৈ মুৰব্বীৰ ঘৰতে চাহ-জলপান খাই ক'ব— "এই সন্ত্ৰাসবাদী দুজনমান যে আছে ইহঁতেই চৰ গোলমালৰ মূল। বেটাহঁতে আমাক চিনা নাই। আমি অহিংসবাদী বুলিহে.....।" কিছুদিন আগলৈকে এওঁ চৰকাৰক কিমান যে শাওপাত নিদিলে! এতিয়া কোনোবাই বয়বস্তুৰ দাম বঢ়া বুলি অথবা দেশত বিশৃংখলা বেছি হৈ যোৱা বুলি ক'লে এওঁ কয়— "আস্

ধৈর্য ধৰকচোন, ত্রিছৰছৰ ধৈর্য ধৰিলেই। চৰকাৰে যি কয় তাকে নকৰিলে ৰামৰাজ্য গুচি দেখোন সন্ত্রাসৰাজ্য হ'বগৈ।" আজি এবছৰৰ আগলৈকে ছাত্র-আন্দোলনত এখেতৰ সক্রিয় ভূমিকা আছিল। এতিয়া ছাত্র-ছাত্রীক কয়— "বুজিছা, গোলমাল কৰিলে লোকচান তোমালোকৰেই। আমাৰ ৰামৰাজ্যবাদী আশ্রমৰ কুটীৰত মাজে সময়ে দেখা দিবাচোন। হ'ব দিয়া, চাকৰি আৰু নহ'বনে!"

এতিয়া আমি মূল ঘটনালৈ আহোঁ। এই ছগৰাকী প্রাক্তন সমাজ-বাদী আৰু বর্তমান ৰামৰাজ্যবাদীয়ে ৰামৰাজ্য স্থাপনৰ হেতু অহোপুৰুষার্থ কৰি হনুমানৰ সেবক প্রখ্যাত কোটিপতি অমৃতলাল নীলকণ্ঠলালৰ বৈঠক-খানাৰ আৰামী চকীত উপবিষ্ট হ'লগৈ। এওঁলোকক চাহ-মিঠাইৰে আপ্যায়িত কৰাৰ পিছত অমৃতলাল নীলকণ্ঠলালে তেওঁৰ দেহা নামৰ তিনিমোনীয়া মাংস-পিণ্ডটো চোঁচোৰাই আনি দুগ্ধ কোমল আসনত লাং খাই পৰি হেঃ হেঃ হেঃ কৈ হাঁহিলে। ক'লে— আপোনালোক আজি আমাৰ ঘৰতে আহিছে। বৰ ভাল পাইছু। সীতাৰাম। সীতাৰাম। মোৰ ল'ৰাটোকে হদায় কৈ থাকিছু পৰভুৰাম হন্তুষ্ট থাকিলে কোনো ভয় নাই।

ছ. ঝ. ই তেখেতৰ গধুৰ চশমাযোৰ ৰুমালেৰে মচি মচি কৰলৈ ধৰিলে, 'নীলকণ্ঠলাল, তোমাৰ ওপৰত ৰামৰ ভক্তসব বিতুষ্ট। ঠিক জানিবা, ৰাম-ৰাজ্য জম্বুদ্বীপৰ পূর্বপ্রান্ততো স্থাপিত হ'বই হ'ব। গতিকে পূর্বৰ পাপ মোচনৰ কাৰণে একলক্ষ স্বর্ণমুদ্রাৰে নৈবেদ্য নিবেদন কৰা'।

অমৃতলাল নীলকণ্ঠলাল কিছু সময় তভক মাৰি ৰ'ল। তাৰপিছত পুত্র মাখনলালক মাতি প্রভু ৰামৰ ভক্তবৃন্দৰ আজ্ঞা পালনৰ নির্দেশ দিলে। ৰামৰাজ্যবাদী কেইগৰাকীয়ে তেওঁক প্রাণ ভৰি আশীৰ্বাদ প্রদান কৰি এক মুখে স্বীকাৰ কৰিলে যে এই প্রান্তত তেওঁৰ সমান ৰামভক্ত নাই। ভবিষ্যতে ইয়াৰ ৰাজহুৱা কাম-কাজ ওলালে নীলকণ্ঠলালকে ৰাইজৰ সেৱা কৰাৰ সুযোগ দিবলৈ তেখেতসকল সানন্দে সম্মত হ'ল।

ইয়াৰ পিছত ৰামৰাজ্যত বৈপ্লবিক পৰিবর্তন আনিবলৈ প্রয়োজন হোৱা অর্থ সংগ্রহৰ কামত এওঁলোকে ৰামভক্ত হনুমানৰ শিষ্য-প্রশিষ্যৰ বাস গৃহলৈ ধাবিত হ'ল। সেইবোৰ ঠাইত এওঁলোকে কি কৰিব পাৰে অথবা কি কৰা উচিত এই বিষয়ে অনুমান কৰিবলৈ পাঠক-পাঠিকাক কিছু সময় দি আমি খেতিয়কজনৰ ওচৰলৈ আহোঁ। খেতিয়কজনে আমাৰ কাহিনীত স্থানেই নাপালেহেঁতেন— যদিহে অন্যতম ৰামৰাজ্যবাদী শ্রীঅ. চ. এওঁৰ দূৰ-সম্পর্কীয় আত্মীয় নহ'লহেঁতেন। খেতিয়কজনক কাহিনী বর্ণনাৰ সুবিধাৰ বাবে কিনাৰাম বুলি মতা হওক। এই কিনাৰামৰ ঘৰ, অর্থাৎ ভঙা জুপুৰীটো চহৰৰ ওচৰতে থকা গাঁওখনৰ মাজতেই। গাঁওখনৰ বহুমানুহৰে মাটি আছিল বহুদিন আগতে। কিন্তু অমৃতলাল নীলকণ্ঠলালৰ সুযোগ্য পিতৃ স্বর্গগত তোষণলালে মানুহখিনিক কান্যামৃত (কানি+অমৃত) পান কৰিবলৈ টকা

ধাৰে দি শেষত অমৃততকৈ পার্থিব সম্পদ কোনোগুণে মূল্যবান নহয় বুলি বুজি আৰু বুজাই জঞ্জালময় মাটিবোৰ নিজৰ কৰি ললে। কিনাৰামে অ. চ. ইঁতৰ হাজাৰ বিঘা মাটিৰ দুহালিচামানত আধি খেতি কৰিবলৈ ললে। মাটি কেইহালিচা আছিল চহৰৰ সমীপবর্তী পকী ৰাষ্টাৰ ঠিক কাষতে। ওচৰ পাজৰৰ মাটিত আগতে খেতি-বাতি হৈছিল; এতিয়া ৰামৰাজ্যবাদী আৰু অনুশাসনবাদীসকলৰ ভক্তবৃন্দৰ বয়বস্তু ৰখা গুদামগৃহ উঠিছে। নীল-কণ্ঠলালে শ্রীঅ. চ. ক বুজালে যে মাটি আধিকৈ দি লাভ নাই। তাতে সম্পর্কীয় মানুহক দিলেতো কথাই নাই। আজি বোলে ল'ৰাৰ অসুখ, কাইলৈ বোলে ঘৈণীয়েকৰ যোৱা থোৱা, পৰহিলৈ গৰুহালৰে চৰকা ইত্যাদি নানান অজুহাত। তাতকৈ চলিত দামৰ দেৱগুণলৈয়ে অমৃতলাল নীলকণ্ঠ-লালক মাটিখিনি দি দিয়ক। সৰুপুত্র ঘুংঘটলালৰ কাৰণে প্রাসাদ এটা সাজিব লাগে। তাৰে দুই এটা কক্ষত মাজে সময়ে ৰামৰাজ্যৰ সেনাপতি চফৰত আহিলে থাকিবলৈ ব্যবস্থা কৰি দিব পৰা যাব। শ্রীঅ. চ. কামৰ মানুহ। গতিকে সানন্দে সম্মতি প্রদান কৰিলে।

তাৰপিছত এদিন এটা সুন্দৰ ৰাতিপুৱা ভিকহু কিনাৰামে গৰুহাল লৈ পথাৰত উপস্থিত হৈ দেখিলে সৰগ ভাগি পৰিছে। অর্থাৎ মাটিতে সৰগ ৰচাৰ পৰিকল্পনাৰে নীলকণ্ঠলালে পকী ৰাষ্টাৰ কাষৰেপৰা পথাৰৰ ক্ষুদ্রতম আলিটোলৈকে ইটা দ'ম কৰিছে। হতভম্ব হৈ সি ঘৰলৈ ঘুৰি গ'ল। পইতাভাত এমুঠি পেটত পেলাই চহৰত উপস্থিত হ'লহি।

অ. চ. ৰ ঘৰৰ চাকৰে জনালে যে অ. চ-ক বিচাৰি পোৱা বৰ টান, বৰ ব্যস্ত মানুহ। ৰাতিপুৱাৰে পৰা কিনাৰামে তেওঁক বিচাৰি ফুৰিলে। আজিৰ ভিতৰতে কিবা এটা নহলে কাইলৈ পুৱা হাল নিব কেনেকৈ। বজাৰৰ ওচৰত দোকান এখনত চাহ একাপ খাই অলপ জিৰাই শঁতাই কিনাৰামে অ. চ-ৰ সম্পর্কীয় মানুহৰ এঘৰত ফুৰিবলৈ গ'ল। তাতে জা-জলপান খাই এয়া আবেলিখন অ. চ-ক বিচাৰি আহি ৰামৰাজ্যবাদীহঁতৰ তপোবনৰ সৰু জুপুৰীটোৰ সমুখত উপস্থিত হ'ল। জুপুৰীঘৰটোৰ গৰাকী ৰাম অথবা ৰামভক্ত হনুমান কিংবা হনুমানভক্ত ৰামৰাজ্যবাদী নহয়। ঘৰ-টোৰ মালিক হ'ল ৰামৰাজ্যবাদীসকলৰ পৰম সুহৃদ আৰু পৃষ্ঠপোষক, সমাজ সচেতন ব্যবসায়ী হুকুমচান্দ গোলামচান্দ।

তপোবনৰ ৰখীয়া কুমলীয়া ল'ৰাজনে কাগজ-পত্র আৰু ৰাম-হনুমানৰ লাইফ ছাইজ ছবি ভর্তি টেবুলখনত মুৰ থৈ টোপনিয়াই আছিল। ৰাজনীতিৰ বিষয়ে একো নাজানিলেও কিনাৰামে ভাবিছিল যে অন্ততঃ ৰামৰাজ্যবাদীহঁতৰ তপোবনত ৰাম আৰু হনুমানভক্তসকলে দেশৰ দুর্গত প্রজাৰ স্বার্থতে ৰাম-ৰাজ্য স্থাপনৰ কোনো আঁচনি লৈ আলোচনাত মগ্ন হৈ থাকিব। ল'ৰাটোৰৰ ওচৰতে বেঞ্চখনত বহি কিনাৰামে খোৱা পানী এগিলাছ খুজিলে। ল'ৰাটোৱে এঘামুৰি কাঢ়ি, চকুহাল মোহাৰি মোহাৰি ওচৰৰ সৰু কোঠাটোলৈ সোমাই

গ'ল আৰু অলপ পিছতে মজলীয়া আকৃতিৰ ফটিকাৰ বটল এটা উলিয়াই আনিলে আৰু কিনাৰামৰ মুখলৈ নোচোৱাকৈ গহীনাই কাঁচৰ গিলাছ এটাত বাকিবলৈ ধৰিলে। কিনাৰাম চক্ খাই উঠিল, মুখৰপৰা অজানিতে ওলাই আহিল— 'ৰাম, ৰাম, ৰামৰাজ্যত ফটিকা'! ল'ৰাটোৱে ততোধিক আচৰিত হৈ কিনাৰামলৈ চালে আৰু দীঘলীয়া হামি এটা কাঢ়ি কৈ গ'ল— আপুনি নাজানে নেকি আমাৰ ৰাজ্যত সম্প্ৰতি পানীয় নিবাৰণ কৰা হৈছে। গতিকে পানী পাবলৈ নাই। আৰু কি জানে, আমাৰ তপোবনৰ বহু কৰ্মীয়ে নিজ নিজ ঘৰৰপৰা ফটিকাৰ বটলবোৰ আনি ইয়াতে জমা কৰি ৰাখিছে। গতিকে বেয়া নাপাই যদি ইয়াকে পান কৰক ; আমি চবেই ইয়াৰে তৃষ্ণা নিবাৰণ কৰোঁ। ল'ৰাজনে কিনাৰামলৈ নোচোৱাকৈয়ে বটলটো নিজৰ মুখত উবুৰিয়াই ধৰি ফটিকা অলপ পি ললে। কিনাৰামে ভয়ে ভয়ে সুধিলে— বোপা, অ. চ-ক জানা নহয় ? তেওঁ ইয়ালৈ আহিছিল নেকি ?

ঃ আহিছিল। সদায় আহে। পিছে এতিয়া লগ পোৱা টান হ'ব।

ঃ মোৰ বৰ জৰুৰী কাম আছিল। লগ নাপালে বৰ মস্কিল হ'ব।

ল'ৰাটোৱে কিছু সময় টেবুলত মূৰ থৈ চিন্তা কৰিলে। ক'লে— অ. চ. খুব ব্যস্ত। বিপ্লবৰ কাৰণে চান্দা উঠাবলৈ গৈছে। লগতে ক. গ., ন. ব., প. ক, দ. ল. আৰু ছ. ঝও আছে। এওঁলোকৰ এজনক পালেই অ. চ-কো পাব। অমৃতলাল নীলকণ্ঠলালৰ দোকানখন চিনি পায় নহয়— তাৰ ওচৰেদি এটা ৰাষ্টা ফাটি গৈ মেইন ৰাষ্টাত লগ লাগিছে। সেই ৰাষ্টাটোৰ মুখতে বেডিঅ'ৰ দোকান এখন আছে। তাৰ কিছু আগলৈ এটা দুমহলীয়া ঘৰ পাব— কাঠৰ ঘৰ। তাতে খবৰ কৰি চাব পাৰে।

ইতিমধ্যে চহৰৰ লাইটবোৰ জ্বলি উঠিছে। কিঞ্চিৎ আশাৰ বেঙনি দেখি কিনাৰামৰ ক্লান্ত মুখখন কিছু পোহৰ হৈ উঠিল। লৰালৰিকৈ সি নীলকণ্ঠলালৰ দোকান অভিমুখে যাবলৈ ধৰিলে। দুমহলীয়া ঘৰটো পায়েই কিনাৰাম থমকি ৰ'ল। ভিতৰৰপৰা মানুহৰ কথা-বতৰা আৰু হাঁহিৰ টুকুৰা ভাহি আহিছে। মাজে মাজে দুটা এটা পুৰণি গানৰ বিকৃত বেসুৰা কলি। কিছুসময় দুৱাৰত ঢকিওৱাৰ মূৰত কাঠৰ দুৱাৰখন খুলি আহুৰ খোজেৰে মানুহ এজন আগবাঢ়ি আহি সুধিলে— কাক লাগে ? কিনাৰামে ভয়েৰে অ. চ.-ক বিচাৰি অহা বুলি ক'লে। মানুহজনে ৰূমটোৰ নৃত্যৰত মানুহ এজনলৈ আঙুলিয়াই খেক্ খেক্‌কৈ হাঁহিবলৈ ধৰিলে। তাৰপিছত কিনাৰামক হাতত ধৰি ভিতৰলৈ টানি নিলে। কিনাৰামে চুচুক চামাকৈ আহি দুৱাৰৰ ওচৰতে থিয় হৈ মানুহকেইজনৰ স্নেহৰূপ চাই ৰ'ল। চকুৰ আগতে ইমানদিনে নাম শুনি থকা অথচ ওচৰৰ পৰা দেখিবলৈ নোপোৱা প্ৰখ্যাত ৰামৰাজ্যবাদী কেইজনৰ দৰ্শন পাই সি নিজকে ধন্য মানিলে আৰু তেৰাসকলৰ মুখৰপৰা কি বাণী ওলায় শুনিবলৈ উৎকীৰ্ণ হৈ ৰ'ল।

ৰামৰাজ্যবাদী ছজনৰ লগতে কোঠাটোৰ ভিতৰত আছিল নিৰামিষভোজী

অথচ ফটিকাপানকাৰী নীলকণ্ঠলাল, স্থানীয় মদ নিবাৰণী সপ্তাহ পালন সমিতিৰ অধ্যক্ষ বিখ্যাত চিকিৎসক শ্ৰীহ. ৰ. ব আৰু স্থানীয় আইন-শৃংখলাৰক্ষী বিষয়া শ্ৰীট. ভ। ৰামৰাজ্যবাদী দলৰ নিয়ম অনুসৰি ভোজন অথবা পান সভাত ৰাজনীতিৰ কথা নিষেধ। গতিকেই ছজন ৰামৰাজ্যবাদীয়ে এই অঞ্চলৰ চিনাকি মানুহৰ ঘৰৰ যিমানবোৰ গাভৰু ছোৱালী আছে আৰু গাভৰু ছোৱালীহঁতৰ যিমানবোৰ সম্ভাব্য প্ৰেমিক আছে, এই ছোৱালীহঁত আৰু প্ৰেমিকহঁতৰ যিমানবোৰ বদনাম, কুকীৰ্তি, স্কেন্দেল আছে তাৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনাত নিমগ্ন হ'ল। এখেতসকল প্ৰকৃত ৰামৰাজ্যবাদী। গতিকে এখেতসকলৰ মতে সীতা একমাত্ৰ নিষ্কলংক নাৰী আৰু তেওঁলোকৰ প্ৰত্যেকৰ ঘৰৰ গৃহিনী অথবা কন্যাসকল একো একো গৰাকী সীতা আৰু আন সকলো মানুহৰে ঘৰৰ কন্যা-সন্তান, কন্যা সন্তানৰ মাতৃ, মাতামহী সকলো হ'ল কলংকিনী। প্ৰায় এঘণ্টামান সময় এইবোৰ সৰস আলোচনাত ব্যস্ত থকাৰ পিছত তেওঁলোকৰ হুঠাতে ধাৰণা হ'ল যে আনৰ বদনাম গোৱাৰ সমান বেয়া কাম নাই। ৰামে অবশ্যে আনৰ বদনামক গুৰুত্ব নিদিয়াকৈ থাকিবলৈ ক'তো কৈ যোৱা নাই। তথাপি অযথা বকি থকাতকৈ একাষাৰে তেওঁলোকৰ বক্তব্য এনেদৰে ৰাখিব পাৰি— পৃথিবীত তেওঁলোকৰ আত্মীয়ত বাহিৰে যিসকল নাৰী আছে, তেওঁলোকত বাহিৰৈ যিসকল পুৰুষ আছে সকলোৱে জীবন কলংকিত, 'স্কেন্দেলিত'। এই মহৎ সিদ্ধান্তত উপনীত হৈ ৰামৰাজ্যবাদীসকলে বৃহৎ বটল দুটামান খুলি পুনৰ ফটিকা অথবা সোমৰস পানত মগ্ন হ'ল। কিছুসময় বিকৃত ধৰণে নাচগান কৰি তেওঁলোক ক্লান্ত হৈ পকা মজিয়াত ঢলি পৰিবলৈ ধৰিলে। কিনাৰামে দৌৰি গৈ অ. চ-ক সাবটি ধৰি মাতিবলৈ ধৰিলে— 'অ' বোপা, অ. চ. বোপা..... অ চ-ৰ চকুহাল, নহয় প্ৰত্যেকজন ৰামৰাজ্যবাদীৰে চকুবোৰ ঢুলঢুলীয়া হৈ উঠিছিল। কিনাৰাম চিন্তিত হ'ল— এতিয়া যদি তেৰাসকল অনন্ত শয়নত পৰে পুৱালৈ একো নহ'বগৈ। গতিকে সি পুনৰ অ. চ-ক কান্ধত ধৰি জোকাৰি দি সুধিবলৈ ধৰিলে—"অ. চ. বোপা, মাটিখিনিৰ কি হৈছে গম পাইছা" ? অ. চ-ই লাহে লাহে মূৰ লৰাই ক'লে— "গম পাইছোঁ, চ-অ-ৰ গম পাইছোঁ, ... তাইৰ স্কেন্দেল চ-অ-ব..... ।" কিনাৰাম দুশ্চিন্তাত ভাঙি পৰিল— "অ. চ বোপা, মাটিখিনিৰ কিবা এটা কৰা।" অ. চ. ই পুনৰ মুৰ লৰাই কৈ গ'ল— 'অ' কৰিম কৰিম জ. ৰ মৈণীয়েকৰ ব্যবস্থা কৰিম মই-মই কৰিম।' তাৰপিছত একেবাৰে ঢলি পৰিল। কিনাৰামে চিঞৰিবলৈ ধৰিলে—'অ' বোপা, অ' বোপা। ছ. ঝ. ঢলং পলংকৈ কিনাৰামৰ ওচৰলৈ আহিল, অমৃতলাল নীলকণ্ঠলালে হাতৰ গিলাছটোৰ পৰা অমৃত অলপ অ. চ-ৰ মুখত বাকি দিলে। ছ. ম-ই গিলাছ তাৰ হাতৰ পৰা কাঢ়ি আনি কিনাৰামলৈ চাই ক'লে— "ধুৰ, মাটি— মাটি লৈ কি হ'ব ? ৰামৰাজ্যত বহুত— বহুত মাটি, বহুত মাটি

(শেষ অংশ ১৫৮ পৃষ্ঠাত চাওক)

গল্প

জিৎ

অৰুণ গোস্বামী

জিৎ। জিকিব লাগে। সকলোতেই জিকিব লাগে। বাজী মাৎ কৰা। জিৎ দিয়া। শব্দ শুনা নাইনে? চাৰিওফালে যে বেমাৰৰ বীজাণু উৰাদি চিঞৰ-বাখৰ শব্দবোৰ উৰি ফুৰিছে। গাঁতলৈ সোমোৱা পকৰাৰদৰে শব্দ কাণত সোমাইছে। জিৎ দিয়াৰ আনন্দ কিৰিলি। জিকাৰ আনন্দ। জিকিছে। জিকিছে। হেৰি ডাঙৰীয়া কোন জিকিলহে? টেবুলটেনিছত বোলে অসমে বৰ নাম কৰিছে। ৰাঃ ৰাঃ মুগাগাভকৰ দেশ। লাচিতৰ দেশ। জিকিবই, জিকিবই। সেয়া কিহৰ চিঞৰ-বাখৰ? এই সনাহী ল'ৰাজাকৰপৰা উপায় নাই। সেই কাৰণে বজাৰত ৰবাৰ টেঙাৰ দাম বাঢ়িছে। এই নাৰায়ণী সেনাজাকে কলিতে ছিঙি আনি বল খেলেহি। এই ল'ৰা, এই ল'ৰা— ক'ত ৰাষ্টাত বল খেলিছ? ইস্ দেখিছেনে কাণ্ডখন— আজি পিন্ধা চোলাটোত টেঙাৰ ছিটি-কনি পৰিলহি। ছেঃ। মালাই সদায় নতুন শাৰী এখন পিন্ধি আহে। দুশ চল্লিছ টকীয়া দৰমহাৰে সদায় নতুন শাৰী কেনেকৈ পিন্ধে? ইনকম টেক্স অফি-ছাৰ তৃপ্তি গুহই সদায় নতুন শাৰী পিন্ধে। তাইতকৈ জিকিব লাগে। জিৎ। গতিকে মালাৰ গাত সদায় নতুন শাৰী। সদায় নতুন নতুন শাৰী পিন্ধি সদায় সদায় সন্ধ্যা ছিনেমা কেনেকৈ চোৱাহে আইদেউ! সাধনাই সপ্তাহত পাঁচখন ছিনেমা চায়, তুমি ছখন চোৱা। সাধনাৰ প্ৰেমিকৰ সংখ্যা হিচাপ কৰিবলৈ দহোটা আঙুলিৰ পাব শেষ হ'ল। তোমাৰ কি? তোমাৰো হাতৰ আঙুলি কেতিয়াবাই শেষ হ'ল। এতিয়া দাঁতত ধৰিছা। ওপৰ পাখিৰ প্ৰতিটো দাঁততে এজনকৈ পৰিলনে? কি ক'লে? টেবুল টেনিছ! টেবুল টেনিছত অসমৰ ছোৱালীয়ে বৰ নাম কৰিছে? কি বে-ৰসিক এই কাগজৰ এডিটৰবোৰ! ইহঁতৰ অকণো ৰসজ্ঞান নাই। সহকাৰী সম্পাদক-মথা যে ঢোঁৱা কাউৰী! ৰমলিয়াই থাকে। ব'ম বে-ৰসিক। অসমীয়া

গাভকৰে টেবুল টেনিছত নাম কৰিছে। Just sufficient। বেনাৰ হেড লাইনত নিউজ! তিনি কলম জোৰা ফটো। পাৰিলে বংশ পৰিচয়। পাৰিলে সাক্ষাৎকাৰ। পাৰিলে কি কি খাই ভাল পায় হিচাপ। টেঙা ভাল পায়নে? That's enough। তাৰ তলতে আকৌ এইবোৰ কি নিউজহে! ৰবপেটাত যুবতীৰ আত্মজাহ। কিবা প্ৰেম-টেমৰ ঘটনা হ'ব ছাগৈ। সেইটো নিউজ কিয়? ছাজাহানে তাজমহল সজাটোৱেই প্ৰেমৰ কাৰণে এটা ভাল নিউজ। হ'ব, হ'ব। জলন্ত উদাহৰণ। অনাতাঁৰ কেন্দ্ৰৰ গীতিকাৰসকলে প্ৰেমৰ ওপৰত গীত লেখিয়েই আছে। গায়ক-গায়িকাই গায়েই আছে। ফুলবিলাকত প্ৰিয়াৰ ছবি আছে। নাম আছে। জোনৰ বুকুত প্ৰিয়াৰ পদচিহ্ন আছে। সপোনত লেখা প্ৰিয়াৰ কথা দিঠকত ফলিয়াই আজে। ৰিম্‌জিম্‌ ৰষাৰ ৰাতি প্ৰিয়া আহিয়েই আছে। তমসা, জান-জুৰি, কাজল, হৰিণ চকু, উঠন বুকু, থামুচিয়া কঁকাল— কত কি, কত কি গীতিকাৰে প্ৰেমৰ ওপৰত গীত লেখি বাজীমাৎ কৰি আছে। গায়ক-গায়িকাই গায়েই আছে। শ্ৰোতাই 'ৰব ভাল হৈছে' বুলি চিঠি লেখিয়েই আছে। 'আকৌ শুনো আহক'ত শুনিয়েই আছে। সুৰ নকল কৰিবলৈ হিন্দী গীত আছেই। হিন্দী গীতৰ সুৰত বঙালী গীতৰ কথাৰ নকলত সমাধিত বহি ৰোৱাই বকুল ফুল কুয়েই আছে; জুলোৱাই মাটিৰ চাকি জ্বলায়েই আছে; ষ্টাণ্ট দিবৰ কাৰণে— জিৎ দিবৰ কাৰণে পেন্‌পেননিৰ মাজত শাস্ত্ৰীয় সংগীতৰ ৰাগৰ দুই এটা চিঞৰ ব্যবহাৰ হৈয়েই আছে, লেতেৰা পানীত ময়লা নিজৰি জমা হোৱাৰ দৰে সুন্দৰক সুন্দৰ বছা বছা শব্দবোৰ (অৰ্থ থাকক নাথাকক) গাতৰ শাৰীত গেদ্‌ পৰাদি পৰিয়েই আছে— চাৰিওফালে প্ৰেম, প্ৰিয়া, ফুল, চকু, তৰা, বুকুৰ হাজাৰ হাজাৰ গীত ৰচিত হৈছে, গোৱা হৈছে। চৰকাৰী বঁটা লাভ কৰা প্ৰকাণ্ড প্ৰকাণ্ড কৰিয়ে প্ৰিয়াৰ ওঠ দুখনত তেজৰঙা হোৱা দুখন নদী অনৰৰতে দেখিয়েই আছে, হীৰাৰ জাহাজ, ৰূপৰ জাহাজ, মুকুতাৰ জাহাজে কবিতাৰ সাগৰত লংগৰ পেলাবই লাগিছে। তেনেস্থলত গোটেই দেশ প্ৰেম-পিৰীতিৰ উত্তাল তৰংগত তৰংগায়িত হৈ থকাৰ অবস্থাত এইবোৰ কি নিউজ! ৰব-পেটাত যুবতীৰ আত্মজাহ! প্ৰেমেই মৃত্যু, মৃত্যুৱেই প্ৰেম। গীতিকাৰসকলে গীতেই লেখিব ছাগৈ ইয়াকে লৈ। কোনে আগতে লেখে? কাৰটো উত্তম হয়? কাৰটো প্ৰথম শ্ৰেণীৰ গায়কে গাবলৈ ল'ব। আঃ, কি বিৰক্তিকৰ কথা। বাতৰিত প্ৰকাশ যে গাত কেৰাচিন তেল ঢালি জুই লগাই আত্মজাহ যোৱা গাভকগৰাকীৰ ঘৰত কেৰাসাঁজো আহাৰ খোৱা হোৱা নাছিল। ১২ জুলাইৰ দৈনিক কাকত এখনত প্ৰকাশ। গীতিকাৰ-কবিসকল বাছি গ'ল। খাবলৈ নাপাই আত্মহত্যা কৰাৰ কথা কবিতা গীতত লেখিব নোৱাৰি। ৰাজনৈতিক নেতাৰ যুক্তিঃ খাবলৈ নাপাই আত্মহত্যা কৰা নাই। কাৰণ, মানুহঘৰৰ অবস্থা-পাতি ভাল। অৰ্থনৈতিক অবস্থা টনকিয়াল। এজনী গাভক ছোৱালীৰ কাপোৰে কানিয়ে সৰ্বাংগ তিতাকৈ তেল ঢালিবলৈ হ'লে

কেৰাচিন তেল লাগিব নিচেই কমেও আঠ লিটাৰ। আঠ লিটাৰৰ দাম প্ৰতি লিটাৰত এক টকা চল্লিছ পইচাকৈ এঘাৰ টকা বিছ পইচা। তাই যদি এঘাৰ টকা বিছ পইচাৰ কেৰাচিন তেল গাত ঢালিবই পাৰে চাউল নিকিনিলে কিয়? খোৱাৰস্তু নিকিনিলে কিয়? গতিকে এইবোৰ প্ৰেমজনিত ঘটনা। বিৰোধী দলে অথবা প্ৰতিক্ৰিয়াশীল মহলে এইবোৰ উৰা বাতৰি প্ৰচাৰ কৰিছে। নাই, নোৱাৰি। কিবা এটা কৰিবই লাগিব। সম্পাদক ডাঙৰীয়া, আপোনাৰ বহুমূলীয়া কাকতৰ যোগেদি আমি বাইজৰ দৃষ্টিগোচৰ কৰিব খোজোঁ যে আমাৰ মৰমৰ কাকতখনত গাভৰুৰ আত্মহত্যা, যুবকৰ আত্মহত্যা, অনাহাৰত মৃত্যু, ধুবুৰীত পেটৰ ভোকত মানুহে মানুহৰ বমিকে খোৱাৰ কথা, পেটৰ ক্ষুধাত থাকিব নোৱাৰি নিজৰ তিনিটা ল'ৰা-ছোৱালী দাৱে ঘপিয়াই হত্যা কৰি মাকে দ নাদত জঁপিয়াই আত্মহত্যা কৰা, চিঙত চোৰৰ ঘিটঘিটনি, দেৱগাঁৱত একে নিশাতে সাতোটা নামঘৰৰ বয় বস্তু চুৰিৰ দৰে বাতৰি পৰিবেশন কৰি বহুমূলীয়া কাকতখনৰ ঠাই অবাৰত নষ্ট নকৰে যেন। সঁচা ঘটনা লেখি জিৎ দিবলৈ মন গৈছে। দেশৰ আটাই-কেইখন বাতৰি কাকততকৈ আগ শাৰীত। জিকিব লাগে, জিকিব লাগে। কাগজত দিবলৈ নিউজ নোহোৱা হৈছেনে? কুলি চৰাই কেতিয়া ওলাল, কুলিৰ মাত কোনে প্ৰথমে শুনিলে, কেতেকীক কুলি কয় নে নকয়, কুলিৰ কুউ কুউ চিঞৰটো যৌন আহ্বানৰ প্ৰকাশনেকি? এইবোৰ নিউজ দিয়ক। চলাগৰাকী প্ৰধানমন্ত্ৰীৰ পুত্ৰৰ গাত বিবেকানন্দ, বুদ্ধ, যীশু, অশোক, মহাত্মা-গান্ধী, যুধিষ্ঠিৰৰ সৰ্বগুণৰ সমাহাৰ ঘটিছে— সেইবোৰ নিউজ দিয়ক। গাড়ীৰ পৰা নামি গৈ মন্ত্ৰীয়ে বানপীড়িত বাইজৰ দুখত হুক্ হুকাই কান্দি দিলে আৰু দুপৰীয়াৰ আহাৰ বাইজৰ লগতে মথাউৰিৰ ওপৰতে গ্ৰহণ কৰিলে। ঠিকাদাৰ বুকোদৰ হাজৰিকাই সেই সাজ খোৱাৰ দিহা কৰিলে। বহুত ইঞ্জিনীয়াৰ, অভাব-ছিয়াৰৰ অক্লান্ত চেষ্টাৰ ফলত দহলাখ টকা খৰচ কৰি ছমাহ ধৰি বন্ধা মথাউৰি প্ৰথম বানতে উটি গৈ সেই অঞ্চলৰ হাজাৰ হাজাৰ লোকৰ পানীত হাঁহ নচৰা অবস্থা। পানী শুকালেই পুনৰ মথাউৰি বান্ধিবৰ বাবে কঠোৰ নিৰ্দেশ দি মন্ত্ৰী ডাঙৰীয়াই কয়— দেশৰ প্ৰবল বানপানী প্ৰতিৰোধৰ কাৰণে কেন্দ্ৰৰ ওচৰত খাটনি ধৰিব লাগিব। সেইবোৰ নিউজ দিয়ক। বসজ্ঞান নাই! বেক-ডেটেড্! What a dull presentation! কৃষ্ণপুৰত গাভৰু ধৰ্ষণ। গাভৰু ধৰ্ষণ নকৰি কোনোবাই বুঢ়ী মানুহ ধৰ্ষণ কৰিবনে? গাভৰুগৰাকী আছিল দৰিদ্ৰ। দৰিদ্ৰ ঘৰৰ গাভৰু নকৰি ধনীৰ ঘৰৰ গাভৰুক ধৰ্ষণ কৰিবনে? ধনীৰ গাভৰুৰ পাণি গ্ৰহণ চলে। ক্লাব-যাত্ৰা চলে, পিকনিক চলে। ছিনেমা চলে। কিন্তু ধৰ্ষণ নচলে।

জিকিছেনে? জিকক দিয়ক। বেচেৰাই বহুত টকা পেলালে। ইজনেও পেলালে। কিমান? চাৰিলাখ। মুঠেই? মাত্ৰ চাৰিলাখ! আপোনাৰ বসজ্ঞান আছে। দুইলাখ ভোটাৰ থকা অঞ্চলত মাত্ৰ চাৰিলাখ

টকা। জনমূখী দুটকা। হাৰিবই হাৰিবই। জিৎ দিবলৈ হলে, জিকিবলৈ হলে ধন ভাঙিব লাগিব, বুইছে ধন, ধন, ধন, ধন! এখেতৰ কিমান জানে? সাতলাখ। পাৰ্টিৰ পৰা পোৱা দুইলাখ। অঁ-দুইলাখ— Prestige seat ছেম্বাৰ্ছ অব কমাৰ্ছৰ পৰা পোৱা দুইলাখ বাৰন্ন হাজাৰ। মহলদাৰৰ পৰা ডেড়লাখ। ইষ্ট কুটুম্ব আদিৰ পৰা একলাখ। চাহ বাগিছাৰ পৰা পোৱা দুইলাখ। কিমান হ'ল? হিচাপ কৰক। নিজৰ নামততো বেচেৰাৰ একোৱেই নাই। ঘৈণীয়েক, পুতেক, জীয়েক, খুলশালীয়েকহঁতে চহী কৰিলেহে বেংকে চেক্‌খনক 'অনাৰ' কৰে। ষাঠি হাজাৰ টকাৰ বাইছাইকেলকে কিনি দিছে। নখন স্কুটাৰ। বিছ হাজাৰখন শাৰী। ভোজৰ হিচাপ লবনে? নামঘৰ-মছজিদ-পুথিভৰাল-ক্লাবত দিয়া টিন-ছিমেণ্টৰ হিচাপ লাগেনে? মদৰ হিচাপ লাগেনে? বাৰু কথা কৈছে, জিকিলেই মন্ত্ৰী। জিকক জিকক— বেচেৰা জিকক। কি কলে? আপানাৰ খুৰীৰ বায়েকৰ জীয়েকৰ বৰজনাক? মন্ত্ৰী দেখোন আপোনাৰ আপোন মানুহ। দেখিছোঁ। আপোনাৰ পাৰাত আপুনি বাজীমাৎ কৰিলে। জিৎ দিলে। লাগক-লাগক। প্ৰমোচনো হৈ যাব পাৰে। টকা খাই চাকৰি যোৱা কেছ জৰুৰীকালীন অবস্থাৰ বলি বুলি উঠি যাব। বিয়ালিছত মিলিটেৰীক ছাপ্লাই দিয়া মদত পানী মিহলাই ধৰা পৰি ছমাহ জেইল খোৱা মানুহো এতিয়া মন্ত্ৰী, এম-এল-এ, ৰাজনৈতিক নিৰ্যাতিত ব্যক্তি। তাম্ৰপত্ৰ আছে। আপুনি মোৰ এই ছাৰ্টিফিকেটখনত চহী এটা কৰি দিয়কচোন। কপালৰ দাগটো কিহৰ? পুলিছে সংগীনেৰে খুচিছিল নহয়? থানাত পতাকা তুলিবলৈ যাওঁতে? দাগটো থাকিয়েই গ'ল! ঈৰ্ষাকাতৰবোৰৰ কথা শুনা নাযায়। পানী মিহলোৱা মদ ধৰা পৰিলত মিলিটেৰীয়ে বটলেৰে মৰিয়াই ঘা লগাইছিল। দাগ থাকি গ'ল। মিছা, মিছা। ফাঁকি কথা। ডাঙৰীয়াই মদৰ চাৰি সীমাৰ কাষ নাচাপে। চাৰিখন যে মহল আছে সেয়া তেখেতৰ নহয়, পৰিবাৰ আৰু কানসমনীয়া পুতেকৰ। তাতো জিৎ। একে পাৰাতে থকা ইজনৰ তিনিখন মহল। কাজেই এখেতৰ চাৰিখন হ'বই লাগিব।

স্কুল-কলেজ, কৰ্ট-কাছাৰী, অফিছ-আদালত সকলো হাফ দিয়ক। এদিনৰ কাৰণে পাৰিলে বন্ধই দি দিব লাগিব। আমাৰ কথাছবি ভাৰতৰ বাহিৰত হোৱা কথাছবি মহোৎসবত ভাগ লবলৈ সুযোগ পালে। বঙালী ছবি এইবাৰ মিছা হৈ গ'ল। বাকীবোৰ পৰিচালক, প্ৰযোজকৰ গাত সৰিয়হ ফুটক। ইচাট বিচাট লাগক। কেনে মজা! তেওঁ বজা মীদাছ্। যতেই হাত দিয়ে ততেই সোণ হয়। সুযোগ্য সন্তান। এইবোৰ খাবলৈ নোপোৱাৰ সমস্যা লৈ ছবি কৰিব নোৱাৰি। মই সমাজখনৰ দুৰৱী নহয় নহয় যে অনাহাৰৰ সমস্যা, বানপানীৰ সমস্যা, নিবনুৱা সমস্যা দেশত সোমাইছে নে নাই তাকে নজৰ কৰি থাকিম। কলকলাই। তামাম দেই! মই ক'বলৈ হলে এই ভাষাৰ কথাছবি জগতত এইখনেই হ'ল

ভোটা তৰা। এই পথৰ এইখন ছবিয়েই হ'ল মাইলৰ খুটি। সকলোৱেই হাত চাপৰি বজাওক। সকলো পৰিচালক প্ৰযোজকে এই ছবিৰ পৰা শিক্ষা লোৱা উচিত। নমস্কাৰ! মই কাকতৰ ছিনেমা শিতানৰ বিভাগীয় সম্পাদক। বাকু পৰিচালক ডাঙৰীয়া, আপুনি এই ৰসোত্তীৰ্ণ ছবিখন কৰোঁতে কি কি দিশলৈ চকু দিছিল?

—চাওক, বহুত বছৰৰ আগৰে পৰা এই ছিনেমা মাধ্যমটোৰ প্ৰতি মোৰ দুৰ্বলতা। অপসংস্কৃতিয়ে দেশ ঢাকি পেলাইছে। গতিকে এনে ছবি কৰিবলৈ মই মনতে জেদ ললো। অৱশেষত ছবিখন হ'লগৈ।

প্ৰেম-টেমৰ সমস্যা লৈ ছবি কৰা উচিত নহয়। এই জন মাধ্যমটো আচল উদ্দেশ্যত ব্যবহাৰ কৰিব লাগিব। ধন্য-ধন্য। সমগ্ৰ দেশৰ গৌৰৱৰ স্থল।

কিহৰ উথল মাথল! চিঞৰ-বাখৰ আনন্দ-কিৰিলি! বিদেশী পিটাৰ চখ। জিকি গ'ল জিকি গ'ল। শোষক, চালা বিহাৰী। ৰিক্সা চলাবলৈ আহিছে! আমাৰ দেশৰ টকা নি শেষ কৰিলে। দুমাইল বাটত ডেড় টকা লাগে! মাৰ চালা বেটাক। ধুলাই দি দিয়া। মুখেদি দেখোন তেজ ওলাইছে? ওলাবই। মাৰত তেজ বুকুৰেদিহে ওলাব লাগিছিল। গোৰ পৰিল বুকুত তেজ ওলাল মুখেদি। সম্পাদক ডাঙৰীয়া, আপোনাৰ বহুমূলীয়া কাকতৰ যোগেদি কতৃপক্ষৰ দৃষ্টি গোচৰ কৰিব খোছোঁ যে এই ৰিক্সাৱালাবোৰৰ দিনে দিনে অতপালি ইমান বাঢ়ি গৈছে, ইহঁতৰ প্ৰতাপত নাগৰিক অতীষ্ঠ হৈ পৰিছে। সিহঁতৰ নিজৰ ৰিক্সাৰ ওপৰতে ঠেঙৰ ওপৰত ঠেং তুলি বহি থাকিব অথচ যাত্ৰীয়ে অলৈ তলৈ ব'ল বুলি কলে নাযায়। ভৰদুপৰীয়া বা মাজনিশা যেতিয়া ৰেল আহি ৰয়হি, যেতিয়া যান-বাহন একোকে নাথাকে তেতিয়া ইহঁতক খাতিৰ কৰিলেও নাযায়। যদি ৰিক্সা নাযায়েই তেনেহলে যাত্ৰীয়ে ৰয়ে-বস্তুৰে ইমান দুৰ্গম বাট কেনেকৈ যাব কওঁকচোন। ইহঁতে তেতিয়া ভদ্ৰ মানুহৰ মুখে মুখে উত্তৰ কাটে বোলে এতিয়া ভাত খাই আহিছো বাবু, একঘণ্টাৰ বাবে ৰিক্সা নচলাওঁ, এতিয়া ৰাতি বাৰ বজাই ঘুমাইছো বাবু ৰিক্সা চলাব নাই পাৰোঁ। সেই জাগাত নাই যাম বাবু, তাত এক বছৰতে দুটা ৰিক্সাৱালা খুন হৈছে। সম্পাদক ডাঙৰীয়া, ইহঁতৰ আৰু অতপালি সহি থাকিব নোৱাৰি। ইহঁতে দিনে কিমান টকা নিজৰ দেশলৈ নিয়ে জাতীয়প্ৰেমী সকলে খবৰ ৰাখিছেনে তাৰ? ঠিকেই ঠিকেই। মাৰ চালা বেটা শোষকক। মাৰ্ক্সে আকৌ ইহঁতক শোষিত বুলি কয়। ছাৰ, ল'ৰাটোৱে শৌচ বমি কৰিছে। ছাৰ মাইকী মানুহৰ ডেলিভাৰী হ'বৰ হৈছে। প্ৰাণ যোৱা চিঞৰ মাৰিছে। এবাৰ চাই আহিবৰ কাৰণে ছাৰৰ ভৰিত ধৰি কৈছোঁ। নাই নাই ৰাতিখন মই যাব নোৱাৰোঁ। অন্য ডাক্তৰৰ ওচৰলৈ যোৱাঁ। মোক বিৰক্ত নকৰিবা। ৰোগী চাবলৈ ডাক্তৰ নাযাব পাৰে। এজন লোকক এম-বি-বিএছ পাছ

কৰাওঁতে দেশৰ ৰাজ ভৰালৰ পৰা একলাখ বাইছ হাজাৰমান টকা খৰছ পৰে হেনো। ৰাইজৰ টকা। ডাক্তৰ ভদ্ৰলোক। নাযাব পাৰে। মৌলিক অধিকাৰ আছে। ডাক্তৰেতো ৰোগীৰ ৰোগৰ বীজাণু তৈয়াৰ কৰি দিয়া নাই! ঐ চালা বেটাক মাৰ থাপৰ, চালা বিহাৰী, শোষণ কৰিবলৈ আহিছ! নাযাবি কিয়? খুন হলেও যলৈ কম যাবই লাগিব। তহঁতৰ উৎপাতৰ কাৰণেহে মাৰ খাব। চলা। ব'ল। ডাক্তৰৰ ওচৰত প্ৰণাম, ৰিক্সাৱালাৰ গালত চৰ।

বেচ, বেচ, বৰ বীৰত্ব! জিকি গ'ল। জিৎ দি দিলে। লাচিতৰ বংশধৰ ডেকাক চিনি পোৱা নাই? নীলমক স্কুটাৰ এখন লাগে নহয়। সি সদায় মোৰ আগতহে পেৰ পেৰাই থাকে। সদায় সদায় কলেজলৈ গাড়ী নি সি ভাল নাপায়। অভিজিতে যোৱা মাহত এখন ললে বোলে। মালচন্দ আগৱালাই দিলে হেনো। তুমিনো গনেশৰামে দিব খোজোতেও কিয় বাধা দিলা? ধেমালি নেকি – আঠলাখ টকাৰ ঠিকাটো পাইছে। নিয়মমতে সি গাড়ীকে এখন দিব লাগিছিল। দিবও, মোক কৈয়েই আছে। আজিৰ দিনত ইমান ধৰ্মযুধিষ্ঠিৰ নহ'বাচোন। আগতে যেনিবা ইমাৰ্জেন্সি আছিল। এতিয়া কি হ'ল? ঘৰকেটাটো তোমাৰ নামত নায়েই। সিদিনা হুচেইনৰ ঘৈণীয়েকে সুধিছিল ৰিমাৰ লগত দিয়া ফিয়েটখন কোনে দিছিল বুলি। মই কলোঁ সেইখন শৰ্মা এণ্ড কোম্পানীয়ে প্ৰেজেণ্ট কৰিছিল। আজি মই গনেশৰামক কৈ দিম। টেলিফোন কৰি দিম অহা সপ্তাহত যেন জোনৰ কাৰণে স্কুটাৰ এখন দিয়ে। তাৰ কলেজলৈ যোৱা ৰৰ অসুবিধা হৈছে। সিদিনা এদিন ছিটিৰাছতে গ'ল। ৰৰ ধমক দিছো। ছিটিৰাছত উঠি মৰিব নালাগে। মূলাগাভক্ত, জয়মতীৰ দেশ। বাঃ বাঃ অসমীয়া নাৰীৰ কি প্ৰেৰণা! কোন ক'ত আছা জয়ধ্বনি কৰা। এইখন সতী জয়মতী, মূলাগাভক্তৰ দেশ। চুৰুৰীয় চুৰুৰীয়ে জয়মতী উৎসব পাতাইক। সতী ৰাধিকাৰ উৎসব পাতাইক। আইসকলে এইবোৰ ৰীৰাংগনা, এইবোৰ সতীৰ আদৰ্শ গ্ৰহণ কৰক। অসমীয়া নাৰীৰ গৌৰব বিশ্ব দৰবাৰত স্থাপন কৰক। কাগজত বিপৰ্ট দিয়ক। কোনে কোনে বহুমূলীয়া ভাষণ দিলে, কোনে কোনে মেছেজ দিলে— কি কি প্ৰস্তাব লোৱা হ'ল ইত্যাদি ইত্যাদি।

জিকিব লাগে। জিকিব লাগে।

নিৰ্বাচনত হাৰিল! হাৰিবই হাৰিবই। টকা কিমান খৰছ কৰিছিল? কমিউনিষ্টবোৰে যে আমাৰ শত্ৰু প্ৰচাৰ কৰিছিলনে নাই? দেৱালত লেখি-ছিলনে? তথাপি জিৎ দিব লাগিব নহয়! এইবাৰ কিহত ধৰিছে? কিহত? দেশপ্ৰেমী আন্দোলন! বেছ্ বেছ্। উত্তম পথ। দেশপ্ৰেমী আন্দোলন কৰি স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰৰ কুমলীয়া ছেণ্টিমেণ্টক টুকু-ৰিয়াই দিয়ক। বিদেশীৰ কাৰণে যে আমাৰ ডেকা-গাভৰুৰে চাকৰি পোৱা নাই কৈ দিয়ক। ভাষাৰ কাজিয়াখন লগাই দিয়ক। ফিক্সড্ ডিপ'জিটত পোৱা

টকাৰ দৰে দেখোন ভাল ইছু এটা আছেই। ভাষাৰ কাজিয়া লগাই দিয়ক। বাতৰি কাগজত ডাঙৰ ডাঙৰ তেজ গৰম হোৱা প্ৰবন্ধ লিখক। অসমীয়া জাতিৰ কাৰণে, ভাষাৰ কাৰণে ৰাজহুৱা ভাবে কান্দক। ৰাজহুৱা মিটিং পাতক। বচ্। যেতিয়া কাজিয়া লাগিল, যেতিয়া পাণদোকানী ফণী ঘোষক কোনোবাই মাৰিব, কলবেপাৰী ৰত্নেশ্বৰ গগৈক কোনোবাই মাৰিব আপুনি আৰামত মদপানী খাই শুই থাকক। পাৰিলে সাম্প্ৰদায়িক সম্প্ৰীতিৰ ওপৰত বিবৃতি দিয়ক। মনে মনে ছাত্ৰ নেতাখিনিক মাতি আনি বুজাই দিয়ক কি কৰিব লাগিব। একোকে কৰিব নোৱাৰিলে পৰীক্ষা বৰ্জন কৰিবলৈ কওক। ছাত্ৰ-ছাত্ৰীৰ কাৰণে পৰীক্ষা বৰ্জনৰ দৰে ভাল ঔষধ নাই।

কি হ'ল? মাটিৰ সমস্যা? নিবনুৱা সমস্যা? দৰিদ্ৰতাৰ সমস্যা? ভগনীয়াৰ সমস্যা? পূৰ্বৰ চৰকাৰে একোকে নকৰিলে বুলি কৈ হাত চাপৰি বজাওক। দহ বছৰমান সময় লওক। কিহৰ হুলস্থুল? কি ভুল তথ্য দিছে? কোনে দিছে? ক'ত দিছে? বিবৃতি দিয়ক। অসম সাহিত্য সভা কেনি গ'ল? প্ৰগতিশীল সম্পাদকসকল, প্ৰাক্তন সম্পাদকসকল কেনি গ'ল? বিবৃতি দিয়ক। কি সামাজিক দায়বদ্ধতাহে? কি বস্তু সেইটো? আমি সমাজৰ চকীদাৰ নেকি? নাপায় নাপায়। মনতে ভাবি থাকিলেও বা সেইমতে কাম কৰি থাকিলেও ৰাজহুৱাভাবে তেনে কথা ক'ব নাপায়। ময়োতো এসময়ত প্ৰ' ছি. পি. এম আছিলো। এতিয়া সাহিত্য সভাৰ বিষয়ববীয়া। অথচ পোনে পোনে মই জানো কাৰোবাক গালি পাৰিছোঁ! দেখা নাইনে— প্ৰগতিশীলতাৰ ৰং সানিবৰ কাৰণে সেই 'হাতত দা লৈ ঘুৰি ফুৰা বুঢ়া কংগ্ৰেছী'ৰ গল্প লিখাটোকো মাতি আনিছো। ছদ্ম নামত চিঠি লিখক।

(শেষ অংশ ১৬০ পৃষ্ঠাত চাওক)

[১৫১ পৃষ্ঠাৰ পিছৰপৰা]

আছে।" নীলকণ্ঠলালে প্ৰবলভাবে মূৰ জোকাৰিলে। ছ. ঝ-ই কৈ গ'ল— হোৱা, এচোক খাই লোৱা, ভাগৰ মৰিব। ভয় নাই, ই ছালা অ. চ নমৰে, ইমান সহজে নমৰে। তাৰপিছত ফটিকাৰ গিলাছটো কিনাৰামৰ শীৰ্ণ হাতত গুজি দিলে। গিলাছটো হাতত লৈ কিনাৰামে নাটকীয় কায়দাত কোঠাটোৰ চৰিত্ৰবোৰলৈ চাই ৰ'ল। ঘৃণাত নাক কোঁচালে আৰু সেই স্থান এৰাৰ আগতে খঙেৰে নীলকণ্ঠলালৰ মুখলৈ গিলাছটো মাৰি পঠিয়ালে। এইটো কোৱা নিতান্তই নিষ্প য়োজন যে নীলকণ্ঠলালৰ মুখত পৰাৰ আগমুহূৰ্তত ছ. ঝ ই একেবাৰ ফিল্মী কায়দাত গিলাছটো থাপ মাৰি ধৰি গোটেইখিনি ফটিকা নিজৰ মুখত বাকী দিলে।

তাৰপিছত ৰামৰাজ্যৰ তপোবনৰ পৰা ভালেখিনি নিলগত, ভিকহু মানুহৰ কোঢ়ালৰ পৰা বহু দূৰৈত তেওঁলোক সাময়িকভাবে অনন্তশয়নত নিমগ্ন হ'ল।++

সাম্প্ৰতিক

বুলবুল

ৰচনা: শ্ৰী তৰুণ শৰ্মকীয়া



[পুলিছ ভান খুব বেগেৰে আহি ৰয়। জঁপিয়াই জঁপিয়াই পুলিছ নমাৰ শব্দ। হুইচেল বাজে]

অ'ছি : (নেপথ্যত) ঘেৰাও কৰ। ঘেৰাও কৰ। এটা সুৰুঙাও নেৰিবি। দেখিলেই গুলী। ৰৱৰৱা! আগবাঢ়ক।
(অ'ছি আৰু ৰৱৰৱা সোমাই আহে। অ'ছিয়ে হাতৰ ৰিভল-ভাৰটোৰ নলটো নিজৰ গাৰ পিনে লয়)
ক'ত? ক'ত আছে? বাঘ ক'ত আছে?

লংকেশ্বৰ : আহক, আহক ছাৰ। বহক।

অ'ছি : বহাবহিৰ সময় নাই। বাঘ ক'ত আছে দেখু�ৱাই দে, মাৰি পেলাওঁ। কি হ'ল?

লংকেশ্বৰ : বাঘ মানে ছাৰ—

অ'ছি : অঁ ক'ত আছে?

লংকেশ্বৰ : বাঘ মানে ছাৰ?

অ'ছি : মিঃ ৰৱৰৱা!

ৰৱৰৱা : (সামান্য নাকীসুৰীয়া মাত) ইয়াক ছাৰ ঠেঙতে গুলিয়াই দিওঁ নেকি? বাঘৰ কথা কোনে কৈছিল? ফোন নম্বৰ কিমান? কোনে কৰিছিল ফোন?

লংকেশ্বৰ : মই কৰিছিলোঁ ছাৰ। কিন্তু.....

ৰৱৰৱা : পুলিছৰ লগত ধেমালি? ব'ল থানালৈ ব'ল। চিপাহী?

লংকেশ্বৰ : মই ছাৰ টাইগাৰৰ কথাহে কৈছিলোঁ—

ৰৱৰৱা : এইটো ৰিভলভাৰ দেখিছ ? দিওঁৰেই নেকি এৰি !

(মেঘালী আহে। চুলি আউলি বাউলি)

মেঘালী : কি হ'ল, সেই চ'ফা-তফাৰোৰ দাঙি পাৰি কি চাইছে ?

ৰৱৰৱা : টাইগাৰ ওলাইছে বোলে—

মেঘালী : পলাইছে।

অ'ছি : কি বাঘ আছিল ? ঢেকিয়াপতীয়া ? লতামাকৰি ? কুকুৰনেচিয়া ? নাহৰফুটুকী ?

মেঘালী : বাঘ ?

অ'ছি : ঠাট্টা কৰিকই আছিছে ?

মেঘালী : বাঘৰ কথা আপোনালোকক কোনে ক'লে ?

অ'ছি : এই দগাবাজটোৱে আমালৈ ফোন কৰা নাছিল ?

লংকেশ্বৰ : মই বাইদেউ টাইগাৰৰ কথাহে কৈছিলোঁ—

ৰৱৰৱা : ছাৰ ইয়াক—

মেঘালী : সি ঠিকেইতো কৈছে। মোৰ টাইগাৰ হেৰাইছে। ৰৱ মৰমৰ কুকুৰ—

অ'ছি : কুকুৰ ?

ৰৱৰৱা : কুকুৰ ? এটা কুকুৰৰ তদন্ত কৰিবলৈ আমাক মাতি আনিছে !

[১৫৮ পৃষ্ঠাৰ পিছৰপৰা]

তথাচ ৰাজহুৱাভাবে এনে কথা নকব ছাৰ। সৰ্বনাশ। ভাগ্যে ওলাৰ লগীয়া ইতিহাসখনৰ ময়েই সম্পাদক। অফ কৰি দিম বাক্। ছাৰ আপোনাৰ কথাষাৰ বাক্ বুৰঞ্জীখনত অফ কৰি দিম। টেপ্ ৰেকর্ডাৰটো মোৰ হাততেই থাকিব। মার্ক্স, লেনিন, ষ্টেলিন মোৰ পঢ়া আছে জানে। দেশপ্রেমৰ কেপছুল তৈয়াৰ কৰিবৰ কাৰণে অলপ অলপ গৰম মছলা তেওঁলোকৰ পৰাও ল'ব লাগিব। নহলে বজাৰত চলিব কেনেকৈ ? বজাৰখনতো পাব লাগিব। বজাৰ দখল কৰক। জিৎ দিয়ক, জিৎ দিয়ক। প্রতিবাদ কৰক। জনমত গঢ়ি তোলক। দাৰিদ্র সীমাৰেখাৰ তলত শত-কৰা ৭৮ জন মানুহ আমাৰ দেশত আছে। সেই বুলিয়েই উপমহাদেশ খনত দৰিদ্রতাৰ ক্ষেত্রত আমাৰ দেশ প্রথম নহয়। প্রথম কেইখনমানৰ ভিতৰতে আছে। দৰিদ্রতাৰ ক্ষেত্রত আমাৰ দেশৰ স্থান দ্বিতীয়। কেন্দ্রই ভুল তথ্য দিছে।

ঠিকেই ঠিকেই। জিৎ দিলে। জিকি গ'ল। জিকি গ'ল। কোনে কৈছে প্রথম বুলি ? শতকৰা আঠসত্তৰজন মানুহে দাৰিদ্র সীমাৰেখাৰ তলত। আশী বা নব্বৈতো হোৱা নাই। জিকি গ'ল। জিকি গ'ল। জাতীয় সংগীত গোৱা হওক। 'অসম আজি উন্নতিৰ পথত জয় আই অসম বোল।' ++

ইমাৰজেন্সী চলি থাকোঁতেও ইমান সাহ। ছাৰ।

অ'ছি : মানুহজনীয়ে আমাক কি বুলি ভাবিছে মিঃ ৰৱৰৱা ?

ৰৱৰৱা : হেৰি মিছ ইয়ে ? আপুনি আমাক কি বুলি ভাবিছে ?

মেঘালী : বুজিলেছ।

ৰৱৰৱা : ছাৰ, বুজিলেছ বুলি.....

অ'ছি : ইউ বুজিলেছ, ইয়ৰ ফাদাৰ বুজিলেছ, মাডাৰ বুজিলেছ, ইয়ৰ গ্রেণ্ড ফাদাৰ বুজিলেছ.....

ৰৱৰৱা : ইয়ৰ ছেভেন ফ'ৰ ফাডাৰ্ছ বুজিলেছ।

অ'ছি : বাঘ বিচৰা মানুহে কুকুৰ বিচাৰিব ? সাগৰত সাঁতোৰা মানুহে ডোবাত সাঁতুৰিব ? ঠগ-প্রবঞ্চনা জাল-জুৰাচুৰীৰ অপৰাধত ভাৰত প্রতিৰক্ষা আইনমতে আপোনাক গ্রেপ্তাৰ কৰা হ'ল। ব'লক, থানালৈ ব'লক। নাই, বেইল চেইল নাই।

ৰৱৰৱা : তিৰোতা মানুহ ছাৰ।

অ'ছি : তাতো ক্ষতি নাই। কি চাই আছে মিঃ ৰৱৰৱা ?

ৰৱৰৱা : নাই ছাৰ মানে.....

অ'ছি : মাইকী মানুহ কেতিয়াও দেখা নাই ?

মেঘালী : দেখিছে। বহুত দেখিছে। কিন্তু আজি এজনী বেলেগ মাইকী মানুহ চাই লওক। অকণমান ৰ'ব। ঘৰত গৈ নাঙল ধৰিবগৈ লাগিব। (ডায়েল) হেল্লো ? হেল্লো ? কোনে কৈছে ? প্রাইভেট ছেক্রেটৰী ? ভিনদেউ নাই নেকি ?

অ'ছি : হেৰি ৰৱৰৱা ?

ৰৱৰৱা : প্রাইভেট ছেক্রে.....

মেঘালী : নাই ? ঠিক আছে, ক'ব মই মেঘালীয়ে বিচাৰিছোঁ। খুব জৰুৰী। আহি যায় যেন হাঁ। কি ? অঁ-অঁ টাইগাৰ হেৰাইছে বুলি ক'ব। কি ক'লে ? আহিবই ? ক'লৈ ? বানপানী চাবলৈ ? ঠিক আছে।

অ'ছি : হেৰি ! আপুনি কালৈ ফোন কৰিলে ?

মেঘালী : আপোনালোকৰ যম মোৰ ভিনদেউ সিদ্ধেশ্বৰ শইকীয়ালৈ।

অ'ছি : আপুনি সিদ্ধেশ্বৰ শইকীয়া ছাৰৰ ভি-ভি-ভি.....

মেঘালী : খুলশালী।

অ'ছি : ইচ্ ইচ্ ইচ্, ৰাম ৰাম ৰাম। এই কথাটোকে আপুনি ইমান সময় কোৱা নাছিল কিয় ? হেৰি মিছ ৰৱৰৱা, খালে খালে খালে..

ৰৱৰৱা : ছাৰ—

অ'ছি : কুকুৰ ওলাৰ লাগিব। শুনিছেনে নাই মই কি কৈছোঁ ?

ৰৱৰৱা : নিশ্চয় ওলাৰ লাগিব ছাৰ। হাজাৰ বাৰ ওলাৰ লাগিব।

অ'ছি : আপুনি কাইওলি আপোনাৰ খুলশালীয়েকলৈ ফোন কৰি দিয়ক যে তেখেত আৰু আহিব নালাগে। কওক যে থানাৰ অ'ছিয়ে

কুকুৰটো উলিওৱাৰ দায়িত্ব লৈছে।

মেঘালী : আপোনালোকে মোৰ টাইগাৰক আনি দিয়ক। ভিনদেউক কৈ আপোনালোকৰ প্ৰমোচন কৰাই দিম।

অ'ছি : বিদ্যা ?

মেঘালী : লংকেশ্বৰ চাহ-জলপান দে।

অ'ছি : মিঃ বৰবৰা। আপুনি স্পটলৈ গৈ চাইচিতি আহক। সিমান পৰে মই এখেতৰ পৰা কথাখিনি জানি লওঁ—

বৰবৰা : স্পটলৈ ছাৰ আপুনি যোৱাহে ভাল হ'ব নেকি!

অ'ছি : মিঃ বৰবৰা!

বৰবৰা : ছাৰ!

অ'ছি : অ'ছি মই নে আপুনি ?

বৰবৰা : মই নহয় ছাৰ, আপুনিয়েই।

অ'ছি : মই আপোনাৰ এক্সপ্লানেচন কল কৰিছোঁ, প্ৰছিডিং দ্ৰ কৰিছোঁ। চাওঁ ডায়েৰীখন দিয়ক, মই তাত ন'ট দিম। দিয়ক—

বৰবৰা : ডায়েৰী ছাৰ.....

অ'ছি : দিয়ক বুলিছোঁ নহয়, মুৰ খজুৰাই দেখুৱাব নালাগে।

বৰবৰা : ডায়েৰীখন ছাৰ থানাত থাকি আহিল—

অ'ছি : মানুহটোও থাকি নাহিল কিয় ? সেইখন কি জেপত ?

বৰবৰা : ক-ক কবিতাৰ বহী ছাৰ।

অ'ছি : কবিতা ? চাওঁ-চাওঁ চাওঁ!

বৰবৰা : এইখন ছাৰ।

অ'ছি : এইবোৰ কবিতা আপুনি লিখিছে ?

বৰবৰা : হয় ছাৰ।

অ'ছি : আপুনি কবি ?

বৰবৰা : স্বভাব কবি ছাৰ।

অ'ছি : বঢ়িয়া হৈছেহে। আপুনি কবি যেতিয়া এটা কাম কৰিবচোন বৰবৰা, মোৰ ন' নম্বৰী ছোৱালীজনীও অলপ কবি বুজিছে। লিখিবলৈ শিকাই দিবচোন। ছোৱালী কবি-তবি হ'লে ভাল হয়।

বৰবৰা : মই আজিৰে পৰাই শিকোৱাত লাগি যাম ছাৰ।

অ'ছি : আপুনি আৰু এটা কাম কৰক বৰবৰা, আধুনিক নামঘোষা এখন লিখক।

বৰবৰা : নামঘোষা ?

অ'ছি : আহিঁ হিচাপে মোৰ বেগতে পকেট নামঘোষা এখন আছেই। নামঘোষা লিখিলে আপোনাৰ নাম হ'ব বুজিছে। মহাপুৰুষ জনাৰ পিছত.....

মেঘালী : আপোনালোকে নামঘোষা লিখিবনে মোৰ কুকুৰটো বিচাৰিব ?

অ'ছি : সেয়া দেখিছেনে পাহৰিয়েই গৈছিলোঁ। নহয়। মিঃ বৰবৰা ?

বৰবৰা : ছাৰ।

অ'ছি : আপুনি জানেনে নাজানে হেবোৱা কুকুৰটো স্বয়ং সিদ্ধেশ্বৰ শইকীয়া ছাৰৰ ভি-ভি—

বৰবৰা : জানো, জানো ছাৰ। কিন্তু কুকুৰটো ক'লৈ যাব পাৰে ছাৰ ?

অ'ছি : ময়োতো ভাবিছো ক'লৈ যাব পাৰে। বাৰু কওকচোন মিছ হেৰি, আপোনাৰ কুকুৰটো কেতিয়াৰে পৰা নাই ?

মেঘালী : আজি পুৰাৰে পৰা। কালি নিশালৈকে সি আছিল।

অ'ছি : টাইগাৰক আপুনি কালি নিশা শেষবাৰৰ বাবে কিমান বজাত দেখিছিল ?

মেঘালী : মানে ধৰক নিশা ১-৩০ বজাত।

অ'ছি : ১-৩০ বজাত আপুনি সাৰে আছিল ? কিয় ?

মেঘালী : সেইটো মোৰ একান্ত ব্যক্তিগত কথা। মোৰ ঘৰলৈ গেষ্ট আহিছিল।

অ'ছি : নাম কওকচোন কোন কোন আহিছিল। বৰবৰা, লিখি যাব। কওক, নাম কওক।

মেঘালী : চহৰৰ গণ্য মান্য নেতৃস্থানীয় লোক। চেয়াৰমেন, এম. এল. এ...

অ'ছি : হ'ব হ'ব হ'ব। বাৰু আৰু এটা প্ৰশ্নৰ সঠিক উত্তৰ দিয়কচোন, আপুনি যেতিয়া মিঃ টাইগাৰক শেষবাৰৰ বাবে দেখে, তেতিয়া তাৰ মনৰ অবস্থা কেনে আছিল ? মানে তাৰ কিবা বিশেষ পৰিবৰ্তন আপুনি লক্ষ্য কৰিছিল নেকি ?

মেঘালী : নাই। অইন দিনাৰ দৰেই দেখা পাইছিলোঁ। অবশ্যে কেইদিনমানৰ পৰা সি অলপ অন্যমনস্ক হৈ থকা যেন মই লক্ষ্য কৰিছিলোঁ।

অ'ছি : মিঃ টাইগাৰক কিহেৰে বন্ধা আছিল ?

মেঘালী : ভিনদেৱে তাক এডাল বোলগল্ডৰ চেইন উপহাৰ দিছিল। ভিনদেউ Foreign-লৈ যাওঁতে আনিছিল।

অ'ছি : সেইডাল ছিণ্ডি গৈছে নে খুলি গৈছে ?

মেঘালী : ছিণ্ডি গৈছে।

অ'ছি : বাৰু, চহৰত তাৰ কোনোবা বিশেষ কোনো লোকৰ লগত চিনা পৰিচয় আছে নেকি ? মানে কাৰোবাৰ ঘৰলৈ সি বেচিকৈ যায় নেকি ?

মেঘালী : নাযায়।

অ'ছি : আপোনাৰ মিঃ টাইগাৰৰ ৰং আই মিন 'কালাৰ' কেনেকুৱা ?

মেঘালী : খুব বেছি বগাও নহয় আৰু খুব বেছি ক'লাও নহয়।

অ'ছি : ওখ ?

মেঘালী : আঢ়ৈ ফুট।

অ'ছি : দীঘল ?

মেঘালী : প্রায় চাৰে তিনি ফুট।
অ'ছি : নেজ পৰা নে দাং খোৱা ?
মেঘালী : মাজেমধ্যে। আনন্দত দাং খোৱা আৰু খং উঠিলে পৰা।
অ'ছি : সি কি কি খায় ?
মেঘালী : অন্য একো নাখায় মাত্ৰ ল'ফ, চিকেনফ্ৰাই, মিল্ক, আৰু ব্ৰাণ্ডি—
অ'ছি : (ওঁঠ চেলেকে) আপোনাৰ টাইগাৰৰ লগত ৰাতি কোন শোৱে।
মেঘালী : টাইগাৰৰ বিচনাৰ তলত লংকেশ্বৰ শোৱে।
অ'ছি : আপোনাৰ ফোনটো ব্যবহাৰ কৰোঁ দেই। (ডায়েল কৰে) হেল্লো ? কোন ? মহাদেব ? অঁ অঁ' মই অ'ছিয়ে কৈছোঁ। শুনকচোন, ৰৰ গ্ৰাংঘাটিক ঘটনা। কুকুৰ হেৰাইছে— কুকুৰ, কুকুৰ। অঁ'-অঁ এলাপেচা লোকৰ নহয়, স্বয়ং সিদ্ধেশ্বৰ শইকীয়া ছাৰৰ ভি—ভি—
ৰৰৰৰা : খুলশালী—
অ'ছি : অঁ অঁ— খুলশালীয়েকৰ। নাম টাইগাৰ। মনত ৰাখিব খুব বগাও নহয় খুব ক'লাও নহয়। কি ক'লে ? আৰে ৰানপানীত মানুহ মৰিছে মই কি কৰিব লাগে ? তালৈ পাচত যাম। আমি গ'ঞ্জেইতো আৰু ৰানপানী কমি নাযায়। শুনক, শুনক। আপুনি এটা কাম কৰক মহাদেব। অঁ' চহৰৰ পৰা বাহিৰলৈ যোৱা বাটত পহৰাৰ ব্যবস্থা কৰক। আৰু চহৰৰ গোটেই কুকুৰবোৰ··· শুনিছেনে নাই ? ঘৰৰ বাটৰ চৰ, এৰেষ্ট কৰি ছে'লত ভৰাই দিয়ক। অঁ— অঁ— তেতিয়া ল'ৰাবোৰ ভৱোৱাৰ দৰে। চাৰ যাতে এটা কুকুৰো সাৰি যাৰ নোৱাৰে— নহলে চাকৰি— মনত ৰাখিব। (থয়)
ৰৰৰৰা : ছাৰ ?
অ'ছি : ওঁ ?
ৰৰৰৰা : এই ল'ৰাটোকো সন্দেহৰ বাহিৰত ৰাখিব নোৱাৰি ছাৰ।
অ'ছি : তেনেহলে ভিতৰত ৰাখক। হেৰি মিছ হেৰি, অনুগ্ৰহ কৰি আপোনাৰ ছাৰ্ভেণ্টটোক মাতি দিয়কচোন।
মেঘালী : লংকেশ্বৰ, এইপিনে আহ।
লংকেশ্বৰ : মোক আকৌ লেট্ কাই দিব খুজিছে কিয় ৰাইদেউ ! মই অতি নিমাখিত ছাৰ—
অ'ছি : তই নিজেই কৈছনে ? তই কিমান নিমাখিত তোৰ চকু দুটাই কয় নহয়। ল'ৰা চিনিবলৈ মোৰ বাকী নাই বুজিছ। টুৱেণ্টি ফ'ৰ ইয়েৰছ এক্সপিৰিয়েন্সড। ক— !
লংকেশ্বৰ : কি ?
অ'ছি : টাইগাৰক কি কৰিলি ?
লংকেশ্বৰ : মইতো ছাৰ—

অ'ছি : আন্দোলনৰ সময়ত ল'ৰাক মাৰ দিয়া দেখিছিলি ? একেবাৰে তক্তা বনাই পেলাম।
মেঘালী : তাৰ গাত দোষ নাই।
অ'ছি : নাই ? ৰাক্ কওকচোন, আপোনাৰ কুকুৰ মিঃ টাইগাৰৰ ওচৰলৈ কোনোবা কুকুৰ বেছিকৈ আহে নেকি ?
লংকেশ্বৰ : আহে— আহে— ছাৰ।
অ'ছি : কোন ?
লংকেশ্বৰ : ৰৰঠাকুৰৰ কুকুৰজনী, নহয়নে ৰাইদেউ ?
মেঘালী : তাই ২৪ ঘণ্টাই ইয়াতে থাকে। আজিহে দেখা নাই।
অ'ছি : মিঃ ৰৰৰৰা ? ঘটনাটো ৰৰ জটিল।
ৰৰৰৰা : নহয় ছাৰ, একদম পৰিষ্কাৰ।
অ'ছি : মানে ?
ৰৰৰৰা : মিঃ লংকেশ্বৰ আৰু মিছ মেঘালী দেৱীয়ে নিজে স্বীকাৰ কৰিছে যে, মিঃ টাইগাৰৰ ওচৰলৈ কোনোবা ৰৰঠাকুৰৰ কুকুৰজনী আহে আৰু ২৪ ঘণ্টাই তাৰ ওচৰতে থাকে। কিন্তু টাইগাৰৰ আজিৰ এই অনুপস্থিতিত সেই কুকুৰজনীও·····
অ'ছি : তাৰ মানে আপুনি ক'ব খুজিছে যে—
ৰৰৰৰা : এইটো নিঃসন্দেহে এটা প্ৰণয় ঘটিত কেছ ছাৰ।
অ'ছি : ৰাক্, মিছ হেৰি, ৰৰঠাকুৰৰ ঘৰ ক'ত ?
মেঘালী : এই পাৰাৰে ইয়াৰ পৰা ৯ ঘৰ এৰি।
অ'ছি : কুকুৰজনী বিলাতী নে ভতুৱানী !
মেঘালী : ভতুৱা···
অ'ছি : মিঃ ৰৰৰৰা ? মিঃ টাইগাৰৰ দৰে এটা সুৰুচিসম্পন্ন আই মিন highly cultured কুকুৰৰ সৈতে ৰৰঠাকুৰৰ ঘৰৰ উক্ত uncultured ভতুৱানীজনীৰ প্ৰণয়— কথাটো কেনেবা কেনেবা যেন নালাগেনে ?
ৰৰৰৰা : মানে ছাৰ, প্ৰেমৰ ক্ষেত্ৰত, কবিয়ে কৈছে·····
অ'ছি : আপুনি ঘটনাটোত অন্য এটা গোন্ধ পোৱা নাইনে ?
ৰৰৰৰা : স্পষ্ট কৰি দিয়কচোন ছাৰ।
অ'ছি : মই যদি কওঁ— এইটো সমাজবিৰোধী লোকৰ আমাৰ প্ৰতি, মাননীয় শইকীয়া ছাৰৰ প্ৰতি আৰু ইমাৰজেন্সীৰ প্ৰতি এটা চেলেঞ্জ ?
ৰৰৰৰা : ৰৰঠাকুৰ আৰু ৰৰঠাকুৰৰ ভতুৱানীজনীক এৰেষ্ট কৰাই দিওঁ ছাৰ।
অ'ছি : পলমেই হৈ গৈছে। আৰু লগতে এই ল'ৰাটো।
লংকেশ্বৰ : মোক ছাৰ কিয় ফচাইছে ?
অ'ছি : ভতুৱানীজনীৰ লগত কি ষড়যন্ত্ৰ কৰিছিলি ? সঁচা কথা ক !

কোনে তোক হাত কৰিছে।

মেঘালী : তাৰ গাত দোষ নাই।

অ'ছি : বৰবৰা ?

বৰবৰা : ছাৰ ?

অ'ছি : গাড়ীত থকা এছ, আই চৌধুৰীক পঠাই বৰঠাকুৰ আৰু ভতুৰানী জনীক এৰেষ্ট কৰাওক। ননবেইলেবল্, প্ৰতিৰক্ষা আইন মতে। (ফ'ন বাজে)

বৰবৰা : ভাল ছাৰ। (যায়)

অ'ছি : হেল্লো ? মহাদেৱ ? কি হ'ল ? কুকুৰ ধৰিছে ? কিমান ? মাত্ৰ ? কম হৈছে। কি ক'লে ? কুকুৰবোৰে চিঞৰ-বাখৰ নকৰি আপোনাৰ গুণানুকীৰ্তন কৰিবনেকি ? আন্দোলনত ধৰা ল'ৰাক কোৰোৱাদি খুব কোবাই দিয়ক। কি ক'লে ? আৰে বানপানী, দুৰ্ভিক্ষৰ কথা এতিয়া বাদ দিয়ক না। আপুনি জানেনে নাই কুকুৰটো স্বয়ং সিদ্ধেশ্বৰ শইকীয়া ছাৰৰ হেৰিয়াৰ ? চাকৰি যোৱাৰ বিচাৰিছেনেকি ? কি ক'লে ? কুকুৰৰ গৰাকীবোৰ ? আৰে ছি, আৰ, পি বোৰ কাৰ ঘোঁৰাৰ ঘাঁহ কাটিবলৈ ৰাখিছেনে। মৃদু লাঠিচালনা নকৰাই কিয় ? অৰ্ডাৰ ? আৰে ইমাৰজেন্সি পিৰিয়ডত কাৰ অৰ্ডাৰ লাগিছে ? অ'ছিয়েই আইন (থৰ)

বৰবৰা : আই এম ভেৰি ছৰি ছাৰ।

অ'ছি : আপোনাক ইমান বিমর্ষ দেখা গৈছে মিঃ বৰবৰা ?

বৰবৰা : মিঃ লংকেশ্বৰৰ লগত বাহিৰে বাহিৰে মিঃ টাইগাৰৰ বাসস্থান পৰিদর্শন কৰি আহিলোঁ ছাৰ।

অ'ছি : কি পালে ? ফত্ কৈ নকয় কিয় ? বাকীকেইদাল চুলিও সৰাইহে এৰিবনেকি ?

বৰবৰা : এইটো এটা মার্ডাৰ কেছ ছাৰ।

অ'ছি : মার্ডাৰ ?? সৰ্বনশীয়া কথা। হেৰি শুনকচোন, মিছ হেৰি....

মেঘালী : পালে ?

অ'ছি : আম বৰ দুখিত বুজিছে, আপোনাৰ কুকুৰটোক হত্যা কৰা হৈছে।

মেঘালী : কি ক'লে ?

বৰবৰা : কোনোবা পশ্চাদঘাতী লোকৰ হাতত বেচেৰাই প্ৰাণ হেৰুৱাইছে।

মেঘালী : (কান্দিবলৈ ধৰে)

অ'ছি : ধৈৰ্য ধৰক, ধৈৰ্য ধৰক। জীবনটোনো কি ? কচুৰ পাতৰ পানী—

বৰবৰা : কান্দি কি পাব মিছ মেঘালী দাস। (আবৃত্তি কৰে) 'আহিলে মৰণ যাবই লাগিব আন্ধাৰ পুৰীৰ কোনোবা দেশ। নাই য'ত সুৰা, নাই য'ত গান— অজান দেশৰ ক'তনো শেষ।''

অ'ছি : ''অধিৰ ধন জন জীবন যৌবন, অধিৰ এহ সংসাৰ। পুত্ৰ পৰিবাৰ....

মেঘালী : চুপ কৰক। কথা ক'বলৈ আহিছে। মইহে জানিছোঁ আজি মই কি হেৰুৱালোঁ। অ' মোৰ টাইগাৰ...

অ'ছি : আপুনি কোনো চিন্তা নকৰিব, আমি তাক—

মেঘালী : কি ?

বৰবৰা : হি ইজ ন' ম'ৰ ছাৰ।

অ'ছি : কিন্তু আপুনি কেনেকৈ জানিলে মিঃ বৰবৰা যে মিঃ টাইগাৰ খুন হৈছে ?

বৰবৰা : তাক য'ত বন্ধা হয় সেই ঠাইত খুব ক'লাও নহয় আৰু খুব বগাও নহয়, এনেধৰণৰ ভালেমান নোম আৰু সামান্য তেজ পৰি আছে, যিহৰ ওপৰত ভিত্তি কৰি এইটো অনুমান কৰিবলৈ একো কষ্ট নহয় যে আততায়ীয়ে লোহাজাতীয় কিবা কঠিন পদাৰ্থৰে মৰিয়াই তাৰ মৃত্যু ঘটাইছে আৰু চেইনসহ তাৰ মৃতদেহ কোনো অজান ঠাইলৈ নি চিন-মোকাম মাৰি পেলাইছে।

অ'ছি : আততায়ী সেই বৰঠাকুৰৰ ঘৰৰ ভতুৰানীজনী বুলি ভবাত কিবা বাধা আছে নেকি মিঃ বৰবৰা ?

বৰবৰা : আছে ছাৰ। এই কেছৰপৰা তাইক আপুনি সসম্মানে বেহাই দিব পাৰে ছাৰ।

অ'ছি : কাৰণ ?

বৰবৰা : ঘটনাস্থলীৰ কিছু আঁতৰত দেখা পালোঁ, যোৱা নিশা মৃত টাইগাৰে জীবনত শেষবাৰৰ বাবে গ্ৰহণ কৰা আহাৰৰ অবশিষ্ট কেইটুকুৰা-মান মঙহৰ টুকুৰাত মৃদু কামোৰ মাৰি শোকাভিভূত মিছ ভতুৰানীজনীয়ে অশ্ৰুসিক্ত নয়ন দুটিৰে আমাৰ পিনে চাই যেন ক'ব খুজিছে তাইৰ অন্তৰত গুজৰি গুমৰি উঠা অধৃত বেদনাৰ কথা।

অ'ছি : হোপলেছ।

বৰবৰা : ছাৰ ?

অ'ছি : ভতুৰানীজক যদি চৌধুৰীয়ে এৰেষ্ট কৰিব পৰা নাই তেন্তে চৰ গুৰ মাটি হ'ল। আপোনাৰ দৰে এজন উচ্চ শিক্ষিত পুলিছ এছ, আইক তাই কেনেভাবে প্ৰবঞ্চনা কৰিলে ভাবিলেই লাজ লাগি যায়।

বৰবৰা : তাই ছাৰ—

অ'ছি : আপোনাৰ ওচৰত তাই সুন্দৰ অভিনয় কৰি গ'ল মিঃ বৰবৰা। অথচ মই এজন ২৪ বছৰীয়া অভিজ্ঞতাসম্পন্ন অ'ছিয়ে ভালকৈ জানো যে সেই ভতুৰানীজনীয়েই টাইগাৰক হত্যা কৰিছে। এই ল'ৰা ? ৰাবণ ?

লংকেশ্বৰ : লংকেশ্বৰ ছাৰ।

অ'ছি : চুপ। ক— ভতুৰাজনীৰ লগত তই কি ষড়যন্ত্ৰ কৰিছিলি ? আপুনি বৰবৰা চাকৰি ইস্তফা দিয়া উচিত। ছাত্ৰ আন্দোলনতো আপুনি

ক্ষমতাৰ বলত যা-তা ল'ৰাক ধৰি আনি ঘুণীয়া কৰিলে।

ৰৱৰৱা : তাত ছাৰ মোৰ কি দোষ আছিল? ওপৰৱপৰা অৰ্ডাৰ দিছে আন্দোলনকাৰীইতক এনেভাবে ঘুণীয়া কৰিব লাগে যাতে এশ বছৰলৈ সিহঁতে আৰু আন্দোলন কৰিব নোৱাৰে। (ফোন বাজে)

অ'ছি : হেল্লো। মিউনিছিপেলিটি! বাৰু দিছোঁ— এ কি ক'লে? বাৰু বাৰু ক'ম— ভাল ছাৰ। আমি তদন্ত কৰিছোঁ ছাৰ। (থয়) —চেয়াৰ-মেনে খবৰ পাই আপোনাৰ টাইগাৰ হেৰোৱাত আন্তৰিক সমবেদনা প্ৰকাশ কৰিছে মিছ ইয়ে··· (পুনৰ ফোন বাজে) হেল্লো? কোনে কৈছে? বাৰু বাৰু কৈছোঁ। (থয়) যুৱ— হেৰিয়াৰ সভাপতি মিছ ইয়ে? আপোনাৰ টাইগাৰৰ বাবে হেনো শোকত ম্ৰিয়মান। (পুনঃ ৰিং) হেল্লো, হেল্লো? আঁ? মহাদেৱজী? কি হ'ল? কুকুৰৰ কি হ'ল? টাইগাৰ নামৰ কোনো কুকুৰ পোৱা নাই? কি ক'লে! এম. এল. এৰ কুকুৰ? এৰি দিয়ক— এৰি দিয়ক— মাৰিব ধৰিছে! শুনক, শুনক মহাদেৱজী! অন্যবোৰ কুকুৰক বেইলত নিদিব। আৰু, আৰু শুনক, শুনক। গৰাকীবোৰে যদি বেছি দিগ্‌দাৰী কৰে সিহঁতকো কুকুৰৰ লগতে ছে'লত ভৰাই থওক। কৈ দিয়ক এতিয়া ইমাৰ্জেন্সী চলি আছে। (থয়) মিঃ ৰৱৰৱা?

ৰৱৰৱা : ইয়েছ ছাৰ।

অ'ছি : কুকুৰটো কিয় নোলাব?

ৰৱৰৱা : ময়োতো ছাৰ তাকেই ভাবিছোঁ, কুকুৰটো কিয় নোলাব।

অ'ছি : মিঃ ৰৱৰৱা। আপুনি ইয়াতে অলপ ৰওক। মই লাঞ্চ কৰি আহোঁ। জানেইতো মোৰ গেষ্ট্রিক ট্ৰাবল আছে। কালি নিশাও টোপনি ক্ষতি বুজিছে। অ' বাই দি বাই। আপুনি যে সিদিনা কৈছিল— যোৰহাটৰ ল'ৰা এজনৰ কথা? কিবা খবৰ দিলেনে?

ৰৱৰৱা : সি বোলে এইবছৰ বিয়া নাপাতে ছাৰ।

অ'ছি : চেঃ দহজনী ছোৱালীৰ এজনীও মৰাৰ আগতে পাৰ কৰি যাব নোৱাৰিম যেন পাইছোঁ।

ৰৱৰৱা : ছোৱালীলৈ ল'ৰা বিচাৰি থকাতকৈ অন্য এটা কাম কৰক ছাৰ—

অ'ছি : কওকচোন ৰৱৰৱা—

ৰৱৰৱা : স্বয়ম্বৰ পাতক ছাৰ—

অ'ছি : স্বয়ম্বৰ?

মেঘালী : আপোনালোকে স্বয়ম্বৰ পাতিবনে নাই মোৰ টাইগাৰক বিচাৰিব? যদি নোৱাৰে মই ভিনদেউলৈ ফোন কৰোঁ—

অ'ছি : আহ। ৰ'চোন ৰ'ব ৰ'ব কথাটো একেবাৰে পাহৰি গৈছিলোঁ। (খঙেৰে) মিঃ ৰৱৰৱা?

ৰৱৰৱা : ইয়েছ ছাৰ।

অ'ছি : আপুনি জানেনে যে, আমি এটা কুকুৰৰ তদন্ত কৰিবলৈ আহিছোঁ?

ৰৱৰৱা : জানো ছাৰ।

অ'ছি : আৰু এইটোও জানেনে নাই যে, এইটো ইমাৰ্জেন্সী টাইম?

ৰৱৰৱা : জানো ছাৰ—

অ'ছি : লগতে এইটোও জানেনে যে, হেৰোৱা কুকুৰটো খোদ এখেতৰ খুলশালী····

ৰৱৰৱা : ভিনিহিয়েকৰ খুলশালীয়েকৰ কুকুৰ ছাৰ।

অ'ছি : এঘণ্টাৰ ভিতৰত কুকুৰ নোলালে আপোনাৰ ওপৰত ছার্জ আনিবলৈ বাধ্য হ'ম—

ৰৱৰৱা : হয় ছাৰ। কিন্তু মইতো ছাৰ ঠিক লাইনতে আছোঁ।

অ'ছি : ধৈ দিয়ক আপোনাৰ লাইন। পাবলিকে আপোনাৰ বিৰুদ্ধে যি চার্জ আনিছিল ভাগ্যে ইমাৰজেন্সী ঘোষণা হ'ল। নহলে— (ফোন বাজে)

অ'ছি : ধৰক সেইদাল।

ৰৱৰৱা : হেলো? হেলো? হে-লো-ওঁ? মহাদেৱজী? কি? কি ক'লে? (ফোনৰ বিছিভাৰ হাতৰপৰা সৰি পৰে)

অ'ছি : বিছিভাৰ পেলালে কিয়?

ৰৱৰৱা : আপুনি ধৰক ছাৰ। ম-ম মই নোৱাৰোঁ ছাৰ। মোৰ গা কঁপিছে।

অ'ছি : ৰৰ্থলেছ, হেল্লো? কি হ'ল মহাদেৱজী? ঐ? কি কি? শইকীয়া ছাৰ বানপানী পৰিদৰ্শন কৰিবলৈ আহি আছে? মৰিলোঁ। হেৰি মিঃ ৰৱৰৱা? কথাটো কি হ'ল গম পালেনে? হেল্লো হেল্লো। মহাদেৱজী? আপুনি এই মুহূৰ্তে এ. এছ. আই যুধিষ্ঠিৰ ৰয়ক প্লেটুন দি বানপানী হোৱা ঠাইলৈ পঠাই দিয়ক। কথাটো বুজিছেনে নাই? শইকীয়া ছাৰ ছাৰ্কিট হাউছ পালেই ক'ব অ'ছি তেখেতৰ ভি-ভি—

ৰৱৰৱা : খুলশালী—

অ'ছি : হেল্লো? খুলশালীয়েকৰ কুকুৰ বিচাৰি আছে। ভাত-পানী খোৱা নাই। মনত ৰাখিব।

মেঘালী : চাওঁ ৰিছিভাৰটো দিয়কচোন। হেল্লো থানা? ভিনদেউ আহি পালেই ক'ব মেঘালীৰ সৰ্বনাশ হৈছে। তেখেত যেন Direct ইয়ালৈ আহে—

অ'ছি : আপুনি আকৌ এইখন কি জেঙা লগাব খুজিছে মিছ ইয়ে। কুকুৰৰ ভাৰ আমাৰ ওপৰতহে, কাইওলি তেখেতক—

মেঘালী : হেল্লো? ক'ব কিন্তু। আচ্ছা জানেনেকি বাৰু ভিনদেউ এতিয়া-মানে কিমানখিনি পাইছেহি? জানে? এঁ? একদম ওচৰতে দেখোন। বাৰু বাৰু আপুনি ক'ব কিন্তু। (থয়। ভিতৰলৈ যায়)

অ'ছি : আপুনি মোক খালে বৰবৰা। তেৱটাকৈ ল'ৰা-ছোৱালী, বেমাৰী ঘৈণী— খা এতিয়া, মৰ বাপেকে।

বৰবৰা : আপুনি মোৰ গাত খুচি আছে কিয় ছাৰ? মইতো—

অ'ছি : চালা জীবনত অতবোৰ তদন্ত কৰিলোঁ শেষত হাৰামী কুকুৰ এটাই চাকৰি খালে। নামঘোষাখন বা থ'লোঁ, ক'ত? (বেগৰপৰা বিচাৰি উলিয়াই পঢ়ে)

(ৰাহিৰত মটৰৰ হৰ্ণ)

অ'ছি : মৰিলোঁ। ছাৰ আহি পালেহিয়েই হ'বলা। বৰবৰা? আগবাঢ়ি নাযায় কিয়। ভেলেঙা লাগি কি চাই আছে?

বৰবৰা : আঁ-আঁ মই পৰি যাম ছাৰ। ল' প্ৰেছাৰ আছে।

মেঘালী : (ভিতৰৰপৰা দৌৰি আহে) ভিনদেউৰ গাড়ীৰ হৰ্ণ নহয়নে। (ওলায় যায়)

অ'ছি : "নমো নমো নাৰায়ণ প্ৰসন্ন হওক হৰি" —হেৰি বৰবৰা? নাযায় কিয়? "মায়াক কৰিও নিৰ্বাণ। আপোনাৰ মহিমা আপুনি বেকত কৰি জীবক কৰিও পৰিত্ৰাণ"। (শইকীয়া, পি. এ. আৰু মেঘালী সোমায় আহে। ভয়ৰ কোবত মুখ ঘুৰাই থকা অবস্থাত বৰবৰা আৰু অ'ছিয়ে মুখামুখিকৈ পৰস্পৰকে ছেলুট দিয়ে)

শইকীয়া : বুজিছা মেঘ, থানাৰ এছ. আই জনে খবৰটো দিয়াৰ লগে লগে মই দৌৰি আহিছোঁ। উস্ কি যে কষ্ট পাইছোঁ অন্তৰত। তোমালোকে গোটেই দিনটো কাৰ ঘোঁৱাৰ ঘাই কাটিলা?

অ'ছি : আ আ—

শইকীয়া : পুলিছৰ চাকৰি কৰিবলৈ আহিছা? মোৰ বদনাম আনিলা। মই মই তোমালোকক ডিচার্জ কৰিম। পি. এ. নোট কৰক। এটা কুকুৰ বিচাৰি উলিয়াব পৰা নাই—

বৰবৰা : সি, মানে মিঃ টাইগাৰ খুন হৈছে ছাৰ। সি মৰিল।

শইকীয়া : মৰিল? কিয় মৰিব? কেনেকৈ মৰিব? তোমালোকক দৰমহা দি ৰাখিছোঁ কিয়? সি মৰিব নোৱাৰে—

অ'ছি : হ-হয়-ছাৰ। নোৱাৰে ছাৰ মৰিব। বাচি আছে যদি ছাৰ সি কেতিয়াও মৰা নাই। মৰিলেও সি ছাৰ আমাৰ হাতৰপৰা সাৰি যাব নোৱাৰে। আপুনি ছাৰ কোনো চিন্তা নকৰিব।

শইকীয়া : পি. এ

পি. এ : ইয়েছ ছাৰ।

শইকীয়া : ডি. ছি লৈ খবৰ দিয়ক বানপানী পৰিদৰ্শন কৰিবলৈ আজি যোৱা সম্ভৱ নহ'ব। ৰাইজৰ পৰা তোলা খাদ্য, বস্ত্ৰ আদি পঠাব নালাগে। আজি নাখালে নিপিন্ধিলেও মানুহ চৰ মৰি নাযায়। কওকগৈ

কালিলৈ মই নিজে গৈ দুৰ্দশাগ্ৰস্ত ৰাইজৰ মাজত সেইবোৰ বিতৰণ কৰিম। ফ'টোগ্ৰাফাৰজনকো কৈ থ'ব।

পি. এ : ভাল ছাৰ মই আহিছোঁ।

শইকীয়া : অ' আৰু ক'ব— কুকুৰটো সন্ধ্যাৰ ভিতৰত নেপালে ডি. ছি, এছ. পিয়ে মোৰ লগত আলোচনা কৰিব।

মেঘালী : টাইগাৰ নোলালে মই 'ছুইছাইদ' কৰিম ভিনদেউ—

শইকীয়া : তুমি ভাগি নপৰিবা মোৰ মেঘজনী। দৰকাৰ হলে মই ১৪৪ ধাৰা জাৰি কৰাম, সান্ধ্য আইন জাৰি কৰিম।

মেঘ : তোমাৰ এই পুলিছ দুটা বৰ worthless ভিনদেউ। তুমি এছ. পিক দিয়ানা কুকুৰ বিচৰাৰ ভাৰ।

শইকীয়া : হৈ যাব মেঘ, তুমি চিন্তা নকৰিবা। টাইগাৰতো কেবল তোমাৰ নহয়, মোৰো। তাৰ কাৰণে তুমি যিমান দুখ পাইছা মই তাতকৈ কোনো গুণে কম দুখ পোৱা নাই মেঘ।

(ৰাহিৰত কুকুৰৰ ভুকভুকনি)

মেঘালী : ভিনদেউ— টাইগাৰ। my tiger, my life— (দৌৰ মাৰে)

শইকীয়া : মেঘ মেঘ। (ওলাই যায়। বৰবৰাও ওলাই যায়। অ'ছিয়ে সেই সুবিধাতে সাত বাৰমান ঈশ্বৰৰ নাম জপ কৰি ওলাই যাব খোজোঁতেই বাকীসকল সোমাই আহে। মেঘালীয়ে টাইগাৰক কেচুৰাৰ দৰে মৰম কৰে। সিহঁতৰ লগত এজন যুবকো আহে)

যুবক : এই কুকুৰটো ছাৰ আজি আমাৰ বাবে দেবদূতস্বৰূপ।

শইকীয়া : ইয়াক পালা ক'ত ভাইটি?

অ'ছি : মই আপোনাক কৈছিলোঁ নহয় ছাৰ সি বাচি থাকিলে কেতিয়াও মৰিব নোৱাৰে। মই ছাৰ ৰাতিপুৱাৰে পৰা—।

শইকীয়া : কছুপাত ফুলালা।

অ'ছি : হয় ছাৰ।

শইকীয়া : কি?

অ'ছি : মানে কছুপাত ছাৰ।

মেঘালী : ভিনদেউ? এই ল'ৰাজনক টকা কেইটামান দি দিয়ানা?

যুবক : চাওক, মই টকা বিচাৰি অহা নাই। আপোনাৰ কুকুৰটোৰে আজি যি উপকাৰ কৰিলে তাৰ বাবে তাকহে আমি কিবা এটা দিয়া উচিত।

মেঘালী : মোৰ টাইগাৰে উপকাৰ কৰিলে? O' my good God কোৱানা ভাই কি উপকাৰ কৰিলে মোৰ টাইগাৰে। Please.

যুবক : সি আজি ৰাতিপুৱাই আমাৰ ছাত্ৰ সন্থাৰ ট্ৰাকত উঠি মাজুলী পায়গৈ। তাত সি আমাৰ দৰেই দিনটো বৰযুগত তিতি তিতি ঘুৰি ফুৰিছিল।

মেঘালী : O' my God. এতিয়াই ছিভিলছার্জনক call কৰিব লাগিব। ন'হলে তাৰ ফ্লু হ'ব পাৰে।

শইকীয়া : তাৰপাছত ?

যুবক : এঠাইত এটা শিশু গড়া খহি পানীত পৰি যোৱাত এই কুকুৰ-টোৱে তৎক্ষণাত পানীত জপিয়াই শিশুটোৰ চোলাত কামুৰি ধৰি তাক নিশ্চিত মৃত্যুৰ মুখৰপৰা ৰক্ষা কৰে ছাৰ।

মেঘালী : তাৰ কাৰণে টাইগাৰক এই বছৰ সাহসিকতাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ দিব লাগিব। ভিনদেউ..... তুমি এটা ব্যবস্থা কৰানা।

যুবক : আমি আজি সন্ধিয়া এখন ৰাজহুৱা সভা আহ্বান কৰি কুকুৰটোক সম্বৰ্ধনা জনোৱাৰ দিহা কৰিছো ছাৰ।

শইকীয়া : কুকুৰক সম্বৰ্ধনা ? আইডিয়া !

মেঘালী : গ্ৰেণ্ড আইডিয়া !! মোৰ Tiger-ক সম্বৰ্ধনা। মাই টাইগাৰ। মাই লাইফ।

যুবক : যিহেতু সি কুকুৰ, কুকুৰ বাবেই তাৰ হৃদয়খন অতিকে বিশাল, আকাশৰ দৰে.....। ছাৰ আপোনাক অনুৰোধ জনালোঁ, যেন আপুনি সেই সভাত উপস্থিত থাকে।

মেঘালী : ভাইটি— তুমি যে ইম্‌মান Intelligent, ভিনদেউ এই ল'ৰাজনক চাবা। আৰু ভিনদেউ তুমি এই মিটিঙলৈ যাবই লাগিব। মোৰ টাইগাৰক মালা পিন্ধাব, তাৰ ডিঙিত নানান ৰঙৰ ফুলেৰে উপছি পৰিব। মোৰ যে ইম্‌মান ফুৰ্তি লাগিব.....

যুবক : হয় বাইদেউ। কুকুৰ মহান হলে গিৰিহঁতৰে যশ.....

মেঘালী : অ'..... How funy you are ! .....ভিনদেউ তুমি সম্মতি দিয়ানা.....। আমাৰ মহান গুৰু শংকৰদেৱেও কৈছে।

শইকীয়া : কুকুৰ গৰ্দভ আত্মাৰাম.....

অ'ছি : (সুৰ লগাই)

শইকীয়া : অ'ছি (ধম্‌ কি)

অ'ছি : ইয়েছ ছাৰ !

শইকীয়া : P. A ক মোৰ ভাষণ Prepare কৰিবলৈ কোৱা।++

সাম্প্ৰতিক

নিঃকিন সাহিত্যিক অতুলচন্দ্ৰ হাজৰিকাৰ 'তগোৱন'ত শান্তি ওংগ

'সাম্প্ৰতিক সাময়িকী'ৰ জ্যোতি-সংখ্যাত আমি শ্ৰীঅতুল হাজৰিকাৰ দ্বাৰা সাম্পাদিত জ্যোতিপ্ৰসাদৰ 'জ্যোতিধাৰা'ত সন্নিবিষ্ট 'শিল্পীৰ পৃথিবীত'ৰ ওপৰত চলা অস্ত্ৰোপ্ৰচাৰৰ বিষয়ে কিছু কথা লিখিছিলোঁ। আমাৰ সেই আলোচনাৰ প্ৰত্যুত্তৰ ৩১ মে'ৰ (১৯৭৮) 'নীলাচল'ৰ চিঠি-পত্ৰৰ শিতানত প্ৰকাশ হৈছে। 'জ্যোতিধাৰা'ৰ সম্পাদক শ্ৰীহাজৰিকাৰ চিঠিৰ মূল বক্তব্যখিনি চিধা কথাত ক'বলৈ গলে এই ধৰণৰ হ'ব : মই এজন 'বিনা বানচে' সাহিত্য সেৱা কৰা 'নিঃকিন' চিৰ-সৎ সাহিত্যিক, 'জ্যোতিপ্ৰসাদক অবনমিত কৰা অসজ প্ৰচেষ্টা মোৰ কোনো দিনে নাছিল, এতিয়াও নাই'। মই যদিও 'জ্যোতিধাৰা'ৰ সম্পাদক তথাপি 'পুথিখনৰ অ'ত ত'ত সালসলনিৰ নিৰ্দেশ' দিছিল প্ৰকাশন পৰিষদৰ কোনোবা নিৰীক্ষকে। এই 'সালসলনি' কাৰ্যটো মই 'ভাল পোৱা নাছিলোঁ যদিও পৰিষদৰ নিৰ্দেশ মানি নললে অনুদান পোৱা নাযাব বুলি পৰিষদে চাই-মেলি ঘুৰাই দিয়া পাণ্ডুলিপিটোকে ছপাবলৈ দিয়া হৈছিল।' গতিকে, হে জ্যোতি-প্ৰেমী ৰাইজ, মই সম্পূৰ্ণভাবে দোষ-মুক্ত, মোৰ সততা সম্পৰ্কে আপোনালোকৰ কোনো সন্দেহ থকা অনুচিত। (ঊৰ্দ্ধ ক'মাৰ ভিতৰত থকা বাক্যাংশ শ্ৰীহাজৰিকাৰ)

স্পষ্টতঃ এটা কথা পৰিষ্কাৰ হৈ পৰিছে যে শ্ৰীহাজৰিকাই জ্যোতি-প্ৰসাদৰ ওপৰত অস্ত্ৰোপ্ৰচাৰ চলোৱাৰ অভিযোগটোক অস্বীকাৰ কৰা নাই, তেখেতে মাত্ৰ ক'ব বিচাৰিছে এই অপৰাধৰ বাবে তেখেত দায়ী নহয়, দায়ী প্ৰকাশন পৰিষদৰ কোনোবা এজন নিৰীক্ষকহে। সততাৰ সংজ্ঞা কি, সম্পাদকীয় দায়িত্ব কাক বোলে, যিকোনো এজন মহৎ লোকৰ চলমান চিন্তাৰ সামগ্ৰিক স্বৰূপ অক্ষত ৰাখিবলৈ হলে কি দৰে সম্পাদনা কৰিব লাগে— এইবোৰ জটিল বিতৰ্কলৈ নগৈ আমি পোনপটীয়া প্ৰশ্ন কেইটামান ৰাইজৰ আগত দাঙি ধৰিব খুজিছো :

(১) শ্রীহাজৰিকাই লিখিছে যে প্ৰকাশন পৰিষদে 'পুথিখনৰ অ'ত-ত'ত সালসলনিৰ নিৰ্দেশ' দিছিল। 'সালসলনি' বোৰ কি ধৰণৰ আছিল তাৰ উদাহৰণ আমি 'সাম্প্ৰতিক সাময়িকী'ৰ জ্যোতি সংখ্যাত দিছোঁ। সেই-বোৰক 'সালসলনি' নুবুলি অসৎ উদ্দেশ্য প্ৰণোদিত দুষ্ট চক্ৰই জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাক বিকৃত আৰু অংগক্ষত কৰাৰ অপচেষ্টা বুলি ক'লে অকণো ভুল নহ'ব। শ্রীহাজৰিকাৰ মসৃণ ৰুচিবোধে হয়তো এনেধৰণৰ অমাৰ্জিত ভাষা ব্যবহাৰ কৰাৰ বিপক্ষে ৰায় দিব, কিন্তু সত্যক উদঙাই দেখুৱাবলৈ হলে কেতিয়াবা অন্ততঃ তথাকথিত মাৰ্জিত ভাষা বৰ্জন কৰা অত্যন্ত জৰুৰী হৈ পৰে। শ্রীহাজৰিকাই ব্যবহাৰ কৰা 'সালসলনি' শব্দটোৱে জানো প্ৰকাশন পৰিষদৰ সেই নিৰীক্ষকজনৰ সচেতন, কুমতলবী অস্ত্ৰোপ্ৰচাৰৰ আচল স্বৰূপ ঢাকি ৰখাত সহায় কৰা নাই ? উল্লেখযোগ্য যে নিৰীক্ষকজনৰ অস্ত্ৰোপ্ৰচাৰে বিশেষ কিছুমান সামাজিক ৰাজনৈতিক স্বাৰ্থকে প্ৰতিনিধিত্ব কৰে।

(২) চিঠিখনত এই ধৰণৰ ইংগিত আছে যে 'সাল-সলনি'ৰ কাৰ্যটো শ্রীহাজৰিকাই ভাল পোৱা নাই। যদি সেইটোৱেই হয় তেনেহলে তেখেতে সম্পাদক হিচাপে নিজৰ নামটো প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰিব লাগিছিল। কিবা কাৰণে যদি সেইটো সম্ভব নহ'ল তেন্তে তেখেতে অন্ততঃ সম্পাদকীয় পাতনিত 'সাল-সলনি'ৰ বাবে প্ৰকাশন পৰিষদৰ নিৰীক্ষকক দায়ী বুলি পৰোক্ষ-ভাবে উল্লেখ কৰিব লাগিছিল। ভাল নোপোৱা কামটোৰ সমস্ত দায়িত্ব শ্রীহাজৰিকাই নিজে মূৰ পাতি লবলৈ গ'ল কিয় ?

(৩) 'জ্যোতিৰ্ধাৰা' প্ৰকাশ কৰাৰ সময়ত শ্রীহাজৰিকাই লব্ধ-প্ৰতিষ্ঠিত সাহিত্যিক হিচাপে প্ৰকাশন পৰিষদৰ এই অন্যায় হস্তক্ষেপৰ বিৰুদ্ধে প্ৰতিবাদ কৰি— কিম্বা এই ধৰণৰ নিয়ম-কানুনৰ পৰিবৰ্তনৰ বাবে— কৰ্তৃপক্ষৰ ওপৰত উপযুক্ত হেঁচা দিছিল জানো ? (জ্যোতি প্ৰকাশ সস্থাই এই মৰ্মে কিবা প্ৰতিবাদ কৰিছিল জানো ?)

(৪) শ্রীহাজৰিকাৰ চিঠিৰ এঠাইত এই ধৰণৰ ইংগিত আছে যে ব্যক্তি-গতভাবে তেখেতক 'অপদস্ত' কৰাৰ এই চেষ্টাক তেখেতে 'যুগ-ধৰ্ম' বুলিয়েই ধৰি লৈছে। দুটা কথা আমি স্পষ্টভাবে তেখেতক জনাব বিচাৰিছোঁ। প্ৰথমতঃ আমি তেখেতক ব্যক্তিগতভাবে অপদস্থ কৰাৰ উদ্দেশ্যেৰে আলো-চনাটো লিখা নাছিলোঁ, বিশেষ কিছুমান অসৎ ৰাজনৈতিক উদ্দেশ্যেৰে জ্যোতিপ্ৰসাদৰ চিন্তাক বিকৃত কৰিব বিচৰা অপচেষ্টাৰ বিৰুদ্ধেহে প্ৰতিবাদ কৰিছিলোঁ। দ্বিতীয়তঃ অপদস্থ কৰাটো আজিৰ যুগ-ধৰ্ম নহয় ; সমাজ ইতিহাসৰ অগ্ৰগতিৰ অনিবাৰ্য পৰিণতি হিচাপে শ্রীহাজৰিকাৰ শিবিৰ অপ-দস্থ হৈছে। আজি নিৰিঘ্নে সাহিত্যৰ পৃথিবীত 'ককাগিৰি' কৰাৰ দিন উকলিল।

(৫) আত্মপক্ষ সমৰ্থনৰ বাবে আৰু নিজৰ সততাৰ সপক্ষে শ্রীহাজৰিকাই তেখেতৰ চিঠিত পৰোক্ষভাবে এই যুক্তি দাঙি ধৰিছে : অনুদানৰ কাৰণে—

নিজৰ অনিচ্ছা সত্ত্বেও— তেখেতে প্ৰকাশন পৰিষদৰ নিৰীক্ষকৰ অন্যায় অস্ত্ৰোপ্ৰচাৰৰ কোনো প্ৰতিবাদ নকৰিলে। এই যুক্তিৰ পৰিপ্ৰেক্ষিতত আমি এটা নৈতিক প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছোঁ : কেবল টকাৰ বিনিময়ত জ্যোতিপ্ৰসাদৰ দৰে এজন মহৎলোকৰ চিন্তাধাৰাৰ ওপৰত অস্ত্ৰোপ্ৰচাৰ চলাবলৈ কোনোবা অনামী নিৰীক্ষকক জানো অধিকাৰ দিয়া উচিত ? সম্পাদক হিচাপে শ্রীহাজৰিকাৰ নৈতিক কৰ্তব্য আছিল জ্যোতিপ্ৰসাদৰ চিৰ-চলমান চিন্তাৰ বৈশিষ্ট্য আৰু কি পৰিণতিৰ ফালে সেই চিন্তাই গতি কৰিছিল তাৰ স্বৰূপ ৰাইজৰ আগত দাঙি ধৰা। শ্রীহাজৰিকাই প্ৰকাশন পৰিষদে আগ-বঢ়োৱা টকাৰ বিনিময়ত সেই নৈতিক কৰ্তব্যৰ কথা পাহৰি গৈছে। (অবশ্যে এই ক্ষেত্ৰত জ্যোতি-সোৱঁৰণী সস্থাৰ মুৰব্বীসকলেও জ্যোতিপ্ৰসাদৰ প্ৰতি কম অন্যায় কৰা নাই।) অবশ্যে, এই নৈতিক দায়িত্ব অবহেলা কৰাৰ বাবে শ্রীহাজৰিকাই কোনো ধৰণৰ তীব্ৰ বিবেক-দংশন অনুভব কৰা নাই বুলি ভাব হয়। কাৰণ জ্যোতিপ্ৰসাদৰ চিন্তাৰ বিবৰ্তন যি লক্ষ্যৰ পিনে আগবাঢ়িছিল তাৰ প্ৰতি শ্রীহাজৰিকাৰ বিন্দু মাত্ৰ সহানুভূতি আছে বুলি মনত নহয়। জ্যোতিপ্ৰসাদৰ মাজত ধীৰে ধীৰে অংকুৰিত হ'ব ধৰা কমিউ-নিষ্ট-দৰদী শিল্পীজনক হত্যাৰ চেষ্টা হয়তো শ্রীহাজৰিকাই নিজ-হাতেৰে কৰা নাই, কিন্তু সেই সুপৰিকল্পিত জঘন্য হত্যা প্ৰচেষ্টাৰ নীৰৱ সাক্ষী আৰু পৰোক্ষ সমৰ্থক যে তেওঁ সেই কথা তেওঁৰ চিঠিতেই ওলাই পৰিছে। শ্রীহাজ-ৰিকাৰ প্ৰিয় মনীষীসকলেই জানো কোৱা নাই— অন্যায় কৰা আৰু অন্যায় সহ্য কৰা সমানেই পাপ ? —চৈতালী হাজৰিকা, গুৱাহাটী

অসম প্ৰকাশন পৰিষদৰ অকথিত কাহিনী

আপোনাৰ 'সাম্প্ৰতিক সাময়িকী'ৰ তৃতীয় বছৰ সপ্তম সংখ্যাত (আগষ্ট, ১৯৭৮) অসম প্ৰকাশন পৰিষদৰ অকথিত কাহিনী শীৰ্ষক আলোচনাত প্ৰকাশন পৰিষদৰ সচিব শ্রীচন্দ্ৰপ্ৰসাদ শইকীয়াই 'নবীনচন্দ্ৰ ৰৱদলৈৰ ৰচনাৱলী'ত সম্পা-দক স্বৰূপে আমাক অস্বীকাৰ কৰা কাহিনী পঢ়ুৱৈ সমাজৰ আগত দাঙি ধৰা বাবে শলাগ আৰু কৃতজ্ঞতা জনাইছোঁ। অহা ৩ নবেম্বৰত 'ৰৱদলৈৰ ৰচনাৱলী' প্ৰকাশ হোৱা চাৰি বছৰ পূৰ্ণ হ'ব। আমি প্ৰথমতে অভিযোগ উত্থাপন কৰাও চাৰি বছৰ পূৰ্ণ হ'ব।

আপোনালোকে মোক প্ৰশ্ন কৰিছে— মই কিয় ন্যায়ালয়ৰ ওচৰ নাচাপি আবেদন নিবেদন কৰিয়ে ক্ষান্ত থাকিলোঁ। এই ক্ষেত্ৰত আমি অকল ন্যায়া-লয়ৰ কায চপাই নহয়, ন্যায়ালয়ৰ দ্বাৰা ইনজাংচন দি ৩ নবেম্বৰ, ১৯৭৫ খৃঃ 'ৰৱদলৈৰ ৰচনাৱলী' উন্মোচিত কৰা কাৰ্যকেই কিজানি বন্ধ কৰিব পাৰিলোঁ-হেঁতেন। কিন্তু তাকে কৰা হলে সদৌ অসমবাসীয়ে আগ্ৰহেৰে পতা শত-বাৰ্ষিকী উৎসবত বিঘিনি ঘটিলহেঁতেন। সেইবাবে কৰ্মবীৰ ৰৱদলৈৰ আত্মা

আৰু অসমবাসীয়ে আমাক ক্ষমা নকৰিলেহেঁতেন।

অসমৰ মাননীয় শিক্ষামন্ত্রীক সভাপতি স্বৰূপে লৈ গঠন কৰা প্ৰকাশন পৰিষদৰ সদস্যসকলৰ ভিতৰত আছে কেইবাজনো অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক-শিক্ষাবিদ, কলেজৰ অধ্যক্ষ, ৰাজ্যসভাৰ সদস্য, প্ৰথিতযশা সাহিত্যিক আৰু সাহিত্য একাডেমী-প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰা সাহিত্যিক। এনে এখন গুণী-জ্ঞানী লোকৰে গঠিত সভাৰ ওচৰত ন্যায় বিচাৰ বিচাৰি বাৰে বাৰে আবেদন কৰাৰ পিছত আমি আৰু কোনো আদালতৰ আশ্ৰয় লোৱাৰ প্ৰয়োজন অনুভব নকৰিলোঁ।

আমি সাঁয়লয়ৰ আশ্ৰয় লোৱা হ'লে নলিনীবালা দেৱী, অতুলচন্দ্ৰ হাজৰিকা, হৰেন্দ্ৰনাথ বৰুৱা, সতীশচন্দ্ৰ কাকতি ডঃ মহেশ্বৰ নেওগ, ডঃ ভবেন্দ্ৰনাথ শইকীয়া প্ৰভৃতি বহুজনকে আদালতত হাজিৰ কৰাব লাগিলহেঁতেন। আমাৰ এই শ্ৰদ্ধাভাজন ব্যক্তিসকলক তেনে কৰিবলৈ সত নগ'ল।

আদালতৰ কায ছপা হলে ই অকল নিম্ন আদালততে শেষ নহ'লহেঁতেন। উচ্চতম ন্যায়ালয়লৈকো দৌৰিব লগা হ'লহেঁতেন। সিমানখিনি কৰিবৰ বাবে আমাৰ কঁকালত বলও নাছিল।

জৰুৰীকালীন সময়ৰ ভীতি-বিহ্বল অবস্থাই ন্যায়ালয়ৰ কায চপা চিন্তাৰ পৰা আঁতৰাই ৰাখিছিল নাইবা মানসিক কাপুৰুষালিক প্ৰশ্ৰয় দিছিলে, সেই কথা অস্বীকাৰ কৰাবো আমাৰ উপায় নাই।

সি যিকি নহওক আপোনালোকে এই কাহিনী প্ৰথম বাৰৰ বাবে ৰাইজৰ দৃষ্টি গোচৰ কৰা বাবে মই পুনৰ আপোনালোকক শলাগ জনাইছোঁ।

শ্ৰীনন্দ তালুকদাৰ, গুৱাহাটী-৩

আপোনালোকলৈ শাৰদীয় অভিনন্দন আগবঢ়াইছো—

বোৱা-কটা সঁজুলি

পাণবজাৰ ।। গুৱাহাটী-৭৮১০০১
ফোন ঃ ২৪৩২৩

সকলো প্ৰকাৰৰ তাঁতশাল
সঁজুলিৰ খুচুৰা আৰু পাইকাৰী
যোগান ধৰোঁতা।

সাম্প্ৰতি